মেঘনা যমুনা থেমুচ

স্বৰ্ণ বৰা

॥ সুনীল প্ৰকাশ ॥

MEGHNA JAMUNA THAMES

An Assomese novel written by Mrs Swarna Bora, Anandabhawan Kachalukhowa, Nagaon : 782001 (Assam) based on cultural and social life of Tea Tribes of Assam and published by Sunil Prakash, Kachalukhowa, Nagaon

Price :

Cloth bind : Rs. 100·00

Popular : Rs. 70·00

প্ৰকাশক : সুনীল প্ৰকাশ, নগাঁও।

প্ৰথম সংস্কৰণ : ১ জানুৱাৰী, ১৯৯৭

লেখিকাৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

বেটুপাত : উৎপল বৰা, খিং।

ছপা : হেমাঙ্গিনী প্ৰিণ্টাৰ্চ, আনন্দভৱন, কচলুখোৱা : নগাঁও।

মূল্য : ৭০·০০ টকা (সত্তৰ টকা)

চাহ জনজাতি ভাই-ভনীসকলৰ
হাতত মৰমেৰে

লেখিকাৰ আগকথা

অসমত বাস কৰা বিভিন্ন জনজাতিৰ বিষয়ে লিখাৰ আগ্ৰহ থকাৰ কাৰণেই ডিমাছা, গাৰো, মিচিং, ৰাভা আদি বিভিন্ন জন-গোষ্ঠীৰ কৃষ্টি, সংস্কৃতি আৰু তেওঁলোকৰ বিভিন্ন সমস্যা, জীৱন ধাৰণৰ প্ৰণালী আদি সন্নিবিষ্ট কৰি ইতিপূৰ্বে কেইবাখনো কিতাপ লিখি ৰাইজৰ আগত তুলি দিছোঁ। এইবাৰ ৰাইজলৈ আগবঢ়াইছোঁ মোৰ নতুন উপন্যাস "মেঘনা যমুনা থেমচ্" ; য'ত সন্নিবিষ্ট কৰা হৈছে অসমৰ চাহ জনজাতি ভাইভনীসকলৰ বিভিন্ন সমস্যাৰাজি আৰু তাৰ সমাধানৰ উপায়, সেউজীয়া চাহ গছ ৰোপাৰ জীৱনৰ ইতিবৃত্তি, ইয়াৰ ব্যৱসায় বাণিজ্য, এই উদ্যোগৰ লগত জড়িত থকা সৰু-সুৰা বিভিন্ন উদ্যোগ, লাভ লোকচান আৰু চাহজনজাতিসকলৰ ওপৰত আজিকোপতি চলি থকা বিভিন্ন প্ৰকাৰৰ শোষণ আৰু নিষ্পেষণৰ বৰ্ণনা।

পুথিখনিৰ ৰচনা কালত, চাহ জনজাতি ছাত্ৰ সন্থা, চাহ মজদুৰ সংঘৰ বিষয়ববীয়াসকল, অভিজ্ঞ ব্যক্তি, টোকলাই চাহ গৱেষণা কেন্দ্ৰৰ বিষয়ববীয়াসকল, অসমৰ বিভিন্ন চাহ বাগানৰ শ্ৰমিক, কৰ্ম্মচাৰী, পৰিচালকসকলে মোক যিধৰণে সহায়, উৎসাহ আৰু সাহস গোটাই অনুপ্ৰেৰণা যোগাইছে তেখেতসকললৈকো মোৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

আনন্দভৱন
কছলুখোৱা
নগাঁও-৭৮২০০১

ইতি —
শ্ৰীস্বৰ্ণ ৰবা
০১-০১-৯৭

১

পঞ্চুৰতী চাহ বাগিছা। গ্ৰীষ্মৰ এটা মধুৰ আবেলি। সেউজীয়া চাহ গছৰ কোমল পাতবোৰত সৰি পৰিছিল আবেলি বেলিৰ ৰং। দূৰৰ পাহাৰৰ ওপৰেদি উৰি গৈছিল নাম নজনা পখীৰ জাক, পাখীত লাগি গৈছিল অস্তমিত সূৰ্যৰ কোমল পোহৰ।

খোলা বাৰান্দাখনত ভাবত বিভোৰ হৈ বহি থকা অৰুপা চহৰীয়াৰ মনৰ তন্ময়তা ভাঙিছিল এচাতি কোমল বতাহৰ মৃদু পৰশত আৰু ধীৰে ধীৰে সোমাই গৈছিল ভিতৰলৈ।

আহল বহল কোঠালীটোৰ চাৰিওফালে আকৌ এবাৰ চকু ফুৰাই চাইছিল অৰুপাই। সেই পুৰণা আচবাব। সদায়ে যেন নতুন হৈয়ে আছে। মেহগনি কাঠৰ পালেং, লাইফ চাইজ আইনা, চিৰিশ কাঠৰ দাইনিং টেবুল। আইনাৰ আলমিৰাৰ ভিতৰত সযতনে সজাই থোৱা কাপ-প্লেট, ৰূপৰ কাহিবাতি, ডিনাৰ চেট, বেৰত আৰি থোৱা আছে যীশুখৃষ্টৰ হাতে আঁকা ছবি।

তাই লাহে লাহে ছবিখনৰ ওচৰ চাপি গ'ল আৰু ওপৰলৈ মুখ তুলি চাই চকুহুটা মুদি দিলে।

অনিল ঘৰত নাই। সি নথকা সময়খিনিত তাই অকলে থাকিব লাগে। প্ৰথমে ভাল লাগিছিল যদিও পিছলৈ তাই অনুভৱ কৰিলে যে তাইৰ বাহিৰেও যেন ঘৰটোত কোনোবা আছে। অকলে থকা সময়খিনিত তাই আবেলি বেলিৰ ৰং চাই আপোন পাহৰা হৈ থাকে ভেতিয়া অনুভৱ কৰে কোনোবা তৃতীয় ব্যক্তিৰ শীতল অস্তিত্ব।

দিন পুৰণি হোৱাৰ লগে লগে তাই নিচিন্ত হ'ল যে

সঁচাকৈয়ে ঘৰটোত কোনোবা আছে। নিশা কেতিয়াবা অতৃপ্ত আত্মাৰ কান্দোন তাই শুনিবলৈ পায়। কেতিয়াবা ভৰিৰ শব্দ, কেতিয়াবা নূপুৰৰ জনজননিয়ে তাইক আকুল কৰি তোলে। লাহে লাহে তাইৰ এই ঘৰটোৰ অতীত ইতিহাস জানিবলৈ বৰ মন গ'ল।

অনিল বদলি হৈ অহাৰ দিন ধৰি খুবেই ব্যস্ত। অনিল অহা এবছৰৰ ভিতৰতে বাগানখনে পূৰ্ণ জীৱন পালে যেন লাগিছে।

অৰূপায়ো অনিলৰ লগত বিবাহ পাশত আৱদ্ধ হৈ নিজকে ভাগ্যৱতী বুলি ভাবিছিল। সৰুৰে পৰাই চাহ বাগানৰ প্ৰতি তাইৰ এটা মোহ আছিল। মাজে মাজে তাই ভাবিছিল এটা কলি দুটি পাতৰ মাজত যদি তাই সম্বন্ধ স্থাপন কৰিব পাৰে তেনেহলে তাইৰ জীৱন সাৰ্থক হব।

এদিন সঁচাকৈয়ে অৰূপাৰ সপোন বাস্তৱত পৰিণত হ'ল আৰু অনিলৰ লগত বিবাহ পাশত আৱদ্ধ হৈ সৰু চৰাই চাহ বাগানলৈ কইনা সাজেৰে আহি অনিলৰ বাংলাত প্ৰবেশ কৰিলেহি।

কোমলীয়া চাহ পাতৰ মৃদু পৰশত কিছুদিনৰ ভিতৰতে অৰূপাৰ মন গা ভাল লাগি গৈছিল যদিও হঠাতে অনিলৰ পঞ্চৱতী চাহ বাগানলৈ বদলিৰ নিৰ্দেশ অহা খবৰ শুনি হতাশ হৈ পৰিছিল।

অনিলে কিন্তু বেয়া পোৱা নাছিল। অৰূপাহঁতৰ ঘৰ যেতিয়া নগাঁৱতে, পঞ্চৱতীৰ পৰা অহা যোৱা কৰিবলৈ সুবিধা হব। এই ভাবিয়েই অনিল পঞ্চৱতীলৈ অৰূপাক লৈ বদলি হৈ আহিছিল।

দিনবোৰ ভালদৰেই গৈছিল। কিন্তু কিছুদিনৰ পৰা অনিলে মন কৰিছিল অৰূপাই যেন কিবা চিন্তা কৰি থাকে। এদিন অনিলে অৰূপাক ওচৰত বহুৱাই সুধিলে— অৰু, তুমি কিয় মন মাৰি থাকা? মই মন কৰিছো তুমি যেন কিবা এটা চিন্তা কৰি থাকা। কোৱাচোন তোমাৰ কি হৈছে? মই জানো মই অপৰাধ

কৰিছো, কাৰণ যিদৰে মই তোমাৰ ওচৰত থাকিব লাগিছিল তেনেদৰে সময় কৰিব পৰা নাই। তুমিতো দেখিছাই এই বাগান-খন কিমান বেয়া হৈ গৈছিল। মই যদি ভালদৰে লাগি বাগান-খন ভাল নকৰো বদনাম নহব জানো।

- নাই, নাই অনিল, তোমাৰ কামৰ কাৰণে মই অকনো চিন্তা কৰা নাই। আন এটা কথাহে।

—কি আন কথা অক ? কোৱা সোনকালে কোৱা।

অৰূপাই অনিলৰ চকুত চকু থৈ ক'লে জানা অনিল ঘৰ-টোত কিবা এটা আছে।

—কিবা এটা আছে ? সাপ নে, বেং, নে ভূত ?

অনিলে তাইলৈ গহীন হৈ চালে আৰু অলপ পৰ থৰ লাগি চাই থাকি খেক খেকাই হাঁহি মাৰি ক'লে ধেৎ পাগলী, কোন আৰু থাকিব— তুমি, মই, ৰান্ধনি মনেশ্বৰ আৰু ড্ৰাইভাৰ কাজল।

—নাই - নাই অনিল, তুমি নাজানা। মই মাজে মাজে ইয়াত কাৰোবাৰ কান্দোন শুনো।

—অ' তাৰ মানে আগতে যে কোনো মেনেজাৰ এইটো ঘৰত থকা নাছিল তাকে হবলা তোমাক কোনোবাই কলে।

—উঁহো, নাই কোৱা। মই নিজেই গম পাইছোঁ। কাৰোবাৰ অস্তিত্ব অনুভৱ কৰিছোঁ।

অনিলে একো নামাতিলে। তাইৰ মুখটো বুকুত সুমুৱাই লৈ ক'লে— শুৱা অৰূপা, টোপনি যোৱা।

—উঁহো মোৰ টোপনি নাহে। মোৰ কি মন যায় জানা ?

—কি মন যায় ?

—এই ঘৰটোত কোনে কিনাই তাক জানিবলৈ।

তাই অনিলৰ হাতখন খামুচি ধৰিলে।

—তেনেহলে তোমাক কৰই লাগিব।

—কি ক'বা অনিল ?

—ক'ম এই নিষ্পেষিত মানুহবিলাকৰ কাহিনী। চাহ গছৰ সেউজী পাতৰ লগত জড়িত থকা মানুহখিনিৰ করুণ ইতিহাস। সিহঁত ক'ৰ মানুহ আছিল, ক'ৰ পৰা আহিল, কেতিয়া আহিল, কেনেকৈ আহিল আৰু আহি সিহঁতৰ কি হ'ল ? আৰু ক'ম এক ভয়ঙ্কৰ কাহিনী।

অৰূপাই অনিলক সাৱটি ধৰিলে। ভয়ঙ্কৰ কাহিনী ? কেনেকুৱা ভয়ঙ্কৰ অনিল।

—অকল ভয়ঙ্কৰেই নহয়, করুণ আৰু মৰ্ম্মান্তিক ফুলমতিৰ কাহিনী মই তোমাক কম।

—ফুলমতি ? অৰূপাই চিঞৰি উঠিল।

—অ, ফুলমতি। এজনী শ্ৰমিক মহিলাৰ কাহিনী। হয়তো বহুত বছৰৰ আগতে এইটো বাংলাতে আছিল। বাংলালৈ অহা-যোৱা কৰিছিল। কোনে জানে তাইৰ অতৃপ্ত আত্মা বা ক'ত আছে ?

—তাৰ পিছত ? অৰূপাই চকুহাল মেলি তালৈ চালে।

—তাৰ পিছত এদিন ফুলমতিৰ মৃত্যু হ'ল। যাৰ কবৰস্থানত কোনো কবিতাৰ পংক্তি লিখা নহ'ল। সেই সময়ত মই থকা হলে কিজানি লিখিলোহেঁতেন।

—কি লিখিলাহেঁতেন অনিল ?

—লিখিলোহেঁতেন— "আমি বন্দনা কৰোঁহক সেইসকলক যিসকলক আমি কেৱল তেওঁলোকৰ অস্তিত্ব অনুমান কৰিব পাৰো। মানুহ তেওঁলোকৰ নিচিনাই হওঁক, সেইসকল উচ্চতৰ সত্তাৰ অস্তিত্বক বিশ্বাস কৰিবলৈ মানুহৰ উদাহৰণেই আমাক শিক্ষা দিয়ক।"

অৰূপা নিমাতে আছিল। তাই বুকুত হাত দুখন থৈ চকু মুদি দিছিল। নিশা গহীন হৈ আহিছিল। সিহঁত টোপনি গৈছিল।

কলাজলা টোপনিত তাই দেখিছিল এজনী পুৰঠ চাওতালী গাভৰু। মুখত তাইৰ হাঁহি নাছিল, চকুত আছিল ছচকু ভৰা চকুপানী। ক্ষোভ আৰু অৱহেলাৰ অতিশৰ্য্যাত তাইৰ মুখমণ্ডল ৰঙা হৈ পৰিছিল আৰু লাহে লাহে যেন অৰূপাৰ ফালে আগুৱাই আহিছিল। এটা সময়ত অৰূপাই বিকট চিঞৰ এটা মাৰি অনিলক সাৱটি ধৰিছিল।

চকমক খাই অনিলে অৰূপাক সাৱটি ধৰিছিল। কি হ'ল অৰু? চিঞৰিছা কিয়?

অৰূপা কঁপিছিল আৰু অস্পষ্ট মাতেৰে কৈছিল— ফুলমতি, ফুলমতি আহিছিল।

অনিলে জোৰেৰে হাঁহি দিলে আৰু ক'লে— ফুলমতি ক'ৰ পৰা আহিব? এইবোৰ তোমাৰ মনৰ ভ্ৰম।

—নহয় অনিল, মই স্পষ্ট দেখিছোঁ।

—বাৰু, হয় যদি হ'ব। সেয়া সপোনহে, ঠিকতো নহয়?

অৰূপা এইবাৰ বিছনাৰ পৰা উঠিল আৰু বিছনাৰ কাষৰ চকিখনত গা হেলা দি বহিল।

অনিলে অৰূপালৈ চাই কলে, তুমি বি কৰা কথা মই হলে শুলো। অনিলে তাইৰ ফালে পিঠি দি টোপনি যাবলৈ চেষ্টা কৰিলে।

লাহে লাহে পৃথিৱী পোহৰ হবলৈ ধৰিলে। অৰূপাই চকিখনত বহি চকুমুদি আকৌ ফুলমতিক চাবলৈ চেষ্টা কৰিলে। কিন্তু ফুলমতিক আৰু তাই দেখা নাপালে।

ফুলমতি যেন পোহৰৰ কাঁকে কাঁকে ক'ৰবাত লুকাই পৰিল।

—x—

২

কাহিলি কাহিলি পোহৰ হওঁতেই অৰূপা নিজৰ কোঠালিটোৰ পৰা ওলাই আহিল। আহিন মাহৰ মিঠা লগা মধুৰ আবেশে তাইক যেন আকুল কৰি তুলিলে! শেৱালীৰ মন ভৰা গোন্ধত তাই বিয়াকুল হৈ পৰিল। তাই বাৰান্দাৰ চকিখনতে বহি পৰিল আৰু এক উদাস ভাবত গা-মন এৰি দিলে।

সময়বোৰ পাৰ হ'ল। অনিল তেতিয়াও শুইয়ে আছে। আজি কালি অনিলৰ বহুত কাম। দিনে ৰাতিয়ে অনিলে শ্ৰমিকসকলৰ লগতে থাকে, শ্ৰমিকসকলৰ লগত একাত্ম হ'বলৈ চেষ্টা কৰে, আৰু সি চেষ্টা কৰে শ্ৰমিকৰ মনত থকা কদৰ্য্য ইতিহাস মচি পেলাবলৈ, যাৰ দেহৰ ঘাম মাটিত পেলায় চাহগছৰ পাতত সপোন ৰচনা কৰে। সেই মানুহখিনিৰ জীৱন স্বত্বাটো ধৰি ৰাখিবলৈ সি প্ৰাণপণে চেষ্টা কৰে আৰু সি চিনি পাবলৈ বিছাৰে সেউজীয়া কেঁচাপাতৰ বুকুত লুকাই থকা কেঁচা কলিজাৰ তেজৰ চেকুৰা।

অৰূপাই ভাবি ভাবি দূৰৰ পাহাৰ চাই থাকোঁতেই অনিল উঠি আহি তাইৰ ওচৰ পালেহি।

—কি হ'ল আকৌ মন মাৰি বহি আছা যে?

মোৰ দেখোন কামলৈ যাবৰ সময় হ'ল বলা উঠা—। অনিলে তাইক হাত দুখনত ধৰি উঠাই দিলে আৰু ভিতৰলৈ দুয়ো সোমাই গ'ল।

অৰূপাই সোনকালে গা-পা ধুই মনেশ্বৰৰ লগত খোৱাৰ ব্যৱস্থা কৰিলে। অনিলে খাই বৈ অফিচলৈ ওলাই গ'ল।

অৰূপা আকৌ অকলেই থাকিল। আজি কালি দুপৰীয়াও অনিল ভাত খাবলৈ নাহে, মনেশ্বৰে টিফিন নি অফিচতে দিয়েগৈ। বাগানত কাম কৰা দিন ধৰি অনিলে বোলে ভাত খাবলৈ এৰিলে। দিনৰ সাজত তেওঁ ৰুটিকে খাই থাকে।

সেইদিনা অনিল দেৰিকৈ আহি ঘৰ সোমালহি। আহিয়েই হাতৰ ফাইলটো টেবুলত দলি মাৰি দি সুধিলে— কি কৰিছা অৰু ?
—কি কৰিম, তুমি ইমান দেৰি কৰিছা !
—কি কৰিবা বাগানত ইমান কাম চাৰিওফালে নাচালেই নহয়। চাহগছ বিলাকৰ তলত হাবি হ'ল তাক চাফা কৰাইছো পানীৰ কাৰণে নলা কাটি দিব লগা হৈছে। ছাঁ দিয়া গছবোৰ মৰি গৈছে সেইবোৰ ঠাইত নতুন পুলি লগাই দিছো আৰু পাচ বছৰৰ পিছত চাবা আমাৰ বাগান কিমান ধুনীয়া হব।

অৰূপাই অভিমান কৰি ক'লে যোৱা তেনেহলে তোমাৰ বাগানকে বনাই থাকাগৈ মোৰ ওচৰলৈ আহিব নালাগে।
—কিয় নালাগে সোণজনা ? অনিল অৰূপাৰ ওচৰলৈ গৈ গালখনত চুমা এটা খাই ক'লে— "এঠৰ শীতলতা জুই, অশ্রু, ফুলকলিৰ নিয়ৰ, সকলো মোক দি দিয়া প্রিয়া। ভালপোৱাৰ সেই উচ্চ আসনত মই উপস্থিত হৈছোহি য'ত তোমাৰ সকলো দুখ বেদনা মই শিৰ পাতি ল'ম।"

শায়েৰী শুনি অৰূপাই অভিমান এৰি হাঁহিবলৈ লাগিল। অনিলঅ ৰূপাৰ ওচৰৰ পৰা গৈ জোতাজোৰৰ ফিটা খুলি খুলি ক'লে— ব'লা এতিয়া ভাত দিয়া, নহলে কিবা এটা দিয়া বৰ ভোক লাগিছে।

এৰা, অনিলে দিনটো ভাত খোৱা নাই— কাম কৰি ভাগৰি আহিছে— অৰূপা পাকঘৰলৈ উঠি গ'ল আৰু ভাতৰ ব্যৱস্থা কৰিলে।

দুয়ো একেলগে ভাত খালে। শুৱা কোঠালিটোলৈ আহি

অনিলে চিগাৰেট এটা জ্বলাই ললে আৰু বিছনাৰ কাষতে থকা আৰামী চকিখনত গা এৰি দিলে।

অলপ সময়ৰ পিছতে অৰূপা আহি মূঢ়াটো পাৰি কাষতে বহি অনিলৰ আঠুত মূৰ থৈ কলে— কোৱানা ফুলমতিৰ কথা।

—কৰ ফুলমতি ? অনিলে চিগাৰেটত হোপা এটা মাৰি ধোৱাবোৰ ওপৰলৈ এৰি দিলে।

—ইস্ এতিয়া নাজানাই হলা। তুমি যে কৈছিলা ফুলমতি— সেই ফুলমতি। অৰূপা অধৈৰ্য্য হৈ পৰিছিল।

—হোঁ। অনিলে চিগাৰেটটোত হোপা এটা মাৰি চকুহুটা মুদি দিলে। কিছুসময় তন্ময় হৈ থকাৰ পিছত অনিলে চকু মুদিয়েই আৰম্ভ কৰিলে

—ফুলমতি ? অঁ ফুলমতিও জাহাজত আছিছিল।

—কিয় জাহাজত আহিছিল ?

—কাৰণ সেই সময়ত অসমলৈ অহাৰ স্থলপথৰ কোনো ব্যৱস্থা নাছিল।

নদীবিলাকত নাও আৰু জাহাজতেই মানুহ অহাযোৱা কৰিছিল, ব্যৱসায় বাণিজ্য কৰিছিল আৰু বিশাল মহাবাহু ব্ৰহ্মপুত্ৰৰ বুকুয়েদিয়েই অসংখ্য শ্ৰমিকক অসমলৈ অনা হৈছিল।

এই জলপথবোৰ বহুত দিনলৈকে চৰকাৰী হোৱা নাছিল। সেই কাৰণেই ১৮৩১ চনত ডেভিদ স্কট চাহাবে জাহাজবোৰ চৰকাৰী হ'ব লাগে বুলি যি পৰামৰ্শ আগবঢ়াইছিল সেই পৰামৰ্শমতে ১৮৪৭ চনত প্ৰথম চৰকাৰী জাহাজ গুৱাহাটী আৰু কলিকতাৰ মাজত চলাচল কৰিছিল। কিন্তু ব্ৰহ্মপুত্ৰৰ কোবাল সোঁতৰ কাৰণে জাহাজবোৰে যাতায়তৰ বিশেষ সুবিধা কৰিবলৈ সক্ষম নহ'ল। তেতিয়া ১৮৫২ চনত চাহ বাগানৰ মালিক আৰু অন্যান্য ব্যৱসায়ী সকলে জাহাজ চলাচল পুনৰ কৰিব লাগে বুলি চৰকাৰৰ ওচৰত দাবী উত্থাপন কৰিলে। ফলত ১৮৫৬ চনত কলিকতাৰ পৰা ডিব্ৰুগড়লৈ নিয়মীয়াকৈ তিনিখন জাহাজ চলিবলৈ ধৰিলে। সেই তিনিখন

জাহাজৰ নামেই হ'ল মেঘনা, যমুনা আৰু থেম্‌চ। এই তিনিখন জাহাজৰ কোনোবা এখনত ফুলমতি আহিছিল অকলে, আনখনত আহিছিল ৰামচৰণ আৰু প্ৰিয়া আৰু আন এখনত আহিছিল সুখদা আৰু অন্যান্যসকল।

— কিয় আহিছিল সিহঁত ?

— অহা নাছিল, সিহঁতক অনা হৈছিল। ছোটনাগপুৰ, চিংভূম, ৰাঁচী, তেলেঙ্গনা আদি ঠাইৰ পৰা সিহঁতক অনা হৈছিল। সেই-থিনি সময়ত সেই অঞ্চলবোৰত দুৰ্ভিক্ষই দেখা দিছিল। চাৰিওকালে পানীৰ অভাৱত শুকান হৈ পৰিছিল। মাটিবোৰ ৰবৰূপৰ অভাৱত চিৰাচিৰ হৈ ফাটি গৈছিল। চৰাইবোৰে পানীৰ অভাৱত গছৰ ডালে ডালে চটফটাই ফুৰিছিল, পখীলাই শুকান গছৰ ডালত পৰি ফুলৰ মৌ বিছাৰিছিল। গৰু, মহ, ছাগলীয়ে পানীৰ অভাৱত মৃত্যুৰ মুখত পৰিছিল। তেতিয়া ফুলমতিহঁতৰ গাৱঁলৈ বোলে এজন মানুহ গৈ কৈছিল - "বল, বল আসাম যাবি। তাত খাবলৈ পাবি, থকা ঘৰ পাবি, পিন্ধিবলৈ কাপোৰ পাবি, খেতি কৰিবলৈ মাটি পাবি। মন গলেই আকৌ নিজৰ ঘৰলৈ ঘুচি আহিব পাৰিবি।

দালালৰ কথাত ভোল গৈ ফুলমতিৰ স্বামী ৰামচৰণে আসামলৈ আহিবলৈ মন স্থিৰ কৰিলে। নিশা ফুলমতিক কলে, বল আমি আসামলৈ যাম তাতে সুখৰ সংসাৰ পাতিম। ভালদৰে খাই বৈ থাকিব পাৰিম।

ফুলমতিয়ে বোলে নাযাওঁ বুলি কান্দিছিল। কিন্তু কি হ'ব ৰামচৰণে তাইক জোৰ কৰি লৈ আহিল। লগত আহিল গাঁৱৰে সুখদা, প্ৰিয়া আৰু বহুত মানুহ। দালালে সিহঁতক বুজালে— চিন্তা নকৰিবি, একেলগে যাবি; একেলগে থাকিবি। আসাম হ'ল সোণাৰ দেশ। সেই সময়ত দালালহঁতে বোলে গাইছিল—

আম লাগে থপা থপা

তেতুল লাগে বাঁকা
যায়ে দেখ আসাম দেশে চাহেব গছে টঁকা ॥

— তাৰ পিছত ?

—তাৰ পিছত কিছুদিন এইদৰে যোৱাৰ পিছত ভাৰতবৰ্ষত চিপাহী বিদ্ৰোহ আৰম্ভ হ'ল আৰু জাহাজবোৰ চিপাহী অনা নিয়াৰ কামত ব্যৱহাৰ কৰিবলৈ ধৰিলে। চৰকাৰী জাহাজৰ ওপৰত ভৰষা কৰিব নোৱাৰি বুলি ভাবি ১৮৪৪ চনত গঠিত Indian general and steam navigation company য়ে ১৮৬০ চনৰ পৰা কলিকতা আৰু ডিব্ৰুগড়ৰ মাজত জাহাজ চলাচল কৰাৰ ব্যৱস্থা কৰিলে।

—জাহাজ এখন কলিকতাৰ পৰা আহোতে কিমান দিন লাগিছিল ?

—২১ দিন। নাৱেৰে আহোতে দুমাহ আৰু কোম্পানীৰ জাহাজেৰে আহোতে এমাহ বা তাতোকৈ বেছি দিন লাগিছিল।

অৰূপা উৎকণ্ঠিত হৈ সুধিছিল— তাৰ পিছত ?

—এতিয়া বহুত ৰাতি হ'ল অৰু! শুই থাকা কালিলৈ কম।

কথা শেষ কৰি অনিলে বিছনাত পৰিল। অৰূপাই লাইটটো নুমুৱাই অনিলৰ বুকুত সোমাই চকু দুটা মুদি টোপনি যাবলৈ চেষ্টা কৰিলে।

— x —

৩

ফুলমতিহঁত আহি কলিকতা পাইছিলহি। শিয়ালদহ ষ্টেচনত সিহঁতে দেখিছিল মানুহৰ সাগৰ; তাৰ পিছত সিহঁতক জাহাজ ঘাটলৈ লৈ যোৱা হৈছিল। জাহাজ ঘাটত সিহঁতে দেখিছিল সিহঁতৰ নিচিনা অলেখ সৰ্ব্বহাৰাই জাহাজত উঠিবলৈ বাট চাই আছে, কিছুমানে ঠেলাহেচা লগাইছে। কাষলতিৰ তলত একোটা সৰু টোপোলা লৈ তাইৰ নিচিনা বিবাহিতা গাভৰু, আঠুলৈকে শাৰী পিন্ধি, আচলেৰে টানি টানি গা ঢাকিব খোজা অলেখ মহিলা আৰু পুৰুষ। তাই ভাবিলে সঁচাকৈয়ে আসাম সোণাৰ দেশ। নহলেনো অত মানুহ নিজৰ জন্ম স্থান এৰি ওলাই আহেনে?

ভাবি ভাবি তাই বালিত খোজ দি আগবাঢ়িছিল আৰু আগবাঢ়ি গৈছিল সুখদা আৰু প্ৰিয়া; তাই উৰণিখন টানি লৈছিল। ৰামচৰণো তাইৰ কাষে কাষে জাহাজৰ ফালে আগবাঢ়িছিল।

জাহাজৰ ওচৰ পাই সিহঁতে দেখিছিল মাটি আৰু জাহাজৰ সংলগ্ন কৰা তক্তাখনেদি মানুহবোৰক ঠেলি হেচি জাহাজত উঠাবলৈ দালালবিলাকে চেষ্টা কৰিছে। উৰণিৰ ফাকেদি এইবোৰ চাই থাকোতেই তাইৰ ওচৰৰ পৰা ৰামচৰণক টানি নি জাহাজত উঠাই দিলেগৈ। ফুলমতিয়ে নিজৰ চকুকে বিশ্বাস কৰিব নোৱাৰি খুউব চিঞৰিলে আৰু জাহাজত উঠিবলৈ তায়ো দৌৰ মাৰিলে। কিন্তু তাই উঠাৰ আগতেই জাহাজৰ লঙ্গৰ তুলি দিলে আৰু জাহাজ মাটিৰ পৰা আতৰি পৰিল। কান্দি কান্দি পাগলী হোৱা ফুলমতিক সুখদা আৰু প্ৰিয়াই হেচা মাৰি ধৰিলে। সিহঁতে ফুলমতিক ধৰি

থাকোতেই দালালে সুখদা আৰু প্ৰিয়াক দূৰত থৈ থকা আন এখন জাহাজলৈ টানি টানি লৈ গ'ল।

ফুলমতিয়ে চিঞৰি গগন ফালিলে আৰু সিহঁতৰ পিছে পিছে দৌৰিবলৈ ধৰিলে। কিন্তু ফুলমতিক সিহঁতে লগ আৰু নাপালে আন এটা দালালে তাইক ধৰি নি মূৰৰ জাহাজখনত উঠাই দিলেগৈ। ফুলমতিৰ জাহাজ "থেমচ" গৈছিল আটাইতকৈ পিছত আগত গৈছিল ৰামচৰণৰ জাহাজ "মেঘনা" আৰু তাৰ পিছত গৈছিল "যমুনা" য'ত প্ৰিয়া আৰু সুখদা আছিল।

পান জপাদি জাপি অনা মানুহৰ মাজত কুচি মুচি ঠিয় হৈ ফুলমতিয়ে ভাবিছিল তাইৰ জীৱনত আৰু সুখ নাই। দালালে সিহঁতক ফাকি দি আনিলে। তাইৰ কাষলতিৰ তলত অনা টোপোলাটো বুকুত সাৱটি ধৰি আকৌ উচুপি উঠিল, দালাল মধুচৰণ ওচৰলৈ আহি তাইৰ উদং বাহুত হাত দি কলে— চিন্তা নকৰিবি। মই আছো নহয়! তহঁত সকলো একেলগে থাকিবলৈ পাবি। কান্দিছ কেলৈ? অশান্তি নকৰিবিচোন।

জাহাজ চলিবলৈ ধৰিলে। একেবাহে ব্ৰহ্মপুত্ৰৰ বুকুত আহি আহি জাহাজৰ ভিতৰখন চাব নোৱাৰা হ'ল। খোৱা পানীৰ অভাৱ, চাৰিওফালে প্ৰসাব পাইখানাৰ গোন্ধ, খোৱা বস্তুৰ অভাৱে নদীৰ বুকুত হাহাকাৰৰ ৰোল উঠিল। জাহাজৰ ভিতৰত কলেৰা লাগিল, ইটোৰ পিছত সিটোকৈ মানুহ মৃত্যু মুখত পৰিল মানুহৰ অসহায় আৰ্ত্তনাদে ব্ৰহ্মপুত্ৰৰ বুকুত প্ৰতিধ্বনিত হ'ল- বাচাও বাচাও।

অনিলে আকৌ এদাল চিগাৰেট জ্বলাই ললে আৰু অৰূপালৈ চাই কলে— একাপ কফি দিবানে? অৰূপাই লৰালৰিকৈ পাকঘৰলৈ গ'ল আৰু গৰম কফি একাপ বনাই আনি অনিলৰ হাতত তুলি দিলে। কফিত চুমুক দি অনিলে চিগাৰেটটোত হোপা এটা মাৰি ধোৱাবোৰ ওপৰলৈ এৰি দি আকৌ আৰম্ভ কৰিলে

তেতিয়াও ধুবুৰী পাৰলৈ বহুত দেখি আছিল।

--ধুবুৰী ? কিয় ।

—ধুবুৰী হ'ল শ্ৰমিকবিলাকৰ স্বাস্থ্য আৰু চুক্তি পত্ৰ চহী কৰা পৰিদৰ্শন ডিপো। ডিপোবিলাক তিনিটা ভাগত ভাগ কৰা হৈছিল এটা হৈছে ডিৰ্বাকেন ডিপো।

ইয়াত শ্ৰমিকসকলৰ থকা মেলাৰ সুবিধা আছিল যদিও পৰিবেশ অতি শোচনীয় আছিল। "লেণ্ডিংঘাট" ডিপোত কোনো থকা মেলাৰ সুবিধা নাছিল। তাৰ পিছত আছিল পৰিদৰ্শন ডিপো এই ডিপোত্তহে শ্ৰমিকসকলৰ স্বাস্থ্য পৰীক্ষা কৰা হৈছিল। স্বাস্থ্য পৰীক্ষা কৰা ডিপো আছিল— ধুবুৰী, গুৱাহাটী, তেজপুৰ, ডিব্ৰুগড়। শ্ৰমিক থকামেলাৰ সুবিধা থকা ডিপো কেইটা হ'ল— তেজপুৰ, শিলঘাট, নেঘেৰিটিং, ককিলামুখ, ডিচাংমুখ, আৰু ডিব্ৰুগড়। কিন্তু স্বাস্থ্য কেন্দ্ৰ পোৱাৰ আগতেই বহুত শ্ৰমিক মৃত্যুৰ মুখত পৰিল আৰু লগে লগে সেই মৰাশৰোৰ পানীত পেলাই দিয়া হ'ল। তাৰ কোনো হিচাব কোনেও নাৰাখিলে— কাৰোবাৰ প্ৰিয়া, কাৰোবাৰ পুত্ৰ আৰু কাৰোবাৰ স্বামীয়েই হয়তো পেটৰ তাড়নাত নিজকে বিসৰ্জন দিলে।

— উস্ কি আচৰ্য্য ? অৰূপাই ওপৰলৈ মুখ তুলি অনিলৈ চালে।

— তাৰ পিছত ?

— তাৰ পিছত জাহাজ খন আহি আহি দিখৌমুখ পালেহি তাতে শ্ৰমিকসকলক নমাই দিয়া হ'ল আৰু সিহঁতক বিভিন্ন বাগানলৈ ভাগে ভাগে লৈ যোৱা হ'ল। ফুলমতিয়ে ৰামচৰণক লগ পোৱাৰ অদম্য আশা বুকুত বান্ধি আহিছিল যদিও তাই আৰু ৰামচৰণক বিচাৰি নাপালে। তাইক কোৱা হ'ল ৰামচৰণক সুৰমানদীয়েদি সুৰমা উপত্যকালৈ পঠিয়াই দিয়া হ'ল। এইদৰে বহুত শ্ৰমিক ১৮৫৮—৫৯ চনৰ ভিতৰত কাছাৰলৈ পঠোৱা হৈছিল।

—এইদৰে কিমান শ্ৰমিকক অনা হৈছিল অনিল ?

— কোম্পানীয়ে যি হিচাব ৰাখিছিল সেইমতে ১৮৯৫ চনৰ শেষলৈকে মুঠ শ্ৰমিকৰ সংখ্যা আছিল – ৫,৩৫,৩১২ জন। তাৰ ভিতৰত মৃত্যু হৈছিল ১৮২৬২ জন। ১৮৯৭ চনৰ শেষৰ ফালে শ্ৰমিকৰ সংখ্যা হৈছিলগৈ ৫,৮৮৮৭৯ জন। লাহে লাহে শ্ৰমিক অনাৰ কাম বৃদ্ধি পায় আৰু ১৮৭৩ চনত অকল কাছাৰ জিলালৈকে মুঠ ১৪,৫৭৬ জন শ্ৰমিকক অনা হয়। ১৯০৬ চনৰ অনুসন্ধান মতে ১৮৬৩ চনৰ ১মেৰ ভিতৰত অসমৰ চাহ বাগিছাত কাম কৰিবলৈ ভাৰতৰ বিভিন্ন প্ৰান্তৰৰ পৰা ৮৪, ৯১৫ জন শ্ৰমিকক অনা হৈছিল তাৰে ৩০ হেজাৰতকৈও অধিক শ্ৰমিক মৃত্যু মুখত পৰিছিল।

ফুলমতিয়েও ভাবিছিল ৰামচৰণৰ মৃত্যু হ'ল। কিন্তু ৰামচৰণৰ মৃত্যু হোৱা নাছিল। কাছাৰ জিলাৰ আয়নাখাল, আপীন, আৰ কাঠিপুৰ, বাইটাগাল বালাচেৰা, ভূবনধৰ, বিদ্যানগৰ, কুম্ভিৰগ্ৰাম গাম্বিয়া, কাঞ্চনপুৰ, কুৰকুৰি, মাণিকনগৰ, পাথৰ চেৰা আদি বাগান বিলাকলৈ আন আন শ্ৰমিকসকলক পঠোৱাৰ দৰেই ৰামচৰণকো কোনোবা এখন চাহবাগানলৈ পঠোৱা হৈছিল।

—তাৰ পিছত ফুলমতিৰ কি হ'ল ?

—সেইয়া বহুত কাহিনী পিছত জানিবা।

অনিল ঠিয় হ'ল আৰু কোঠালিটোৰ ভিতৰতে পাইচাৰী কৰি কৰি আবৃত্তি কৰিলে—

দূৰত নদী, নদীত বন্দী করুণ ধ্বনি
মোৰ নিৰভিমানী হে পোহৰৰ দুহিতা
মোক হাতত ধৰি লৈ ব'লা দুঃসহ শব্দ ভাঙি
বৈ অহা চৌবোৰৰ য'ত নিঃকিন আৱস্তণি ॥

— x —

৪

অৰূপাই অকলে থাকে কাৰণেই অনিলে লচমিক লৈ আহিল। লচমিৰ মাক নাই, বাপেকে অনবৰতে মদ খাই থাকে। লচমিৰ খবৰ লবলৈ তাৰ আহৰি নাই। সেই কাৰণে এদিন অনিলে লচমিক বাংলালৈ লৈ আহিল। তাইৰ ১০ বছৰ মান হৈছে। গোটেই দিনটো তাই অৰূপাৰ লগত থাকি সন্ধিয়া বাপেকৰ ওচৰলৈ গুছি যায়গৈ।

অৰূপাই তাইক পথাৰ নোখোজে, তাই গুছি যোৱাৰ পাছত তাইৰ অন্তৰখন বিষায়। অৰূপাই লচমিক কাষত বহুৱাই লৈ ভাবে, হয়তো তাইৰো কোনোবা ফুলমতিৰ দৰে অসময়তে আহিছিল। কেতিয়াবা মৰমতে তাইক অৰূপাই সাবটি ধৰি মুখলৈ থৰ লাগি চাই ৰয়। আউল বাউল চুলিৰে গোল মুখখনিৰে, তীক্ষ্ণ চকুহালেৰে এজনী আজলি ছোৱালী। তাইৰ চকুত অৰূপাই দেখিবলৈ পাই, হাজাৰ নিশাৰ স্বপ্ন।

চুপবীয়া তাই লচমিক কাষত বহুৱাই লৈ সোধে লচমি ?

— উঁ

— তই মোৰ লগত সদায় থাকিবিনে ?

— উঁহো তাই মুৰ জোকাৰী দিয়ে।

— কিয় ? কিয় লচমি ?

— বাবাৰ ভাত বনাব লাগে।

— মই যদি তোৰ বাবাকো ইয়াতে ভাত খাবলৈ দিও ?

— উঁহো। বাবাই ইয়াত ভাত নাখায়।

—তেনেহলে তই যাবিয়েই ?

—ওঁ। লচমিয়ে তললৈ মূৰ কৰি কথাটো কলে।

অৰূপাই তাইৰ হাত দুখন তাইৰ হাতৰ মাজত সুমুৱাই ললে। মিঠা লগা এটা ৰং।

তাইৰ আঙুলিবোৰ পুৰঠ সুন্দৰ। গাটো আটিল, মুখখন সুগঢ়ি। মুখখনলৈকে অহা আউল বাউল চুলিখিনি অৰূপাই ফণি এখন আনি আচুৰি দিলে আৰু ফিটা এদাল বান্ধি মুখখন আকৌ এবাৰ চালে কি সুন্দৰ, নিষ্পাপ এখন মুখ! তাইৰ নিচিনাকৈ একেজন ভগৱানৰেই সৃষ্টি! তেনেহলে ইমান প্ৰভেদ কিয় ? জাতি অজাতি বিচাৰ ? তাইৰ মনটো বিদ্ৰোহী হৈ উঠিল। নাই নাই তাই এইবোৰ নোহোৱা কৰিব। লচমিক তাই নিজৰ ছোৱালী কৰি লৈ সমাজক তাই দেখুৱাই দিব যে সিহঁতো ভগৱানৰে সৃষ্টি এক মানৱ জাতি ভাত কোনো প্ৰভেদ নাই।

—অৰু ?

—অনিলৰ মাত শুনি অৰূপা আচৰিত হ'ল— তাই ওলাই গৈ দেখে সঁগাকৈয়ে অনিল আহিছে।

—কিয় আহিলা ইমান সোনকালে ?

—আহিলো মন গ'ল! পিছে তুমি কি কৰিছা ?

—লচমিৰ লগতে আছো। অনিলে লচমিক দেখি আচৰিত হ'ল। অৰূপাই তাইক চুলি আচুৰি ফিটা মাৰি দিছে। অতি ধুনীয়া লাগিছে লচমিক। অনিলে তাইক ওচৰলৈ মাতি আনি কলে— আঁ ইমান ধুনীয়া লাগিছে, কোনে চুলি বান্ধি দিলে।

—মাজীয়ে। লাহেকৈ উত্তৰটো দি লচমি আতৰি গ'ল।

অনিলে জোতা মোজা খুলি ভৰি হাত ধুলে আৰু বিচনাত পৰিল। আচলতে আজি তাৰ বৰ ভাগৰ লাগিছিল।

কিন্তু অনিলে জিৰাব নোৱাৰিলে। অৰূপা আহি ওচৰতে

লেছি। — এতিয়া পিছৰ খিনি কোৱা ?

- তাৰ মানে অক তুমি মোক জিৰাবলৈকো নিদিবা।

— ওঁহো, নিদিও।

- তেনেহলে শুনা : ফুলমতিকে ধৰি শ্ৰমিকসকলক চাহ বাগানৰ চাৰি বেৰৰ মাজত সোমোৱাই দিয়াৰ পাছত সিহঁত হৈ পৰিছিল অসহায়। গাৱঁৰ মানুহখিনিৰ পৰা সিহঁত বিছিন্ন হৈ পৰিছিল, বাহিৰৰ মানুহৰ লগত সিহঁতক কথা বতৰা হবলৈ মানা কৰা হৈছিল। আনকি ওচৰ পাজৰৰ গাৱঁৰ মানুহে বাগানৰ ভিতৰলৈ আহ যাহ কৰাটো বন্ধ আছিল। সেইহে বাগিচাৰ ভিতৰৰ কথা বাহিৰৰ সমাজখনে গম নাপাইছিল। শ্ৰমিকসকলে বাস কৰা ঘৰ বোৰ বা চালিবোৰ লাইন কৰি সাজি দিয়া বাবেই সেইবোৰক একেবাৰে তুচ্ছ অৰ্থত কুলি লাইন বুলিছিল। খোৱা পানীৰ অৱস্থা দুখ লগা আছিল। ঘোলা জান জুৰি খাল বিল আদিৰ পৰা পানী খাব লগাত পৰিছিল। লেতেৰা বোকা পানী বাহিৰ কৰি দিয়াৰ কোনো ব্যৱস্থা নাছিল। ফলত চাৰিওফালে আবৰ্জনাৰে ভৰা, মহ দাহৰ কামোৰ খাই মানুহবোৰৰ মেলেৰীয়া হৈছিল। কলাজ্বৰ, গ্ৰহণী, কলেৰা এই তিনটা মহামাৰীত শ্ৰমিকবিলাকৰ মৃত্যু হৈছিল।

— ডাক্তৰ ?

- ডাক্তৰতো কথাই নাই অক, বাগিচাৰ মালিকে তাৰ বিষয়ে কোনো কাণ সাৰ দিয়া নাছিল — গতিকে সেই সময়ত মানুহবোৰে কুকুৰ মেকুৰীৰ দৰে মৃত্যু বৰণ কৰিছিল। ১৮৬৫ চনত তিনিশতকৈ বেছি শ্ৰমিক থকা বাগিচাত চিকিৎসাৰ বাবে একোজন ডাক্তৰ থাকিব বুলি যি আইন চৰকাৰে পাছ কৰিছিল — সেই আইনো শেষত ফুটুকাৰ ফেনৰ দৰে হৈছিল। সেইহে ১৮৬৫ চনৰ শেষৰ ৬টা মাহৰ ভিতৰত অসংখ্য শ্ৰমিকৰ মৃত্যু হৈছিল তাৰে

ভিতৰত মৰাণ চাহ কোম্পানীৰ ৮৮ জন, নগাঁও জিলাৰ ভিতৰত চাপানলা বাগিচাত ৭৫ জন, বামুনি বাগিচাত ৬২ জন, কাছাৰ চাহ কোম্পানীৰ ৪৪১ জন আছিল।

— তুমি এইবোৰ কেনেকৈ জানিলা অনিল ?

— এইবোৰ চৰকাৰী হিচাব, এইবোৰ আমি জনা দৰকাৰ।

— সঁচাকৈয়ে ইমান মানুহৰ মৃত্যু হৈছেনে ?

অৰূপাই আচৰিত হৈ সুধিলে—

— বেচৰকাৰী হিচাব মতেতো মৃত্যুৰ সংখ্যা আৰু বাঢ়িব। এই ক্ষেত্ৰত চৰকাৰে সঁচা কথা কব বুলি তুমি ভাবা নেকি ?

অৰূপাই তল মুৰ কৰিলে। কিছু সময়ৰ পাছত অৰূপাই চিঞৰি সুধিলে — ইয়াৰ প্ৰতিবাদ কোনেও কৰা নাছিল নেকি ?

— শুনা, চাহ শ্ৰমিকসকলক বাগানৰ মালিকসকলে বুজাই দিছিল যে— মালিকসকলেই সিহঁতৰ প্ৰাণকৰ্ত্তা বিধাতা, গতিকেই অত্যাচাৰৰ বিৰুদ্ধে কোনেও মাত মাতিব পৰা নাছিল। বাগিচাৰ পৰা যাতে কোনো পলাই যাব নোৱাৰে তাৰ কাৰণে বাগিচাত চাহাবৰিলাকে চৰ্দাৰ, চকিদাৰ ৰাখিছিল। শ্ৰমিকসকলে চৰ্দাৰবিলাকক ভয় কৰি থাকিবৰ কাৰণে চৰ্দাৰবোৰক বঙা পাগুৰী মাৰিবলৈ দিছিল। ইফাল সিফাল কৰিলেই চৰ্দাৰবোৰে বেত দিছিল। সেইহে শ্ৰমিকসকলে চৰ্দাৰবোৰক ভয় কৰি চলিছিল। কিন্তু কি আচৰিত কথা জানা অৰু, চৰ্দাৰবোৰ সিহঁতৰ ভিতৰৰে শ্ৰমিক আছিল — সিহঁতে চাহাবৰোবক তোষামোদ কৰি চলিছিল।

— আজিৰ নিচিনাকৈ ?

— অঁ আজি যেনেকৈ বাইজৰ দুখ দুৰ্গতিলৈ কাণষাৰ নকৰি এচাম সুবিধাবাদীয়ে তোষামোদ কৰি চৰকাৰৰ পদলেহন কৰিব ধৰিছে। ঠিক সেইদৰেই অৰু ! কিন্তু তেতিয়াও সৎ আৰু সাহসী মানুহ আছিল।

— হয় নেকি অনিল।

— ওঁ, ১৯৩২ চনৰ ২৩ চেপ্তেম্বৰত পশ্চিমবঙ্গৰ এজন সদস্যাই দিল্লীৰ লেজিছলেটিভ এছেমব্লীত চোকা ভাষাৰে শ্ৰমিকৰ ওপৰত চলা শোষণ-শাসন অত্যাচাৰৰ বিৰুদ্ধে সমালোচনা কৰিছিল।

— মানুহজনৰ নাম ?

— মানুহজনৰ নাম আছিল নবকুমাৰ সিংহ। সমালোচনা কৰিলেও তাৰ ফল একো নহ'ল। বৰঞ্চ দুখ দুৰ্গতি আৰু বাঢ়িলহে। শ্ৰমিকক যি ঠাইত থাকিবলৈ দিছিল সেইবোৰ ঠাই জেকা আছিল। বাহৰ চালি দি দুটামান খেৰ মাত্ৰ ওপৰত ছটিয়াই দিছিল। বৰষুণত সিহঁতৰ গাত টোপে টোপে বৰষুণ পৰিছিল। নিশা ফুলমতিহঁতে কাপোৰ কানি সামৰি বুকুত বান্ধি লৈ চালিৰ চুক এটাত বহি নিশাৰ সময়খিনি অতিবাহিত কৰিব লগা হৈছিল।

— উস্‌, অৰুণাই হুমুনিয়াহ এটা কাঢ়ি কৈছিল— তেতিয়া হয়তো বাগিচাৰ মাজৰ গছ কেইজোপাত বাদুলিজাকে চিঞৰিছিল, ওপোৰাই অনা আকাশখন তাইৰ গাতে পৰিব বুলি ছাগৈ ভয় খাই উঠিছিল নহয় অনিল।

— হয়তো ভয় খাই উঠিছিল— কথা কৈ কৈ অনিল ঠিয় হ'ল আৰু অৰুণাক সাৱটি ধৰিলে।

অৰুণাই অনিলৰ বুকুৰ পৰা ওলাই স্থিৰ হৈ কৈছিল— নাই অনিল তাই ভয় খোৱা নাছিল, ক্ষোভ আৰু বেদনাৰ তাৰণাত তাইৰ তিতি থকা উঠন বুকুখনত বিদ্ৰোহৰ অগনি জ্বলিছিল— যাৰ উত্তাপত তাইৰ সমস্ত শৰীৰ উতপ্ত হৈ উঠিছিল আৰু চাৰিওকালৰ পৰা উষ্ণতাৰ প্ৰবল বায়ুৱে তাইক ৰক্ষা কৰিবলৈ যেন খেদি আহিছিল।

— তুমি ঠিকেই কৈছা অৰুণা উষ্ণতাই তাইক খেদি আহিছিল।

অনিলে আৰু একো কব নোৱাৰিলে বগা গোল গাৰুটো বুকুত হেঁচি ধৰি তলৈ মুখটো গুজি দিলে।

৫

ৰদে কোমল ডাৱৰ ফালি ওলাই আহিছে— সেউজীয়া চাহগছৰ পাতত সোণোৱালী কিৰণ পৰি উজলি উঠিছে। অৰূপাই লচমিক লৈ বাগানৰ মাজে মাজে খোজ দিলে। আজি বাগানত পাত তুলিবলৈ আৰম্ভ কৰিছে। সাধাৰণতে অসমৰ চাহ বাগান বিলাকত মাৰ্চ মাহৰ পৰা মে' মাহৰ ভিতৰতে পাত তোলাৰ কাম আৰম্ভ কৰে। বেছি ৰৰষুণৰ বতৰত পাত তুলিলে চাহৰ গুণাগুণ নষ্ট হয়। ছোৱালীবিলাকে পাত তুলিছে। পাতবোৰ এঠাইত গোটাই জুখি আছে। ২০ কেজিৰ ওপৰত তুলিব পাৰিলে সিহঁতে বেছি পইচা পাব' অৰূপাই পাত তোলা চাই বৰ ভাল পায়। সহকাৰী মেনেজাৰে বগা হাফপেণ্ট আৰু মূৰত টুপি এটা পিন্ধি কামবোৰ চাই আছে। মেনেজাৰজনৰ নাম ননীগোপাল চক্ৰবৰ্ত্তী। বেচ ভাল মানুহ, ৰসিক। তেওঁ অৰূপাক দেখি নমস্কাৰ জনালে। অৰূপাই হাঁহি মাৰি কলে— বৰ ভাল লাগে নহয়? পাতবোৰ কেনে সেউজীয়া।

মেনেজাৰে হাঁহিলে। অৰূপাই কলে-- আপুনি বাৰু কাম চাওক দেই। মই যাও।

-- ভাল। চক্ৰবৰ্ত্তীয়ে আকৌ নমস্কাৰ জনালে।

অৰূপাই লচমিক হাতত ধৰি লাইনৰ ফালে আগবাঢ়িল। যদিও মেনেজাৰৰ বৈণীয়েকে লাইনৰ ফালে যাব নোৱাৰে বা যোৱাটো নিষেধ তথাপিও অৰূপা যায়। তাই এইবোৰ নিয়ম নীতি নামানে।

তাই আগ বাঢ়িল। অলপ দূৰ যোৱাৰ পাছত তাইৰ ফালে ল'ৰা এজন দৌৰি অহা তাই দেখা পালে।

— মাইজী - মাইজী কলৈ যায় ?

— লচমিইঁতৰ ঘৰলৈ।

— নাই নাই মাইজী আপুনি যাব নালাগে ময়ে তাইক থৈ আহিম।

— কিয় ? মই যাব নালাগে ?

— নাই মাইজী, বৰ লেতেৰা আছে।

অৰুপাই তালৈ তীক্ষ্ণ দৃষ্টিৰে চালে। সি তললৈ মূৰ কৰি লাহেকৈ ক'লে — মোৰ নাম লক্ষ্মণ মাইজী। এই বাগিছাৰে মজদুৰ।

অৰুপাই লক্ষ্মণলৈ চাই দেখিলে এটা খামি-ডাঠ জোৱান, সুন্দৰ মুখমণ্ডল, বহল বুকু, মুখত সৰল হাঁহি।

অৰুপাৰ মনটো আনন্দ আৰু বেদনাৰে ভৰি গ'ল।

— তুমি কিয় মজদুৰ হৈছা লক্ষ্মণ, তুমি আমাৰ ভাই।

লক্ষ্মণ হঠাতে চমকি উঠিল।

— আহা লক্ষ্মণ আমাৰ লগত।

— বলক মাইজী। লাইন কিন্তু বহুত দূৰৰ আছে। খোজ কাঢ়িব লাগিব।

— আহা, আহা, লক্ষ্মণ, মই পাৰিম।

— বাৰু লক্ষ্মণ তুমি পঢ়িব জানানে নাজানা ?

— নাজানো মাইজী। আমাৰ ইয়াত স্কুলেই নাছিল পঢ়িবলৈ পঢ়া নহ'ল।

— এতিয়া সুবিধা পালে পঢ়িবানে ?

— এতিয়া পঢ়ি আৰু কি কৰিম ?

— কিয় ? বহুত কাম কৰিব পাৰিবা।

লক্ষ্মণে হাঁহিলে আৰু তললৈ মূৰটো কৰি অৰুপাৰ পিছে পিছে খোজ দিলে।

— বাৰু তোমালোকে বাগানত কি কি কাম কৰা ?

— বহুত কাম মাইজী। কোৰ মৰা, নলা খন্দা, ঘাঁস নিৰণি দিয়া, কলম দিয়া, পাত তোলা, নলা মেৰামতি কৰা, ছাঁ দিয়া গছ পুলি ৰোৱা, গছ কটা, সাৰ দিয়া, টুকুৰী সজা, ঘৰ মেৰামতি কৰা, চাহপাত তৈয়াৰ কৰা ইত্যাদি।

লক্ষ্মণে খৰগতিৰে কথাবোৰ কৈ গ'ল।

অৰূপাই তাৰ মাজতে সুধিলে— লক্ষ্মণ তোমালোকৰ নতুন বাবু কেনে লাগিছে ?

— ভাল মাইজী বহুত ভাল।

আপোনালোকেই আমাৰ মাই বাপ আছে।

— তুমি তেনেকৈ নকবা লক্ষ্মণ। বাবু তোমালোকৰ নিচিনা এজন শ্ৰমিকহে।

· ইস্ মাইজী ! লক্ষ্মণে চিঞৰি উঠিল।

— অঁ লক্ষ্মণ, তেওঁ কলমেৰে শ্ৰম কৰে। তোমালোক নহলে আমি বাগিচা খুলিব পাৰিম জানো ?

— মাইজী আপোনালোক অহাৰ পিছৰ পৰা আমাৰ বাগানত বৰ আনন্দ হৈছে।

— কিয় লক্ষ্মণ ?

— হাজিৰা ঠিকমতে পাইছে, আমাৰ নতুন বাবুয়ে আমাৰ অভাৱ অভিযোগবোৰ শুনিছে।

— তোমালোকৰ কাৰণে যিমান পাৰে নতুন বাবুয়ে কৰিবই। তাৰ কাৰণে চিন্তা নকৰিবা।

— হয় মাইজী বাগানৰ শাসনে আমাৰ মুখ বন্ধ কৰি ৰাখিছে।

— সেই বুলি তোমালোকে মনে মনে থাকিবানে ? তোমালোকৰ ন্যায্য প্ৰাপ্য আদায় কৰিবলৈ মাত মতাটো জৰুৰৰ। তোমালোকে আকৌ মাত নামাতিবা কিয় ?

অৰূপা ঘামিছিল। খং আৰু ক্ষোভত তাই কঁপিছিল। লক্ষ্মণে কথাবোৰ শুনি আচৰিত হৈছিল। নতুন কথাবোৰে তাক বিচলিত কৰি তুলিছিল।

অৰূপাই লাহে লাহে খোজ দিছিল আৰু ওচৰতে পাত তুলি থকা শ্ৰমিক মহিলাই গোৱা গীত তাই শুনিবলৈ পাইছিল।

চৰ্দাৰ বোলে কাম কাম
বাবু বলে ধৰি আন
চাহাব বলে নিব পিঠিৰ চাম
অ' মহৰী বাবু ফাকি দিয়ে আনিল আসাম।

অৰূপাই গীত শুনি শুনি উপলব্ধি কৰিলে চাহ শ্ৰমিকৰ বেদনাৰে ভৰা ইতিহাস, যি নেকি গীতৰ প্ৰতিটো ছন্দত জীৱন্ত হৈ আছে।

— লক্ষ্মণ !

— কওঁক মাইজী।

— লচমিৰ বাবা যে আছে, সি কি সকলো সময়তে মদ পানী খাই থাকে নেকি ?

— হয় মাইজী। সকলো সময়তে খায়, পইচা পালেই মদ পানী।

— তাৰ যে এজনী ছোৱালী আছে মনত নাই নেকি ?

— নাই। তললৈ মূৰ কৰি লক্ষ্মণে ক'লে।

— লক্ষ্মণ ! এইবাৰ অৰূপাই গহীন হৈ মাতিলে।

— মাইজী !

— মই যদি লচমিক তুলি লব খোজো দিবনে ?

— কি ক'লে মাইজী ? সি উচপ খাই উঠিল।

— অঁ মই কৈছো লক্ষ্মণ, মই যদি লচমিক নিজৰ ছোৱালী কৰি লওঁ দিবনে ?

— কিয় নিদিব ? আপোনাৰ ঘৰত কাম কৰিব, খাবলৈ পিন্ধিবলৈ পাব।

— তুমি এইবোৰ কি কৈছা লক্ষ্মণ ? তাইক মই কাম কৰা ছোৱালী কৰি লম বুলি ভাবিছা নেকি ?

লক্ষ্মণে অলপ পৰ মনে মনে থাকি মনত সাহস গোটাই লৈ ক'লে— চব বাবুয়েতো আমাৰ ছোৱালী ঘৰত কাম কৰিবলৈকে নিয়ে।

অৰূপাৰ মনত কথাটো লাগি গ'ল। ঠিকেইতো, বহুতে তেনেকৈ বাগানৰ পৰা ছোৱালী ঘৰত বন কৰিবলৈকে নিয়ে। তথাপিও তাই ধৈৰ্য ধৰি মৰমেৰে ক'লে— কথাটো মিছা নহয়, বহুতে বনকৰা ছোৱালী হিচাবে বাগানৰ পৰা ছোৱালী নিয়ে। মই কিন্তু তাইক মোৰ ছোৱালী কৰিবলৈহে নিম বুজিছা নে নাই ?

লক্ষ্মণে কথাটো একো বুজি নাপাই মনে মনে থাকিল। বাগানৰ মেনেজাৰে কুলি ছোৱালীক নিজৰ ছোৱালী কৰি তুলি ল'ব সি তাৰ কাণখনকে বিশ্বাস কৰিব নোৱাৰিলে।

— লক্ষ্মণ !

অৰূপাৰ মাতত সি উচপ খাই উঠিল।

— মই কি কৈছো তুমি শুনিছানে নাই ?

— শুনিছো মাইজী শুনিছো।

— কি শুনিছা ? খঙৰ সুৰত তাই সুধিলে।

— আপুনি লচমিক লৈ লব।

— মানে ?

— মানে— মানে। সি কথাষাৰ কবলৈ সাহ গোটাব নোৱাৰি অৰূপালৈ থৰ হৈ চাই মাজআলিতে ৰৈ গ'ল।

— লক্ষ্মণ— কি কব খুজিছা ? কোৱা !

— মানে লচমি আপোনালোকৰ ঘৰত থাকিব।

— অঁ, মানে মোৰ সন্তানৰ নিচিনাকৈ থাকিব বুজিলা ?

— বুজিলো মাইজী বুজিলো। তাই আপোনাৰ বেটীয়াৰাণী হব।

তাতোকৈ সুখৰ খবৰ আৰু কি আছে।

— পিছে তুমি মোক এটা কাম কৰি দিব লাগিব!

দিম মাইজী দিম।

— তুমি লচমিৰ বাপেকক মাত্তি সুধি দিব লাগে লচমিক মোক একেবাৰে দিবনে নিদিয়ে।

· সুধিম মাইজী সুধিম।

— কিন্তু তুমি কাকো নকবা। পিছত যেতিয়া খাতাং হব ভেতিয়াহে সকলোৱে জনাটো ভাল হব বুজিলা।

— বুজিলো।

— পিছে লচমিহঁতৰ ঘৰ আৰু কেমান দূৰত আছে?

— মাইজী পালেহি। সৌৱা যে দেখিছে খেৰৰ চালিখন তাতে।

অৰূপা আগবাঢ়ি গ'ল। ঘৰ বুলিবলৈ একো নাই; চালিৰ তলত এটা মাত্ৰ কোঠালী তাৰ ভিতৰতে লচমিৰ বাপেকে মৰণ নিচাত বেহুচ হৈ পৰি আছে। গাৰ চাৰিওকালে মাখিৰ গুণগুণনি, ওচৰতে পৰি আছে এটা খালি কলহ আৰু এটা খালি গিলাচ।

অৰূপাৰ বুকু ভেদি এটা হুমুনিয়াহ ওলাই আহিল। তাই কিছুসময় একে ঠাইতে ৰৈ থাকিল তাৰ পিছত লক্ষ্মণৰ লগত ঘৰলৈ খোজ ললে।

— ×

৬

লচমিক থৈ আহি অৰূপাৰ মনটো বৰ বেয়া লাগিল। তাই বাহিৰৰ বাৰান্দাত আমন জিমন্‌কৈ বহি থাকোতেই অনিল আহি পালেহি। হাতৰ বেগটো তাইৰ হাতত দি অনিলে কলে— কি মন মাৰি বহি আছা? লচমি গ'ল হবলা?

— গ'ল— ময়ে আজি তাইক থৈ আহিলোঁগৈ।

— তুমি? তুমি আকৌ কিয় গলা?

— কিয় মই গলে কিবা হানি হব নেকি?

অনিলে হাঁহি মাৰি কলে— নহয় নহয় একো হানি নহয়, ভালহে হব। পিছে খোজ কাঢ়ি তোমাৰ কষ্ট হয় বুলিহে।

— মোৰ কষ্ট নহয়, সিহঁতৰ কষ্ট দেখিহে দুখ লাগিল।

— কি কৰিবা অৰু, এইয়া কি কষ্ট দেখিছা সিহঁতে আৰু কষ্ট ভোগ কৰি কৰিহে এইখিনি পাইছেহি। এতিয়া বলা অলপ ফুৰি আহো তোমাৰ মন গা ভাল লাগিব বলা - উঠা।

অৰূপা উঠি গ'ল। সেইখিনি সময়তে মনেশ্বৰে দুকাপ চাহ আনি দুয়োকে দিলেহি। অনিলে চাহ কাপ হাতত তুলি লৈ অৰূপালৈ চাই কলে - বলা ফুৰি আহো।

অৰূপাই সেই কথাষাৰলৈকে বাট চাই আছিল- বলা ভেনেহলে। ক্লাবলৈ কিন্তু নাযাওঁ।

অনিলে হাঁহিলে কাৰণ সি জানে অৰূপাই ক্লাব ভাল নাপায়। শিক্ষক নন্দেশ্বৰ দুৱাৰাৰ ছোৱালী অৰূপা সৰুৰে পৰা স্বাধীনচেতিয়া আছিল, ছোৱালী কালতে বিভিন্ন আন্দোলনত সক্ৰিয়

অংশ গ্ৰহণ কৰিছিল। অন্যায় অবিচাৰ তাই সহ্য কৰিব নোৱাৰিছিল। লাহ-বিলাহ, পাৰ্টি বিদেশী নাচ গান এইবোৰৰ পৰা আতৰি আছিল। অনিলে চকিৰ পৰা উঠি কলে— বলা - বলা ক্লাবলৈ নাযাও বাৰু - এনেয়ে কৃবিম।

অৰূপাই দূৰৰ পাহাৰলৈ চালে। আবেলিৰ বং জাক পাহাৰত পৰি কাজল বৰণ ধৰিছে। চালনা পাহাৰটো স্বপ্নাতুৰ হৈ পৰিছে। অনিলে চাহকাপ হাতত লৈ অৰূপালৈ চাই থাকিল।

-- বলা তেনেহলে। অৰূপাই হঁাহি দিলে।

অনিলে গেৰেজৰ পৰা নিজৰ গাড়ীখন উলিয়ালে আৰু অৰূপালৈ বাট চলে। ধুনীয়া নীলাশাৰী এখন পিন্ধি তাই ওলাই আহিল। ষ্টেৰিঙত বহি অনিলে কলে বাহ বঢ়িয়া লাগিছে, অনিলে দৰজা খুলি দিলে তাই আগৰ চিটত বহি ললে। অনিলে ৰগৰ কৰিলে—মই যদি এইদৰে চিৰন্তন সন্ধ্যা বেলাৰ আলোক সদায় দেখিবলৈ পালোহেতেন আৰু পালোহেতেন যদি সদায় মোৰ কাষত বহি থকা প্ৰিয়তমা ভাৰ্য্যা।

—হৈছে হৈছে কবিতা এৰা। মইতো সদায় তোমাৰ লগতে থাকো, তোমাৰহে সময় নাই।

—কি কৰিবা বুজিলা কাম, কামৰ হেচা। অনিলে গাড়ীখন চাহ-বাগানৰ মাজেদি আগবঢ়াই নিলে। অনিলে জানিছিল অলপ পিছতে অৰূপাই ফুলমতিৰ কথা সুধিব গতিকে সি নিজেই আৰম্ভ কৰিলে— চোৱাচোন অৰু, কেনে সেউজীয়া বং, এজোপা চাহ গছতে যেন বিভিন্ন সেউজীয়া ৰঙে পোহাৰ মেলিছে। কিন্তু যাৰ হাতৰ পৰশত এই ৰঙে পোহাৰ মেলিছে সেই ফুলমতিহঁতৰ এসময়ত শীতকালত গাত লবলৈ কাপোৰ নাছিল। কাপোৰৰ অভাৱত থৰ্ থৰ্ কৈ কপিছিল আৰু জেকা মাটিয়ে শ্ৰমিকসকলৰ কলিজা যেন ঢেঁচা কৰি পেলাইছিল। তাৰোপৰি ছোৱালীবিলাকৰ হৈছিল "ভিৰো মেৰেজ"

- ডিপো মেৰেজ ?

—অঁ অক। Depot marriage.

চাহ কোম্পানীয়ে ভাবিছিল যদি গাইগুটীয়াকৈ মানুহ অনা হয় তেনেহলে লাভ নহব। সেইকাৰণে চৰ্দাৰসকলক নিৰ্দেশ দিয়া হৈছিল যে পৰিয়াল সহ শ্ৰমিকসকলক আনিবলৈ। কাৰণ পৰিয়াল সহ আনিলে ভৱিষ্যত বংশ বৃদ্ধি হব। সেইকাৰণে চৰ্দাৰবিলাকে বিভিন্ন ঠাইৰ পৰা অনা ডেকা গাভৰুবিলাকক মিছাকৈ গিৰিয়েক ঘৈণীয়েক সজাই কোম্পানীৰ বহীত নাম ৰেজিষ্টাৰ কৰাইছিল। ডেকা এটাই ছোৱালীজনী চিনি নাপায় গাভৰুৱেও লৰাটোক চিনি নাপায়। জাতি ধৰ্মত বেলেগ আছিল। এনেকৈয়ে ভ্ৰষ্টাচাৰ নীতিৰে ছাদি কৰাই ডিপো ছাদি নাম দি অসমলৈ শ্ৰমিকসকলক আনি-ছিল। এই চক্ৰান্তৰ পৰা ফুলমতিয়েও সাৰিব পৰা নাছিল। ৰামচৰণৰ অনুপস্থিতিত তাইকো আন ডেকাৰ লগত ডিপো ছাদি কৰাই অসমলৈ লৈ আহিছিল।

এদিন ফুলমতিয়ে নিজৰ ছালিৰ তলত শুবলৈ আহোতে হঠাতে মানুহ এটা আহি তাইক গৰা মাৰি ধৰিলেহি। তাই চিএৰা দেখি সি ক'লে— তই চিএৰ বাখৰ নকৰিবি, মই তোৰ মৰদ আছো। ডিপোত আমাৰ ছাদি হৈ গৈছে।

ফুলমতিয়ে একো বুজিব নোৱাৰি মানুহটোৰ ভৰিত ধৰি কান্দি কান্দি কৈছিল— মোৰ নিজৰ মৰদ আছে। মোৰ দেশত ছাদি হৈ গৈছে, তই মোৰ মৰদ নহয় তাই আকৌ কান্দিছিল।

— তেনেহলে কোন তোৰ আচল মৰদ ক ?

— ৰামচৰণ। মোৰ কাৰণ পৰা তাক আন জাহাজত তুলি লৈ গ'ল। মই তাক আৰু বিছাৰি নাপালো। তাই এইবাৰ হুক-হুকাই কান্দি তাৰ ভৰিত সাৱটি ধৰিলে। মানুহটোৱে ফুলমতিক আচাৰ মাৰি এৰি ঠিয় হৈ ক'লে মোৰ নাম অজয় কুৰ্মী। তোৰ

দৰে মেয়ো ঘৰত মা ভনীক এৰি থৈ আহিছো।

অনাহাৰত মৰিব লগা হোৱাত দালালৰ কথাত ভোল গলো। কিন্তু কি হ'ব— স্বৰ্গ বুলি আহি আহি ইয়াত নৰক যন্ত্ৰনা ভোগ কৰিছো। তই আজিৰ পৰা মোৰ ভনী হলি। দালালক মই আজি সুধেৰে নেৰো— ৰামচৰণক সি উলিয়াই দিবই লাগিব।

—নাই নাই কাকা তই তেনে কাম নকৰিবি।

ফুলমতিয়ে অজয়ক বাধা দিলে। কিন্তু অজয় নৰ'ল কলবলৈ গৈ দালালক ডিঙিত ধৰি সুধিলে—ৰামচৰণক কলৈ পঠালি ক? আৰু মোক বিয়া হোৱা তিৰোতাৰ লগত বিয়া কৰাই দিলি—চালা নিধক, দুখীয়া হলো বুলি আমাৰ আত্মসন্মান নাই বুলি ভাবিছ নেকি? অজয়ে দালালক ডিঙি চেপি মাৰিবলৈ ধৰা দেখি শ্ৰমিকসকলৰ মাজত হুৱাদোৱা লাগিল আৰু সেই সময়ত মেনেজাৰ চাহাবক লগাই দিলেগৈ। মেনেজাৰ চাহাবে অজয়ক ধৰি নি পিঠিত চাবুকৰ কোব দিলে। জোনালী চাহ বাগানত থকা বিখন ডায়েৰীত এইবোৰ কথা লিখা আছে— সেইমতে চাবুকৰ কোবত বোলে অজয়ৰ পিঠি কালি তেজ ওলাই গৈছিল আৰু সেই ঠাইত নিমখ সানি অজয়ক শাস্তি দিছিল।

তাৰ পিচৰ পৰাই সক দোষতে পিঠিত বেতৰ কোব দিয়াৰ নিয়ম হ'ল। এইদৰেই শ্ৰমিকৰ ওপৰত অমানুষিক অত্যাচাৰ গাভৰু পৰ্ব্বত চাৰলৈ অহা কেপ্টেইন লেম্ব চাহাবে তেওঁৰ ডায়েৰীত লিখি থৈ গৈছে।

— কি লিখি থৈ গৈছে অনিল?

— লিখি থৈ গৈছে— যে গাভৰু পৰ্ব্বত চাহ বাগিচালৈ যাওঁতে ৭ জন শ্ৰমিকক লগ পাইছিল। সেই শ্ৰমিককেইজনে বোলে বাগানৰ অত্যাচাৰ সহ্য কৰিব নোৱাৰি পলাবলৈ চেষ্টা কৰিছিল সিহঁতক ধৰি আনি বান্ধি লৈ বাগানৰ সহকাৰী মেনেজাৰে বোলে

অমানৱীয়ভাৱে পিঠিত কোবাইছিল আৰু মগুহ ওলাই গৈছিল। সিহঁতৰ পিঠিৰ ফাটি যোৱা ঠাইত নিমখ আৰু তেল সানি দিয়া হৈছিল।

— তাৰ পিছত ?

— তাৰ পিছত ডায়েৰীখনত কেইখিলামান পাত নাছিল।

অনিলে গাড়ীৰ স্পীড বঢ়াই দিলে গাড়ী গৈ বহুদূৰ পাইছিলগৈ।

সি ষ্টেৰিং ধৰি গুণ গুণাই গাইছিল—

হে অঞ্জনা
মোৰ প্ৰিয়তমা
মোৰ হৃদয়জোৰা বেদনাতে
তোমাৰ চকুৰ পানী
চৌদিশে দেখিছো বিষাদ
মই বাৰু যাও কেনি ॥

— x —

৭

নিশা গহীন হৈ আহিছিল। অনিলে টোপনি গৈছিল। মাজ নিশা অকপাৰ মাতত অনিল সাৰ পাই উঠিল।

— কি হ'ল অক ?

— মোৰ টোপনি নধৰে।

— কিয় ? কিহৰ তোমাৰ চিন্তা ? মই দেখিছো মিছা কিছুমান কথা চিন্তা কৰি কৰি তুমি পাগলী হৈ যাবা এতিয়া।

অনিলে তাইক বুকুৰ কাষলৈ চপাই আনিলে। মই কিয় পাগলী হ'ম, কেতিয়াও নহওঁ। কিন্তু তুমি মোৰ ইচ্ছা পূৰ্ণ কৰিব লাগিব।

— কি তোমাৰ ইচ্ছা ; আৰু জোৰেৰে সাৱটি ধৰিলে অনিলে। কোৱা মই তোমাৰ সকলো ইচ্ছা পূৰ্ণ কৰিবলৈ প্ৰস্তুত।

— সঁচানে ?

অনিলে তাইৰ সুঠাম বাহুত হাত বুলাই দি ক'লে— অনিল চহৰীয়াই কেতিয়াও মিছা কথা নকয়।

— Promise

— ওঁ Promise। অনিলে তাইৰ হাতখন জোৰেৰে খামুচি ধৰিলে।

— তেনেহলে শুনা, মই লচমিক তুলি লব খুজিছো।

— কি কৈছা ? অনিলে তাইৰ হাতখন এৰি দি চিঞৰি উঠিল।

বিছনাতে শান্ত হৈ পৰি থাকি অকপাই ক'লে— মই ঠিকেই কৈছো অনিল, মই তাইক তুলি লম। ইতিপূৰ্বে মই আৰু লক্ষণ

সুধিবলৈ দিছো।

অনিল একেচাবে বিছনাৰ পৰা উঠি ঠিয় হ'ল আৰু খঙেৰে চিঞৰি উঠিল— মোৰ বিনা অনুমতিত তুমি লক্ষ্মণক সুধিবলৈ কিয় দিলা ?

তুমি জানানে সিহঁত কিমান Sentimental.

অনিলে গিলাচটোৰ পৰা পানীখিনি ঘট ঘটকৈ পি দিলে আৰু চিগাৰেট এটা জ্বলাই লৈ হুপিবলৈ ধৰিলে।

অৰূপাই বিছনাৰ পৰাই সুধিলে— তোমাৰ খং উঠিছে নহয়।

— সকলো কথা ভাবিচিন্তি কৰিব লাগে অৰু, এই কথাটো বাগানত ওলাই গলে কিমান ডাঙৰ কথা হব তুমি জানানে ? মই যদি নলও বুলি কও, সিও ডাঙৰ কথা হব আৰু ললেও কিছুমান সমস্যা আছি পৰিব অৰু, আমাৰ সন্তান হলে তাইৰ কি অৱস্থা হব তুমি ভাবি চাইছানে ?

— কিয় বাবাজীয়ে হাত চাই দেখোন দহ বছৰলৈ সন্তান নহয় বুলি কৈছে।

— তাকে তুমি বিশ্বাস কৰিলা ?

— অঁ বিশ্বাস কৰিছো, আজি বিয়াৰ ৮ বছৰ হ'লহি — শেষৰ ফালে অৰূপাৰ মাতটো সেমেকি উঠিল।

— মইতো যত্নৰ ত্ৰুটি কৰা নাই অৰু। তাৰোপৰি মঠ, মন্দিৰ একো বাদেই নাই।

— সেই কাৰণেই লচমিক তুলি লম বুলি মই মন স্থিৰ কৰিছো। ভৱিষ্যতে যদি আমাৰ সন্তানো হয় তুমি তাইক প্ৰথম সন্তানৰ স্বীকৃতি দিব লাগিব। তুমিতো বাগানৰ সকলো দিশতে শ্ৰমিক সকলৰ উপকাৰ কৰিব খুজিছা, তেনেহলে মই লচমিক তুলি ললে কি হয় ? তাৰ মানে তুমিও একো উপকাৰ নকৰা। তুমিও চাহাবৰ নিচিনাকৈ সিহঁতক প্ৰতাৰণা কৰিব খুজিছা।

— নহয় অৰু, মই প্ৰতাৰণা কৰিব খোজা নাই।

অনিলে চিগাৰেট হুপি হুপি বেডৰুমৰ মজিয়াত পাইচাৰী কৰিবলৈ ধৰিলে। সি অৰূপালৈ চাই আকৌ ক'লে— অৰূপা কথাবোৰ ভাব প্ৰৱণতাৰে ললে নহব। অলপ চিন্তা কৰা, ভাবা, লচমিক তুলি লোৱাৰ আপত্তি মোৰ নাই কিন্তু ভৱিষ্যতে যদি আমাৰ সন্তান হোৱাৰ পিছত তাই অৱহেলিত হয়?

— নাই নাই, মই কেতিয়াও অৱহেলিত হবলৈ নিদিও। নকৰা অৰু, মানুহৰ মনৰ গতি সলনি হবলৈ বেছি সময় নালাগে তাতে মাকৰ মমম নিজৰ সন্তানৰ প্ৰতি বেছি হবই।

— দৰকাৰ হলে মই সন্তান হবলৈ নিদিও!

— তুমি এইবোৰ কি কৈছা? তুমি এজনীহে তুলি লবা, তাইৰ নিচিনা শ শ লচমিয়ে চাহ গছৰ তলত বিননি জুৰি আছে। সেই বিলাকৰ গতি কি হব?

— সিহঁতৰ কাৰণে মই শিশুকল্যাণ আঁচনি তৈয়াৰ কৰিম যাতে চাহ শ্ৰমিকৰ প্ৰতিটো সন্তানে ভাল স্বাস্থ্যৰ অধিকাৰী হব পাৰে, শিক্ষিত আৰু কৰ্ম্মঠ হব পাৰে।

অনিলে বহুত পৰ অৰূপালৈ চাই থাকিল তাৰ পিছত ওচৰলৈ আহিল। বৰ সুখৰ কথা অৰূপা তোমাৰ নিচিনা স্ত্ৰী পোৱা ভাগ্যৰ কথা। তোমাৰ ইচ্ছাই পূৰ্ণ হওক। বাপেকে যদি দিয়ে তাইক আমি তুলি লম কিন্তু আগতে মাক কথাটো সুধিব লাগিব।

— মায়েতো এইটো কথাত কেতিয়াও মান্তি নহয়। তুমিও মাৰ কথাকে মানি লবা?

— সেইটো কথা নহয়। মাৰ বিনা অনুমতিত মই একো কাম কৰা নাই আৰু নকৰো।

— তাৰ মানে?

এইবাৰ অৰূপাৰ খং উঠিল।

— তাৰ মানে, দৰকাৰ হলে মাক বুজাব লাগিব।

অৰূপা মনে মনে থাকিল। অনিলে আকৌ এটা চিগাৰেট জ্বলাই ললে আৰু চিগাৰেট হুপি হুপি বেডৰুমৰ মজিয়াখনতে পাইচাৰী কৰিবলৈ ধৰিলে। অলপ পৰৰ পাছত অনিলে অৰূপালৈ চাই ক'লে— চিন্তা নকৰিবা মাক বুজাই দিলে মায়ে বুজি পাব। আমাৰ কথাত নিশ্চয় সন্মতি দিব।

অৰূপা দৌৰি আহি অনিলক সাৱটি ধৰিলে আৰু অনিলৰ বুকুত মুখটো গুজি দিলে।

ৰাতি পুৱাবৰে হ'ল। গছৰ ডালত কোনোবা নাম নজনা পখীৰ কিচকিচনি শুনা গ'ল— পুৱতি নিশাৰ কোমল পোহৰজাকে যেন একো বাধা নামানি সিহঁতৰ ফালে আগুৱাই আহিল।

অনিলে অৰূপাক শুৱাই দি মুখতে মুখখন দি গুণ গুণালে—

বলা আগুৱাই যাও
বেলিৰ পোহৰ ক'ত ?
শকৰ পাৰ ভাঙি উন্মোক্ত আকাশ খনে
নিধাল দি পৰি আছে য'ত।

● ● ●

সিহঁত শুই উঠোতে যথেষ্ট বেলি হৈছিল। দেওবাৰ, গতিকে আজি সিহঁতৰ বিশেষ কাম নাই। মনেশ্বৰে দিয়া চাহ দুকাপ আৰামেৰে খাই দুয়ো আগফালৰ ফুলনিলৈ ওলাই গৈছিল। অনিলে ফুল এজোপাৰ গুৰিৰ পৰা বন এদাল উভালি দি অৰূপালৈ চাই ক'লে— তোমাৰ কিন্তু শিশু কল্যাণ আচনিখন মোৰ বৰ ভাল লাগিছে। পিছে আচনি খন ফলৱতী কৰিবা কেনেকৈ ? মোক দেখোন মালিকে খেদিব।

-- তুমি বাক একো কৰিব নালাগে ! আমি মহিলাবিলাকে কৰিম ।

—ক'ৰ পৰা ইমান মহিলা পাবা ; আহিবই বা কিয় ?

—কিয় নাহিব ! সকলোৰে কিজানি মন আছেই !

—এৰা, হয়তো নেতাৰ অভাৱ ।

—হব পাৰে ইমানবিলাক অফিচাৰৰ পৰিয়াল আছে সকলো লগ হলে কাম নহৈ থাকিব পাৰেনে ? তাৰোপৰি আজি কালি বাগানৰ বহুত শ্ৰমিক মহিলাও শিক্ষিত হৈছে তেওঁলোককো লম ।

—পিছে সকলো মহিলাক লগ পাবা ক'ত ?

—কিয় ? কি ডাঙৰ কথা । আমাৰ নিজৰ গাড়ীখন দিবা দুদিন মান নগাঁৱৰ বাগানখিনি ঘূৰিম ।

—বাগানৰ নাম বা জানানে নাজানা ;

অনিলে হাঁহিলে ।

--কিয় নাজানিম- আমলখি, বৰপানী বুঢ়াপাহাৰ, চাপানলা, ডিজুভেলি, গোপালকৃষ্ণ, জিয়াজুৰি, কেলিডন, খাট্ৰন, কলিয়াবৰ, কন্দলী জগদম্ব, লুংচুং, মাটিয়াপাহাৰ, আমচৈ, নৰৈ, চাগমুটীয়া, শুকানজুৰি, চিকনি, চালনা, খনাজান, ধনতোলা--

—বাহ হব, হব একদম মুখস্থ ।

— ও কাম কৰিবলৈ ওলাইছো যেতিয়া নিজে সকলো জানিব লাগিব । সকলো বাগান ঘূৰি মহিলাসকলক একগোট কৰিব লাগিব । তাৰ পিছতহে আচনি যুগুতাম । আমাক বাধা দিব কোনে ? আমাৰ সন্থা ৰাজনৈতিক নহয় । আমি শিশুসকলৰ কাৰণে কৰিম আমি মাতৃজাতি, সকলো সন্তান আমাৰ সন্তান ।

— বেচ অৰূপা । বৰ ভাল লাগিছে । আমাৰ নিজৰ গাড়ী খন আজিয়েই তোমাক দিলো তোমাৰ যি ইচ্ছা সেইমতে কাম কৰিব পাৰিবা । সেই বুলি কিন্তু এটা কথা আছে ?

— কি ? আচৰিত হৈ অৰূপাই সুধিলে—

ধ্ৰুবজিৎ এডাল অৰূপাৰ গালত লগাই দি ক'লে— তুমি আকৌ মোক পাহৰি নাযাবা।

— কিয় পাহৰি যাম? তুমি দেখোন মোৰ প্ৰথম সন্তান।

— ধেৎ, অনিলে খুউব হাঁহিলে আৰু হাঁহি হাঁহি সোমাই গ'ল।

— × —

৮

আজি লক্ষ্মণক মাইজীয়ে মাতিছিল। কিন্তু সি কেনেকৈ যাব ভাবি নাপালে। যাবটো লাগিবই। সি ভিতৰলৈ গ'ল আৰু চাফা ধুতিখন আঠুলৈকে পিন্ধি ললে। বগা চোলাটো পিন্ধি এবাৰ নিজে সি গাটো চালে।

চোলাটো চাফা নহয়। এটাই চোলা, লেতেৰা হৈছে। উপায়ো নাই তাকে পিন্ধি সি অৰূপাহঁতৰ ঘৰলৈ গ'ল।

অৰূপায়ো সি আহিব আহিব বুলি বাট চাই আছিল। দূৰতে লক্ষ্মণক দেখি অৰূপা হাঁহি হাঁহি আগবাঢ়ি গ'ল—আহা আহা লক্ষ্মণ, তুমি আহিবা বুলি বাট চাই আছো।

লক্ষ্মণে নমস্কাৰ দি বাৰান্দাৰ কাষে আগবাঢ়ি গ'ল আৰু চিৰিখনৰ কাষতে বৈ গ'ল।

—কত বৈ আছা ভিতৰলৈ আহা।

—হব ইয়াতে মাইজী। লক্ষ্মণ মাটিতে বহিবলৈ ধৰোতে অৰূপাই হাতত থাপ মাৰি ক'লে— আহা আহা, ইয়াত কিয় বৈ আছা, ভিতৰলৈ আহা।

লক্ষ্মণ অৰূপাৰ পিছে পিছে ভিতৰলৈ গ'ল আৰু ড্ৰইং ৰুমতে মূঢ়া এটাত বহিল। অৰূপায়ো লক্ষ্মণৰ ওচৰতে মূঢ়া এটাত বহিল। লক্ষ্মণ বহিল যদিও বৰ অস্বস্তি অনুভৱ কৰিলে ; কিয়নো আগতে সি কোনো দিন বাবুলোকৰ ঘৰলৈ অহা নাছিল।

—তুমি বাৰু লচমিৰ বাবাক সুধিছিলানে ?

—নাই মাইজী।

—ঠিক আছে, কালিলৈ তুমি সুধিবা লচমিক আমাক দিয়েনে নিদিয়ে।

সিহঁতে কথা পাতি থাকোতেই মনেশ্বৰে চাহ আনি দিলেহি লগতে প্লেট এখনত মিঠাই।

— খোৱা লক্ষ্মণ।

লক্ষ্মণে প্লেটখন চাই ভাবিলে কি খাম ; ইমান বস্তু দিছে। কোনটো আগতে খাম ? সি নোখোৱা দেখি অৰূপাই ক'লে— খোৱা খোৱা লক্ষ্মণ, মিঠাইটো খোৱা।

সি লাজ কৰি কৰি মিঠাইটো মুখত ভৰাই দিলে। অৰূপা ভিতৰলৈ উঠি গ'ল আৰু অকমান পৰৰ পিছতে ওলাই আহি তাৰ ডিঙিত গামোছা এখন পিন্ধাই দি ক'লে— আজিৰ পৰা তুমি মোৰ ভাই হলা দেই।

সি গামোছাখন দুয়োহাতেৰে খামোচ মাৰি অৰূপালৈ চালে— তাৰ দুয়োটা চকু পানীৰে উপচি পৰিল। সি অৰূপাৰ ভৰি চুই সেৱা কৰি ভাবিলে তাৰ ঘৰত সকলো এৰি থৈ আহিছে যদিও ইয়াতে দেখোন সকলো পাবলৈ আছে-- মাতৃ, ভগ্নী আৰু চেনেহ প্ৰীতি। সি নিশ্চয়কৈ বুজি ললে যে সিহঁতৰ পূৰ্ব্বপুৰুষে আদিতে

যি অত্যাচাৰ ভোগ কৰিছিল সেইখিনি সৰল সহজ অসমীয়া মানুহ-খিনিয়ে কৰা নাছিল,, কৰিছিল চাহাবে আৰু চাহাবক নকল কৰা চাহবাগানৰ মালিক হোৱা কিছুমান স্বাৰ্থপৰ মানুহে। সি অৰূপালৈ চাই ক'লে— দিদি আপুনি মোক ভাই বুলি লৈছে যেতিয়া আজিৰ পৰা তুমি নকব, তই বুলি মাতিব, তই কলে আমি ভাল পাও।

অৰূপাই হাঁহি মাৰি ক'লে— ঠিক আছে বাৰু, তাকেই কম। এতিয়া চাহ খাই শেষ কৰা। লক্ষ্মণে তৃপ্তিৰে চাহ খাই শেষ কৰিলে। অৰূপাৰ মন আৰু প্ৰাণ তৃপ্তিৰে ভৰি প'ল।

বাগানলৈ অহাৰ আগতে বহুতে তাইক কৈছিল বাগানীয়া জীৱন বৰ অলস আৰু এলেহুৱা, কিন্তু তাইটো এই চাহবাগানৰ মাজতে পাইছে নতুন কৰ্ম্ম প্ৰেৰণা— পাইছে কেচা পাতৰ কেচা গোন্ধ। মাটিৰ মৰম আৰু লক্ষ্মণহঁতৰ নিচিনা আপোন ভোলা ভাইৰ চেনেহ আৰু প্ৰীতি।

— দিদি মই এতিয়া যাও।

— যোৱা। কালিলৈ কিন্তু মোক খবৰটো আনি দিবা।

—নিশ্চয় আনি দিম দিদি। এতিয়া যাও।

লক্ষ্মণে নমস্কাৰ কৰিলে আৰু গামোছাখন ডিঙিত মাৰি অহা দেখি কলঘৰত সকলোৱে চালে: অসমীয়া গামোছা পোৱা বৰ ভাগ্যৰ কথা। -- কোনে দিলে অ' লক্ষ্মণ ?

কলঘৰৰ বাবুয়ে ইতিকিংৰ সুৰত কথাষাৰ সুধিলে।

— মোক দিদিয়ে দিছে বাবু ?

লক্ষ্মণে আকৌ এবাৰ গামোছাখন দুয়োটা হাতেতে খামুচি ধৰিলে।

— ক'ৰ দিদি ওলাল অ' তোৰ

— কিয় ? আমাৰ মেনেজাৰ বাবুৰ মাইকীয়ে, সেইয়া দিদি। মোক ভাই বনাই লৈছে।

গুদাম বাবুয়ে ধকধেকাই হাঁহি ক'লে — বাৰু দে তই যে দিদি এজনী পাইছ। চাবি আকৌ সাপৰ বাচ বিছাৰ নাই— এতিয়া কাম কৰহি তুঘণ্টা যে ক্ষতি কৰিলি— কোনে পুৰাব? — মই কৰি দিম বাবু বাতিলৈকে কাম কৰি খতম কৰি দিম। · হেঁ! কৰিবই লাগিব বুজিলি মোৰ লগত খাতিৰ নাই।

লক্ষ্মণ গুচি গ'ল কামৰ ঠাইলৈ। তালৈ চাই গুদাম বাবুয়ে গুৰগোৰাই ক'লে— এই মেনেজাৰেই ইহঁতক উচতাই দি বেয়া কৰিব। সি কিছুসময়ৰ চিন্তা কৰি হাতত থকা মাৰিদাল বেৰত কোব মাৰি দি অস্পষ্ট ভাষাৰে ক'লে— এদিন সকলো কথা মালিকক কব লাগিব কিন্তু এতিয়াই নহয় — আৰু আগবাঢ়ক। সি অকলে হাঁহিলে। কুটিল হাঁহিটোতে কলঘৰ বাবুৰ মুখখন অকমান সময়ৰ কাৰণে হলেও বিকৃত কৰি তুলিলে।

আজি ইচ্ছা কৰিয়েই কলঘৰ বাবুয়ে তাক কামত খটোৱালে নিশাহে সি ঘৰলৈ গ'ল। সি মনতে ভাবিলে লচমিক মেনেজাৰে তুলি লোৱা কথাটো জানিব পাৰিলে কলঘৰ বাবুৰ নিচিনা মানুহবিলাকে ছাগৈ খুউৰ হাঁহিব, ইতিকিং কৰিব।

কিন্তু দিদিয়েটো লচমিক নিজৰ বেটীয়া কৰিহে তুলি লব। কিমান সুখত থাকিব আমাৰ লচমি বেটীয়া। সি এই কথাটো নিশ্চয় লচমিৰ বাপেকক সুধিবগৈ। ভবা মতেই সি ৰাতিপুৱা সোনকালেই লচমিৰ বাবা ডিগালু কাকাক লগ ধৰিলেগৈ।

পত্নুলী মুখত লক্ষ্মণক দেখি ডিগালু ককাই হাঁহি মাৰি ক'লে— ইমান ৰাতিপুৱাই কি কামত আহিলি লক্ষ্মণ? আহ, বহ!

ডিগালু কাকাই লক্ষ্মণক বহিবলৈ সৰু পিৰাখন আগবঢ়াই দিলে আৰু নিজেও ফটা বস্তাটোৰ ওপৰতে বাৰান্দাৰ খুটাটোৰ কাষতে বহি বিড়ি এটা জ্বলালে আৰু লক্ষ্মণকো এটা দিলে।

বিড়িটো জ্বলাই লৈ লক্ষ্মণে ক'লে— কাকা, মই এটা

ডাঙৰ কথা সুধিবলৈ আহিছো।
—কচোন ? কাকাই বিড়িটো হুপি চকুহুটা মুদি দিলে
—তোৰ যে ছোৱালী লচমি ?
—ওঁ তাতে কি হ'ল ?
— একো হোৱা নাই।
— তেনেহলে ?

কাকাই তীক্ষ্ণ দৃষ্টিৰে লক্ষ্মণলৈ চালে।

— আমাৰ মেনেজাৰে তাইক নিজৰ ছোৱালী কৰি তুলি লব খুজিছে। মানে একদম নিজৰ বেটীয়া কৰি লব।

ডিগালু কাকাই বিড়িটো দলি মাৰি দি খঙেৰে ক'লে— ঐ লক্ষ্মণ মুখ চম্ভালি কথা কৰি। মই মদ খাই মাতলামি কৰিলো বুলি ছোৱালীজনী পুহিব নোৱাৰিম বুলি ভাবিছ নেকি ? চালা বেইমান কিমান পইচা খাইছ ? তাইৰ মাক নাই বুলি মই তাইক লোকক দিম নেকি ? সিহঁতক তই বিশ্বাস কৰিছ— সিহঁতে সাপ হৈ খোটে বেজ হৈ জাৰিব পাৰে। মই তাইক নিদিও যা— মেনেজাৰক কৈ দেগৈ মই তাইক চাকৰণী হবলৈ নিদিও। ডিগালু কাকা উঠি গ'ল আৰু শুই থকা লচমিক সাৱটি ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে।

অলপ সময় যোৱাৰ পিছত কাকা উঠি আহি চিঞৰি ক'লে— যা লক্ষ্মণ মোৰ চকুৰ আগৰ পৰা আঁতৰ হ, তয়ো দালাল হলি ?
— নাই নাই কাকা, তই ভুল বুবুজিবি। আমাৰ দিদি বহুত ভাল আছে। আমাৰ লচমি ৰাণীৰ দৰে থাকিব কাকা।
— নালাগে ৰাণীৰ দৰে থাকিব। আমাৰ গৰীবৰ পৃথিৱীত ৰজাও নাই ৰাণীও নাই। আছে মাত্ৰ পেটৰ জ্বালা। ইহঁতবোৰ ভাল হোৱা হলে— আমাৰ গতি এনে নহ'লহেতেন। মই কিয় মদ খাও তহঁতে জানো জান ? তহঁতে ভাব মই ফূৰ্ত্তি কৰিবলৈ মদপানী খাওঁ,

পইচা উৰাও। নহয় লক্ষ্মণ নহয়। মোৰ মনৰ দুখ তহঁতে কি বুজিবি? লচমিৰ জন্মৰ সময়ত মাকে যি যন্ত্রণা ভোগ কৰিলে, ডাক্তৰ নাই, শেষত তেজত ডুবি ডুবি তাই মৰি গ'ল। তথাপিও ডাক্তৰ নাছিল। কোনোমতে বাচি থাকিল এইজনী, তাকো তই নিবলৈ আহিছ?

— কাকা, তই নিদিলে মই জোৰ নকৰো। কিন্তু ভাবি চাবি লচমী ডাওৰ হৈ আহিছে তেতিয়া কোনে চাব?

— কিয় তহঁতবোৰ মৰিলি নেকি? বাগানত ইমানবোৰ ভাই ককাই থাকোতে তহঁতে তাইক লোকক দিবলৈ ওলাইছ। চালা লাজ নাপায়, সিহঁতে আমাক কুলি বুলি ঘিণ কৰে, নিচ জাতি বুলি ভাবে, পশুৰ দৰে ব্যৱহাৰ কৰে। তই সিহঁতকে বিশ্বাস কৰিছ। সিহঁতে যে আমাক কিমান নাম দিছে, অমুক জনজাতি তমুক জনজাতি, কিয় একে ভাষাৰে অসমীয়া বুলি কব নোৱাৰে। আমাৰ কি ভাষা সংস্কৃতি নাই, আমি কি সিহঁতৰ মাটিত বুকৰ ঘাম মাটিত পেলাই ফচল উৎপাদন কৰা নাই, আমি কি সিহঁতৰ উদ্যোগ বঢ়োৱা নাই। আৰু তহঁতে কি কৰিছ? আমাৰ ডেকা লৰাবিলাকে? যি কেইটা উঠিছ সেইকেইটাও দালাল হবলৈ ওলাইছ। যা এতিয়া নিজৰ জাতিৰ কাৰণে চিন্তা কৰগৈ, জানিবি তুই থকা বাঘ শিয়ালতকৈও অধম।

লক্ষ্মণ ক্ষন্তেকলৈ হলেও দমি গ'ল। সঁচাকৈয়ে সিহঁতে কি কৰিছে? সিহঁতেও জাতিটোৰ কাৰণে চিন্তা কৰিব পাৰে, কিবা কিবি কৰিব পাৰে, কাকাই ঠিকেই কৈছে— সি খৰ গতিৰে তাৰ পৰা ঘৰলৈ উভতি আহিল। ঘৰলৈ আহি লাল চাহ এবাতি খাই মোহন কুৰ্মীৰ ঘৰলৈ ওলাই গ'ল। মোহন কুৰ্মী তাৰ বন্ধু।

সি মোহনক গোটেই কথাখিনি কৈ আলোচনা কৰিব। আজি ভালেই হব, বন নিবোৱা কাম আছে তাতেই কথাখিনি পাতিব পাৰিব।

সি বাটত যাওঁতে চিন্তা কৰি গ'ল—

ডিগালু কাকাই কোৱা কথাখিনি মিছা নহয়। ক্ষোভত কাকাই কথাখিনি কৈ পেলাইছে ঠিকেই কিন্তু আজি আৰু সেই দিন নাই— দিন সলনি হৈছে। আজিও যদি সিহঁতক কোনোবাই অৱহেলাৰ চকুৰে চাই তেনেহলে সাৰণ নাই।

ডিগালু কাকাই কোৱাৰ দৰে সিহঁতৰ নিজা কৃষ্টি সংস্কৃতি আছে, সেই সংস্কৃতি অসমীয়া সংস্কৃতিৰ লগত মিলি গৈ এক বৃহৎ অসমীয়া সংস্কৃতি গঢ় লৈ উঠাত সহায় কৰিছে। আজি অসমেই সিহঁতৰ জন্মভূমি অসমেই সিহঁতৰ কৰ্মভূমি।

অতীতক সোঁৱৰণ কৰি আজি আৰু লাভ নাই। অতীতে আমালৈ কঢ়িয়াই আনিব দুখ আৰু বেদনা। কিন্তু আমাক এতিয়া লাগে বৰ্তমান। এক সোনোৱালী বৰ্তমান।

সি আকাশলৈ চালে। এটা উজ্জ্বল ৰঙা বেলি ওপৰলৈ ধীৰে ধীৰে উঠি আহিছে।

সি খোজ দিলে। খৰ গতিৰে॥

— x —

৯

মোহন কুৰ্মীয়ে পুৱাতে আহি বন নিৰোৱা কামত লাগিলহি। ঘড়ীৰ কাটা যদিও ৭ বজাত লাগিছে বাগানৰ ঘড়ী কিন্তু এঘণ্টা আগ। মোহনে পুলিবোৰৰ ওপৰত থকা বনবোৰ খন্তি মাৰি উভালিবলৈ ধৰিছেহে এনেতে লক্ষ্মণে মাতিলেহি— মোহন!

মোহনে ভাক নোচোৱাকৈ মাত দিলে— লক্ষ্মণ তই আহিলি, কিয় দেৰি কাৰলি? মহৰীৰ কিন্তু তোৰ ওপৰত চকু পৰিছে দেই। সাৱধান কিন্তু কাম ঠিকমতে কৰিবি।

- মোহন! মই বৰ বিপদত পৰিছো

লক্ষ্মণৰ কথাত মোহনে খন্তিখন হাতত লৈ ভালৈ চালে।

— হয় মোহন বৰ বিপদ!

— কেনেকুৱা বিপদ? মেনেজাৰে তোক কিবা কৈছে?

— মেনেজাৰে নহয় মোহন, মেনেজাৰণীয়েহে

— আৰে কি কথা কৈছে মেনেজাৰণীয়ে আমাক শাসন কৰিব পৰা হ'লনে?

— নহয় মোহন তই ভুল নুবুজিবি তেনেকুৱা কোনো কথা নহয়।

— তেনেহলে কি সোনকালে কৈ পেলা। নহলে মহৰী বাবুয়ে কাম চাবলৈ আহি কথা পতা দেখিলে শাস্তি পাবি।

- মোহন, আমাৰ দিদি মানে মেনেজাৰৰ মাইকীটোৱে আমাৰ দিগালু কাকাৰ ছোৱালী লচমিক তুলি লবলৈ বিছাৰিছে।

— কি কলি! মোহনে হাতত খন্তিখনলৈ ঠিয় হ'ল।

— হয়, হয় মোহন, মোক সুধিবলৈ দিছিল।

— পিছত ?
— সুধিলো ।
— কি ক'লে ?
— নিদিয়ে ।

খঙ্গিখনেৰে আকৌ মাটি খুচৰি খুচৰি মোহনে ক'লে— যেচ ক'লে । কিয় দিব বাক কচোন ?

লক্ষণে কিছুসময় মনে মনে থাকি মনত সাহস গোটাই লৈ ক'লে— দিদিহঁতৰ লৰা-ছোৱালী নাই ।

— নহলে কি হ'ল ? সিহঁতৰ জাতিৰ বিছাৰি লওঁক ।

— তয়ো তেনেকৈ কলিনে মোহন ?

— কিয় ? সিহঁতে আমাক কি নকৰিছে ?

— কি কৰিছে আমাৰ মেনেজাৰে ? যি কৰিছে আমাৰ ভালৰ কাৰণেহে কৰিছে । আনে কিবা কৰিছিল তাৰ বাবেতো আমাৰ মেনেজাৰ দায়ী নহয় ।

— নহয় ? কোনে ক'লে তোক নহয় ? আজিলৈকে বাক কোনোবা মেনেজাৰে আমাৰ কাৰণে চিন্তা কৰিছেনে ? শুন ১৯৫১ চনৰ আগলৈকে শ্ৰমিকসকলৰ কাৰণে যিবোৰ আইন প্ৰণয়ন কৰিছিল সেইবোৰতো কামত অহা নাছিল । যেনে— ১৯২৩ চনত শ্ৰমিক ক্ষতিপূৰণ আইন, ১৯৩৬ চনত বেতন প্ৰদত্ত আইন, ১৯৪৬ চনত ঔদ্যোগিক নিয়োজন আইন, ১৯৪৭ চনত শিল্প বিবাদ আইন, ১৯৪৮ চনত নিম্নতম মজুৰী আইন যদিও কৰা হ'ল তাৰ পৰা শ্ৰমিক-সকলৰ কিবা সুবিধা হ'ল জানো, তয়ে কচোন বাক ?

— নাই হোৱা ।

— তাৰোপৰি আন শ্ৰমিকসকলৰ তুলনাত আমাৰ কাৰণে কি সুবিধা আছে ? কি উন্নতিমূলক ব্যৱস্থা আছে ? ১৯৫১ চনৰ আইনমতে এজন শ্ৰমিকে সপ্তাহত ৪৮ ঘণ্টা কাম কৰিব লাগে যদিও মেনেজাৰে

সপ্তাহত ৫৪ ঘণ্টাকৈ কাম কৰায়। এই আইনত থকা বহুতো কল্যাণমূলক কাম বাগিচাৰ মালিকপক্ষই কাৰ্যত পৰিণত নকৰিলে। আমাৰ কি সুবিধা আছে কচোন ? চিকিৎসা নাই, খোৱাপানী নাই, লাইট নাই, আছে কি ?

— আজি-কালিতো বহুত বাগানত পানীৰ ব্যৱস্থা, চিকিৎসাৰ ব্যৱস্থা আছে।

— ধেৎ। তুই এখনত থাকিলেই হ'লনে ? আমি সকলোৱেই সমানে সুবিধা পাব লাগে।

— তেনেহলে মোহন, লচমিক তুলি লবলৈ তই মত নিদিয় ?

— মই মত দিবলৈ কোন ?

— তই যে আমাৰ লিডাৰ। শিক্ষাও আছে, সেইকাৰণে তই বদি মত দিয় হৈ যাব।

মোহনে খৰকৈ খন্তি মাৰিবলৈ ধৰিলে। কাম চাবলৈ মহৰী আহিছে।

— ঐ কি কৰি আছ তহঁত দুটাই ? ফুচুৰ ফুচুৰ কি কথা পাতিছ ?

সিহঁতে একো নামাতি খন্তি মাৰিবলৈ ধৰিলে।

মহৰীয়ে আকৌ ক'লে— আজিয়েই দুবিঘা মাটি চাফা হব লাগিব। ইমানবোৰ মানুহ লাগিছ বেছিয়া হবই লাগিব

কথা কৈ কৈ মহৰী আন শ্ৰমিকসকলৰ ওচৰলৈ গ'লগৈ।

মোহনে মহৰীলৈ নোচোৱাকৈ ক'লে— চালা দুদিনমানৰ আগতে তয়ো শ্ৰমিকেই আছিলি। এতিয়া মহৰী বাবু হৈ আকৌ শ্ৰমিকৰ ওপৰতে অত্যাচাৰ।

— ইয়াকনো কোনে মহৰী বনালে অ'— লক্ষণে লাহেকৈ সুধিলে।

— সেই আগৰ মেনেজাৰে। আগৰ মেনেজাৰৰ সি আছিল ল্যাই। বাগানত কোনে কাম কৰে কোনে নকৰে, তাকে লগাই লগাই

সি হ'ল মহৰী।

মোহনৰ খং বেছিকৈ উঠিল – উৰহৰ খং ফটা কঠাত জৰাৰ নিচিনাকৈ খন্তিখন মাটিতে বাৰে বাৰে মাৰিবলৈ ধৰিলে। কাম কৰোতে কৰোতে মোহনৰ গাটো জ্বৰ ঘামে ঘামিবলৈ ধৰিলে আৰু পানী পিয়াহত তাৰ অণ্ঠকণ্ঠ শুকাই গ'ল।

সি খন্তিখন তাতে পেলাই পানী খাবলৈ টেঙ্কীৰ ওচৰলৈ গ'ল। খোৱা পানীৰ আন ব্যৱস্থা নথকাৰ কাৰণে দুটা টেঙ্কীত সিহঁতৰ কাৰণে পানী থৈ দিয়া হয়।

সি আজুলি পাতি বহুত পানী খালে আৰু লাহে লাহে আহি নিজৰ কাম কৰা ঠাই পালেহি

সময় আগবাঢ়িল। দুপৰীয়া হ'ল, সিহঁতে একোবাতি ৰঙা চাহ খাই পিছ বেলাৰ কামত লাগিলহি।

— ঐ মোহন তই একো নকলি যে।

— এতিয়া কাম কৰ। কামৰ শেষত কথা পাতিম্। আজি শেষ নকৰিলে কি হব জানই নহয়।

সন্ধ্যা লাগিল। সিহঁতৰো বন নিৰোৱা কাম শেষ হ'ল। মোহনে বাগানৰ পৰা ওলাই মদৰ ঘাটিৰ ফালে খোজ ললে। সন্ধ্যা অকমান নাখালেই নহয়। পিছে পিছে লক্ষ্মণো গ'ল।

দুয়োটাই খাই বাটত ধলং পলংকৈ আহি থাকোতে মোহনে সুধিলে– অ' লক্ষ্মণ এতিয়া ক – কি কৈছিলি।

লক্ষ্মণে বৰ আনন্দ পালে আৰু একে উশাহতে ক'লে– সেই দিগালু বুঢ়াৰ ছোৱালীটো আমাৰ মেনেজাৰে তুলি লব খুজিছে।

— হাঃ হাঃ মোহনে হাঁহিলে ধেৎ তেৰিকা। মেনেজাৰে আমাৰ ছোৱালী তুলি লব ? কি কৈছ ?

— হয় মোহন, হয়।

– বুজিছ লক্ষ্মণ সিহঁতে আমাক এতিয়াও অসমীয়া বুলি কব

নোখোজে। আমি অসমীয়া ভাষা কওঁ অসমীয়া স্কুল কলেজত পঢ়ো, আমাৰ ছোৱালীয়ে চাদৰ মেখেলা পিন্ধে, বিহু নাচে তেনেহলে অসমীয়া হবলৈ ক'ত বাকী থাকিল? কিন্তু আমি কি পালো? আমি মাত্র পাইছো নির্য্যাতন আৰু লাঞ্চনা।

— নাই নাই মোহন, অতীতৰ কথাবোৰ তই মনলৈ নানিবি চোন, এতিয়া আমি নতুন কিবা এটা কৰিব লাগিব।

— নতুন কিবা এটা কৰিব লাগিব? তই ঠিক কৈছ নতুন কিবা এটা?

— অঁ মানে মিলাপ্রীতি।

— কাৰ লগত?

— মালিক, মেনেজাৰ, শ্রমিকসকলৰ মাজত যি বহল ফাট মেলিলে সেই ফাট লগ লগাবলৈ এতিয়া আমি কিবা এটা কৰিবই লাগিব

— তাৰ মানে লচমিয়ে আমাৰ সমস্যা সমাধান কৰিব পাৰিব।

— হয়তো কৰিব মোহন। সেই কাৰণে লচমিক মেনেজাৰক তুলি লবলৈ দিব লাগিব।

— ওঁ তইতো কথাটো ঠিকেই কৈছ কিন্তু মই ভাবি চাব লাগিব।

মোহনে মদৰ নিচাত গৈ বাটৰ কাষত লুটি খাই পৰিল।

— মোহন এইদৰে মদপানী খাই খাই কি আৰু নতুন কাম কৰিবি?

মোহনক ধৰি ধৰি সি উঠাই দিলে - হয় লক্ষ্মণ, মই আৰু মদ নাখাও "মাইৰ কচম" সি দুয়োখন কাণত ধৰি শপত খালে।

লক্ষ্মণে হাঁহিলে, মোহন— এইদৰে কিমান বাৰ যে শপত খালো আমিতো এৰিব নোৱাৰিলো।

মোহনে ধলং পলংকৈ খোজ কাঢ়ি গৈ থাকি ক'লে— আৰে ভাই এৰিবি কেনেকৈ দাৰু যে আমাৰ প্ৰাণ।

সিহঁতে লাইনৰ ফালে খোজ ললে। দূৰৰ পৰা দেখিলে ভোলা মহৰীৰ আগচোতালত ভৰত, হৰিচৰণ, মনমোহন কাকাহঁত

বহি কথা পাতি আছে। ভোলা হ'ল মাইকী মহৰী। মাইকী শ্ৰমিকৰ কাম চোৱা-চিতা কৰে। মানুহজন ভাল, সৎ আৰু বিবেচক, সকলোৱে ভোলা মহৰীক ভাল পায়। সিহঁত গৈ মাটিতে বহিলেগৈ।
— কি হ'ল তহঁত দুয়োটাই দেখোন খাই বৈ টং হৈ আছিছ, কথাটো কি ?

মোহনে মূৰ খজুৱাই ক'লে— বাবু এটা ডাঙৰ কথা।
— ক, কি ডাঙৰ কথা ?

লক্ষ্মণে হাত জোৰ কৰি ক'লে— বাবু আমাৰ মেনেজাৰে লচমিক তুলি লব খুজিছে। মোক তাইৰ বাপেকক সুধিবলৈ কৈছিল।
— পিছত কি হ'ল ?
— দিগালু বুঢ়াই নিদিয়ে।

ভোলা মহৰীয়ে একে আষাৰে ক'লে— কিয় নিদিয়ে ভালৰহে কথা। তাইৰো মাক নাই, সিহঁতৰো লৰাছোৱালী নাই। এটা ধৰ্ম্ম কৰা হ'ব। বুঢ়ানো কেইদিন থাকিব। তাৰ পিছত ছোৱালীজনীৰ কি হ'ব ?
— মই কৈছিলো, বহুত গালি দিলে। লক্ষ্মণে তললৈ মূৰ কৰি কথাষাৰ ক'লে।
— মোহন তোৰ মত কি ?

ভোলা মহৰীয়ে মোহনলৈ চালে।
— মইনো কি মত দিম ?
— তই দিব পাৰিব লাগিব মোহন। কাৰণ তই হৈছ বাগান খনৰ ভিতৰতে জনা শুনা ডেকা। চা মোহন সকলো কথা ভাব প্ৰৱণতাৰে ললে নহ'ব। চিন্তা কৰি চা। তহঁতৰ কাৰণে কিন্তু ভাল হব। এটা নতুন দিশ উন্মোচন হ'ব। বুজিছ মোহন ইয়ো এক বিপ্লৱ বুলিয়েই ধৰ। কাৰণ এনে নোহোৱা নোপোজা কথা

আগতে চোৱা নাই। সেইহে মই বিপ্লৱ বুলি কৈছো। চেনেহ, মৰম, প্ৰীতিৰ বিপ্লৱ। এই চেনেহ প্ৰীতি আমি আদান প্ৰদান কৰোচোন— কাগজে কলমেতো কিবা ফল পালিনে ? এতিয়া হাতে কামে কৰি চা তইঁত সকলোৰে প্ৰস্তাৱ বহুত ললিইঁত কিন্তু বুজি ল, মাতৃ আৰু সন্তান, সন্তান আৰু মাতৃৰ কোনো জাত বিছাৰ নাই। তইঁত যদি একমত হৱ ই এটা ডাঙৰ আদৰ্শ হব এখন সমন্বয়ৰ সাকো ৰচনা কৰা হব।

— নহয়নে ? মোহনৰ চকু দুটা উজলি উঠিল।

—হয় মোহন। মানুহৰ অন্তৰত থকা ক্ষোভ, অন্তৰৰ জ্বালা নিবাময় কৰিবলৈ কিছুমান পথ লাগে। ইয়ো এক পথেই বুলি ধৰ। হিংসাৰে যি কাম সমাধা কৰিব নোৱাৰি প্ৰেম আৰু প্ৰীতিয়ে পাৰি। তাতে শিশুৰ প্ৰতি কৰা প্ৰেম ঈশ্বৰ প্ৰেম। তইঁতে একমত হলে মই ভাল পাম। আৰু দিগালু কাকাক মযো বাৰু বুজাই দিম।

এতিয়া যা, বহুত ৰাতি হ'ল। মযো ভাত খাও।

সিহঁত গ'লগৈ। মোহনৰ নিচা কমিছিল সি ভাবিলে— ভোলা বাবুৱে ঠিকেই, কৈছে— এটা আদৰ্শ হব, সমন্বয় হব আৰু বহুত কিবা কিবি হব।

- লক্ষ্মণ, অ' লক্ষ্মণ —

সি লক্ষ্মণক চিঞৰিলে।

— কি হ'ল অ' কিয় চিঞৰিছ ?

— কালিলৈ ওলাবি মযো দিগালু কাকাৰ তালৈ যাম। তাক বুজাব লাগিব, বুজিলি। সি লচমিক দিবই লাগিব।

লক্ষ্মণে হঁাহিলে।

১৩

লচমিৰ কথাটো সুধিবলৈ দিয়া আজি ১৫ দিনেই হ'ল। লক্ষণ কিন্তু নাছিল। অৰূপাৰ মনটো বৰ বেয়া লাগিল· যদিও অনিলক একো নকলে। বাহিৰত হাঁহি স্ফূৰ্তিৰেই থাকিল। সিহঁতৰ নগাঁৱৰ ঘৰলৈকো নগ'ল। কাৰণ একো খাটাং নহলে অনিলে আগতে মাকক জনাব খোজা নাই। প্ৰথমেই মাকে বাধা দিলে সি অবাধ্য হব নোৱাৰিব। গতিকে সি পিছতেই কথাটো জনাব বুলি মনতে খাটাং কৰিলে। সেইদিনা ৰবিবাৰ আহিছিল। আষাৰ মাহৰ ৰবিবাৰজাক নেৰানেপেৰাকৈ পৰিয়েই আছিল। বেছি বৰষুণ হোৱাৰ কাৰণে বাগানত পাত এসপ্তাহমান বন্ধ হৈ আছে।

অনিল ঘৰতে আছিল। সন্ধিয়াৰ তৰাজাক আকাশত থকাৰ সলনি আছিল কলিয়া ডাৱৰে ঢকা সেমেকা আকাশ। অৰূপা গৈ অনিলৰ কাষত ব'লগৈ। অনিলে বাৰান্দাতে বহি বাহিৰৰ বৰষুণ জাক চাই আছিল।

— কি চিন্তা কৰিছা ?

— বৰষুণত কাম বন্ধ হৈ আছে, সেইকাৰণে ভাল লগা নাই।

— সেইটো এটা চিন্তাৰ বিষয় নে ? কথা পাতো আহা। আকৌ বতৰ ভাল হব নহয় ? বাৰু কোৱাচোন চাহাৰবিলাকে যে আন ঠাইৰ পৰা শ্ৰমিক আনিব লগা হৈছিল, আমাৰ ইয়াত জানো শ্ৰমিক নাছিল ? অৰূপাই সুধিলে।

— সেই কথা কোৱাৰ আগতে তোমাক চাহ গছৰ কথা কব লাগিব। তুমি জানো জানা ?

— ওহো, নাজানো।
— কেনেকৈ জানিবা? ঘৰতে কিমান মেগাজিন, কিতাপ আদি থাকে পঢ়িলেই জানিব পাৰি। তাকেই কৰা জানো? কিন্তু চাহ বাগানত কাম কৰিবলৈ আহিলে সকলো কথা জনা উচিত।
— সেইকাৰণেহে শুনিব খুজিছো।

— তেনেহলে শুনা। ১৮২৩ চনতে অসমত চাহগছৰ সন্তেদ পোৱা গৈছিল। মেজৰ ৰুচ চাহাব বেহা বেপাৰৰ কাৰণে সেই সময়ত গড়গাৱঁলৈ আহোতে এজন চিংফৌ গামে তেওঁক চাহগছৰ সন্তেদ দিছিল। অৱশ্যে তাৰ বহু বছৰৰ আগৰে পৰা চাবুৱা, নাওশৰীয়া, টিংৰাই আদি বহুতো ঠাইত বনৰীয়া চাহগছেৰে ভৰি আছিল। চিংফৌসকলে এই চাহগছৰ পাত সিজাই ঔষধ হিচাবে আগৰে পৰা ব্যৱহাৰ কৰি আছিল।

অসমৰ চাহগছৰ সন্তেদ পোৱাৰ বহুত দিনৰ পিছতহে অৰ্থাৎ ১৮৩৫ চনত গাৰ্ডন চাহাবে চীন দেশৰ পৰা উৎকৃষ্ট চাহগছৰ পুলি আনে আৰু ব্ৰহ্মপুত্ৰ আৰু কুণ্ডিল নৈৰ সঙ্গমস্থলত এখোখনকৈ চাহবাগান পাতে। কিন্তু সেই চাহাবাগান কেইখনে ভাল ফল দেখুৱাব নোৱাৰিলে। ১৮৩৬ চনত পুনৰ জয়পুৰত এখন চাহবাগান পাতে। তাৰ পাছত লাহে লাহে চাবুৱা, ছোট টিংৰাই আৰু শুকান পুখুৰীত এখোখন পুলি বাগান পাতে আৰু চাহপাত তৈয়াৰ কৰিবলৈ ডিব্ৰুগড় আৰু টিংৰাইত দুটা কলঘৰ পাতে। দিনক দিনে এইদৰে বাগানৰ সংখ্যা বাঢ়ি যোৱাত শ্ৰমিকৰ অভাৱ হবলৈ ধৰে। কাৰণ গাঁৱৰ থলুৱা লোকসকলে বাগানৰ কাম কৰিবলৈ ইচ্ছা নাছিল।
— কিয়?
— কাৰণ গাঁৱৰ মানুহৰ নিজা খেতি-বাতি আছিল। গৰু, মহ ছাগলী পুহিছিল। তাৰোপৰি তেওঁলোক আছিল স্বাধীন চেতীয়া

সেইকাৰণে লোকৰ তলত কাম কৰিব নোৱাৰিছিল। তাৰোপৰি বেছি ভাগ মানুহেই কানি খাই এলেহুৱা হৈ পৰিছিল। কিন্তু কছাৰী শ্ৰমিকসকল এলেহুৱা নাছিল। কাৰণ তেওঁলোক কানি খোৱাৰ পৰা দূৰত আছিল।

সেইকাৰণে চাহাববিলাকে কছাৰী শ্ৰমিকসকলক কামত খটুৱাইছিল। তেওঁলোকে বাগানত কাম কৰিছিল যদিও নিয়মীয়াকৈ হাজিৰা নোপোৱাত ১৮৫৯ চনত ধৰ্ম্মঘট কৰে। এইদৰে আন্দোলন জোৰদাৰ কৰি তোলা দেখি সেই সময়ৰ কেপ্টেইন হলৰইদ চাহাবে আচল নেতা কেইজনক ধৰি নি শাস্তি দিছিল। তাৰ পিছত আনিছিল নগা শ্ৰমিকসকলক। তেওঁলোকেও ঠিকমতে হাজিৰা নোপোৱাত খঙতে চাহগছ বোৰ কাটি থৈ গুচি যায়। সিহঁতে কাটি থৈ যোৱা গছবোৰত নতুন পাত ওলাই পিছত ধুনীয়া হৈ পৰা দেখি তেতিয়াৰ পৰাই চাহগছত কলম দিয়া প্ৰথা প্ৰচলন কৰে।

— হয় নেকি? অৰূপাই হুঁাহি দিলে।

— তাৰ পিছত শুনা, আমাৰ শ্ৰমিকসকলে চাহপাত তৈয়াৰ কৰিব নজনাৰ কাৰণে চীন দেশৰ পৰা চীনা কাৰিকৰ আনিব লগা হৈছিল আৰু চীনা কাৰিকৰৰ পৰা যদি কোনোবা শ্ৰমিকে চাহ-পাত তৈয়াৰ কৰাৰ পদ্ধতি শিকি লব পাৰিছিল তাৰ বাবে পাইছিল পুৰস্কাৰ।

— কিমানকৈ পাইছিল পুৰস্কাৰ?

— পুৰস্কাৰ পাইছিল ৩০ টকা আৰু ১০ টকাকৈ মাহে দি সিহঁতক টেকেলাৰ কামত লগাইছিল। চীনা শ্ৰমিকসকলে কিন্তু কাৰো কথা নুশুনিছিল, সিহঁত মইমতীয়া স্বভাৱৰ আৰু হিংসাকুৰীয়া আছিল। সিহঁতে কলঘৰত কাম কৰিছিল আৰু চাহপাত তৈয়াৰ কৰিছিল।

— সিহঁত কেনেকুৱা আছিল?

— একেবাৰে বগা বগা আছিল। সেই কাৰণে আমাৰ শ্ৰমিক

বিলাকে সিহঁতক চাহাব মিগ্ৰী বুলিছিল।

কিন্তু সেই সময়ত অসমত হাইজা, মহামাৰীয়ে দেখা দিছিল আৰু সেই মহামাৰীত পৰি বহুতো শ্ৰমিকৰ মৃত্যু হৈছিল। শ্ৰমিকৰ আকৌ অভাৱ হৈছিল। এই অভাৱ পূৰণ কৰিবলৈ কোম্পানীয়ে আন ঠাইৰ পৰা শ্ৰমিক অনা ব্যৱস্থা কৰিছিল। ১৮৫২ চনত অসম কোম্পানীয়ে প্ৰথম বাংলাদেশৰ ৰংপুৰ জিলাত শ্ৰমিক অনাৰ এজেন্সি অফিছ খুলিছিল আৰু ভাৰতৰ বিভিন্ন ঠাইৰ পৰা শ্ৰমিক অনাৰ প্ৰথা আৰম্ভ কৰিছিল। এইদৰেই ১৮৬৭ চনৰ আগলৈকে দালালবিলাকে অতি নিৰ্দয়ভাবে শ্ৰমিক সংগ্ৰহ কৰিছিল। ১৮৭৭ চনৰ আইনমতে দালালবিলাকে ৪৪,৫৪৯ জন শ্ৰমিক সংগ্ৰহ কৰিছিল। ইয়াৰ পিছত ১৮৮০ চনত অনা মুঠ শ্ৰমিকৰ সংখ্যা আছিল ৪৯,৯৩০ আৰু বেআইনী হিচাবে শ্ৰমিক অনা হৈছিল ১,২৮,১৬৫ জন। ঠিকাদাৰবিলাকে কোনো আইন কানুন মনা নাছিল, ফলত শ্ৰমিকৰ আমদানি বেছি হৈছিল আৰু ১৮৮০ চনত শ্ৰমিকৰ সংখ্যা হৈছিল গৈ ২,৩৭,৪০৪ জন। ১৮৯৫ চনৰ শেষলৈকে শ্ৰমিকৰ সংখ্যা আছিল ৫,৫৭,৩১২ জন। ১৮৯৬ চনত শেষ ভাগত শ্ৰমিকৰ সংখ্যা আছিল মুঠ ৭,৮৮,৮৭৯ জন। অসমৰ চাহ বাগিচাসমূহলৈ বিহাৰৰ পৰা বেছি শ্ৰমিক অনা হৈছিল, তাৰ পিছত অনা হৈছিল পশ্চিম বঙ্গ, উৰিষ্যা, মাদ্ৰাজ, মধ্য প্ৰদেশ, মহাৰাষ্ট্ৰ, গুজৰাট আৰু পশ্চিম সীমান্ত প্ৰদেশৰ পৰা। এই শ্ৰমিকবিলাক আনোতে ঠিকাদাৰবোৰে চুক্তি কৰি আনিছিল। এই চুক্তিৰ নাম আছিল গিৰমিটিয়া চুক্তি। প্ৰথমে চুক্তিৰ ম্যাদ আছিল পাচ বছৰ। তাৰ পিছত কৰা হয় ৩ বছৰ।

— চুক্তিৰ ম্যাদ উকলি গলে সিহঁতে উভতি গৈছিল নে নহয়নে? ক'ত আৰু উভতি যাব পাৰিছিল যিবিলাক আহিছিল সিহঁতে দুখ কষ্ট নিৰ্য্যাতন ভোগ কৰি অসমত বৈ গৈছিল আৰু নিৰ্য্যাতন

ভোগ কৰিব নোৱাৰি যিবিলাক পলাই গৈছিল সিহঁতক আনি জেলত ভৰাই থৈছিল। তাৰ ভিতৰত বহুত শিশু আৰু বৃদ্ধও আছিল। ঠিকাদাৰ আৰু চৰ্দাৰবিলাকক শ্ৰমিক সংগ্ৰহ কৰিবলৈ দুটা ভাগ কৰি দিয়া হৈছিল যদিও ক্ষমতা বেলেগ বেলেগ আছিল। শ্ৰমিক অনাৰ সকলো খৰছ কোম্পানীয়ে বহন কৰিছিল। চৰ্দাৰ বোৰে কমিচন পাইছিল। ক্ষমতা নোপোৱা চৰ্দাৰবিলাকে এবাৰত বিশ জনকৈহে আনিব পাৰিছিল যদিও আইন অমান্য কৰি বহুত শ্ৰমিকক ফুচুলাই আনিছিল। ক্ষমতা পোৱা চৰ্দাৰে আকৌ ১০ জনকৈ বেছি আনিলে লাইসেন্স পাইছিল। সিহঁতক লাইসেন্স পোৱা ঠিকাদাৰ হিচাবে গণ্য কৰা হৈছিল। ১৯০১ চনৰ পৰা ঠিকাদাৰ বিলাকক শ্ৰমিক সংগ্ৰহ কৰিবলৈ বেছি সুবিধা দিয়া হয়। এই সুবিধা পাই চৰকাৰবিলাকে নানান ধৰণেৰে শ্ৰমিক আনিবলৈ ধৰে, ফলত পৰিস্থিতিয়ে বেয়াৰ ফালে ধাল লয়। সেই কাৰণে ১৯০৮ চনত শ্ৰমিক সংগ্ৰহ নীতি বন্ধ কৰি দিয়া হয় যদিও কোনো নিয়ম নীতি নোহোৱাকৈ শ্ৰমিক অনা প্ৰথাটো চলি আছিল। তাকে "আড়কঠিয়া" চালান বুলিছিল। এই শ্ৰমিক সংগ্ৰহ কৰোতে কোম্পানীয়ে অৱশ্যে বহুত টকা খৰছ কৰিছিল। জনা যায় ১৮৭৮ চনতে কোম্পানীয়ে মুঠ ২৪,৫৬২ পাউণ্ড খৰছ কৰিছিল। অৱশ্যে তাৰ পিছৰ হিচাব জনা নাযায়।

এইদৰেই শ্ৰমিকসকলক আনি কৰিছিল অত্যাচাৰ। কাম আদায়ৰ নামত চলিছিল জোৰ, জুলুম, শোষণ আৰু শাসন।

— তেতিয়া ইয়াৰ কোনেও প্ৰতিবাদ কৰা নাছিল ?

— নাছিল। চাহাবৰ কথাই আছিল আইন। কোনোবাই প্ৰতিবাদ কৰিলে তাক কণ্ঠৰুদ্ধ কৰা হৈছিল। তাৰোপৰি যিসকল থলুৱা লোকক চাহাবে মকৰল কৰিছিল সেইসকল হৈছিল চাহাবৰ গোলাম। আৰু শ্ৰমিকসকল হৈছিল চাহাবৰ ক্ৰীতদাস। ফুলমতিয়েও হৈ পৰিছিল

চাহাবৰ এজনী কৃতদাসী ।

সুন্দৰ সুঠাম চেহেৰাৰ ফুলমতিক এদিন চৰ্দাৰ লগাই মাতি অনা হৈছিল আৰু বাগানৰ সকলো কামৰ পৰা ৰেহাই দি এলবাৰ্ট চাহাবে তাইক বাংলাত কাম দিছিল ।

— তাৰ পিছত ? অৰূপাই উদ্বিগ্ন হৈ সুধিলে ।

— সেইয়া এক বেলেগ কাহিনী ।

অনিল বহাৰ পৰা উঠিল আৰু ভিতৰলৈ গুছি গ'ল । অৰূপাই ধাৰাষাৰে দিয়া ৰবষুণ জাক চাই চাই বাৰান্দাতে বহি থাকিল । ইতিপূৰ্বে পৃথিবীলৈ আন্ধাৰ নামি আহিছিল ।

— x —

১১

বৰষুণ জাক কমিছিল । ঝিম ঝিম বৰষুণৰ কণিকাবোৰ পৰি দূৰৰ পাহাৰটো ধূসৰ হৈ পৰিছিল । অৰূপাই চাই আছিল সেই মনোমোহা দৃশ্য ।

পাহাৰটোৰ মনোমোহা সৌন্দৰ্য চাই চাই অৰূপা আহি বাৰান্দাৰ পূব দিশত বলহি । হঠাতে তাইৰ মনত ভাব হ'ল যদি তাই আগবঢ়োৱা প্ৰস্তাৱটো লচমিৰ বাপেকে প্ৰত্যাখ্যাণ কৰে,

তেনেহলেনো সিহঁতৰ কম অপমান হবনে ? যদি সঁচাকৈয়ে লচমিক নিদিয়ে সিহঁতে ইয়াৰ পৰা অন্য বাগানলৈ গুচি যাব ।

কথাবোৰ চিন্তা কৰি থাকোতেই লক্ষ্মণে কোনোবা এটা লগত লৈ সিহতৰ বাংলাৰ ফালে অহা দেখিলে । তাইৰ অন্তৰখন আনন্দ আৰু বেদনাত কঁপি উঠিল । যদি দিয়ে ! যদি নিদিয়ে ! তাইৰ কাণ দুখন গৰম হৈ গ'ল আৰু বুকুখন ধপ ধপাবলৈ ধৰিলে ।
— দিদি ! খোলা হঁাহি মাৰি লক্ষ্মণে মাতিলে ।

অৰূপাই নিজকে সংযত কৰি তালৈ চালে ।
— দিদি এইয়া মোৰ বন্ধু মোহন কুৰ্মী । মোহনক দেখুৱাই দি লক্ষ্মণে আগে হঁাহিলে । অৰূপাই নাহঁাহিলে । সি ভাবিলে দিদিৰ খং উঠিছে সেইকাৰণে সি হাত জোৰ কৰি ক'লে— খবৰটো অনা দেখি হ'ল দিদি মানে আমি সকলোৱে লগ লাগি আলোচনা কৰিব লগা হ'ল ।
— কিহৰ আলোচনা ? অৰূপাই খঙেৰে সুধিলে ।

সি চকখাই উঠিল—মানে দিদি লচমিক দিয়াৰ বিষয়ে ।
—কি ইমান ডাঙৰ কথা হ'ল তহতে আলোচনা কৰিব লাগে ? সেই কথাটো লৈ মিটিং বহুৱালি । সুবিধা দিলে সুবিধা লব নোৱাৰ যা এতিয়া ।
— নহয় ! নহয় ভুল সুবুজিব দিদি ।
—কি নহয় ? দিদি কবলৈ আহিছ যা যা তহঁতক বিশ্বাস কৰিব নোৱাৰি ।
—আমি দিগালু বুঢ়াক সুধিলো
—পিছে নিদিও বুলি ক'লে নহয় ? তাকে কবলৈ আহিছ ? অৰূপাই আকৌ খঙেৰে কলে ।
— নহয় নহয়—

এইবাৰ মোহনে মাত লগালে— আমি সকলোৱে আলোচনা

কৰি সিদ্ধান্ত ললো যে লচমিক আপোনালোকক তুলি লবলৈ দিয়া হব কিন্তু ভবিষ্যতে যাতে কোনো ধৰণৰ অসুবিধা নাপায়।

মোহনৰ স্পষ্ট কথা কেইটাত তাই ইমান আনন্দ পালে যে বাগ্মিত প্ৰকাশ কৰিব নোৱাৰি অধৈৰ্য হৈ পৰিল।

মোহনে কিবা এটা কবলৈ যে চটফট কৰিছিল- অৰুপাই তাৰ মুখখন দেখি ধৰিব পাৰিছিল, সেইহে হাঁহি মাৰি ক'লে—কোৱা মোহন কি কব খুজিছা ?

মোহনে বুকুত সাহস গোটাই ক'লে আপুনি যেনেকৈ আমাক বিশ্বাস কৰিব নোৱাৰি বুলি কৈছে, আমিও আপোনালোকক বিশ্বাস কৰিব নোৱাৰো। সি মনে মনে ব'ল হয়তো ইমান ডাঙৰ কথা কৈ সি মনতে ভয় খাইছিল।

অৰুপাই তালৈ চাই আকৌ সুধিলে কিয় ? কিয় বিশ্বাস কৰিব নোৱাৰা ?

অতীতৰ ইতিহাসে আমাৰ মুখ বন্ধ কৰি থৈছে, মুখ কাটি তেজ ওলাই গলেও আমি নিমাতে থাকিব লাগিব।

— ভুল, মোহন ভুল কৰিছা। কোৱা, মাতা, প্ৰতিবাদ কৰা। তোমালোকৰ প্ৰাপ্যখিনি আদায় কৰা। তোমাৰ নিচিনা সৎ সাহসী ডেকা লৰাকে মই বিচাৰিছিলো। তুমি মোক সহায় কৰিবা !

মোহনে অৰুপালৈ চকু থৰ লাগি চাই ৰ'ল— সিটো এনেকুৱা মেনেজাৰণী আগতে লগ পোৱা নাই।

- কি চাই আছা ? আচৰিত লাগিছে নহয় ? আচৰিত হবলগীয়া একো নাই। তোমালোকৰ জাতিবোৰৰ কাৰণে, তোমালোকৰ মানুহ খিনিৰ কাৰণে বহুত কিবা কিবি কৰিবলৈ আছে মোহন। তোমালোক আগবাঢ়ি আহা মোহন।ময়ো তোমালোকৰ লগত আছো

— হয় ! মোহনে অৰুপালৈ চালে।

—হয় মোহন হয়।

তাই দেখিলে মোহনৰ চকুৰ শুৰিকিটা পানীযে জলমগ্ন কৰিছে। তাই সিহঁতক বহিবলৈ দি ভিতৰলৈ গ'ল আৰু অকমান সময়ৰ ভিতৰতে চাহ আৰু মিঠাই আনি টেবুলত থলেহি।

— খোৱা। মুখ মিঠা কৰা।

অৰূপাই মিঠাইৰ লাৰু এটা ভাঙি মোহন আৰু লক্ষ্মণৰ মুখত সোমোৱাই দিলে। সিহঁতক চাহ খাবলৈ দি অৰূপা অনিলৰ ওচৰ পালেগৈ। সেই সময়ত অনিল ঘৰৰ অফিচ কমত বহি কাম কৰি আছিল। অৰূপাই তাৰ ডিঙিত ধৰি ফুচফুচাই ক'লে— জানা, লচমিৰ বাপেকে বোলে দিব। বাগানৰ সকলোৱে বোলে কথাটো আলোচনা কৰি খাটাং কৰিছে। মোহন আৰু লক্ষ্মণে তাকে কবলৈ আহিছে।

— হয় নেকি? ব'লা মই গৈ আছো।

অনিলে লিখা মেলা সামৰি অৰূপাৰ পিছতে আহি লক্ষ্মণহঁতৰ ওচৰ পালেহি। সিহঁত ছুটা ঠিয় হ'ল।

— বহা, বহা। অনিলেও শ্ৰমিকবিলাকক কেতিয়াও "তই" বুলি ব্যৱহাৰ নকৰে।

সিহঁত বহিল। অনিলে চকি এখন টানি বহি লৈ মোহনলৈ চালে। পিছে তোমালোকৰ সন্থা কেনে চলিছে।

— নাই বাবু একো কৰিবই পৰা নাই।

— হয় নেকি। কৰিব পাৰিব লাগে। দিন সলনি হৈছে, তোমালোকৰ নিচিনা ডেকাই বহুত কিবা কিবি কৰিব পাৰা। পিছে হিংসাৰে নহয় দেই অনিলে হাঁহিলে।

— বাৰু কিয় আহিলা কোৱাচোন?

— দিদিক খবৰটো দিবসৈ।

— কি খবৰ? অনিলে একো নজনাৰ ভাও ধৰি সুধিলে।

লক্ষ্মণ উচপ খাই উঠিল, সিহঁতৰ মেনেজাৰে গম নাপায়

নেকি ? তথাপিও সি সাহসেৰে ক'লে .

— লচমিৰ কথা বাবু । বাপেকে তাইক আপোনালোকক একেবাৰে দিম বুলি কথা দিছে ।

তাৰ কথাৰ মাজতে মোহনে ক'লে— হয় বাবু, একেবাৰে দিব কিন্তু আপোনালোকে নিজৰ সন্তানৰ নিচিনাকৈ পালন কৰিব লাগিব ।

কথাষাৰ শুনি অনিলে হাঁহি ক'লে— তাৰ বাবে তোমালোকে চিন্তা নকৰিবা । পিচে তোমালোকে কেতিয়া সুধিছিলা নিচা খাওতেৰে ?

— নাই-নাই বাবু একদম ৰাতিপুৱা । তেওঁয়া সি নিচা খোৱা নাছিল । প্ৰথমে বহুত আপত্তি কৰিছিল ।

— কিয় ?

— গৰাব হলেওতো বাবু নিজৰ সন্তান .

— ঠিকেই কৈছা । নিজৰ সন্তানৰ মোহ কোনে এৰিব পাৰে ?

— আমি বহুত বুজালো বাবু, তাৰ পিছত দিম বুলি স্বীকাৰ কৰিলে । এই দিয়া আৰু খোৱাৰ পৰা আমাৰ বহুত ভাল হব বুলি আশা কৰিছো ।

— মোহন তুমি ঠিকেই কৈছা Give and take.

তুমি কিন্তু ভাল নেতা হব পাৰিবা ।

অনিলে হাঁহিলে । হাঁহি হাঁহিয়ে সুধিলে এতিয়ানো তোমালোকে কি পোৱা নাই ?

— বহুত বাবু । মোহনে মূৰ তুলি ক'লে ।

— বাৰু মোক তোমালোকে লিখি জনাবা মই যিমান পাৰো দিবলৈ চেষ্টা কৰিম ।

— বাবু আমাৰ বেচন বেয়া আহিছে । চাউলত ধান, দাইল ভেকুৰা আটাত তুহ ।

— তোমালোকে অফিচত কমপ্লেইন দিয়া নাই কিয় ? মইতো

তোমালোকক বেয়া বেচন দিবলৈ কোৱা নাই। বাকী মই কালিলৈ সকলো তদন্ত কৰিম। তোমালোকে চিন্তা নকৰিবা।

আৰু এটা কথা। তোমালোকে বাগানত শুনাই দিয়া দেওবাৰে মই ভোজ দিম আৰু সকলোৰে সন্মুখত লচমিক গ্ৰহণ কৰিম। কেনে হব ?

— বহুত ভাল হব বাবু। এতিয়া আমি যাও।

— বোৰা। সেইদিনা কিন্তু নাচ গানৰো ব্যৱস্থা কৰিবা।

— হয় বাবু।

সিহঁত দুটাই আনন্দ মনেৰে অনিলৰ ঘৰৰ পৰা বিদায় ললে। অকপাই অনিলৰ ডিঙিত ধৰি ক'লে— তুমি ইমান ভাল। ইমান উদাৰ তুমি। অনিলে তাইৰ হাত দুখনত ধৰি মুখলৈ চালে মাত্ৰ। কথাবোৰ যেন নিমিষতে শেষ হৈ গ'ল।

— x —

১২

মোহন আৰু লক্ষ্মণে শনিবাৰে বাগানত জনাই দিছিল যে কালিলৈ দেওবাৰে নিশা আমাৰ বাগানত নতুন চাহাবে সকলোকে ভোজ-ভাত দিব। সকলো আহিব লাগে আৰু নাচ-গান কৰিব লাগে।

বাগানৰ শ্ৰমিকসকলে মোহন আৰু লক্ষ্মণৰ বেৰি ধৰিলে—কিয় ভোজ দিব লক্ষ্মণ? আমাৰ চাহাবেতো আগতে কেতিয়াও ভোজ দিয়া নাই।

মোহনে হাত দাঙি ক'লে—সঁচাকৈয়ে ভোজ দিব। মদ, মাংস সকলোৱে খাবলৈ পাবি। সেইদিনা একেবাৰে ফ্ৰি বুজিলি? কিয় জান?

সকলোৱে আচৰিত হৈ মোহন আৰু লক্ষ্মণৰ মুখলৈ চালে। আমাৰ দিগালু কাকাৰ জীয়েক লচমিক চাহাব চাহাবনীয়ে তুলি লব। একদম নিজৰ বেটীয়া কৰি লব।

— হয় নেকি? সকলো আচৰিত। এনে নোহোৱা নোপোজা কথা হব পাৰেনে? এজনে সিজনৰ মুখলৈ চাই সিহঁতে ভাবিছিল হয়তো নতুন দিন আহিছে। পুৰণা দিনবোৰে তেনেহলে বিদায় লৈছে।

জোৱালীবিলাকৰ গা সাতখন আঠখন কৰিলে। কিয়নো সিহঁতে ঝুমুৰ নাচিবলৈ পাব।

আহাৰ মাহৰ দপদপিয়া ৰবৰুণ জাকত জোৱালীমথাই মনৰ আনন্দতে হেপাহ পলুৱাই গা ধুলে আৰু ৰবৰুণৰ টোপালবোৰকে

লৈ নাচি নাচি উত্তাৱল হৈ পৰিল ।

পিছদিনা ৰাতিপুৱাৰ পৰা লক্ষ্মণহঁতৰ গাত তৎ নাইকীয়া হ'ল। সকলো ডেকা লৰা লগলাগি ভোজ ৰন্ধা ঠাই, ৰাইজ বহা ঠাই ঠিক কৰিলে। সেইদিনা সকলোৱে নিয়ম মানি চলিব লাগিব। কাৰণ ভোজলৈ চাহাব আৰু চাহাবনী আহিব।

মোহনে সকলো তত্ত্বাৱধান ললে। আলহীৰ কাৰণে মুৰ্গী মাংস আৰু বাকী বিলাকৰ কাৰণে গাহৰী মাংস বেলেগে বেলেগে ৰন্ধাৰ ব্যৱস্থা কৰিলে মোহনে ভৰত, সীমান্তহঁতক মাতি আনি ক'লে-- চা, তহঁত পঢ়া শুনা কৰা লৰা। গতিকে তহঁতৰ ওপৰত আলহী শুশ্রূষাৰ ভাৰ দিলো। নতুনকৈ সজা ক্লাব ঘৰটোতে আলহীক খোৱাৰ ব্যৱস্থা কৰিছো। তহঁতে টেবুল, চকী খোৱা-পানী সকলো ঠিক কৰিবি।

— হব মোহন কাকা আমি সকলো ঠিক কৰিম। তই চিন্তা নকৰিবি।

সময় আগবাঢ়িল। ৰন্ধা-বঢ়াকে আদি কৰি সকলো যোগাৰ হ'ল। মোহনে অনিল আৰু অৰূপাক লৈ আহিলগৈ। সিহঁত অহা দেখি শৃঙ্খলিত হৈ বহি থকা সকল ঠিয় হ'ল। অনিলে দেখি মুগ্ধ হ'ল। ইমান শৃঙ্খলিত হৈ সিহঁত কোনো দিনেই থকা নাছিল। তাৰ মনটো ভাল লাগিল আৰু নমস্কাৰ জনাই আৰম্ভ কৰিলে— আপোনালোকক একেলগে পাই মই বৰ সুখী হৈছো। মই এই বাগানলৈ অহা মাত্র এটা বছৰ হৈ গৈছে, সেইখিনি সময়ৰ ভিতৰত মই আপেনালোকৰ পৰা যিখিনি মৰম আৰু সহযোগিতা পাইছো তাৰ বাবে ধন্যবাদ জনাইছো।

অৰূপাই তললৈ মুৰ কৰি চাদৰৰ আচলটো লিৰিকি বিদাৰি আছিল। তাইৰ কাণ মুৰ গৰম হৈ পৰিছিল। ওচৰতে বহি থকা বাগানৰ বাবুসকলৰ বাবুয়নীসকলে তাইলৈ ঘনে ঘনে চাই আছিল।

অনিলে আকৌ ক'লে— আপোনালোকে মোক চাহাব বুলি মাতে, কিন্তু মইতো চাহাব নহয়। মই আপোনালোকৰ ভিতৰবে এজন। আজি মই আপোনালোকবে ছোৱালী লচমিক নিজৰ সন্তান কৰি তুলি লবলৈ মনস্থ কৰিছো যদি আপোনালোকে সন্মতি দিয়ে তেনেহলে আজিয়েই সমাজক সাক্ষী কৰি তাইক আমি নিজৰ সন্তান ৰূপে গ্ৰহণ কৰিম। লচমিয়েও ভৱিষ্যতে সকলো অৱস্থাতে নিজৰ প্ৰথম সন্তান ৰূপে স্বীকৃতি পাব।

মোহনে এইবাৰ ঠিয় হৈ সকলোলৈকে নমস্কাৰ জনাই কলে - চাহাবে যি কৈছে তওঁতৰ সকলোৰে মত আছেনে ?

—হয় হয়, আছে আছে।

—দিগালু কাকা তই কচোন ?

—চাহাবে যি কৈছে ভালেই কৈছে। পিছে মোৰ মৰাৰ দিন কেইটালৈকে তাইক চাই থাকিবলৈ পাব লাগিব।

—নিশ্চয় পাব। তাই কেতিয়াবা বাতিও আপোনাৰ তাত থাকিব, নহয় জানো অৰূপা ?

—অৰূপাই অনিললৈ চাই মূৰ জোকাৰি সন্মতি জনালে মোহনে ভোলা শইকীয়ালৈ চাই দুআষাৰ কবলৈ অনুৰোধ কৰিলে। শইকীয়া ঠিয় হ'ল আৰু আৰম্ভ কৰিলে— এইটো কথা বৰ ভাল কথা হৈছে সন্তান সকলো আমাৰেই। গতিকে বৰ্ত্তমান অৱস্থাত এইদৰেই সমন্বয়ৰ ভেটি প্ৰতিষ্ঠা নকৰিলে বৃহৎ অসমীয়া জাতি হিচাবে তিষ্ঠি থাকিবলৈ টান হৈ পৰিব। শইকীয়াই অনিল আৰু অৰূপাক ধন্যবাদ জনাই বহিল। অনিলহঁতে কথা কেইষাৰৰ অৰ্থ বুজি হঁাহিলে।

মোহনে দিগালু কাকালৈ চাই কলে— তেনেহলে দিগালু কাকাই লচমিক আনিব লাগে।

সুন্দৰকৈ সজাই পৰাই দি লচমিক দিগালু কাকাই আনি অনিলৰ হাতত তুলি দিলেহি। চাৰিওফালে হৰ্ষধ্বনি হ'ল। মহিলা-

সকলে উৰলি দিলে। মাদলৰ ধ্বনিয়ে আকাশ - বতাহ মুখৰিত কৰি তুলিলে। সকলোৰে আনন্দৰ মাজত দিগালু কাকাৰ চুচকুৰেদি চুধাৰি চকুপানী বৈ গ'ল। তাৰ পিছত অনিলক সাৱটি ধৰি আবেগত হুকহুকাই কান্দি পেলালে। সকলো মানুহহে! মানুহৰ অন্তৰৰ গভীৰ বেদনাই যেতিয়া সুখৰ ফেহুজালি দেখা পায় তেতিয়া ক্ষন্তেকাল পাত্ৰ পাহৰি হৃদয় মহাসাগৰত জোৱাৰ উঠে। দিগালু কাকাৰো সেয়াই হ'ল। অনিলে পিঠিত হাত বুলাই গভীৰ প্ৰতিশ্ৰুতিৰে কাকাক আশ্বস্ত কৰিলে।

আকৌ মাদল বাজি উঠিল। ছোৱালীবিলাকে ঠিয় হৈ হাতত হাত ধৰি মাদলৰ চেৱে চেৱে ঝুমুৰ নাচিবলৈ ধৰিলে।

বৰ ঘৰৰ বৰ বেটী
পিঠে পৰে চুল গ'
আয়না দেখে খোপা বান্ধে
উৰে গেন্ধা ফুল গ'।

* * *

বৰ ঘৰৰ বৰ ছাটী
দুৱাৰে বান্ধিল হাতী
যত টাকা লাগে লগাবী
তবু না ছাড়িব জমাদাৰী॥

আজি সিহঁতৰ দিদিয়েও নাচিব লাগিব। ছোৱালীবিলাকে অৰুপাৰ ওচৰলৈ আহি হাতত ধৰি টানি লৈ গ'ল। আজি যেন বহুত দিনৰ মূৰত সিহঁতৰ মাজত থকা কলা কাপোৰখন আঁতৰি গ'ল। ভয় আৰু শঙ্কা গুচি সিহঁতবোৰ সকলো এক হ'ল।

অৰূপাই সিহঁতৰ মাজত সোমাই নাচিবলৈ ধৰিলে। মদন, মোহনহঁতে চাপৰি বজালে। লক্ষ্মণে ঘুৰি ঘুৰি মাদল বজালে। সিহঁতৰ সুৰ আৰু ধ্বনিয়ে গছে পাতে প্ৰতিধ্বনিত হ'ল।

আম পছুৰ জাম দিদি
বুকু যেন ফলহে,
ঝাকা ছখেৰ ধাৰ দেখি
নিজে নাহি আঁৱে হে ॥

* * *

তুমি তৰু আমি লতা
বান্ধিয়ে ৰাখিব এথা
যাও দেখি কোথা যাবে
আমাক ছাড়িয়েহে ॥

নাচি নাচি এটা সময়ত সিহঁত ব'ল। সকলোৱে লগ লাগি অনিল আৰু অৰূপাক খোৱা ঘৰলৈ লৈ গ'ল। তেওঁলোকৰ লগত সহকাৰী মেনেজাৰৰ পৰিয়াল, ভোলা শইকীয়াৰ পৰিয়ালকো খোৱা ঘৰলৈ লৈ গ'ল।

সিহঁতৰ পাছে পাছে বাকী বিলাকেও উঠি আহি ভিৰ কৰিলেহি। মোহনহঁতে সিহঁতক ভোজৰ ঠাইত বহুৱাই দি ক'লে— আপোনালোকে হুলস্থুল নকৰিব। বিলোৱাই বিলাই দিলে, সকলোৱে খাবলৈ বহিল। মোহনে আকৌ সতৰ্কবাণী শুনালে। কোনেও যাতে চাহাব যোৱাৰ আগতে লাউপানী নাখায়।

সিহঁতে ভাত খাই থাকোতেই অনিলহঁতৰ খোৱা শেষ হ'ল আৰু লচমিক লৈ বিদায় ললে। সিহঁত যোৱাৰ পিনে চাই চাই দিগালু কাকাই আকৌ চকুপানী টুকিলে। এনেতে কোনোবা এটাই আহি তাৰ হাতত ধৰি ক'লে— আহ্ আহ্ আজি চাহাবে একদম এক নম্বৰ মাল দিছে খাই ল। দিগালু কাকাই বটলটো এবাৰ চালে আৰু হঁাহি মাৰি ধক্ ধক্কৈ পি দিলে আৰু চলং পলংকৈ ঘূৰি ঘূৰি নাচিবলৈ ধৰিলে।

— x —

১৩

দিনবোৰ সুকলমে পাৰ হবলৈ ধৰিলে। অৰূপাৰ চেনেহত লচমিৰ স্বাস্থ্য ভাল হৈ আহিবলৈ ধৰিলে। অৰূপাই লচমিৰ পঢ়াশুনা আৰম্ভ কৰিলে। তাই লচমিক Central স্কুলত নাম লগাই দিলে। নিয়মীয়াকৈ লচমি স্কুল যোৱা হ'ল। কেতিয়াবা অনিলে, কেতিয়াবা অৰূপাই, কেতিয়াবা মনেশ্বৰে গাড়ীত তাইক স্কুলত থৈ আহে। পঢ়াশুনাত আগবাঢ়ি যাবৰ কাৰণে অৰূপাই ঘৰুৱা শিক্ষকো লগাই দিলে। অতি কম সময়ৰ ভিতৰতে লচমিয়ে পঢ়াশুনা আয়ত্ব কৰিব পাৰিলে। স্কুলৰ শিক্ষকসকলেও আচৰিত হ'ল যে এগৰাকী শ্ৰমিকৰ ছোৱালীৰ ভিতৰত ইমান মেধা শক্তি থাকিব পাৰে বুলি। তাই যদিও মনৰ স্ফূৰ্তিৰে স্কুল যায় কেতিয়াবা বাপেকলৈ মনত পেলাই কান্দে। অৰূপাই তাইৰ মনৰ কথা বুজিব পাৰি তাইক মনেশ্বৰৰ লগতে বাপেকক চাবলৈ পঠাই দিয়ে। এইদৰে চলি যায় দিনবোৰ।

সেইদিনা অৰূপাৰ মনটো ভাল নহয় কাৰণ দিগালু কাকাই লচমিক মাতি পঠাইছে। অনিলে আহি তাইক মন মাৰি থকা অৱস্থাত দেখি আচৰিত হৈ সুধিলে— কি হ'ল আকৌ ?

— কি হব আৰু দিগালু কাকাই আকৌ লচমিক মাতি পঠাইছে।

— অঁ সেইটো কথা ! অনিলে হাঁহিলে !

অৰূপাই অভিমানৰ সুৰত ক'লে— মইতো তোমাক কৈছো— দিগালু কাকাৰ ঘৰটো ভালকৈ বনাই দিয়া, Light লগাই দিয়া, শুবলৈ বিছনা দিয়া নহলে আইজনীয়ে কষ্ট নাপাব নেকি ?

—চোৱা অৰূপা তুমি বেছি Sentimental হৈ পৰিছা। এনেকৈ তুমি সমস্যা সমাধান কৰিব নোৱাৰিবা। মই যদি এজনৰ ঘৰ বনাই দিও কেনেকুৱা কথা হব? মইতো বাগানৰ নিয়ম মানি চলিবই লাগিব আৰু এটা কথা, মই তোমাক কৈ থলো মই যি কৰিম সকলোৰে কাৰণে সমানে কৰিম। ইতিপূৰ্বে ঘৰবোৰ ঠিক কৰি দিবলৈ, লাইট দিবলৈ কোম্পানীলৈ লিখিছো। মই লিখিবহে পাৰো, মইতো নিজে Light লগাই দিব নোৱাৰো। তেওঁলোকে যদি নিদিয়ে মই কি কৰিম! তোমালোকে মালিকক, Company ক হেচা দিয়া। আন্দোলন কৰা, তেতিয়া হয়তো পাব পাৰা। অনিলৰ খং উঠিছিল, চিগাৰেট এটা জ্বলাই লৈ অনিলে কৈছিল জানা অৰূপা এতিয়াতো ভালেই দেখিছা। আগতে সিহঁতে কেনেকৈ আছিল, কেনেকৈ খাইছিল সেইবোৰ ভাবিলে গাৰ কপনি উঠে। চাহাব বিলাকৰ মইমতালিত চাহ বাগানৰ ভিতৰত চলিছিল জঘণ্য অত্যাচাৰ। শ্ৰমৰ বেলিকা একোজন শ্ৰমিকে দিনটোত কিমান সময় কাম কৰিব লাগিব তাৰ কোনো নিয়ম নীতি নাছিল। ফলত নিয়মতকৈ অধিক সময় কামত খটুৱাইছিল। আচলতে দিনে ৯/১০ ঘণ্টাকৈ কাম কৰিব লাগিছিল যদিও তাতোকৈ কেতিয়াবা বেছিকৈ খটুৱাইছিল। আনকি সৰু লৰা-ছোৱালীয়ে ডাঙৰ মানুহৰ সমানেই খাটিব লগা হৈছিল। একোজন শ্ৰমিকে ৬ কঠা মাটিৰ জঙ্ঘল কাটি চাফা কৰিব লগা হৈছিল আৰু দিনটোত শেষ কৰিব নোৱাৰিলে ৰাতিও কাম কৰি চাহাবক দেখুওৱাব লাগিছিল। সম্পূৰ্ণ হাজিৰা কিন্তু কোনো দিনেই নাপাইছিল। একেটা হাজিৰাতে দিনে-ৰাতিয়ে কাম কৰিব লগা হৈছিল। শ্ৰমিকৰ হাজিৰা এদিনৰ বুলি কোনো নিয়ম নাছিল। কেতিয়াবা এসপ্তাহ কাম কৰি ২/৩ দিনৰ হাজিৰাহে পাইছিল। ফলত শ্ৰমিকসকল চলিব নোৱাৰা হৈছিল আৰু লঘোণে ভোকে দিন কটাব লগীয়া হৈছিল। বেমাৰত কেতিয়াবা

ক্ষতি হলেও দেওবাৰে কাম কৰি দিব লগা হৈছিল। আৰু এটা আচৰিত কথা আছিল যে কিবা কাৰণত বাগান বন্ধ থাকিলে শ্ৰমিকে দৰমহা নাপাইছিল। যিসকলে বাগানৰ পতিত মাটি ভাঙি ধান খেতি কৰিছিল তেওঁলোকে বাগানৰ কাম কৰোতে হাজিৰা নাপাইছিল। বেমাৰ হলেও ৰেচন বন্ধ কৰি দিছিল ফলত খাবলৈ নাপাই শ্ৰমিকসকলৰ অৱস্থা পানীত হাঁহ নচৰা বিধৰ হৈছিল। বিভিন্ন সময়ত চৰকাৰে গঠন কৰি দিয়া অনুসন্ধান কমিটিবোৰে প্ৰতিবেদন দাখিল কৰিছিল যদিও সেইবোৰ একো কামত অহা নাছিল।

অনিলে নুমাই যোৱা চিগাৰেটটো আকৌ দিয়াচলাইৰ কাঠি মাৰি জ্বলাই ল'লে। তাৰ গাটো অৱ ঘমাদি ঘামিছিল, খং উঠিছিল। অৰূপাই তালৈ চাই চাই ভবিৰ কাষতে পকাতে বহি আছিল।

বহু সময় তেনেকৈয়ে পাৰ হৈছিল। অৰূপাৰ মনত অনিলে কোৱা কথাষাৰে বাৰে বাৰে প্ৰতিধ্বনিত হৈছিল— "তোমালোকে লাগা, আন্দোলন কৰা, কোম্পানীক হেচা দিয়া, তেতিয়া হয়তো কিবা এটা হব পাৰে।" তেনেহলে আন্দোলন কৰিবই লাগিব। অৰূপাই মনটো স্থিৰ কৰিলে। তাৰ পিছত তাই গহীন হৈ ক'লে— কালিলৈ মোক গাড়ীখন লাগিব।

— নিবা। মই তোমাক মানা কৰিছো নেকি? কি জানা অৰূপা এজনী লচমিৰ কাৰণে তুমি ভাবিলে নহব। তুমি ভাবিব লাগিব চাহবাগানৰ মাজত শোষিত, নিষ্পেষিত হৈ পৰি থকা সহস্ৰজনী লচমিৰ কথা। সিহঁতৰ কল্যাণৰ কথা।

— সেই কাৰণেই মই বাগানবিলাকলৈ যাম বুলি ভাবিছো।

— ঠিক ভাবিছা। বাগানৰ মানুহখিনিৰ বৰ্তমান সময়ৰ মানসিকতা অধ্যয়ন কৰিব লাগিব, শ্ৰমিকসকলৰ আত্মীয় প্ৰেম, জাতীয় চেতনা জগাই তুলিব পাৰিব লাগিব। তুমি ভাবপ্ৰৱনতাৰে কাম কৰিব নোৱাৰিবা। তুমি হব লাগিব আদি শক্তিৰ আধাৰ। হৃদয় হব

লাগিব দয়া আৰু ক্ষমাৰে পৰিপূৰ্ণ, মন হব লাগিব সাম্যবাদী। তোমাৰ চকুৰ দৃষ্টি সদায় মুক্ত আকাশৰ পিনে ধাৱিত হব লাগিব। তেনে নহয় ওপৰলৈ চোৱা, এটা নতুন প্ৰজন্মক প্ৰেৰণা দিবলৈ, তেজস্বী কৰিবলৈ তুমি বহুত ত্যাগ কৰিব লাগিব আৰু, তুমি পাৰিবা, কিয়নো তুমি নাৰী।

অৰূপাই সাহস পালে, প্ৰেৰণা পালে। তাই বহাৰ পৰা উঠি আহিল। মুকলি আকাশৰ তলত ঠিয় হৈ তাইৰ অনুভৱ হ'ল তাইৰ যেন আজি দেহ মন নতুন আলোকৰে আলোকিত হৈ পৰিছে।

লচমি বাপেকৰ কাষলৈ যোৱাৰ কাৰণে তাইৰ মন বিষাদেৰে ভৰি পৰিছিল। লচমিক যেন তাই এক মূহুৰ্ত্তৰ কাৰণেও বুকুৰ মাজৰ পৰা আঁতৰাই নাৰাখিব। কিন্তু বাপেকৰ ওচৰলৈ তাইকতো পঠাবই লাগিব। অনিলে তাইক ঠিকেই কৈছে, ইমান ভাৱপ্ৰৱনতাৰে কাম কৰিব নোৱাৰি। তাই কঠিন হব লাগিব, সকলো বাধা অতিক্ৰম কৰি তাই কাম কৰিবলৈ আগবাঢ়ি যাব লাগিব। কিন্তু প্ৰথমতে কেনেকৈ আৰম্ভ কৰিব? কাক লগত লৈ যাব? ভোলা শইকীয়াৰ পৰিবাৰক নিলে কেনে হয়? সেইদিনা কথা পাতি বৰ ভাল লাগিছিল। মাৰ্জ্জিত, ভদ্ৰ, অমায়িক মানুহ গৰাকীক সেই-দিনা সাইলাখ লক্ষ্মী যেন লাগিছিল। তাইৰ মনটো ভাল লাগি গ'ল আৰু অনিলক গৈ কথাটো সুধিলে — মই এটা কথা ভাবিছো অনিল?

— কি কথা?

— আজি ভোলা শইকীয়াৰ ঘৰলৈ যাও বুলি ভাবিছো।

অনিলে পঢ়ি থকা কিতাপখনৰ পৰা চকু তুলি তাইলৈ চালে

— কিয়?

— তেখেতৰ পৰিবাৰক লগত ললে কেনে হয়?

— ভাল হব। দুৰলৈ যোৱাতকৈ প্ৰথমতে নিজৰ বাগানতে কামটো আৰম্ভ কৰাচোন ?

অনিলে আকৌ পঢ়াত মন দিলে। অৰূপা লৰালৰিকৈ ওলাবলৈ ভিতৰলৈ গ'ল আৰু ওলাই আহি ক'লে— তোমাক মনেশ্বৰে ভাত দিব দেই, মই যাও।

— ওঁ, অনিলে হাঁহিলে। বিয়া হোৱাৰ দিন ধৰি আজিয়েই অৰূপাই প্ৰথমে মনেশ্বৰক ভাত দিবলৈ ক'লে। অনিলে কিন্তু অভিমান নকৰিলে। এনেকৈ সমাজৰ কাম কৰিব লাগিব — এৰা ধৰাৰ মাজেদি।

অৰূপা ওলাই আহি ক'লে— তুমি খাই বৈ যাবা দেই। কাপোৰ বিছনাতে থৈছো। অনিলে তাইলৈ চাই আকৌ হাঁহিলে।

অৰূপা বাগানৰ মাজে মাজে অকলে গৈ ভোলা শইকীয়াৰ ঘৰৰ ফালে খোজ ললে। তাই মনে মনে ভাবি গ'ল— তাইৰ বাৰু মনৰ আকাংক্ষা পূৰ্ণ হবনে ? তাই অকলশৰে খোজ কাঢ়ি যোৱা দেখি বাগানত কাম কৰি থকা শ্ৰমিকসকলে ঘূৰি ঘূৰি চালে।

তাই গৈ ভোলা শইকীয়াৰ পদূলীমুখ পালেগৈ। পদূলী মুখত অৰূপাক দেখি শইকীয়ানী দৌৰি আহি নমস্কাৰ দি ক'লে— আহক, আহক। কিবা কামত আহিল। কথা কৈ কৈ আথে বেথে অৰূপাক ভিতৰলৈ লৈ গ'ল। ভোলা শইকীয়াৰ পৰিবাৰৰ নাম বীনা শইকীয়া। বীনা অলপ আচৰিত হ'ল এনেকৈ মেনেজাৰৰ পৰিবাৰ সাধাৰণ বাবুৰ ঘৰলৈ অহাটো বাগানত এক প্ৰকাৰ ডাঙৰ কথাই। তথাপিও বীনাই অৰূপাক চকিখনত বহিবলৈ দি, তায়ো নিজে মুঢ়া এটাত বহি লৈ সুধিলে— কিনো সকামত আহিল ? মোৰ ভয়েই লাগিছে।

— নাই, নাই ভয় কৰিব লগা একো নাই। চাওকচোন আজি এবছৰেই হ'লছি আমি চিনা পৰিচয়েই হোৱা নাই।

— বীনাই তললৈ মুখ কৰি ক'লে— কি কৰিব বাগানৰ সমাজখনেই এনেকুৱা। বীনা শইকীয়াই ক'লে আপোনালোকে কিন্তু বহুত ধৰ্ম্মৰ কাম কৰিলে।

—তেনেকৈ নকব, কি কৰিলো সেইটো সময়েহে কব।

— সময়ে আৰু কি কব! ভাল কামৰ ফল সদায় ভালেই হয়। আমি কাম কৰাৰহে গৰাকী, ফলাফলৰ গৰাকী ভগৱানহে। বাৰু আপুনি বহক মই অকমান চাহ কৰি আনো। ইমান দিনৰ মূৰত আহিছে সুদা মুখে যাবনে!

কথা কৈ কৈ বীনা উঠি গ'ল। অৰুপাই টেবুলতে থকা কাগজখন তুলি পঢ়িবলৈ ধৰিলে।

বীনা ভিতৰলৈ গৈ পাকঘৰত থকা খোৱা টেবুলখনত চাহ খোৱাৰ ব্যৱস্থা কৰিলে। একাপ চাহ আৰু প্লেটখনত খোৱা বস্তু যতনাই দি বীনাই অৰুপাৰ ওচৰলৈ আহি হাতজোৰ কৰি ক'লে— আহককচোন ভিতৰলৈ। অৰুপা উঠি গ'ল আৰু টেবুলত বহি চাহ খাবলৈ ধৰিলে। চাহ খাই থাকোতে অৰুপাই ক'লে মই আজি এটা বিশেষ কাৰণত আপোনাৰ ওচৰলৈ আহিছো— মানে আপুনি মোক সহায় কৰিব লাগে।

— সহায়? মই! কওককচোন নিশ্চয় কৰিম।

এইবাৰ একো পাতনি নেমেলাকৈ অৰুপাই ক'লে— মই এখন শিশু কল্যাণ আঁচনি যুগুতাব খুজিছো। তাত আপোনালোকৰ সহায় সহযোগিতা লাগিব। সেই কাৰণে মই আপোনাৰ ওচৰলৈ আহিছো।

— বৰ ভাল কথা হব। বহুত দিনৰ পৰা ময়ো তেনেকুৱা কিবা এটা কৰাৰ কথা চিন্তা কৰি আছিলো। পিছে কি হব? আমিতো প্ৰথমে ওলাব নোৱাৰো। এতিয়া আপুনি ওলাই আহিছে যেতিয়া আমাৰ ভয় নাই। দিনটো অকলে অকলে থাকি বৰ আমনি

লাগিছে বুজিলে।

— আমি প্ৰথমতে আমাৰ বাগানতে কামটো আৰম্ভ কৰো বুলি ভাবিছো।

— ভাল কথা। পিছে আপোনাৰ তেখেতে দিছে জানো ?

— ওঁ দিছেতো। তেখেতে কৈছে এজনী লচমিক উদ্ধাৰ কৰিলে কি হব ? বাগানৰ মাজত নিৰ্য্যাতন ভোগ কৰা হাজাৰজনী লচমিৰ কাৰণে আমি চিন্তা কৰিব লাগিব।

— এৰা, সকলোৱে আমাৰ সন্তান। আমি হৈছো মাতৃ জাতি, গতিকে সন্তানৰ কাৰণে চিন্তা কৰিবই লাগিব।

বীনাই হাঁহি মাৰি ক'লে— আপোনাৰ তেখেত কিন্তু বৰ উদাৰ দেই। আমাৰ বাগানৰ সকলোৱে তেখেতক ভাল পায়।

— এইটো আমাৰ সৌভাগ্য বুলি ভাবিছো। অৰূপাই হাঁহিলে।

বীনাই চিন্তা কৰি ক'লে— মই আপোনাক আৰু মহিলা যোগাৰ কৰি দিব পাৰো।

— বেছ ভাল কথা। সকলো মহিলাকে আমি জড়িত কৰিব লাগিব।

— আমাৰ বাগানৰ ডাক্তৰৰ পৰিবাৰ হাস্না বৰ ভাল ছোৱালী। তাই মোৰ তালৈ আহিয়েই থাকে, জ্ঞানো যথেষ্ট আছে। চাহ-গছৰ বিষয়ে বহুতো কিতাপ পত্ৰ পঢ়িছে। আন্দোলনো বোলে আগতে কৰিছিল। আন্দোলন কৰি থকা অৱস্থাতে বোলে ডাক্তৰৰ লগত প্ৰেম হ'ল, তাৰ পিছত বিয়া।

অৰূপাই প্ৰাণ খুলি হাঁহিলে। শইকীয়ানী বৰ খোলা মনৰ মানুহ।

— হয় দিয়ক, প্ৰেম কৰি বিয়া হোৱাই ভাল। আমি আকৌ ভাবিছিলো আন্দোলন কৰা লৰা-ছোৱালীয়ে প্ৰেম-চেম নাজানে। মাত্ৰ দেশপ্ৰেমহে জানে। পিছতহে গম পালো প্ৰত্যেকেই একো

এযোটা প্ৰেমিক-প্ৰেমিকা হৈ বহি আছে ।

এইবাৰ বীনা শইকীয়াই খুউব হাঁহিলে। অৰুপাই বহি থকা বীনালৈ চাই থাকি ক'লে— মই কিন্তু আপোনাক বাইদেউ বুলি মাতিম আৰু আপুনি মোক ভনী হিচাবে ভাবিব লাগিব। মানে আপুনি নহয় তুমি ।

বীনাই হাঁহি সামৰি তৎক্ষণাত গহীন হ'ল, সেইটো কেনেকৈ হব ? আপুনি হ'ল মেনেজাৰৰ পৰিবাৰ ।

-- হলে কি হ'ল ? মেনেজাৰ তেওঁহে, মইতো নহয়। তাতে বয়সত আপুনি মোতকৈ ডাঙৰ। সেইকাৰণে আপোনাক আজিৰ পৰা মই বাইদেউ বুলি মাতিম।

শইকীয়ানীয়ে হাঁহিলে। অৰুপায়ো হাঁহি হাঁহি বাগৰি পৰিল। আজিহে যেন তাই মন প্ৰাণ খুলি হাঁহিব পাৰিছে এনে লাগিল ।

বীনা বাইদেউয়ে ক'লে— আমি তেনেহলে বাবুসকলৰ ঘৰে ঘৰে যাব লাগিব। কলঘৰ বাবুৰ পৰিবাৰ ভাল। মানুহটোহে বেয়া। ঘৰে ঘৰে গৈ কলেগৈ নিশ্চয় মহিলাসকল ওলাব। আৰু এটা কথা— আজি কালি বাগানৰ ভিতৰতো শিক্ষিত মহিলা হ'ল। গতিকে তেওঁলোককো মাতিব লাগিব ।

— পিছে বাইদেউ মিটিংখন দেওবাৰ মানে দিলেহে ভাল হব।

-- হয়তো আজি মঙ্গলবাৰ হলেই। তেনেহলে কালি মানে আমি ওলাবই লাগিব ।

— হয়, হয় আপুনি ইমান জানে। মইতো এইবোৰ একো নাজানো।

— তেনেকৈ নকবাচোন অৰুপা। সকলো মহিলাৰ ভিতৰতে প্ৰতিভা আছে। মাত্ৰ লাগে সময় আৰু সুবিধা।

অৰুপাই বীনা শইকীয়াৰ কথাকেইটাত আনন্দিত হ'ল, প্ৰেৰণা পালে।

তাই বহাৰ পৰা উঠি ক'লে— এতিয়া যাও বাইদেউ কালিলৈ আকৌ আহিম।

— বাৰু। বীনা বাইদেউয়ে লাহেকৈ কথাষাৰ কৈ অৰূপাক আগ-বঢ়াবলৈ গেটৰ মুখলৈকে গ'ল। তেতিয়া ভৰ দুপৰীয়া হৈছিল। বেলিটো আকাশৰ সোঁমাজ পাইছিলহি।

— x —

১৪

কথামতেই কাম। বীনা বাইদেউ আৰু অৰূপাই ঘৰে ঘৰে গৈ মহিলাসকলক উলিয়ালে। সকলোৱে উৎসাহ পালে, যেন সকলোৱে কিবা এটা কৰিবলৈ ইমান দিন অপেক্ষা কৰিয়েই আছিল। পঞ্চৱতী বাগানৰে জিয়ৰী সৰস্বতী কুৰ্মীক সভাখন পতাৰ দায়িত্ব দিয়া হ'ল।

সময় যাবলৈ ধৰিলে যদিও অৰূপাৰ যেন সময়বোৰ নাযায়হে নাযায়। তাইৰ মনটো অস্থিৰ লাগিল। অৱশেষত দেওবাৰটো আহি তাইৰ সন্মুখত উপস্থিত হলহি। তাই তিনি বজাৰ আগেতেই সভাস্থলীলৈ ওলাই গ'ল। মোহনে আগবাঢ়ি আহি ক'লে— আপোনাক নিবলৈ বীনা বাইদেউয়ে পঠাই দিছে।

অৰূপাই হাঁহি মাৰি ক'লে— ব'লা, ব'লা মই আহিছোৱেই। সিহঁত গৈ সভাস্থলী পালেগৈ। ইতিপূৰ্ব্বে ক্লাব ঘৰৰ আগতে সৰস্বতীয়ে সভাখন পতাৰ আয়োজন কৰিছে। বাগানৰ পুৰুষ মহিলা সকলো আহি সভাস্থলীত উপস্থিত হৈছেহি। ক্লাব ঘৰটোৰ সন্মুখতেই এখন টেবুল আৰু চাৰিখন মান চকি আনি ল'ৰাবিলাকে সজাই দিছেহি। মুকলি পথাৰতে বাইজ বহিছে। আকাশ মুকলি, বৰষুণ হোৱাৰ কোনো সম্ভাৱনা নাই।

সকলোৱে অৰূপাক সভানেত্ৰী পাতি সভাৰ কাম আৰম্ভ কৰিলে। সৰস্বতী কুৰ্ম্মীয়ে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰিবলৈ থিয় হ'ল— আমাৰ ভাই ভনীসকল, আজি আমাৰ জীৱনলৈ এক নতুন প্ৰত্যাহ্বান আহিছে বুলি ভাবিছো। কাৰণ ইমান দিন অৱহেলিত হৈ থকা আমাৰ শিশুসকলৰ কল্যানৰ কাৰণে আমাৰ অৰূপা বাইদেউয়ে এখনি শিশু আঁচনি যুগুতাইছে, এই আঁচনিৰ যোগে শিশু আৰু মাতৃসকলৰ সকলো দিশতে উন্নতি হব। কিন্তু এই আঁচনি সফল কৰিবলৈ আপোনালোক সকলোৰে সহায় সহযোগিতা লাগিব। কেনেকৈ এই আঁচনি সফল কৰিব পাৰি তাৰে আলোচনা কৰিবলৈ এই সভা পতাৰ আয়োজন কৰা হৈছে। এই সভাত আমাৰ অতীত, বৰ্ত্তমানৰ অৱস্থা পৰ্য্যালোচনা কৰা হব।

সভাৰ উদ্দেশ্য ব্যাখ্যা কৰি সৰস্বতী কুৰ্ম্মী বহিল। নিৰ্দ্দিষ্ট বক্তাৰ আসনৰ পৰা হাসনা বেগম থিয় হৈ আৰম্ভ কৰিলে। আজি আমাৰ পৰম সৌভাগ্যৰ বিষয় যে আমি সকলোৱে একেলগে গোটখাই এখন সভা অনুষ্ঠিত কৰিব পাৰিছো। অতীততে চাহ শ্ৰমিকসকলৰ লগত বাহিৰা মানুহৰ কোনো সংশ্ৰৱেই নাছিল অৰ্থাৎ চাহাববিলাকে আমাৰ পাৰ্ৰৰ মানুহৰ লগত মিলামিছা কৰিবলৈ নিদিছিল। ইয়াৰ কাৰণ আছিল কেনেবাকৈ কিজানি ভিতৰত চলি থকা অত্যাচাৰ উৎপীড়ণৰ কথা মানুহবিলাকে গম পায়। ১৯২৯ চনত গঠিত "ৰাজকীয় শ্ৰম আয়োগৰ" প্ৰতিবেদনত পোৱা যায়

যে শ্ৰমিকসকলক বিস্তাৰিত ভাবে বাহিৰা প্ৰভাৱৰ পৰা আতৰাই ৰাখিছিল আৰু মেনেজাৰৰ বিনা অনুমতিত যি কোনো লোককে শ্ৰমিকৰ লাইনত প্ৰবেশ কৰাটো কাৰ্য্যকৰী ভাবে বন্ধ কৰি ৰখা হৈছিল। প্ৰতিবেদনত সেই প্ৰথাটো সন্তোষজনক নহয় বুলি উল্লেখ আছে আৰু এইটোও উল্লেখ আছে যে অসম উপত্যকাৰ চাহবাগান বিলাকত থকা শ্ৰমিকৰ বাসস্থানলৈ বাইজ অহা-যোৱা কৰা ৰাস্তা-বোৰ খুলি দিব লাগে।

১৯৪৬ চনত ডি ভি ৰেগিৰ অধ্যক্ষতাত যি অনুসন্ধান কমিটি গঠন কৰা হ'ল— সেই সমিতিয়েও মত পোষণ কৰিছিল যে শ্ৰমিক সকলে বাস কৰা লাইনলৈ যোৱা ৰাস্তাবোৰ সকলো ৰাইজৰ কাৰণে খোলা ৰাখিব লাগে। যেতিয়ালৈকে এনে ব্যৱস্থা কৰা নহয় তেতিয়ালৈকে শ্ৰমিকসকলৰ উন্নতিৰ আশা কৰিব নোৱাৰি।" তাই আকৌ ক'লে – আয়োগৰ অনুমোদন স্বত্বেও মালিকে কোনো বাহিৰা মানুহক বাগিচালৈ সোমাবলৈ দিয়া নাছিল। তাৰ পিছত আমি স্বাধীনতা পালো কিন্তু বাগানৰ নিয়ম কানুনৰ কোনো পৰিবৰ্ত্তন নহ'ল। ১৯৫১ চনত বাগিচা শ্ৰম আইন Plantation Labour act ৰ ৪৩ ধাৰা -মতে অসম চৰকাৰক এক উপযুক্ত বিধি প্ৰস্তুত কৰিবৰ কাৰণে অধিকাৰ দিয়া হ'ল। পিছে সেই বিধি খন ১৯৫৬ চনতহে কাৰ্য্যকৰী কৰা হয়। সেই বিধিখনৰ ৬০ (৪) ধাৰা মতে চাহ শ্ৰমিকৰ বাসস্থানলৈ মুকলি ভাবে অহাযোৱা কৰিব পাৰিব। তেতিয়াৰ পৰাহে ৰাইজে শ্ৰমিসকলৰ বাসস্থানলৈ অহাযোৱা কৰিব পৰা হ'ল। এয়ে আছিল শ্ৰমিকসকলৰ অৱস্থা। চাহাবসকলৰ শাসনত থকা কালত শ্ৰমিকসকলে চকুৰে ধোৱা-কোৱা দেখিছিল। ৰবযুগৰ বতৰত এজন শ্ৰমিকে যদি চাহাবক দেখি ছাতি নজপাই, চাহাবে সেই শ্ৰমিকক বেতৰ কোব দিছিল। বেতৰ কোবত কোনো শ্ৰমিকৰ মৃত্যু হলেও কোবোৱা জনৰ কোনো শাস্তি নহৈছিল।

এসময়ত এগৰাকী তিকতাক বিবস্ত্র কৰি কোবাই কোবাই অচেতন কৰি পেলাইছিল, তাৰো কোনো বিচাৰ হোৱা নাছিল। নাৰীৰ ওপৰত সেই সময়ত যি অত্যাচাৰ চলিছিল সেইয়া বৰ্ণনা কৰিব নোৱাৰি। ১৯২১ চনৰ কথা কাছাৰ জিলাৰ এখন চাহবাগিচাত এজন চাহাবে বোলে এজনী গাভৰুক বাংলাত ৰাতি ৰাখিবলৈ বিছৰাত বাপেকে বাধা দিছিল। সেইকাৰণে চাহাবে ছোৱালী জনীৰ বাপেকক গুলীয়াই হত্যা কৰিছিল। এই অত্যাচাৰৰ পৰা ৮ বছৰীয়া শিশুও বাদ পৰা নাছিল। এসময়ত এজন শিশুয়ে চাহাবক দেখি চালাম নিদিয়াত তাক ধৰি মৰিয়াই মৰিয়াই মাৰি পেলাইছিল। এনেকুৱা এশ এবুৰি ঘটনা ঘটিছিল। তাক কৈ শেষ কৰিব নোৱাৰি।

হাস্‌নাৰ কথা শ্ৰমিকসকলে মনোযোগেৰে শুনিছিল আৰু কোনো হাইউৰমি কৰা নাছিল।

হাস্‌নাই আকৌ ক'লে—কিন্তু সদায় দিন সমানে নাযায়। সময়ে বাগৰ সলালে। এনে দমনমূলক ৰীতি চলি থকা সময়তে এদিন শ্ৰমিকসকল একগোট হ'ল। অত্যাচাৰ উৎপীড়ন শ্ৰমিক-সকলৰ অন্তৰত ক্ষোভৰ অগনি জ্বলি উঠিল। নিপীড়িত মানুহখিনিয়ে বিছাৰিলে মানৱ অধিকাৰ, বিদ্ৰোহ আৰম্ভ হ'ল। অত্যাচাৰৰ বিৰুদ্ধে শ্ৰমিকসকলে একগোট হৈ মানৱ অধিকাৰ দাবী কৰিলে। কিন্তু সেই বিদ্ৰোহ চাহাবসকলে দমন কৰিবলৈ বিছাৰিলে আৰু ৮২ জন শ্ৰমিকক ১৯০৩ চনত সশ্ৰম কাৰাদণ্ড দিয়া হ'ল। কিন্তু তথাপিও সিহঁতে ভয়ত ছত্ৰভঙ্গ নিদিলে। আকৌ বিদ্ৰোহৰ অগনি আগতকৈও তিব্ৰতৰ হৈ উঠিল আৰু শোষণ নীতিৰ বিৰুদ্ধে প্ৰতিবাদ কৰি বাগান এৰি ৮৮৯৯ জন শ্ৰমিকে নিজৰ দেশলৈ যাবলৈ ওলাল। কিন্তু শ্ৰমিকসকল যাব নোৱাৰিলে। ৰেলত উঠাৰ পৰা তেওঁলোকক নমাই অনা হ'ল। পিছত খোজকাঢ়ি যাবলৈ ওলোৱা সকলক

পুলিচে অত্যাচাৰ কৰি বাধা দিলে। ১৯২০ চনত চাহ বাগিচা-বিলাকত পুনৰ ধৰ্ম্মঘট হয়। এই ধৰ্ম্মঘটৰ কাৰ্যসূচীত তিনি হাজাৰ শ্ৰমিকে যোগদান কৰিছিল বুলি জনা যায়। ১৯২১ চনত পুনৰ ধৰ্ম্মঘট আৰম্ভ হয় আৰু তাৰ ফলত চাহ বাগিচাবিলাকৰ ভীষণ ক্ষতি হয়।

১৯৩৭ চনত কাছাৰ জিলাত চাহ বাগিচাবোৰক লৈ 'কাছাৰ চিলেট চাহ শ্ৰমিক ইউনিয়ন' গঠন কৰা হৈছিল বুলি জনা যায়। ১৯৩৭ চনৰ ১৯৪৩ চনলৈকে মুঠ ৭৮ টা ধৰ্ম্মঘট হৈছিল আৰু ৮ হাজাৰ শ্ৰমিকে ধৰ্ম্মঘট কৰিছিল। এনেকৈয়ে ধৰ্ম্মঘট সকলো চাহ বাগিচাবোৰত বিয়পি পৰে। ফলত সুৰমা উপত্যকাৰ চাহ বাগিচাবোৰত বেছি ক্ষতি হয়। ১৯৩০ চনৰ পৰা ১৯৩৫ চনৰ ভিতৰত অসমৰ ৫৫ খন চাহ বাগিচাত ধৰ্ম্মঘট হয় আৰু বাগিচা-বোৰত বিস্তৰ ক্ষতি হয়। ১৯২০ চনৰ ১৬ অক্টোবৰত এচিয়াৰ বৃহত্তম চাহ বাগিচা মোনাবাৰী আৰু কাঠনীবাৰীত এক লেখত লবলগীয়া ধৰ্ম্মঘট পালন কৰে। এই ধৰ্ম্মঘট আছিল অত্যাচাৰ উৎপীড়ণৰ বিৰুদ্ধে আৰু বাগিচাৰ শ্ৰমিকে মাহেকীয়া বেতন ৬ টকাৰ পৰা ৮ টকালৈ বৃদ্ধি কৰাৰ দাবীত। শুকান পুখুৰী চাহ বাগিচাত বেতন বৃদ্ধিৰ দাবীত ২৭ চেপ্তেম্বৰত কৰ্ম্ম বিৰতি পালন কৰে।

অৱশেষত ১৯৩৭ চনত কাছাৰ জিলাৰ চাহ বাগিচাবোৰক লৈ "চিলেট কাছাৰ চাহ শ্ৰমিক ইউনিয়ন" গঠন কৰা হয়। এয়ে অসম ভূমিত গঠন হোৱা এইখনেই প্ৰথম শ্ৰমিক সংগঠন। স্বাধীনতাৰ পিছত চিলেট ভাৰতৰ পৰা আতৰি যোৱাত সংগঠন-বোৰৰ নাম সলনি কৰে আৰু "কাছাৰ চাহ শ্ৰমিক ইউনিয়ন" নাম ৰখা হয়। ১৯৩৭ চনতে আসাম টি কোম্পানী লেবাৰ ইউনিয়ন, বাজমাই টি কোম্পানী লেবাৰ ইউনিয়ন, গ্ৰীণউদ টি কোম্পানী, মাকুম টি কোম্পানী খোলা হয়।

১৯৪৩ চনত AITOC ৰ অসম শাখাৰ অধিবেশন ডিব্ৰুগড়ত অনুষ্ঠিত হয়।

১৯৪৬ চনত চাহ বাগানবিলাকৰ সকলো শ্ৰমিক একমুঠ হৈ ভীষণ আন্দোলন চলায় আৰু আন্দোলন দমাব নোৱাৰি শ্ৰমিকসকলৰ ওপৰত গুলীচালনা কৰে। ফলত বাংকু ওৰাং নামৰ এদল চাহ শ্ৰমিকৰ মৃত্যু হয়। এয়ে অসমৰ প্ৰথম শ্ৰমিক শ্বহীদ। ইয়াৰ পাছতে ১৯৪৬ চনত চাহ বাগান মজদুৰ ইউনিয়ন গঠন কৰে। তাৰ পিছত আসাম টি লেবাৰ এচোচিয়েচন, চাহ শ্ৰমিক শাখা, অসম মজদুৰ সংঘ আৰু ১৯৪৭ চনৰ ৯ ফেব্ৰুৱাৰীত "অসম চাহ কৰ্ম্মচাৰী সংঘ" গঠন হয়। ১৯৪৭ চনৰ ৩ মে'ত ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছ, "INTUG" জন্ম হয়। ১৯৪৮ চনৰ ২৮ ফেব্ৰুৱাৰীত তেজপুৰ জিলা চাহ মজদুৰ সংঘ, খোলা হয়। মুঠতে ১৯৪৮-৪৯ চনৰ ভিতৰত ১৬টা সংঘ গঠন কৰা হয়।

দুখৰ বিষয় যে এই সংঘবিলাকৰ পৰা অসমৰ শ্ৰমিকসকলৰ কোনো উপকাৰ নহ'ল। আজিও শ্ৰমিকসকলে বহু অসুবিধাত ভুগিছে। কিন্তু দিন সদায় সমানে নাযায়, ভাল দিন আমালৈ এদিন আহিব।

হাস্‌না থামিছিল আৰু কমালেৰে মুখখন মচি আকৌ ক'লে—আজি শ্ৰমিকসকলৰ কাৰণে আমি এখন আঁচনি হাতত লৈছো। সেই বিষয়ে আমাৰ অৰূপা বাইদেউয়ে কব। হাস্‌না বহিল।

অৰূপা ঠিয় হ'ল আৰু নমস্কাৰ জনাই আৰম্ভ কৰিলে—আমাৰ শ্ৰমিকসকলে বহুত অসুবিধাত আজি ভুগি আছে। গতিকে তেওঁলোকৰ উন্নতিৰ অৰ্থে আমি মানে মহিলাসকলে এটা অনুষ্ঠান খুলিম বুলি ভাবিছো। তাৰ দ্বাৰা শিশুসকলৰ স্বাস্থ্য পৰীক্ষা, শিশুসকলৰ পুষ্টিকৰ খাদ্য, ঔষধ পাতিৰ যোগান, মাতৃসকলৰ স্বাস্থ্য পৰীক্ষা, তাৰোপৰি বিজুলি বাতি, পানী যোগান আদি সকলো সুবিধা যাতে শ্ৰমিকসকলে পায় তাৰ কাৰণে মহিলাসকলে এই সভাৰ যোগেদি

মালিক, কোম্পানী সকলোলৈকে টানি অনুৰোধ জনাব। প্ৰতি বাগানত মহিলাৰ একোটাকৈ সন্থা খোলা হব। এই সন্থাৰ সদস্য বাগানৰ সকলো মহিলা হব পাৰিব। কাৰণ আপোনালোকে সহায় নকৰিলে আমি একো কৰিব নোৱাৰিম!

—হয় - হয়। সকলোৱে সহায় কৰিব লাগিব।

এইবাৰ অৰূপাই মোহনলৈ চাই ক'লে— কোনেও যাতে আমাৰ সন্থা ভাঙিব নোৱাৰে, কোনো দুস্কৃতিকাৰী আমাৰ মাজত সোমাই বিভেদ আনিব নোৱাৰে তাৰ কাৰণে সকলো সাৱধান হব লাগিব। বাগানৰ ডেকাসকলে আমাক সহায় কৰিব লাগিব।

—কৰিম, কৰিম বুলি সকলোৱে হাত দাঙি চিঞৰি উঠিল।

—তেন্তে আজিয়েই এই পঞ্চৱতী বাগানতে এটি শিশু কল্যাণ সন্থা খোলা হওঁক, আৰু সন্থাটোৰ নাম হওঁক পঞ্চৱতী শিশু কল্যাণ সন্থা। সকলোৱে হাত চাপৰি বজাই সন্মতি জনালে।

সেইদিনালৈ সভা ভঙ্গ হ'ল। সকলো ঘৰাঘৰি গ'ল। অৰূপাই মহিলা কেইগৰাকীক নিজৰ ঘৰলৈকে চাহ খাবলৈ বুলি লৈ আহিল।

অৰূপাহঁতৰ ঘৰত সকলো বহিল। বীনা বাইদেউয়ে আৰম্ভ কৰিলে— হাস্নাই কিন্তু বহুত নজনা কথা কলা দেই। আমি অত বছৰে বাগানতে আছো কিন্তু এইবোৰ কথা নাজানো!

—হাস্নাই হাঁহি মাৰি ক'লে - মইনো কত জানো কিতাপ পত্ৰ অলপ পঢ়ো বুলিহে।

সৰস্বতী কুৰ্মীয়ে হাস্নালৈ চালে— সচাঁকৈয়ে বাইদেউয়ে যিবোৰ কথা ক'লে সেইবোৰ কথা আমি জনাই নাছিলো। এতিয়া আমি কিন্তু বহি নাথাকো এই শিশু কল্যাণ আঁচনি সফল কৰিমেই। কিন্তু আমাক ঐক্যবদ্ধ প্ৰস্তুতি লাগিব।

—তুমি ঠিক কথা কৈছা সৰস্বতী, ঐক্যবদ্ধ প্ৰচেষ্টা লাগিব।

হয়তো আমালৈ বহুতো অসুবিধা আহিব। সেই অসুবিধা আমি অতিক্রম কৰি যাব পাৰিব লাগিব। সকলোৱে চেষ্টা কৰিলে নিশ্চয় আমাৰ সন্থা গঢ় লৈ উঠিব। এই সন্থাই ঐক্যৰ মঞ্চত তৈয়াৰ কৰিব বুলি মই ভাবো সৰস্বতী। অৰূপাৰ প্ৰতি কৃতজ্ঞতাত সৰস্বতীৰ মুখ দোঁ খাই পৰিল। ইতিপূৰ্ব্বে মনেশ্বৰে চাহ আৰু মিঠাই দি থৈ গৈছিল।

সিহঁতে আনন্দমনেৰে চাহ খালে, প্ৰাণ খুলি কথা পাতিলে আৰু প্ৰাণ খুলি হাঁহিলে।

হাসনাই হাঁহি হাঁহি ক'লে— কোনে কয় বাগানৰ জীৱন অলস জীৱন ?

বীনা বাইদেউয়ে তাতে যোগ কৰিলে— কোনে ক'লে অলস বুলি আজিৰ পৰা কৰ্ম্মময় জীৱন আৰম্ভ কৰিছে।

বীনা বাইদেউয়ে আকৌ হাঁহিলে, সেই হাঁহিয়ে যেন কঢ়িয়াই নিলে সিহঁতলৈ এক প্ৰেৰণা।

— x —

লচমিয়ে অৰূপা আৰু অনিলৰ আদৰ যত্নত পঢ়াশুনা কৰিবলৈ ধৰিলে। বাতিপুৱা আৰু গধুলি অনিলে তাইৰ পঢ়াশুনা চাই দিয়ে।

আগৰ দৰেই সেইদিনা সন্ধিয়া লক্ষ্মণ আহি লচমিক ফুৰাবলৈ লৈ গ'ল। ফুৰি ফুৰি ঘৰলৈ উভতি আহোতে লক্ষ্মণে লচমিৰ হাতত ধৰি গীত গাই গাই আহিল— চান্দো মামা, চান্দো মামা তাঁৰা কাঁহা গেল, সুৰুয মামাৰ ছাদী হচ্ছে তাৰা উহা গেল।

লচমিয়ে তাৰ হাতৰ পৰা হাতখন একৰাই দি নাচি নাচি গালে—

চান্দো মামা
চান্দো মামা
তাৰা কেহ গেল
সুৰুয মামাৰ মামী এসেছে
তাৰা উহা গেল

সিহঁত দুয়োটাই জপিয়াই জপিয়াই গীত গাই গাই আহি অৰূপাহঁতৰ পদূলীমুখ পালেহি—

এত এত পানী
বজা বাণী
এত এত কালা
ভালুক ৰাজা॥

সিহঁত অহা দেখি অৰূপাই আগবাঢ়ি গ'ল।

অৰূপাক দেখি লক্ষ্মণে আকৌ গালে—

সুৰুযেৰ আগুণ
চান্দেৰ বাতি
হামাদেৰ বাবুৰ মুখে হাঁসি
সেই হাঁসিতে হাঁস্ বাবু
খিদ খিদাই হাঁস্ ।

অৰূপাই হাঁহি আগবাঢ়ি গ'ল আৰু লচমিক মুখহাত ধুবলৈ ভিতৰলৈ পঠাই দিলে। অৰূপাই লক্ষ্মণক ওচৰতে বহিবলৈ দি ক'লে — লক্ষ্মণ, দেওবাৰে বাগানৰ সকলো লৰা-ছোৱালীকে ক্লাবৰ সম্মুখলৈ মাতি দিবা। সেইদিনাই মই ডাক্তৰ মাতিছো। ঠিক তিনি বজাত ডাক্তৰ আহিব। লৰা-ছোৱালী গোট নাখালে বৰ লাজৰ কথা হব।

— মই মাতি দিম দিদি, আপুনি চিন্তা নকৰিব। লক্ষ্মণে বিদায় লৈ যোৱাৰ পাছত অৰূপা ভিতৰলৈ আহিল আৰু লচমিক গাখীৰ এগিলাচ খাবলৈ দি পঢ়াৰ টেবুলত বহিবলৈ দিলে। লচমিয়ে ধুনীয়াকৈ ইংৰাজী পঢ়িব পাৰিছে। আৰু, অসমীয়া সকলোবিলাক ভাল দৰে অধ্যয়ন কৰিব পাৰিছে। অনিল কামৰ পৰা আহি অৰূপাক মাতি ক'লে— অৰু কালিলৈ ঘৰলৈ যাও বলা। বহুত দিন হ'ল ঘৰলৈ যোৱা নাই। অৰূপাই ক'লে— মইতো যাবলৈ ওলায়ে আছো, পিছে মায়ে বা কি কয় ?

— তাৰ কাৰণে তুমি চিন্তা নকৰিবা। মই খবৰ কেতিয়াবাই পঠালো। ইমান দিনে ছাগৈ খং ঠাণ্ডা হ'ল। অনিলে হাঁহিলে।

● ● ●

পিছদিনা বাতিপুৱাই সিহঁত ঘৰলৈ যাবলৈ ওলাল

কাজলে গাড়ী চলালে, মনেশ্বৰো সিহঁতৰ লগতে ওলাল। নগাঁৱৰ মিলনপুৰত অনিলহঁতৰ ঘৰ। দেউতাকে আগতে বাগানতে কাম কৰিছিল। কাম কৰি থকা সময়তে অতিমাত্ৰা ৰক্তচাপ যোগতে তেওঁৰ মৃত্যু হয়।

সেইদিনাৰে পৰা ল'ৰা সন্তান দুটি আৰু কন্যা সন্তান এটিৰে অনিলৰ মাক আৰতি চহৰীয়াই এক দুখৰ জীৱন অতিবাহিত কৰি আহিছে। দেউতাকৰ মৃত্যুৰ পাছতে অনিলে B.Sc. পাছ কৰে আৰু জোনাকী চাহ বাগানত চাকৰি কৰে। সহকাৰী মেনেজাৰ হিচাবে ৪টা বছৰ সুখ্যাতিৰে কাম কৰি যোৱাৰ পাছত অনিলে পঞ্চৱটী বাগানলৈ মেনেজাৰ হৈ বদলি হৈ আহে। অনিলৰ বিয়া হোৱা ৬ বছৰ পূৰ্ণ হ'ল যদিও কোনো সন্তান নহ'ল। সেইকাৰণে মাকৰ মনত দুখ। কাৰণ নাতি এটা নহ'লে বংশ ৰাখিব কোনে? অনিলৰ ভায়েক সমিৰণ চহৰীয়াই কেবাবাৰো পৰীক্ষা দি B.A পাছ কৰিব নোৱাৰি সি হৈ পৰিছে উশৃঙ্খল। অনিলৰ ভনী স্বপ্নাই কলেজত পঢ়ি আছে।

গাড়ীৰ হৰ্ণ শুনি স্বপ্না দৌৰ মাৰি ওলাই আহিল আৰু অনিলহঁতক দেখি চিঞৰি দিলে— মা, দাদাহঁত আহিছে। মাক আগৰ নিচিনাকৈ আনন্দমনে ওলাই যাব নোৱাৰিলে খং আৰু অভিমানত।

স্বপ্নাই আকৌ চিঞৰিলে— মা— মা— দাদাহঁত আহিছে। মাক ওলাই গ'ল যদিও সিহঁতক দেখি নাইহিলে। আগবাঢ়ি অহা অৰূপাই শাহুয়েকৰ ভৰি চুই সেৱা কৰিলে। আৰতি চহৰীয়াই খঙত কঁপি উঠিল - সেৱা কৰিলে ভক্তি নহয় বুজিলা। মোক যেতিয়া তোমালোকে নামানা সেৱা কৰি কিবা লাভ হবনে?

অৰূপাই ঠিয় হৈ বিষণ্ন মনেৰে সুধিলে— মই কি কথা মনা নাই মা?

—কিয় বাগানৰ ছোৱালীজনী তুলি লওতে মোক সুধিছিলা ? ভাবিছিলা সুধিলে কিজানি মই মানা কৰো নহয় জানো ? কুলি ছোৱালীয়ে মোৰ বংশ ৰক্ষা কৰিব নে ?

অনিলৰ পিঠিত যেন চাবুকৰ কোব এটাহে পৰিল। মা, তুমি এইবোৰ কি কৈছা ? সিহঁত কুলি নহয় সিহঁত আমাৰ মানুহ। আজি আৰু আগৰ দিন নাই মা।

— তই মোক শিকাবলৈ আহিছ। যা — মোৰ ওচৰৰ পৰা। তহঁতৰ কি সন্তান ন'হব নেকি ?

— কিয় নহ'ব ? ঈশ্বৰে দিলে নিশ্চয় হ'ব। সন্তান হলেও যেনিবা এজনী ছোৱালী তুলি ললো তাতে কি ক্ষতি হ'ল ?

— ভাল কৰিছ। তই হলি বাগানৰ মেনেজাৰ আৰু সিহঁতৰ ছোৱালী হ'ল তোৰ সন্তান।

অনিলৰ খং উঠি গ'ল। তুমি তেনেকৈ কিয় কৈছা ? সিহঁত মানুহহে। সিহঁতে কুলি হৈ জন্ম লোৱা নাছিল, মজদুৰ হৈ জন্ম লোৱা নাছিল। আমি সিহঁতক কুলি বনাইছো, মজদুৰ বনাইছো। কুলি বুলি কোৱাৰ অধিকাৰ আজি আমাৰ নাই। তুমি জানানে, সিহঁতৰ নিজৰ ভাষা আছে, কৃষ্টি সংস্কৃতি আছে আৰু সেই সংস্কৃতিয়ে অসমীয়া সংস্কৃতি ভৰাল চহকী কৰিছে।

— যা - যা বৰ মহাপুৰুষ হবলৈ গলি ?

— মই যি কৰিছো ঠিকেই কৰিছো, দেউতাই মোক দুখীয়াক সহায় কৰিবলৈ কৈ গৈছে। দেউতাই কৈছিল — সকলোৰে আত্মাতে ভগৱান বিৰাজমান গতিকে মানুহক পূজা কৰিলেহে ঈশ্বৰক পাব পাৰি। তুমি দেখোন দিনে ৰাতিয়ে ভাগৱত পাঠ কৰি কটোৱা, তেনেহলে এই নিষ্পাপ শিশুটো লৈ কিয় ইমান আপত্তি।

— জাত পাতৰ বিচাৰ এটা নাই জানো ? মই সমাজত কেনেকৈ মুখ দেখুৱাম !

অনিলে খুউব হাঁহিলে। আজিৰ দিনত আকৌ জাত পাতৰ বিচাৰ! যিখিনি সময়ত মানুহ জোনলৈ গৈছে সেই সময়ত তোমালোকে জাত পাত বিচাৰ কৰি নিজৰ ভিতৰতে ভাগ ভাগ হৈছা। শঙ্কৰদেৱে জাতিটো ভাগ ভাগ কৰিছিল নে এক কৰিছিল? শঙ্কৰদেৱে সকলো জাতিসত্বা মিলাই এক অসমীয়া জাতি গঢ়িবলৈ যি আদৰ্শ আমাৰ আগত দি গ'ল সেই আদৰ্শ আমি ৰাখিব পাৰিছোনে? বুজিছা মা, তোমালোকৰ সমাজখন এলাহুৱে ভৰি গৈছে, তাক সংস্কাৰ কৰিব পাৰিলেহে আজি অসমীয়া জাতি বাচিব।

মাকে একো নামাতিলে। অনিলৰ খং উঠিছিল সি আৰু কথা নবঢ়াই ভিতৰলৈ সোমাই গ'ল। অৰূপাই মনত জোৰ পালে যদিও বাহিৰত নেদেখুৱালে কাৰণ লচমি লগতে আছে। এইখিনি সময়তে অৰূপাৰ দেওৰ সমিৰণ আহি পালে। সি খেলিবলৈ পিন্ধি যোৱা জোতাযোৰ খুলি ঠাট্টাৰ সুৰত ক'লে— কি বৌ তোমালোকে বোলে ছোৱালী এজনী তুলি লৈছা।

—কি হ'ল? কিবা বেয়া হ'ল নেকি?

—নাই হোৱা বৌ। তোমালোকে আদৰ্শ দেখুৱাইছা আৰু বংশৰ মান মৰ্য্যদা হানি কৰিছা। সমিৰণে কথাকেইটা কৈ ভিতৰলৈ সোমাই গ'ল। সি যোৱাৰ ফালে চাই অৰূপাই ভাবিলে, ইমান স্পৰ্ধা কিয়? ইয়াত আৰু থাকিব নোৱাৰি। তাই ভিতৰলৈ গৈ স্বপ্নাক কলে আমি যাও স্বপ্না!

—নাই, নাই বৌ ভাত খাই যাবা। তোমালোকে মাৰ কথা নধৰিবা। ভাইটিদাদাটো আজি কালি বেয়া হৈ গ'ল। ঘৰত নাথাকেই। ৰাতিও বহুত দেৰিকৈ আহে। মায়ে তাক বুজাই বলে পৰা নাই। তোমালোকে এইবোৰ কথাত ধৰি নহাকৈ নাথাকিবা বৌ।

অৰূপাৰ স্বপ্নালৈ মৰম লাগি গ'ল।

—বাৰু হব দিয়া ভাত খায়েই যাম।

এনেতে মাক আহি স্বপ্নাৰ চালে— সেই ছোৱালীজনীক পাকঘৰত ভাত নিদিবি।

— হব দিয়া স্বপ্না আমাক বাৰান্দাৰ টেবুলতে দিয়া। নহলে তাই বেয়া পাব।

অৰূপাই কথাবাৰ কৈ লচমিৰ ওচৰলৈ গ'ল। লচমিয়ে তেতিয়া অনিলৰ কাষত বহি আছিল।

সময়ত ভাত হ'ল। অনিলহঁতে ভাত খাই যাবলৈ ওলাল স্বপ্নাই আহি ক'লে— দাদা তোমালোক আকৌ আহিবা দেই।

—আহিম কিয় নাহিম ?

অনিলে গাড়ীত বহিল। লচমি অৰূপাৰ কাষতে বহিল। সিহঁতক বিদায় দিবলৈ স্বপ্নাৰ বাহিৰে আৰু কোনো নাছিল।

সিহঁত ঘৰলৈ উভতিল। বাটত অৰূপাহঁতে কোনো কথা নাপাতিলে। ঘৰলৈ আহি তাই বেজাৰ মনেৰে কাম কৰি গ'ল। ৰাতি অনিলে অৰূপাক ক'লে— অৰু তুমি বেজাৰ নকৰিবা। মা হ'ল পুৰণা মানুহ। গতিকেই সেইবোৰ কথা কবই, আমি সহ্য কৰিব লাগিব আৰু আমি সমাজক দেখুৱাব লাগিব, আমি যে ভাল কামহে কৰিছো। কিবা এটা ভাল কাম কৰিবলৈ গলে যথেষ্ট সমস্যাৰ সন্মুখিন হ'ব লাগিব, সেইবোৰ অতিক্ৰম কৰি যাব পাৰিলেহে তুমি কাম কৰাৰ সাৰ্থকতা লাভ কৰিব পাৰিবা। এতিয়া বিছনালৈ আহা বহুত ৰাতি হ'ল।

—মোৰ টোপনি নাহে।

—কিয় ? অনিলে তাইৰ হাতখনত ধৰি টান মাৰি বিছনালৈ আনিলে আৰু মুখত হাত বুলাই দি মৰম কৰি সুধিলে— কি চিন্তা কৰিছা অৰু ?

ভাবিছো লচমিক তুলি লৈ ভাল কৰিলো নে বেয়া কৰিলো ?

—কিয় ? লচমিক লৈ আমি কোনো বেয়া কবা নাই অক। নিজৰ আত্মবিশ্বাসৰ ওপৰত নির্ভৰ কৰি চলিবা। বহুতে বহুত কথা কব সেইবোৰ কথাত তুমি মন নিদিবা। তুমি সিহঁতৰ শিশু আৰু মাতৃ-সকলৰ কাৰণে সংগঠন খুলিছা, ইয়াতকৈ ভাল কাম কি হ'ব পাৰে। দুর্বলতাক প্রশ্রয় নিদিবা অক।

তাই মুখটো অনিলৰ বুকুত গুজি দিলে। অনিলে তাইৰ মনটো ভাল কৰিবলৈ আৰম্ভ কৰিলে ফুলমতিৰ এক কৰুণ ইতিহাস ॥

×

১৬

দিলজান বাগান। বাগানৰ পৰা ব্রহ্মপুত্রৰ ৰূপোৱালী ঢৌ, নীলা বহল আকাশৰ স্বপ্নময় আবেশ দেখিবলৈ পোৱা যায়। সেই দিলজান বাগানতে ফুলমতিয়ে এদিন চাহ গছৰ তলত বহি ভাবি-ছিল এদিন তাই ৰামচৰণক লগ পাব। ভাবি থাকোতেই সময় বোৰ কেতিয়া পাৰ হৈছিল তাই গম পোৱা নাছিল। বেদনাৰে ক্লান্ত ফুলমতিৰ কাৰেদিয়েই বহুত নিবিড় সন্ধিয়া এনেদৰে পাৰ হৈ গৈছিল। এদিন বাগানত কাম কৰি থাকোতেই চাহাব আহি তাইৰ সম্মুখত ৰ'লহি। বাঘ দেখা মানুহৰ দৰে তাইৰ কণ্ঠৰুদ্ধ হৈছিল।

চকুৰে খোৱা দেখিছিল আৰু ভয়তে থৰ থৰকৈ কঁপিছিল। এটা সময়ত বুকুৰ পৰা তাইৰ শাৰীৰ আচলখন খহি পৰিছিল। অলপ সময় চাহাবে তাইলৈ থৰ লাগি চাই থাকি গুছি গৈছিল।

সেইদিনাই সন্ধিয়া কালো চৰ্দাৰে ফুলমতিৰ ওচৰলৈ গৈ কৈছিল— তোৰ কালিৰ পৰা বাগানত কাম নাই।

— কিয় ? ফুলমতিয়ে ভয়তে সুধিলে।

— তোৰ কপাল ফুলিল বুজিলি মানে কালিৰ পৰা বাংলাত তোৰ কাম। ৰাতিপুৱাই বাংলালৈ যাবি। ফুলমতিয়ে একো ভাবিব নোৱাৰি তাসৈ চাই থাকিল।

— কি চাই আছ ? কালিলৈ বাংলালৈ যাবি নহলে চাহাবে তোক চোচৰাই নিবলৈ মানুহ পঠাব। ফুলমতিয়ে উচপ খাই উঠিছিল। কালো চৰ্দাৰ গুছি গৈছিল। তাইৰ কিন্তু ৰাতিটো টোপনি নাহিল। ৰাতিপুৱা তাই সোনকালে উঠি বাংলালৈ খোজ দিলে। বাগানৰ পৰা বাংলা অলপ দূৰত। চাহগছৰ মাজে মাজে থকা সুৰ-সুৰীয়া আলিয়েদি তাই মনে মনে গৈ থাকিল।

বাংলাৰ দুৱাৰমুখৰ পৰা তাইক বেহেৰাই ভিতৰলৈ লৈ গ'ল আৰু ঘৰ সজা, মচা, বিছনা পৰা, ফুল সজোৱা সকলো কাম শিকাই দিলে। তাই লাহে লাহে ভিতৰলৈ সোমাই গ'ল। ইটো কোঠালিৰ পৰা সিটো কোঠালি পাৰ হৈ এটা সময়ত তাই ডাঙৰ আইনা এখনৰ ওচৰত ৰল গৈ। আইনাখনত নিজৰ ভৰিৰ পৰা মূৰলৈকে দেখা পাই তাই চক্‌খাই উঠিল কিমান যে ধুনীয়া তাই ? তাৰ পিছত বুকুৰ পৰা চাদৰখন আতৰাই তাই হাঁহিছিল, তাৰ পিছত তাই কান্দিছিল। কত দিন ৰামচৰণে এইখন বুকুত মৰম সানি দিছিল। আজিও যেন তাৰ হাতৰ পৰশ বুকুখনত লাগি আছে। কিন্তু আজি ৰামচৰণ তাইৰ ওচৰত নাই। ক'ত গ'ল ? ক'ত আছে তাই নাজানে। তাই চাহাবক ক'লে নিশ্চয় তাইৰ ৰামচৰণক

আনি দিব। তাই আইনাখনৰ ওচৰৰ পৰা আতৰি আহিল আৰু শাৰীখন গাত টানি টানি পিন্ধি ললে। তাই ঝাৰুটো হাতত লৈ ঘৰটো সাৰিবলৈ ধৰিলে। মজিয়াখন কাঠৰ, চাং বাংলা। ঘৰটো ইমান চাফা তথাপিও সাৰিব আৰু মচিব লাগে। কি হব বৰ বৰ মানুহৰ বৰ বৰ কথা।

দিনবোৰ যাবলৈ ধৰিলে। ফুলমতিৰ লাহে লাহে ভয় সংশয় নোহোৱা হল। চাহাবৰবোৰ বৰ ভাল মানুহ। চাহাবে তাইক ৰামচৰণক আনি দিব বুলি কথা দিছে। ৰামচৰণক তাই আকৌ পাব, এই আশা বুকুত বান্ধি তাই বাংলালৈ হাঁহিমুখে অহা হ'ল। সেইদিনা আছিল বাৰিষাৰ কিনকিনিয়া বৰষুণ। বাগানৰ কাম বন্ধ আছিল যদিও ফুলমতিৰ কাম বন্ধ হোৱা নাছিল। কিন কিনিয়া বৰষুণত চাহাবে দিয়া ফুলাম ছাতিটো লৈ তাই চাহাবৰ বাংলালৈ আহিছিল আৰু আগৰ নিচিনাকৈ গৈ আইনাখনৰ সন্মুখত ঠিয় হৈছিলগৈ। ছাতিটো লৈ আহিছিল যদিও তাইৰ হাত আৰু মুখত বৰষুণৰ চিটিকনি পৰিছিল। আইনাখন চাই চাই তাই শাৰীৰ আগটোৰে মুখখনৰ পৰা পানীবোৰ মচি দিছিল আৰু উদং বাহুটো মচি মচি আইনাখনলৈ চাওতেই তাই শিয়ৰি উঠিছিল, চাহাব দেখোন তাইৰ পিছফালে বৈ আছে। তাই সাৱধান হোৱাৰ আগতেই চাহাবে তাইৰ শাৰীখন খুলি পেলাইছিল আৰু বিছনাত শুৱাই লৈ তাইক সৰ্ব্বশ্ৰান্তক ৰিছিল। ইমান কম সময়ৰ ভিতৰত যে এনে ভয়ঙ্কৰ বিভৎস ঘটনা ঘটিব পাৰে ফুলমতিয়ে ভাবিবই পৰা নাছিল।

চাহাবে ফুলমতিক ভৰিৰে গোৰ মাৰি মাটিত পেলাই দিয়াৰ পিছত শাৰীখন বুতলি বুকুত হেচা মাৰি ধৰি তাই হুকহুকাই কান্দিছিল। চাহাবে খঙেৰে তাইক কৈছিল— যদি তই এই কথা বাগানৰ কাৰোবাৰ আগত কৱ তেনেহলে তোৰ পিঠিত বেতৰ

কোব দিয়া হব আৰু কোনোবাই যদি এই কথা জানি বিদ্রোহ কৰে তেনেহলে তাক গুলীয়াই হত্যা কৰা হব। ফুলমতিয়ে শিল পৰা কপৌৰ দৰে থৰ হৈ গৈছিল। মাতবোল তাইৰ বন্ধ হৈ গৈছিল।

সেইদিনা তাই ঘৰলৈ উভটি আহোতে আন্ধাৰ হৈছিল। অকলে থকা অকমানি কোঠালিটোৰ ভিতৰফালৰ ডুৱাৰৰ দাংদাল লগাই তাই মাটিতে বহি পৰিছিল আৰু ঘন ঘনকৈ উশাহ লৈছিল। ছয়োখন গালেদি চকুপানী বৈ আহোতে গালছুখন চেকচেকাইছিল, বিষাইছিল। বাহু, বুকু সকলোতে দাঁতৰ দাগ। যেন মানুহ খোৱা বাঘৰ দাঁতৰ দাগ। তাই আঠুৰ মাজত মুখটো সোমোৱাই দি ভাবিছিল ভগৱানৰনো কি বিচাৰ? পেটৰ জ্বালাত মানুহক এনেকৈ সৰ্ব্বশ্ৰান্ত হবলৈ ভগৱানে কিয় ঠেলি দিয়ে, নিজৰ গাওঁখনত খাবলৈ নাপাই থাকিলেও তাই পবিত্ৰ হৈ আছিল। কিন্তু আজি তাইৰ সকলো শেষ হৈ গ'ল। পেটৰ তাড়ণাত আহি অসুৰৰ হাতৰ চেপাত তাইৰ সতীত্বৰ মৃত্যু হ'ল। চাহাব নহয় অসুৰ, ভয়ঙ্কৰ অসুৰ। তাই পাগলীৰ দৰে হাঁহিছিল আৰু কান্দিছিল। তাৰ পিছত ছাকিটো জ্বলাই, তাৰ ধিমিক ধামাক পোহৰত চাইছিল তাইৰ সৰ্ব্বশৰীৰৰ পৰা নিগৰি ওলোৱা কেঁচা তেজৰ টোপালবোৰ। লাজ আৰু অপমানত তাই কঁপিছিল। ৰাতি শেষ হৈছিল। চাহাবৰ কথামতে তাই এই যন্ত্ৰণাৰ কথা কাকো কোৱা নাছিল।

আগৰ দৰেই আকৌ তাই বাংলালৈ অহাযোৱা কৰিছিল। প্ৰতিদিনেই এইদৰে বিভিন্ন সময়ত তাইৰ ওপৰত অত্যাচাৰ চলাই চাহাব মেনেজাৰে ক্ষুধা নিবাৰণ কৰিছিল।

সিহঁতে কথা পাতি থাকোতেই মনেশ্বৰে আহি ক'লে— চাৰ আপোনাক বিচাৰি ছুজনমান মানুহ আহিছে।

— বহিবলৈ দে, মই গৈছো।

অনিল বাহিৰলৈ ওলাই গ'ল। অৰূপা উঠি গৈ লচমিৰ

ওচৰত বহিল আৰু তাইক বুকুত সাবটি ধৰিলে। তেতিয়া লচমিয়ে পটি আছিল।

—x—

১৭

বাতিপুৱাই লক্ষ্মণহঁতক দেখি অৰূপা আচৰিত হ'ল আৰু প্ৰায় চিঞৰিয়েই সুধিলে— কি হ'ল লক্ষ্মণ, বাগানত কিবা অঘটন ঘটিছেনেকি?

— কোৱা, নামাতা কিয়?

লক্ষ্মণে কও নকওকৈ ক'লে— দিগালু কাকা! বাতি বিছনাতে মৰি আছে।

— কেনেকৈ?

— বাতি হয়তো বহুতো দাৰু খাইছিল।

হায় ভগৱান— অৰূপা ভিতৰলৈ দৌৰ মাৰি গৈ অনিলক খবৰটো কলেগৈ। অনিল মৰ্ম্মাহত হ'ল আৰু লচমিক লগত লৈ সিহঁত দিগালু কাকাৰ ঘৰ পালেগৈ।

ইতিপূৰ্ব্বে লাইনৰ সকলো মানুহ আহি দিগালু কাকাৰ ঘৰ ভৰি পৰিছিলহি।

অনিলহঁত যোৱা দেখি আটায়ে বাট এৰি দিলে। লচমিয়ে অৰূপাৰ হাতৰ পৰা এচাৰ মাৰি এৰাই আহি বাপেকৰ গাত পৰি চিঞৰি চিঞৰি কান্দিবলৈ ধৰিলে। কান্দিবলৈ এৰি দি অৰূপাই তাইলৈ চাই থাকিল। অলপ সময় কান্দি কান্দি তাই আকৌ দৌৰি আহি অৰূপাক সাবটি ধৰিলেহি। অৰূপাই তাইৰ চকুপানী মচি দিলে আৰু ঘৰলৈ লৈ আহিল। অনিল শ্ৰমিকসকলৰ লগত ব্যস্ত হৈ পৰিল। দিগালু কাকাৰ সংকাৰৰ ব্যৱস্থা কৰিবৰ কাৰণে যি টকা লাগে অনিলে খৰচ কৰিব। এই সিদ্ধান্তত সকলোৱে ভাল পালে। দুজনমানে দিগালু কাকাৰ শটো বাহিৰলৈ দাঙি আনিলে। কেইজনমানে হালধী সানি শটো ধুৱালে, নতুন কাপোৰ পিন্ধালে আৰু নতুন কাপোৰেৰে শটো ঢাকি দিলে।

শ্মশানলৈ নিবৰ হ'ল। লৰাবিলাকে বাহৰ চাঙি কৰিলে আৰু দিগালু কাকাৰ নশ্বৰ দেহ বাহৰ চাঙিখনত উঠাই দি জয়ধ্বনি দিলে — ব'ল হৰি ব'ল। নিজৰ মানুহে চাঙিখন ধৰিব লাগে, বাগানত সকলো নিজৰ। কোনো জাতি, অজাতি নাই। সেয়েহে এফালে লক্ষ্মণ আৰু ভৰত আনফালে মোহন আৰু বিশ্বই ধৰি শ্মশানৰ ফালে যাত্ৰা কৰিলে। লগে লগে ভোলা শইকীয়া, অনিল আৰু ডাঃ হামিদো গ'ল। সিহঁতৰ সকলোৱে হাতত এটুকুৰা লোহা ললে আৰু বগা কাপোৰ হাতত বান্ধি হৰিবোল, হৰিবোল কৰি আগবাঢ়িল। কিছুমানে বাটত ধান আৰু সৰিয়হ ছটিয়াই গ'ল।

শ্মশানত তেওঁলোকৰ মাটি কিনা নিয়ম। সেইহে লক্ষ্মণে পইচা দি দেৱতাৰ পৰা মাটি কিনি ললে আৰু সেই মাটি টুকুৰাতেই দিগালু কাকাৰ চিতাখন সজা হ'ল। মাটি কিনা পইচাখিনি চন্দ্ৰ সূৰ্যক সাক্ষী কৰি দাহ কৰাৰ উত্তৰ ফালে থৈ দিলে। লক্ষ্মণহঁতে চাঙিখন লৈ চিতাখনৰ চাৰিওফালে চাৰিপাক ঘূৰিলে। তাৰ পাছত

দিগালু কাকাৰ দেহা চিতাখনত তুলি দিলে।

চিতাৰ জুইয়ে লাহে লাহে তাৰ পাছত দপ্ দপ্‌কৈ জ্বলি উঠিল। লক্ষ্মণে চিতাৰ জুইখিনি চাই ভাবিলে তাৰ কাৰণেই ৱাক দিগালু কাকা মৰিল নেকি? লচমিৰ কথাই যেন তাৰ অন্তৰত বহুত আঘাত দিলে, সেই আঘাত কিজানি সি সহ্য কৰিব নোৱাৰিলে আৰু তাকে পাহৰিবলৈ মদ খাই খাই সি মৰিল। লক্ষ্মণে কান্দিলে, বহুত কান্দিলে। লচমিক দিদিহঁতক নিদিয়া হলে কিজানি সি জীয়াই থাকিলহেঁতেন, ছাদি বিয়া দিলেহেঁতেন, দিগালু কাকাৰ চোতালত মাদল বাজিলেহেঁতেন। কিন্তু এইবোৰ একো নহ'ল। সি কান্দি কান্দি এবাৰ জুইকুৰালৈ চাই বিৰবিৰালে— কাকা তই ভুল নুবুজিবি, মই লচমিৰ ভাল চিন্তাহে কৰিছিলো। এদিন তাই ডাঙৰ মানুহ হব, ভালকৈ ছাদি বিয়া হব, মাদল এদিন নিশ্চয় বাজিব আৰু আটাইতকৈ ডাঙৰ কথাটো হ'ল তাইৰ দ্বাৰা আমাৰ জাতিটোৰে মঙ্গল হব।

সি আকৌ আঠুৰ ওপৰত মূৰটো গুজি দিলে, কিছুসময়ৰ পাছত যেতিয়া সি মূৰটো দাঙি চায় তেতিয়া সি দেখিলে দিগালু কাকা আৰু মানুহ হৈ থকা নাই, হ'লগৈ এমুঠি ছাঁই মাত্ৰ।

শ্মশানৰ কাম শেষ হ'ল। সকলোৱে নদীত গা ধুবলৈ ওলাল। নদীলৈ যাওতে কাইটীয়া গছৰ ডাল পুতি থৈ তাৰ ওপৰেদি পাৰ হৈ যাব লাগিব। সিহঁতেও তাকে কৰিলে। কাইটীয়া গছৰ ডাল পুতি তাৰ ওপৰেদি পাৰ হৈ গৈ নদীৰ ঘাট পালেগৈ আৰু স্নান কাৰ্য সমাপ্ত কৰি পুনৰ দিগালু কাকাৰ ঘৰলৈ উভতি আহিল।

দিগালু কাকাৰ ঘৰত কোনো নাথাকিলেও লাইনৰ সকলো মানুহেই আজি কাকাৰ আপোন। লাইনৰ সকলো বোৱাৰী জিয়াৰী আহি কাকাৰ ঘৰ পৰিষ্কাৰ কৰিলে, সাৰি মচি চাফা কৰিলে, তুলসী পানী ছটিয়ালে আৰু ধূপ ধূনা জ্বলালে। সকলো মানুহ

কাম বন কৰি গ'লগৈ। লক্ষ্মণ কিন্তু নগ'ল। দিগালু কাকাই লৰা সন্তান তুলি থৈ নগ'ল বুলি শ্ৰাদ্ধ পিণ্ড দিয়া নহ'বনে? লক্ষ্মণে ভাবিলে সিয়েই যদি কাকাৰ শ্ৰাদ্ধ পিণ্ড দিয়ে তেনেহ'লে কিবা হানি হব জানো? কথাটো বাইজক কোৱাৰ লগে লগে সকলোৱে হয়ভৰ দিলে। সি নিজৰ লৰাৰ নিচিনাকৈ মূৰত বগা কাপোৰ বান্ধিলে আৰু ব্ৰত পালন কৰিলে। সি দহদিন বাহিৰলৈ যাব নোৱাৰিব, কাৰো হাতেৰে পানী এটোপাও খাব নোৱাৰিব, চকি বেঞ্চত বহিব নোৱাৰিব আৰু ওখ তক্তাত শুব নোৱাৰিব। সেই মতেই সি ব্ৰত পালন কৰিলে।

সন্ধিয়া নিৰামিষ খালে আৰু বস্তা পাৰি তাৰ ওপৰত কাপোৰ পাৰি শুলে।

— x —

১৮

চাওতে চাওতে তিনদিনী পালেহি। সেইদিনা নিমখ পাতত দি তিতা ভাত সকলোৱে খালে। সন্ধিয়াপৰত লক্ষ্মণে মৃতকৰ উদ্দেশ্যে মৰিশালীলৈ যোৱাৰ পথত আহাৰ খাবলৈ থৈ আহিলেগৈ। কিয়নো মৃতকৰ আত্মাই খণ্ডতে শ্মশানৰ পৰা ঘৰলৈ আহোতে বাটতে আহাৰ দেখি ৰংমনে খাই উভতি যাব।

এইদৰে দিগালু কাকাৰ মৃত্যুৰ দহ দিনৰ দিনা লক্ষ্মণে মৃতকৰ কাৰণে শ্মশানত আহাৰ থৈ আহিলগৈ। দহ দিনৰ দিনা দহাঘাট পাতিলে। দিগালু কাকাকে পিতৃ মানি সি মুণ্ডন কৰিলে। ৰাতিলৈ ভোজ ভাতৰ খৰছ অনিলে দিলে। মোহন, বিশ্বহঁতে ভোজৰ সকলো ব্যৱস্থা কৰিলে। দহাৰ দিনাও লক্ষ্মণে পাত এখনত ভাত তৰকাৰী সজাই আগৰ ঠাইতে মৃতকলৈ উছৰ্গা কৰিলে আৰু মৃতকক আহ্বান কৰিলে আৰু সেইদিনাই মৃতকক বিদায় দিলে। সময় আগবাঢ়িল। দহ দিনাৰ দিনা ভোজ ভাত খাই সকলো গ'লগৈ। ঘৰটোত লক্ষ্মণ, মোহন, ৰামবিলাস আৰু নাৰায়ণ কুৰ্মীহঁত থাকিল।

সেই কেইদিন লক্ষ্মণহঁতে লচমিক লৈ বেচি টনা আজোৰা কৰা নাই যদিও অৰূপা কিন্তু লচমিক লৈ সদায় আহি আছে। অৰূপাই সিহঁতক বহুৱাই লৈ গীতা পঢ়ি শুনালে— মানুহৰ মৃত্যু অনিবাৰ্য্য। সেই কাৰণে জ্ঞানীসকলে শোক নকৰে, কিয়নো আত্মাৰ বিনাশ নাই, সি এটা শৰীৰৰ পৰা আন এটা শৰীৰ প্ৰাপ্ত হয় মাথোন। মানুহে পুৰণি কাপোৰ সলাই যেনেকৈ নতুন কাপোৰ

পিণ্ড ঠিক সেইদৰেই আত্মাই জৰা'জীৰ্ণ শৰীৰ এৰি আন শৰীৰত প্ৰবেশ কৰে।

গীতাৰ কথাবোৰ শুনি শুনি সিহঁতৰ মনবোৰ ভাল লাগে। লক্ষ্মণে ভাবিলে দিগালু কাকাৰ শ্ৰাদ্ধ পিণ্ডৰ খৰছ মেনেজাৰে নিদিয়া হ'লে ক'ত আৰু কাকাৰ শ্ৰাদ্ধ হ'লহেঁতেন। অনিলহঁতৰ প্ৰতি তাৰ মনটো কৃতজ্ঞতাৰে ভৰি পৰিল। ইতিপূৰ্ব্বে অৰূপা আৰু লচমিক মোহনে থৈ আহিলেগৈ। বাটে বাটে খোজকাঢ়ি গৈ থাকোতে অৰূপাই সুধিলে— কামবোৰ ভালদৰে হৈ গ'লনে মোহন ?
— হ'ল দিদি। খুউব ভালদৰেই হৈ গ'ল। তাতে আপোনালোকো আহিছে, সকলোৱে খুউব ভাল পাইছে। আপোনালোক নথকা হলে ক'ত আৰু দিগালু কাকাৰ শ্ৰাদ্ধ হ'লহেঁতেন ?
— তেনেকৈ নকবা মোহন। আমি সকলো মানুহ। মানুহে মানুহৰ কাৰণে কষ্ট কৰিবই লাগিব।

সিহঁত গৈ বাংলা পালেগৈ। মোহনক বহিবলৈ দি অৰূপাই সুধিলে— তোমালোকেও এনেকৈয়ে কাজ কৰ্ম্ম কৰানে ?
— নহয় দিদি, বেলেগ জাতিৰ বেলেগ বেলেগ নিয়ম আছে। আমাৰ জাতিৰ নিয়ম অলপ বেলেগ।
— কেনেকুৱা বেলেগ মোহন ?
— আমাৰ জাতিত শটো কাঠ সংস্কাৰ নকৰে।
— তেনেহলে কি কৰে ?
— কাপোৰ এখনেৰে শটো বান্ধি গাঁত খান্দি মাটিত পুতি থয়। কিছুমানে মৃতকৰ মূৰৰ ফালে এচটা শিল পুতি দিয়ে। কিছুমানে আকৌ ছাগলী বলি দি তাৰ তেজ ঢালি দিয়ে।

কিছুমানে লাওপানী ঢালে। যিসকল লোকে শ'টো কাঠ সংস্কাৰ কৰে, সেইসকলে এখন নতুন কাপোৰ ফালি ফালি একোটা গাঠি দিয়ে আৰু প্ৰতিদিনে মৃতকৰ আত্মাৰ কাৰণে পিণ্ড যাচি

একোটা গাঠি খুলি দিয়ে। শেষ গাঠিটো মহাকাজ কৰাৰ দিনা খুলে।

কিছুমানে আকৌ বিশ্বাস কৰে যে যদি শ'টো পুতি থোৱা ভেটিটো চাপৰ হয় তেনেহলে মৃতকৰ আয়ুস নাছিল আৰু যদি ওখ হয় তেনেহলে আয়ুস আছিল বুলি ধৰে। দিদি আৰু এটা ডাঙৰ কথা যে শ কটিয়াই নিয়া চাংখন কিছুমানে জুইত নিদিয়ে। কাৰণ সেই বাঁহেৰে ধেনু-কাড় বনালে নিচান অব্যৰ্থ হয় বুলি আমাৰ জনবিশ্বাস এটা আছে।

— বাৰু মোহন, তোমালোকেতো ভূত-প্ৰেত বিশ্বাস কৰা ?

— কৰো। গৰ্ভৱতী তিৰোতা মৰিলে ভালদৰে যদি শ্ৰাদ্ধ পিণ্ড নকৰে তেনেহলে সিহঁত ভূত-প্ৰেত হয় বুলি আমাৰ মানুহে বিশ্বাস কৰে আৰু ভাত, আঞ্জা যদি এঘৰৰ পৰা আন ঘৰলৈ নিয়ে তেনেহলে থোৱা বস্তুৰ ওপৰত এখিলা পাত দি অঙঠা এটা দিয়াৰ নিয়ম আছে।

— অঁ মোহন আমাৰো সেই নিয়ম। অৰূপাই হাঁহিলে।

— তোমাৰ বাৰু জাতিটো কি ?

— মই জাতিত মুণ্ডা। কিন্তু ইয়াত জাতি বিচাৰ কৰিলে লাভ নাই। কাৰণ বিভিন্ন জাতি, গোষ্ঠীৰ মানুহ আছি অসমত আমি একেলগে আছো। এটা জাতিৰ ৰীতি-নীতি অন্য এটা জাতিৰ ৰীতি-নীতিৰ লগত মিলি গৈছে। সেইহে আমি সকলো মিলি এতিয়া অসমীয়া।

অৰূপাই মোহনৰ কথাত আনন্দ পালে আৰু নিজে গৌৰৱ অনুভৱ কৰিলে।

— মোহন তোমালোক দেখোন ভাৰতবৰ্ষৰে পুৰণি জাতি মানে আদিবাসী। তুমি বাৰু নিজৰ জাতিৰ বিষয়ে জানানে ?

— নাজানো দিদি। জানিবলৈ বা অৱসৰ ক'ত। সেই বিষয়ে একেবাৰেই নাজানো। সি তললৈ মূৰ কৰিলে।

— শুনা মোহন। প্ৰায় চাৰি হাজাৰ বছৰৰ আগতে মুণ্ডাসকল কাম্পুচিয়া আৰু ভিয়েটনামৰ পৰা ব্ৰহ্মদেশেদি ভাৰতবৰ্ষলৈ আহিছিল বুলি জনা যায়। এই মুণ্ডা জাতিৰ মাজত ১২ টা ভাগ আছে।

— ভাগ কেইটাৰ নাম আপুনি জানেনে দিদি ?

— ওঁ জানো। যেনে খাড়িয়া, ওৰাং, মাহলী, ভূমিজ, মান্‌কি মুণ্ডা, ভূইনহাৰ, নাগ বংশী, কংকপট, খাংহাৰ মুণ্ডা ইত্যাদি।

জনজাতিৰ গৱেষক শ্ৰীমাৰ্টিন ওপ্পয়ে মন্তব্য কৰিছে যে মুণ্ডা-সকলৰ ভাষা দক্ষিণ চীনত জন্ম হৈছিল আৰু ভাষাটো অষ্ট্ৰো-এচীয় ভাষাৰ এটা ঠাল বুলি জনা যায়। আৰ্য্যসকল অহাৰ বহু পূৰ্ব্বে ভাৰতবৰ্ষলৈ এওঁলোক আহিছিল। তোমালোকৰ দেৱতাজনৰ নাম কি বাৰু ?

— আমাৰ দেৱতাজনৰ নাম হ'ল 'সিংবোংগাক'। এই দেৱতাই আমাৰ সৃষ্টিকৰ্ত্তা আৰু ত্ৰাণকৰ্ত্তা।

আমাৰতো আৰু জাতি আছে। যেনে চাওঁতাল, ওৰাং, চাওঁৰা, ভূঁইয়া, পাহাৰীয়া, কুৰ্ম্মী, মালপাহাৰীয়া, পৰজা, গৌড়, কন্ধ, বাইনা, খড়িয়া, অসুৰ, কোল, ভীল, সৱৰ, ককৱা, গৰাইত, ভূমিজ, ঘটোৱাল, তেলেগু, মালী, কিষাণ আদি কৰি প্ৰায় এশটামান জাতি আছে আৰু প্ৰত্যেকৰে নিজা সংস্কৃতি, ৰীতি-নীতি, পূজা-পাৰ্ব্বন, সাজ-পোচাক, বাদ্যযন্ত্ৰ, নৃত্যগীত আছে। আজি অসমৰ চাহ বাগিচাৰ সংস্কৃতিয়ে অসমীয়া সংস্কৃতি গঢ় লোৱাত সহায় কৰিছে। নহয় নে দিদি ?

— হয় মোহন কিয় নহয়। সি কিছুসময় মনে মনে থাকিল। তাৰ পিছত ঠিয় হৈ ক'লে— মই যাও দিদি। দেৰি হ'ল।

মোহন গ'লগৈ। মোহন যোৱাৰ ফালে চাই থাকি তাই ভাবিলে বাগানৰ ভিতৰতে কিমান কৃষ্টি, সংস্কৃতি আছে। তাক ভাবিলে আচৰিত লাগে।

অসমৰ সৰ্বপ্ৰধান আৰু সৰ্ববৃহৎ চাহ শিল্পৰ শ্ৰমিক, মজদুৰ

সমাজখনৰ লগত অসমীয়া সমাজখনৰ ঐক্য স্থাপন কৰিবলৈ এতিয়াও বহুত কাম কৰিবলগা আছে। তাই ঠিক হ'ল আৰু গুণগুণাই ভিতৰলৈ সোমাই গ'ল।

আমি অসমীয়া নহওঁ দুখীয়া
কিহৰ দুখীয়া হম
সকলো আছিল সকলো আছে
নুগুনো নলও গম।

— x —

১৯

বিগালু কাকাৰ শ্ৰাদ্ধ পিণ্ড শেষ কৰি লক্ষ্মণে বাগানত কাম কৰিবলৈ গ'ল। কামলৈ গ'ল যদিও তাৰ কামত মন নবহিল। চাহ গছৰ তলত বহি সি চিন্তাত বিভোৰ হ'ল। হঠাতে কিয় জানো তাৰ চুনিয়াৰ কথা মনত পৰিল। সি ব্ৰতত থাকোতে চুনিয়াই তাৰ আলপৈচান ধৰিছিল। তেতিয়া তাৰ ভাবিবলৈ নহ'ল এতিয়াহে তাৰ ভাবিবৰ মন গ'ল উঠন বুকুৰ চুনীয়াজনীৰ কথা। সি বহাৰ পৰা ঠিয় হ'ল আৰু চাৰিওফালে এবাৰ চাই পঠিয়ালে। সঁচাইতো, সৌৱা অলপ দূৰতে তাৰেই চাই চাই চুনিয়াই গীত গাই পাত

তুলি আছে।

পাতা তোলা যেমন তেমন
কোদাল মাৰা টান ৰে
আইনা দেখে খোপা বান্ধে
মাৰে গেন্ধা ফুল ৰে ॥

ইমান ধুনীয়া চুনিয়াজনী তাই যেন তাৰ কোনোবা জনমৰ আপোন আছিল তাৰ এনে ভাব হ'ল। আজিয়েই সি তাইক সুধিব তাই তাক ভাল পায়নে ? তাই তাক ছাদি কৰিব নে ? ধেৎ সি যে কি ভাবিছে। সি কেতিয়াও সুধিব নোৱাৰে। ইমান হিমৎ তাৰ নাই।

সি অকমান সময় তলকা মাৰি থাকি একেচাবে ঠিয় হৈ ভাবিলে— কিয় তাৰ হিমৎ নহব ! সি আজিয়েই সুধিব। সি একেচাতে গৈ চুনিয়াৰ ওচৰ পালেগৈ। লক্ষ্মণক দেখি চুনিয়াই হাঁহি মাৰি খৰকৈ পাত তোলাত লাগিল। তাইৰ লগৰবিলাকে দূৰে দূৰে পাত তুলি আছিল, সি ওচৰ চাপি গ'ল আৰু তাইলৈ চালে। চুনিয়াই তালৈ নোচোৱাকৈ ক'লে— কি চাইছৰে, আমি তোৰ কি কৰিছো।

— নাই কথা চুনিয়া একো কথা নাই, কিন্তু মোৰ মনটো যে বলিয়া কৰিছ।

— ধেৎ তোৰ লাজ চৰম নাই নেকি ?

তাই লাজ কৰি কথাষাৰ কৈ আকৌ পাত তোলাত লাগিল। লক্ষ্মণ এইবাৰ ওচৰলৈ গৈ তৎক্ষণাত সুধি পেলালে— মোলৈ ছাদি হবি ?

— ছাদি ? তাই খিলখিলকৈ হাঁহি দিলে আৰু তাৰ ফালে পিঠি দি পাত চিঙিবলৈ ধৰিলে। লক্ষ্মণে আকৌ সুধিলে নকৱ কিয় ? মোলৈ ছাদি হবিনে নাই ?

— যাহ্ বাবাক সুধিবি মই কি জানো ?

— হয় নেকি ? মই বাৰু তোৰ বাবাক সুধিম। তই বাজি

আছতো ?

তাই হাঁহি মাৰি তাৰ ওচৰৰ পৰা গুচি গ'ল। লক্ষ্মণেও হাতত খন্তিখন তুলি লৈ নতুন পুলিবোৰৰ গুৰিত হোৱা বন তুলিবলৈ গুচি আহিল। বন চিকুনাই থাকোতে সি ভাবিলে সি চুনিয়াক ছাদি কৰিব। এখন নতুন ঘৰ কৰিব। মাকে কিমান ভাল পাব। মাকৰ এজনী লগৰীয়া হব। ডাঙৰ বাংলা নহলে কি হব! মনৰ সুখহে আচল সুখ। সিহঁত গৰীব হ'লেও মন আছে, স্বাস্থ্য আছে, কাম কৰিবলৈ সমর্থ আছে। তেনেহলেনো তাৰ কি অভাৱ। সি মনে মনে চিন্তা কৰিলে— দিদিকটো কথাটো কব লাগিব। ছিঃ কেনেকৈনো কব! লাজ লাগিলেও কবই লাগিব নহলে যে তাৰ দিদিয়ে বেয়া পাব।

সি মূৰ তুলি চাই দেখিলে চুনিয়াহঁতে পাত তুলি বহুদূৰ পাইছেগৈ। পাতবোৰ তুলি সিহঁতে ওজন কৰিব, তাৰ পিছতহে টকা পাব।

সি পশ্চিমলৈ চালে বেলি পৰিবলৈ এতিয়াও বহুত বাকী। সি খৰকৈ কাম কৰিলে। নিয়ম মতে যদিও সিহঁতে ৮ ঘণ্টা আৰু লৰা-ছোৱালীবিলাকে ৪ ঘণ্টাহে কাম কৰিব লাগে কিন্তু কোনো বাগানত সেই নিয়ম পালন নকৰে। বাগানলৈ নতুন মেনেজাৰ আহিছে যদিও সেই নিয়ম সলাব পৰা নাই। সময় আগবাঢ়িল। সি কাম কৰি থাকোতেই মোহন আহি তাৰ ওচৰ পালেহি। মূৰ তুলি চাই লক্ষ্মণে ক'লে—মোহন তই আহিলি বৰ ভাল হ'ল দে।

— কিয় ভাল হ'ল।

— এটা ডাঙৰ কথা আছে মোহন।

— ডাঙৰ কথা কি? মোহনে তালৈ চালে।

— কম বাৰু, কিন্তু এতিয়া নহয়।

লক্ষ্মণে খন্তিখন হাতত লৈ ঠিয় হ'ল।

মোহনে তালৈ চাই ক'লে— সৌৱা কোন আহিছে জানিছনে ?
— অঁ হয়তো ? আমাৰ মেনেজাৰ আৰু লগত দুজন মানুহ।

সিহঁত ঠিয় হৈ থাকোতেই অনিলৰ সৈতে দুজন মানুহ আহি সিহঁতৰ ওচৰ পালেহি। অনিলে হাঁহি মাৰি ক'লে— লক্ষ্মণ তহঁতৰ বাগান চাবলৈ ডিব্ৰুগড়ৰ পৰা এওঁলোক আহিছে। লক্ষ্মণহঁতে নমস্কাৰ জনালে।
— বাৰু তহঁত যা। মই এওঁলোকক বাগান দেখুৱাও। অনিলে ডিব্ৰুগড়ৰ পৰা অহা তাৰ বন্ধু পঙ্কজ চৌধুৰী আৰু মৃত্যুঞ্জয় হুৱৰাক বাগানখন দেখুৱাবলৈ লৈ গ'ল। প্ৰথমে অনিলে নতুন পুলিবোৰৰ কাষলৈ নি সুধিলে— কেনে লাগিছে পঙ্কজ ?
— বঢ়িয়া। খুউব সুন্দৰকৈ পুলিবোৰ উঠিছে। পুলিবোৰে ভাল যত্ন পাইছে যেন লাগিছে।

অনিলে হাঁহি মাৰি ক'লে— যত্নটো পাইছেই তাবো-পৰি এইবোৰ হ'ল T.V. মানে টোকলাই ভেৰাইটি কথাষাৰ কৈ অনিলে গৌৰৱ অনুভৱ কৰিলে। অনিলে পকেটৰ পৰা চিগা-ৰেটৰ পেকেটটো উলিয়াই পঙ্কজলৈ আগবঢ়াই দিলে। মৃত্যুঞ্জয়নে চিগাৰেট নাখায়।

অনিলে চিগাৰেটটো মুখত লৈ জ্বলাই ললে আৰু ধোঁৱাবোৰ ওপৰলৈ এৰি দি ক'লে— জান পঙ্কজ অসমলৈ বাৰু কাৰ চকু নপৰিব।
— কলম কৰা চাহগছৰ সঁচ আমাৰ টোকলাই গৱেষণাৰে আৱিষ্কাৰ আৰু ইয়ে এছিয়া বিখ্যাত হৈ পৰিছে। অসমৰ চাহে চীন আৰু কম্বোদিয়াৰ চাহপাতকো চেৰ পেলাইছে। ইয়াৰ প্ৰধান কাৰণ কি জান ? জলবায়ু। অসমৰ জলবায়ু চাহপাতৰ কাৰণে বৰ উপযোগী। নহয় জানো ?
— হয় অনিল। অসমৰ চাহগছে সম্পূৰ্ণ জলবায়ুৰ ওপৰত নিৰ্ভৰ

কৰি আহিছে। বাৰু কচোন আমাৰ টোকোলাইৰ সঁচ কিমান আছে ?
— ১ পৰা ২৯ লৈ T.V. ভেৰাইটি অৰ্থাৎ টোকোলাই সঁচ পোৱা যায়। তাৰোপৰি তিনি আলি ভেৰাইটি অৰ্থাৎ তিনি আলি চাহ বাগিছাৰ সঁচ গটকা বাগানৰ সঁচ, কেহাং বাগানৰ সঁচ এইবিলাক হ'ল নিজা নিজা বাগানৰ সঁচ, সেইকাৰণে সঁচবিলাকৰ নাম নিজা নিজা বাগানে দি লৈছে।
—গুটিৰ সঁচ ভাল নে ?
—গুটিৰ সঁচো আছে। যিবিলাক বাগানৰ গুটিৰ সঁচ ভাল সেইবোৰ হ'ল ৪৪৯, ৪৬২, ৪৫০, ৩৯৭, ৪৬৪। এইবোৰ গুটিৰ ভাল সঁচ বুলি জনাজাত।
—গুটিৰ পৰা হোৱা গছৰ আয়ুস সাধাৰণতে কিমান ?
—ধৰ ৮০/৯০ বছৰ কিন্তু কলমৰ পুলিৰ বয়স ৪০/৫০ বছৰতকৈ কিছু বেছি। গুটিৰ পৰা যিবোৰ পুলি হয় সেই গছৰ পাত কমকৈ উৎপাদন হয় কিন্তু কলমৰ পুলি ঘনকৈ ৰুব পাৰে আৰু পাত সৰহকৈ পায়। বুজিছ পঙ্কজ—তই যেতিয়া নতুনকৈ চাহ খেতি কৰিব খুজিছ, গতিকে ভাল সঁচৰ চাহ খেতি কৰাই ভাল। তেতিয়া হলে পাত সৰহকৈ পাবি আৰু ওজনো বাঢ়িব। নতুন খেতিয়ক যেতিয়া পাতবোৰতো লোককহে বেছিব লাগিব, নহয় জানো পঙ্কজ।

সেইকাৰণে মই পঙ্কজক লৈ আহিছো, তাক তই ভালকৈ বুজাই দে। টকা কিন্তু পঙ্কজৰ আছে অতি সোনকালে সি কলঘৰ বনাব পাৰিব।
—ধেৎ মৃদু, মাজতে তই নকবিছোন। কতনো মোৰ টকা আছে ? ব্যৱসায় কৰিবলৈ দেউতাই টকা নিদিয়ে।
—কিয় দেউতাৰৰ দেখোন বহুত টকা আছে ?

মৃদুপৱনৰ কথাৰ উত্তৰ দি পঙ্কজে ক'লে—
—দেউতাই কৈছে মহ বোলে প্ৰথমে নিজৰ ভৱিত ঠিয় হব লাগিব,

তাৰ পিছতহে টকা। কিজানি মই টকা লৈ বাগানৰ কাম নকৰি বিলাতী মদৰ নিচাত মগ্ন হওঁ।

-- বাঃ দেউতাৰে ঠিকেই কৈছে। ডেকা ল'ৰাৰ কি বিশ্বাস।

মৃদুপৱনে হাঁহি হাঁহি আকৌ ক'লে— তেনেহলে প্ৰথমতে পৰীক্ষাত পাছ কৰিব লাগিব।

অনিলে সিহঁতৰ কথা শুনি হাঁহি মাৰি ক'লে-- পঙ্কজ, সেই-কাৰণে ভাবি চিন্তি সঁচ সংগ্ৰহ কৰিবি আৰু মাটি ভালদৰে তৈয়াৰ কৰি গুটি পচোৱা পদ্ধতি শিকি লবি।

এটা কথা সদায় মনত ৰাখিবি— পাত যেতিয়া লোকক বিক্ৰী কৰিব লাগিবই, গতিকে ভাল পাত উৎপাদন কৰিবলৈ যত্ন কৰিব লাগিব। উৎপাদন আৰু ওজন সমানে বাঢ়িব লাগিব, কম খৰছত কেনেকৈ ভাল খেতি কৰিব পাৰি তাৰ চিন্তা কৰিব লাগিব।

-- কম খৰছত কেনেকৈ কৰিবি, শ্ৰমিকৰ সমস্যাই দেখোন মূৰ গৰম কৰি দিয়ে। মৃদুপৱনে কথাষাৰ কৈ অনিললৈ চালে।

-- সেইবোৰ থাকিবই। কিন্তু এটা কথা আমি ভালদৰে চিন্তা কৰা উচিত।

-- কি কথা? মৃদুপৱনে অনিললৈ চালে।

-- চা মৃদু তই উঠি অহা ডেকা ল'ৰা। তই যদি মেনেজাৰ হব তেনেহলে শ্ৰমিকসকলৰ মনৰ কথা বুজিবলৈ চেষ্টা কৰিব লাগিব। তেওঁলোকৰ শ্ৰমৰ মূল্য দিয়াটো আমাৰ কৰ্ত্তব্য নহয় জানো?

মৃদুপৱনে অনিলৰ কথা শুনি অবাক হ'ল। কোনো মেনেজাৰে এনে কথা আগতে কোৱা নাই।

মৃদুপৱনে মনে মনে থকা দেখি অনিলে আকৌ ক'লে— বুজিছ চাহখেতি কৰিবলৈ ওলাইছ যেতিয়া সাৱধান, যাতে ডাঙৰ চাহ খেতিয়ক আৰু একচেতিয়া চাহ মালিকসকলৰ বণ্ডা ফিটাৰ মেৰ

পাৰুত নপৰ।

— মানে? মৃত্যুপৱনে সুধিলে।

— মানে ডাঙৰ মালিক আৰু কোম্পানীয়ে সৰু চাহ খেতিয়ক সকলক কিবা অজুহাত দেখুৱাই বিপদত পেলাব পাৰে। যেনে ধৰ পাত যদি নিকিনো বুলি কয় তেনেহলে তোৰ লোকচান হব আৰু তাৰ ফলত খেতিটো মৰি যাব। কিন্তু মই ভাবো যদি অসমৰ ডেকা ল'ৰাই নিষ্ঠাৰে কাম কৰি যায় অৰ্থাৎ মন প্ৰাণ দি চাহ খেতি কৰিবলৈ লয়, তেনেহলে অতি সোনকালেই ৰাজ্য খনৰ অৰ্থনৈতিক দিশটো টনকিয়াল হব আৰু অসমৰ বাঢ়ি অহা নিবনুৱা সমস্যা সমাধান হব।

— তই ভাল কথা কৈছে অনিল। আমাৰ ডেকা ল'ৰাই ইমান টকা ক'ৰ পৰা পাব? যিসকলৰ ধন আছে, সেইসকলে ধন ধাৰলৈ নিদিয়ে।

— সেই কাৰণেই প্ৰথমে সমবায় ভিত্তিত কাম আৰম্ভ কৰিব লাগে। তেতিয়াহলে, চৰকাৰ, টি বৰ্ড, বিত্ত বিভাগ, কৃষি বিশ্ব-বিদ্যালয়, কৃষি বিভাগ, বেঙ্ক আদিয়ে সাহায্য দিবলৈ আগবাঢ়ি আহিব আৰু সৰু চাহ খেতিয়কসকলে সু-সংগঠিতভাবে খেতিটো জীয়াই ৰাখিবলৈ চেষ্টা কৰিব লাগিব আৰু সকলো কাৰিকৰী দিশ অধ্যয়ন কৰি জ্ঞান আহৰণ কৰিব লাগে, তেহে দুখীয়াৰ দুখ গুচিব আৰু অসমৰ বুকুত থকা এই আপুৰুগীয়া সম্পদবোৰৰ মালিক অসমীয়া হব পাৰিব।

কিন্তু অতি আচৰিত কথা যে চৰকাৰে পুঁজিপতিসকলৰ লগত হাত মিলাই কাম কৰিছে, কাৰণ পুঁজিপতিসকলৰ লগত এক হৈ থাকিলে সোনকালেই সদাগৰ হব পাৰিব।

সেই কাৰণেই হয়তো সৰু সৰু চাহ খেতি প্ৰৱৰ্তন কৰি সমাজবাদী আদৰ্শক গঢ় দিয়াটো চৰকাৰে নিবিচাৰে।

সিহঁতে কথা কৈ থাকোতে বেলি ডুবিল আৰু সন্ধ্যা নামি আহিল। অনিলে ক'লে—এতিয়া ঘৰলৈ যাও ব'ল পঙ্কজ, ব'লক বকৰা এতিয়া আৰু একো দেখা নাপাব কালিলৈ আকৌ আহিম। অনিলে চিগাৰেট এটা জ্বলাই ললে আৰু সিহঁতৰ বাংলালৈ লাহে লাহে খোজ দিলে।

—×—

২০

মোহনে বাটত পৈ থাকোতে লক্ষ্মণক সুধিলে—এতিয়া তোৰ কি কথা ক ?

—কি কথা জান মোহন, মই চুনিয়াক ছাদি কৰিব খুজিছো।

—মোহনে তালৈ চাই হাঁহিলে—তেনেহ'লে তই একদম প্রেমত মজি গলি।

—প্রেমত মজিলে কি হব। মই হলো কুৰ্ম্মী, তাৰ বাবাই বা দিয়েনে নিদিয়ে।

—আৰে কিয় নিদিব। আমিতো এতিয়া নিজৰ দেশত নাই। আমাৰ জন্মভূমি, কৰ্ম্মভূমি হ'ল অসম দেশ, গতিকেই আমি অসমীয়া। আমি যদিও বিভিন্ন ঠাইৰ পৰা আহি ইয়াত একেলগ হৈ চাহ

জনজাতি হিচাবে বাস কৰিছো, গতিকে ইয়াত ভাগ ভাগ হব নোৱাৰিব। তই যদি দিগালু কাকাৰ শ্ৰাদ্ধ পিণ্ড কৰিব পাৰ, মুণ্ডন কৰিব পাৰ, তেনেহলে চুনিয়াৰ বাপেকে তোক ছোৱালী নিদিব কিয়? দিগালু কাকাতো জাতত বামুণ আছিল। এতিয়া তই ঘৰলৈ যা মই চুনিয়াৰ বাপেকক কথাটো সুধি তোক খবৰটো দিম।

মোহনে বাহিৰে বাহিৰে গৈ চুনিয়াইঁতৰ ঘৰ পালেগৈ। চুনিয়াৰ মাক-বাপেক আছে যদিও বাগানৰ পতিত মাটিত খেতি কৰিবলৈ সুবিধা পাইছে।

মোহনক দেখি চুনিয়াৰ বাপেকে চিঞৰি সুধিলে— আৰে মোহন, আমাৰ ঘৰলৈ আহিলি দেখোন? কিবা ধৰ্ম্মঘট আছে নেকি? মোহনে হাঁহি মাৰি ক'লে - নাই, নাই ৰামবিলাস কাকা, একো ধৰ্ম্মঘট নাই। আমাৰ বাগানলৈ এইবাৰ ভাল মেনেজাৰ আহিছে, গতিকে ক'ত আৰু ধৰ্ম্মঘট হব। মই তোৰ ওচৰলৈ আন এটা কথাহে আহিছো।

— বহচোন বাৰু, কথাটো পিছতো কৰি।

চুনিয়াৰ মাকে পিৰা এখন তালৈ আগবঢ়াই দি নিজেও পিৰা এখন পাৰি বহি ললে।

মোহনে কওঁ নকওঁ কৈ ক'লে - ৰামবিলাস কাকা, চুনিয়াতো ডাঙৰ হৈছে।

বাপেকে হাঁহি মাৰি ক'লে - অ, ডাঙৰতো হৈছেই।

- পিছে ছাদি দিবিনে নাই?

— কিয় নিদিম? ভাল লৰা পালেহে।

- যদি মই লৰা এটা দিও।

— কোন লৰা অ'? চুনিয়াৰ মাকে সুধিলে।

— লক্ষ্মণ।

চুনিয়াৰ বাপেক ৰামবিলাসে হাঁহিলে। লৰাটো ভালেই, কিন্তু জাতিটো নিমিলে। আমি হলো বামুণ, আমি কি কৰি তালৈ ছাদি দিব যে ?

— তই তেনেকৈ নকবি ৰামবিলাস কাকা। আমি সকলো এক জাতিৰ মানুহ আছো। তই তেনেকৈ ক'লে কেনেকৈ হব ?

— কিয় নহব মোহন। আমি সকলো বেলেগ বেলেগ জাতিৰ মানুহ।

— কিন্তু সকলো জাতি মিলি আমি এক চাহ জনজাতি হৈছো। গতিকে আমি একে জাতি হিচাবে থাকিব লাগে, থাব লাগে। আমি যদি নিজৰ ভিতৰতে ভাগ ভাগ হওঁ তেনেহলে আমাৰ অৱস্থা কি হব ভাবি চাইছনে কাকা ?

চুনিয়াৰ বাপেকে হাতত লৈ থকা বিড়িটোত শেষ হুপা এটা মাৰি দলিয়াই দি ক'লে— চা মোহন, আমাৰতো সকলো গ'ল। জন্মভূমি গ'ল, নিজৰ জিলা গ'ল, নিজৰ বংশ পৰিয়াল গ'ল, এতিয়া জাতিও যাবনে ?

— নহয় কাকা, জাত কেনেকৈ যাব ? আমি এটা মহা শক্তিশালী জাতি গঠন কৰিবলৈহে যত্ন কৰিছো। আমি চাহ জনজাতিসকল বিভিন্ন জাতি, উপজাতি মিলিহে গঠন হৈছো। এই বিভিন্ন জাতি, উপজাতিসকলৰ কম বেছি পৰিমাণে নিজৰ নিজৰ সংস্কৃতি আছে, সকলো জাতিৰ কৃষ্টি সংস্কৃতি মিলাই আমি এক বৃহৎ চাহ জনজাতিৰ সংস্কৃতি গঢ়ি তুলিব লাগিব আৰু এই সংস্কৃতিয়ে অসমীয়া সংস্কৃতিক সমৃদ্ধি কৰিব পাৰিব। গতিকে জাত বিছাৰ নকৰিবি কাকা। আমি এক হব লাগিব।

চুনিয়াৰ বাপেকে একো নামাতিলে। মাকে বাপেকলৈ চাই ক'লে— কিনো জাত বিচাৰ কৰি আছ, কৈ দে দিম বুলি।

চুনিয়াৰ বাপেকে কিছু সময় মনে মনে থাকিল। মাকে

আকৌ ক'লে— কিনো ভাবি আছ কৈ দে। বাপেকে মোহনলৈ চাই ক'লে— এতিয়া তই যা বাক, মই ভাবি চিন্তি কালিলৈ উত্তৰটো দিম।

— মই কিন্তু কালিলৈ বাতিপুৱাতে আহিম। উত্তৰটো কিন্তু পাব লাগিব।

মোহন চুনিয়াহঁতৰ ঘৰৰ পৰা লক্ষ্মণৰ ঘৰ ওলালগৈ। লক্ষ্মণক লগত লৈ সি মদৰ ঘাটিলৈ গ'ল— বাটত সি কৈ গ'ল কালিলৈ সকলো ঠিক হৈ যাব বুজিলি। এতিয়া তই খুৱাব লাগিব।

— ধেৎ তই নাখাও বুলি শপত খাইছিলি নহয়?

— ঐ লক্ষ্মণ, ইমান আনন্দৰ দিনত দাৰু নাখালে কি স্ফুৰ্তি হব? খাবই লাগিব।

অগত্যা এইবাৰ নোৱাৰি লক্ষ্মণে মোহনক মদ খাবলৈ পইচা দিলে। মোহনে হেপাহ পলুৱাই খালে আৰু খাই খাই নাচি নাচি গালে—

বাটা ভৰ ভৰ পান চুকাৰি
খায়ে পকা পান,
তৰ মায়ে বলেছিল যে গৰীন
দিব বেটী দান॥
যাবি যাবি ছুঁড়ী তুই
কি খায়ে যাবি
বাঘে গেল ছাগল ঠেং
সেটা খায়ে যাবি॥

মোহনে গীত গাই গাই আনন্দ কৰিলে যদিও লক্ষ্মণে আনন্দ কৰিব নোৱাৰিলে।

লক্ষ্মণে মোহনৰ হাতত ধৰি ক'লে— আমাৰ মাইক কথাটো

কৰ লাগিছিল নহয় ?

— ব'ল এতিয়া যাওঁ।

মোহনে ধলং পলংকৈ কথাটো কৈ যাবলৈ ওলাল।

লক্ষণে তাৰ হাতত ধৰি ক'লে— নাই, নাই এতিয়া যাব নালাগে। কালিলৈ ৰাতিপুৱা যাবি।

— হব দে লক্ষ্মণ, কালিলৈ ৰাতিপুৱা যাম।

মোহনে আকৌ মদ খালে, নাচিলে, গীত গালে, তাৰ পিছত বেহুচ হৈ মাটিতে লুটি খাই পৰিল।

● ● ●

ৰাতিপুৱাই মোহন গৈ লক্ষণহঁতৰ ঘৰ পালেগৈ। লক্ষণৰ মাক আছে। বয়স হৈছে। মোহনক দেখি বহিবলৈ দি সুধিলে— কিয় আহিলি মোহন ?

— আহিলো তোৰ লৰাৰ ছাদি পাতিবি নে নাই তাকে সুধিবলৈ।

— পাতিব লাগে। পিছে টকা কড়ি নাই কেনেকৈ পাতিবি। তাৰ বাবা থকা হলে কিমান আনন্দ কৰিলেহেঁতেন। আমাক ছোৱালী দিব কোনে ?

— মই ছোৱালী ঠিক কৰিছো।

— তই ? লক্ষণৰ মাকে আচৰিত হৈ সুধিলে।

—কাৰ ছোৱালী ?

—ৰামবিলাস কাকাৰ।

—তই কি কথা কৈছ ? আমি তাৰ ছোৱালী কিয় বিয়া কৰিম ? সিটো জাতত বামুণ আছে।

মোহনে খুউব হাঁহিলে— আকৌ তই ননা হলি। সি ক'লে— শুন মাই, ৰামবিলাসৰ তালৈ মই গৈছিলো, সিও বহুত আপত্তি কৰিছিল। পিছে আচল উত্তৰটো দিবলৈ আজি মোক মাতিছে। ৰামবিলাসে যদি ছোৱালী দিয়ে তই তাইক বোৱাৰী কৰি আনিবিনে ?

লক্ষ্মণৰ মাকে একো উত্তৰ নিদিলে। মোহনে আকৌ ক'লে— চা মাই, ইয়াত জাতি ভেদ কৰি লাভ নাই, আমি সকলো এক হৈ থাকিব লাগে।

বহুত পৰ মনে মনে থকাৰ পিছত লক্ষ্মণৰ মাকে ক'লে— সি যদি পচন্দ কৰিছে আৰু সিহঁতেও যদি দিও বোলে মোৰ আপত্তি নাই।

মোহনে আনন্দতে লক্ষ্মণৰ ডিঙিত ধৰি নাচিবলৈ ধৰিলে। লক্ষ্মণে তাৰ হাতখন ডিঙিৰ পৰা একৱাই দি ক'লে—তই যা এতিয়া আচল খবৰটো আনগৈ।

মোহন গ'লগৈ। লক্ষ্মণৰ মাকেও মূৰত খাংটো লৈ পাত তুলিবলৈ বাগানলৈ ওলাই গ'ল। বাটত যাওঁতে তাই চিন্তা কৰিলে – তেনেহলে সিহঁতৰ চোতালত মাদল বাজিব। আজি যদি লক্ষ্মণৰ বাবা থাকিলহেতেন, কিমান ভাল হ'লহেতেন, কিন্তু বিধতাই নিদিলে। দুদিন হাগনী হৈয়ে মানুহটো মৰিল। না ঔষধ পালে না ডাক্তৰ পালে।

তাই ক'ব নোৱাৰাকৈয়ে বাগানত সোমাল আৰু ক'ব নোৱাৰাকৈয়ে তাই চাহগছৰ পাতত হাত দিলে।

সময়বোৰ খৰ গতিৰে যাবলৈ ধৰিলে। স্কুলত সকলোৰে মৰম আদৰ পাই লচমি পঢ়াশুনাত আগবাঢ়ি গ'ল। অনিল আৰু অৰূপাই লচমিক ডাক্তৰি পঢ়োৱাৰ ইচ্ছা। তাই ডাক্তৰ হলে এখন নাৰ্চিং হোম খুলি দিব য'ত দুখীয়া গৰীবসকলৰ চিকিৎসা হ'ব। সেই কথা ভাবিলে অৰূপাৰ মনটো ভাল লাগি যায়। আজি শনিবাৰ। লচমি স্কুলৰ পৰা সোনকালে আহিল। তাই ফুলনিলৈ সোমাই গ'ল আৰু মালী কাকাৰ ওচৰত গৈ বহি ললে-- গোৱা না মালী কাকা গীত এটা। বহুত দিন তুমি গীত গোৱা নাই'
— আচ্ছা বাবা গাম। মালী কাকাই গাবলৈ আৰম্ভ কৰিলে।

হামাদেৰ লচমি দেখতে ভাল
হাকাঁৰ হুঁকুৰ হঁাসে
আঙুল চুষে চৰ্বত লোটে
ভাকাৰ ভুকুৰ তালে।

গীত শুনি লচমিয়ে খুউব হাঁহিলে। সিহঁতৰ হাঁহি শুনি অৰূপা ওলাই গৈ সুধিলে— মালীকাকা কি হ'ল— খুউব হাঁহিছা দেখোন ?

মালীকাকাই হাঁহি মাৰি ক'লে - আমাৰ ৰাণী বেটীয়াই গীত গাবলৈ দিছে, তাকে গাই গাই হাঁহিছো মাইজী।
— ভাল কৰিছা। তোমালোকৰ গীতবোৰ বৰ ভাল লাগে। অৰূপাই কথা কৈ কৈ ফুলনিখনত সোমাই ক'লে— মালীকাকা বৰ সুন্দৰ ফুলনি কৰাইছা ।

— হয় মাইজী ! আমাৰতো কামেই এইটো ।

— হয় নেকি ? তোমালোকৰ আচল ঘৰ ক'ত আছিল মালীকাকা !

— আমাৰ ঘৰ বিহাৰত আছিল মাইজী । আমি মালাকাৰ নামেৰে পৰিচিত । মন্দিৰত ফুল যোগান দিয়া আমাৰ বৃত্তি আছিল । আমাৰ বোপা-ককাহঁতে আগতে ফুলৰেই ব্যৱসায় কৰিছিল । এতিয়াও দেশত থকাসকলে ফুল দিয়া ব্যৱসায় কৰে, মন্দিৰে মন্দিৰে ফুল দিয়ে, মালা বিক্ৰি কৰি জীৱিকা নিৰ্ব্বাহ কৰে কাৰণে আমাৰ উপাধি মালাকাৰ । আচলতে মালাকাৰ মহাপাত্ৰ । কিন্তু ইয়াত সকলোৱে আমাক মালী বুলি মাতে । আমি বৈশ্য হলেও বামুণ পন্থী কিন্তু কি হব আজি আমি মালী হলেও ইয়াত চাহগছৰহে কাম কৰিব লগা হৈছে মাইজী ।

— কি কৰিবা মালীকাকা চাহগছকো তুমি একোজোপা ফুল বুলিয়েই ধৰিবা । আচলতে কি জানা মালীকাকা পৰিবেশ আৰু পৰিস্থিতিয়ে যেনেকৈ মানুহক চলাই, তেনেকৈয়ে মানুহ চলিব লাগে । তোমাৰ কোন কোন আছে কাকা ?

— মাইকী আছে আৰু লৰা দুটা আছে ।

— সিহঁতে কি কৰে ।

— বাগানৰ কাম কৰে । মইহে আগৰ চাহাবৰ দিনৰে পৰা এই বাগানত ফুলৰ কাম কৰিছো । পিছে বাগানৰ কাম কৰিলেও মাজে মাজে চাহ বাগিচাতো কাম কৰো । যেতিয়া পুলি নতুন ৰোৱা হয় তেতিয়া মোৰ কাম বেছি হয় ।

মালী কাকাই খন্তিখন হাতত লৈ ঠিয় হ'ল— আৰু অৰুপাৰ পৰা বিদায় ললে । অৰুপাই লচমিক ভিতৰলৈ লৈ গ'ল আৰু মুখ-হাত ধুৱাই পঢ়াত বহুৱালে । লচমিয়ে আজি কালি পঢ়াত মন দিছে । তাইক নিজে নিজে পঢ়িবলৈ এৰি দি অৰুপা বাহিৰলৈ ওলাই আহিল । অনিল এতিয়াও অহা নাই । আগতে ইমান দেৰি

নকৰে, সন্ধিয়াৰ লগে লগেই পাইছি।

তাই অলপ সময় বাহিৰত ৰৈ থাকোতেই অনিল আহি পালেহি। অৰূপা আগবাঢ়ি গ'ল।

– কিয় দেৰি হ'ল অনিল ?

—নকবা আৰু মদপানী খাই লাইনত গণ্ডগোল মাৰপিট।

— তাৰ পিছত ?

– তাৰ পিছত আৰু কি হ'ব। মই যোৱা দেখি ঠাণ্ডা হৈ গ'ল। চিন্তা নাই, এইবোৰ বাগানত হৈয়ে থাকে আৰু থাকিবও। পিছে আজি আকৌ মিটিং দিছিলা নহয় কি হ'ল ?

– খুউব ভাল হৈছে। আগতকৈও মানুহ বেছি, হাস্‌নাই খুউব ভাল বক্তৃতা দিছে অনিল।

– হাস্‌নাৰ কথা কৈ তুমি দেখোন পঞ্চমুখ। এদিন মোৰ ওচৰলৈ লৈ আহিবাচোন।

– ধেৎ তোমাৰ ওচৰলৈ আকৌ কিয় আনিম ?

– বাৰু নালাগে আনিব। পিছে আজি কি খালা ?

– বীনা বাইদেউয়ে খুৱালে।

সেইকাৰণেতো সুধিছো। খাবলৈকে গোট খাইছা যেন পাইছো।

—ভেনেকৈ নকবা দেই, আমি কাম আৰম্ভ কৰিছোৱেই। ল'ৰা-ছোৱালী আৰু মাতৃসকলক পৰীক্ষা কৰি ডাক্তৰে ঔষধ দিলেই। এতিয়া অনুষ্ঠানৰ কাৰণে আমাক এটুকুৰা মাটি লাগে। তুমি দিব লাগিব।

— বাপৰে— মাটি ? তাকে তোমাক ?

– মোক নালাগে অনুষ্ঠানটোৰ নামত দিবা।

— মৰিব খুজিছা ? কেতিয়াও নোহোৱা নোপোজা কথা হ'ব পাৰেনে ?

— কিয় নোৱাৰে ? বাগানৰ অত মাটি আছে তাৰে যেনিবা শিশু-সকলৰ কল্যাণৰ কাৰণে এটি ঘৰ বনাম তাতে আপত্তি কি ?

— আপত্তি আছে অৰু, এইয়া মাটি কেৱল চাহগছৰ কাৰণেহে শ্ৰমিকসকলৰ অনুষ্ঠানৰ কাৰণে নহয়। তুমি কি শিশুসকলৰ কল্যাণ কৰিছা ? আমিতো সেইবোৰ কাম কৰিয়েই আছো। বাগানত ডাক্তৰ আছে, ঔষধ দিছে আৰু কি লাগে।

অৰুপাই খুউব জোৰে হাঁহি মাৰি ক'লে— বাঃ বঢ়িয়া যুক্তি দেখুৱাইছা। ডাক্তৰ ৰাখিছা, ঔষধ দিছা আৰু ডাক্তৰৰ অভাৱত ইফালে মানুহ মৰি আছে। তাৰোপৰি ডাক্তৰে শিশুসকলৰ কাৰণে কি কৰিছে ? কি তত্বাৱধান লৈছে ?

— তত্বাৱধান মাক বাপেকে লব ?

— মাক বাপেকে লব নোৱাৰে কাৰণেই আমি লৈছো।

— কিয় নোৱাৰে ? অনিলে খঙেৰে সুধিলে।

— নিজৰ পেটৰ ভাত মোকোলাব নে লৰা-ছোৱালীৰ স্বাস্থ্যৰ কাৰণে চাব ! তোমালোকে লৰা-ছোৱালীবোৰক শিক্ষা দিয়া কিবা ব্যৱস্থা কৰিছানে ?

— কৰিছো। কিয় নাই কৰা ? স্কুল ঘৰ সাজি দিছো।

— স্কুল ঘৰ ? বেৰ বুলিবলৈ নাই, মাষ্টৰ নাই, বহিবলৈ ডেস্ক-বেঞ্চ নাই, সেইয়া স্কুল হ'লনে ? সিহঁতে নপঢ়িলে তোমালোকে ভালেই পোৱা, তেহে বাগানত কাম কৰাব পাৰিবা !

অনিলে হাঁহিলে—তুমিতো ভাল নেতা হব পাৰিবা। বাৰু কৰাচোন তোমালোকে কিমান পাবা চাও। এতিয়া চাহ একাপ দিবানে ? নে লেকচাৰ মাৰি থাকিবা।

অনিলে অৰুপালৈ চালে। তাই খঙতে পাক ঘৰলৈ উঠি গ'ল। যাওতে মুখতে ভোৰ-ভোৰাই গ'ল— মই যোলে লেকচাৰহে মাৰিছো।

— x —

২২

ৰাতিপুৰা লক্ষ্মণে লাজ লাজ কৰি আহি অৰূপাহঁতৰ ঘৰ পালেহি। ৰাতিপুৱাই লক্ষ্মণক দেখি অৰূপাই হাঁহি মাৰি সুধিলে— লক্ষ্মণ কিবা নতুন খবৰ আনিছা নেকি ?

লক্ষ্মণে হাতখন মোহাৰি অৰূপাৰ ওচৰত থিয় হ'ল :

— কি হ'ল নামাতা কিয় ।

— দিদি মই ছাদি কৰিব খুজিছো ।

অৰূপাই জোৰেৰে হাঁহি দিলে-- অ' সেইটো কথা ? ভালহে ছাদি হব লাগে। পিছে কইনাজনী ক'ত পালা ?

— চুনিয়া, আমাৰ চৰ্দাৰ ৰামবিলাসৰ ছোৱালী ।

— পিছে তুমি দেখোন কৈছিলা তোমালোকৰ বোলে বৰ জাতি বিচাৰ আছে ।

— নহয় দিদি, আমাৰ ইয়াত কোনো জাতি নাই। ইয়াত আমাৰ জাতি এটাই ।

— সেইটোনো কি জাতি ?

— অসমীয়া ।

— বাঃ লক্ষ্মণ তুমি মোৰ উপযুক্ত ভাই। ইয়ো এটা ডাঙৰ সংস্কৰণেই লক্ষ্মণ, যি সময়ত মানুহ জোনৰ দেশলৈ উৰা মাৰিছে সেইখিনি সময়ত আমি জাতি বিচাৰ কৰি সমাজখন ভাগ ভাগ কৰিছো। সেইয়া বৰ দুৰ্ভাগ্যজনক লক্ষ্মণ। বাক সেইবোৰ থোৱা এতিয়া বিয়াৰ দিন কেতিয়া ঠিক কৰিছা ।

— নাই দিদি। মাহঁতে কেতিয়া দিন ঠিক কৰে নাজানো ।

— সঁচাকৈ ভাল লাগিছে, আমাৰ ইয়াত বিয়া এখন হব। মাদল বাজিব, কিমান যে আনন্দ হব।

লক্ষ্মণে তললৈ মুখ কৰিলে। অৰূপাই তালৈ চাই ক'লে— বুজিছা লক্ষ্মণ ইতিপূৰ্ব্বে আমাৰ নগাঁৱৰ বহুত বাগানত সন্থা খোলা হৈ গৈছে।

— কোন কোন বাগানত দিদি?

— আমলখী, বুঢ়াপাহাৰ, কেলিডিন, কন্দলী, লুংচুং, শুকানজুৰি, ধানতোলা, আমচৈ, কলিয়াবৰ আদি বাগানত শিশু কল্যাণ আঁচনি খোলা হৈ গ'ল। আজি পিছে আমাৰ বাগানলৈ ডাক্তৰ আকৌ আহিব। লৰা-ছোৱালীবিলাকক মাতি দিবলৈ সৰস্বতীক কৈছিলো।

— ভাল কৰিছে। সৰস্বতী বহুত ভাল ছোৱালী। তাই ভালদৰে দায়িত্ব পালন কৰিব পাৰিব। আজি নিশ্চয় লৰা-ছোৱালী গোট খাব।

— যদি গোট খায় ভাল হব। স্বাস্থ্য পৰীক্ষা কৰাৰ লগতে আমি পঢ়া-শুনা কৰাৰ আঁচনি এখনো লৈছো। আমি সকলোৱে শিক্ষা গ্ৰহণ কৰা বা শিক্ষা দান কৰাৰ এক বিশেষ পৰিবেশ লাগে।

— কিন্তু দিদি আমাৰ লৰা-ছোৱালীবিলাকে পঢ়িবলৈ নাহে।

— তাৰ কাৰণ আছে লক্ষ্মণ! চাহ শ্ৰমিকসকলৰ লৰা-ছোৱালী আগবাঢ়ি নহাৰ কাৰণ হ'ল বাগানৰ পৰিবেশ। যি ঠাইত থাকি মাক-বাপেকে মাত্ৰ পেটৰ ভাত মুঠিৰ চিন্তা কৰি থাকিব লাগে সেই ঠাইত সেই মাক-বাপেকে ল'ৰা-ছোৱালীৰ শিক্ষাৰ কথা কেনেকৈ চিন্তা কৰিব। আজিও তোমালোক শোষিত নিষ্পেষিত হৈ থাকিব লগা হৈছে। আৰ্থিক দিশত আজি চাহ শ্ৰমিকসকল জৰ্জ্জৰিত। আগৰ দিনত চাহ শ্ৰমিকসকলক শিক্ষা দিক্ষা দিয়াৰ ক্ষেত্ৰত কোনো গুৰুত্ব দিয়া নাছিল। বৰ্ত্তমান সময়ত কিছু পৰিবৰ্ত্তন হৈছে যদিও বিশেষ একো লাভ হোৱা নাই।

— আপুনি ঠিকেই কৈছে দিদি। এতিয়াও কোনো পৰিবৰ্ত্তন হোৱা

নাই।

— লক্ষ্মণ শুনা আগতে চাহাববিলাকে নিজৰ স্বাৰ্থৰ কাৰণেহে কাম কৰিছিল, কিন্তু চাহ শ্ৰমিকসকলৰ কাৰণে কোনো কাম কৰা নাছিল। সিহঁতে নিজৰ ধৰ্ম্ম প্ৰচাৰ কৰিবৰ কাৰণেহে বাগানত স্কুলবোৰ খুলিছিল। যিসকলে ধৰ্ম্ম গ্ৰহণ কৰিলে সেই সকলক সুবিধা দিছিল। সুবিধা পোৱাৰ কাৰণেই বহুতে খৃষ্টধৰ্ম্ম গ্ৰহণ কৰিছিল। প্ৰথমতে স্কুলবিলাকত বঙালী ভাষা চলিছিল, এতিয়াও পুৰণি বাগানবিলাকত বহুতে বঙালী ভাষাকেই কয়। ১৯৫৮ চনৰ পৰাহে বাগানত অসমীয়া ভাষা প্ৰচলন হয়। কিন্তু অতি পৰিতাপৰ বিষয় যে প্ৰায়বোৰ বাগানতে আজিও ভাল অসমীয়া কব নোৱাৰে, লেখিব নোৱাৰে তাৰ কাৰণ কি জানানে লক্ষ্মণ ?

— কি দিদি ?

— তাৰ কাৰণ হ'ল সেই সময়ত অসমীয়া মানুহখিনিয়ে শ্ৰমিক সকলক আপোন কৰি লব নোৱাৰিলে। জাত পাতৰ বিচাৰ কৰি চাহ জনজাতিসকলক অসমীয়া সমাজখনৰ পৰা বহু আতৰত ৰাখিছিল। কিন্তু অসমৰ বুকুতে থাকি অসমৰ হকে কাম কৰি, অসমৰ মাটিতে ফচল ফুলাই, সেউজীয়া চাহপাতত কেঁচা তেজ ঢালি অসমৰ অমূল্য সম্পদ যে এই চাহ শ্ৰমিকসকলেই জীয়াই ৰাখিলে আজি দেৰিকৈ হলেও অসমীয়া সমাজখনে বুজি পাইছে, উপলব্ধি কৰিছে যে তোমালোক আমাৰে কুটুম। তোমালোকে অসমৰ মাটিত যি সোণ কমাইছা সেই সোণ অসমীয়া মানুহে বুটলিব জনা নাই।

লক্ষ্মণে কথাবোৰ মনোযোগেৰে শুনিলে। সি অল্পপালে চাই সুধিলে—দিদি সিদিনা যে আমাৰ ল'ৰা-ছোৱালীবিলাকক ডাক্তৰে পৰীক্ষা কৰিছিল কি পালে ?

— কি পাব আৰু, ডাক্তৰে বেছিভাগ শিশু আৰু মাতৃৰ তেজহীনতা বেমাৰ পালে।

— মানে কি দিদি ?

— মানে পুষ্টিকৰ খাদ্যৰ অভাৱত শৰীৰত তেজ কম। প্ৰায়বোৰ ল'ৰা-ছোৱালীৰে লিভাৰ বেয়া, তাৰোপৰি প্ৰায়বোৰ ল'ৰা-ছোৱালীৰে কাহ আৰু চৰ্দি। ইয়াৰ কাৰণ হ'ল, থকা ঠাই জেকা আৰু সেমেকা, অস্বাস্থ্যকৰ পৰিবেশ আৰু প্ৰয়োজনীয় কাপোৰৰ অভাৱ। আমি চেষ্টা কৰিছো তোমালোকৰ অভাৱ পূৰণ কৰিবলৈ।

লক্ষ্মণৰ চকু দুটা উজ্জল হ'ল আৰু মুখত হাঁহি বিৰিঙিছিল। লক্ষ্মণৰ মুখত প্ৰসন্নতাৰ হাঁহি দেখি অৰূপাই ক'লে— জানা লক্ষ্মণ মানুহে কৰিব নোৱাৰা কাম একো নাই। আমাৰ অনুষ্ঠানটোৰ মাত্ৰ একেটাই লক্ষ্য যাতে বাগানৰ ল'ৰা-ছোৱালী, মাতৃ সকলোৰে স্বাস্থ্যৰ উন্নতি হয়। কথা কৈ কৈ অৰূপা ঠিয় হ'ল আৰু ৰগৰ কৰি ক'লে— পিছে তুমি দুনিয়াৰ লগত কথা বতৰা পাতিছানে নাই ?

— দিদি নাই নাই, একো কথা পতা নাই।

সি লাজতে অৰূপাৰ পৰা বিদায় ল'লে আৰু বাগানৰ ফালে গুচি গ'ল।

অৰূপাই সি যোৱাৰ ফালে চাই হাঁহিলে মাত্ৰ।

— ✕

২৩

সময় আগবাঢ়িল। ভাত খাই উঠি সিহঁত বিছনাত পৰিল। লচমিক মাজত লৈ সিহঁতে কিমান যে কল্পনা নকৰে! কল্পনা কৰি কৰি মূৰত হাত বুলাই দিওতে তাই টোপনি গ'ল। অনিলখো টোপনি আহিছিল। অৰূপাই কিন্তু টোপনি যোৱা নাছিল। মূৰত চৰাইয়ে বিনাইছিল, ওচৰৰ কোনোবা গছত পখীয়ে খৰখৰাইছিল। অৰূপাই চকুমেলি থাকোতেই লাহে লাহে চকু জাপ গৈছিল আৰু চকুৰ আগত দেখিছিল এজনী চাওতালী গাভৰু। অৰূপাই চিঞৰি দিছিল ফুলমতি! ফুলমতি! অনিলে চকমক খাই সাৰ পাইছিল আৰু সিয়ো চিঞৰি দিছিল কি হ'ল অৰূপা? কি হ'ল? লচমিয়েও সাৰ পাই মাকক সাবটি ধৰি কান্দিছিল— মা, মা।

অৰূপাই লচমিক শুৱাই দি কৈছিল— একো হোৱা নাই লচমি মোৰ সোণজনী, তুমি টোপনি যোৱা। লচমিয়ে অৰূপাৰ বুকুত সোমাই টোপনি গৈছিল। অৰূপাই এইবাৰ অনিলৰ গাত ধৰি হেচুকি দি কৈছিল— সোৱা ফুলমতি।

— ক'তা ফুলমতি? সেইয়া তোমাৰ ভ্ৰম।

— মই যে তাইক সঁচাকৈয়ে দেখিছো।

— দেখিলে কি হব? তাই কেতিয়াবাই ইহসংসাৰৰ পৰা বিদায় ল'লে।

— বিদায় ল'লে কিয়? অনিল কোৱানা?

অনিল বিছনাৰ পৰা উঠি আহিল আৰু টেবুলত থকা পানী গিলাচ খাই চিগাৰেট এটা জ্বলাই ললে। সি জানিছিল ফুলমতিৰ

কথা এতিয়া অৰূপাক নকলেই নহ'ব। গতিকে সি আৰম্ভ কৰিলে — বগা চাহাবে দিনে ৰাতিয়ে ফুলমতিক বলাৎকাৰ কৰি, তাইৰ কেঁচা তেজ শুহি শুহি শেষ কৰিছিল। তাৰ পিছত এদিন তাই চাহাবক পেটটো দেখুৱাই দি কৈছিল— তাৰ সন্তান তাইৰ পেটত স্থিতি হৈছে।

কথাটো গম পাই চাহাবে খন্তেক একো নাইকীয়া হৈছিল আৰু চুলিকোচাত খাপ মাৰি ধৰি বগৰাই পেলাই জোতাৰে গোৰ মাৰি কৈছিল— চুপ, এই কথা যাতে কোনেও নাজানে। যদি কোনোবাই জানে তোক মই গুলিয়াই মাৰিম আৰু শুন তই বাচ্ছাটো নষ্ট কৰিব লাগিব এই বাংলাতে বুজিলি আৰু অতি সোনকালে। এতিয়া কাম কৰ।

ফুলমতিয়ে চকুৰে ধোৱা দেখিছিল যদিও তাই তৎক্ষণাত প্ৰতিজ্ঞা কৰিছিল যে তাইৰ পেটৰ সন্তানটো কেতিয়াও নষ্ট নকৰে। কেতিয়াও নকৰে। চাহাবে যদি মাৰি পেলায় পেলাব। এই ঘটনা ঘটাৰ দুদিনমানৰ পিছতে ফুলমতি বাংলালৈ গৈ দেখিলেগৈ এটা কোঠালিত সা-সৰঞ্জামেৰে এগৰাকী নাৰ্চ। তাইৰ সন্তান নষ্ট কৰিবলৈ আহিছে।

সেই সময়তে চাহাব আহি তাইক কোঠালিটোৰ ভিতৰলৈ ঠেলা মাৰি সোমোৱাই দিলে আৰু বাহিৰৰ পৰা তলা বন্ধ কৰি দি গুচি গ'ল। ফুলমতিয়ে একো ভাবিব নোৱাৰিলে। তাই থৰ্ থৰ্কৈ কঁপিছিল আৰু নাৰ্চ গৰাকীৰ ভৰিত ধৰি হুকহুকাই কান্দি কান্দি সকলো বৃত্তান্ত কৈ বাচ্ছাটো নষ্ট নকৰিবলৈ অনুৰোধ কৰিলে। নাৰ্চ গৰাকী মৰমীয়াল আছিল। মাতৃ হৈ তাই চাহাবৰ এনে কুকৰ্ম্ম কেতিয়াও সমৰ্থন কৰিব নোৱাৰে। ফুলমতি যদি তাইৰে সন্তান হ'লহেঁতেন তেনেহলে তাই এই ভ্ৰূণ নষ্ট কৰিবলৈ দিলে হেঁতেন নে? নাই, তাই এনে কাম কেতিয়াও নকৰে। তাই

ফুলমতিক তুলি ধৰিলে আৰু ক'লে— মই বাৰু তোমাৰ সন্তান নষ্ট নকৰো কিন্তু আন এটা বুদ্ধি কৰি তোমাক আন বাগানলৈ চালান দিয়াৰ ব্যৱস্থা কৰি দিম। তেতিয়াহলে তুমি মুক্তি পাবা নাৰ্চ গৰাকীয়ে বস্তুবোৰ সামৰিলে আৰু গাড়ীত উঠি গুচি গ'ল। বাবৰ সময়ত তাইৰ কোৱাৰ্টাৰলৈ চাহাবক মাতি গ'ল।

অলপ সময়ৰ পিছতেই চাহাব তাইৰ কোৱাৰ্টাৰ পালেহি। চাহাবক বহিবলৈ দি নাৰ্চ গৰাকীয়ে ক'লে— মই ফুলমতিৰ সন্তান নষ্ট কৰিব নোৱাৰিলো। কাৰণ ইতিপূৰ্ব্বে তাইৰ পাঁচ মাহ পাৰ হৈ গ'ল আৰু মই এনে কাম কৰিব নোৱাৰিম। আপুনি যদি আত্মসম্মানলৈ ভয় কৰে তেনেহলে আন বাগানলৈ তাইক চালান দিয়ক।

চাহাব নাৰ্চৰ কোৱাৰ্টাৰৰ পৰা ওলাই আহিল। গোটেই দিনটো চাহাবে অস্থিৰ হৈ কটালে। ৰাতিও চাহাব মেনেজাৰ টোপনি নগ'ল। এসপ্তাহমানৰ ভিতৰতে চাহাবে বাগানৰ এটা শ্ৰমিকৰ দল উত্তৰ কাছাৰ জিলালৈ পঠাবলৈ ব্যৱস্থা কৰিলে।

এই খবৰ পাই অজয় কুৰ্ম্মীয়ে চাহাবক বহুত কাকুতি মিনতি কৰি কৈছিল, চাহাব ফুলমতিক তই নপঠাবি চাহাব, ভনীৰ সলনি তই মোকে পঠাই দে। কিন্তু চাহাবে তাৰ কথা নুশুনিলে। আন আন শ্ৰমিকৰ লগত এদিন ফুলমতিকো জাহাজত তুলি দিলে। অজয় কুৰ্ম্মীয়ে পাৰৰ পৰা চিঞৰি চিঞৰি ক'লে— যা ফুলমতি তই তাতে ৰামচৰণক বিছাৰিবি।

অজয়ে চকু পানী টুকিছিল একমাত্ৰ ভনী হেৰুৱাৰ বেদনাত। কিন্তু সি নাজানিছিল ফুলমতিৰ গৰ্ভত যে চাহাবৰ সন্তানে ঠিতি লৈছে। যদি সি জানিলেহেতেন, তেতিয়া হয়তো চাহাবৰ তেজেৰে অজয় কুৰ্ম্মীৰ হাত ৰঙা হ'লহেতেন। হয়তোবা চাহাবৰ হাতৰ বন্দুকৰ গুলীৰে অজয়ৰ বুকু ভেদি গ'লহেতেন কোনে জানে। সেই

ভাবিয়েই ফুলমতিয়ে তাইৰ জীৱনৰ এই বিভৎস কাহিনী অজয়ৰ কুৰ্মীক নকলে।

জাহাজ আগবাঢ়িছিল। লুইতৰ বুকুত জাহাজৰ এচুকত বহি ফুলমতিয়ে আকৌ কান্দিছিল। তাইৰ লগত অহা সীতা দেৱীয়ে তাইক বুজাই শান্তনা দিছিল কিন্তু ফুলমতিয়ে সেই বুজনিলৈ কাণসাৰ কৰা নাছিল। তাই কান্দি কান্দি জাহাজতে বমি কৰিছিল আৰু একোটা সময়ত বেহুচ হৈ পৰিছিল।

এইদৰেই সিহঁত গৈ আমিন গাওঁ পাইছিলগৈ। তাৰ পিছত সিহঁতক নি কাছাৰ উপত্যকাৰ এটা ডিপুত হাঁহৰ গৰালৰ দৰে এটা কোঠালিত একেলগে ৰাখিছিল। কিছুদিনৰ পিছত ভাগ ভাগ কৰি সিহঁতক বেলেগ বেলেগ বাগানলৈ পঠাইছিল।

অনিলৰ টোপনি ধৰিছিল। সি বহাৰ পৰা উঠি আহি লচমিৰ বুকুত সাৱটি ধৰিলে আৰু টোপনি গ'ল। অৰূপায়ো তাক আৰু আমনি নকৰিলে।

— × —

২৪

চুনিয়াৰ কথা ভাবি ভাবি লক্ষ্মণৰ মনটো ভাল লাগিল। সি তাৰ গাত কিবা এটা নতুন পুলকতা অনুভৱ কৰিলে। সি গৈ চাহগছৰ কাষ পালেগৈ। প্ৰতিজোপা চাহগছৰ পাতবোৰ সি হাতেৰে লিৰিকি বিদাৰি চাই অৰূপাৰ কথাবোৰ মনত পেলাবলৈ চেষ্টা কৰিলে। সঁচাকৈয়ে সিহঁত এটা নিৰ্যাতিত জাতি। আজিলৈকে কাগজে কলমে বহুত লিখা লিখি হৈছে যদিও সিহঁতৰ কিন্তু খুউব বেছি একো উপকাৰ হোৱা নাই। আগৰ নিয়মেই প্ৰায়বোৰ বাগানতে চলি আছে। দিদিয়ে তাক কৈছিল, অতীততে বেমাৰী শ্ৰমিকেও কাম কৰিব লাগিছিল। এদিন ক্ষতি কৰিলে দেওবাৰে কাম কৰি ক্ষতি পূৰণ কৰিব লাগিছিল। দুদিন ক্ষতি কৰিলে আটাইকেইটা দেওবাৰে কাম কৰি দিব লাগিছিল, বাগিচাৰ কাম বন্ধ থাকিলে, বেচনো বন্ধ হৈ গৈছিল। তাৰোপৰি যিসকল শ্ৰমিকে পতিত মাটিত ধান খেতি কৰিছিল সেইসকলেও হাজিৰা পোৱা নাছিল। খেতি কৰা বাবদ খাজানাহে দিব লগা হৈছিল।

সেইসময়ত বোলে শ্ৰমিকৰ বেচন হিচাবে ৬ সেৰকৈ নিকৃষ্ট ধৰণৰ চাউল দিছিল। কাম ক্ষতি কৰিলে বেচন নাপাইছিল। ১৮৬৫ চনত পুৰুষ বনুৱাই ৫ টকা, তিৰোতা বনুৱাই ৪ টকা, লৰা-ছোৱালী ৩ টকা হিচাবে মাহিলী দৰমহা পাইছিল। কিছুমান বাগানত আকৌ পুৰুষে মাহে তিনি টকা আৰু মহিলা শ্ৰমিকে ডেৰ টকা পাইছিল। কোনো কোনো বাগানত কোনোবা মাহত মাত্ৰ ১১ অনা ৯ পাই পাইছিল। ১৮৬৫ চনৰ পৰা ১৯১০ চনলৈকে এই

সুদীৰ্ঘ সময়চোৰাত মাহিলী দৰমহা একেই আছিল । দিদিয়ে কোৱামতে ১৯১১ চনতহে মজুৰীৰ কিছু সালসলনি হৈছিল। সাল সলনিমতে বেচন বোনাছ সকলোমিলি পুৰুষ শ্ৰমিকৰ মজুৰী আছিল ৫ টকা ১১ অনা, আৰু মহিলা শ্ৰমিকসকলৰ মজুৰী আছিল ৫ টকা ১ অনা, ৬ পাই ।

এয়ে সিহঁতৰ জাতিটোৰ ইতিহাস। বন জঙ্গল ভাঙি হাড়ক মাটি তেজক পানী কৰি সিহঁতৰ পূৰ্ব্ব পুৰুষসকলে যি সেউজীয়া চাহ গছৰ জন্ম দি গ'ল সেই শ্ৰমিকসকলৰ প্ৰতি আজি কোনো স্মৃতি-চাৰণ নাই যদিও বৰ্ত্তমানে হাজাৰ হাজাৰ শ্ৰমিকৰ বুকুৱেদি নিগৰী ওলোৱা ঝুমাই গীতৰ সুৰৰ মাজেদি সিহঁতৰ স্মৃতি সদায় সেউজ সেৰিয়া হৈয়ে আছে। সি কোৰখন ধনাই মাৰিলে কাৰণ মেনেজাৰে নতুন বাগান বনাবলৈ সিহঁতক মাটি ভঙা কামত লগাইছে। সি মাটিত কোৰখন মাৰি মাৰি গালে—

কিহেৰে চাহ গছ তেজী হল
মাংৰা ভাই
কৰা দেউতাৰ হাড়েৰে ৰে -
কিহেৰে চাহৰ ৰং ৰঙা হ'ল
বুধুৱা ভাই
গিৰমিটিয়া তেজৰ ৰঙেৰে
আৱাজ উঠে ৰে ॥

হঠাতে তাৰ চকুপানী দুধাৰি বৈ গ'ল। হায়-হায়, এইদৰেই সিহঁতক বগা চাহাব মেনেজাৰসকলে ঘৰচীয়া জন্তুৰ দৰে খটুৱাইছিল। ইমান খাটিও শ্ৰমিকসকলে ঠিকমতে হাজিৰা পোৱা নাছিল। সেই কাৰণে ১৮৪৮ আৰু ১৮৫৯ চনত অসম কোম্পানীৰ শ্ৰমিক সকলে ধৰ্ম্মঘট আৰু ঘেৰাও কাৰ্য্যসূচী হাতত লৈছিল। কিন্তু আজি? আজিও সিহঁতে হাজিৰাৰ কাৰণে আন্দোলন কৰিব

লগা হৈছে।

সি আকৌ কোৰখন মাৰি মাৰি মাটি চহাই আগবাঢ়ি গ'ল। চাহগছৰ পুলি কৰৰ হলে মাটি ভালকৈ চাহ হ'ব লাগিব, সাৰ দিব লাগিব। পানী বৰৰ কাৰণে মাজে মাজে নলা খান্দি দিব লাগিব।

কাম কৰোতে কৰোতে সন্ধিয়া লাগিল। সি কাম সামৰি মূৰত গামোচাখন বান্ধি কলঘৰৰ পিনে আগবাঢ়িল। কলঘৰৰ বাবুয়ে তাক দেখি ইতিকিংৰ সুৰত ক'লে — কিয় লক্ষ্মণ আজি দেখোন বৰ স্ফূৰ্ত্তি, এৰা, তোৰ স্ফূৰ্ত্তি হবই বজাই ভাল পায় যাক ভেটিও নালাগে তাক। তাৰ মানে কি জান লক্ষ্মণ — বজাই যেতিয়া তোক ভাল পাইছে আৰু কিহৰ চিন্তা। লক্ষ্মণে একো নামাতিলে। কাৰণ সি জানে—

কথাই কথা বাঢ়ে খড়কাই বাঢ়ে কাণ
মায়েৰ ঘৰে বেটী বাঢ়ে
খেতে বাঢ়ে ধান।

সি নমতা দেখি কলঘৰ বাবুৰ খং উঠিল। সি খঙেৰে ক'লে— ঐ একো নামাত দেখোন। মুখত চামোৰে পালে নেকি, নে বাহাদুৰি হ'ল? পিছে তোৰ দহ দিনৰ ছুটি কৰ পৰা পালি। তই পালেতো নহব। আমি সকলোৱে পাব লাগিব। ওচৰতে থকা হৰিচৰণলৈ চাই দেহিবামে সুধিলে— হয়নে নহয় হৰিচৰণ?
— হয়! হয়! কিয় নহয়? আমাৰ কোনোবা মৰিলেও দহদিন চুটি দিব লাগিব।
— নিদিয়ে অ' দেহিবাম নিদিয়ে।

দেহিবামে একো নুবুজি হৰিচৰণলৈ চালে। লক্ষ্মণে ভাবিলে, এইকথাই কথা নহয়। সি এইবোৰ কথা তাৰ মেনেজাৰক কবগৈ। নহলে এইবোৰ আহফলা কথাই বাগানৰ শান্তি ভঙ্গ কৰিব পাৰে। সি একেচাতে মেনেজাৰৰ ওচৰ পালেগৈ আৰু হৰিচৰণৰ কথা কলেগৈ। অনিলে খঙেৰে ক'লে— বুজিছ লক্ষ্মণ এইবোৰ মানুহৰ

পৰাই যত গণ্ডগোল। বাক তই যা।

ওচৰতে বৈ থকা ভূঞাই অনিললৈ চালে খঙেৰে ভৰা মুখখন দেখি ভূঞাই সুধিলে— কি হ'ল চহৰীয়া?

—কি হব আৰু? ইয়াত কৰো বুলিও একো ভাল কাম কৰিব নোৱাৰি। মই যে লক্ষ্মণক দুইদিন ছুটি দিলো, তাতে বোলে কল-ঘৰ বাবু দেহিৰামে নানান কথাকৈ হৰিচৰণক লগাইছে।

— তাৰ মানে তাকো ছুটি লাগে।

অনিলে ক'লে— দিম নহয়। তাক কোনে নিদিও বুলি কৈছে। জানেনে ভূঞা, শ্ৰমিকসকলৰ কাৰণে কাম কৰিলে আমাৰ কিছুমানে আকৌ বেয়া পায়।

—বুজিছে চহৰীয়া, এইবোৰেই হ'ল দেশ আৰু জাতিৰ শত্ৰু।

অনিলৰ খুউব খং উঠিল আৰু পিয়ন চণ্ডিৰামক কলঘৰ বাবুক মাতি আনিবলৈ নিৰ্দেশ দিলে।

চণ্ডিৰাম তৎক্ষণাতে কলঘৰ পালেগৈ আৰু কলঘৰ বাবুক মেনেজাৰে মাতিছে বুলি লগতে লৈ আহিল।

অনিলে খঙেৰে দেহিৰামক সুধিলে— তুমি হৰিচৰণক কিয় উচটাইছা? জানানে ইয়াৰ ফল কি হ'ব পাৰে? আৰু এটা কথা শুনি লোৱা— তুমি নিজে যিমান কাম কৰা, তাতোকৈ শ্ৰমিকৰ হতুৱাই বেছি কাম কৰাইছা। মোৰ সকলো জনা আছে। সিহঁতো তোমাৰ নিচিনা মানুহহে তুমি সিহঁতৰ ওপৰত পশুৰ দৰে অত্যাচাৰ কৰাৰ কোনো অধিকাৰ নাই। সিহঁতৰ লগত মিলিবলৈ চেষ্টা কৰিবা। যদি আকৌ এইদৰে বিভেদ সৃষ্টি কৰিবলৈ চেষ্টা কৰাৰ খবৰ পাও, তেনেহলে জানিবা তোমাৰ আৰু চাকৰী নাথাকিব। আৰু এটা কথা তোমাৰ ঘৰত বাগানৰ মানুহক কামত খটুৱাইছা হয়নে?

— হয় চাৰ।

— বাগানৰ শ্ৰমিকসকল বাগানৰ কামৰ কাৰণে বুজিলা। তোমাৰ ঘৰত কাম কৰিবলৈ আমি ৰখা নাই। কাৰ হুকুমত তুমি ঘৰুৱা কামত শ্ৰমিকসকলক খটুৱাইছা। আজিৰ পৰা কোনো বাগানৰ শ্ৰমিকক ঘৰুৱা কামত খটুৱাব নোৱাৰিবা বুজিলা?

—হয় চাৰ।

—এতিয়া যোৱা।

দেখিবামে অনিললৈ চাই ক'লে— চাৰ ক্ষমা কৰিব। এনে কাম আৰু মই নকৰো।

—যোৱা।

দেখিবাম গ'লগৈ। অনিলে অফিচলৈ সোমাই গ'ল আৰু কামত মন দিলে।

● ● ●

নিশা অনিল ঘৰলৈ আহি অৰূপাক মাতি ক'লে— বুজিছা অৰূপা আজি কালি ভাল কাম কৰিম বুলিও কৰিব নোৱাৰি।

—কিয় অনিল? তাই আচৰিত হৈ সুধিলে।

— কিছুমান হিংসাকুৰিয়া মানুহৰ কাৰণে। আচৰিত কথা কি জানা? সেইবোৰ আমাৰে মানুহ। চোৱাচোৱা বাৰু দেখিবাম খইকীয়াই বাগানৰ মানুহক উচটাইছে মই বোলে লম্বাক দহ দিনৰ ছুটী দিলো, আনক বোলে নিদিও।

—কাৰোবাৰ আপোন মানুহ মৰিলে ছুটীতো দিবই লাগিব, সেই-টোনো এটা কথানে?

—আগতে এইবোৰ ছুটীৰ ব্যৱস্থা নাছিল। দেখিবামে ভাবিছে,

আজিও সেই চাহাবৰ দিনেই চলি আছে।
—পিছে দেহিৰামক মাতি আনি সাৱধান কৰি দিলানে নাই।
—অঁ মাতি আনি সাৱধান কৰি দিছো! আৰু তাৰ ঘৰত এজনীৰ পাছত এজনীকৈ মহিলা শ্ৰমিকক নি কাম কৰাই আছিল তাকো আজিৰ পৰা বন্ধ কৰি দিলো।
—ভাল কৰিছা। যদি কাম কৰা মানুহ লাগে তেনেহলে আন মানুহক বিছাৰি লওক।
—এইবোৰ চাহাবৰ দিনৰে পৰা চলি আহিছে, তাকে যদি শুদ্ধ কৰিবলৈ যাও তেনেহলে মালিকৰ চকুত আমি হও বেয়া।

অনিলে কথা কৈ কৈ চকিখনত বহি ললে আৰু জোতা মোজা জোৰ খুলি মাটিত উদং ভৰিখন দি কিছুসময় ব'ল। অৰূপাৰ খং উঠিছিল। অৰূপাই অনিলৈলে চাই ক'লে - সেই বুলি তুমি ভয় কৰিলে হবনে? যিথিনি মানুহে আমাৰ অসময় চাহ গছৰ লগত নিজৰ প্ৰাণ বিলীন কৰি দিছে, নিজৰ সুখ-দুখ হাঁহি-কান্দোনক চাহ গছৰ লগত মিলাই দিছে, সেইবোৰ মানুহৰ কাৰণে আমি কিবা নহয় কিবা কৰিবই লাগিব বুজিছা, আজি এমাহে বাগান বিলাকত ঘুৰি ঘুৰি মহিলাবিলাকক লগ ধৰিলো আৰু তেওঁলোকক বুজাই দিছো যে বাগানৰ মহিলা আৰু শিশুসকলৰ কল্যাণৰ কাৰণে কাম কৰি যাম। চাহ কোম্পানীৰ যেতিয়া বহুত টকা আছে তেনেহলে শিশুৰ কল্যাণমূলক আঁচনি কিয় গ্ৰহণ কৰিব নোৱাৰিব।
— বেছ কৰিছা অৰূপা। মানুহে কৰিব নোৱাৰা কাম একো নাই মাত্ৰ লাগে একাগ্ৰতা।

● ● ●

সিহঁত ভাত খাই বিচনাত উঠিল। অনিলৰ আজি টোপনি

ধৰা নাই। বেছি খং উঠিলে অনিলৰ টোপনি নহয়। সেইহে অনিলে আজি নিজেই আৰম্ভ কৰিলে ফুলমতিৰ কাহিনী।

ভাগ্যৰ কি পৰিহাস। পেটত চাহাবৰ কেচুৱা লৈ ফুলমতি যিখন বাগান পালেগৈ তাৰ নাম শিলচৰৰ ঝিৰঘাট। অনুসন্ধান কৰি ফুলমতিয়ে জানিব পাৰিছিল যে, সেইখন বাগানতে ৰামচৰণ, সুখদা আৰু প্ৰিয়া আছিল। ৰামচৰণে সেই বাগানতে সুখদাক বিয়া কৰাইছিল। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে তাই আহি পোৱাৰ তিনি মাহৰ আগতে তেওঁ পুৰৰ কোনো এখন বাগানলৈ সিহঁতক চালান দিলে। সেই খবৰ পাই ফুলমতিয়ে হাতৰ মুকুতামনি হাতুতে হেৰুৱা বেদনাত হিয়া ধাকুৰি কান্দিছিল। কিন্তু দিন পুৰণি হোৱাৰ লগে লগে ফুলমতিয়ে মন বান্ধিছিল কাৰণ পেটৰ সন্তানটোৰ কাৰণেই তাই জীয়াই থাকিব লাগিব। অৱশেষত ৰামচৰণেও ঠগিলে। তাইৰ কাৰণে সি অকণো বাট নাচালে। সকলো পুৰুষেই একেই নেকি বাৰু? তাই আৰু বেছি ভাবিব নোৱাৰিলে। তাই মাত্ৰ ভাবিলে পেটৰ সন্তান-টোৱেই হব তাইৰ জীয়াই থকাৰ সম্বল মাত্ৰ। ফুলমতিয়ে মনত সাহস গোটালে আৰু এটা এটাকৈ দিনবোৰ গণি গণি মাহবোৰ পাৰ কৰিলে। এটা সময়ত অকমানি বাহৰ চালিৰ তলত তাই এটি কন্যা সন্তান প্ৰসৱ কৰিলে। মনৰ বল, ক্ৰোধ আৰু ক্ষোভৰ তাড়ণাত তাই সোনকালেই উঠি বহিল। তাই ভাবিলে তাইৰ সন্তানক তাই ডাঙৰ কৰিব লাগিব, ডাঙৰ মানুহ বনাব লাগিব। অকণমানি শিশুটিৰ কোমল মুখখনি দেখি তাই পাহৰি পেলালে এটা কুখ্যাত অতীত। ধুনীয়া ধৌ ধৌ কৈ বগা ছোৱালীজনীৰ নাম বাগানৰ মানুহে ৰাখিলে চন্দ্ৰিকা।

কণ কণকৈ বাঢ়ি আহি চন্দ্ৰিকা এদিন ডাঙৰ হ'ল। তাই হাঁহিলে, কান্দিলে, আঠুকাঢ়িলে তাৰ পিছত খোজ কাঢ়ি মাকৰ পিছে পিছে বাগানলৈ যাব পৰা হ'ল। তাইৰ লগত ব্যস্ত হৈ থাকি ফুলমতিয়ে গমকে নাপালে সময়বোৰ কেনি পাৰ হৈ গুছি গ'ল।

২৫

চাওতে চাওতে লক্ষ্মণৰ বিয়াৰ কথা এক প্ৰকাৰ ঠিক হ'ল। ঠিক হ'লেইতো নহ'ব লক্ষ্মণৰ ঘৰৰ পৰা ছোৱালী খুজিবলৈ মানুহ যাব লাগিব।

চুনিয়াৰ বাপেক ৰামবিলাসক আগতেই খবৰ দিয়া হৈছিল। লক্ষ্মণৰ বাপেক নাই গতিকেই মোহনৰ বাপেকেই লক্ষ্মণৰ পিতৃ ৰূপে সকলো কামৰ দায়িত্ব ল'লে। মোহনৰ বাপেকৰ নাম হৰিসিং। হৰিসিঙে মূৰত পাগুৰী মাৰিলে, আঠুলৈকে চুৰিয়া পিন্ধিলে, পুৰণি জোতাযোৰ ভালকৈ মচিকুচি পিন্ধি লৈ লগত দুজনমান মানুহ লৈ ছোৱালী খুজিবলৈ বুলি ৰামবিলাসৰ ঘৰলৈ যাত্ৰা কৰিলে। ৰামবিলাস বাগানৰ বাহিৰত গাৱঁত থাকে। তেওঁৰ উপৰি পুৰুষসকল বৃটিছৰ দিনতে আহি বাগানত কাম কৰাৰ উপৰিও ওচৰত থকা পতিত মাটিত ধান খেতি কৰিছিল। তেনেকৈয়ে শ্ৰমিকসকলৰ এখন গাওঁ হৈছিল। সেইখন গাৱঁলৈকে হৰিসিঙহঁতে যাত্ৰা আৰম্ভ কৰিলে।

সিহঁত গৈ চুনিয়াহঁতৰ পদূলীমুখ পালেগৈ। দবাৰ ঘৰৰ মানুহ পদূলীমুখত দেখা পাই ৰামবিলাস আগবাঢ়ি আহি ভিতৰলৈ আদৰি নিলে। ছোৱালী ঘৰৰ লোকে ঘটিত পানী দি কাঁহৰ থালিত ভৰি ধোৱালে আৰু সন্মান কৰি সেৱা কৰিলে। 'জলঘটি' দিয়াৰ পাছত তেওঁলোকক ভিতৰত কঠ পাৰি বহুৱালে আৰু কাঁহৰ বঁটাত তামোল পান দি আদৰ সম্ভাষণ জনাই হাতযোৰ কৰি সুধিলে -

আপোনালোকনো কি সকামত আহিল ?

— আমি আহিছো আপোনাৰ ছোৱালীটি বিচাৰি। আমাৰ ল'ৰা

লক্ষ্মণলৈ আপোনাৰ ছোৱালী বিবাহ কৰিব খোজো।
— এৰা সেইদিনা লক্ষ্মণৰ বন্ধু মোহন আহি কৈ গৈছে।
— হয়, হয় মোহন মোৰে ল'ৰা। লক্ষ্মণৰ বাবা নাই গতিকেই ময়ে তাৰ বাবা হৈ আছিছো।
— বৰ ভাল কৰিছে। আমি ইয়াত সকলোৱে মিলিজুলি এক জনগোষ্ঠী হৈ থাকিব লাগিব।

চুনিয়াৰ বাপেকৰ কথাত হৰিসিঙে সন্তোষ প্ৰকাশ কৰি ক'লে— আমিও সেই একে কথাকে চিন্তা কৰি আপোনাৰ ছোৱালীটি বিছাৰি আহিছো। পিছে আপোনাৰ সম্মতি আছে নে নাই।
— কিনো কম। ছোৱালী হলে দিবই লাগিব আৰু তাতে যেতিয়া লৰা-ছোৱালীয়ে মন কৰিছে আমি হকাবধা কৰি কিবা লাভ আছে জানো?

বেৰত কাণ দি বাপেকৰ কথা শুনি থকা চুনিয়াই একে-জাপে গৈ মাকৰ ডিঙিত সাবটি ধৰিলে।
— কি হ'ল অ'— এনেধৰন কৰিছ কিয়?
— মা, বাবাই মত দিলে।
— অঁ মই কৈছো নহয় বাপেৰে মত দিবই। চাও এৰি দেচোন মই ওলাই যাও আৰু খাবলৈ মাতি আনোগৈ। চুনিয়াৰ মাক ওলাই গ'ল আৰু হাতজোৰ কৰি সকলোকে জলপান খাবলৈ ভিতৰলৈ মাতিলেগৈ— আপোনালোকে জলপান খাবলৈ ভিতৰলৈ আহিব লাগে।

সকলো ভিতৰলৈ উঠি গ'ল আৰু চুনিয়াৰ মাকে আথে বেথে কঠত বহিবলৈ দি জলপানৰ বাটি আগবঢ়াই দিলে।

আটাইকেইজনে হাঁহি হাঁহি জলপান খাবলৈ আৰম্ভ কৰিলে।

চুনিয়াই চাহৰ জুহালত বহি কেট্‌লিত পানী তুলি দিলে।

তাইৰ গাটো কেনেকুৱা লাগিছে তাই নিজেই কব নোৱাৰিলে। তাইৰ মনটো উজনী ভাটী কৰিলে, তাই মনে মনে লক্ষ্মণলৈ মনত পেলালে। সি বাৰু এতিয়া কি কৰিছে! তাৰ মনটো কেনেকুৱা লাগিছে? তাই মনে মনে হাঁহিলে।

খোৱাবোৱা হলত ৰামবিলাসে ক'লে- আপোনালোক আজি নিশা থাকিব লাগিব।

— এৰা কথা বতৰা যেতিয়া ঠিক হলেই নিশাটো থাকিব লাগিব। কাৰণ আমাৰতো "ৰাইত ঘূমা" নিয়ম আছে।

- সেই কাৰণে আপোনালোকে নিশাটো থাকক। কালিলৈ মই ওচৰ চুবুৰীয়াক মাতি সকলো ঠিক কৰিম।

ৰামবিলাসৰ কথাত হৰিসিঙে ভাল পালে আৰু সন্তোষ মনেৰে ক'লে— বাৰু হব তেনেহলে।

"ৰাইত ঘূমা"ৰ কথা শুনি চুনিয়াই আনন্দতে কব নোৱাৰা হ'ল। কাৰণ ৰাতি থকা মানেই বিয়া ঠিক হোৱা।

নিশা আহিল। ৰামবিলাসে নিশালৈ বজাৰ কৰি আনিলে। মুৰ্গী আনিলে, মদ আনিলে আৰু সকলোৱে আনন্দ স্ফুৰ্ত্তি কৰি খাই বই বহু ৰাতিলৈকে কথা বতৰা পাতি থাকিল। মাকে তাইক বুকুত সাৱটি ধৰি উচুপি উঠিল— তেনেহলে তাইৰ ছোৱালী চুনিয়া এইখন ঘৰৰ পৰা চিৰদিনৰ কাৰণে ওলাই যাব। তাইৰ জীৱটো লোকৰ হাতত অৰ্পি দিব। মাকৰ উচুপনি শুনি চুনিয়াইও উচুপি উঠিল। তাইৰ চকুপানীয়ে মাকৰ উদং বুকু তিতি গ'ল। তাইক বুকুত সাৱটি ধৰি এসময়ত মাক টোপনি গ'ল। চুনিয়া কিন্তু টোপনি নগ'ল। গভীৰ নিজম নিশা তাই ভাবিলে, তেনেহলে সঁচাকৈয়ে তাইৰ কেঁচা যৌৱনটো লক্ষ্মণক দি দিব, কিমান দিনৰ পৰা তাই যে তাৰ কথা ভাবি আছিল— কিন্তু কি আচৰিত তাই নোকোৱাকৈয়ে সি তাইৰ মনৰ কথা বাৰু কেনেকৈ জানিলে? তাইৰ

গোটেই কথাটো সপোন যেন লাগিল। তাই টোপনি যাবলৈ চেষ্টা কৰিলে আৰু জোৰকৈ চকুহুটা মুদি দিলে।

সময় পাৰ হ'ল। কাহিলি কাহিলি পোহৰ হওতেই তাই সাৰ পালে আৰু হাতত সাৰে ভৰিত সাৰে তাই গৈ দেখে আগ-ফালৰ কোঠালিটোত আটাইবোৰ শুই আছে। তাই ফিৰি আহিল আৰু পাছফালৰ সৰু দুৱাৰখন খুলি বাহিৰলৈ ওলাই গ'ল। তাই চাৰিওফালে চালে। বাৰিষাৰ বতৰত মাটিৰ কোমল গোন্ধ লৈ নিজম আকাশখনৰ ফালে চাই ভাবিলে, কেইদিন মানৰ পিছত তাই লক্ষ্মণৰ চোতালৰ পৰা এখন বেলেগ আকাশ চাবলৈ পাব। সেই-খন আকাশ হয়তো ইয়াতকৈ গাঢ়নীলা আৰু প্ৰেমেৰে ভৰপূৰ এখন বহল আকাশ। তাইৰ হাঁহি উঠি গ'ল আৰু জপিয়াই জপিয়াই গৈ পিৰালীৰ পৰা বাহৰ বাঢ়নিদাল ললে আৰু চোতালখন সাৰিবলৈ ধৰিলে।

তাই চোতাল সাৰি থাকোঁতেই বাপেক উঠি আহি তাইলৈ চাই ভাবিলে— কেইদিনমানৰ পিছত এইখন চোতাল কোনে সাৰিব? ৰামবিলাসৰ বুকুখন বিষাই গ'ল। ছোৱালী উলিয়াই দিয়াৰ যন্ত্ৰনা বাপেকে বাৰু কেনেকৈ সহ্য কৰিব তাৰ চকুহুটা পুৰিলে। আৰু সাউতকৈ চোতালৰ পৰা আঁতৰি মাকৰ ওচৰ পালেহি— তই কি কৰিছ? মানুহ দেখোন আহিবৰ হলেই। সোনকাল কৰহঁত। চুনিয়াৰ মাকক কথাখিনি কৈ ৰামবিলাস গাৰঁৰ ফালে আকৌ ওলাই গ'ল।

চুনিয়াৰ মাক আৰু চুনিয়াই খৰধৰ কৰিলে। সিহঁতক সহায় কৰিবলৈ ওচৰৰ মধুমতিও আহিল। মধুমতি তাইৰ লগৰী। তাই আহি চোতালখন মচি-কুচি কৰি পাৰি দিলে। যথা সময়ত ওচৰ চুবুৰীয়া আহি চোতালত উপস্থিত হ'লহি। ৰামবিলাসে আটাই-কেইজনকে আথে-বেথে বহিবলৈ দিলে

সকলোৰে বহি লৈ দৰাঘৰৰ মানুহৰ লগত চিনা পৰিচয় হ'ল আৰু বিয়াৰ বিষয়ে আলোচনা হ'ল। মুখিয়ালসকলে ভাল পালে আৰু শুভ কাম সোনকালে হ'ব লাগে বুলি মত প্ৰকাশ কৰিলে। বাইজৰ মাজৰে এজনে ক'লে— বিয়াৰ কথা খাটাং হ'ল যেতিয়া "গুৱাভঙা" হ'ব লাগে। হৰিসিঙে ক'লে— হয়, হয়, হ'ব লাগে। কথামতেই দুয়োপক্ষৰ মুখীয়ালসকলৰ গামোছাত তামোল পান বান্ধি বাইজলৈ আগবঢ়াই সন্মতি প্ৰকাশ কৰি "গুৱাভঙা" কৰিলে আৰু আঙুঠি পিন্ধোৱাৰ দিন এটা ঠিক কৰি বাইজ আনন্দ মনে ঘৰলৈ উভতিল।

মধুমতিয়ে ভিতৰতে একান্তমনে চিন্তা কৰি বৈ থকা চুনিয়াৰ গালখনত চিকুট মাৰি দি ক'লে— হেই কি চিন্তা কৰি আছ? চিন্তা নকৰিবি দে লক্ষ্মণক পাবলৈ আৰু বেছি দিন নাই।

—যাহ্ এইজনী।

চুনিয়াই লাজতে তাইক খেলা মাৰি ভিতৰলৈ সোমাই আইনাখনৰ ওচৰত ৰ'লগৈ। বেৰত আৰি থোৱা সৰু আইনাখনত মুখখন চাই তাইৰ লাজ লাগি গ'ল। তাইৰ ভেনেহলে বিয়া হ'বৰ বয়স হ'ল। তাইৰ হঠাতে লাজ লাগি গ'ল আৰু দুয়োখন হাতেৰে নিজৰ মুখখনকে হেচা মাৰি ধৰিলে।

— x —

২৬

লচমি গাভক হ'ল। সময়বোৰ খৰ গতিৰে কোনকালে পাৰ হৈ গ'ল অৰুণাই গমেই নাপালে। লচমিৰ চুলিখিনি বাঢ়ি দি তাই ভাবিলে ইমান সোনকালে লচমি ডাঙৰ হৈ আহিল। তাইৰ মুখৰ ফালে ঘূৰাই লৈ অৰুণাই হেপাহ পলুৱাই চালে। টনা টনা চেলাউৰি, গোল গোল চকু, কোমল গাল, সুঠাম গাৰ গঠন।

— কি চাইছা মা ?

— তোমাক সোণজনী তোমাক। মাকে তাইক সাৱটি ধৰিলে— তুমি ভালকৈ পঢ়া দেই সোণজনী, মেট্ৰিকত ভালকৈ পাছ কৰিলেহে ডাক্তৰি পঢ়িব পাৰিবা।

লচমিয়ে অৰুণাৰ বুকুত সোমাই ক'লে— ভালকৈ পঢ়িম মা ভালকৈ পঢ়িম, মই ডাক্তৰ হমেই।

— হেৰা তাইক উলিয়াই দিয়া। মই সেই ফালেই যাম তাইক স্কুলত নমাই থৈ যাম।

অনিলৰ কথা শুনি অৰুণাই লৰালৰিকৈ তাইক উলিয়াই দিলে আৰু পিঠিত বেগটো দি বাৰন্দালৈ ওলাই আহিল।

অনিলে গাড়ী ষ্টাৰ্ট দিলে। লচমি দৌৰ মাৰি গৈ গাড়ীত উঠিল গৈ। অনিলে ষ্টেৰিঙত ধৰি ক'লে— তুমি চিন্তা নকৰিবা মহে তাইক লৈ আহিম। অ' তোমাৰ কাগজখন টেবুলতে থৈছো, পঢ়ি লবা। এতিয়া যাও। সিহঁত গ'লগৈ। লচমিয়ে মাকলৈ চাই হাত জোকাৰী দিলে। গাড়ী বাগানৰ ভিতৰেদি গৈ চকুৰ আঁৰ হ'ল। অৰুণা ভিতৰলৈ সোমাই আহি টেবুলৰ পৰা

কাগজখন তুলি ললে। তাই অনিলক নজনা কথাবোৰ সুধি থাকে দেখি অনিলে লিখি দি গৈছে। তাই চকিখনত বহি পঢ়িবলৈ ধৰোতেই মনেশ্বৰে আহি কলেহি— বাইদেউ আপোনাক বিচাৰি বীনা বাইদেউহঁত আহিছে।

অৰূপা এক প্ৰকাৰ দৌৰি যোৱাদি গৈ দেখিলে অকল বীনা বাইদেউয়েই নহয় হাস্‌না আৰু সৰস্বতীও আহিছে। হাস্‌নাই হাঁহি মাৰি ক'লে— কি হ'ল আমাক দেখি আচৰিত হ'ল নেকি ?

— নাই নাই কিয় আচৰিত হম, কিমান যে ভাল পাইছো। আহক আহক বহকহি। বীনা বাইদেউ ভালনে ?

— ভাল নহলেনো দেখা পোৱা নে ? ভাবিলো অলপ আলোচনাকে কৰোগৈ।

— ভাল কৰিলে বাইদেউ। বব মই চাহৰ কথা কৈ আহো।

অৰূপা ভিতৰলৈ গ'ল আৰু মনেশ্বৰক লুচি ভাজি বনাবলৈ কৈ আহি আকৌ তেওঁলোকৰ লগতে বহিলহি।

বীনা বাইদেউয়ে ক'লে— আমিতো নগাঁৱৰ বাগানবিলাকত কাম কৰা প্ৰায় শেষ হৈছে। এতিয়া বাহিৰত কৰিব লাগে। বাহিৰত মানে নগাঁৱৰ বাহিৰৰ বাগানবোৰত যাব লাগে আৰু সেইবোৰ চাবলৈ যাওতে আমি ভালদৰে কথাবোৰ জানিব লাগিব। কালি কি হ'ল জানা আমাৰ তেখেতে সুধিলে বোলে তোমালোকে যে সভা খুলিছা আগতেতো বহুত সভা, সংঘ খোলা হৈছিল, সেইবোৰৰ কথা জানা জানো ? মইতো নাজানো। কিন্তু নাজানো বুলি কবলৈকো লাজ লাগিল। গতিকে উচাত মাৰিয়েই ক'লো থওঁক থওঁক, আগৰ সংঘবোৰে যি কৰিলে কৰিলে, ভাল কাম কৰা হলে আজি এনে অৱস্থা হয়নে ?

—তাৰ পিছত ? অৰূপাই হাঁহিলে।

— তাৰ পিছত আৰু কি কব ? মাছৰ টেঙা আঞ্জা আছিল লৰা-

লৰিকৈ খাই শুলেগৈ।

হাস্‌নাই হাঁহি হাঁহি বাগৰি পৰিল। বীনা বাইদেউৰ ভাল বুদ্ধি দেই। পিছে আমি সেইবোৰ জানিবই লাগিব।

অৰূপাই ক'লে— ময়ো নাজানো, সেইকাৰণে মই এওঁক সুধোতে লিখি দি থৈ গৈছে, সেইখন পঢ়িবলৈ ধৰোতেই আপোনা-লোক আহিল।

—তেনেহলে আনক, আনক! পঢ়ি শুনি লওঁ।

বীনা বাইদেউয়ে কথা কিটা কৈ চকিখনত হেলান দি বহিল ৰব, ৰব। হাস্‌নাই ক'লে— মই জনামতে ১৯৪৮-৪৯ চনৰ ভিতৰতে মুঠ ১৬ টা সংঘ গঠন কৰা হৈছিল।

—কি, কি জানানে? বীনাবাইদেউয়ে একেচাবে চকিখনৰ পৰা পোন হৈ বহিল।

হাস্‌নাই হাঁহি মাৰি ক'লে— ৰব মোৰো মনত নাথাকে নহয় সেইকাৰণে কাগজ এটুকুৰাত লিখি আনিছো। তাই হাতখন বাওঁহাতৰ ব্লাউজৰ তললৈ সুমুৱাই দিলে আৰু কাগজ এখন উলিয়াই আনি ভাজটো মোকোলাই পঢ়ি গ'ল— সেই কেইটা সংঘ হ'ল - শিলচৰৰ টি এমপ্লয়ইজ ইউনিয়ন, চিনামৰা বাগানৰ অসম চাহ কৰ্ম্মচাৰী সংঘ, নাজিৰাৰ অসম চাহ কোম্পানী, গোলাঘাট জিলা চাহ মজদুৰ সংঘ, চুবমা ভেলি এছোচিয়েচন, তেজপুৰ জিলা মজদুৰ সংঘ, পানীতোলা চাহবাগান চাহ মজদুৰ সংঘ, নাকছাৰী চাহবাগান মজদুৰ সংঘ, তিতাবৰ ধলা চাহবাগান মজদুৰ সংঘ, কঠালগুৰি ৰূপাজুলি টি ষ্টেট মজদুৰ ইউনিয়ন, বিন্দুগুৰি, দিচৈ চাহবাগান বনুৱা সংঘ, ডালিম খনিকৰ চাহবাগান মজদুৰ সংঘ।

—বাপ্‌ৰে বাপ্‌। ইমানবোৰ মোৰ হলে মনত নাথাকে দেই। মগজটো বুঢ়াহৈ গ'ল। বীনাবাইদেউয়ে আকৌ হাঁ হাঁ কৈ হাঁহি দিলে। বীনাবাইদেউৰ হাঁহিত ঘৰটো জনজনাই গ'ল। সেইখিনি

সময়তে মনেশ্বৰে লুচি ভাজি দিবলৈ আহি সিয়ো হাঁহি দিলে।

বীনাবাইদেউয়ে ক'লে— মনেশ্বৰ তয়ো হাঁহিছিলি, হাঁহ দে বোপাই, জীৱনটো হাঁহাৰ বাবেই।

— বাইদেউ আপুনি কিন্তু বৰ সুখী দেই!

— কিয় ?

— ইমান হাঁহিব পাৰে ?

— অঁ সেইটো কথা। কি কৰিবা হাস্না আগতে মায়ে মোক এই হাঁহাৰ কাৰণে কিমান গালি দিলে, তথাপিও এৰিব নোৱাৰিলো।

—ভালহে কিয় এৰিব। আপুনি আমাকো হাঁহিবলৈ শিকাইছে। এতিয়া চাহ খাওঁক। অৰূপাই লুচি-ভাজিৰ প্লেটখন বীনা বাইদেউলৈ আগবঢ়াই দিলে।

লুচি এখনত ভাজি অলপ লৈ সৰস্বতীয়ে সুধিলে— বাক বাইদেউ ইমানবোৰ সংঘ খোলা হৈছিল যদিও কিবা কাম হৈছিল জানো ?

— নাই, একো কাম হোৱা নাছিল। সংঘ খুলিলেই জানো কাম হয়। কাম কৰিবলৈ উপযুক্ত কৰ্মী লাগিব বুজিলা ? বাইদেউয়ে চাহ এঢোক গিলি সৰস্বতীক কথাখিনি কৈ অৰূপালৈ চালে— তোমাৰ কাগজত কি লিখা আছে পঢ়াছোন ?

অৰূপাই কাগজখন মেলি লৈ বীনালৈ চালে।

— অঁ পঢ়ি যোৱা। বীনাই লুচিখন খাবলৈ ধৰিলে।

১৯৪৬ চনত শ্ৰীবিজয় চন্দ্ৰ ভাগৱতী সভাপতি আৰু ৰবীন কাকতিক সম্পাদক হিচাবে লৈ এটা Tea labour cell গঠন কৰা হৈছিল, তাৰ পিছত এখন শ্ৰমিক সন্মিলন পতা হয় আৰু তাতে চাহ মজদুৰ সংঘ খোলা হয়। ১৯৪৭ চনৰ ৯ ফেব্ৰুৱাৰী তাৰিখে অসম চাহ কৰ্ম্মচাৰী সংঘ, ১৯৪৭ চনৰ ৩ মে তাৰিখে ৰাষ্ট্ৰীয় মজদুৰ কংগ্ৰেছৰ (INTUC) জন্ম হয়। তাৰ পিছতহে চুৰ্মা উপত্যকাত

শ্ৰমিক ইউনিয়ন গঠন কৰা হয়।

— দিদি, আমাৰ এজন নেতা সেইসময়ত আছিল নাম আছিল উমাকান্ত কুৰ্মী ;

— হয়, হয় সৰস্বতী সেই উমাকান্ত কুৰ্মীৰ নেতৃত্বত উত্তৰ অসম চাহ কৰ্মী সন্থাৰ জন্ম হৈছিল।

— সেইটোৱেই হাগৈ সৰল সংগঠন আছিল নহয়নে ?

—বাইদেউ আমি বৰ ভালকৈ নাজানো। আজি কালি ল'ৰাবিলাকে কোৱা শুনিছো। সৰস্বতীয়ে ক'লে।

— হয় সৰস্বতী। সেইটোৱেই সৰল সংগঠন আছিল। তাৰে ২১টা শাখাও আছিল। ৰবা মই পঢ়ি দিছো। অৰূপাই আকৌ হাতত থকা কাগজখন পঢ়ি দিলে। ২১টা শাখা যেনে— ডিক্ৰুগড়, পানীতোলা, ডুমডুমা, মাৰ্ঘেৰিটা, টিংৰাই, নাহৰকটীয়া, উঃ লক্ষীমপুৰ, মৰাণ, সোনাৰী, নাজিৰা, যোৰহাট, গোলাঘাট, নগাঁও, কামৰূপ, তেজপুৰ, বিশ্বনাথ, বিহালী, বৰচলা, মঙ্গলদৈ, বোকাখাট, গোলাঘাট।

— কিবা লাভ হৈছিলনে ? অৰূপাই গহীনাই সুধিলে।

— হৈছিল বাইদেউ। কিছু বোনাচ পাইছিল যদিও নিৰ্ধাৰিত হাৰত কোনো বোনাচ পোৱা নাছিল। মালিকসকল নিজৰ মৰ্জিৰ ওপৰতহে বোনাচ দিছিল। ১৯৫২ চনত ভাৰত চৰকাৰে যি ভবিষ্য নিধিৰ আঁচনি তৈয়াৰ কৰিছিল তাৰ পৰা চাহ শ্ৰমিকসকলক বাদ দি ৰখা হৈছিল। এইবাৰ বীনা বাইদেউৱে মাত লগালে।

— কিন্তু স্বৰ্গীয় অমিয় কুমাৰ দাসৰ অশেষ চেষ্টাৰ ফলত ভাৰত চৰকাৰে ১৯৫৫ চনৰ ২২ চেপ্তেম্বৰত চাহ শ্ৰমিকসকলৰ কাৰণে বিধান আঁচনি আৰম্ভ কৰা হৈছিল সেয়ে আছিল ভাৰতবৰ্ষৰ ভিতৰতে বৃহত্তৰ আঁচনি।

— বাহ বীনা বাইদেউৱে দেখোন জানেই ?

— কিয় জানো জানা ? আমাৰ এও পেঞ্চন পাবৰ হৈছেহি নহয়।

হাস্‌নাইঁতে বীনা বাইদেউৰ কথাত নাহাঁহি নোৱাৰিলে।
— কিয় হাঁহিছা হাস্‌না আৰু শুনা ?
— ১৯৬৭ চনৰ পৰা শ্ৰমিকসকলৰ পেঞ্চন আঁচনি খোলা হয়। এই আঁচনি মতে ২৫ বা ততোধিক বয়সৰ পৰা ভবিষ্য নিধিৰ সভ্য হব পাৰিব আৰু কিবা কাৰণত যদি শ্ৰমিকসকলে কাম এৰি দিয়ে তেনেহলে জমা ধনৰ ওপৰত বৰ্ধিত হাৰত বোনাচ দিয়াৰ নিয়ম কৰে।
— বাৰু ব'ৰচোন বীনা বাইদেউ, যদি কোনোবা শ্ৰমিক কাম কৰি থকা অৱস্থাত মৃত্যু মুখত পৰে তেতিয়া ?
— ১৯৭২ চনৰ পৰিয়াল পেঞ্চন আঁচনি মতে যদি কোনো শ্ৰমিক কাম কৰি থকা অৱস্থাত মৃত্যু হয় তেনেহলে এহেজাৰ টকা সেই শ্ৰমিকক এক কালিন সাহায্য দিব আৰু মাহে ৪০ টকাকৈ পৰিয়াল পেঞ্চন পাব।
— বীনা বাইদেউয়ে এনেয়ে নাজানো বুলি কয়, সেইয়া দেখোন ইমানবোৰ কথা জানে ?
— হাস্‌না কিনো জানো ? আমি লিখা পঢ়া নজনা মানুহ।
-- তেনেকৈ নকব বীনা বাইদেউ।
— সঁচাকৈয়ে হাস্‌না। আমি একো নাজানো। তুমিয়েই কোৱাচোন বাৰু আমাৰ গাৱঁৰ মানুহখিনিয়েনো কিমান জানে! লিখাপঢ়া নজনাৰ দোষত আজি আমাৰ গাৱঁৰ মহিলাখিনিয়ে বিশেষ একো কৰিব পৰা নাই! এখন সমাজৰ আদৰ্শ প্ৰতিফলিত হবলৈ হ'লে সেই সমাজৰ মানৱ জাতিৰ সৰ্ব্বোত্তপ্ৰকাৰে উন্নতি হবই লাগিব। কিন্তু আজি কি হৈছে এচাম বুৰ্জোৱা শ্ৰেণীৰ নেতৃত্বত সমাজ ব্যৱস্থা হৈ পৰিছে পঙ্গু। সেই শ্ৰেণীগোষ্ঠীয়ে মানুহৰ অভিনৱ স্বত্বটোক গ্ৰহণ কৰিব নোখোজে। তেওঁলোকে ভাবে শ্ৰমিক শ্ৰেণীটোক যদি স্বীকাৰ কৰা হয় তেনেহলে হয়তো তেওঁলোকৰ আধিপত্য

বিস্তাৰ কৰা শক্তিটো হ্ৰাস হৈ যাব।

— কিন্তু বাইদেউ এনে কোনো শিল্পকৰ্ম পৃথিৱীত নাই যি নেকি সমাজিক ধ্যান ধাৰণা বিচ্ছিন্ন হৈ জীয়াই থাকিব পাৰে। চাহ শিল্প পৃথিৱীৰ ভিতৰতে এটা বৃহৎ শিল্প আৰু ই বহুতো সংযোগী শিল্প আৰু উদ্যোগ গঢ়ি তুলিছে।

সৰস্বতীয়ে বেদনা মিশ্ৰিত কণ্ঠেৰে ক'লে— জানে বাইদেউ এই কেঁচা পাত কেইখিলাৰ মাজত আমাৰ ককাদেউতাহঁতৰ হাড়ৰ ঝনঝননি সোমাই আছে আৰু আছে কেঁচা তেজ।

অৰূপাই সৰস্বতীলৈ চালে। সেইহে আমি ভাবিছো আজি যিটো সময় আমালৈ আহিছে সেইটো সময়ক আমি প্ৰত্যাহ্বান বুলি ধৰি লব লাগিব। দুৰ্নীতি আৰু অসাধুতাৰ প্ৰতি আমি প্ৰত্যাহ্বান জনাবই লাগিব। প্ৰতিজন ব্যক্তিয়ে যদি নৈতিকতা ৰক্ষা কৰি চলিব নোৱাৰে তেতিয়াহলে সমাজ ৰোগাক্ৰান্ত হৈ পৰিব, নহয় জানো বীনা বাইদেউ?

— নিশ্চয় হব। সেইকাৰণে পুঁজিবাদী শ্ৰেণীৰ কবলত পৰি যাতে কোনো ব্যক্তিৰে নৈতিকতা ধ্বংস নহয় তাৰ বাবে আমি যুঁজ দিব লাগিব।

এনেতে মনেশ্বৰে কাপ-প্লেটবোৰ তুলি নিলে আৰু লক্ষ্মণ আহিছে বুলি কলেহি। অৰূপা ওলাই গ'ল— আৰু লক্ষ্মণক দেখি মাতি আনিলে।

লক্ষ্মণৰ কথা শুনি ভিতৰৰ পৰা আটাইকেইজনী আগফালৰ ড্ৰইং কমলৈ ওলাই আহিল।

—বুজিছে বাইদেউ লক্ষ্মণে বিয়া পাতিছে নহয়?

—হয় নেকি পিছে মাতিবানে নাই? আমি কিন্তু যাম দেই?

—এতিয়া দিন ঠিক হোৱা নাই, আঙুঠি পিন্ধাব লাগিব।

—আঙুঠি পিন্ধোৱা দিন কেতিয়া? হাস্নাই সুধিলে।

—দেওবাৰ।

— বৰ ভাল কথা। বিয়া বাৰু কৰাই লৈ আমাৰ আকৌ পাহৰি নাযাবা। কথা কৈ কৈ বীনা বাইদেউয়ে হাঁহিলে। হাস্‌নাই হাঁহি হাঁহি ক'লে— পিছে ছোৱালীৰ নাম কি?

— সি লাজ কৰা দেখি অৰূপাই ক'লে— চুনিয়া।

— বাহ্‌ ধুনীয়া নাম। পিছে লক্ষ্মণ ভাই বিয়াৰ আগতে চুনিয়াৰ লগত কথা পাতিছানে নাই? হাস্‌নাৰ কথাত লক্ষ্মণে লাজ কৰি তললৈ মূৰ কৰিলে।

— ইস্‌ লাজতে সি মৰিব। এতিয়া আমি যাও অৰূপা। অহা সপ্তাহত তেনেহলে যোৰহাটৰ প্ৰগেম নহয় জানো?

— অঁ বাইদেউ! যোৰহাটৰ কাললৈকে যাব লাগিব।

— আমি তেনেহলে যাও। বৰ ভাল লাগিল আজি। আকৌ এদিন লগ হব লাগিব। বীনা বাইদেউয়ে ক'লে।

—ভাল বাৰু যাওক। অৰূপাই সিহঁতক বিদায় দিবলৈ গেইটলৈকে আগবাঢ়ি গ'ল। লক্ষ্মণ বাৰান্দাতে সিহঁত যোৱালৈ থৰ হৈ চাই থাকিল।

—×—

২৭

সেইদিনা অৰূপা দিদিহঁতক লগ পোৱাৰ পিছৰ পৰাই লক্ষ্মণৰ চুনিয়াক পাবলৈ বৰ মন গ'ল। তাৰ দিদিয়েতো ঠিকেই কৈছে— বিয়াৰ আগতে লগ পাব লাগে, মনৰ কথা জানিব লাগে। সি আজি মোহনৰ লগত গাড়ীত যাব। পাড়াত পাতবোৰ ভৰাই লৈ কলঘৰত থবগৈ লাগে। কিমান সোনকালে যে সময়বোৰ পাৰ হ'ল, যোৱা বছৰ এনেকুৱা দিনতে সিহঁতে পাত তুলিছিলহি। সি খৰকৈ খোজ দিলে। চুনিয়াহঁতে ছাগে পাত তুলি তুলি বহুত দূৰ পাইছেগৈ। আজি ৰাতিপুৱাৰে পৰা পকৰুণ্ডা বাগানত পাত তুলিবলৈ মহিলাসকলে মূৰত খ ডৰ বচি লগাই বাগানত নামি পৰিছে।

সোণসেৰিয়া মাটিত লহপহকৈ বাঢ়ি অহা চাহ গছৰ পাত-বোৰ সিহঁতে চাৰিৰ পৰা পাঁচ ইঞ্চিৰ ভিতৰত চিঙি যাবলৈ ধৰিলে। প্ৰত্যেকেই হাতৰ আঙুলিবোৰ খৰ গতিৰে চলালে কাৰণ প্ৰতিজনীয়ে ২০ কিলোতকৈ বেছি পাত তুলিব পাৰিলে ১৭ টকাকৈ ওপৰঞ্চি টকা পাব।

চুনিয়াৰ আজি কিন্তু পাত তুলিবলৈ মন যোৱা নাই। কিবা যেন অৱস অৱস ভাব। তাইৰ দেহত যেন আজি একেবাৰে শক্তি নাই, কিবা এটা মোহময় শক্তিয়ে তাইৰ দেহাটো যেন আৱৰি ধৰিছে। তাইৰ যে লক্ষ্মণক পাবলৈ ইমান মন গৈছে?

তাই দেখিলে সকলোৱে খাংবোৰত পাতবোৰ চিঙি ভৰ্তি কৰিলেই। তাইৰহে জোৱা নাই। তাইৰ লগৰবোৰ আগবাঢ়ি গৈ কোনোবাখিনি পাইছেগৈ। তাই খৰধৰ কৈ পাতত হাত দিওতেই

ওচৰতে কোনেবাই মতা যেন গম পাই ফিৰি চাই দেখিলে লক্ষ্মণ দেখোন! তাই আচৰিত? ভাবি থাকোতেই মানুহটো ওলাব লাগেনে? তাই লাজতে মুচ্‌কচ্‌ গ'ল।

সি ওচৰ চাপি গৈ ক'লে কিয় লাজ কৰিছ, আমাৰটো বিয়া হ'বই। আহ চুনিয়া, মোৰ ওচৰলৈ আহচোন লাজ কৰিছ কিয়?

— ধেৎ তই যাগৈ যা মধুমতিয়ে দেখিব।

— দেখিলে কি হ'ব?

এইবাৰ লক্ষ্মণে তাইৰ হাতখন থাপ মাৰি ধৰিলে আৰু চাহগছ জোপাৰ তলতে টান মাৰি বহুৱাই দি ক'লে — কিয় ভয় কৰিছ? মই কিবা বাঘ নেকি? কচোন বাৰু কাৰ চিন্তা কৰি একে ঠাইতে বৈ আছ?

— যাহ্‌ কাৰো চিন্তা কৰা নাই?

— ইস্‌ মিছা কথা কৈছ। যদি কাৰো চিন্তা কৰা নাই মই যাওঁগৈ দে।

— ঐ নাযাবি। তাই লাজ কৰি তললৈ মুৰ কৰিলে।

— অঁ তাৰ মানে কাৰোবাৰ চিন্তা কৰিছ?

— ওঁ, তোৰ চিন্তা।

কথাষাৰ কৈ তাই লাজতে মুচ্‌কচ্‌ গ'ল।

— মোৰ চিন্তা? লক্ষ্মণে আনন্দতে তাইক সাবটি ধৰিলে। চুনিয়া তই কেতিয়া মোৰ হৈ যাবি? সি কাণৰ কাষত কথাষাৰ কৈ লাহেকৈ চুমা এটা খাই দিলে।

— যাহ্‌ মই তোৰ ওচৰত আৰু নাথাকো তই বৰ বেয়া।

তাই গালখন সোঁহাতখনেৰে মচি দিলে আৰু একেচাবে মাটিৰ পৰা উঠি মধুমতিৰ কাষ পালেগৈ। অলপ পৰ লক্ষ্মণে তাই যোৱালৈ চাই থাকি মোহনৰ ওচৰ পালেগৈ।

সময় আগবাঢ়িল। পাত তোলাৰ কাম আৰম্ভ হৈছেই।

প্ৰত্যেক গৰাকী মহিলাই বাগানৰ পৰা ওলাই আহি পাতবোৰ জোখাত ব্যস্ত হৈ পৰিছে। মহৰীয়ে পাতবোৰ জুখি জুখি বহীত হিচাব লেখি গৈছে। ২০ কিলোৰ ওপৰত তুলিব পাৰিলে বেছি টকা পাব। কিছুমানৰ সোনকালেই ২০ কিলোতকৈ বেছি পাত তোলা হৈ গৈছে। মধুমতিয়ে চুনিয়াৰ কাষলৈ গৈ বাহুত চিকুট মাৰি দি ক'লে— ঐ চুনিয়া কি পাত তুলিছ ? এতিয়াও খাংটোৱেই ভৰা নাই দেখোন ? তই নাজান নেকি ২০ কিলো নহলে হাজিৰা কাটিব।

মধুমতিয়ে পাত জুখিবলৈ লাইনত ঠিয় হ'ল। তাই নিজৰ খাংটোৰ পৰাই পাত এসোপা চুনিয়াৰ খাংটোত ভৰাই ক'লে— ব'ল ব'ল এবাৰটো জুখিব পাৰিবি ? চুনিয়াই তাইৰ হাতখনত সাৱটি ধৰি ক'লে তই ইমান ভাল মধু।

— ওঁ এতিয়া মই ভাল। গছৰ তলত যে প্ৰেম কৰি আছিলি তেতিয়া কোন ভাল আছিল ?

চুনিয়াই শাৰীৰ আচলটো কামোৰ মাৰি ধৰি ক'লে— চুপ থাক লোকে শুনিব ?

-- শুনক, মই কিবা ভয় কৰিছোনে ? এতিয়া চিঞৰি চিঞৰি কৈ দিম লক্ষ্মণৰ লগত প্ৰেম কৰোতে চুনিয়াৰ পাত চিঙা নহ'ল।

-- মধু মোৰে শপত লাহে লাহে ক' নহলে সকলোৱে শুনিব।

—বাৰু নকওঁ দে। আগতে পাতখিনি জুখি লও বহ। মধুমতিয়ে পাতৰ খাংটোৰ কাটাদাল লগাই দিলে। পাতখিনি খাওৰ পৰা নমাই থৈ সিহঁত আকৌ পাত তুলিবলৈ গ'ল কাৰণ সময় আছে অন্তত ১০ কেজি মান পাত আৰু তুলিব পাৰিব।

সিহঁত আকৌ বাগানৰ ভিতৰত সোমাল, মধুমতিয়ে চুনিয়ালৈ চাই সুধিলে এতিয়া ক, কি কথা পাতিছিলি ?

- যাহ্ এইজনী। চুনিয়াই উচাট মাৰি দি আতৰি গ'ল।

-- বাৰু নালাগে দে ? মধুমতিয়ে ঠেহ পাতিলে।

—কম কম

– ক' তেনেহলে ।

—সি বোলে মোক ভাল পায় মানে প্যাৰ কৰে। মধুমতিয়ে হাঁহি মাৰি ক'লে কি জান চুনিয়া প্যাৰ মহব্বৎ নহলে এইবোৰ জীৱন মিছা। মহব্বৎ হ'লে জীৱন যৌৱন ৰঙীন হয়। তোৰ ভাগ্য ভাল দে – তোৰ যৌৱন সম্পৰ্ক দিব পাৰিবি।

—কিয় মধুমতি তোৰ দেখোন মোহন আছেই।

– হেই পাগলী, শুন মোহনে বিয়া নকৰাই। সি বোলে আন্দোলন কৰিব।

—কিহৰ আন্দোলন অ' ?

—বাগানৰ অভাৱ অভিযোগবোৰ পূৰণ কৰিব লাগে বুলি কোম্পানী, মালিকক হেচা দিব।

—থ' থ মধু, তোৰ মনৰ অভাৱেই দেখোন পূৰণ কৰিব নোৱাৰে আকৌ জাতিৰ অভাৱ দূৰ কৰিব পাৰিবনে ?

—তেনেকৈ নকবি চুনিয়া। জাতিটোৰ তুলনাত মইনো কি ? জাতিটোৰ যদি মঙ্গল হয় সি মোক বিয়া কৰিব নালাগে চুনিয়া।

—আই ঐ দেহি। তোৰ মনটো ইমান ডাঙৰ নে ?

মধুমতিয়ে শাৰীৰ আচলেৰে চকুহুটা মচি ক'লে— আমাৰ কাৰণে অৰূপা দিদিহঁতে কি কৰিছে দেখা নাই ? সিহঁতৰণো কি দৰকাৰ আছিল আমাৰ কাৰণে কাম কৰিবলৈ ?

হয় দে মধু দিদিহঁতে বহুত কৰিছে। সিদিনা লৰা-ছোৱালী বোৰক যে শৰীৰ পৰীক্ষা কৰিছিল, ডাক্তৰে বোলে কৈছে বেছি ভাগ শিশুৱেই বোলে ৰক্তহীনতাত ভুগিছে।

—ভুগিবতো ? আমাৰ লৰা-ছোৱালীয়েনো কি খাবলৈ পায় ? আজি ভাল খাদ্যৰ অভাৱ, পানীৰ অভাৱ, সেইবোৰ দূৰ কৰিবলৈ দিদিহঁতে চেষ্টা কৰিছে

—আমিও সেই কাৰণে তেওঁলোকৰ লগত হাত আগবঢ়াব লাগিব। সিহঁতে কথা পাতি পাতি সন্ধ্যা হোৱালৈকে পাত তুলিলে আৰু শেষত পাত জমা দি বাগানৰ মাজে মাজে গীত গাই গাই ঘৰলৈ গ'লগৈ।

তেতিয়া পশ্চিম আকাশত বেলিটো ডুবিছিল আৰু আকাশ খন সেন্দুৰীয়া হৈ পৰিছিল।

—×—

২৮

দিন পুৰণি হৈছিল যদিও অৰূপাই ফুলমতিৰ কথা পাহৰা নাছিল। হাজাৰ কামৰ মাজটো অৰূপাই ভাবিছিল চন্দ্ৰিকাৰ কথা। সেইহে সেইদিনা অনিলক সুধি পেলালে— চন্দ্ৰিকাৰ পিছত কি হ'ল অনিল ?

— অঁ চন্দ্ৰিকা ? ফুলমতিৰ ছোৱালী চন্দ্ৰিকা লাহে লাহে ডাঙৰ হ'ল। মাকে তাইক মাতিলে মুন্নি বুলি।

তাইক বুকুত লৈ ফুলমতিয়ে মধুৰ সপোন দেখিলে। সপোনৰ পাছ ফালে লাহে লাহে ঠিয় হ'ল এখন প্ৰতিশোধৰ লৌহ প্ৰাচীৰ। যদি চাহাবক আকৌ পাই তেনেহলে সকলো কথা বাগানত কৈ দিব আৰু প্ৰতিশোধ লব। তাইৰ সন্তানৰ স্বীকৃতি

চাহাবে দিবই লাগিব।

দিনবোৰ যোৱাৰ লগে লগে তাইৰ যৌৱনৰ ৰংবোৰ ম্লান পৰি গ'ল। শুকাই গ'ল তাইৰ দুগ্ধ সাগৰ। ডিঙিটো তাইৰ ওলাই গ'ল। বুকুৰ কামিহাড়বোৰ জকজকাই জিলিকি উঠিল। মূৰৰ কলা চুলিবোৰ ঢৌ ঢৌ বগা হৈ পৰিল। নিস্তেজ উদাস চাৱনিৰে ভৰপূৰ তাইৰ আজি দুটা চকু। তথাপিও তাই জীয়াই থাকিব লাগিব একমাত্ৰ তাইৰ মুন্নিৰ কাৰণেই। মুন্নিৰ কথাকে ভাবি ভাবি ফুলমতিয়ে সময়বোৰ অতিবাহিত কৰিবলৈ ধৰিলে। যেতিয়া তাইৰ থকা ঘৰটোত ধাৰাষাৰে বৰষুণ পৰিছিল। সেই সময়ত মুন্নি আহি তাইৰ বুকুত সোমাই উচুপি উঠিছিল আৰু সুধিছিল– মা বাবা কেতিয়া আহিব? আমাৰ ঘৰ কেতিয়া বনাব?

তেতিয়া বোলে ফুলমতিয়ে তাইক কৈছিল– তোৰ বাবা সোনকালেই আহিব। ঘৰ বনাব, তোক সজাব।

– হয়? আনন্দত মুন্নিয়ে মাকক সাৱটি ধৰিছিল।

তাইক বুকুত সাৱটি ধৰি ফুলমতিয়ে নিশাৰ কিনকিনিয়া বৰষুণ জাকৰ ঝিম্‌ঝিম্‌ শব্দবোৰ শুনি শুনি ভাবিছিল একমাত্ৰ পেটৰ দায়তহে চাহ মজদুৰসকল সেইসময়ত অসমলৈ আহিছিল। সেইসময়ত দুবেলা দুমুঠি খোৱাৰ বাহিৰে সিহঁতে অন্য চিন্তা কৰিব পৰা নাছিল। তাৰোপৰি চাহাবে তেওঁলোকক মদ খাবলৈ শিকাইছিল। মদ আৰু নিচাৰ বিনিময়ত কাম আদায় কৰাৰ চেষ্টাতহে তেওঁলোক আছিল। চাহাবসকলে ধৰ্মত দীক্ষা দিয়াৰ বাহিৰে স্কুল কলেজ পাতি শিক্ষা দিয়াৰ চিন্তা নকৰিলে। অসমে স্বাধীনতা পোৱাৰ পিছতো চাহাবসকলে চৰকাৰক চাহবাগানত স্কুল খোলাৰ পৰামৰ্শহে আগবঢ়ালে কিন্তু স্কুল খোলা হ'লনে নাই, শিক্ষক নিযুক্তি দিয়া হ'লনে নাই সেই কথা ভাবিবৰ কাৰো অৱকাশ নহ'ল। যি দুই এখন স্কুল ধৰ্ম প্ৰচাৰৰ নামত খোলা হ'ল তাৰো ভাষা হৈছিল বঙালী– সেইহে

আজিও চাহ শ্ৰমিকসকলে বেছিভাগেই অসমীয়া বঙালী মিলাই কথা কয়।

কথাবোৰ ভাবি থাকোতেই নিশা শেষ হৈছিল। ফুলমতি-হঁতৰ চকুৰ টোপনি চকুতে মাৰ গৈছিল। কথা শেষ কৰি অনিলে চিগাৰেট এটা জ্বলাই ললে আৰু বাহিৰলৈ ওলাই গ'ল॥

● ● ●

দিন গৈ গৈ দেওবাৰ পালেহি। আজি চুনিয়াৰ আওঠি পিন্ধোৱাৰ দিন। তাইৰ হিয়াখন থৌকি বাথৌ লাগিল। ৰাতিপুৱা শুই উঠিয়েই তাই যেন পৃথিৱীখনক নতুন দেখিলে। আজিহে যেন তাই পখীৰ গীত শুনিলে, সোণোৱালী বেলিটোৰ ৰ'দ কাচলি দেখিলে।

— চুনিয়া! মাকৰ মাতত তাই চক্ খাই উঠিল।

— যা সোনকালে গাটো ধুই আহগৈ। সিহঁত সোনকালেই আহি পাবহি।

মাকে লৰালৰি কৰিলে। মানুহ বোলে বহুত আহিব। আহিলেও বিজুৰিয়া সংখ্যা হব লাগিব। মাকে আলহীক খুৱাবলৈ ভাতৰ জোগাৰ কৰিলে। মাংস আনিবলৈ চুনিয়াৰ বাপেকে সাজি কাচি ওলাল। মাংসতো লাগিবই, লগতে লাগিব লাউপানী। ইতিপূৰ্বে চুনিয়াৰ মাকে ঘৰতে লাউপানী বনাই লাইন কৰি সজাই থৈছেই।

সময় খৰ গতিৰে যাবলৈ ধৰিলে। চুনিয়াই জুৰিটোত গা ধুবলৈ গ'ল। জুৰিটো চাপানলা পাহাৰৰ পৰা বৈ অহা জুৰি। নিৰ্ম্মল আৰু চেঁচা পানীৰে ভৰা কুলুকুলু সুৰেৰে বৈ অহা জুৰিটোত

চুনিয়া নামি গ'ল। তাইৰ যৌৱন ভৰা দেহাটো শীতল লাগিল আৰু কিছুসময় পানীত বুকুলৈকে তিয়াই বহি থাকিল। চাৰিও ফালে নিজম নিতাল পৰিবেশ। নিজান বনত পখীৰ কলৰবে তাইক বলিয়া কৰি তুলিলে। এতিয়া যদি লক্ষ্মণ তাইৰ লগত থাকিলহেঁতেন? পাছৰ কথাখিনি তাই ভাবিব নোৱাৰি পানীৰ মাজতে ডুব দিলে। ক্ষন্তেক পিছতে পানীৰ পৰা উঠি তাই দেখিলে পাৰত ঠিয় হৈ আছে তাইৰ বান্ধৱী মধুমতি।

মধুৱে তাইলৈ চাই হাঁহি মাৰি গালে।

উঠ উঠ নন্দিনী গ'
ছাড় তুমি আলস
তোমাৰ দুধাৰে আসিয়াছে
সুবৰ্ণ কলস।

চুনিয়াই দুয়ো হাতেৰে মুখৰ পানীখিনি মচি মধুমতিলৈ চাই হাঁহি দিলে।

— ঐ চুনিয়া হাঁহিব নালাগে আহ সোনকালে। তোৰ দধিভাৰ আহিবৰ হ'ল।

চুনিয়া পানীৰ পৰা উঠি আহিল আৰু মধুমতিৰ কাষত বৈ দিলে। তই কিন্তু সোনকালে যাব লাগিব দেই।

— যামতো, নহ'লে তোক সজাব কোনে? তাতে লক্ষ্মণে কিমান যে ভাল বস্তু দিব।

— ধেৎ, চুনিয়াই তাইৰ পৰা আতৰি গৈ আকৌ পানীত নামিলগৈ। তাই যেন আজি পানীৰ লগতে থাকিব। পানীক বুকুৰ সাচতীয়া কথা কব? পানীৰ লগত মিলি তাই দুৰদুৰণিলৈ ভতিয়াই যাব।

— ঐ চুনিয়া উঠি আহ আৰু পানীৰ লগত খেলিব নালাগে। আজিৰ পৰা লক্ষ্মণৰ লগত খেলিবি।

— তোৰ একদম লাজ নাই দেই মধু!

— মোৰ বাৰু নাই, তোৰ ?

চুনিয়াই খিলখিলাই হাঁহি দিলে আৰু পানীৰ পৰা উঠি আহি কাষত কলহটো ল'লে।

ঘৰ পাই দেখিলে বাপেকে বজাৰৰ পৰা মুৰ্গী, শাক-পাছলি আনিলেই।

ওচৰৰ মহিলাসকল আহি মাকক সহায় কৰিছেহি। তাই ভিতৰলৈ সোমাই গ'ল আৰু কলহটো থৈ কাপোৰ সলালেগৈ। অলপ সময়ৰ পাছতে মধু আহি হুলস্থুল লগাই দিলেহি— আই ঐ ইমান পৰে চোতালত মৰল অকাই নাই। তাই তৎক্ষণাত ভিতৰৰ পৰা চাউলৰ গুৰি আনি বৰ্গ সদৃশ মৰল আঁকি তাত সেন্দুৰৰ ফোঁট দিলে। মৰলখনৰ অকমান আগত দৰা পক্ষৰ আৰু কইনা পক্ষৰ বাইজ বহিবলৈ কঠ, ধাৰি পাৰি থলে।

সময় পাৰ হোৱাৰ লগে লগে চুনিয়াৰ বাপেকে পদূলী মুখলৈ অহা যোৱা কৰিবলৈ ধৰিলে।

এসময়ত চুনিয়াৰ বাপেকে চিঞৰি দিলে— আহিছে, আহিছে। ভিতৰখনত গুণগুণনি উঠিল, মহিলাসকল ওলাই আহিল।

দৰাপক্ষৰ মানুহখিনি আহি পদূলীমুখ পালেহিয়েই। চুনিয়াৰ বাপেকে সকলোকে আদৰ সাদৰ কৰি নি চোতালতে পাৰি থোৱা আসনত বহুৱালেগৈ।

চোতালত বাইজে কথা-বতৰা হয় মানে মাধুৱে চুনিয়াক সজোৱাত লাগিল। চুলিত লক্ষ্মীবিলাস তেল ঘহি দাঁঘলকৈ টার্চেল লগাই বেণী গাঠি দিলে। চকুত কাজল লগালে। দুয়োহাতে আইনাৰ বঙা নীলা চুৰি পিন্ধালে। গাত পিন্ধালে বঙা ব্লাউজ আৰু বঙা শাৰী। কপালত কিনা টিকুলিদাল লগাই দি মধুৱে চুনিয়াৰ ঠুটবিটো দাঙি ধৰি চাই হাঁহি মাৰি ক'লে— বাঃ একদম অপেশ্বৰী যেন দেখিছে যে— চুনিয়াই লাজ কৰি তলমূৰ কৰিলে।

বাইজে চোতালৰ পৰা ক'লে— এতিয়া কইনা উলিয়াবহে লাগে।

অকমান সময়ৰ পিছতে মহিলাসকলে কইনাক ধৰি উলিয়াই আনিলে আৰু ইতিপূৰ্ব্বে সজাই থোৱা বেদীৰ চৌকাষে প্ৰদক্ষিণ কৰালে। প্ৰদক্ষিণ কৰোতে আগে আগে কুমাৰী ছোৱালীয়ে ঘটিৰ পানী চটিয়াই গ'ল। প্ৰদক্ষিণ কৰাৰ পিছত কইনাক পীৰাখনত বহুৱালে। এতিয়া দৰা ঘৰৰ লোকে চুমন কাৰ্য্য কৰিব লাগে।

লক্ষণৰ মাকে এখন কাঁহীত চাউল দুবৰী, তুলসী, তামোল পান দি তাতে ঘিউৰ চাকি জ্বলাই কইনাৰ মুখৰ আগত তিনিবাৰ ঘুৰালে আৰু কাঁহিখন মাটিত থৈ আঙঠি এটা পিন্ধাই দিলে। তাৰ পিছত তেল, সেন্দুৰ, শাৰী, ফনি, আইনা ইত্যাদি কইনাৰ কোলাত দধিভাৰ দি চুমন কাৰ্য্য সমাপন কৰিলে। সকলোৱে উৰুলি দিলে। চুমন কাৰ্য্য সমাপন কৰাৰ পাছত সকলোৱে খাবলৈ বহিল। আনন্দ মনেৰে দৰা ঘৰৰ সকলোৱে খাই বৈ আনন্দ কৰিলে।

খাই বৈ উঠি সকলো চোতালত বহিল আৰু দৰা ঘৰৰ এজনে সুধিলে— এতিয়া বিয়াৰ দিনটো আজিয়েই ঠিক কৰিলে ভাল হয়। আমি কিন্তু বহাগতে পাতিম বুলি ভাবিছো। আহিন মাহটো যাবৰ হলেই আৰু ৬টা মাহহে।

চুনিয়াৰ বাপেকে ক'লে— এৰা, আমিও ইমান সোনকালে দিব নোৱাৰিম। গতিকে বহাগত হলেই ভাল।

-- গা-ধন ? বাইজে প্ৰশ্ন কৰিলে।

— গা-ধন মোক নালাগে। তাই সুখেৰে থাওক সেয়ে মই বিছাৰো।

— "আঠুৱা" লাগিব নে নাই ?

— লাগিব, লাগিব। ভিতৰৰ পৰা মহিলাসকলে চিঞৰিলে।

— আগৰ দিনত চাৰিকুৰি পিঠা কলহত ভৰাই কইনা ঘৰলৈ পঠাই দিছিল, আজি-কালি ক'ত আৰু পিঠা পাব ? দৰা ঘৰৰ এজনে

ক'লে ।

— নাই, নাই দিবই লাগিব । আমাক আগৰ নিয়মেৰেই পিঠা দিব লাগিব । কইনা পক্ষৰ ৰাইজে দাবী কৰিলে ।

— হব, হব আমি দিম । চাৰিকুৰি পিঠা কলহত ভৰাই আগৰ দিনৰ দৰেই "আঠুৰা" দিম ।

এনেতে ভিতৰৰ পৰা মহিলাসকলে চিঞৰি ক'লে— আমাক লাল পাৰীৰ শাৰী দিব লাগিব ।

— এৰাতো, লাগিবইতো । কইনাৰ মাক, পেহী, মাহী, খুৰী আদি সম্বন্ধীয়া সকলক লাল পাৰীৰ শাৰী দিবই লাগিব ।

সকলোৱে হাঁহিলে আৰু তামোল-পান খাই ৰং তামাছা কৰিলে । তাৰ ভিতৰতে এজনে ক'লে— এতিয়া কইনা ঘৰৰ মানুহ এদিন দৰা চাবলৈ যাব লাগে ।

— হব এদিন গলেই হ'ল । দুনিয়াৰ বাপেকে ক'লে ।

— নহয়, নহয় তেনেকৈ নাযাব, খবৰ দি যাব ।

— বাৰু হব, খবৰ দিয়েই যাম বাৰু ।

সকলো উঠিল, যাবৰ হ'ল । ইজনে সিজনে ৰং মনেৰে কোলাকুলি কৰি দৰাঘৰীয়া ৰাইজে কইনা ঘৰৰ পৰা বিদায় ললে ।

—x—

আজি অৰূপাইঁত যোৰহাটলৈ যাব। মিটিং হব জোনালী চাহ বাগানত। যাতিপুৱাতে মিটিঙলৈ বুলি বীনা বাইদেউ, হাস্না, সৰস্বতী অৰূপাৰ ঘৰ পালেহি। সোনকালেই তেওঁলোক ৰাওনা হ'ল। বাটত আমলখী বাগানৰ ভৱানী বৰমেধিক তুলি ললে। বাটত যাওঁতে অৰূপাই ক'লে— বুজিছে বৰমেধি, আমি শ্ৰমিক মহিলা আৰু বঢ়াব লাগিব।

— সেইটো ভাল কথা হব মিচেচ্ চহৰীয়া। লিখা-পঢ়া নাজানিলেও ভাল কৰ্ম্মী হব পাৰে।

— আপুনি ঠিকেই কৈছে বৰমেধি, এনে কিছুমান মহিলা মোৰ চকুত পৰিছে, যিবিলাক মহিলা সকলো কামতে পাৰ্গত। সেই মহিলাসকলক আমি উলিয়াই আনিব পাৰিলে তেওঁলোকৰ জীৱনৰ এটা নতুন দিশ উন্মোচন হব।

— আৰু কি হব জানে? তেওঁলোকে প্ৰেৰণা পাব, উৎসাহ পাব, লগতে উদাসিনতা আঁতৰিব আৰু যিসকলে সমালোচনা কৰিছে তেওঁলোকক আমাৰ সৎ উদ্দেশ্য প্ৰতিপন্ন কৰিব লাগিব। আমি যে বাগানৰ একো ক্ষতি সাধন নকৰাকৈ কাম কৰিছো তাকো বুজাই দিব পাৰিব লাগিব। ভৱানীয়ে কথাখিনি কৈ গাড়ীৰ পিছ ফালে গাটো হেলন দি বহিল।

অৰূপাই পোন হৈ বহি আগলৈ চাই ক'লে— মানুহক মানুহ হিচাবে জীয়াই থাকিবলৈ দিয়াটো যদি অন্যায় হয়, তেনেহলে ন্যায় কি বাৰু? আমি শ্ৰমৰ মূল্য দিয়াটো উচিত। উত্তেজনাত

অৰূপা ঘামি গৈছিল, কমালেৰে মুখখন মচি তাই কৈ গ'ল, আজি ভাবিলে আচৰিত লাগে মিচেচ বৰমেধি। আমি চাহ খাওঁ, আমি বোৰ ভদ্ৰলোক আৰু যিবিলাকে দেহক পানী কৰি চাহপাত তৈয়াৰ কৰিছে তেওঁলোক এই সমাজৰে এলাগী এক জনজাতি। মই লতমিক তুলি লোৱাৰ কাৰণে মোৰ শাহু আইৰ পৰা যি কৰ্কশ ৰ্ভৰ্ৎসনা শুনিব লগা হৈছে ভাবিব নোৱাৰি। কিন্তু গমাৰী কাঠৰ ডাইনিং টেবুলত টিকজি লগোৱা Tea pot ৰ পৰা চাহ ঢালি খোৱা শাহু আয়ে এবাৰ ভাবি চাইছেনে সেই চাহপাতত কাৰ হাতৰ পৰশ লাগি আছে। মায়ে কয় মই বোলে নীচ জাতিৰ ছোৱালী তুলি বংশটোৰ কলঙ্ক আনিছো।

অৰূপাই কথাবোৰ কৈ যাওঁতে কিবা এটা বেদনাই যেন বুকুত হেচা মাৰি ধৰিলে। আৰু কি জানে মেধি আমি ছোৱালী-তুলি লোৱাৰ বাবে মায়ে তেওঁৰ বৰ পুতেকক তেজ্য পুত্ৰ কৰিলে আৰু সকলো সম্পত্তি সৰু পুতেকৰ নামত লিখি দিলে।

ভৱানী বৰমেধিয়ে কথাবোৰ শুনি অবাক হৈছিল, মন্তব্য কিন্তু একো দিয়া নাছিল। কি বুলি অৰূপাক বুজনি দিব ভৱানীয়ে একো ঠিৰাং কৰিব পৰা নাছিল।

গাড়ী, চাহ বাগানৰ মাজে মাজে যোৰহাট অভিমুখে গৈ আছিল। আলিৰ দুয়ো কাষে থকা সেউজীয়া জোপোহা চাহ গছ বোৰে যেন অৰূপাহঁতক আদৰণী জনাইছিল।

সময় আগবাঢ়িছিল আৰু সিহঁতৰ গাড়ী গৈ মেনেজাৰ পৰেশমল্ল চক্ৰৱৰ্ত্তীৰ বাংলাৰ সন্মুখত ৰৈছিলগৈ। পৰশমল্ল চক্ৰৱৰ্ত্তী অনিলৰ বন্ধু। এসময়ত অনিল আহি এইখন বাগানতে কিছুদিন আছিলহি। তেতিয়াই বাগানৰ ভিতৰত থকা অফিচৰ পুৰণা আলমিৰাত অনিলে পাইছিল এখন সুবৃহৎ ডায়েৰী য'ত অন্যান্য কথা লিখাৰ উপৰিও আছিল ফুলমতীৰ ভয়ঙ্কৰ কাহিনী।

বন্ধুৰ খাতিৰতে চক্ৰৱৰ্ত্তী আৰু তেওঁৰ পৰিয়াৰ কুকিলা চক্ৰৱৰ্ত্তীয়ে সভাখনৰ যা-যোগাৰ কৰিছিল আৰু সভাত উপস্থিত মহিলাসকলৰ কাৰণে খোৱাবো ব্যৱস্থা কৰিছিল।

নিৰ্দিষ্ট সময়ত সভা আৰম্ভ হ'ল। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছত কুকিলা চক্ৰৱৰ্ত্তীয়ে আৰম্ভ কৰিলে - চাহ মালিকসকলক আমি দোষাৰোপ কৰিলে নহব। তেওঁলোকে বহুত ভাল কাম কৰিছে আৰু উন্নয়নমূলক কাম কৰিম বুলি আঁচনিও তৈয়াৰ কৰিছে।

তেওঁৰ কথাত প্ৰতিবাদ কৰি জ্যোৎস্না সোণোৱালে ক'লে – দুই এখন বাগানত উন্নয়নমূলক কাম হলে নহব। সকলো বাগানতে সমানে কাম হ'ব লাগিব। আজি চাহ শ্ৰমিকসকলৰ সামাজিক নিৰাপত্তা আৰু সামাজিক আইনগত সুৰক্ষা প্ৰদানৰ ব্যৱস্থা নাই। আৰক্ষীৰ গুলিত চাহ শ্ৰমিকৰ মৃত্যু হ'ব লগা হৈছে। খোৱাবস্তুৰ অভাৱত শ্ৰমিকসকলে কেনে নিৰ্য্যাতন ভোগ কৰিছে সেই কথা কাৰো অবিদিত নহয়। বাগিচাসমূহত শিক্ষাৰ প্ৰতি একাগ্ৰতা আৰু সচেতনতা বৃদ্ধিৰ বাবে যি প্ৰচেষ্টা চলাব লাগিছিল, নিবনুৱা সমস্যাৰ সমাধানৰ ক্ষেত্ৰত যি আঁচনি লব লাগিছিল, তেনে কোনো চেষ্টা চৰকাৰ, মালিক বা কোনো সংঘই নিস্বাৰ্থভাবে চলোৱা নাই। তাৰোপৰি গৰ্ভৱতী মহিলা আৰু প্ৰসূতি মাতৃ ও শিশুসকলৰ বিনমূলীয়া আহাৰ যোগান ধৰিব পৰা নাই। আমি শুনিছিলো যে ডেৰশ বা তাতোধিক শ্ৰমিক থকা বাগিচাত এখন কেনটিন থাকিব লাগে। কেনটিনৰ বাচন বৰ্ত্তন, চকী, টেবুল আদি কোম্পানীয়ে যোগান ধৰিব লাগে। কেনটিনৰ কাম কৰা কাৰিকৰ বা অনান্য সকলৰ হাজিৰা বা দৰমহা কোম্পানীয়ে দিব লাগে। কিন্তু বহুত বাগানত সেই ব্যৱস্থা আমি দেখা নাই। দুই এখন বাগানৰ বাহিৰে প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক নিযুক্তিৰ আসোৱাহ দূৰ কৰিব পৰা নাই,

সেইদৰে খোৱা পানী, পাকঘৰ, পাইখানাৰ অৱস্থা আজিও দুখ লগা। মুঠতে চাহজনজাতিৰ অৰ্থসমাজিক দিশ আৰু ভৱিষৎ আঁচনি সফল ৰূপায়নৰ বাবে চকু দিয়া পলম হৈ গৈছে।

তাৰোপৰি চাহজনজাতি ছাত্ৰ সন্থাই স্বাধীনতাৰ পিছৰ কাল ছোৱাত চাহ শ্ৰমিকসকলৰ সমস্যাবোৰৰ সমাধান হ'ব লাগে বুলি চৰকাৰৰ ওচৰত দাবী তুলি আহিছে যদিও ইয়াৰ পৰা একো ফল পোৱা নাই।

—কিয় পোৱা নাই ? কুকিলা চক্ৰৱৰ্তীয়ে ঠিয় হৈ ক'লে— তেওঁলোকে যি ২০ দফীয়া আঁচনিৰ দাবী চনদ চৰকাৰৰ ওচৰত দিছিল, তাৰে কিছুমান দাবী ৰূপায়ন হৈছে, যেনে ধৰক—

* অনাতাৰ কেন্দ্ৰত চাহ জনজাতিৰ অনুষ্ঠান প্ৰচাৰ কৰা হৈছে।
* স্কুল কলেজৰ ছাত্ৰ থাকিবলৈ ছাত্ৰাবাসৰ ব্যৱস্থা কৰি দিয়া হৈছে।
* অৰ্হতাসম্পন্ন চাহ জনজাতি যুৱকক কামত লগোৱা হৈছে।
* চাহ শ্ৰমিকৰ শিক্ষিত যুৱক-যুৱতীসকলক স্কুলৰ শিক্ষক নিযুক্তি দিয়া হৈছে।
* খোৱা পানী আৰু বৈদ্যুতৰ ব্যৱস্থা কিছুমান বাগানত কৰি দিয়া হৈছে।

ৰূপালী ভট্ট আৰু ৰব নোৱাৰিলে। তেওঁ অৱশ্যে যোৰহাটৰে ছোৱালী। অলপতে তেওঁ অৰূপাইঁতৰ সন্থাত যোগদান কৰিছে। তেওঁ ঠিয় হৈ ক'লে— আমি কুকিলা চক্ৰৱৰ্তীৰ লগত একমত নহয় ? চৰকাৰে কি কৰিছে আমি দেখিছো কিন্তু কি কৰা নাই আমি তাৰহে ব্যৱস্থা কৰিবলৈ ওলাইছো শ্ৰীমতী চক্ৰৱৰ্তীয়ে জনা উচিত যে আজিও ১৯৫১ চনতে ৰচনা কৰা আৰু ১৯৫৬ চনত প্ৰয়োগ কৰা বাগিচা বনোৱা আইনখন সংশোধন কৰা নাই আৰু যথাযথভাবে প্ৰয়োগ কৰা নাই। বননিকৰণৰ বিষয়টো মনোযোগ দিয়া নাই যাৰ ফলত বাগিচা বিলাকত জুই ধৰিবলৈ গৃহস্থালীৰ প্ৰয়োজনীয়

কাঠ খৰিৰ অভাব হৈছে। নিৰক্ষৰতা অভিযানত বাগিচাক অন্তৰ্ভুক্ত কৰিব লাগে। আজি ৫০ লাখ চাহ জনজাতিৰ কৃষ্টি সংস্কৃতিৰ কাৰ্য্যসূচী যিদৰে আকাশবাণী দূৰদৰ্শনত প্ৰচাৰ হব লাগিছিল তেনেদৰে হোৱা নাই। নতুন কৰ্মচাৰী লওঁতে চাহবাগিচাৰ ক্ষেত্ৰত চাহ জনগোষ্ঠীৰ প্ৰাৰ্থীক অগ্ৰাধিকাৰ দিব লাগে। বেচৰকাৰী কাৰ্য্যালয়সমূহ চৰকাৰী কৰণ কৰিব লাগে। কৃষক চাহ মজদুৰসকলক মাটি আবণ্টন দিব লাগে। ছাত্ৰ-ছাত্ৰীৰ দুপৰীয়াৰ আহাৰ, ইউনিফৰ্ম দিব লাগে। জনস্বাস্থ্য বিভাগৰ দ্বাৰা খোৱাপানী যোগানৰ ব্যৱস্থা সম্প্ৰসাৰণ কৰিব লাগে।

অধিক জৰুৰী কথা যে বনৰীয়া জন্তুৰ পৰা ৰক্ষা পাবলৈ বাসিন্দাসকলৰ সুৰক্ষা দিব লাগে। মৃতসকলৰ ক্ষতিপূৰণৰ ব্যৱস্থা কৰিব লাগে। মুঠতে আমি এই আঁচনিসমূহ ফলৱতী হবলৈ চেষ্টা চলাই যাম।

কুকিলাই তেওঁলৈ চাই মুখৰ ভিতৰতে ক'লে – আপোনা-লোকে কৰিলেও আমি কিছুমান কাম কৰিব নোৱাৰো।

— কিয় কৰিব নোৱাৰে? ভৱানীয়ে সুধিলে।

– শ্ৰমিকসকলৰ কাৰণে কৰিবলৈ গ'লে যদি নিজৰ চাকৰী যায় কোনে খুৱাব?

সভাত বাক বিতণ্ডা আৰম্ভ হ'ল। আচল উদ্দেশ্য তল পৰিল। অৱশেষত বুজি পালে যে তেওঁলোকৰ সন্থাটোৰ কাম কাজত বাধা দিবলৈ মানুহ ভলাইছে। তথাপিও তাই হতাশ নহ'ল। সেইদিনা সভাৰ কাম আবেলিলৈকে চলিল। মাজতে সকলোৱে ভাত খাই ল'লে। সভাত এটা কথাত সকলোৱে উপনীত হ'ল যে সন্থাটোৱে চাহ জনজাতি শিশু আৰু মাতৃসকলৰ কাৰণে কাম কৰি যাবই। কাৰো বাধা তেওঁলোকে নামানে। কাৰোবাৰ ভয় থাকিলে সন্থাত যোগদান দিয়াৰ পৰা বিৰত থাকিব। সভা ভঙাৰ

পাছত সকলোৱে চাহ খাবলৈ বহিল। চাহ খাই থাকোতে পৰেশ চক্ৰৱৰ্ত্তী আহিল। তেওঁৰ ঘৰ দাৰ্জিলিঙত। অসমত থকা অৱশ্যে বহু বছৰেই হ'ল। একেবাৰে চাহাব পিয়াৰী। কথা কোৱা, চিগাৰেট খোৱাৰ ধং একেবাৰে বিলাতী। তেওঁ সকলোলৈকে চাই ক'লে— আপোনালোকক আপ্যায়ন কৰিবলৈ পাই বৰ আনন্দ লাগিছে আৰু আপোনালোকে যি আঁচনি লৈছে সিয়ো বৰ সুখৰ বিষয়। কিন্তু চাকৰীৰ ক্ষেত্ৰত যাতে কোনো অসুবিধা নহয় তাৰ ফালে দৃষ্টি ৰাখিব। সকলো সমান হলে কাম চলিব কেনেকৈ ?

কথাষাৰ কৈ তেওঁ খুউব্ব হাঁহিলে। তেওঁৰ বিকৃত সুৰৰ হাঁহিত যেন দাইনিং হলটো কঁপি উঠিল। পানী গিলাচ মুখলৈ নি অৰূপাই কিবা কম বুলি ভাবিছিল যদিও চক্ৰৱৰ্ত্তী তৎমূহুৰ্ত্তে ওলাই যোৱাত একো কোৱা নহ'ল।

সিহঁতে পৰেশমল্ল চক্ৰৱৰ্ত্তীৰ পৰা বিদায় ল'লে আৰু নগাঁও অভিমুখে গাড়ী চলাই দিলে। বাটত আহোতে অৰূপাই একো কথা নাপাতিলে। বাটে বাটে সকলোকে নমাই নমাই আহি ঘৰ পাওঁতে অৰূপাৰ ৰাতি ৯টা মান বাজিল। লচমিয়ে পঢ়ি আছিল। তাই মাকৰ মাত শুনিয়েই দৌৰ মাৰি ওলাই গৈ সাৱটি ধৰিলেগৈ। অৰূপাই তাইক গালে মুখে হাত বুলাই মৰম কৰিলে আৰু ভিতৰলৈ আনি গমৰ লাড়ু কেইটা তাইৰ হাতত দি অনিলৰ ওচৰলৈ আগবাঢ়ি গ'ল। অনিলেও হাতত বাতৰি কাকতখন লৈ আগবাঢ়ি আহি সুধিলে— আহিলা অৰু ?

— অঁ দেখি হ'ল নহয় !

— অলপটো দেখি হবই।

— পিছে মিটিং কেনে হ'ল ?

— ভালেই হৈছে, পিছে তোমাৰ বন্ধুৱনীয়েহে একেবাৰে মালিকী পক্ষ সমৰ্থন কৰি কথা কৈছে ?

- পিছে তোমালোকে কি কৰিলা ?

— আমাৰ ৰূপালী ভট্টই ভালদৰে ক'লে।

— ভাল কৰিলা। ভাল কাম কৰিবলৈ যাওঁতে বাধা পাবাই। সেইবোৰ মন দিব নালাগে।

— মা, মা তুমি গা-ধোৱা, ভাত হ'লেই।

লচমিয়ে মাকৰ ওচৰলৈ আহি আকৌ আচলত ধৰিলেহি।

— মাজনী তুমি মনেশ্বৰক ভাত দিবলৈ কোৱাগৈ মোৰ গা-ধোৱা এইমাত্ৰ হবই। যোৱা মাজনী। লচমি পাকঘৰলৈ দৌৰ মাৰিলে। অৰূপাই গা-ধুবলৈ বাথৰুমলৈ সোমাল।

সিহঁতে ভাত খাই সোনকালে শুবলৈ গ'ল। অৰূপাৰো বৰ ভাগৰ লাগিছিল।

পিছদিনা ৰাতিপুৱা চাহ খাই থাকোতে অৰূপাই অনিললৈ চাই ক'লে— কালি জানা বাগানত বহুত শ্ৰমিক মহিলা গোট খাইছিল তাৰে কিছুমান বয়সস্থ আছিল। তেওঁলোকৰ নাক, বাহু, কপাল আদি বিভিন্ন স্থানত কলা চিয়াহীৰে আঁকা। কি বাৰু ?

অনিলে হাঁহিলে আৰু চাহৰ কাপটো হাতত লৈ ক'লে— সেইবোৰ চিয়াহী নহয়। তাক খদনা বোলে।

— খদনা ?

— ওঁ খদনা। খদনা হ'ল মুখ, বুকু, হাত, বাহু, নাক আদিত আঁকি লোৱা বিভিন্ন ফুলৰ চানেকী। এই চিহ্নবোৰ একৰকম বেজিৰে খুছি খুছি খোদিত কৰা হয় আৰু এই দাগ চিৰদিনৰ কাৰণে থাকি যায়। এইটো হ'ল চাহজনজাতি সমাজৰ স্বকীয় বৈশিষ্ট। প্ৰত্যেকজন চাহজনজাতি লোকক তেওঁলোকৰ কথা বতৰা পিন্ধন উৰণ আদিৰ দ্বাৰা চিনিব পৰা যায় কাৰণ সেই বোৰত সিহঁতৰ একো একোটা স্বকীয় বৈশিষ্ট থাকে। তাৰোপৰি তেওঁলোক কি জাতিৰ লোক তাকো সহজে ধৰিব পাৰি।

সেইটোৱেই হ'ল খদনা। খদনাৰ প্ৰতিশব্দ নাই, হিন্দী ভাষাতো খদনা বুলিয়েই কয়।

এই খদনা সকলোৱে দিব নোৱাৰে। খদনা দিয়া এবিধ জনজাতি আছে সেই জনজাতিসকলক বাইচ্‌কাৰ বুলি কয়। এই বাইচ্‌কাৰবিলাকৰ ভিতৰতো কিছুমানেহে এই কাম কৰে, সকলোৱে নকৰে। সাধাৰণতে নাগপুৰত থকা অঘৰীসকলে এই খদনা দিয়া কামটো কৰে। খদনা সাধাৰণতে ঠাণ্ডা দিনতহে দিয়ে কাৰণ গৰম দিনত খদনা দিলে ঘাঁ হব পাৰে আৰু নজনা মানুহে দিলেও ঘাঁ হব পাৰে। খদনাৰ কিছুমান নক্সা থাকে। যি গৰাকী মাইকী মানুহে সাধাৰণতে যিটো নক্সা পছন্দ কৰে সেইমতেই খদনা দিয়ে। এবিধ জোণ্ডা বেজীৰ নিচিনা বস্তু আছে সেই বেজীটো এবিধ কলা তেলত জুবুৰিয়াই ছালত খুছি খুছি খদনা দিয়ে যেতিয়া খদনাৰ তেলটো শুকাব তেতিয়া যি নক্সা আগত ৰাখি খদনা দিছিল সেই নক্সাৰ ফুলটো স্পষ্ট হৈ উঠিব। খদনা দিওতে দিওতাজনে মনে মনে গীত গাই খদনা দিয়ে। খদনা দিয়াসকলক যথোচিত মাননী দিব লাগে। চাহ জনজাতিৰ প্ৰায় সকলো মহিলাই কম বেছি পৰিমাণে খদনা লয়। অৱশ্যে প্ৰতি জাতিৰ নক্সা বেলেগ বেলেগ। ওৰাং, মুণ্ডা, চাওতাল, কুৰ্মীসকলে খদনা লয়।

আটাইতকৈ বেছি পৰিমাণে খদনা লয় উড়িয়াসকলে। উৰিষ্যাত খদাল বুলি এটা জাতি আছে সেই খদাল জাতিটোৱে বেছিকৈ খদনা লয়। ওৰাং, মুণ্ডাসকলৰ মহিলাই খদনা নললে বিয়াত বহিবই নোৱাৰে। কুৰ্মী আৰু চাওতালসকলে খদনা নোলোৱা ছোৱালী অশুচী বুলি ভাবে।

– তেনেহলে ফুলমতিয়ে খদনা লৈছিল।

— ও হয়তো লৈছিল। তাই যেতিয়া চাওতাল গাভৰু আছিল গতিকে তাই খদনা লবই লাগিব। কিন্তু আজি অসমত সেই

প্ৰথা নাই। দিন পুৰণি হোৱাৰ লগে লগে আগৰ ৰীতি নীতি সলনি হৈছে।

— বাৰু তুমি যে ডায়েৰীখন পঢ়িছিলা তাত ফুলমতিয়ে খদনা লোৱাৰ কথা লিখা আছিলনে ?

— ঔ আছিল। ফুলমতিয়ে বোলে নাকৰ ওপৰেদি কপাললৈ বোৱাই খদনা লৈছিল। আৰু খাৰুৰ পৰিবৰ্ত্তে হাতৰ ঠাৰিত ফুল তুলি লৈছিল। গালত তিনিটাকৈ দাগ দিছিল কাৰণ তাই বোলে বৰ ধুনীয়া আছিল। পুৰুষৰ লুলোপ দৃষ্টিৰ পৰা ৰক্ষা পাবৰ কাৰণে বোলে তাই বেছিকৈ খদনা লৈছিল আৰু ডায়েৰীত লিখা আছিল Black Beauty ত ভোল যোৱা চাহাবে বোলে ফুলমতিক কাহাৰৰ আন বাগানলৈ চালান দি পগলা হোৱাদি হৈছিল আৰু অনুতপ্ত হৈছিল। তাৰ সদায় মনত পৰিছিল ফুলমতিৰ বুকুৰ উতপ্ত পৰশ আৰু নিবিড় আলিঙ্গনৰ কথা। কিন্তু নিবিড় আলিঙ্গনৰ সুবিধা লৈ সি কৰিছিল পাশৱিক অত্যাচাৰ সেইহে সি টোপনিতে শুনিবলৈ পাইছিল ফুলমতিৰ উচুপনি। সি এদিন ঠিৰাং কৰিলে বোলে সি ফুলমতিক বিচাৰি যাব আৰু ফুলমতিৰ পেটৰ সন্তানটোক সি পিতৃৰ মৰ্য্যদা দিব, শিক্ষা দিবৰ কাৰণে সি দেশলৈ লৈ যাব। প্ৰেমৰ দুৱাৰ খুলি সি কৰা ভুলৰ কাৰণে ভগৱানৰ ওচৰত বাৰে বাৰে প্ৰাৰ্থনা কৰিলে। ভুলৰ বাবে ক্ষমা বিচাৰিলে। অনিলে লৰালৰিকৈ চাহখিনি খাই শেষ কৰিলে আৰু ভিতৰলৈ সোমাই গ'ল।

সেইদিনা আবেলি লক্ষ্মণ অৰূপাইঁতৰ ঘৰলৈ আহিল। অৰূপাই তাক বহিবলৈ দিলে। লক্ষ্মণে সুধিলে— দিদি, আপোনালোকৰ মিটিং ভালেৰে গ'লনে ?

— হ'ল লক্ষ্মণ। কিন্তু ভাবিছিলো আমি নিস্বাৰ্থভাবে যি কাম কৰিবলৈ আগবাঢ়িছো তাত কোনো বিভেদ নহব, কিন্তু বিভেদ হ'ল।

— কি হ'ল দিদি ?

— সেইখন মিটিঙত আমাৰ মাজতে আমাৰ বিপক্ষে কাম কৰা মানুহ ওলাইছে।

— হয় নেকি দিদি ?

লক্ষ্মণে হুমুনিয়াহ কাঢ়িলে আৰু তললৈ মূৰ কৰি ক'লে আমিনো কি কম— আপোনালোকতো সকলো শিক্ষিত লোক আছে। ইমান দিন যদি আমাৰ কথা চিন্তা কৰা মানুহ ওলালহেঁতেন তেনেহলে আমাৰ জীৱন এনেদৰে নিৰ্য্যাতিত হব নালাগিলহেঁতেন। আমিও শিক্ষা দীক্ষা লৈ জগতৰ পোহৰ দেখা পাবলৈ সমৰ্থ হলোঁহেঁতেন।

— লক্ষ্মণ শুনা। আমাৰ গাত যিমানবোৰ বেয়া গুণ আছে সেইবোৰ আতৰাই আত্মাক বিচাৰি উলিয়াব পাৰিব লাগিব। প্ৰতিজন ব্যক্তিৰ ভিতৰত যি আত্মা আছে সেয়াই ভগৱান। সেইছে আমি সেই ভগৱানক বিচাৰি যাব লাগিব আৰু নিজৰ স্বাৰ্থ ত্যাগ কৰি সাৰ্ব্বজনীন প্ৰেমক প্ৰথম স্থান দিব লাগিব সেইয়ে হলে তোমাৰ আৰু মোৰ ভিতৰত প্ৰভেদ নাথাকিব। তেতিয়াহে আমি আত্মাৰ পৰম

শুদ্ধতা আৰু আনন্দ লাভ কৰিব পাৰিম।

লক্ষ্মণে অৰুপালৈ একেথৰে চাই থাকিল। সি ইমানবোৰ কথা বুজি নাপালেও এটা কথা বুজি পালে যে অৰুপাৰ সিহঁতৰ প্ৰতি যি আন্তৰিকতা গঢ়ি উঠিছে সি সাগৰৰ দৰে বহল, আকাশৰ দৰে উদাৰ, আৰু সেউজীয়া ৰঙৰ দৰে পৱিত্ৰ।

লক্ষ্মণৰ চকুহুটা চলচলীয়া হ'ল আৰু অৰুপালৈ সজল নয়নেৰে চাই থাকিল। অৰুপাই হাঁহি মাৰি ক'লে—লক্ষ্মণ, ভাব প্ৰৱণতাৰে একো কাম সমাধা নহয়। কাম সমাধা কৰিবলৈ হ'লে আমাক লাগিব আত্মসংযম, শৃঙ্খলিত মন আৰু প্ৰেমেৰে ভৰা এখন হৃদয়। তাই আকৌ ক'লে—মানুহৰ জীৱন দুখ আৰু নিৰ্য্যাতনৰ অগ্নিত তিল তিলকৈ জাহ যায় কিন্তু নিজৰ কৰ্ত্তব্য আৰু আনন্দপূৰ্ণ মনেৰে মানুহে চৰম দুৰ্গতিৰো সন্মুখিন হ'ব পাৰে। তেনে কৰিলে সোণ পুৰিলে উজ্জ্বল হোৱাৰ দৰে মানুহৰ মন আৰু আত্মা উজ্বল হয় আৰু আনকো উজ্জ্বল কৰে। তাই অলপ পৰ ৰ'ল আৰু হাঁহি হাঁহি লক্ষ্মণলৈ চালে—বাৰু এই বোৰ বাদ দিয়া। এতিয়া কোৱা তোমাক চাবলৈ কেতিয়া আহিব?

সি লাজ কৰিলে আৰু দেওবাৰে আহিব বুলি কৈ যাবলৈ ঠিয় হ'ল।

—লাজ কৰিব নালাগে দিয়া। বিয়া কিবা তোমাৰহে হবনে? সোনকালে বিয়া হ'লে ভালহে হব।

সিহঁতে কথা পাতি থাকোতেই অনিলৰ গাড়ী বঙলালৈ সোমাই আহিল।

—মই যাও দিদি।

—ও যোৱা বাৰু।

তাক বিদায় দি তাই গাড়ীখনৰ ওচৰলৈ আগবাঢ়ি গ'ল।

— অনিলে গাড়ীৰ দৰজাখন খুলি তাইৰ কান্ধত হাত থৈ ক'লে বৰ

ভাল খবৰ অৰূপা ?

—কি ভাল খবৰ অনিল ?

—বলা ভিতৰত কম।

ভিতৰলৈ গৈ অৰূপাই অনিলৰ হাতখনত ধৰি আগেই সুধিলে কোৱানা কি খবৰ ?

—অনিলে বিচনাখনতে বহিল আৰু অৰূপাক ওচৰলৈ টানি আনি ক'লে— ভাল খবৰ মানে red cross society য়ে তোমাৰ চিঠি পাইছে আৰু সেই চিঠি মৰ্ম্মে Indian red cross society য়ে তোমালোকৰ সম্বাৰ্থে baby food আৰু শিশুৰ উপযোগী কাপোৰ পঠাব।

—হয়! অৰূপাই আনন্দতে অনিলৰ মূৰটো বুকুত সাৱটি ধৰি কপালতে চুমা খাই দিলে।

অনিলে অৰূপাৰ হাতখন এৰুৱাই দি ক'লে— ৰবা ৰবা লগতে আৰু এটা খবৰ আছে।

—কি খবৰ ?

—বেয়া খবৰ।

—বেয়া খবৰ ?

—হঁ বেয়া খবৰ। অনিল গহীন হৈ ক'লে।

অৰূপাৰ হাঁহি লগে লগে বন্ধ হ'ল আৰু বহলাই চকুহাল মেলি অনিললৈ চালে।

—জানা অৰূপা মানুহে যেতিয়া ভাল কাম কৰিবলৈ আগবাঢ়ে তেতিয়া বহুত বিপদৰ সন্মুখিন হব লগা হয়— কিন্তু জানিবা বিপদৰ মাজেদিহে ভাল কামবোৰ সামাধা কৰিব পাৰি।

কথা কৈ কৈ অনিলে পকেটৰ ভিতৰৰ পৰা চিঠিখন উলিয়ালে চিঠিখনত লিখা হৈছে যে কোনো কাৰণতে যাতে বাগানৰ স্বাৰ্থৰ ব্যতিৰেকে কাম কৰা নহয় আৰু নিচে অৰূপা চৌধুৰীক তেওঁক

সম্থাৰ পৰা আঁতৰি যাবলৈ কোৱা হৈছে।

অৰূপাই চিঞৰি দিলে— নাই নাই এইটো হব নোৱাৰে। মালিকে মোক ভাবুকি দিছে। মই সন্থাৰ পৰা আঁতৰি যাম কিহৰ কাৰণে। ওঁহো কেতিয়াও হব নোৱাৰে।

—ৰবা অৰূপা ইমান অধৈৰ্য্য নহবা। ধৈৰ্য্য সহকাৰে সকলো কাম কৰিব লাগিব। চিঠিখনত তোমাক Order দিয়া নাই। এটা request হে কৰিছে গতিকে আমি মালিকক বুজাব লাগিব। তোমাৰ উদ্দেশ্য তোমাৰ কামৰ ব্যাখ্যা মালিকৰ ওচৰত দাঙি ধৰিব লাগিব। মই জানো তাৰ ফল নিশ্চয় ভাল হ'ব। আমাৰ মালিক বৰ উদাৰ আৰু ভাল মানুহ। কোনোবাই নিশ্চয় তেওঁক বেয়াকৈ লগাইছে।

—তেনেহলে কালিলৈকে আমি তেওঁৰ ওচৰলৈ যাওঁ বলা?

—মই কিয় যাম? তোমালোক মহিলাসকল যোৱা। তেওঁক তোমালোকৰ উদ্দেশ্য বুজাই দিয়া আৰু শুনা, এটা কথা তোমালোকে কবা যে তোমালোকৰ সন্থাৰ পৰা একো বেয়া হোৱা নাই বৰঞ্চ বাগানত উৎসাহ উদ্দিপনা বাঢ়িছে, কৰ্ম প্ৰেৰণাহে পাইছে।

—অঁ তুমি ঠিকেই কৈছা। আমি মহিলাসকলেই যাম। তুমি আমাৰ মাজত সোমাব নালাগে।

—হাসনাকো লৈ যাবা।

—ওঁ তাইকতো নিবই লাগিব।

অৰূপা চিন্তিত হ'ল আৰু হাতত চিঠিখন লৈ ভিতৰলৈ সোমাই গ'ল।

— x —

মালিকৰ চিঠিখন পোৱাৰ দুদিনমানৰ পিছতে অৰূপাই ছুগৰাকী মহিলা লগত লৈ ডিব্ৰুগড়লৈ যাওনা হ'ল। দিনৰ প্ৰায় ২টা মান বজাত সিহঁত ডিব্ৰুগড় পালেগৈ আৰু আহল বহল কম্পাউণ্ডৰ লোহাৰ গেটখন খুলি গাড়ীখন সুমুৱাই দিলে অৰূপা-ইঁতৰ ড্ৰাইভাৰ কাজলে। গাড়ী গৈ বাংলাৰ ওচৰত ৰ'লগৈ। অৰূপাহঁত নামি ড্ৰইং ৰুমৰ বাৰান্দাত ঠিয় হ'ল আৰু কলিং বেলটো টিপি দিলে। ক্ষন্তেক পিছতে লৰা এটা ওলাই আহি সুধিলেহি কাক লাগে? অৰূপাই ক'লে- আমি পঞ্চৱতী চাহবাগানৰ পৰা আহিছো মালিকক লগ পাব লাগে। কাৰ্ড এখন লৰাটোৰ হাতত দি অৰূপাহঁত ক্ষন্তেক ৰ'ল।

লগে লগে কাৰ্ডখন হাতত লৈ সদানন্দ বৰুৱা ওলাই আহিল আৰু তেওঁলোকক ভিতৰলৈ লৈ গৈ বহিবলৈ দিলে। সদানন্দ বৰুৱা ব্যক্তিত্বসম্পন্ন ব্যক্তি, ওখ পাখ মিঠা ৰঙৰ বেচ কোমল মুখাবয়ৱৰ এজন উদ্যোগী পুৰুষ যেনেই লাগিল।

ইমান দিন যদিও তেওঁৰ বাগানতে অনিলে কাম কৰি আছে তথাপিও অৰূপাই কিন্তু সদানন্দ বৰুৱাক লগ পোৱা নাই। অৰূপাই চাৰিওফালে চকু ফুৰালে - কোঠালিটো বেচ পৰিপাটি। শিল্পী মনেৰে সজাই থোৱা এটা ড্ৰইং ৰুম। প্ৰতিটো বস্তুতে যেন কোনোবা শিল্পীৰ হাতৰ পৰশ।

সদানন্দ বৰুৱা ডাঙৰ বহল চোফাখনত বহিল আৰু গুৰু গম্ভীৰ স্বৰেৰে সুধিলে— পিছে আপোনালোক অহাৰ কাৰণ?

—আপোনাৰ পৰা এখন চিঠি পাই আহিলো।
—তাৰ মানে আপুনি অনিন্দ চহৰীয়াৰ মিচেচ্ ?
—হয় মোৰ নাম অৰূপা চহৰীয়া আৰু এওঁলোক হ'ল সন্থাৰ সদস্যা মিচেচ্ হাসনা, মিচ সৰস্বতী, মিচ দময়ন্তী আৰু এওঁ হ'ল মিচেচ্ দত্ত।

সদানন্দ বৰুৱা গহীন হ'ল আৰু তেওঁলোকলৈ স্থিৰ দৃষ্টি ৰাখি সুধিলে - আপোনালোকে বাগানত শিশু কল্যাণ সন্থা এটা খুলিছে ?
—হয়।
—উদ্দেশ্য ?
—উদ্দেশ্য হ'ল চাহবাগানৰ লৰা-ছোৱালী আৰু মাতৃসকলৰ সকলো প্ৰকাৰৰ উন্নতি সাধন কৰা।
—হোঁ ? সদানন্দ বৰুৱাই হাঁহিমাৰি ক'লে— আমি কি বাগানৰ লৰা-ছোৱালীৰ উন্নতিৰ কথা চিন্তা কৰা নাই বুলি ভাবে নেকি ?
—তেনেদৰে ভবা নাই। কিন্তু বহু দিশ এতিয়াও অন্ধকাৰতে আছে আমি চেষ্টা কৰিছো—
—পোহৰ বিলাব পাৰিব বুলি— সদানন্দ বৰুৱাই কথাটো মুখ পাতি লৈ হাঃ হাঃ কৰি হাঁহিলে আৰু চকিখনৰ কাষতে থকা Calling bell টো টিপি দিলে।

তেওঁৰ কথাত অৰূপাহঁতৰ খং উঠিল যদিও ধৈৰ্য্য ধৰিলে। বেলৰ মাত শুনি লৰা এটা দৌৰি আহি সদানন্দ বৰুৱাৰ ওচৰত ৰ'লহি। বৰুৱাই তালৈ চাই ক'লে— যা, বাইদেউৰাক মাতা বুলি কগৈ।

লৰাটো গ'লগৈ। বৰুৱাই আৰম্ভ কৰিলে— বৰ ভাল কথা। আপোনালোকৰ আঁচনিৰ কাৰণে ধন্যবাদ।

তেওঁৰ কথাবাৰ শেষ হোৱাৰ লগে লগে সোমাই আহিল সুগঢ়ী মিঠা লগা হাঁহিৰে এগৰাকী মহিলা। আহিয়েই তেওঁ হাতজোৰ

কৰি নমস্কাৰ কৰিলে। অৰূপাইঁতৰ বুজিবলৈ বাকী নাথাকিল যে তেৱেঁই ভাগ্যৱতী সদানন্দ বকৱাৰ পত্নী বস্তি বকৱা।

বকৱাই মুখখন ঘুৰাই বস্তিলৈ চাই ক'লে— বস্তি, এওঁলোক শিশু কল্যাণ সন্থাৰ কৰ্ম্মীবৃন্দ। মোৰ চিঠিখন পাই একেবাৰে দলে-বলে ধৰ্ণা দিবলৈ আহিছে। বকৱাই আকৌ জোৰেৰে হাঁহিলে আৰু হাঁহি হাঁহি ক'লে— এতিয়া যোৱা অতিথিৰ সেৱা শুশ্ৰূষাৰ ব্যৱস্থা কৰাগৈ।

হাসনাই কিন্তু বুজিলে মানুহজন যিমানেই নহওক লাগে ৰসিক কিন্তু হয়।

— বাৰু কি কাৰণে আপোনালোকে এই সন্থা খুলিবলৈ মন কৰিলে। বকৱাই সুধিলে।

হাসনাই হাঁহি মাৰি উত্তৰ দিলে— আজি আধুনিক যুগতো বাগানৰ লৰা-ছোৱালীবিলাকৰ মানসিক হওঁক বা শাৰিৰীকেই হওঁক কোনো উৎকৰ্ষ সাধন হোৱা নাই। আমি বাগানত থাকিও যদি সিহঁতৰ কাৰণে একো নকৰো তেনেহলে অন্যায় নহব জানো ?

— অন্যায় ? সদানন্দ বকৱাই হাঁহিলে

এইবাৰ হাসনাৰ খং উঠিল। অন্যায় নহয় কি ? আজি চাহ জনজাতি অসমৰ জাতি গোষ্ঠীৰ এক অংশ। অসমৰ কৃষ্টি সংস্কৃতিৰ লগত তেওঁলোক একাত্ম হৈ পৰিছে, তথাপি তেওঁলোক প্ৰাপ্য বস্তুৰ পৰা আজিও বঞ্চিত। তাৰ কাৰণে তেওঁলোকৰ ভিতৰত ক্ষোভ জন্ম হৈছে, বিদ্ৰোহৰ ফুলিঙ্গ উৎপন্ন হবলৈ আৰম্ভ কৰিছে। গতিকে আমি তেওঁলোকৰ মনৰ পৰা কেনেকৈ ক্ষোভ আতৰি যাব পাৰে তাৰে ব্যৱস্থা কৰিছো। আপুনি ভাবি চাওকচোন চাহ জনগোষ্ঠীক অনুসূচীত জাতি হিচাবে আজিও স্বীকৃতি দিয়া হোৱা নাই। Tea plantation labour act সংশোধন হোৱা নাই। চাহ বাগিচাৰ সকলো প্ৰাইমেৰী স্কুল চৰকাৰৰ অধীনলৈ যোৱা নাই, শ্ৰমিকসকলৰ

ৰেচনৰ মান উন্নত নহয়। প্ৰতিখন চাহ বাগিচাত বা জনজাতি অধ্যুষিত অঞ্চলত প্ৰাক-প্ৰাথমিক বিদ্যালয় খুলিব লাগিছিল কিন্তু আজিলৈকে খোলা হোৱা নাই। চাহ শ্ৰমিকসকলৰ কলা-সংস্কৃতি বিকাশৰ কোনো সুবিধা নাই। ক্ৰীড়াপ্ৰেমীসকলো উপযুক্ত প্ৰশিক্ষণৰ পৰা বঞ্চিত, তাৰোপৰি পৰিয়ালৰ লোকৰ সংখ্যা বেছি হলেও এটা ঘৰহে আবণ্টন কৰা হয়। ছুটীৰ দিনা কোনো দৰমহা মজুৰী দিয়া নহয়। এনে বঞ্চনা শ্ৰমিকসকলে বাৰু কিমান দিন ভোগ কৰিব?

হাসনাই এনে উশাহতে কথাখিনি কৈ যোৱা শুনি সদানন্দ বৰুৱাই এক প্ৰকাৰ আচৰিতেই হ'ল। বাগানৰ মালিকৰ ওচৰত মুখ খুলি কথা কবলৈ এবাৰ ভাবিব লাগে। কিন্তু হাসনাৰ সাহস আৰু উদ্দীপনা দেখি তেওঁ সন্তুষ্ট নহৈ নোৱাৰিলে। তেওঁ গহীন হৈ ক'লে – কথাবোৰ মিছা নহয় যদিও কিছুমান নোহোৱাকৈ থকা নাই। কিন্তু আমি কৰো বুলি কিছুমান কাম কৰিব নোৱাৰো। আগৰে পৰা কিছু বাধা আমাৰ ওপৰত আৰোপিত হৈ আছে।

--চাওক শ্ৰমৰ মৰ্য্যদা পৃথিৱীতে আছে আৰু সেই মৰ্য্যদা আমি দিব লাগে। আমি যদি শ্ৰমৰ মৰ্য্যদা নিদিও বা তেওঁলোকৰ সতি সন্তানসকলৰ উন্নতি কামনা নকৰো তেনেহলে তেওঁলোকৰ মন বিদ্ৰোহী হৈ উঠাটো স্বাভাৱিক। আপুনি ভাবি চাওক আন ঠাইত তেওঁলোকে অনুসূচিত জাতি জনজাতিৰ মৰ্য্যদা লাভ কৰিছে। কিন্তু অসম ভূমিত তেওঁলোক বঞ্চিত হৈ থাকিব লগা হৈছে। স্কুল ঘৰৰ অৱস্থা ভাল কৰিব পাৰি, শিক্ষক নিয়োগৰ ক্ষেত্ৰত আসোৱাহ আঁতৰাব পাৰি কিন্তু আপোনালোকে কৰা নাই। স্কুলৰ মাটি স্কুলৰ নামত কাটি দিলে চৰকাৰৰ সকলো সুবিধা স্কুলবোৰে পাব কিন্তু বাগানৰ মাটি স্কুলৰ নামত দিয়া হোৱা নাই।

সদানন্দ বৰুৱাই হাসনাৰ কথাবোৰ শুনি ভাবি ভাবি ৰহি থাকিল।

সেইখিনি সময়তে বস্তি ওলাই আহিল আৰু সকলোকে চাহ খাবলৈ ভিতৰলৈ মাতি নিলে ! সকলো খোৱা টেবুলত বহিল, বৰুৱা বাহিৰলৈ ওলাই গৈ চিগাৰেট এটা জ্বলাই হুপিবলৈ ধৰিলে।

বস্তিয়ে প্লেটবোৰত খোৱাবস্তু পৰিবেশন কৰি হাস্‌নালৈ চাই ক'লে— জানো, ময়ো সম্বাত সোমাম বুলি ভাবিছো এইদৰে আৰু নোৱাৰি ?

—আপুনি ? হাস্‌নাই আচৰিত হৈ সুধিলে।

—ওঁ ময়ো। আমাৰ এওঁ বৰ ভাল। আপোনালোকৰ সম্বাটোৰ কাৰণে বৰ ভাল পাইছে ! কিন্তু কিছুমান মালিক মেনেজাৰে এওঁক ধৰিছে— তেওঁলোকৰ ধাৰণা— বেছি সুবিধা দিলে শ্ৰমিকসকলৰ পৰা কাম আদায় কৰাত অসুবিধা হব। আচলতে সেইটো মিছা কথা নহয় জানো ?

- মিছাতো। হাস্‌নাই চাহ এধোক খাই ক'লে-- আমি তেওঁলোকৰ পৰা শ্ৰম আদায় কৰিলো বুলিয়েই ন্যায্য প্ৰাপ্যৰ পৰা বঞ্চিত কৰাটো আমাৰ নীতি হ'ব নোৱাৰে।

—আগৰ দিন নাই। আমি সকলোকে প্ৰেমেৰে হৃদয় জয় কৰিবলৈ চেষ্টা কৰিব লাগিব।

বস্তিয়ে হাঁহি মাৰি ক'লে - কি হ'ব আমাৰ এওঁলোক বঙা ফিটাৰ মেৰপাকৰ পৰা এতিয়াও সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাই।

বস্তি বৰুৱাৰ কথাত অকণাই চাহ খাই খাই এটা প্ৰশস্তিৰ হাঁহি মাৰিলে।

বস্তিয়ে তেওঁলোকৰ চাহ খোৱা চাই চাই ক'লে— আমি যি কাম কৰো তাৰ ফল আমি ভোগ কৰিবই লাগিব। জীৱন সাৰ্ব্বজনীন কৰিবৰ হলে সকলো প্ৰাণীৰ লগত আমি আন্তৰিক সংযোগ স্থাপন কৰিব নোৱাৰিলে জীৱনেই বৃথা। আমাৰ চাৰিওফালে যি বিশ্ব ব্ৰহ্মাণ্ড আছে সেইয়া জানো আমাৰ আত্মাৰ গুৰুত্বৰ ছবি

নহয় ? আজিলৈকে যিবোৰ কাম কৰি আমাৰ অভিজ্ঞতা হৈছে সেয়ে যদি আমাক জগতৰ সকলো প্ৰাণীৰ লগত সমন্বয়ৰ আনন্দ দান কৰিব পাৰে তেনেহলে আমি সৃষ্টিৰ মাজতে থাকি কিয় বিৰোধ কৰো ? কথা কওঁতে বস্তিৰ মাতটো বেজাৰেৰে সেচি ধৰা যেন লাগিল তেওঁ আকৌ ক'লে বুজিছে, মানুহে নিজৰ দোষত্ৰুতিৰ কথা নেদেখে আৰু ঐশ্বৰিক আত্মাৰ বিমূৰ্ত্ত স্বৰূপটো উপলব্ধি কৰিব নোৱাৰে।

হাস্‌নাই বস্তিলৈ থৰ লাগি চাই থাকিল কপালৰ আগত উৰিফুৰা মিহি মিহি চুলি, দীঘল বৈ পৰা চেলাউৰি। উজ্বল চকু, মিহি নিমজ আপেলৰ ৰঙৰ দৰে ৰঙা পৰা ডুখন গাল কিমান মৰম লগা।

হাস্‌নাই তেওঁলৈ চাই থাকোতেই অৰূপাই সুধিলে— আপোনাৰ লৰা-ছোৱালী।

— নাই— বস্তিয়ে হাঁহিলে।

— O sorry অৰূপাই ক'লে।

— নাই নাই একো নাই। এইবোৰ সকলো ভগৱানৰে ইচ্ছা। আজি বিয়া হোৱা ১২ বছৰ হ'ল। কত ডাক্তৰ, কবিৰাজ, বেজ, জ্ঞানী, তীৰ্থস্থান সকলো মিছা বুজিলে ঈশ্বৰে দিও বুলিলে কোনে ৰাখিব পাৰে। সেই কাৰণে মই আপোনালোকৰ সম্থাতে সোমাব খুজিছো। নিজৰ নহলেও আনৰ সন্তানৰ কাৰণে অন্ততঃ কিবা এটা কৰিব পাৰিম। আমি যেতিয়া মাতৃজাতি সকলো সন্তানেই আমাৰ নহয় জানো ?

সেইখিনি সময়তে সদানন্দ বৰুৱা সোমাই আহিল আৰু চকি এখনত বহি লৈ ক'লে— আপোনালোকৰ চাহ খোৱা হ'লনে ?

— হয়। আমি কথাহে পাতি আছো।

— বাৰু আমি তেনেহলে এতিয়া আচল কথালৈ আহো।

বস্তিয়ে কাপ প্লেটবোৰ লৈ গ'ল আৰু বৰুৱাই কথা আৰম্ভ

কৰিলে। অলপতে আমাৰ এখন মিটিং হৈছিল আৰু তাত আপোনা-লোকৰ সন্থাৰ বিষয়ে কথা ওলাইছিল। বহুতে অৱশ্যে বাগানৰ স্বাৰ্থত কিবা হানি হব পাৰে বুলি ভয় খাইছে কিন্তু আপোনালোকে যিটো আঁচনি লৈছে সেই আঁচনিত বাগানৰ ক্ষতি হবলগীয়া কোনো কাৰণ নাই। কিন্তু চাব—সন্থাৰ গইনা লৈ যাতে কোনোবা সুবিধাবাদীয়ে সুবিধা নলয়। red cross society ৰে গাখীৰ আৰু কাপোৰ পঠাব বুলি মোলৈকো খবৰ দিছে তাৰোপৰি আপোনালোকে নিজাববীয়াকৈ শিশুৰ স্বাস্থ্য ৰক্ষাৰ যি ব্যৱস্থা হাতত লৈছে সঁচাকৈয়ে সেইটো বৰ সুখৰ কথা। শিশুৰ উন্নতিয়ে দেশৰ উন্নতি। কিন্তু মনত ৰাখিব ভাল কামৰ আঁচনি সফল কৰিবলৈ যাওতে যথেষ্ট বাধাৰ সন্মুখিন হব লাগিব। তাক অতিক্ৰম কৰিব পাৰিব লাগিব। মই বাৰু যিমান পাৰো সহায় কৰিম। বৰুৱাই অৰুপালৈ চাই ক'লে—চিঠিখনৰ কাৰণে বেয়া নাপাব সেইয়া মোৰ নিজা মত নহয়।

—অশেষ ধন্যবাদ। আমি আপোনাক লগ পাই নিজকে ধন্য মানিছো।

বন্তিয়ে কথাৰ মাজতে ক'লে—ময়ো আপোনালোকৰ সন্থাত সোমাই নিজকে ধন্য কৰিব খুজিছো।

বন্তি আৰু আন সকলোৱে হাঁহিলে। বৰুৱাই হাঁহিমাৰি ক'লে—আজি মোৰ কি ভাগ্য বহুত দিনৰ মূৰত মই এওঁৰ মুখত হাঁহি দেখিলো।

কথাষাৰে সকলোৰে অন্তৰ চুই গ'ল। বন্তিয়ে আকৌ ক'লে—সদায় ক্লাব ক্লাব। ভাল নালাগে। এতিয়াই আপুনি কৈ দিয়ক—দিবনে নিদিয়ে? বৰুৱাই হাঁহি হাঁহি ক'লে—হব, হব মই অনুমতি দিলো। বন্তিয়ে অৰূপাক সাবটি ধৰিলে। অৰুপাই হাঁহি হাঁহি ক'লে—আজিৰ পৰা তেনেহলে আমি বাই ভনী হলো।

সকলোৱে হাঁহিলে আৰু প্ৰসন্নচিত্তে বস্তিহঁতৰ পৰা বিদায় ললে।

সদানন্দ বৰুৱা বাৰান্দাতে ঠিয় হৈ থাকিল। বস্তিয়ে গাড়ীৰ ওচৰলৈ আহি সজল চকুহালেৰে বিদায় দি ক'লে— আকৌ আহিব আমি একেলগে কাম কৰিম। বস্তিয়ে হাঁহি হাঁহি হাত জোকাৰি দিলে। অৰূপাইহঁতেও হাত জোকাৰিলে। গাড়ী সদানন্দ বৰুৱাৰ বিৰাট হাউচীৰ পৰা ওলাই আহিল, অৰূপাই মুখখন উলিয়াই দি দেখিলে বস্তিয়ে হাঁহি আছে বিষাদেৰে পৰিপূৰ্ণ এটা আনন্দৰ হাঁহি।

— x —

৩২

সদানন্দ বৰুৱাৰ ঘৰৰ পৰা অহাৰ পিছৰে পৰা মহিলাসকলে দুগুণ উৎসাহেৰে কাম কৰিলে আৰু অলপ দিনৰ ভিতৰতে বিভিন্ন বাগানত শিশুসকলৰ কাৰণে স্বাস্থ্য কেন্দ্ৰ গঢ়ি উঠিল। প্ৰায়বোৰ বাগানতে শিশুসকলৰ কাৰণে গাখীৰ, ঔষধ পাতি নিয়মীয়াকৈ বিতৰণ কৰিব পাৰিলে। স্কুললৈ অহা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বাঢ়িবলৈ ধৰিলে। ডিব্ৰুগড়ৰ সদানন্দ বৰুৱাৰ পত্নী বস্তি বৰুৱাই সস্থাটোৰ উপদেষ্টা হোৱাৰ পাছৰ পৰাই যেন সস্থাটোৱে নতুন প্ৰাণ পালে।

হাজাৰ হলেও বস্তি হ'ল ১০খন বাগানৰ মালিকনী। গতিকে বাগানবিলাকত সোমাই কাম কৰিবলৈ অৰূপাহঁতৰ অধিক সুবিধা হ'ল। অৰূপাহঁতে বাগানত সোমাই সভা সমিতি পাতিলে আৰু ওচৰৰ গাওঁ বিলাকতো সভা সমিতি পাতি বুজাবলৈ চেষ্টা কৰিলে যে বিভাজন নীতিয়ে এটা জাতি বা এখন সমাজক পোহৰলৈ আনিব নোৱাৰে বৰঞ্চ ধ্বংসৰ মুখলৈহে ঠেলি দিয়ে – ঘৃণা হীনমন্যতা মনৰ ঠেক মনোভাৱ পৰিহাৰ কৰি অসমৰ সমূহ ৰাইজে, চাহ জনজাতি সকলে কঢ়িয়াই অনা বিভিন্ন ভাষা, কৃষ্টি, সংস্কৃতি আকোৱালী বৃহত্তৰ অসমীয়া সমাজ গঢ়িব লাগিব। কিয়নো আড় কঠিয়া আৰু গিৰমিটিয়া পদ্ধতিৰে অহা চাহ জনজাতিসকলে দুখ কষ্টৰ মাজেদি ২০০ বছৰ পূৰ হলেও সুখৰ আশা এৰা নাই আৰু দুটি কলি এটি পাতৰ লগত জীৱন বিলীন কৰি দি অসমীয়া সমাজৰ লগত মিলি যাবলৈ আগবাঢ়ি আহিছে।

চাহ বাগানে বাগানে সভা-সমিতি কৰি আহি বস্তিহঁত দেৰগাৱৰ শান্তাহঁতৰ ঘৰত সোমাল। শান্তা বস্তিৰ এসময়ৰ বন্ধু। শান্তাৰ স্বামীয়ে এসময়ত টোকলাই গৱেষণা কেন্দ্ৰত কাম কৰিছিল। বৰ্ত্তমান অৱসৰ লৈ ঘৰতে আছে।

বাহিৰত মহিলাসকলৰ মাত শুনি শান্তা ওলাই আহি বস্তিক দেখি আচৰিত হ'ল।

—আৰে বস্তি দেখোন? কেনেকৈ আহিলি এইবাৰ হাইঠা মাটিৰ পৰিল যেন পাইছো।

—ওঁ হাইঠা যেতিয়া মাটিত পৰিল এইবাৰ আৰু ৰক্ষা নাই। যা বেগেতে চাহ একাপ কৰি আন মোৰ বৰ মূৰ বিষাইছে।

—একাপ, নে কলি?

—বাকীসকলক লোকতে আঁত শুকাই আহিছে গতিকে যা জোগাৰ কৰিছে দিব পাৰিবি। মোলৈ. বৰ্ত্তমানে খালি চাহ একাপকে আন।

—ভাল, বাক। এতিয়াই আনিছো। আপোনালোক সকলোৱে বহক। বেয়া নাপাব দেই। বহুত দিনৰ মূৰত বন্ধু পায় বৰ আনন্দ লাগিছে।

শান্তা ভিতৰলৈ সোমাই গ'ল। বন্তিয়ে আৰামী চকিখনতে হাউলী দি দেহাটো এৰি দিলে।

প্ৰায় ২ মিনিটৰ ভিতৰতে শান্তাই চাহ একাপ আনি বন্তিৰ হাতত দি ক'লে— হোঁ খা। তাৰ পিছত বাকী সকলোলৈকে চাই সুধিলে— পিছে আপোনালোকৰ আগমনৰ বিষয়ে জানিব পাৰোনে! বন্তিয়ে ক'লে— জানিবি জানিবি সকলো জানিবি। এতিয়া খোৱাৰ যোগাৰ কৰগৈ, একেবাৰে ভাতৰ বুজিলি? ভাতৰ? শান্তাই কথাষাৰ শুনি খুউব হাঁহিলে।

—হব হব যি আছে তাকে খাবি আৰু।

—যি আছে তাকেটো দিবি, নোহোৱাটো কৰবৰা আনি দিবি?

—আপোনালোক বহকচোন। পিছতো বাক কথা পাতিম।

শান্তা ভিতৰলৈ সোমাই গ'ল। বন্তিয়ে চাহকাপত সোহা এটা মাৰি অকপটে চাই ক'লে—" The effect of tea is Cooling" চাহে মেজাজো ঠাণ্ডা কৰি ৰাখে।

—হয় হয় আপুনি ঠিক কথা কৈছে বাইদেউ।

—চাৰাচোন অকণা, যেতিয়া তুমি বেছি গৰম অনুভৱ কৰা, ভাগৰ অনুভৱ কৰা, হতাশ হোৱা, মূৰ বিষাই, চকুৰ পতা বিষাই, শৰীৰৰ গাঠিবোৰ বিষাই তেতিয়া মানুহে চাহ খাব লাগে। আচলতে আমি drinks বুলিলে সাধাৰণতে মদ বুলিছে ভাবো কিন্তু চাহো এক প্ৰকাৰ drinks.

হাসনাই বন্তিৰ কথা শুনি ক'লে— বন্তি বাইদেউ' মদে মানুহৰ সুখ হৰণ কৰে আৰু চাহে মানুহৰ টোপনি হৰণ কৰে'।

হাসনাৰ কথাত সকলোৱে হাঁহি দিলে। কিমান পৰি আকাশ

শান্তাৰ বহা কোঠালিটো কন্তেকতে মুখৰিত হৈ পৰিল।

সৰস্বতীয়ে হাঁহি হাঁহি ক'লে— কথাটো একেবাৰে সঁচা। পঢ়াশুনা কৰি থাকিলে চাহ খাব লাগে তেতিয়া টোপনি নধৰে।

চাহৰ কাপটো টেবুলত থৈ বন্তিক বৰুৱাই ক'লে আমাৰ সৰস্বতীয়ে সঁচা কথাকে কৈছে— ইয়ো এক Advertisement. এইখিনি সময়তে শান্তাই বাকী মহিলাসকলৈ চাহ আনিলে। সকলোৱে চাহৰ কাপ হাতত তুলি ললে।

বন্তিয়ে কন্তেক বৈ আকৌ ক'লে চাহৰ Advertisement ৰ বিষয়ে শুনা— এসময়ত মানে খৃষ্টপূৰ্ব্ব অষ্টম শতিকাৰ মাজ ভাগত চীনা চাহ ব্যৱসায়ীয়ে ভাবিছিল যে যদি চাহৰ ব্যৱসায় উন্নত কৰিব লাগে তেনেহলে প্ৰচাৰ কৰিব লাগিব। সেই ভাবি তেওঁলোকে চীনা লেখক এজনৰ ওচৰ চাপিল আৰু তেওঁলোকৰ উদ্দেশ্য ব্যাখ্যা কৰিলে। এই প্ৰসিদ্ধ চীনা লেখকজনৰ নাম আছিল— লি, ইউ। তেওঁ ব্যৱসায়ীসকলৰ কথাত চাহৰ বিষয়ে লিখিবলৈ মত দিলে আৰু চাৰিটা খণ্ডত "Cha ching" বুলি— চাহৰ বিষয়ে এখন (ৱাইটাৰ পিচ) বৃহৎ গ্ৰন্থ লেখি উলিয়ালে এই গ্ৰন্থখনে অতি কম দিনৰ ভিতৰতে চাহৰ চাহিদা বঢ়োৱাৰ ক্ষেত্ৰত এক অভিলেখ সৃষ্টি কৰিলে বুলি কব পাৰি। কাৰণ তেওঁ লিখকজনে চাহ খোৱাৰ উপকাৰীতাৰ বিষয়ে এনে বৰ্ণনা আগবঢ়ালে যে মানুহে নাখায় থাকিব নোৱাৰিলে।

আগতে ইংলেণ্ডত চাহতকৈ কফিহে প্ৰচলন আছিল, কিন্তু কাগজে পত্ৰই চাহপাতৰ এনেদৰে প্ৰচাৰ হবলৈ ধৰিলে যে এসময়ত চাহ সকলোৰে প্ৰিয় হৈ পৰিল। ১৭১৭ খৃষ্টাব্দত থমাচ্ টুইং (Thomas Twing) নামৰ এজনে ইংলণ্ডত প্ৰথম চাহৰ দোকান খোলে আৰু মহিলাসকলক অগ্ৰাধিকাৰ দিবলৈ ধৰিলে। তাৰ পিছত চাহ হৈ পৰে পৃথিবীৰ ভিতৰতে প্ৰিয় পনীয়।

—আমাৰ অসমতো বোলে চাহৰ প্ৰচলনৰ কাৰণে চাহ ব্যৱসায়ীসকলে

গায়ে ভূপেঞ্চ গ্ৰামফোন ৰেকৰ্ড যোগে চাহৰ গীত শুনাইছিল হয়নে ? হাস্নাই সুধিলে ।

—অকল গ্ৰামফোনতে নহয় বহুত মানুহ গোটখাই গীত গাই গাই চাহৰ প্ৰতি মানুহক আকৃষ্ট কৰিছিল আৰু সৰু সৰু চাহ পাতৰ পুৰিয়া কৰি বিনামূলীয়াকৈ মানুহক খাবলৈ দিছিল । ১৯১১ চনৰ বাঁহী আলোচনীত পোৱা যায় যে তামোলবাৰীৰ চাহ অতি উৎকৃষ্ট আছিল আৰু অসমীয়া ভাষাতে তামোলবাৰীৰ চাহৰ প্ৰচাৰৰ কাৰণে গীত ৰচনা কৰিছিল ।

—স্বৰ্গীয় চন্দ্ৰ কুমাৰ আগৰৱালাদেৱ জানো তামোলবাৰী বাগিচাৰ মালিক নাছিল বাইদেউ ? অৰূপাই সুধিলে ।

—আছিল । আমাৰ আগৰৱালাদেৱেই আছিল তামোলবাৰী চাহ বাগিচাৰ মালিক । ১৮৯৬ চনত চিকাগোত হোৱা International Competition ত এই তামোলবাৰীৰ চাহপাতেই উৎকৃষ্ট বুলি প্ৰমাণিত হৈ প্ৰথম পুৰস্কাৰ লাভ কৰিছিল । সেইয়া অসমৰ কাৰণে কিমান গৌৰৱৰ কথা আছিল । বস্তিয়ে হুমুনিয়াহ কাঢ়ি আকৌ কোৱেৰে আৰম্ভ কৰিলে— আচলতে চাহৰ বিষয়ে ইউৰূপীয়সকলে ১৬শ শতিকাৰ আগলৈকে নাজানিছিলেই পৰ্তুগীজ আৰু ইংৰাজবিলাকে অসমলৈ অহাৰ পিছতে এই চাহ গছৰ বিষয়ে জানিব পাৰিলে । ১৬১০ আৰু ১৬৪৫ চনৰ ভিতৰত যেতিয়া Dutch আৰু East India Company উত্তৰ পূব সীমান্তলৈ ব্যৱসায় কৰিবলৈ আহিছিল তেতিয়াহে চাহপাত ইংলণ্ডলৈ প্ৰথমবাৰৰ কাৰণে নিয়া হৈছিল ।

সেইখিনি সময়তে শান্তাৰ স্বামী পুলকেশ হুৱৰা আহি সকলোকে নমস্কাৰ জনাই ওচৰতে বহিল । আপোনালোক অহাৰ কথা শান্তাই কৈছে— মই আৰু' কাম এটাত ওলাই গৈছিলো, অলপ দেৰি হ'ল । বৰ ভাল পালো বুজিলে । আজি কালি মানুহ ঘোৰ লগেই নোপোৱা হলো । সকলো নিজৰ কামতে ব্যস্ত.

পিছে আপোনালোকে বোলে কিবা শিশু কল্যাণ সম্থা খুলিছে। ভাল কথা শিশু আৰু মাতৃসকলৰ কল্যাণ হব লাগে পিছে আমাৰ চাহ বাগানত কিমান কাৰ্য্যকৰি কৰিব পাৰি সেইটোহে চিন্তাৰ বিষয়।

হাস্‌নাই তপৰাই উত্তৰ দিলে— আমি চেষ্টা কৰিছো। আচলতে কি জানে আজি কালি মেল মিটিং কৰি লাভ নাই। কাম কৰিব লাগিব, বাইজৰ লগত মিলি যাব পাৰিব লাগিব।

— এৰা, এৰা ঠিকেই কৈছে। আঙৰে আঙৰে বক্তৃতা মাৰি একো কৰিব নোৱাৰি। প্ৰতিটো কাম গণমুখী হব লাগে। আপোনা-লোকে নিশ্চয় পাৰিব, নাৰীজাতিয়ে নোৱাৰা কাম কিবা আছেনে? তুৰৰাই কথাটো কৈ সৰল হাঁহি এটা মাৰি আকৌ ক'লে— এনে ব্যৱস্থা আগতেই লোৱা হ'লে তেওঁলোকৰ মনত ক্ষোভৰ জন্ম নহ'লহেঁতেন।

— আগতে কেনেকৈ হ'ব? আগতে চাহাবে হেচা মাৰি ধৰি আছিল। চাহাব গ'ল অসমৰ অসমীয়া চাহাব জাক আৰু একাঠি চৰা হ'ল। এতিয়া আমাৰ দেশ গ'ল, জাতি গ'ল, এতিয়াও যদি আমি একো নকৰো তেনেহলে মানুহ হৈ জীয়াই থকাৰ অধিকাৰ ক'ত থাকিব! সেই কাৰণে আমি ওলাইছো। ভোট কিটা পাবলৈ সিহঁতক বিছাৰে আৰু চৰকাৰটো গঠন হোৱাৰ পিছত সিহঁতৰ প্ৰাপ্ত সুবিধাখিনিৰ পৰাও বঞ্চিত কৰে। অসমৰ বুকুতে সিহঁতে অতদিনে দুখ নিৰ্য্যাতন ভোগ কৰি অসমীয়া ভাষা শিকি অসমৰ জনজীৱনৰ লগত মিলি যাবলৈ চেষ্টা কৰি আছিছে কিন্তু তাৰ তুলনাত আমি সিহঁতক দিছো কি? সদায় দিম দিম বুলি প্ৰতি-শ্ৰুতি দি আছিছো কিন্তু দিয়া নাই। শ্ৰমৰ উচিত প্ৰাপ্যৰ পৰা সিহঁত আজি বঞ্চিত।

বক্তিয়ে কথা কোৱা শাস্তাই শুনি আছিল— বাঃ বক্তি

দেখোন একেবাৰে নেতা হৈ গলি ইমান দিন ক'ৰ জকাই চুকত সোমাই আছিলি ?

— জকাই চুকত সোমাই থকা নাই একেবাৰে চহৰৰ বিৰাট অট্টালিকাত সোমাই আছিলো আৰু শ্ৰমিকৰ তেজ টুপি শুহি শুহি খাইছিলো— এতিয়া ওলাই আহিছো যদি পাৰো মৰাৰ আগতে কিবা এটা কৰি যাও ।

— কি কৰিবি ?

— পৰিবৰ্ত্তন ।

— হাঃ হাঃ শান্তাই জোৰেৰে হাঁহিলে— তই পৰিবৰ্ত্তন কৰিবি ? যি নেকি শ্ৰমিকৰ চোতাল গছকি পোৱা নাই সি শ্ৰমিকৰ কি পৰিবৰ্ত্তন কৰিব ?

এইবাৰ বস্তি দমি গ'ল— হয়তো, তাই শ্ৰমিকৰ চোতাল গছকি পোৱা নাই । তাইৰ ৰৰত দিনে ৬/৭ টাকৈ মানুহে গোলামি কৰিছেহি তাইতো কোনো দিন সিহঁতৰ কাৰণে ব্যথিত হোৱা নাই !

— কিয় একেবাৰে দেখোন নমতা হলি ? বেয়া পালি নেকি বস্তি ? মই সঁচা কথা কৈছোঁ । সকলো দোষ আমাৰ । আমি বাগানৰ মাজতে অট্টলিকাত থাকি বৰ বিলাসী জীৱন যাপন কৰিছো । গাবলৈ ললো ইংলিচ গীত, নাচিবলৈ ললো ইংলিচ নাচ, লগত সাজ পিন্ধিলো বিদেশী, গতিকে বস্তি আমাৰনো নিজৰ কি আছে কচোন বাৰু ? যি ডেকা ল'ৰাই বিপ্লৱ কৰে সিও আকৌ স্বৈৰাস্বাৰী শাসনৰ তলত আত্মগোপন কৰি নিজকে বিক্ৰী কৰে । বাইজক প্ৰতাৰণা কৰে । নিজৰ দলক প্ৰতাৰণা কৰে । সেইয়া বিপ্লৱী পুৰুষ নে কাপুৰুষ ? কিন্তু তহঁত নাৰী, নিশ্চয় বাইজক বিশ্বাসঘাতকতা নকৰ ? শান্তাই বহুত ক্ষোভত কথাবোৰ কৈ গ'ল । সকলোৱে অলপ পৰ মনে মনে থাকিল । বস্তিয়ে

শান্তালৈ চালে— এতিয়া ভাত দিবিনে লেকচাৰ মাৰিবি ? নে যামগৈ ? — ধেৎ কিয় যাবি ? আহ ভাত খাবলৈ। আপোনালোক আহক ভাত একেবাৰে টেবুলত ready, মই মাতিবলৈ আহি লেকচাৰ মাৰি বৈ গলো। শান্তাই হাঁহি হাঁহি সকলোকে আদৰি ভিতৰলৈ লৈ গ'ল। সকলোৱে আনন্দমনে ভাত খাবলৈ বহিল। ভাত খাই থাকোতে শান্তাই ক'লে— আজিৰ পৰা মযো আপোনালোকৰ সম্থাৰ সদস্য হলো দেই।

— x

৩৩

দিনবোৰ পাৰ হৈ বছৰত পৰিল। আকৌ ফাগুণ মাহ পালেহি। এই মাহতে কুড়াল বাগদেই পূজা এই মাহৰ যেই কোনো এটা দিনতে নৈ পাৰত কুড়াল বাগদেই নামৰ এগৰাকী দেৱতাক চাহ জনজাতিৰ লোকসকলে পূজা কৰে। এই পূজা অকলে বা কেইবাঘৰ মিলিও কৰে। ৰামবিলাসহঁতে কেবাঘৰ মিলি কুড়াল বাগদেই পূজা পাতিলে। এই পূজাত মহিলাৰ প্ৰবেশ নিষেধ গতিকে চুনিয়াইঁতে কেইদিনমান ঘাটলৈ যাব নোৱাৰিব।

সেইহে লাইনৰ ছোৱালীবিলাকে কাপোৰ ধুইছিল। চুনিয়াইও

শিলচটাত কাপোৰ এচাৰি এচাৰি ভাগৰি পৰিছিল। তাই কিন্তু পূজাত বলি দিয়াটো পছন্দ নকৰে। কিন্তু কি হ'ব আগৰ কিছুমান নিয়ম চলিয়েই আছে। বলিৰ পঠা মাংসৰে আকৌ পূজাৰ থলিতে সকলো মিলি ভোজ ভাত খাব। প্ৰবাদ আছে বোলে দেৱতা অসন্তুষ্ট হলে মাজ নিশা জীৱ জন্তু বা চৰাই চিৰিকতিয়ে মাত দিয়েহি আৰু সেই মাত শুনিবলৈ গৃহস্থই উজাগৰে থাকে। এই পূজা কৰা কিবা ব্যতিক্ৰম হলে ঘৰৰ কোনোবাৰ মৃত্যু হব পাৰে। তাইৰ গাটো শিয়ৰি গ'ল। তাই কাপোৰ ধোৱা পাত চটাৰ কাষৰ পৰা উঠি আহিল আৰু তিতা কাপোৰেৰে ৰ'দত বহিলগৈ।

তেতিয়া ৰ'দটো উঠি আহিছিল যদিও পাহাৰৰ গাতে লাগি থকা জুৰিটোৰ কাষত সম্পূৰ্ণকৈ ৰ'দ পৰাহি নাছিল।

তাই জুৰিটিৰ কাষতে বহি শুনিলে কাৰোবাৰ খিলখিলনি। চাই থাকোতেই দেখিলেই মধু, বাসন্তিহঁতো কাপোৰ এসোপা ধুবলৈ আহিছে। চুনিয়াক দেখি মধুয়ে ক'লে— ঐ লগ নধৰ দেখোন জানিছো দে অকলে আহি লক্ষ্মণক লগ পাবলৈ মন।
— ধেৎ মধু তেনেকৈ নকবি। কালিলৈ পূজা কাৰণে সোনকালে আহিলো, মই ভাবিলো আৰু' তই কিজানি আগতেই আহিলি।
— ওঁ ওঁ ভাবিবিটো। কথা কৈ কৈ মধুই মূৰৰ ওপৰৰ পৰা কাপোৰৰ চৰিয়াটো নমালে। খাৰ খলিহৈ দি সিজাই অনা কাপোৰখিনিৰ গোন্ধ এটা চাৰিওফালে তৎক্ষণাত বিয়পি গ'ল।

তাই চুনিয়ালৈ নোচোৱাকৈ শিলচটাত কাপোৰ এখন এচাৰিবলৈ লৈ সুধিলে · এই চুনি, পিছে বিয়ালৈ সাজু হৈছনে নাই? দুদিনমানৰ পিছতেই ফাগুণ গৈ চ'ত সোমাব আৰু পাছতেই বহাগ। তোৰ গাটো ছাগে পিৰপিৰণি উঠিছে নহয় নে?

বাসন্তিহঁতে মধুমতিৰ কথা শুনি হাঁহি দিলে। মধুজনীৰ

একো লাজ নাই মুখত যি আছে তাকে কৈ দিয়ে। আচলতে মধুৰ অন্তৰখন বৰ ভাল।

সিহঁতে একেলগে কাপোৰ এচাৰিবলৈ ধৰিলে আৰু চাৰিও ফালে এটা শব্দ প্ৰতিধ্বনিত হ'ল— চৰপ, চৰপ।

চুনিয়া ঘাটৰ পৰা উঠি আহিল আৰু মধুৰ ওচৰত ব'লগৈ।
— কি হ'ল ওচৰত বলিছি দেখোন, বেয়া পালি নেকি ?
— মধু তোক বেয়া পালে কাক ভাল পাম বাৰু তয়ে কচোন ?
— কিয় ? ভাল পাবলৈ কত বস্তু আছে, তাই কাপোৰখন শিল চটাত থেকেচা মাৰি থৈ ক'লে— সৌ নীলা আসমান, নীলা পানী, সোঁৱা পানীৰ কলৰব, বনৰীয়া ফুলবোৰ আৰু কত কি ? বুজিছ চুনিয়া এইবোৰ ভালপোৱা বস্তু হ'লেও আচলি হ'ল মৰদৰ প্যাৰহে। সেই প্যাৰ কিমান ৰঙীন মধুয়ে কথাকিটা কৈ এটা হুমুনিয়াহ কাঢ়িলে।

মধু মই বাৰু মোহনক কম। সি দেশৰ কামো কৰিব আৰু তোকো চাদি কৰিব লাগিব।
— নকবি চুনিয়া। সি যদি দেশৰ কাম কৰিব পাৰে ময়ো দেশৰ কাম কৰিব পাৰিম।
— তথাপিও মই কমেই।
— চুপ। তই যদি এই বিষয়ে কয় মই কিন্তু তোৰ বিয়ালৈ নাযাওঁ।

কথা কৈ কৈ মধুমতিয়ে খিলখিলাই হাঁহি গাবলৈ ধৰিলে—

আল ধানের পাতলা চিড়া
গামছা বান্ধা দহি গ'
খাবার বেলায় মনে পড়ে
হামার প্রাণের সখী গ'॥

মধুমতিয়ে পানীৰ কাৰতে বহি ভৰিখন জুবিটোলৈ নমাই দিলে। তাই পাৰীখন আঠুলৈকে কোচাই ললে। ভৰিৰ দুগচী

কলাফুল দুটা তাই হাতখনেৰে ধঁহি ধঁহি চুনিয়ালৈ চাই ক'লে --
ঐ চুনিয়া, আকৌ চাকল পূজা পালেহি নহয় ?
— কেতিয়ানো চাকল পূজা ?
— কিয় চ'ত মাহৰ পঞ্চমী, সপ্তমী বা নৱমী তিথিত কৰে ? আৰু বেছি দিন নাই, এসপ্তাহহে আছে। সেইহে কৈছো একেলগে শাক তুলি ঘৰতে আঞ্জা ৰান্ধি ন খাব লাগিব।
— কিয় প্ৰতি ঘৰে ঘৰেতো কৰিব ?
— কৰিলে কি হব ? মই কিন্তু তহঁতৰ ঘৰতে থাকিম। দুদিন ধৰি চলা পূজাত আমি স্ফূৰ্তি কৰিম। পূজাৰ থানত মুৰ্গী বলি দিব। ন খোৱালৈ চাগে লক্ষ্মণক মাতিব নহয়নে ? মাতিবনে কচোন ?
— ওঁ মাতিবতো লাগে। বাবাইহে জানে ?
— মাতিবি দেই ?
— অঁ বুজিছো, লক্ষ্মণ আহিলে মোহনো আহিব ? বাৰু, বাৰু মই লক্ষ্মণ আৰু মোহনকো মাতিম। দ্বিতীয় দিনা ফুল পূজা হব সেই-দিনা কিন্তু গোটেই ঘৰ তই ফুলেৰে সজাব লাগিব দেই মধু ?
— সজাম চুনিয়া, সজাম।
— কিন্তু তহঁতৰ ঘৰ কোনে সজাব ? চুনিয়াই মধুলৈ চাই সুধিলে।
-- মই আগতে আমাৰ ঘৰ সজাম আৰু তাৰ পিছতে তহঁতৰ ঘৰ সুন্দৰকৈ ফুলেৰে সজাই দিম। প্ৰত্যেকটো ঘৰ ফুলেৰে সজালেও তহঁতৰ ঘৰটো আটাইতকৈ ধুনীয়া হব লাগিব। নহয়নে চুনিয়া ? ফুলধৰিয়াক মই কৈ দিম তহঁতৰ ঘৰত যাতে বহুত ফুল দিয়ে।
— কিয় ?
- কিয় আৰু, বিধন ঘৰত কইনা আছে, দৰা আহিব তাতহে ফুলৰ দৰকাৰ। আমাৰ ঘৰত কোন আহিব ? বাৰু বা কাপোৰ খো, বেলি সোনকালে পৰিব এতিয়া।'

চুনিয়াই বাকী থকা কাপোৰখিনি ধুলে আৰু সকলো

একেলগে লাইন লাগি ঘৰলৈ আহিল।

● ● ●

সঁচাকৈয়ে কেইদিনমানৰ ভিতৰতে হ'ত মাহ সোমাল আৰু গোটেই লাইনতে চাকল পূজাৰ কাৰণে উখল মাখল লাগিল। সকলোৱে নৱমী তিথিত পূজা পতাটোকে ঠিক কৰিলে। ফুল-ধৰিয়াই ফুল আনি ঘৰে ঘৰে দিলে। প্ৰথমে দিলে চুনিয়াহঁতৰ ঘৰত, কাৰণ ৰামবিলাস হ'ল মুখিয়াল, গাৱঁৰ পাহান। ফুল দিবলৈ যাওঁতে চুনিয়াৰ মাকে পীৰা এখনত ভুখন থালি পৈ আদিৰ ওপৰত তেওঁৰ ভৰি ভুখন ধুৱাই সম্মান যাচিলে। ভৰি ধোৱা পানীখিনি পবিত্ৰ জ্ঞান কৰি চুনিয়াৰ মাকে ঘৰৰ চাললৈ চটিয়াই দিলে।

চুনিয়া, মধুৱে খুউৱ সোনকালে উঠি ঘৰ সজাই পৰাই তুলিলে আৰু লক্ষ্মণ আৰু মোহনৰ বাট চালে। লক্ষ্মণ আৰু মোহন অহাৰ আগতে সৰস্বতীয়ে সিহঁতৰ সন্থাৰ মহিলাখিনিক চাকল পূজা চাবলৈ সিহঁতৰ লাইনলৈ লৈ আহিল। লাইনলৈ সোমাই ঘৰবোৰ ফুলেৰে সজোৱা দেখিলে অৰূপাহঁতে। যেন একো একোটা নন্দন কাননহে। অৰূপাই সৰস্বতীক সুধিলে— সৰস্বতী তোমালোকৰ সকলো মানুহেই এই পূজা কৰে নে ?

— আমি কালি সকলোৱেই কৰে। উৰাং, খাৰিয়া, চাণ্ডাল আৰু মুণ্ডাসকলে এই পূজা বেছিকৈ কৰে। মুণ্ডা আৰু খাৰিয়াসকলে এই পূজাক বেওচাৰলী বোলে। তেওঁলোকে জেঠ আহাৰ মাহত এই পূজা পাতে যেতিয়া সোনাৰু ফুল ফুলে। সোণাৰু ফুলেৰে ঘৰ সজাই

একেবাৰে হালধীয়া কৰি তোলে আৰু ৯ বিধ ফল খায়। কিছু-মানে আমৰ বতৰত আম খোৱা পৰব বুলি পাতে। এইদৰে আমাৰ বিভিন্ন পূজা আছে বিশেষকৈ জেঠ মাহত কঠিয়া পৰাৰ সময়ত "হেৰ দেৱতাৰ" পূজা কৰে আৰু তাত মুৰ্গী বলি দিয়ে। কয়া, জিকা, চিক, বৰাইক, চাওৰা ভূমিজসকলে আম পৰব কৰে। ইয়াকেই আকৌ চাওতালসকলে ৰূপা কৰম বোলে। মুঠতে প্ৰকৃতিৰ লগত সামঞ্জস্য ৰাখি এই পূজাবোৰ কৰা হয়। সিহঁতগৈ চুনিয়াহঁতৰ পদূলী মুখত ৰলগৈ।

অৰূপাৰ মনটো চুনিয়াক চাবলৈ ব্যাকুল হৈ পৰিল। ৰাম-বিলাসে তেওঁলোকক আদৰি সাদৰি নি বহুৱালে। অৰূপাই দেখিলে চাৰিওকালে নানাৰকমৰ ফুল আৰু ফুল, ফুলেৰে ঘৰটো সজাই তুলিছে। তাৰ মাজেৰে ওলাই আহিছে বটা এটাত তামোল-পান লৈ চুনিয়া। মূৰত ফুলৰ মালা, পিন্ধনত লাল শাৰী, মুখত মিঠা হাঁহিৰে চুনিয়া অপূৰ্ব্ব সুন্দৰী হৈ অৰূপাৰ সন্মুখত ৰ'লহি।

অৰূপাই তাইলৈ ৰ' লাগি চাই ভাবিলে--

আমি ধৰা দিয়েছি গো আকাশের পাখী
নয়নে দেখেছি তব নতুন আকাশ॥

—x—

৩৪

লক্ষ্মণৰ বিয়াৰ দিন ওচৰ চাপি আহিল। অহা বহাগ মাহৰ ১০ তাৰিখে লক্ষ্মণৰ বিয়া। লক্ষ্মণৰ ঘৰৰ পৰা চুনিয়াৰ ঘৰলৈ লগন অনাৰ দিন চমু চাপিল। তিনি / পাঁচ / সাত বা ন দিনৰ কাৰণে লগন আনে। পুৱাৰ বেলাতে দৰাৰ পক্ষৰ মানুহ আহি পালেহি আৰু কন্যাপক্ষৰো মানুহ আহি চুনিয়াহঁতৰ চোতালত বহিল। আম পাতত হালধি লগোৱা চাউল, গোটা হালধি আৰু বেলপাত বা দুবৰিবন দি দুয়োপক্ষই দুটা টোপোলা বান্ধি সলনা সলনি কৰিলে। দৰাপক্ষৰ টোপোলাটো কন্যাপক্ষক দিলে, কন্যাপক্ষৰ টোপোলাটো দৰাপক্ষক দিলে। টোপোলাৰ হালধি-বোৰত লগনৰ দিন হিচাব কৰি একোটাকৈ গাঠি দিয়া হয়। অৰ্থাৎ যিমান দিনৰ লগন ধৰা হয় সিমানটো হালধি বান্ধি দিয়া হয়। আমাৰ লক্ষ্মণৰ লগনৰ হালধি সাত দিনৰ কাৰণে বান্ধি দিয়া হ'ল। লগন লোৱাৰ পাছত দৰাপক্ষ কইনা ঘৰৰ পৰা পোনে পোনে ঘৰলৈ আহিল।

লগন আহি লক্ষ্মণৰ পদূলীমুখ পাওঁতেই মহিলাসকলে আহি লগন অহা মানুহখিনি ভৰি ধোৱাই ভিতৰলৈ নিলে আৰু খোৱা-বোৱাৰ ব্যৱস্থা কৰিলে। লক্ষ্মণক গা ধুৱাবলৈ সাত ঘাটৰ সাত পানী তুলি আনিলে আৰু চাৰিআলিৰ সঙ্গমস্থলত গা ধুৱাই নতুন সাজ পিন্ধাই দিলে। এই মাজ বিয়াৰ দিনা "জল চাই অনা" পানীৰে গা ধুওৱাৰ পিছতহে সকলো পৱিত্ৰ। যিমান দিন লগন থাকে অৰ্থাৎ সাত দিনৰ দিনাই আবেলি পৰত লক্ষ্মণক পীৰা

এখনত বহুৱাই মাহ হালধি ঘহিলে আৰু একোটাকৈ লগনৰ গাঠি খুলিলে। লগনৰ গাঠি খোলাৰ আগতে দৰা বহা আসনৰ চাৰিওফালে সাতবাৰ পানী চটিয়াই ৭ গৰাকী মহিলাই সাত পাক ঘূৰিলে। এইদৰে সাঁত পুৰুষৰ মঙ্গল কামনা কৰা হয়। লগনৰ দিনৰ পৰা বিয়াৰ কাম শেষ নোহোৱা পৰ্যান্ত লক্ষ্মণৰ লগত লগদীন থাকিল। লগদীন হিচাবে লক্ষ্মণৰ লগত তিনিছিয়েক থাকিব লাগিছিল, তিনিছিয়েক নাই কাৰণে মোহনেই লক্ষণৰ সহচৰ হ'ল। সহচৰ জনকো মহিলাসকলে মাহ হালধি সানি আনন্দ কৰিলে।

লক্ষ্মণৰ লগন বহাগ মাহৰ তিনি তাৰিখে আনিলে, সাত দিনৰ কাৰণে লগন বান্ধিল গতিকে ১০ বহাগত লক্ষ্মণৰ বিয়াৰ দিন পৰিল।

কইনা ঘৰতো চুনিয়াক মহিলাসকলে লগনৰ গাঠি খুলি মাহ হালধিৰে গা ধোৱালে। চুনিয়াৰ লগত আইতাক লগদীন থাকিল। কাৰণ কইনাৰ লগত জনা বুজা মানুহ সহচৰী নাথাকিলে ভূত-প্ৰেত লম্ভিব পাৰে। অপদেৱতা, অমঙ্গলৰ পৰা ৰক্ষা পাবলৈ কইনা আৰু দৰাই একোখনকৈ ছুৰী-কটাৰী হাতত ৰাখিব লাগে। চুনিয়াইয়ো লগত ছুৰী-কটাৰী ৰাখিলে।

প্ৰতিদিনে পানী তুলিবলৈ গৈ মহিলাসকলে গালে—

জল সহিতে গেলাম বাধা
জল নাহি মিলে
এথায় কোথায় জল পাবি গ' বাধা
ক্ষিৰোদ সাগৰে

* * *

নিয় গঙ্গা মা গ'
দিয় গঙ্গা পানী
সেই পানীৰে গা ধুৱেক

জনক নন্দিনী।
উঠ উঠ নন্দিনী গ'
ছাড় তুমি আলস
তোমাৰ দুৱাৰে আসিয়াছে
সুবর্ণ কলস॥

পীৰাত বহুৱাই হালধি তেল ঘহি মহিলাসকলে গালে—

হলদি হলদি পুৰা
পাটনা বাইগিৰি চন্দনাৰে
কোন তৰা হলদি চড়াই
সীতা মায়ে তৰা হলদি চড়াই
সীতা ৰাম তৰ' সংগতি গ'
বাট গ' চান্দেৰ ধনী
দৰা কচা হলুদ
কন শালী বাটেছিল
দৰাকচা হলুদ
কন্যাঘৰেৰ হলুদ তেল
মা মহ মহ কৰে
দৰাঘৰৰ হলুদ তেল
মা কাপুন্দা বাসায়॥

মধুৰতিহঁতে লগনৰ হালধি খুলি চুনিয়াৰ কৈঁচা যৌৱনে আঙঠি থকা কোমল গাটোত ঘঁহি দিলে। চুনিয়াৰ মাকে মুৰত তেল দিলে ওচৰতে ঠিয় হৈ আয়তিসকলে গালে—

এক লোটা কৰি প্ৰভু
দুই লোটা কৰি প্ৰভু
তিনি লোটা কৰি চম্পাফুল
সীতাৰ মাথায় জট লাগি যায়

এক পোৱা সৰিয়হ তেল
আৰু মাখ হলুদ তেল
আমাৰ চুনিয়া মা
হইয়াছে আকুল ॥

চুনিয়াৰ গাত মাহ হালধি সানি উঠি কলহৰে পানী ঢালি দিলে— চুনিয়াৰ তাম বৰণীয়া গাত তেল হালধি পৰি পিচলি গ'ল।

গা ধোৱাৰ পাছত কইনাক ভিতৰলৈ আনি মধুমতিহঁতে কাপোৰ পিন্ধালে সেইয়া কাপোৰ লগ্নণে দিয়া শাৰী।

ৰঙা শাৰী পিন্ধোতে চুনিয়াক সাইলাখ দেৱী যেন লাগিছিল। মাকে চুনিয়াক চাই চকুপানী টুকিছিল। কালিলৈ লগনৰ শেষ দিন। কালিলৈ লগ্নণে চুনিয়াক লৈ যাব। চুনিয়া কালিৰ পৰা আনৰ হ'ব। মাকে কন্দা দেখি মধুমতিহঁতেও তাইৰ ডিঙিত ধৰি কান্দিলে। চুনিয়াৰ বাবা ৰামবিলাসক সহায় কৰিবলৈ বাগানৰ ডেকা ল'ৰাবিলাক আহিল। কালিলৈ বিয়া হলেই। আজিয়েই চুনিয়া-হঁতৰ চোতালত চামড়া (সকৰভা) দিব লাগিব। ল'ৰাবিলাকে বহি লৈ চামড়াখন কেনেকৈ পাতিব তাৰে গৰমিল কৰিলে। ৰামবিলাস আহি ক'লে— তহঁতে সোনকালে কৰ সময়বোৰ গৈ আছে। তাৰে এজন ল'ৰাই সুধিলে— কেনেকৈ পাতিম কাকা? তহঁতৰ ইচ্ছা-মতেই কৰ। কিছুমানে চামড়াত ৯টা খুটা পোতে কিছুমানে আকৌ মাজত খুটা নিদিয়ে।

—মাজত খুটা দিবই লাগিব। নহলে বেদী তৈয়াৰ কৰিম কেনেকৈ?

—বাৰু বাৰু তহঁতৰ মতেই কৰ দে, মই যাও কাম আছে। ৰাম-বিলাস গ'লগৈ। ল'ৰাহঁত কামত লাগিল। সিহঁতে মাজত খুটা দি চামড়া তৈয়াৰ কৰিলে।

চামড়াৰ ওপৰত আমডালি, বেলপাত আদি বান্ধি দিলে। চাৰিওকালে নাৰিকলৰ ৰচি টানি তাতে আমপাত বান্ধি দিলে।

মাজৰ খুটাটোত ধান খেৰৰ বচিঁ মেৰিয়াই দি তাতো আমপাত, বেলপাত আদি গুজি দিলে আৰু খুটাটোক কেন্দ্ৰ কৰি বঙা মাটিৰে বেদী তৈয়াৰ কৰিলে। বেদীটোত ধেনুকাৰ, কৰচা গুজি দিলে। কেচা সূতা এদাল ধেনুভিবিয়া কৰি বাঁহ এদালত বান্ধি দিলে। কিছুমানে নাঙল আদি থয়। সিহঁতে কিন্তু নথলে। চামড়া তৈয়াৰ কৰি উঠি পদুলিমূৰত তোৰণ সাজি লৰাহঁত ঘৰা-ঘৰি গ'ল। কালিলৈ বিয়া যদিও আজি চাহাবে সিহঁতক বিয়াৰ কাম কৰিবলৈ ছুটী দিছে। আগৰ মেনেজাৰবিলাকে কিন্তু এনে ব্যৱস্থা লোৱা নাছিল। মৰকেই বা জন্মই হওক, বিয়াই হওক বা সবাহেই হওক ছুটীৰ ব্যৱস্থা নাছিল। বৰ্ত্তমান নতুন মেনেজাৰ অহাৰ পাছত বাগানত সকলো নিয়ম সলনি হৈছে। কাম কৰি সিহঁতৰ ভাল লগা হৈছে। চাহাব আৰু সিহঁতৰ মাজৰ ব্যৱধান কমি আহিছে। চেনেহ প্ৰীতি বাঢ়ি আহিছে।

লক্ষ্মণে চুপাড়ী পানত হালধি সানি সি তাৰ বন্ধুৰ সৈতে গৈ অৰূপাহঁতক দুদিন আগতেই মাতি আহিছেগৈ। দিদিয়ে বোলে তাক কৈছিল এইবাৰ দৰা গাড়ীত যাব, সিহঁতৰ গাড়ীত। সি কিন্তু নামানিলে। তাৰ বোলে বৰ লাজ লাগে, সি খোজ কাঢ়িয়েই যাব। খোজ কাঢ়ি গলে বোলে বেছি ফুৰ্ত্তি হয়।

বিয়া মাতি অহাৰ দিনা লক্ষ্মণে মোহনক ক'লে— দেখিলি মোহন আমাৰ দিদি একদম দেৱী আছেৰে, দেৱী। বাগান দেখিছ কেনেকুৱা ভাল কৰিছে, আমাৰ লৰা-ছোৱালীবিলাক কিমান চাফা হৈছে, স্কুল পৈছে। সকলো দিদিৰ যত্নতে নহয় জানো মোহন।
- হয় লক্ষ্মণ। প্ৰতিখন বাগানতে যদি শিশুসকলৰ যত্ন লোৱা হয় কিমান ভাল হব। কিন্তু লক্ষ্মণ আমি সকলোবোৰেই দিদিহঁতক সহায় কৰিব লাগিব।
- এঁ লাগিবতো। আমাৰ সহায় সহযোগীতা নাপালে তেওঁ অকলে

পাৰিব জানো ?

—পিছে আমাৰ মাজতে কিছুমান মানুহ বেয়া আছে দেই— যেনে গুদাম বাবু।

—থ থ অকলে সি কি কৰিব। বিয়াৰ পিছত আমি কব লাগিব যাতে সকলোৱে দিদিহঁতক কামত সহায় কৰে।

বিয়াৰ আগৰ দিনা গোটেই নিশা লক্ষ্মণহঁতৰ ঘৰত লবা বিলাকে কাম কৰিলে, নাচিলে, গালে আৰু ফূৰ্তি কৰিলে। লক্ষ্মণে মনে মনে কল্পনা কৰিলে— চুনিয়াৰ বুকুভৰা যৌৱনৰ কথা।

নিশাটো কোনফালে পাৰ হ'ল লক্ষ্মণে গমকে নাপালে। প্ৰভাতী পখীৰ গীতৰ সুৰে লক্ষ্মণক এখন নতুন পৃথিবীলৈ লৈ গ'ল।

দেওবাৰে বিয়া। ৰাতিপুৱাতে নাপিত আহি লক্ষ্মণৰ নখ কাটি দিলে। নাপিতে ক্ষুৰ কৰ্ম কৰোতে মহিলাসকলে ঠাট্টা-কৰি গীত গালে—

তুই যে বালি নাপিত
আমি বড় জাত
আঙুল কাটে ৰকট লিলিবে নাপিত
তুই কন জাত
কথায় এলেৰে নাপিত
কথায় তোৰ ঘৰ—,

মহিলাসকলে নাপিতক জোকাই গীত গালে। তাৰ পিছত পানী তুলি আনি লক্ষ্মণক গা-ধুৱাই সম্বন্ধীয়বিলাকে পানী কটা কাম কৰিলে। তাৰ পিছত লক্ষ্মণক নতুন চুৰিয়া কামিজ পিন্ধায় মহিলাসকলে চামড়াৰ তলত বহি আনন্দ কৰিলে—

বৰেৰ বন্ধু চামড়া গড়ে
ওপৰে ঝিন ঝিৰা
বড় বাবু আছে ৰে ভাই

বাজ বেংগেৰ পাৰা ॥

বিয়াত তাল, ঢোল, মাদল, ধুমচা, চাহনা, মদনভেৰী বজালে। আজি বাগানৰ আনন্দৰ দিন। সকলোৱেই বিয়ালৈ গ'ল। যাওঁতে নিজৰ আত্মীয়তা বুজাবলৈ কিছুমানে চিৰা, মুৰি, কাপোৰ, মদ আদি টোপোলা নিলে। আবেলি পৰত অৰূপাহঁতৰ গাড়ী গৈ লক্ষ্মণৰ পদুলী মুখত ৰ'লগৈ। লক্ষ্মণৰ ঘৰৰ মানুহে বাদ্য বজাই অনিল হঁতক আদৰি চামড়াৰ তলত বহুৱালে। লচমিয়ে ধুনীয়া ফ্ৰক পিন্ধি ধুনীয়া হৈ আছিছে। সকলোৱে সিহঁতক নমস্কাৰ জনালে, বহুতে লচমিক চাবলৈ ভিৰ কৰিলেহি। মহিলাসকলে আহি অৰূপাক নমস্কাৰ জনালেহি। অৰূপাই লক্ষ্য কৰিলে মহিলাসকলৰ মুখত হাঁহি আৰু আনন্দ। লৰা-ছোৱালীবিলাক চাফাইৰে আহিছে, তেল লৈ চুলি আচুৰিছে। অৰূপাৰ মনটো ভাল লাগিল যা-হওক অকমান হলেও সলনি হৈছে। অৰূপাই প্ৰসন্নভাৱ হাঁহি মাৰিলে।

মোহনহঁতে হাতজোৰ কৰি অৰূপাহঁতক নমস্কাৰ জনালে। যিমানখিনি পাৰে শুশ্ৰূষাৰ ত্ৰুটি নকৰিলে। সিহঁতে অনিলক হাত জোৰ কৰি ভিতৰলৈ মাতিলে আৰু চাহ খাবলৈ মিনতি জনালে। অনিল আৰু অৰূপাই হাঁহি মাৰি সোমাই গ'ল। অনিলে লাকটো মুখত ভৰাই মোহনলৈ চাই ক'লে— পিছে হাৰিয়া চলিছেনে নাই?

মোহনে গৌৰৱেৰে ক'লে— নাই বাবু দিনৰ বেলাত আমি উঠাই দিছো, ৰাতি কোনোবাই খালে খাব পাৰিব।

—তহঁতে দেখোন বহুত ভাল কাম কৰিছ?

—হয় বাবু, দিদিয়ে আমাক পৰামৰ্শ দিছে— আমি সেইমতেই কৰিবলৈ চেষ্টা কৰিছো।

অনিলে হাঁহি মাৰি ক'লে— বৰ ভাল কৰিছ লাহে লাহে সকলো হব।

সিহঁতে চাহ খাই বাহিৰলৈ আহিল। মোহনে লচমিক কোলাত

তুলি এপাক ঘুৰাই দিলে। অৰুপাই লক্ষ্মণৰ হাতত উপহাৰ হিচাবে টকা পাঁচশ দিলে। লক্ষ্মণে অৰুপা আৰু অনিলৰ ভৰি চুই আশীৰ্ব্বাদ ললে।

অনিলৰ বৰ ভাল লাগিল। সকলোবোৰ মানুহ আহি সিহঁতক বিদায় দিলেহি। অনিলহঁতে সিহঁতৰ পৰা বিদায় ললে আৰু খোজ কাঢ়ি বাংলাৰ পিনে আগবাঢ়িল।

● ● ●

হাঁহি স্ফুৰ্ত্তি আৰু মাদলৰ শব্দৰ মাজেদি সময়বোৰ পাৰ হৈ গৈছে। সন্ধিয়া পাৰ হৈ ৰাতি হৈছে। বৰযাত্ৰী কইনাৰ ঘৰলৈ যাবলৈ উথপ থপ লাগিছে। নিশা ৮ বজাত বৰযাত্ৰীসকল কইনা ঘৰলৈ যাত্ৰা আৰম্ভ কৰিলে। লৰাহঁতে আগত দুটা মেণ্টল লাইট ললে। লাইটৰ পোহৰত দুজন যুদ্ধবেশী নৃত্য শিল্পী। মূৰত ৰংচঙীয়া পাগুৰী। পাগুৰীত চৰাইৰ পাখী। গাত বিবিধ ৰঙৰ কাপোৰৰ ফিটা, ভৰিত নুপূৰ, হাতত তৰোৱাল লৈ ঢাক ঢোলৰ চেৱে চেৱে নাচি যাবলৈ ধৰিলে। এইয়া যে চাহ জনজাতিসকলৰ এক বিচিত্ৰপূৰ্ণ নৃত্য।

লক্ষ্মণ আৰু মোহন লাহে লাহে শোভাযাত্ৰীৰ লগত খোজ কাঢ়ি আগবাঢ়িল। লৰাবিলাকে গীত গাই গাই নাচি নাচি আগবাঢ়িল।

শিশিৰে কি ফুটে ফুল
বিনা বৰিষণে গ'

বচনে কি মানে মন
বিনা দৰশনে গ'

* * *

মেঘটি কালা কালা, বাদল ধৰ ধৰ গ'
বৰষা হেম হেম, বৰষা হেম হেম গ' ।

* * *

লৰাবিলাকে নাচি নাচি কৰ নোৱাৰা হ'ল। ঢাক ঢোলৰ মাতত চাৰিও দিশ মুখৰিত হ'ল। লাহে লাহে দৰা পাৰ্টি আগবাঢ়িল ।

চুনিয়াহঁতৰ বাহিৰে শোভাযাত্ৰাৰ আনন্দ স্ফূৰ্ত্তি ঢাকঢোলৰ মাত শুনি সকলোৱে চিঞৰিবলৈ ধৰিলে— আহিল, আহিল ।

কইনা ঘৰৰ ডেকালৰাজাকে দৰাঘৰৰ বাট ভেটি ধৰি ঢোল বজাবলৈ ধৰিলে, নাচিবলৈ ধৰিলে । দুয়োপক্ষৰ তুমুল প্ৰতিদ্বন্দ্বিতা চলিল। অৱশেষত যেনিবা কইনাপক্ষৰ দলে দৰাক বাট খুলি দি দৰাপক্ষক আদৰি আনিলে। দৰায়ে সিহঁতৰ দেৱতা স্বৰূপ। দৰাক এজনে দাঙি আনি পদুলিমুখত পাৰি থোৱা পিৰাত থিয় কৰাই দিলে। লগে লগে লক্ষ্মণৰ খুলশালী আহি ভৰি ধুৱাই দি গ'লহি। চুনিয়াৰ মাকে নিয়ম কৰি চুমন ধৰি দৰাক আদৰিলে। দৰায়ো "শাসলড়া" মিঠাই টোপোলা দি শাহু আইক সন্মান কৰিলে ।

চুমন কাৰ্য শেষ হোৱাৰ পিছত শাহু আয়ে দৰাক ধৰি ধৰি নি চামড়াৰ তলত বহুৱালে।

ইতিমধ্যে কইনা ঘৰত কইনা গা ধোওৱাৰ 'জলচহা' কাম শেষ কৰিলে। নতুন সাজেৰে সজাই পৰাই কইনাৰ কোলাত তিনিবাৰ 'শিল-পটা' দিলে আৰু দৰা ঘৰৰ মানুহে নেদেখাকৈ কইনাক এটা কোঠালিত লুকুৱাই থলে। কাৰণ দৰা ঘৰৰ মানুহে কইনাক বিছাৰিব লাগিব ।

কইনা চামড়াৰ তললৈ অনাৰ সময় হ'ল। দৰাপক্ষই কইনা আদৰী আনিবলৈ ভিতৰলৈ গৈ কইনা বিছাৰিলে। মহিলা-সকলে কইনা নাই নাই বুলি স্ফূৰ্তি কৰি দৰা ঘৰৰ মানুহক হাৰাশাস্তি কৰি পিছত যেনিবা উলিয়াই দিলে। কইনা আৰু দৰাক চামড়াৰ তলত পতা বেদীৰ সম্মুখত বহুৱালে আৰু বামুনে হোমৰ কাম আৰম্ভ কৰিলে। হোম যজ্ঞৰ পাছত কাপোৰৰ আৰ কৰি লক্ষ্মণে কইনাৰ সেওতাত 'সিন্দবাবাদ' সেন্দুৰ ঘহি দিলে আৰু মহিলাসকলে দৰা-কইনাৰ গালৈ চাউল চটিয়াই আশীৰ্ব্বাদ দিলে।

হোমৰ শেষত দৰা কইনাই হোমৰ চাৰিওফালে সাতবাৰ প্ৰদক্ষিণ কৰিলে। প্ৰদক্ষিণ কৰোতে দৰা-কইনাই ঘটিৰ পানী চটিয়াই গ'ল, আৰু তামোল পান গছকি সপ্তপদী কৰিলে। সাত জন্মৰ বান্ধোন চিঙি চুনিয়া চিৰকালৰ কাৰণে লোকৰ হৈ গ'ল বুলি ভাবি হোমৰ কাষত বহি থকা ৰামবিলাসৰ ডুচকুয়েদি চকুপানী বৈ আহিল, ভিতৰত মাকৰ কান্দোন শুনা গ'ল।

বিবাহ কাৰ্য শেষ হোৱাৰ পিছত দৰা-কইনা ভিতৰলৈ নিয়াৰ নিয়ম। কিন্তু ছোৱালীহঁতে মাননী নাপালে দৰা-কইনাক ভিতৰলৈ যাবলৈ নিদিয়ে। দৰাঘৰৰ মানুহে ছোৱালীহঁতক মাননী দি বাট খুলি দিবলৈ অনুৰোধ কৰিলে। ছোৱালীহঁতে বাট খুলি দিওঁতেই লক্ষ্মণৰ খুলশালী আহি লক্ষ্মণক ধুতি এখনৰে চামড়াৰ খুটাত বান্ধি ক'লে—মোৰ দিদিক চুৰ কৰি নিবলৈ ওলাইছে।

লগে লগে সকলো ছোৱালীয়ে হাত চাপৰী বজাই হাঁহিলে। তাৰ পিছত যেনিবা লক্ষ্মণে খুলশালীৰ হাতত ধুতি এখন মাননী দিলে আৰু মোকোলাই দিবলৈ মৰমৰে অনুৰোধ কৰিলে। খুলশালী "চালা ধুতি লুটা" লোৱাৰ পাচত ভিনিহীয়েকৰ বান্ধ খুলি দি ৰং কৰিলে।

অৱশেষত দৰা-কইনাক ভিতৰলৈ নিয়া হ'ল আৰু পুৰুষ মহিলাৰ চিত্ৰ অংকণ কৰি আল্পনা থকা ঠাইত আঙুঠি সলোৱা খেল

খেলি আনন্দ কৰিলে। সকলো কাম শেষ কৰাৰ পিছত দৰা-কইনাক চোতালত বন্ধুৱাই চুমনকাৰ্য্য কৰিলে। চুমনত দৰা-কইনাক সকলোৱে যি পাৰে উপহাৰ দিলে।

লাহে লাহে বিয়াৰ কাৰ্য সম্পন্ন হ'ল। সকলোৱে খাই বৈ আনন্দ স্ফূৰ্ত্তি কৰি বিদায় লবৰ সময় হ'ল।

বাতিপুৱাল। কইনাই আচলত চাউল লৈ মাকৰ আচলত থকা চাউল এমুঠি সলনা-সলনি কৰি লক্ষ্মীৰ নামত উছৰ্গা কৰিলে। মাকে চুনিয়াক সাৱটি ধৰি হুৰাওৰাৱে কান্দিলে, চুনিয়াইও মাকক ধৰি বিনাবলৈ ধৰিলে।

মধুমতিহঁতে মাকৰ বুকুৰ পৰা চুনিয়াক আঁতৰাই আনিলে। মহিলাসকলে তাইক কান্দি কান্দি বিদায় দিলে আৰু মাহীয়েকে ধৰি ধৰি পদূলীলৈকে নি পাল্কীত তুলি দিলেগৈ। বাপেকে বিদায় মুহূৰ্ত্ত সহ্য কৰিব নোৱাৰি ভিতৰলৈ সোমাই গ'ল।

দৰাঘৰৰ বাইজ উভতিল। ঢোল, পেঁপা, মাদলৰ ধ্বনি কইনা ঘৰৰ পদূলীমুখৰ পৰা লাহে লাহে আঁতৰি গ'ল। দূৰত মাদলৰ ধ্বনি শুনি মধুমতিয়ে আকৌ উচুপি উঠিল, তাইৰ যে সখী আজিৰ পৰা পৰৰ হ'ল।

— x —

৩৫

এইবাৰ শান্তাই মিটিঙৰ ঠাই ঠিক কৰিলে। সেই ঠাই অভিমুখে গাড়ী খৰগতিৰে আগবাঢ়িছিল। শিৱসাগৰৰ নিশিগন্ধা চাহ বাগিচা পাওতে সিহঁতৰ দুপৰীয়া হৈছিল। সিহঁতৰ দুয়োখন গাড়ী বাংলালৈ সুমুৱাই নি এজোপা দেৱদাৰু গছৰ তলত ৰাখি শান্তাহঁত নামি গ'ল। শান্তাহঁতক দেখিয়েই মাধৱী বাজখোৱা ওলাই আহিল। আহক, আহক মই আক' ভাবিছিলো ইমান দেৰি হ'ল যেতিয়া, নাহিবই নেকি? আহক - আহক, মাধৱীয়ে সকলোকে আথেবেথে নি বহিবলৈ দিলেগৈ। বুজিছ শান্তা, তোৰ চিঠি মই পৰহি দিনাই পালো। মানুহজনে ক্লাবতে চিঠিখন দিলে, সকলো ক্লাবত আছিলেই। মই তাতেই সকলোকে মাতি দিলো।

– পিছে বাইজৰ মন্তব্য কি?

— কিছুমানে বেয়া পাইছে। শ্ৰমিকসকলক বেছিকৈ উঠাই দিছো বুলি ভাবিছে! যাৰ ফলত কাম আদায় কৰাত অসুবিধা হব বুলি বহুতৰ ধাৰণা। পিছে তালৈ ভ্ৰুক্ষেপ কৰি চলিলে হব জানো শান্তা?

– এৰা, তই ঠিকেই কৈছ মাধৱী, আমি সেইবোৰ কথালৈ মন দিব নালাগিব।

– পিছে মিটিং ক'ত দিছ?

— লাহতীত, লাহতী চাহ বাগিচাত। বৰ ডাঙৰ বাগান, বহুত শ্ৰমিক আছে। দময়ন্তী বুলি ছিকনী ছোৱালীক মই সভাখনৰ দায়িত্ব দিছো তেওঁ শিক্ষিত যুৱতী, তেওঁ মহিলা সমিতিৰো সম্পাদিকা।

— তেনেহলে আমাৰ কাম কৰিবলৈ সুবিধা হব।

— নিশ্চয় । বাক আপোনালোক বহক । মই চাহৰ ব্যৱস্থা কৰো । মিটিংখন আবেলি তিনি বজাতহে দিছো গতিকে আপোনালোকে ভাত পানী খাই একেবাৰে যাব পাৰিব । মাধৱীয়ে আকৌ হাঁহি মাৰি ক'লে— আমাৰ এওঁ আছিলে পিছে যিহে লেকচাৰ দিব সময় কোনফালে যাব, আপোনালোকে গমকে নাপাব ।

— তেখেত অফিচলৈ গ'ল নহয় নে ?

— হয় অফিচলৈ গৈছে । তাৰ পিছত চাহ গছৰ কাষে কাষে ঘুৰি ফুৰিব । চাহ গছ যেন এওঁৰ প্ৰাণ ।

কথা কৈ কৈ মাধৱীয়ে ভিতৰলৈ সোমাই গ'ল । হাস্নাই মাধৱী যোৱাৰ ফালে চাই ক'লে— মানুহ গৰাকী ইমান ভাল । বহুত কথা জানে যেন লাগে ।

শান্তাই ক'লে— মাধৱী বৰ চোকা ছোৱালী আছিল । আমি কটন কলেজত একেলগে পঢ়িছিলো । বি, এ পঢ়ি থাকোতেই বাগানৰ মেনেজাৰ পাই বাপেক মাকে বিয়া দি দিলে । সকলোৱে হাঁহি দিলে ।

এনেতে মাধৱী সোমাই আহিল । খুউব হাঁহিছু যে শান্তা ।

—অঁ, তোৰ যে মা দেউতাই মেনেজাৰ পাই বিয়া দি দিলে, একেবাৰে বি, এ পাছ নকৰাকৈ বিয়া পাছ কৰিলি তাকে কৈছো ।

— ধেৎ এইজনী । তোৰ আক আগৰ স্বভাব যোৱা নাই । বাক হব দে ভাগ্যত আছিল, কি কৰিবি । এতিয়া সকলো আহক চাহকে অকমান খাওকহি । সকলো ভিতৰলৈ গৈ চাহৰ টেবুলত বহিলগৈ আৰু মাধৱীয়ে প্লেটত পায়স, লাড়ু, ভুজিয়া আৰু কেক দি চাহ দিলে ।

অকপাইতে তৃপ্তিৰে চাহ জলপান খাই আকৌ ড্ৰইং ৰুমত বহিলহি ।

মাধৱীও আহি তেওঁলোকৰ লগত বহি অকপালৈ চাই

ক'লে— বুজিছে মিচেছ চহৰীয়া আমাৰ কাৰো লগত ইমান দিন পৰিচয় নাছিল। এতিয়া বৰ ভাল হৈছে বুজিলে আমাৰ মাজত এক সহৃদয়তা গঢ় লৈ উঠিছে।

অৰূপাই মিচিকিয়াই হাঁহিলে—হয়, আপোনালোকে এতিয়া হাত আগবঢ়াব লাগে যাতে অনুষ্ঠানটোৰে মূল লক্ষ্য আৰু উদ্দেশ্যত উপনীত হব পাৰে। নহয় নে মিচেছ ৰাজখোৱা?

—নাই, নাই আপুনি মোক মিচেছ ৰাজখোৱা নকব। মই আপোনাৰ ভনী বুলি ধৰকচোন।

—তেনেহলে মাধৱী!

—হয়, মাধৱী বুলি মাতিব আৰু মই বাইদেউ, মানে অৰূপা বাইদেউ বুলি মাতিম।

—বাহ্ সংগঠনটো বৰ জোৰদাৰ হৈছে। শান্তাই হাত তালি বজাই আকৌ ৰগৰ কৰিলে। অৰূপাই এইবাৰ গহীন হৈ ক'লে—মাধৱী তুমি কি বাগানৰ নামটো ক'লা—লাহতী।

—অঁ লাহতী, তাৰ পিছত বাৰু শিৱসাগৰৰ ক'ত ক'ত কাম কৰিব পৰা যাব?

—বহুত তেনেকুৱা বাগান আছে, যেনে ধৰক, সোণাৰী, ৰাজমাই, নাজিৰা, বাদলীপাৰা, সুৰ্মাগড়, বৰপথাৰ, বৰহোলা, বগীজান, ভৱানীপুৰ ইত্যাদি। এইবোৰ বাগানলৈ যাব পাৰি। পিছে যলৈকে যাই সকলোতে সমস্যা কম বেছি পৰিমাণে একেই।

এইখিনি সময়তে ৰাজখোৱা সোমাই আহি হাঁহি মাৰি ক'লে—অঁ আপোনালোক আহিলে। চাহ-তাহ খোৱা হ'লনে?

—হয় খালো।

—বাৰু বহক। মই আহিছো। কথাকিটা কৈয়ে ৰাজখোৱা ভিতৰলৈ সোমাই গ'ল।

আউল বাউল চুলি—গাতলৈ সোমোৱা একাৰ চকু।

উদাসীন চেহেৰাটো দেখি অৰূপাইঁত আচৰিত হ'ল। মেনেজাৰ সকল এনে পোছাকত সাধাৰণতে দেখা নাযায়।

মাধৱী সোমাই আহি হাঁহি মাৰি ক'লে— এখেত বোলে অফিচলৈ যোৱাই নাই, নাৰ্চাৰীতহে আছিল। এওঁ চাহ গছৰ ওপৰত গবেষণা কৰি আছে। আপোলোকক কিন্তু আমনি দিব। বেয়া নাপাব দেই।

— ইস্ কিয় বেয়া পাম! আমি ভালহে পাম।

কথা শেষ নৌহওতেই ললিত ৰাজখোৱা হাত মচি মচি ড্ৰইং ৰুমলৈ সোমাই আহিল আৰু আৰামী চকীখনত হেলন দি বহি মাধৱীলৈ চাই ক'লে— মাধৱী মোৰ চাহকাপ ইয়ালৈকে লৈ আনাচোন মই এখেতসকলৰ লগত কথা পাতি পাতি খাও।

অকমান পৰৰ পিছতে মাধৱীয়ে চাহ কাপ আনি তেখেতৰ হাতত তুলি দিলেহি। চাহ কাপ হাতত লৈ তেখেতে অৰূপালৈ চাই সুধিলে— পিছে আপোনালোকৰ প্ৰগ্ৰেম কি ?

— আমি শিৱসাগৰ আৰু ডিব্ৰুগড়ৰ কিছু বাগানলৈ যাম বুলি ভাবিছো।

— বৰ ভাল কথা। বুজিছে মই চাহ পুলিবোৰৰ লগত ব্যস্ত আছো। বতৰ ভাল নহয় গতিকে কষ্ট কৰিব লগা হৈছে।

ৰাজখোৱাই চাহ এধোক খাই ক'লে— Tea without milk is better for health. সেই কাৰণে মই গাখীৰ নিদিয়াকৈ চাহ খাও বুজিলে। বাস্তিপুৰা ৰঙা চাহত নেমু চেপি খাব পাৰিলে আৰু ভাল! George Orwell নামৰ এজন ইংৰাজে কৈছে বোলে গাখীৰ আৰু চেনীয়ে চাহৰ আচল গুণটো নষ্ট কৰে। ক্ৰান্সতহে বোলে প্ৰথমতে চাহত গাখীৰ মিহলোৱা প্ৰথা আৱিষ্কাৰ হৈছিল। অ' বৰ্ত্তমানে বৈজ্ঞানীকসকলে থিৰাং কৰি পাইছে যে বাস্তিপুৰা গাখীৰ নিদিয়াকৈ চাহ খালে বোলে কেন্সাৰ ৰোগৰ পৰা হাত

সাব্বিব পাবি ।

কথা কৈ কৈ বাজখোৱাই আৰু এবাৰ চাহত সোহা মাৰিলে।

মাধৱীয়ে সেই সুযোগতে অৰূপাইঁতলৈ চালে— এতিয়া শুনি যাওক ! মই ভাতৰ ওচৰলৈ যাও। হাঁহি মাৰি মাধৱী ভিতৰলৈ সোমাই গ'ল ।

বাজখোৱাই অৰূপাইঁতলৈ চাই ক'লে- বুজিছে এও এইবোৰ কথা ভাল নাপায়। আচলতে য'ত আমি কাম কৰিছো যাৰ হাঁত অনবৰত আছো তাৰ বিষয়ে জনাটো নিতান্ত প্ৰয়োজন নহয় জানো ?

— হয় কিয় নহয় ? আপুনি কৈ যাওক আমি শুনিম, আপোনাৰ পৰা কিছু নজনা কথা জানিম বুলিয়েই আমি আহিছো। হাস্‌নাই বাজখোৱালৈ চাই কথাকিটা ক'লে ।

— আমাৰ বাগানৰ সকলোবোৰ মানুহেই চাহ গছৰ বিষয়ে জনা উচিত। শুনক, এই চাহপাতখিনিৰে নাম বেলেগ বেলেগ সময়ত উদ্ভিদ বৈজ্ঞানীকসকলে নতুন নতুন নামেৰে অভিহিত কৰি আহিছে। যেনে প্ৰসিদ্ধ চুইডেন উদ্ভিদ বৈজ্ঞানীক কাৰ্লভন লিনি (Carlvon linni) য়ে এই চাহৰ পাতৰ নাম প্ৰথমে দিলে থিয়া চিনেচিচ্ (Thia sinensis) কিন্তু ১৭৬২ চনত তেওঁ সেই নামটো সলাই ৬ টা পাতৰ কুঁহিপাতবোৰৰ নাম থলে "থিয়া বহিয়া" (Thia Bohia) আৰু ৯ টা পাতৰ কুঁহিপাতৰ নাম থলে থিয়া বিৰিদিচ্ (Thia Biridis) এয়েই সময়ত Black Tea আৰু green-tea অৰ্থাৎ ক'লা চাহ আৰু সেউজীয়া চাহ নামেৰে জনাজাত হ'ল। গুণ আৰু প্ৰস্তুত প্ৰণালী অনুযায়ী চাহপাত প্ৰধানকৈ সাতোটা ভাগত ভগাব পাৰি। ১) ফ্লাৱাৰি অৰেঞ্জ Flowery Orange) ২) অৰেঞ্জ পিক' (Orange pekoe) ৩) ব্ৰকেন অৰেঞ্জ পিক' (Broken Orange pekoe) ৪) অৰেঞ্জ ফেনিংছ (Orange Fanings) ৫) পিক' ফেনিংছ (Pekoe Fanings)

৬) ডাষ্ট (Dust) আৰু ৭) ব্ৰকেন পিক' (Broken pekoe).

চাহপাত আকৌ বিভিন্ন প্ৰকাৰৰ আছে। প্ৰকাৰ অনুযায়ী চাহপাতক আকৌ চাৰিটা ভাগত ভগাব পাৰি যেনে— সেউজীয়া চাহ (Green Tea) ক'লা চাহ (Black Tea) ওলং চাহ (Oolong Tea) আৰু ব্ৰিক টি (Brick Tea)।

কলঘৰত চাহ তৈয়াৰ কৰাৰ আগতে চাহপাতবোৰ চিঙি আনি ভাপত দিয়া হয়। যাতে সেইজীয়া ৰংটো থাকে। প্ৰথমে ভাপ পালে অৰ্থাৎ গৰম পালে পাতৰ "এনজাইম" নষ্ট হয় আৰু তপতোৱাৰ পিছত মেচিনত পাতবোৰ মোহাৰি শুকোৱা হয় আৰু সময়ত পাতৰ ৰং সেউজীয়া হয় কিন্তু তৈয়াৰ কৰা প্ৰণালীত যদি কিবা বিজুটি ঘটে বা ঠিকমতে প্ৰস্তুত কৰা নহয় তেনেহলে চাহৰ ৰং ক'লা হৈ পৰে। ওলং চাহেই হ'ল ক'লা চাহ আৰু নিম্ন পৰ্য্যায়ৰ চাহ হ'ল ব্ৰিক টি।

চাহটো বাৰু তৈয়াৰ হ'ল কিন্তু আমি খাও কিহত? ৰাজখোৱাই হাঁহি মাৰি নিজৰ কাপটোকে দেখুৱাই সুধিলে এই যে কাপটো আমি পাইছো, তাক বাৰু কোনে আৱিষ্কাৰ কৰিছিল।

সকলোৱে মনে মনে ৰ'ল আৰু উত্তৰটো শুনিবলৈ ব্যগ্ৰ হৈ ৰাজখোৱাৰ মুখলৈ চালে।

সেইখিনি সময়ত ৰাজখোৱাই অন্যমনস্ক হৈ কিবা ভাবিছিল। কন্তেক পিছতে ৰাজখোৱাই আৰম্ভ কৰিলে— দুহেজাৰ বছৰৰ পূৰ্ব্বে এই চাহ খোৱা পাত্ৰ চীন দেশত আৱিষ্কাৰ কৰিছিল। প্ৰথমে চীনা লোকসকলে শিলৰ বাটিত চাহ খাইছিল। সময় যোৱাৰ লগে লগে সিহঁতে উন্নত ধৰণৰ চাহ খোৱাৰ সৰঞ্জাম বনাবলৈ ধৰিলে। চীন দেশত এই চাহ খোৱা সৰঞ্জামবোৰত এসময়ত সুন্দৰ নক্সা আঁকিছিল, সুন্দৰ সুন্দৰ ৰং বোলাইছিল আৰু মনি মুক্তাও খচিত কৰিছিল। এইবোৰ ইমানেই সুন্দৰ আৰু আকৰ্ষণীয় আছিল যে

মাৰ্কপলই চীন দেশত ত্ৰুবছৰ থকাৰ পিছত নিজ দেশ ভেনিচলৈ এই চাহৰ সৰঞ্জামবোৰ লৈ গৈছিল। আমি কবই লাগিব যে সঁচা-কৈয়ে চীন দেশ এই চাহৰ সৰঞ্জাম বনোৱাত পৃথিৱীৰ ভিতৰতে প্ৰথম আৰু পাকৈত আছিল। মানুহে যাতে আৰাম আৰু চৌখিন ভাবে চাহ খাব পাৰে তাৰ কাৰণে চীনাসকলে অধিক মনোযোগ দি চাহৰ পাত্ৰবোৰ বনাইছিল।

ৰাজখোৱাই চিগাৰেট এটা জ্বলাবলৈ লৈ ক্ষন্তেক ব'ল আৰু সকলোলৈকে চাই হাঁহি মাৰি সুধিলে— কিবা আপত্তি ?

— নাই, নাই আপুনি খাওঁক।

অৰূপাইঁতে তললৈ মূৰ কৰি হাঁহিলে। ৰাজখোৱাই চিগাৰেটটো জ্বলাই লৈ আৰম্ভ কৰিলে – এজন চীনা বিশেষজ্ঞই মত প্ৰকাশ কৰিছিল যে চাহৰ পাত্ৰটোৰ ৰং অলিভ গ্ৰীন (Olive green) বা ব্ৰাউন হলে ভাল হয়।

এনেধৰণৰ ৰং কৰা পাত্ৰ প্ৰায় দুহেজাৰ বছৰৰ পূৰ্ব্বেই কৰা হৈছিল।

প্ৰথমে চীনত এই শিল্প গঢ়ি উঠে। তাৰ পিছতহে জাপানত এই শিল্প আৰম্ভ কৰা হয়। পৃথিৱীৰ দুৰ্লভ প্ৰসিদ্ধ বুলি খ্যাত চাহ পাত্ৰ (Tea pots) কিছুমান পৃথিৱীৰ বিখ্যাত মিউজিয়াম যেনে— ভিক্টোৰিয়া (Victoria), এলবাৰ্ট (Albert) আদিৰ বাহিৰেও লণ্ডন, ফ্ৰান্স, আমষ্টাৰদাম আদিত সঞ্চিত হৈ আছে। চাহ শিল্প অকল মিট্ শিল্প (Ceramic Industry) ই নহয়, এই শিল্পই ৰং আৰু তুলিৰ ক্ষেত্ৰতো যথেষ্ট ইন্ধন যোগাই আহিছে।

ৰাজখোৱা খন্তেক ব'ল আৰু চিগাৰেটটোত দীঘলকৈ হোপা এটা মাৰি ধোঁৱাবোৰ উলিয়াই দিবলৈ বাৰান্দালৈ উঠি গ'ল।

বাহিৰৰ পৰা আহি ৰাজখোৱাই ভেওঁলোককৈ নোচোৱাকৈ ক'লে— 'টি' (Tea) শব্দটো আচলতে ইংৰাজী নাম বুজিলে।

কিন্তু ১৬৬৪ চনত ইষ্ট ইণ্ডিয়া কোম্পানীয়ে টি (Tea) শব্দটোৰ উচ্চাৰণ এনেধৰণে কৰিছিল— থিয়া (Thea) আৰু ১৬৬৮ চনত এই শব্দটো সলনি হৈ হ'ল 'Tey'। সেইকাৰণে Dr. Lukers য়ে কব খোজে যে টি (Tea) নামটো চীনা শব্দ "cha" চাৰ পৰা আহিছে ।

আচলতে চাহৰ পুৰণি নাম চীন দেশত এনেধৰণৰ আছিল যেনে— Tu, Kia, ming, sha, cha ইত্যাদি। Tu হ'ল বহুত পুৰণি নাম, তাৰ পাছত Kia তাৰ পাছতহে ming। লিখিত আছে যে খ্রীষ্টপূৰ্ব্ব ৫৮০০-১০০ খৃষ্টাব্দত সম্ৰাট ওৱানটিৰ মূৰৰ বিষ হওতে এই ming ৰ পাত সিজাই তাৰ পানী সম্ৰাটক খাবলৈ দিওতে মূৰৰ বিষ ভাল পাইছিল। খ্রীষ্টপূৰ্ব ৭৮০ Lu Yu নামৰ এজন চীনা কবি আৰু ফিল'চফাৰে চাহৰ ওপৰত যিখন কিতাপ লিখি থৈ গৈছে তাৰ পৰাই আমি প্ৰথম chah চাহ শব্দটো পাওঁ। বৰ্ত্তমান চীন দেশত চাহক চাহ (chah) বুলিয়েই কয়। এই চাহ শব্দটো পৃথিবীৰ বেলেগ দেশবোৰত বেলেগে বেলেগে ব্যৱহাৰ হয়। শুনিবলৈ একে লাগিলেও উচ্চাৰণ আৰু বানান বেলেগ। যেনে— ভাৰতবৰ্ষ, জাপান, পৰ্ত্তুগালত চা (cha) আৰবত 'চাই' (shai) তুৰ্ক বিলাকে কয় চেই (chay) ৰাছিয়াত 'চাই' (chai) মালায়ান, নৰওয়ে, চুইদিচ, ইটালিয়ান, হাংগেৰীয়ানে চাহক টি (Te) বোলে। ফ্রান্সত থি (Thea) সিংহলীয় বিলাকে 'থে' (Thay) আৰু জাৰ্মানসকলে চাহক 'টি' (Tee) আমাৰ অসমত কিন্তু 'চাহ' বোলে ।

সংস্কৃত নিদান শাস্ত্ৰত এসময়ত চাহপাতক শ্যামা পাত্ৰ বুলি কৈছিল আৰু তাৰ সিজোৱা পানীক শ্যামা পানী বুলিছিল। এই পানী বিশেষকৈ কাহ, পানীলগা, এলাহ, মূৰৰ বিষ, শাৰীৰিক দুৰ্বলতাৰ কাৰণে ব্যৱহাৰ কৰিছিল। চাহ খালে পিয়াহ আৰু ভোক

লগা কমাই বুলি অসমীয়া মানুহে ভাবে।

'চাহ' শব্দটো অসমৰ থলুৱা নাম। এইটো চীন দেশৰ পৰা অহা বুলি মই নাভাবো। ইংৰাজসকল অহাৰ বহুত দিনৰ আগতেই অসমত চাহপাত সিজাই পানী খাইছিল আৰু সেই পানীক চাহ বুলিয়েই কৈছিল। ইয়াৰ কোনো বেলেগ নাম নাছিল।

এনেতে মাধৱী সোমাই আহি ৰাজখোৱাক চাই ক'লে—এখেতসকলক ভাত খাবলৈ দিবনে, নে কথাকে কৈ থাকিব?

—অঁ ভাত হ'লেই নে? এৰা মোৰ ভুলেই হৈছিল। বহুত দেৰি হ'ল নহয়? ৰাজখোৱাই অৰুণাইতলৈ চাই ক'লে— বেয়া নাপাব বুজিছেনে চাহ গছৰ মাজত এনেকৈ সোমাই গৈছো যে কথা ক'লে পাহৰিয়েই যাও। এতিয়া উঠক উঠক, বলক ভাত খাবলৈ। বেয়া নাপাব।

—ইস্ আপুনি কি কৈছে আমাৰ ইমান ভাল লাগিছে। আগতে ইমানবোৰ কথা কাৰো পৰা শুনা নাছিলো।

— আৰু আছে বুজিলে আৰু আছে। ৰাজখোৱাই দুগুণ উৎসাহেৰে কথাকিটা কৈ বাহিৰলৈ ওলাই গ'ল।

অৰুণাইত ভাত খাবলৈ উঠি গ'ল আৰু হাত মুখ ধুই ভাতৰ পাতত বহিল।

—x—

৩৬

লাহতী চাহ বাগিচা। সময় আবেলি তিনি বজা। চাহ বাগানৰ নাম ঘৰ প্ৰাঙ্গণত যথেষ্ট মহিলা গোট খাই আছিল। তাৰ বাবুসকলে কোৱা-মেলা কৰিছিল বোলে বাগানত কাম কৰি বুঢ়া হ'লো এনেকৈ চাহাবনীসকলে মিটিং কৰা দেখা পোৱা নাছিলো। হায়, হায় দিনকাল উকলিল।

বাগানৰ মহিলা, পাতকবিলাক মুকলি মুখিয়াকৈ আহি হাঁহি তামাচা কৰা দেখি মাইকী মহৰী, মতা মহৰীবিলাকে ভয় খালে। কিজানি মিটিং চিটিং কৰি মূৰত উঠেগৈ।

গুদাম বাবুয়ে মাইকী মহৰীক উদ্দেশ্য কৰি ক'লে— ঐ সাৱধান, আজি কালি আৰু আগৰ দিন আছে বুলি নাভাবিবি।

-- এ বাবু, নাই পাৰিব বে, একদম ঠিক কৰি দিম।

জুম বান্ধি বান্ধি আলোচনা কৰি থাকোতেই দুই তিনিখন গাড়ী আহি নামঘৰৰ সন্মুখত ব'লহি।

মাধৱীয়ে খৰখৰকৈ নামি গৈ দময়ন্তী কুৰ্মীক সুধিলে সকলো ঠিক আছেনে ?

— হয় সকলো ঠিক কৰি থৈছো।

সভাৰ কাম আৰম্ভ হ'ল। চাহ বাগানৰে সৰু ছোৱালী এজনীয়ে বৰগীত এটা পৰিবেশন কৰিলে। বৰগীতৰ সুৰে গোটেই পৰিবেশটোৱেই গহীন কৰি তুলিলে। অৰুপাইতে সুধি গুচি জানিব পাৰিলে যে এই নামঘৰ প্ৰতিষ্ঠা হোৱা পাঁচ বছৰ মান হৈছে। নামঘৰ বুলি যে অকল নাম প্ৰসঙ্গহে হব এনে নহয়,

ইয়াত সকলো ধৰণৰ মেল মিটিং, পূজা পাৰ্ব্বন সমূহীয়াভাবে উদ্‌যাপিত হয়।

কথাখিনি শুনি অৰূপাইঁতে গৌৰৱ অনুভৱ কৰিলে। সভাৰ কাম আৰম্ভ হ'ল।

দময়ন্তী কুৰ্ম্মীয়ে সভাত বক্তৃতা আৰম্ভ কৰিলে – আজি আমাৰ বৰ গৌৰৱৰ কথা যে আমাৰ কথা চিন্তা কৰা মানুহ আছে। আমাৰ ওচৰলৈ আজি যিসকল মাতৃ আহিছে সেইসকলক কোনো দিন এইদৰে আমাৰ মাতৃ, ভগ্নী হিচাবে পাম বুলি ভবা নাছিলো। কিন্তু বাস্তৱত আমি দেখিছো যে আমাৰ ওপৰত চলি অহা শোষণ, নিষ্পেষণ, অন্যায় আৰু নিৰ্য্যাতনৰ বিৰুদ্ধে মাত মাতিবলৈ আজি আমি অকলশৰীয়া নহয়।

যেনেকৈ আমি আজি অসমীয়া, আমাৰ ভাষা অসমীয়া, অসমৰ মাটি আমাৰ প্ৰাণ সেইয়ে অসমৰ সমূহ জাতি বৰ্ণ নিৰ্বিশেষে হাতে হাত ধৰি সমস্যা সমাধান কৰিব পাৰিব লাগিব। অসমৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা লোৱা চাহ জনগোষ্ঠীৰ মহিলা-সকলে চাহ বাগিচাৰ কাম কৰে। দেশৰ অৰ্থনৈতিক দিশত মহিলাসকলে পুৰুষৰ সমানে কষ্ট কৰি আহিছে যদিও যথেষ্ট সমস্যাৰ সন্মুখীন হব লগা হৈছে। কাৰণ মহিলা বুলি কতো বেহাই নাই। বৰ্ত্তমান চাহ বাগিচাৰ দৈনিক মজুৰিৰ ব্যৱস্থাই আমাৰ সামাজিক আৰু পাৰিবাৰিক জীৱনত বাৰুকৈয়ে আঘাত হানিছে। স্বাধীন দেশত সেইহে এই দিন মজুৰি লৈ আমি মানুহ হিচাবে জীয়াই থাকিব নোৱাৰো। কিন্তু আজি অলপ দিনৰ আগতে দিন মজুৰি ২৩·৬০ পইচালৈ বৃদ্ধি পাইছে তাকো বহুত ত্যাগৰ বিনিময়ত।

তাৰোপৰি বহুত বাগিচাত মহিলা শ্ৰমিকক শিশু শ্ৰমিক হিচাবে ব্যৱহাৰ কৰি অৰ্দ্ধ হাজিৰাত কাম কৰোৱা দেখা যায়। আৰু ১৩/১৪

বছৰীয়া শিশু এটিক ৮'০০ টকাৰ বিনিময়ত কামত খটোৱা দেখা যায়। আপোনালোকেই বাক কওকচোন এইটো জানো আমাৰ সংবিধানমতে, আইনমতে দণ্ডনীয় নহয়? তাতোকৈ আচৰিত কথা যে প্ৰসুতী আৰু গৰ্ভৱতী তিৰোতাৰ ওপৰত মালিকপক্ষই যি নিষ্পেষণ চলাই আহিছে সি সঁচাকৈয়ে অমানবীয়। এগৰাকী গৰ্ভৱতী মহিলাৰ ক্ষেত্ৰত এক সীমিত ছুটী দিয়া হয় আৰু তাৰ ফলত প্ৰসুতী আৰু গৰ্ভৱতী অৱস্থাত অতিৰিক্ত শ্ৰম কৰাৰ ফলত শাৰীৰিকভাৱে জুকলা হয়। অতিকৈ দুখৰ কথা যে প্ৰসুতী সকলে পানী কেচুৱা বোকোচাত বান্ধি কৰ্মস্থলীলৈ যাব লাগে। যি কেইখন বাগিচাত শিশু ওমলা ঘৰ আছে তাতে যত্ন লবলৈ তেনে কোনো মানুহ নাই। চাহ বাগিচাবিলাকৰ নিয়ম অনুসাৰে প্ৰতি গৰাকী মহিলাই দিনে ২০ কেজি ওজনৰ পাত তুলিবই লাগিব। কিন্তু পাকৈত মহিলা এগৰাকীয়ে ৫০ কেজি ৬০ কেজিতকৈও ওপৰ পাত তুলিব পাৰে। এই ওপৰঞ্চি পাত তোলাৰ প্ৰাপ্য মূল্যও তেওঁলোকে নাপায়। বাগিচাবিলাকত পাত তোলাৰ সময় ৮ টাৰ পৰা ৪ টা বজালৈকে। কিন্তু ৪ বজাৰ পিছত পাত জুখিবলৈ মহিলাসকলে লাইনত বৈ থকা সময়খিনি হিচাবত নধৰে। তাৰো পৰি অস্থায়ী মহিলা শ্ৰমিকসকলৰ ক্ষেত্ৰতো বহুতো সমস্যা দেখিবলৈ পোৱা যায়। সেইয়া হ'ল চিকিৎসাৰ সুবিধা নাপায় আৰু জিৰণি দিনৰ মজুৰিও তেওঁলোকে নাপায়। ই বাৰু এক নিৰ্য্যাতন নহয় নে? সভাৰ উপস্থিত মাতৃসকল— আমি আজি এই বিজ্ঞানৰ যুগতো এনেবিলাক দুখ যাতনা ভোগী ভোগী জীয়াই আছো। সেইহে আজি মহিলা চাহ শ্ৰমিকসকল মানসিক আৰু শাৰীৰিকভাৱে জড়াগ্ৰস্থ। বহু মহিলা নিৰক্ষৰ হোৱাৰ কাৰণে তেওঁলোক মিতব্যয়ী নহয়। *বিধিনি পায় তাকো ভালদৰে ব্যৱহাৰ কৰিব নোৱাৰে* কাৰণ প্ৰাপ্তবয়স্ক মহিলাই মাদক দ্ৰব্য ব্যৱহাৰ কৰে আৰু যুৱক-

যুৱতীসকলে পূজা পাৰ্বণ আদিত বথেমধে খৰছ কৰে। ফলত খাব লাগে আৰু অনাহাৰে থাকিব লগা হয়। সেয়ে মানসিক সচেতনতা আনিবলৈ হ'লে আমি বাগিচাবিলাকত নিৰক্ষৰতা দূৰ কৰিব লাগিব।

দময়ন্তীয়ে এইয়া সভাস্থলিত প্ৰথম কথা কৈছে। তাইৰ কথাবোৰ শুনি বস্তি বকৰা, অৰূপা চহৰীয়া, মাধৱী বাজখোৱা সকলোৰে বেয়া লাগিল, নিজৰে অনুশোচনা আহিল।

সভাত অৰূপাই ঘোষণা কৰিলে যে আজিয়েই তেওঁলোকে এই বাগিচাতে নিৰক্ষৰতা দূৰিকৰণ অভিযান আৰম্ভ কৰিব। নিশা মহিলাসকলক পঢ়াৰ ব্যৱস্থা কৰিব আৰু অৰূপাই ক'লে— আমি Adult Education প্ৰাপ্তবয়স্ক শিক্ষা বিষয়াৰ লগত কথা পাতি শিক্ষয়িত্ৰীৰ ব্যৱস্থা কৰিম। আমি বৰ্ড, লেম, চিলেট পেঞ্চিলৰ ব্যৱস্থা কৰিম। বৰ্ত্তমান তাৰ দায়িত্ব আজি আমি দময়ন্তীৰ হাতত দিলো। মাধৱীয়ে উঠি ক'লে— কিয় আনৰ সহায় লাগে? ময়ে বৰ্ড, পেঞ্চিল, চিলেট সকলো দিম। কালিলৈ স্কুল আৰম্ভ হব লাগিব। বৰ্ত্তমান এই সংঘতে হব। কাৰোবাৰ আপত্তি আছে নেকি?

সকলো মনে মনে থাকিল। মাধৱীয়ে চিঞৰি ক'লে— মত আছে নে নাই? সকলোৱে একেমুখে ক'লে— আছে, আছে। সকলোৱে হাত চাপৰি বজালে।

দময়ন্তী শিক্ষিত ছোৱালী। মেট্ৰিক পাছ কৰি ঘৰতে আছে যেতিয়া দিনত বাগানত কাম কৰি ৰাতি সময় সুবিধা কৰি পঢ়াব পাৰিব। দময়ন্তী মান্তি হ'ল। সভাত উপস্থিত থকা সকলোৱে খুউব ভাল পালে।

সভাৰ কাম শেষ হোৱাৰ পাছত অৰূপাইঁত মাধৱীৰ পৰা বিদায় লবলৈ বিছাৰিলে।

মাধৱীয়ে জকজকাই উঠিল— কিয় যাব! কালিলৈ নিশাৰ স্কুল মুকলি কৰিব লাগিব, গতিকে যাব নোৱাৰে। অৰূপালৈ চাই

হাঁহি মাৰি ক'লে— সম্পাদিকা থাকোঁতে আৰু কোনে মুকলি কৰিব ? — নহয় মিচেছ বাজখোৱা মোক এই কাম কেৰা নিদিব। বাগানৰ কোনোবা বৃদ্ধা এগৰাকীক দিয়ক। তেতিয়া উৎসাহ পাব, প্ৰেৰণা পাব।

মাধৱীয়ে অকমান সময় চিন্তা কৰিলে এবাতো কথাটো ভালেই হব, তথাপিও আপোনালোক যাব নোৱাৰে। এতিয়া বলক ঘৰলৈ যাও।

— ৰ'ৰচোন কি ঘৰলৈ যাও যাও লগাইছে, বলক বাগানলৈকে যাও !

সিহঁত আটাই কেইগৰাকী লগলাগি বাগান চালে। চাহ গছবোৰৰ চেহেৰা ভালেই। বহুত ডাঙৰ বাগান। তাৰ পিছত গ'ল লাইনলৈ। লাইনলৈ যাওঁতে সিহঁতৰ চকুত পৰিল প্ৰাথমিক বিদ্যালয়খন। খিৰিকি নাই। বেৰৰ একাল এবাই গৈছে। বহিবলৈ কেইজোৰমান বেঞ্চ আৰু ডেস্ক। স্কুল ঘৰটোৰ বাহিৰত ঠিয় হৈ অৰুপাই মাধৱীলৈ চালে— এনে জৰাজীৰ্ণ স্কুল ঘৰ ?

— এবা মই আজিহে দেখিছো। আগতে মই এইফালে অহাই নাই। বৰ দুখৰ কথা হৈছে, মই আজিয়েই গৈ তেখেতক ধৰিমগৈ নহয়। অৰুপাই হাঁহিলে। সিহঁত আগুৱাই গ'ল। সিফালৰ পৰা অহা এজন ডেকা ল'ৰাক পাই অৰুপাই সুধিলে— তুমি এই বাগানৰ নে ?

— হয় বাইদেউ !

— তোমাৰ নাম কি ?

— মৃণাল গোৱালা।

নামটো কৈ সি তৎক্ষণাত কৈ দিলে আমি আপোনালোকক আহ্বান জনাও যাতে আপোনালোকে আমাৰ এই শোষণৰ কথা উপলব্ধি কৰে।

— কেনেকুৱা শোষণ ? চকুৰ তীক্ষ্ণ দৃষ্টি ৰাখি অৰুপাই সুধিলে।

ডেকাজনে হাঁহি মাৰি ক'লে— মই সাধাৰণ উদাহৰণ এটা দিও থাক— এজন শ্ৰমিকে ২০ কেজিৰ ওপৰত পাত তুলিলে ঠিকা হিচাবে পইচা পায়। কিন্তু কিমান জানেনে ? এক কিলোগ্ৰামত ১৮ পইচা মাত্ৰ। ডেকাজনে বেদনাসিক্ত হাঁহি এটা মাৰি আকৌ ক'লে— ১৮ পইচা হিচাবে মাহে এজন শ্ৰমিকে ৰবিবাৰ কেইটা বাদ দিলে পাব ৪'৬৮ পইচা আৰু মালিকে পাব ১৬০'০০ টকা।

— কেনেকৈ ? মাধৱীয়ে আচৰিত হৈ সুধিলে।

— ২০ কিলোগ্ৰাম কেঁচা পাতত চাহপাত তৈয়াৰ হয় ৪ কিলোগ্ৰাম। ৪০ টকা কিলো হ'লেও ১৬০'০০ টকা মালিকক উপাৰ্জ্জন কৰি দি শ্ৰমিকে পায় মাত্ৰ ৪'৬৮ পইচা আৰু সোৱা কান্দোন শুনক। সেইয়া কি জানে আজি ৪ দিন আগতে মোৰ ভনী টিটেনাচ ৰোগত মৃত্যু হৈছে। সেইয়া মোৰ মাৰ বিননি। আজি লৈকে ইয়াত কোনো ভেকচিন দিয়াৰ ব্যৱস্থা নহ'ল তাৰ ফলত কত কণ কণ শিশু অকালতে পঙ্গু হব লাগিছে তাৰ খবৰ কোনে ৰাখিছে। অৱশ্যে মানুহৰ জন্ম মৃত্যু সুখ দুখ সকলোবিলাক আচৰিতভাবেই আছে। কিন্তু সকলো শেষ হৈ যোৱাৰ পাচত মানুহৰ অৱশেষ কিবা এটা ৰৈ যায়। সেইটোৱেই হ'ল মানুহৰ প্ৰেম, যিটো মানুহৰ চিৰকালৰ আশ্ৰয়।

ক্ষোভেৰে কথাকিটা কৈ ল'ৰাজন গুচি গ'ল— অৰূপাই অবাক আৰু যন্ত্ৰণা কাতৰ দৃষ্টিৰে ইজনী সিজনীলৈ চাই ভাবিলে "জীৱনক ভাল পাবলৈ জীৱন লাগে"।

—x—

৩৭

মাধৱী ৰাজখোৱাই লগৰীয়াসকলক লৈ নিজৰ গাড়ীৰে বৃহৎ হাউলীলৈ সোমাই আহিল। মাধৱীলৈ চাই ৰাজখোৱাই সুধিলে— সভা ভালদৰে হৈ গ'লনে?

মাধৱীয়ে মুখখন ওলোলাই ক'লে - কি ভাল হব? চাৰিও ফালে মালিকসকলৰ বদনামহে বদনাম। খং আৰু অভিমানেৰে কথা-কিটা কৈ তেওঁ অৰূপাইঁতলৈ চাই ক'লে— আপোনালোক বহক-চোন। মই ভিতৰৰ পৰা আহোঁ।

—কি হ'লনো? এওৰ দেখোন বৰ খং উঠি আহিছে। হাস্নাই তৎক্ষণাত ক'লে —আপোনালোকৰ বাগিচাৰ স্কুলঘৰৰ শোচনীয় অৱস্থা দেখি তেখেতে দুখ পাইছে। তাৰোপৰি চিকিৎসাৰ অভাৱত শিশুৰ মৃত্যু হৈছে।

ৰাজখোৱাই ক'লে— চাওক সেই স্কুলটো মষে বনাই দিছিলো। পিছে কি হব? লৰা-ছোৱালীয়েই আকৌ ভাঙি পেলালে। সিহঁতে পঢ়িবলৈ নাহে নহয়? হাল্লা কৰিবলৈহে আহে। তাৰোপৰি চিকিৎসালয় আছেই।

মাধৱী আহি মুখপাতি ল'লে— তাৰ মানে আপুনি জানি শুনিয়েই স্কুল ঘৰটো মেৰামতি কৰি দিয়া নাই। উপযুক্ত শিক্ষক নিযুক্ত দিলে লৰা-ছোৱালীয়ে নিয়মানুবৰ্ত্তিতা পালন নকৰি নোৱাৰে। আপোনালোকে ভাবে শিক্ষা-দীক্ষা পালে সিহঁতে নাষ্য দাবী উত্থাপন কৰিব। কিন্তু চেপি খুন্দি কিমান দিন সিহঁতৰ কণ্ঠৰুদ্ধ কৰি ৰাখিব।

আপুনি চাহগছৰ লগত নিবিড় সম্বন্ধ স্থাপন কৰিলে নহ'ব নহয়, নিবিড় সম্বন্ধ স্থাপন কৰিব লাগিব সেইসকলৰ লগত, যিসকলে আপুনি ভাল পোৱা চাহগছ জোপাক লালন পালন কৰি ডাঙৰ দীঘল কৰিছে। কিন্তু আজি আপোনাৰ অৱহেলাত, চিকিৎসাৰ অভাৱত শিশুৰ মৃত্যু হৈছে।

— মাধৱী, তুমি মিছাতে উত্তেজিত হৈছা? আমিতো সিহঁতৰ কাৰণে নকৰাকৈ থকা নাই। অসমৰ বিভিন্ন চাহ বাগিচাত ১৫ খনতকৈ অধিক শ্ৰমিক কল্যাণ কেন্দ্ৰ খোলা হৈছে। এই কল্যাণ কেন্দ্ৰবোৰত নানা কাৰিকৰী বিষয়ত প্ৰশিক্ষণ দিয়া হয়। মহিলা শ্ৰমিকসকলৰ বেলেগে বৃত্তি দি প্ৰশিক্ষণৰ ব্যৱস্থা কৰি দিয়া হৈছে। পাঠ্যপুথি কিনিবৰ কাৰণে অষ্টমমান শ্ৰেণীৰ পৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈকে পঢ়ি থকা শ্ৰমিক ছাত্ৰ-ছাত্ৰীসকললৈ এককালীন আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হৈছে।

মাধৱীয়ে হাঁহি মাৰি ক'লে— বাতৰি কাকতত সময়ে সময়ে বনুৱাৰ কল্যাণৰ কাৰণে যি মধুৰ ভাষাৰে বিজ্ঞাপন দিয়া হয়, সেইয়া পঢ়িলে নিশ্চয় মানুহ আকৰ্ষিত হ'ব। বিজ্ঞাপনত কোৱা হয় যে ৬ লাখ বনুৱাৰ কল্যাণৰ কাৰণে উদ্যোগপতিসকলে কাম কাজ কৰি আছিছে কিন্তু মাছৰ তেলেৰে মাছ ভজাৰ দৰে প্ৰতি বনুৱাৰ পৰা বছৰে এটকাকৈ কাটি সেই টকাৰেহে বনুৱাৰ কল্যাণ নিধি কৰা হৈছে।

হাস্নাই কথাৰ মাজতে ক'লে— আমি অনুসন্ধান কৰি গম পাইছো যে আপোনালোকৰ এই কল্যাণ পৰিষদৰ কামবোৰে কোনো অগ্ৰগতি লাভ কৰিব পৰা নাই।

সেই সময়তে মাধৱীয়ে আকৌ ক'লে— বুজিছে হাস্না চুলতানা, আমাৰ মালিকসকলে কৰো বুলিলে বহুত কৰিব পাৰে। তাকে নকৰি নিজৰ লাভৰ অংশ দিনে দিনে বঢ়াই নিছে। কলত

বঞ্চিত হৈছে শ্ৰমিকশ্ৰেণীটো।

ৰাজখোৱাই নিজৰ পত্নী মাধৱীৰ কথাত এবো নামাতি মিচিকিয়াই হাঁহিলে আৰু চিগাৰেট এটা জ্বলাই ললে। অলপ পৰ তলকা মাৰি ক'লে— তুমি মোক ধৰ্ষা দিছা?

— হয় তেনেকুৱাই, আজি যদি আমাৰ বাগানৰ কুল ষৰটো ভাল হ'লহেতেন তেনেহলে মই লাভ পাব নালাগিলহেতেন। প্ৰকৃততে চাহ উদ্যোগপতিসকলক আঘাত হানিব বুলি ভয় কৰি শ্ৰমিকসকলক কোনো কামেই কৰিবলৈ দিয়া নহয়।

অৰূপাই এইবাৰ ৰাজখোৱালৈ চাই গহীন হৈ ক'লে— আজি আমি অনুসন্ধান কৰি জানিব পাৰিলো যে এক বৃহৎ সংখ্যক বনুৱা অস্থায়ীভাবে মকৰল কৰা হৈছে, অৰ্থাৎ কেজুৱেল ভিত্তিত। সেই-কাৰণে তেওঁলোক বহু সময়ত কাম-কাজ নোহোৱাকৈ থাকে। এইদৰেই বাগানত নিবনুৱা সমস্যা বাঢ়ি গৈছে। তেনেহলে এওঁ-লোকৰ ব্যৱস্থা কি কৰিছে?

মাধৱীয়ে তেওঁৰ স্বামীৰ ওচৰলৈ গৈ হাতযোৰ কৰি বিনয়ৰ সুৰত ক'লে— আপুনি কিবা এটা কৰক। আপুনি ১০ খন বাগিচাৰ মালিক, আপুনি সংস্কাৰ কৰক। নতুন নীতি প্ৰবৰ্ত্তন কৰক।

অসমত আপোনাৰ নিচিনা এজন অসমীয়া সদাগৰ হলে আনো গোটেই অসম ধনী হৈ যাব? নহয়-নহয়, আপুনি নিশ্চয় পাৰিব। আপুনি সকলো মালিকক একগোট কৰি এক নতুন দিশ উন্মোচন কৰিব নোৱাৰিবনে?

বহুত সময় নিমাতে থাকি ৰাজখোৱাই ক'লে— মই ভাবি চাব লাগিব।

অৰূপাই গহীন পৰিবেশটো পাতলাবলৈ হাঁহি মাৰি ক'লে— নিশ্চয় ভাবি চাব লাগিব, আপুনি ভাবক। আপুনি অকলে কৰিব নোৱাৰে। সেইহে মালিকসকলৰ লগত আপুনি আপোনাৰ মত

বিনিময় কৰি চাওকচোন। তাৰোপৰি Company বোৰতো আছেই।

হাস্নাই অকস্মাৎ উঠিল, আপুনি কি কৈছে অৰূপা বাইদেউ? আমাৰ অসমীয়াবোৰ এক হ'লে বাহিৰা Company বোৰক হেঁচা দিবলৈ কিমান পৰ? চাহৰ ব্যৱসায় কৰি বাহিৰৰ ৰাজ্য ধনী হৈছে, কিন্তু অসমে পাইছে কি?

ৰাজখোৱাই হাঁহি মাৰি ক'লে— হব, সকলো হব। লাহে লাহে সকলো পৰিবৰ্ত্তন আহি আছে। হয়তো আৰু কিছুদিনৰ পাচত আমাৰ ভাল দিন আহিব। এতিয়া আপোনালোকে মুখ হাত ধুই চাহ খাওঁক। আমি বাৰু আকৌ কথা পাতিম, নহয় জানো?

— এটা কথা নহয়? মাধৱীয়ে হাঁহি মাৰি ক'লে।

— কি কথা কোৱা।

— কালিলৈ আমাৰ লাহতী চাহ বাগানত এখন প্ৰাপ্তবয়স্কৰ স্কুল খুলিম বুলি ভাবিছো। সেইকাৰণে এখেতসকলক ৰাখিছো।

— বা: এদিনতে স্কুল?

— হয়, সকলো মই খৰছ কৰিম। সেই স্কুলৰ যোগেদি বাগানৰ পুৰুষ-মহিলাখিনিয়ে শিক্ষাৰ মুখ দেখিব, নহয় জানো?

— এতিয়া মই কি কৰিব লাগে?

— আপুনি অনুমতি দিব লাগে।

— মই অনুমতি নিদিয়াকৈ দেখোন স্কুল খুলিয়েই পেলালা, এতিয়া আকৌ কিহৰ অনুমতি?

— মই জানো আপুনি মানা নকৰে।

— হয়-হয়, ৰাজখোৱাই খুউব হাঁহিলে আৰু হাঁহি হাঁহি ক'লে— নাৰীৰ বুদ্ধি ইমান চোকা যে ভগৱানেও ধৰিব নোৱাৰে।

সকলোৱে হাঁহি দিলে। পৰিবেশটো পাতল আৰু আনন্দমুখৰ হ'ল। ৰাজখোৱাই ক'লে— এতিয়া আপোনালোকে মুখ-হাত

ধুই চাহ জলপান খাওক ।

— নাই নাই, আপুনি অনুমতি দিব লাগিব । নহলে নাখাও ।

— একেবাৰে দেখোন অনশনৰ প্ৰস্তুতি, তাতে মালিকৰ ঘৰতেই । ৰাজখোৱাই হাঁহি মাৰি ক'লে— বাক হব দিয়ক, মই অনুমতি দিলো । যিটো কামে বাগানৰ কোনো ক্ষতি নকৰে সেইবোৰ কামত আৰি সাধাৰণতে বাধা নকৰো ।

সকলোৱে হাঁহিলে আৰু মুখ-হাত ধুবলৈ ভিতৰলৈ সোমাই গ'ল ।

● ● ●

চাহৰ টেবুলত লুচি ভাজি মিঠাই পৰিপাটিকৈ সজাই থোৱা আছে । হাস্‌না, অৰূপাহঁত আহি চাহৰ টেবুলত বহিলহি । ললিত ৰাজখোৱাইও আহি চকিখনত বহি ৰগৰ কৰি ক'লে— মোক চাহ নিদিবা নেকি ?

—কিয় নিদিম !

- এবা মই আকৌ ভাবিছো খঙৰ কোবত কিজানি নখোনেই বাধা ।

মাধবীয়ে হাঁহিলে আৰু সকলোৰে লগতে চাহ আৰু জলপান আনি ৰাজখোৱাৰ আগত দিলেহি ।

চাহকাপ হাতত লৈ ৰাজখোৱাই ক'লে— আপোনালোকে খাওকচোন ভোক লাগিছে ছাগৈ ?

হাস্‌নাই হাঁহি মাৰি ক'লে— নাই, নাই ভোক লগা নাই । মিটিঙতো আমাক লৰাবিলাকে চাহ খুৱালে ।

— হয় নেকি বৰ ভাল কথা।

-- এৰা মিলি জুলি থাকিলে শান্তি পোৱা যায়।

চাহকাপত ঢোকটো মাৰি ৰাজখোৱাই মাধৱীলৈ চালে।

— কিনো চাইছে ? মাধৱীয়ে লাজ কৰিলে।

— বৰ বঢ়িয়া চাহ বনাইছা। সকলোলৈকে চাই তেওঁ ক'লে— মই আকৌ লিকাৰটো বেছি হলেহে চাহ খাই ভাল পাও। বুজিছে মানুহে এই চাহটুপিকে যে কত ধৰণেৰে খায়— যেনে পাৰ্চিয়ানবিলাকে বোলে আগতে চাহটো তিতিকি নহয় মানে সিজাবলৈ এৰা নাছিল। তিতিকি চাহ খাই তেওঁলোকে ভাল পাইছিল আৰু ভাৰতীয়সকলে এসময়ত মাটিৰ পাত্ৰত উতলি থকা গৰম পানীত চাহপাত আলফুলকৈ দি তাৰ ৰঙীন হোৱা পানীটোহে খাইছিল। আজি কালি পিছে চাহ নানান ধৰণেৰে বনাই খায়। চীনদেশত খৃঃ পূৰ্ব্ব ৪ৰ্থ শতাব্দীতে চাহপাতক ঔষধ হিচাবে ব্যৱহাৰ কৰিছিল। খৃষ্ট পূৰ্ব্ব ৭ম আৰু অষ্টম শতিকাতহে তেওঁলোকে চাহ হিচাবে ব্যৱহাৰ কৰিবলৈ লয়। সেইদৰে জাপানতো ৬ষ্ঠ আৰু অষ্টম শতিকাৰ মাজভাগত চাহপানী মাত্ৰক দ্ৰব্য হিচাবে ব্যৱহাৰ কৰিছিল। নবম শতিকাতহে জাপানত চাহ পানী ৰাজকীয় পনীয় হৈ পৰে।

— আপোনালোকে চাহ খোৱাই নাই নেকি ?

— খালো খালো। এতিয়া আপুনি কৈ যাওক বৰ ভাল লাগিছে।

— তেনেহলে শুনক চাহখোৱাকলৈ জাপানত এটা সাধু আছে। এসময়ত বোলে জাপানত মিনাৰটো স্থগম চেনিট'মা (Miamoto Shogum Senetoma) (A.D. 1203 – 19) নামৰ এজন সেনা অধিনায়ক ভীষণ অসুখত ভুগিছিল। তেতিয়া চাহপানী ভগৱানক উছৰ্গা কৰি খুৱাই দিওতেই বোলে তৎক্ষণাত ভাল হ'ল আৰু সেনা অধিনায়কজনৰ জীৱন ৰক্ষা পৰিল। এই খবৰটো বিয়পি পৰাৰ

লগে লগে জাপানত চাহ খোৱাটো অধিক প্ৰচলন হ'ল।

ভিক্টৰিয়ানসকলৰ আকৌ একোজনে ৩০ ৰ পৰা ৭০ কাপলৈকে চাহ খায়। তেওঁলোকে চাহ খোৱাৰ আগতে ৰোমান-সকলৰ নিচিনাকৈ ভিৰ্ক্টৰিয়ানবিলাকেও পৱিত্ৰ পানী হিচাবে তপৰ্ৰানক উৎসৰ্গা কৰিছিল। অৱশ্যে hot tea অৰ্থাৎ গৰম চাহ সকলো ইউৰোপীয় দেশতে প্ৰচলন আছে, তেওঁলোকে Cold tea অৰ্থাৎ ঠাণ্ডা চাহ নাখায়।

আমাৰ অসম দেশত অতীতৰে পৰা চিংফৌ আৰু মটক সকলে ৰঙা চাহপানী খাইছিল আৰু ঔষধ হিচাবে ব্যৱহাৰ কৰিছিল। বহুত ঠাইত আকৌ মিঠৈ চেলেকা চাহ খোৱা নিয়ম আছিল। আমাৰ চাহ বাগানবিলাকত এতিয়াও ৰঙা চাহত নিমখ মিহলাই চাহ খোৱা প্ৰথা চলি আছে। এনেতে মাধৱী লোৱাই আহিল।

—আপুনি জলপানখিনি নাখালে দেখোন ?

— এৰা, পাহৰিলোৱেই। এতিয়া আৰু নাখাও দিয়া লৈ যোৱা। আপোনালোকৰ ছাগে আমনি লাগিছে। সন্ধ্যাও হৈ আহিল।

কথাকিটা কৈ বাজখোৱাই চিগাৰেট এটা জ্বলাই ল'লে।

হাস্‌নাই তেওঁলৈ চাই ক'লে— আমাৰ বৰ ভাল লাগিছে। আগতে আমি ইমানবোৰ কথা জনাই নাছিলো।

হাস্‌নাৰ কথাত উৎসাহ পাই বাজখোৱাই আকৌ আৰম্ভ কৰিলে— বুজিছে আগতে চীনদেশত বৃটিছবিলাকে যেতিয়া চাহ ব্যৱসায় কৰিছিল তাৰ লগতে সিহঁতে কানিৰো ব্যৱসায় কৰিছিল। ভাবিছিল চীনা লোকসকলক কানি খুৱাই নিশকটীয়া কৰি দিব। কিন্তু দুৰ্ভাগ্যবশতঃ চীনাসকলে সেই কথা গম পাই চাহপাতৰ কাৰবাৰ বন্ধ কৰি দিয়ে। যেতিয়া চীন দেশত চাহপাতৰ ব্যৱসায় বন্ধ হৈ গ'ল, তেতিয়া বৃটিছে চাহ খেতি কৰিবলৈ ভাৰতবৰ্ষত

বিশেষকৈ অসমত নতুন ঠাই বিছাৰিলে।

সেই সময়তে বৃটিছ ইণ্ডিয়া কোম্পানীয়ে অসমৰ হিমালয়ৰ নামনি অঞ্চলৰ আপোনা আপুনি গজি উঠা চাহগছৰ সন্ধান পায়। কিন্তু সেই চাহ গজি উঠা অঞ্চলসমূহ চিংফৌসকলৰ অধীনত আছিল।

১৮২১ চনত বাৰ্মিজবিলাকে তৃতীয়বাৰ অসম আক্ৰমণ কৰে। সেইখিনি সময়তে ইংৰাজবিলাকে অসম সোমাবলৈ সুবিধা গ্ৰহণ কৰে আৰু চাহগছৰ সন্ধান লবলৈ দুজন মিলিটেৰী ককাই ভাই মেজৰ ৰবাৰ্ট ব্ৰুচ আৰু ভায়েক আলেকজেণ্ডাৰ ব্ৰুচক অসমলৈ পঠায়। কিন্তু দুৰ্ভাগ্যৰ বিষয় যে ১৮২৫ চনত ৰবাৰ্ট ব্ৰুচৰ মৃত্যু হয়। সেইকাৰণে Cap. A Bruce আৰু Capt Neufville's য়ে লগত ফৌজ লৈ চিংফৌবিলাকক আক্ৰমণ কৰে। ১৮২৫ চনৰ চেপ্তেম্বৰ মাহত চিংফৌসকলে বৃটিছৰ লগত যুদ্ধ কৰি পৰাজয় বৰণ কৰে আৰু চাহৰ এলেকা বৃটিছৰ অধীনলৈ যায়।

এই বেজাৰতে বেচা গামে বৃটিছ কমিচনাৰলৈ এখন চিঠি লিখিছিল যে, "Now it is said that where the tea grows, that is yours but, when we made sacrifice we require tea for our funerals, we therefore perceive that you have taken all the country and we, the old and respectable can't get tea to drink we are not well satisfied."

— তাৰ পিছত ?

— তাৰ পিছত কথা সহজ।

— মানে ? হাস্‌নাই সুধিলে।

— ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি হয় আৰু অৰ্থনৈতিক, সামাজিক অৱস্থাই জুকলা কৰা অসমীয়াৰ ওপৰত বৃটিছে শাসনৰ বাৰজৰি মেলি দিয়ে।

কিন্তু অসমৰ মানুহে বৃটিছসকলৰ শাসন মনে প্ৰাণে ভাল নাপাইছিল। তাৰোপৰি ঠায়ে ঠায়ে বিদ্ৰোহ হৈছিল। সেইহে পুৰন্দৰ সিংহক বৃটিছে বহতীয়া ৰজা পাতে আৰু বাৰ্ষিক ৫০,০০০ টকা দিব লাগিব বুলি চুক্তি পত্ৰত চহী কৰে।

যিহেতু চাহৰ সমগ্ৰ এলেকা পুৰন্দৰ সিংহৰ অধীনলৈ আছে সেইহে ৫০,০০০ টকাকৈ ২ বছৰ খাজানা দিব নোৱাৰা অজুহাতত পুৰন্দৰ সিংহক বৃটিছে সিংহাসনচ্যুত কৰে আৰু সম্পূৰ্ণ চাহ খেতিৰ এলেকা বৃটিছৰ অধীনলৈ আনে।

ৰাজখোৱা চকিৰ পৰা উঠিল আৰু চিগাৰেট এটা জ্বলাই হৈ বাহিৰলৈ গ'ল।

তেতিয়া সন্ধ্যা লাগি আহিছিল। মাধৱী ড্ৰইং ৰুমলৈ সোমাই আহিল আৰু সকলোকে মুখহাত ধুবলৈ দিলে। সকলোৱে মুখহাত ধুই ললে আৰু মাধৱীয়ে দেখুৱাই দিয়া guest roomটোত সোমাল।

-- x --

৩৮

ৰাতিপুৱা সোনকালে উঠি অৰূপাইঁতে চাহ জলপান খালে আৰু লাহতী চাহবাগানত প্ৰাপ্তবয়স্ক স্কুল মুকলি কৰিবলৈ ৰাওনা হ'ল। লাহতী বাগানৰ শ্ৰমিকসকলৰ সংঘতে নতুন স্কুল মুকলি কৰা হ'ল। এই স্কুল মুকলি অনুষ্ঠানত ডেকা, বুঢ়া, গাভৰু সকলো আহিল আৰু স্কুল মুকলি কৰাত সহযোগিতা কৰিলে। সেইদিনা বহুত মহিলা শ্ৰমিকে পঢ়িবলৈ নাম ভৰ্ত্তি কৰালে। এদিনৰ ভিতৰতে চিলেট, পেঞ্চিল, বৰ্ড আহি পাব বুলি মাধৱীয়ে আশ্বাস দিলে আৰু নিশা ৭ বজাৰ পৰা ৮ বজালৈ স্কুল হব বুলি ঘোষণা কৰি অৰূপাইঁতে বিদায় ল'লে।

মাধৱীৰ বৰ আনন্দ লাগিল। ইমান দিনৰ মূৰত হলেও এটা কাম কৰিব পাৰিলে, কিন্তু স্কুলখন বলেই হ'ল।

অৰূপাইঁত লাহতী বাগানৰ পৰা মাধৱীক বিদায় দিলে আৰু বাহিৰে বাহিৰে নগাঁও অভিমুখে ৰাওনা হ'ল। তেতিয়া প্ৰায় ১২ টা বাজিছিল। বাটত সিহঁতে নেঘেৰিটিং চাহ বাগিচাত সোমাই যাবলৈ মনস্থ কৰিলে। তাতে অৰূপাৰ নেঘেৰিটিং দ'ল চোৱাৰ হেপাহ বহুত দিনৰে পৰা আছিল।

গাড়ী নগাঁও অভিমুখে ৰাওনা হ'ল। দেৰগাওঁৰ পৰা ১ কিলোমিটাৰ উত্তৰলৈ সোমাই গৈয়েই সিহঁতে নেঘেৰিটিং দ'ল পালেগৈ। অৰূপাইঁতৰ গাড়ী পাহাৰৰ তলত ৰ'লগৈ। এটা টিলাৰ ওপৰত নেঘেৰিটিং শিৱ মন্দিৰ অৱস্থিত। অৰূপাই গাড়ীৰ পৰা নামি দ'ললৈ চাই নমস্কাৰ কৰিলে। কথিত আছে যে বৰ্ত্তমান

নেঘেবিটিং নামৰ ঠাইখন দিহিং নদীৰ দক্ষিণপাৰে আছিল।

নেঘেৰি নামৰ চৰাই এই ঠাইখনত অসংখ্য আছিল কাৰণে এই ঠাইখনৰ নাম নেঘেৰি হ'ল বুলি জনা যায়।

তাৰোপৰি এই মন্দিৰত এসময়ত দেবদাসীসকলে নৃত্য কৰিছিল। তেওঁলোকে যি খোপা বান্ধিছিল সেই খোপাকে নেঘেৰি খোপা বুলিছিল। সেই নাম অনুসৰি এই ঠাইখনৰ নাম আছিল নেঘেবিটিং।

সিহঁতে মন্দিৰ দৰ্শন কৰিবলৈ উঠি গ'ল। চাৰিওফালৰ প্ৰাকৃতিক দৃশ্য, মুকলিভাৱে বিচৰণ কৰি ফুৰা অসংখ্য বান্দৰ দেখি অৰূপাৰ মনটো ভৰি গ'ল।

দৰ্শন কৰি নামি আহিল সিহঁত। উভতি আহোঁতে সিহঁতে ওচৰৰে এখন চাহ বাগিচাত সোমাল। চাহ বাগিচাৰ নাম চন্দ্ৰা চাহ বাগিচা। সিহঁতে প্ৰাথমিক বিদ্যালয় এখন চাবলৈ সোমাল। বিদ্যালয়খন ১৯৭০ চনতে বনোৱা হৈছিল যদিও বৰ্ত্তমানেও কোনো সুবিধা পোৱা নাই। মুঠ ছাত্ৰৰ সংখ্যা ১৫১ জন। শিক্ষক তিনি জন। কিতাপ পত্ৰ নিজে কিনি লব লাগে।

অৰূপাহঁতে সিহঁতৰ অভাৱ অভিযোগবোৰ শুনিলে। স্কুল ঘৰটো দেখি দুখ লাগিল। ভগা চিগা। দুটা ক্লাচত বহিবলৈ একো নাই। ল'ৰা-ছোৱালীবিলাক সকলো সুবিধাৰ পৰা যেন বঞ্চিত। ওচৰত হস্পিতেল নাই। বেছি টান নৰিয়া হ'লে চিনামৰা হস্পিতেললৈ নিব লাগে।

স্কুলৰ শিক্ষক তিনিজন বৰ ভদ্ৰ আৰু অমায়িক। তেওঁলোকৰ ব্যৱহাৰে অৰূপাহঁতক আপ্লুত কৰিলে। সিহঁতৰ অভাৱ অভিযোগ বোৰ বুজ লোৱাত শিক্ষককেইজনে বৰ আনন্দ পালে। লগে লগে ওচৰৰ শ্ৰমিকসকল আহি অৰূপাহঁতক বেৰি ধৰিলেহি।

হাস্নাই হাঁহি মাৰি ক'লে— আপোনালোকৰ দুখ সুখৰ

বুজ লবলৈ আহিছো।

— ভাল পাইছো, পিছে কিবা ইলেকচন টিলেকচন আছে নেকি ?

কথাষাৰ শুনি হাস্না আচৰিত হ'ল।

— মানে ?

— মানে আপোনালোকৰ নিচিনা ভদ্ৰ মহিলা আমাৰ চাহ বাগানলৈ আমাৰ দুখ, সুখৰ বুজ লবলৈ অহা দেখাই নাই। মাত্ৰ ইলেকচনৰ সময়তহে আমাৰ তালৈ বহুত ডাঙৰ ডাঙৰ মানুহ আহে আৰু ভাল ভাল কথাৰে আমাক ভুলায়। পিছত দেখিবা সকলো ফুটুকাৰ ফেন।

কথাৰে ইটাত আটাই কেইজন শ্ৰমিকে হাঁহি দিলে। হাস্নাই চিঞৰি ক'লে— নাই, নাই আমি কোনো ইলেকচনৰ বাবে অহা নাই। আমি নিস্বাৰ্থভাৱে আপোনালোকৰ কাৰণে সহায় আগবঢ়াবলৈ আহিছো।

— সহায় ? কেনেকুৱা সহায় ? বুজিছে আইদেউ, শুকান বালি আৰু কিমান তিয়াব ?

— আপুনি তেনেকৈ নকব ? আমি প্ৰতি বাগানত একোটাকৈ শিশু কল্যাণ সস্থা খুলিছো আৰু এই বাগানতো তেনে এটা সস্থা খুলিম বুলি আহিছো। তাৰ দ্বাৰা শিশুসকলৰ কল্যাণ হব !

— কল্যাণ ? শ্ৰমিকজনৰ যেন চকু দুটা খন্তেকতে জিলিকি উঠিল। তাৰ পিছত কোলাত লৈ থকা ল'ৰাটোক মাটিত নমাই দি হাস্নালৈ চাই ক'লে— কৰক কল্যাণ এই ল'ৰাটোৰ !

হাস্না আৰু অৰূপাইঁতে ল'ৰাটোক চাই দেখিলে ল'ৰাটোৰে ভৰি দুখনেৰে খোজ কাঢ়িব নোৱাৰে। অৰূপাইঁত যেন হতবুদ্ধি হ'ল। সিহঁতে নিমাতে থাকি ল'ৰাটোক নিৰীক্ষণ কৰিলে। ল'ৰাটোৰ বয়স ৭ বছৰ মান হৈছে, কঁকালৰ পৰা ওপৰখিনি সুস্থ। চকু-মুখ উজ্জল। গাটোৰ উদং কামিহাড়বোৰ লেখিব পাৰি। চুলি বিলাক কক্ষ, তেল যেন বহুত দিনেই লোৱা নাই। হাস্নাই মুখ

তুলি চাই সুধিলে— এনেকুৱা কেতিয়াৰ পৰা হৈছে? ল'ৰাৰ ২ বছৰ হওতেই খুউব জ্বৰ হ'ল, জ্বৰৰ পিছতেই ভৰি দুটা ক্ষীণাই গ'ল আৰু খোজ কাঢ়িব নোৱাৰিলে।

অকমান আগতে যিজন মানুহে ক্ষোভ আৰু খঙেৰে হাস্‌নাক কথা কৈছিল সেইজন মানুহ যেন ক্ষন্তেকতে জয় পৰি গ'ল। মানুহজনে আকৌ ক'লে— মেনেজাৰক ইমাননো কাকুতি মিনতি কৰিলো কিন্তু একো লাভ নহ'ল। মানুহে কৈছিল অসমৰ বাহিৰলৈ গ'লে ভাল হ'লহেঁতেন কিন্তু নিব কোনে?

হাস্‌নাই ল'ৰাটোক মৰম কৰিলে আৰু বাপেকলৈ চাই ক'লে— আমি চাওঁচোন কি কৰিব পাৰো! নিশ্চয় কিবা কৰিব লাগিব। মানুহজনে তেওঁলোকক নমস্কাৰ জনালে আৰু লগতে ক'লে— আপোনালোক আমাৰ মেনেজাৰৰ তালৈ যাওক তেখেত নতুনকৈ আহিছে বৰ ভাল পাব। নাম তেওঁৰ চন্দ্ৰকান্ত বৰা।

হাস্‌নাইঁতে তেওঁলোকৰ পৰা বিদায় ল'লে আৰু চন্দ্ৰকান্ত বৰাৰ কোৱাৰ্টাৰৰ ফালে গাড়ী আগবঢ়াই দিলে। তেওঁৰ বাংলাৰ সন্মুখত গাড়ী ৰখোৱা গম পাই ওলাই আহিল এজন চকল ধুনীয়া ডেকা। মহিলাকেইগৰাকীক দেখি তেওঁ আচৰিত হ'ল। হাস্‌নাইঁতে নিজৰ চিনাকি দিলে। চন্দ্ৰকান্তই হাঁহি হাঁহি আদৰি তেওঁলোকক ভিতৰলৈ নিলে আৰু চাহ বিস্কুট খাবলৈ দি নিজেও ওচৰতে বহিল। অৰূপাহঁতে তেওঁলোকৰ আঁচনিৰ কথা ক'লে। কথাখিনি শুনি চন্দ্ৰকান্তই বৰ ভাল পালে আৰু ক'লে— আমাৰো কৰিবৰ মন যায় বুজিলে, পিছে কি কৰিব আমি হলো অৱস্থাৰ দাস। মোক কি সহায় কৰিব লাগে ক'ব মই যিমান পাৰো সহায় কৰিবলৈ ৰাজী। কথাকৈ চন্দ্ৰকান্তই মনে মনে ৰ'ল। চন্দ্ৰকান্ত সৰু ল'ৰা, বিয়া কৰোৱাই নাই। মাতে কথাই বৰ ৰসিক আৰু অমায়িক। অৰূপা-হঁতৰ বৰ মৰম লাগিল।

— বহুত ধন্যবাদ দেই। হাস্‌নাই ক'লে— বলক এতিয়া আপোনাৰ বাগান চাওঁগৈ।

— হয়! হয়! বলক বলক।

সিহঁত খোজ কাঢ়ি বাগান চাবলৈ গ'ল। তেওঁলোক গৈ পকা আলিৰ কাষত ৰ'লগৈ। ৰাস্তাৰ কাষৰ পৰা বহুত দূৰলৈকে চাহগছৰ নতুন পুলিবোৰ ৰোৱা হৈছে। শ্ৰমিকবিলাকে পুলি-বিলাকৰ গুৰি চাফা কৰিছে, কিছুমানে জাবৰবোৰ পাচিত আনি দূৰত পেলাই দিছে।

হাস্‌নাই সুধিলে– চাহৰ গুটিবিলাক আমাৰ ইয়াৰেনে?

—ওঁ ইয়াৰেই। কিছুমান চাহবাগানত গুটিৰ কাৰণে ভাল চাহৰ সঁচ থৈ দিয়া হয়। তেনে এখন বাগান "সুন্দৰ বন" Agriculture Univercity ৰ মাটি পট্টন দিওতে কাটি দিয়া হ'ল।

—এই চাহগুটিবিলাক চিঙাৰ কিবা পদ্ধতি আছে নেকি?

—আছে। চাহগছৰ গুটিবিলাক ফাটি যাতে মাটিত নপৰে তাৰ আগতেই গুটিবোৰ তুলি পেলাব লাগে।

—কাৰণ? হাস্‌নাই ৰবাক সুধিলে।

—কাৰণ হ'ল মাটিত গুটি পৰিলে বেয়া হয়। সেইহে কিছুমানে মাটিত পলিথিন জাতীয় কাপোৰ পাৰি থৈ দিয়ে অৱশ্যে ওপৰতে চিঙি অনা গুটিৰ সঁচ সদায়ে ভাল। তলত পৰা গুটি অৱশ্যে ব্যৱসায়ৰ কাৰণে ব্যৱহাৰ কৰিব পাৰি।

—গুটিবোৰ কেনেকৈ ৰখা হয়?

—গুটিবোৰ প্ৰথমে বেয়া নহবৰ কাৰণে কয়লাৰ মাজত সুমুৱাই থব লাগে। কাৰণ গুটিত থকা সেমেকা ভাপটো কয়লাই শুহি পেলায়, এনেদৰে গুটিবোৰ দুইতিনি মাহলৈকে থব পাৰি।

—গুটি সিচিবৰ কাৰণে কি ব্যৱস্থা লয়?

—গুটি সিচিবৰ কাৰণে 'বেড' তৈয়াৰ কৰিব লাগে। এই

'বেড' তৈয়াৰ কৰিবলৈ এচবৰ পৰা ভাল সাকৰা মাটি চাই আনিব লাগিব। মাটিত যাতে এচিদ নাথাকে তাৰ কাৰণে মাটিটো পৰীক্ষা কৰি লব লাগে। মাটিত গোবৰ সাৰ দিব লাগে। Super-phosphate নিয়ম অনুযায়ীহে জোখমতে দিব লাগে।

—গুটিবোৰ আপোনালোকে সিচি দিয়েনে ?

—নাই গুটি সিচি দিয়া নহয় ? প্ৰথমে গুটিবোৰ পানীত দিব লাগে, যিবোৰ গুটি পানীত উপঙি উঠে সেইবোৰ গুটি ভাল নহয় বুলি গণ্য কৰা হয়, আৰু যিবোৰ গুটি তললৈ পৰি যায় সেই গুটিবোৰহে পছোৱাৰ কাৰণে উপযুক্ত। পানীত গুটিবোৰ দুঘণ্টামান তিয়াই থব লাগে।

মাটিত জোখ অনুযায়ী গুটিবোৰ পুতি দিয়াৰ পিছত যেতিয়া গজি উঠিব তেতিয়া পানী দিব লাগে আৰু ছাঁ দিব লাগে। যদি ছাঁ পৰা ঠাইত গুটি গজি উঠে তেনেহলে পানী কমকৈ দিব লাগে। যেতিয়া পুলিটো ১৫ ছেঃ মিঃ ওখ হয় তেতিয়া পুলিটো লাহেকৈ তুলি আগতে তৈয়াৰ কৰি থোৱা মাটিত ৰুব লাগে।

ৰবাই হাস্‌নাইঁতলৈ চাই ক'লে— আহক মোৰ নতুন চাহৰ পুলিবাৰী চাব। ৰবা আগবাঢ়িল। হাস্‌নাইঁত নতুন পুলিবাৰী চাবলৈ ৰবাৰ পিছে পিছে খোজ ললে। অলপ দূৰ গৈ সিহঁতে দেখিলে এখন উন্নত ধৰণৰ পুলিবাৰী। সিহঁতে বৰ ভাল পালে। ৰবাই তেওঁলোককৈ চাই হাঁহি হাঁহি ক'লে - বুজিছে চাহগছ পৃথিৱীৰ এক প্ৰকাৰ নমৰা উদ্ভিদ বুলি ক'ব পাৰি, যি নেকি গোটেই ঋতুতে অলপ দিন বাদে বাদে ফচল দিয়ে আৰু আমিও গোটেই বছৰতে খেতি কৰিব পাৰো।

আজি কালি পিছে চাহগছ কৰৰ কাৰণে বহুত নতুন উপায় উলিওৱা হৈছে। চাহখেতি কৰিবলৈ কিছুমান বিষয়লৈ আমি চাব লাগে। যেনে ধৰক ছাঁ দিয়া গছ। ছাঁ হ'ল প্ৰকৃতিৰ দান।

কিন্তু এই ছাঁ দিয়া গছ পুলিবোৰ কৰাৰ সময়ত যাতে নিৰ্দ্দিষ্ট দূৰত্বত ৰোৱা হয় তালৈ মন কৰিব লাগে তাৰ পিছত আহিব Nutrition, আমি চাহগছত সাৰ প্ৰয়োগ কৰিব লাগে তাকো নিয়মমতেহে, Over dose may be also harmful, তাৰ পিছত চাব লাগে পটাছ মাটিখিনিত আছেনে নাই, যদি নাই তেনেহলে বৈজ্ঞানীক নিয়মত পটাছ মাটিত দিব লাগে। তাৰ পিছত পানী। পানীটো বৰ জৰুৰী। কিন্তু এখন চাহবাগিচা এনে হব লাগে যাতে পানীটো জমা হৈ নাথাকে আৰু যদি শুকান হয় তেনেহলে জলসিঞ্চন পদ্ধতিৰে পানী দিব লাগে। এনেকুৱা বহুত কথাই চাহপুলি কৰাৰ সময়ত চাব লাগে। তাৰোপৰি চাহপুলি-বোৰত নানান ধৰণৰ বেমাৰ হয়।

—তেতিয়া কি কৰে? হাস্নাই সুধিলে।

—তেতিয়া আমি Spray কৰো আৰু বিশেষধৰণৰ বেমাৰ হলে তাত ঔষধ প্ৰয়োগ কৰো। সেইয়া কৰিবৰ কাৰণে আমাৰ বেলেগ মানুহ আছে।

—এইখন পুলিবাৰীত কিমান পুলি আছে।

—প্ৰায় পাঁচহাজাৰ।

অৰূপাই বহুত পৰ ৰ লাগি চাহৰ গছ পুলিবিলাকলৈ চাই থাকি সুধিলে— এই চাহ গছবিলাক বাৰু কিমান ওখ হ'ব পাৰে?

—আপুনি এইটো বৰ ভাল প্ৰশ্ন কৰিছে। আচলতে সেউজীয়া চাহ গছ জোপা সাধাৰণতে ৩০ ৰ পৰা ৫০ ফুটলৈকে ওখ হব পাৰে। কিন্তু খেতিৰ কাৰণে চাহগছ জোপা ২ ফুটৰ পৰা ৪ ফুটলৈকেহে ওখ হবলৈ দিয়া হয়।

—নিৰ্দ্দিষ্ট জোখত ৰাখিবলৈ আপোনালোকে কি কৰে?

—কলম দিও। জোপোহা কৰি ৰাখিবলৈ নিয়মিতভাবে কলম দিব লাগে।

—কিবা জোখ মাপ আছে নেকি ? অৰূপাই আকৌ সুধিলে।

—হয় আছে। আমি চেপ্তেম্বৰ / অক্টোবৰ মাহত বোৱা পুলিবোৰ সাধাৰণতে এবছৰ মানৰ পিছত জানুৱাৰী / ফেব্ৰুৱাৰী মাহত কলম দিব লাগে আৰু ৩৫ ছেঃ মিঃ ওপৰত দালবোৰ কাটি দিব লাগে। সদায় গছৰ মূল ঠালটোলৈ লক্ষ্য ৰাখিব লাগে। যদি গছৰ মূল ঠালটোহে থাকে তেনেহলে ১২ ছেঃ মিঃ পৰা ২৬ ছেঃ মিঃ ভিতৰত কাটিব লাগে। পিছৰ বছৰত অৰ্থাৎ দ্বিতীয় আৰু তৃতীয় বছৰৰ জানুৱাৰী/ ফেব্ৰুৱাৰী মাহত ৪০ ছেঃ মিঃ উচ্চতাত কাটি দিব লাগে আৰু ৬০ ছেঃ মিঃ উচ্চতাত পাত চিঙিব লাগে।

—চতুৰ্থ বছৰত ? হাস্‌নাই হাঁহি মাৰি সুধিলে ?

—ঠিক কৈছে, চতুৰ্থ বছৰত আমি ৪৫ ছেঃ মিঃ উচ্চতাত কলম দি ৬৫ ছেঃ মিঃ উচ্চতাত পাত ছিঙিবলৈ দিও। আৰু কিবা ?

কথাষাৰ কৈ ৰবাই অৰূপালৈ চাই হাঁহিলে।

আপুনি যে এই পুলিবাৰী কৰিছে গুটিৰ পৰা কৰিছে নে কলম দি কৰিছে ?

আমি দুই ধৰণৰে কৰিছো। সাধাৰণতে গুটিৰ পৰা কৰা পুলি-বোৰ সবল আৰু পুৰঠ হয়। কিন্তু আজি কালি কলম ধৰিও কৰিব পাৰি, সেয়ে উন্নত ধৰণৰ গছ হব লাগে। আমি যিবোৰ গুটিৰ পৰা কৰিছো সেইবোৰ হ'ল— TS 449, TS 450, TS 464, TS 462 কলম ধৰি যিবোৰ পুলি কৰিছো সেইবোৰ হ'ল— TV-18, TV-20, TV-21, TV-22, TV-23, TV-24, TV-25, TV-26, TV-27 আৰু TV-29 তাৰোপৰি তিনিআলি সঁচ 17/1/ 54 আদি আছেই।

—আপোনালোকে যে পাতবোৰ তুলিবলৈ দিয়ে তাৰ কিবা নিয়ম আছে নেকি ? হাস্‌নাই সুধিলে।

—সাধাৰণতে গছ জোপা যেতিয়া ২ ফুট ওখ হয়, তেতিয়াই আমি

ভাবিব লাগিব যে পাতবোৰ তুলিবৰ সময় হ'ল। এপ্ৰিল মাহৰ প্ৰথম ভাগৰ পৰা চেপ্তেম্বৰ মাহৰ শেষলৈ সাধাৰণতে ৭ বা ১০ দিনৰ অন্তৰে অন্তৰে পাত তোলাৰ কামত শ্ৰমিকসকলক লগোৱা হয়। কেতিয়াবা মাৰ্চ্চ মাহৰ পৰাও পাত তোলে।

—বাৰু আপোনালোকে পাতৰ পৰা চাহৰ গুণা-গুণৰ বিষয়ে জানিব পাৰে নেকি? হাস্‌নাই আকৌ সুধিলে।

—হয়। চাহগছৰ পাতৰ ওপৰতে চাহৰ গুণাগুণ নিৰ্ভৰ কৰে। আজি পৃথিৱীৰ প্ৰায় সকলো দেশতে চাহ উৎপাদন হয় যদিও অসমৰ চাহৰ উৎপাদনৰ ক্ষমতা আৰু চাহৰ গুণাগুণ পৃথিৱীৰ ভিতৰতে বিখ্যাত। বুজিছে, আজি আপোনালোকক কবলৈ পাই আনন্দ লাগিছে যে, এই সাধাৰণ গছৰ পাতটোত এনে এবিধ দ্ৰবক সঞ্চিত হৈ আছে যিটো আন কোনো গছৰ পাতত নাই। এইটো ঈশ্বৰৰ দান। অসমৰ মাটি, জলবায়ু হ'ল প্ৰকৃতিৰ দান। এই প্ৰকৃতিৰ দান অসমৰ চাহ গছ জোপাৰ এসময়ত পৃথিৱীৰ উদ্ভিদ বৈজ্ঞানীক সকলে নাম দিছিল— কেমেলীয়া চিনেনচিছ (Camellia Sinensis).

অৰুপাহঁতে থৰ লাগি শুনিবাৰীখনলৈ চাই ভাবিলে সঁচা-কৈয়ে প্ৰকৃতিৰ দান। নহলেনো অসমত এনে অমূল্য সম্পদ আপোনা আপুনি গজি উঠেনে?

সময় হৈ আহিল। অৰুপাহঁতে বৰাক নমস্কাৰ জনালে আৰু সেইদিনালৈ বিদায় ললে।

সিহঁত উভতিল। সেইজীয়া মাটিৰ গোন্ধে অৰুপাৰ মনৰ পথাৰখন যেন বাউল কৰি তুলিলে। তাই ওপৰ'ল চালে প্ৰভাতি সূৰ্যৰ কোমল গোন্ধ এতিয়া আৰু নাই এতিয়া আছে মাত্ৰ তপ্ত মাটিৰ অফুৰন্ত ভালপোৱা আৰু গভীৰ উন্মাদ।

—x—

সিহঁতে ঘৰ পাওতে নিশা হৈছিল। বাৰন্দাতে লচমিয়ে মাৰক সাৱটি ধৰি কান্দি পেলালে— মোক এৰি থৈ কলৈ গৈছিলা মা। কলৈ গৈছিলা

অৰূপাই তাইক সাৱটি ধৰিলে আৰু দুয়ো গালে দুটা চুমা খাই ক'লে— মই কামত গৈছিলো মাজনী। পিছে তুমি পঢ়িছানে নাই?

—পঢ়িছো।

—মোৰ লক্ষ্মী আই ভাল ছোৱালী।

অৰূপাই লচমিৰ হাতত ধৰি ভিতৰলৈ সোমাই গ'ল।

অনিল ভিতৰৰ পৰা ওলাই আহি অৰূপালৈ চালে— তোমালোক আহি আছা বুলি যোৰহাটৰ পৰা ফোন পাইছো পিছে দেৰি হোৱাৰ কাৰণেহে চিন্তা আছিল।

—আমি আকৌ নেঘেৰিটিং মন্দিৰত সোমালো। শিৱ মন্দিৰ চালো।

—ভাল কৰিলা। বাটত কিবা দিগদাৰ হৈছিল নেকি?

—ওহোঁ নাই হোৱা।

অৰূপাই কথা কৈ কৈ কাপোৰ খুলিবলৈ ভিতৰ সোমাল। অনিলে লচমিক মৰম কৰি ক'লে তুমি ভালকৈ পঢ়িব লাগিব দেই। ডাক্তৰ হব লাগিব নহয়? লচমিয়ে বাপেকৰ ডিঙিত ধৰিলে আৰু ক'লে— মা বেয়া নহয়নে পাপা। মায়ে আমাক এৰি এৰি ফুৰে।

অৰূপাই হাঁহিলে। অনিলে সুধিলে— বাৰু কোৱাচোন কাম হ'লনে নাই?

— ওঁ হ'ল ।

লাহতী চাহ বাগিচাত আমি এটা ডাঙৰ কাম কৰিলো জানা ?

— কি কাম ?

— এখন ৰাতিৰ স্কুল খুলিলো ।

— বাঃ বৰ ভাল হৈছে ।

— ময়ে উদ্বোধন কৰিলো ।

— আৰু ভাল তেনেহলে ।

অৰূপাই হাঁহিলে । তাৰ পাছত তাই আহি অনিলৰ কাষতে বহি লৈ চুলিখিনি মেলি দি ক'লে— অনিল, আজি কথা এটাত বৰ বেয়া লাগিল ।

অনিল আচৰিত হ'ল আৰু মাজনীক পঢ়িবলৈ পঠাই দি সুধিলে— কি কথা ?

—আমি আহোঁতে নিকাই বাগিচাত সোমালো । তাৰ স্কুল ঘৰটো চাই থাকোতে কেইজনমান চাহ শ্ৰমিক আহিল আৰু আমাক ইতিকিং কৰি ক'লে— আমি বোলে ইলেকচনৰ কাৰণেহে গৈছো । কিন্তু আমি বহুত বুজালো আৰু শিশুৰ কল্যাণৰ কাৰণে আহিছো বুলি কওতে এজন শ্ৰমিকে যিটো ল'ৰা আমাৰ আগতে মাটিত বহুৱাই দিলে আমি হতবুদ্ধি হ'লো । ল'ৰাটোৰে খোজ কাঢ়িব নোৱাৰে । তাৰ পলিঅ' হৈছিল । আগৰ মেনেজাৰক বহুত মিনতি কৰিছিল বোলে । কিন্তু একো লাভ নহ'ল । মেনেজাৰে বোলে একো গুৰুত্ব নিদিলে । মই কিন্তু কিবা এটা কৰিম বুলি কথা দি আহিছো অনিল ।

—অনিল গহীন হ'ল । কথা দি আহিছা ?

—ওঁ কথা দি আহিছো । চোৱা অনিল সেই সন্তানটো যদি আমাৰ হ'লহেতেন, তুমি বহি চাই থাকিলাহেতেন নে ? কিবা কৰিব

পাৰিম নহয় নে আনিল।

অনিলে অৰূপাৰ মুখলৈ চাই থাকিল। সি দেখা পালে অৰূপাৰ মুখখন যেন হঠাতে এগৰাকী দেৱীলৈ ৰূপান্তৰিত হ'ল। সেই দেৱী আন নহয় কৰুণাময়ী ৰূপ।

— কি চাইছা অনিল ?

-- তোমাক ? তোমাৰ ভিতৰৰ মাতৃ ৰূপটো।

অৰূপাই হাঁহি এটা মাৰি বিছনাতে শুই পৰিল।

—কিয় শুলা ?

—তুমি একো নকলা কিয় ?

—অৰু, ভাবিব লাগিব। নিশ্চয় কিবা এটা কৰিব পৰা যাব। মানুহে কৰিব নোৱাৰা কাম কিবা আছে জানো ?

— হয় অনিল ? কৰিবা ? ল'ৰাটোৰ কাৰণে কিবা এটা কৰিবা ?

অৰূপাই উৎসাহতে একেচাবে উঠি গৈ অনিলৰ ডিঙিত সাৱটি ধৰি উচুপি উঠিল। এই উচুপনিত মন পৰিপূৰ্ণ হৈ উঠিল কিবা এটা পোৱাৰ আনন্দত।

— বাৰু এতিয়া উঠা ভাত খাব লাগে। তুমি ছাগৈ দিনত খোৱাই নাই।

— নাই। আজি মোৰ ইমান যে ভাল লাগিছে ভাত খাবলৈকে ভোক নাই।

অনিলে হাঁহিলে। অৰূপা পাকঘৰলৈ যোৱা চাই থাকি মাজনীক মাতিলে।

-- কি পাপা, মাজনী অনিলৰ ওচৰলৈ দৌৰি আহিল, ব'লা আমি ভাত খাওগৈ। সিহঁত ভাতৰ টেবুলত বহিলহি। মাজনী আৰু অনিলক ভাত দি অৰূপা ওচৰতে বৈ থাকিল। অনিলে ভাত গৰাহ খাই অৰূপালৈ চাই ক'লে— জানা অৰু আনাৰ লচমিয়ে পৰীক্ষা খুউব ভাল কৰিছে।

— হয় ? তুমি কেনেকৈ জানিলা Result দেখোন দিয়াই নাই।

— শিক্ষকসকলে কৈছে।

— হায় ভগৱান তুমি দয়া কৰিবা। আমি যেন লচমিক ডাক্তৰ বনাব পাৰো।

অৰূপাই হাঁহি হাঁহি আহি লচমিৰ মুৰত চুমা এটা খাই দিলে।

সেইদিনা সিহঁতে ভাত খাই সোনকালে শুলে কাৰণ অৰূপাৰ বৰ ভাগৰ লাগিছিল।

● ● ●

ৰাতিপুৱা অৰূপাই বাহিৰলৈ গৈ দেখিলে লক্ষ্মণ আহিছে।

— দিদি নমস্কাৰ।

— নমস্কাৰ। পিছে তোমাৰ খবৰ কোৱাচোন।

— ভালেই দিদি। আমাৰ আজি মনসা পূজা, আপুনি আজি আমাৰ পূজালৈ আহিব লাগিব।

— বাক যাম দিয়া। পিছে মই নথকা কেইদিন বাগানৰ স্কুল কেনে চলিছে।

— ঠিকেই চলিছে দিদি।

— ল'ৰা-ছোৱালীবিলাক চাফা হৈ আহিছেনে? গাখীৰ বিস্কুট ঠিকমতে বিলোৱা হৈছেনে?

— হৈছে দিদি। সকলো ঠিকঠাক চলি আছে।

— মই এতিয়া যাও দিদি।

অৰূপাই লক্ষ্মণক বিদায় দি বাৰান্দাত বৈ থাকোতে

অনিল ওচৰলৈ আহি ক'লে– মই যাও, আহোঁতে অলপ দেখি হব পাৰে।

অনিল গ'লগৈ। অৰূপাই একেখিনি ঠাইতে বৈ বৈ সময় বোৰ অতিবাহিত কৰিলে।

তাইৰ মনত পৰিল যোৰহাটৰ কথা, নৈশ বিদ্যালয়ৰ কথা, নেখেৰিটিঙৰ মন্দিৰৰ কথা, আৰু সেই খোজ কাটিব নোৱাৰা ল'ৰাটোৰ কথা। তাই এটা হুমুনিয়াহ কাঢ়িলে আৰু ভিতৰলৈ সোমাই গ'ল। তাই বিছনাখনত বাগৰ দিলে আৰু চকুদুটা মুদি দেখিলে— সেই ল'ৰাটো খোজ কাঢ়ি ওচৰলৈ আহি যেন মাতিছেহি–মা! তাই চকু মেলি দিলে আৰু শূণ্য ঘৰটোত শুনিবলৈ পালে একেই প্ৰতিধ্বনি মা—মা। কিন্তু তাই অধৈৰ্য্য হ'লে নচলিব। সকলো সমস্যা সমাধান কৰিবলৈ সময় লাগিব। অনিলে তাইক উৎসাহিত কৰিছে, সেইহে তাই আজি কৃতকাৰ্য হব পাৰিছে। বহুতো বাগানত শিশুকল্যাণ আঁচনি গঢ় লৈ উঠিছে। বাগানবিলাকত নতুন অনুপ্ৰেৰণাৰে শ্ৰমিকসকলে কাম কৰিছে। তাইৰ মনটো পাতল লাগিল আৰু বাহিৰলৈ ওলাই আহি দেখিলেহি ভাদ মহীয়া ৰ'দটো বৰ টানকৈ ওলাইছে।

● ● ●

চাওতে চাওতে সময়বোৰ পাৰ হ'ল। সন্ধিয়া অৰূপাই লাচমিক লগত লৈ মনসা পূজা চাবলৈ গ'ল।

সিহঁত যোৱা দেখি মোহন আৰু দিগন্তই আহি আগবঢ়াই

নিলেহি। চুনিয়া, মধু, লক্ষিমীহঁতে আহি অৰূপাৰ ভৰিৰ কাষতে বহিলহি। অৰূপাই মধুলৈ চাই ক'লে— জানা মধু আমি লাহতী চাহ বাগানত এখন নৈশ বিদ্যালয় খুলি আহিলো। তাত মহিলা বিলাকে পঢ়িব পাৰিব।

— হয় নেকি দিদি? মধুৰ চকু দুটা উজ্বলি উঠিল!

— দিদি আমাৰ বাগানতো এখন নিশাৰ স্কুল খোলক না, তেতিয়া আমাৰ সকলো মহিলাই পঢ়িব পাৰিব।

— মই চিন্তা কৰিছো কিন্তু পঢ়াব কোনে?

— কিয়? পাৰ্বতীয়ে! তাইতো পঢ়া-শুনা জানে। মেট্ৰিক ফেইল হ'লে কি হ'ল, আমাক তাই পঢ়াব পাৰিব। আমি সকলোৱে পঢ়িবলৈ আহিম, নহয় নে চুনিয়া?

চুনিয়াই লাজ কৰিলে কিয়নো তাইৰ ধিয়া হোৱা চাৰিটা মাহ হৈছেহে।

অৰূপাই সিহঁতলৈ চাই মৰমেৰে ক'লে— বাৰু হব আমাৰ বাগানতো আমি এখন স্কুল খুলিম দেই। মধুয়ে বৰ স্ফূৰ্ত্তি পালে। অৰূপাৰ কাষতে কুচি মুচি কৈ বহি সুধিলে— দিদি আমাৰ পূজাত ঝুপান উঠে, আপুনি দেখিছেনে?

—দেখিছো। গোৱালপাৰাত। ঝুপান কিন্তু বৰ ভয়ঙ্কৰ। গাত দেৱতা লম্ভে আৰু ভূত ভৱিষ্যতৰ কথা ক'ব পাৰে।

মধু, সেই ঝুপানকেই আমাৰ কয় দেওধনী উঠা। দেওধনী নচা ছোৱালীজনী সাধাৰণতে শুদ্ধচিত্তে সকলো কামনা বাসনা ত্যাগ কৰিব লাগে নহলে পূজাৰ উদ্দেশ্য সফল নহয়। আগতে বোলে দেওধনীসকলক দেৱতাইহে নিৰ্ব্বাচন কৰিছিল। পূজাত দিয়া নৈবেদ্যৰ গোন্ধ পাই তালৈ দৌৰি গৈছিল আৰু তুমি কোৱাৰ নিচিনাকৈ ভূত ভৱিষ্যতৰ কথা ক'ব পাৰিছিল। কিছুমান মানুহে তাত শাওন মাহৰ নাগ পঞ্চমীৰ দিনা মনসা পূজা পতা দেখিছো।

—হয় দিদি কিছুমানে শাওন মাহত পাতে। আমাৰ ইয়াত ভাদ মাহৰ শেষ দিনাহে পাতে।

অৰূপাইঁতে দেখিলে পূজাত পদ্মপুৰাণ পাঠ কৰি আছে। মনসা দেৱীৰ নামত ঘট স্থাপন কৰি পদুম ফুল অৰ্পণ কৰিছে। যিহেতু পদুম ফুল মনসা পূজাত অতি প্ৰয়োজন।

পূজাৰ সময়ত মহিলাসকল বহি গীত গাইছে—

যবে সনেকাৰ গৰ্ভ পাঁচ মাস হৈল
চাঁন্দ সদাগৰ তবে বাণিজ্য চলিল।
মনসাৰ সংগে বাদ বিসম্বাদ
বাণিজ্য যাইয়া তাৰ ঘটিল প্ৰমাদ
সপ্ত তৰি ডুবে গেল সাগৰেৰ জলে
হাঁহাঁকাৰ কৰি সাধু ভ্ৰময়ে ব্যাকুলে।

(মনসাৰ লগত বিবাদ লাগি বেপাৰ কৰিবলৈ যাওঁতে চাঁন্দ সদাগৰৰ সাতখন নাও পানীত ডুবি গ'ল)

প্ৰাণ পতি লখিন্দৰ ত্যজিল জীৱন,
হেৰিয়া বেহুলা সতী কৰয় ক্ৰন্দন।
পাষান বিদীৰ্ণ হয় বেহুলা ক্ৰন্দনে
বৃক্ষৰ নৱ পল্লৱ খসয় সঘনে॥
তাহাৰ ক্ৰন্দন শুনি পশু-পক্ষীগণ
হুইয়া মহা দুখীত জুড়য়ে ক্ৰন্দন॥
কত যে বিনায়ে কান্দে বেহুলা কামিনী
নয়নে নীৰত্তে সদা ভিজয়ে অৱনী॥

(স্বামীৰ মৃত্যুত বেউলাই ইনাই-বিনাই কান্দিছে)

গীত শুনি শুনি অৰূপাৰো মনটো বিষাদেৰে পূৰ্ণ হ'ল।

লক্ষ্মণে ওচৰলৈ আহি অৰূপাক পান তামোল দিলে আৰু লগতে ক'লে-- কালিলৈ ভাষাণ হব দিদি।

— হয় নেকি ?

— হয় দিদি ভাষাণৰ দিনা ৰাতিপুৱাতে দেৱীলৈ জিকা আৰু মাণ্ডৰ মাছৰ তৰকাৰী, পইতা ভাত আগবঢ়াব লাগিব।

— কিয় ? অৰূপাই তামোলখন মুখত ভৰাই সুধিলে।

— স্বৰ্গলৈ দেৱী ঘূৰি যোৱাৰ পাছত ৰাপেকে যদি সোধে পৃথিৱীলৈ গলি কিন্তু মাৰৰ ঘৰত কি খাই আহিলি ? তেতিয়া দেৱীয়ে পইতা ভাত খোৱা বুলি ক'লে ৰাপেকে আকৌ পৃথিৱীলৈ পঠাব কিন্তু ভাল বস্তু খোৱা বুলি ক'লে আৰু নপঠায়।

— অ' হয় নেকি। অৰূপাই হাঁহি মাৰি লক্ষ্মণহঁতৰ পৰা বিদায় ল'লে। সিহঁতে লচমিক মৰম কৰিলে। এতিয়া লচমি আৰু কোলাত নুঠে বহুত ডাঙৰ হ'ল। লচমিয়ে মাত লগালে মামা যাও।

— যোৱা আইজনী, যোৱা।

চুনিয়া, মধু, মালতী, প্ৰতিমা, মোহন, লক্ষ্মণহঁতে অৰূপাহঁতক আগবঢ়াই দিলেহি। অৰূপাক লৈ সিহঁত যেতিয়া উভতি গৈছিল তেতিয়া বেলি ডুবিছিল আৰু বেলিৰ ৰঙিন আভাই পৃথিৱী ঢাকি ধৰিছিল।

— x —

বহুত দিন হ'ল অৰূপাই ফুলমতিৰ কথা পাহৰি গৈছিল। আজি যেন তাইৰ চকুৰ আগত খাদনা লোৱা ফুলমতিক আকৌ দেখা পালে। সেই দীঘল বৈ পৰা চুলি, নাকত দীঘলকৈ লোৱা খাদনা, উঠন বুকু আৰু চাহাবৰ সন্তানেৰে ফীত হৈ আগবাঢ়ি অহা তাইৰ পেটটো। অৰূপা সিয়ঁৰি উঠিল। যেন এটা ভয়াবহ ৰূপ তাইৰ চকুৰ আগত উপস্থিত হ'লহি। তাই গাৰুটো বুকুত হেচি ধৰি ভাবিবলৈ ধৰিলে ফুলমতিৰ বুকুত সঞ্চিত হৈ থকা দুৰ্দান্ত বেদনা বোৰৰ কথা। কোনো বেদনাৰ লগত যেন সেই বেদনাৰ মিল নাই। তাইৰ গাটো চেচঁা পৰি গ'ল যদিও হঠাতে আকৌ গৰম উঠি অৰ ঘমাদি ঘামিল।

তাই বিছনাৰ পৰা উঠি আহিল আৰু পানী এগিলাচ খাই চকিখনত বহি লৈ কিতাপ এখন পঢ়িবলৈ চেষ্টা কৰিলে।
—ওহো তাইৰ আজি পঢ়াত মন নবহে। ফুলমতিৰ পিছৰ জীৱনটো জানিবলৈ তাইৰ বৰ মন গ'ল।

তাই অনিললৈ অপেক্ষা কৰিলে। সাধাৰণতে অনিলে ফুলমতিৰ কথা ৰাতিহে কয়। আজিও তাই অনিলক ফুলমতিৰ কথা কবলৈ অনুৰোধ কৰিব। তাই উঠি গ'ল আৰু লচমিৰ ওচৰত বহি তাইক পঢ়াবলৈ ধৰিলে। লচমি ডাঙৰ হৈ আহিছে আৰু তিনিটা বছৰৰ পিছত তাই মেট্ৰিক পৰীক্ষা দিব।

লচমিক পঢ়াই থাকোতেই অনিল আহিল। অনিল সিহঁতৰ ওচৰত গৈ বহিলগৈ।

—মাজনীয়ে পাৰিছেনে ?
—ওঁ পাৰিছেতো, নোৱাৰিলে কেনেকৈ ডাক্তৰ হ'ব ?

অনিলে উঠি গৈ লচমিক মৰম কৰি চুমা এটা খাই ক'লে— মোৰ মাজনী ডাক্তৰ হ'ব, আমাক বেজী দিব নহয়নে মাজনী ?

লচমিয়ে পঢ়াৰ টেবুলৰ পৰা উঠি আহি অনিলৰ ডিঙিত ধৰি ক'লে— নাই নাই পাপা তোমাক মই বেজী নিদিও, তুমি যে দুখ পাবা ।

অৰূপাই ঠিয় হৈ ক'লে— ওঁ এতিয়া বাপেক জীয়েকে ডিঙিত ধৰি মৰম কৰা । মই যাওঁ, খোৱাৰ জোগাৰ কৰোগৈ ।

অৰূপা লৰালৰিকৈ পাকঘৰলৈ গ'ল । খোৱাৰ টেবুলত ভাত আনি লচমি আৰু অনিলক খাবলৈ দিলেহি । সিহঁতে ভাত খাই উঠোতেই ৰাতি ১০টা মান বাজিল । লচমিক শুৱাই দি অৰূপাই অনিলৰ কাষতে বহিলহি । অনিলে চিগাৰেট এটা জ্বলাই অৰূপালৈ চাই ক'লে— Hanging first trial afterwards.

অৰূপা আচৰিত হৈ সুধিলে— তুমি এইবোৰ কি কৈছা ? পাগল হোৱা নাইতো ?

অনিলে হাঁহি হাঁহি চিগাৰেটৰ ধোৱাবোৰ ওপৰলৈ এৰি দি ক'লে— পাগল হোৱা নাই অৰূপা, এইবাৰ কথা কেপ্তেইন হলৰাইড চাহাবৰ আছিল । অৰূপাই ভেবা লাগি অনিললৈ চালে—

—অ' অৰূপা আমাৰ মণিৰাম দেৱানহে প্ৰথম চাহ খেতিয়ক, প্ৰথম আৱিষ্কাৰক আৰু প্ৰথম ফাঁচিকাঠত উঠা অসমীয়া আছিল । ১৯২৩ চনত যেতিয়া ব্ৰুছ চাহাব অসমলৈ আহিছিল তেতিয়া মণিৰাম দেৱানৰ সাহায্যতে অলৈ তলৈ ঘুৰি ফুৰোতে অসমৰ মানুহৰ ঘৰত চাহগছৰ খেতি আৰু হাবিত আপোনা-আপুনি গজি উঠা চাহ গছবোৰ দেখিছিল । সেইখিনি সময়তে চিংফৌৰ ৰজা বেচা গামে ৰবাৰ্ট ব্ৰুছক দুজোপা চাহগছ উপহাৰ দিছিল ! "Tea in Assam"

নামৰ কিতাপখনত চেমুৱেল ব্ৰেইন্ডন নামৰ লিখকজনে লিখি থৈ গৈছে যে, অসমৰ থলুৱা চাহৰ আৱিষ্কাৰক মণিৰাম দেৱানহে আছিল। তাৰোপৰি "Tea Industry in India" নামৰ গ্ৰন্থখনত উল্লেখ আছে যে Maniram Dewan is regarded as the first Indian discoverer of indigenous tea Plant in Assam.

১৮৩৫ চনত চাহ খেতি কৰিবৰ কাৰণে ক'ত ক'ত উপযুক্ত ঠাই আছে তাক অনুসন্ধান কৰিবলৈ গ্ৰিফিথ নামৰ এজন চাহাব অসমলৈ আহিছিল আৰু মণিৰামে পুৰন্দৰ সিংহৰ প্ৰতিনিধি হৈ তেখেতক সাক্ষাৎ কৰিছিল। ইংৰাজ গভৰ্ণমেণ্টে গাভৰু পৰ্ব্বতৰ এলেকা চাহবাৰী পাতিবলৈ সিদ্ধান্ত কৰি বজালৈ খবৰ পঠালে। মণিৰাম দেৱানে এই কথাত বাধা দিলে কাৰণ চাহ খেতি কৰিবলৈ বজাৰ লগত আধিয়াৰ চুক্তি কৰিব লাগিব। সেই কথাত ইংৰাজ গভৰ্ণমেণ্ট ক্ষুণ্ণ হৈছিল।

১৮৩৯ চনত মণিৰামক দেৱান যেতিয়া পাতিলে কিছু সংখ্যক চাহাবে বেয়া পালে। কিন্তু আসাম কোম্পানী আৰু জেনকিন চাহাবৰ সমৰ্থনতহে মণিৰামক ইংৰাজ গভৰ্ণমেণ্টে দেৱান পাতিছিল। দেৱান হৈ মণিৰামে ইংৰাজক কেবেপ কৰা নাছিল। বিদেশী শাসনে যে শিল্পৰ ক্ষেত্ৰত অসমীয়া জাতিৰ মেৰুদণ্ড বেকা কৰি দিব খুজিছিল সেই কথা মণিৰাম দেৱানে গম পাই চাহ খেতি কৰিবলৈ নিজে মনে প্ৰাণে লাগিছিল। তেওঁৰ নিজৰ হুহেজাৰ বিঘা মাটি আছিল। তেওঁ চেনিমৰা আৰু চেংলুঙত দুখন চাহ বাগিচা খুলিছিল আৰু ১৮২৩ চনৰ বহু আগৰে পৰা তেওঁ নিজে বোৱা চাহ গছ ১৮২৭ চনলৈকে আছিল। চাহাববিলাকে অসমীয়া লোকে চাহ খেতি কৰা ভাল নাপাইছিল আৰু বাধাৰ সৃষ্টি কৰিছিল। মণিৰামকো চাহাবে সন্দেহ কৰিছিল, তাৰ লগতে আছিল আমাৰ স্থানীয় শত্ৰু। মণিৰাম জীয়াই থাকিলে অসমৰ

উপকাৰ হব সেইহে "Fifty years mission work in Assam" গ্ৰন্থত Mrs. A. K. Gurney লিখিছে – যেতিয়া অসমীয়ালোকে দেৱানৰ সুবিচাৰ প্ৰাৰ্থনা কৰিলে তেতিয়া কেপ্তেইন হলৰাইড চাহাবে ক'লে – 'Hanging first, trial afterwards.'

— ইমান অন্যায় কৰিছিল অসমীয়াক ? অৰূপাই আচৰিত হৈ অনিললৈ চালে।

– ওঁ অৰূপা ইমানেই অন্যায় কৰিছিল। ১৮৫৮ চনৰ ২৩ ফেব্ৰুৱাৰীত দেৱানৰ বিচাৰ হৈছিল আৰু ২৬ ফেব্ৰুৱাৰীত ফাঁচী দিয়া হৈছিল। কিন্তু সেই মণিৰামৰ কথা আজি অসমীয়াৰ মনত নাই।

অৰূপাই কথাবোৰ মন দি শুনিছিল।

—জানা অৰূপা, মণিৰাম দেৱানৰ লগত আমি আন এজন খেতিয়কৰ কথা মনত পেলাব লাগিব। সেইজন হ'ল বোৰেশ্বৰ বৰুৱা। মাননীয় পদ্মনাথ গোহাঁই বৰুৱাদেৱে লিখি থৈ যোৱা মতে যি কেইজন স্বাধীনচেতীয়া অসমীয়াই অসমীয়া জাতিটোক নিজৰ ভৰিৰ ওপৰত থিয় হৈ আত্মনিৰ্ভৰশীল হবলৈ শিকাইছিল তাৰে এজন হ'ল বোৰেশ্বৰ বৰুৱা। তেওঁ চাহ খেতিয়ক আছিল। লাহদৈ গড়েই তেওঁৰ প্ৰথম চাহ বাগিচা। তেওঁৰ ৯ জন ল'ৰা আছিল। প্ৰত্যেকজনৰ কাৰণে তেওঁ বোলে একোখনকৈ চাহ বাগিচা খুলি থৈ গৈছিল। সেইয়া আছিল লাহদৈগড়, হাতীগড়, তিনিকোণীয়া, নাগিনীজান, নবাজান, মধুপুৰ। তেওঁ বোলে অসমীয়া মানুহক উপদেশ দিছিল – "চাহপুলি গোটাচেৰেক কই থবা, সময়ত সেয়ে সোণ আনিব।" এবাৰ কি হ'ল জানা ? চাহাবৰ লগত বোলে সীমাৰ বিবাদ লাগিল আৰু বৰুৱাদেৱৰ খং উঠিলত চাহাবৰ বুকুত গোৰ মাৰি নিজৰ ঘোঁৰাত উঠি লাহদৈগড়ৰ ঘৰ পালেগৈ।

— কোন চাহাব ?

—সেই সময়ত জেতুকীয়া চাহ বাগিচাৰ বৰ চাহাব আছিল মিঃ টড।

তেওঁ বোলে বৰুৱাক টান কথা কৈছিল।

— অনিল, ঠিকেই কৰিলে, চাহাবে অসমীয়াক টান কথা শুনাব কিয় ? অসমীয়াৰ সাহস কিবা নাই নেকি ?

— অৰূপা, আৰু আছে অসমীয়াৰ সাহসৰ কাহিনী। পিছে কি হ'ব আজি যেন সকলো বিস্মৃতিৰ গহ্বৰত লীন যাবলৈ ধৰিছে।

— লীন যাব নোৱাৰে। পদে পদে উজুটি খাই পৰা নিৰ্য্যাতিত অসমীয়া জাতিৰ শিৰাই শিৰাই আজি বীৰ পুৰুষৰ ৰক্তপ্ৰবাহে গতি কৰিছে। সেইহে অসমীয়া জাতিৰ মৃত্যু নাই অনিল।

অনিলে ক'লে— বুজিছা অৰূপা, অসমীয়া মানুহৰ শিকিবলৈ বুজিবলৈ আৰু বহুত আছে। আজি ইমান দিনে অসমীয়া মানুহ খিনিয়ে ভাবি আহিছে যে চাহ উদ্যোগটো বাহিৰা পুঁজিপতি-লোকৰ কাৰণেহে। অসমৰ মানুহে চাহ বাগিচাত কেৰাণী, মহৰী চাকৰী এটা পালেই ভাগ্য বুলি ভাবে। কিন্তু বিদেশীয়ে আজি চাহ উদ্যোগেই হওক বা তেল উদ্যোগেই হওক তাত থকা উচ্চ পদ-বোৰ লৈ গজগজীয়া হৈ বহি লৈছেহি। বৰ্ত্তমান বাগানৰ মেনেজাৰৰ পদত আঙুলীমূৰত লেখিব পৰা অসমীয়া ডেকা ল'ৰা সোমাইছে। ই বৰ সুখৰ কথা হলেও নিজে বাগিচা খোলাৰ মনোবৃত্তি গঢ় লৈ উঠা হলে তাতোকৈ বেছি সুখৰ কথা হ'লহেঁতেন।

— কিন্তু অনিল, অসমীয়া মানুহৰ যি পুঁজিৰ অভাৱ নিজে চাহ বাগান খোলাৰ কথা ভাবিব বা কেনেকৈ ? অৰূপাই লচমিক কোলাত সুমুৱাই মূৰত হাত বুলাই দিলে।

— অৰূপা, বৃহৎ পুঁজিৰ অভাৱ যেতিয়া আছেই আমি ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠা কৰিব পাৰো। যিবিলাক মাটি চাহ গছৰ কাৰণে উপযোগী সেই মাটিবোৰ আনক নিদি সমবায় ভিত্তিত চাহ খেতি নকৰো কিয় ? এতিয়াও আমাৰ নিজাববীয়া বহুত মাটি আছে, যিবোৰ মাটিত চাহ গছ হয় তেনে মাটি লোকক নিদি আমি চাহ খেতি কৰিব

পাৰো। কিছুমান কোম্পানীয়ে মাটিৰ মালিকক টকা দি মাটি অধিগ্ৰহণ কৰি বাগান বঢ়াই নি আছে। সেইবোৰ বন্ধ কৰিব লাগে আৰু আমাৰ ডেকা ল'ৰাই সমবায় হিচাবে সেই মাটিতে চাহ খেতি কৰিব পাৰে। অৱশ্যে আজি আমাৰ কিছু সংখ্যক ল'ৰাই চাহ উদ্যোগৰ প্ৰতি মন দিছে আৰু কিছু সংখ্যক নিবনুৱা যুৱকে ওখ মাটিত চাহ খেতি কৰিবলৈ আগবাঢ়ি আহিছে।

—কিন্তু অনিল চাহ খেতি কৰিবলৈ আমাৰ ল'ৰাৰ কিছু কাৰিকৰী জ্ঞানৰ বিশেষ প্ৰয়োজন আছে যদিও তেনে কাৰিকৰী জ্ঞান লাভ কৰিবলৈ অসমৰ দেখোন অনুষ্ঠানেই নাই। টোকলাইত যি গৱেষণা কেন্দ্ৰ আছে তাত নতুন সহকাৰী মেনেজাৰসকলকহে প্ৰশিক্ষণ দিয়া হয়। কিন্তু নিবনুৱাসকলক বোলে প্ৰশিক্ষণ দিয়াৰ কোনো ব্যৱস্থা নাই। কিন্তু নতুন চাহ বাগিচা খুলিবলৈ যি প্ৰশিক্ষণ কেন্দ্ৰ অসমত থাকিব লাগিছিল তেনে কেন্দ্ৰ অসমত নাই।

—অৰূপা, তুমিতো জানাই যে অসম কৃষি বিশ্ববিদ্যালয়ত আমাৰ Tea advisory cell এটা আছে। এই "চাহ কৃষিকৰ্ম্ম প্ৰযুক্তি বিদ্যা" শাখাটোত আমাৰ ল'ৰাবিলাকে দিহা পৰামৰ্শ লব পাৰে। এই কোষে চাহখেতি কৰিবৰ কাৰণে যি মাটি উলিওৱা হয় তাৰ প্ৰমাণ পত্ৰ দি প্ৰতি হেক্টৰ মাটিত ১৭,০০০ টকাকৈ অনুদান আৰু Subsidy দিয়ে।

—মোৰ মনেৰে এই সাহায্য নগণ্য, নহয়নে অনিল?

—তুমি ঠিকেই কৈছা এই সাহায্য নগণ্য। কিন্তু অসম চৰকাৰ বা ভাৰতীয় চাহ বৰ্ডে যদি অধিক সাহায্য আগবঢ়াই তেনেহলে অসমত নতুন চাহ উদ্যোগ গঢ়ি উঠিব বুলি আশা কৰিব পাৰি।

—কিন্তু নতুন চাহ খেতিয়কসকলে চাহপাতবোৰ কি কৰিব?

—তেওঁলোকৰ কেঁচা চাহপাতবোৰ ডাঙৰ বাগানবোৰত বেচিব লাগিব যিহেতু তেওঁলোকৰ নিজৰ কলঘৰ নাই।

—ইয়াৰ ফলস্বৰূপে নতুন খেতিয়কসকলে অধিক লোকচান ভৰিব লগা নহব জানো ?

—হব। সেই কাৰণে ব্যক্তিগত খণ্ডত বা কাৰিকৰী খণ্ডত আধুনিক ধৰণৰ কলঘৰ গঢ়ি তুলিব লাগিব। তেনে কৰিলে কলঘৰ বোৰত উৎপাদিত চাহপাতৰ ব্যৱসায় কৰিব পাৰিব আৰু তেনে কৰিলে সৰ্ব্বসাধাৰণ বাইজৰ মাজত থকা চাহ শিল্পৰ বিৰাট ব্যৱধান কমি আহিব। তেতিয়া অসমীয়া মানুহে বুজি উঠিব যে চাহ শিল্প অসমৰ শিল্প আৰু আমি ইয়াক জীয়াই ৰাখিব লাগিব।

অনিলে কথাখিনি কৈ লচমিলৈ চালে— তাই টোপনি গৈছে।

অৰূপাই লচমিক সিহঁতৰ মাজতে শুৱাই দিলে আৰু আঠুৱা খন তৰি দি তায়ো ওচৰতে দীঘল দিলে। অনিলে লাইটটো নুমুৱাই দি লচমিক সাৱটি ধৰি চকু দুটা মুদি টোপনি যাবলৈ চেষ্টা কৰিলে।

অৰূপাই চকুকেইটা জোৰ কৰি মুদি টোপনি যাবলৈ চেষ্টা কৰিছিল যদিও ফুলমতিৰ কথাই তাইৰ মনত বৰকৈ পীৰা কৰিছিল। তাই লাহেকৈ মাতিলে— অনিল !

—তুমি টোপনি যোৱা নাই ?

—নাই অনিল টোপনি নধৰে ?

—কিয় ?

—ফুলমতিৰ কথা কোৱানা ! তাৰ পিছত চাহাবৰ বাৰু কি হ'ল ? তাইক বিছাৰি গ'ল নে ?

—তাৰ মানে তোমাক কবই লাগিব। শুনা তেনেহলে ফুলমতিক শিলচৰলৈ পঠাই দি চাহাবে চট্ফটাবলৈ ধৰিলে। কিবা এটা হেৰুৱাৰ বেদনাই যেন চাহাবক গিলি নিঃশেষ কৰি পেলাবলৈ ধৰিলে। মানুহজনীক দেখি থাকোতে তাৰ যি ঘৃণা ভাব হৃদয়ত

জাগ্রত হৈছিল, মানুহজনীক চালান দিয়াৰ পাছত সেই ঘৃণা ভাবৰ ঠাইত যেন প্রেম ভাবৰ উদয় হ'ল। প্রেমে সকলো বস্তুকে সুন্দৰ কৰি তোলাৰ দৰে ফুলমতিকো চাহাবে সুন্দৰ দেখিলে। কিন্তু অতীতৰ সেইখিনি সময়ত যিটো মোহে তাক বলিয়া কৰিছিল তাৰ পৰা নিস্তাৰ পাব পৰা ক্ষমতা তাৰ নাছিল। ই আছিল স্বার্থ জড়িত লৌকিক প্রেম। লাহে লাহে চাহাবৰ মনৰ পৰা মলিয়ন ভাব পৰিশোধন হৈ প্রেমৰ স্বাগত ৰূপলৈ ধাবিত হ'ল। চাহাবে নিজেই ঠিক কৰিলে যে সি সেই বাগানলৈ যাব যি বাগানলৈ ফুলমতিক চালান দিয়া হৈছিল। সময়, পৰিবেশ আৰু পৰিস্থিতিয়ে মানুহক কেতিয়াবা দানৱ কৰে আৰু দানৱ হৈ পৰে কেতিয়াবা দেৱতা।

অনিল ৰ'ল। অৰুপাই সুধিলে— তেনেহলে চাহাব দানৱৰ পৰা দেৱতা হ'ল ?

—সেইটো সময়ে ক'ব ? কিন্তু চাহাব সেই কাছাৰ জিলাৰ ঝিৰি-ঘাট বাগানলৈ নিজে বদলি হৈ গ'ল।

—তাৰ পিছত ?

—তাৰ পিছত চাহাবে ফুলমতিক বাগানত বিছাৰিলে।

—পালেনে ?

—উঁহো, নাপালে।

—কিয় ?

—তাৰ পৰা আন এখন বাগানলৈ ফুলমতিক চালান দিয়া হৈছিল সেইখন বাগানৰ নাম আছিল চিংকুৰি চাহ বাগিচা। বৰাক নদীৰ কাষত থকা সেইখন চাহ বাগিচা বহুত ডাঙৰ আছিল। সেই কাৰণে বহুতো শ্রমিকৰ প্রয়োজন হৈছিল। সেই কাৰণে ফুলমতিকে ধৰি বহুতো শ্রমিকক চিংকুৰিলৈ চালান দিয়া হৈছিল।

নিশা আগবাঢ়িছিল। দূৰত কোনোবা অচিনাকী চৰাইৰ মাত শুনা গৈছিল। সিহঁতৰ বাংলাৰ কাষতে থকা দেৱদাৰু গছত

বাহ লোৱা ঘনচিৰিকা চৰাইজাকে খচমচাই আছিল। অনিলে উঠি আহি অৰুপাক বুকুৰ মাজত সুমুৱাই লৈ কৈছিল এতিয়া শুই থকা সোণজনী, নিশা বহুত হ'ল॥

৪১

তিনিটা বছৰ কোনফালে সৰকি গ'ল অৰুপাই গমকে নাপালে। প্ৰতিদিনে বাগানে বাগানে ঘুৰি ঘুৰি অৰুপা দুৰ্বল হৈ পৰিল। তাৰ মাজতে লচমিৰ পৰীক্ষাৰ কাৰণে যত্ন। কামৰ মাজতো লচমিৰ পঢ়াৰ তত্বাৱধানত অৰুপাই কোনো ধৰণৰে ত্ৰুটি নকৰিলে।

অৱশেষত পৰীক্ষা ওচৰ চাপি আহিল। দুমাহ মানৰ আগৰ পৰাই অৰুপা লচমিৰ ওচৰৰ পৰা আঁতিৰ নোযোৱা হ'ল।

পৰীক্ষা আৰম্ভ হ'ল। আঁটাইকেইটা পৰীক্ষা লচমিয়ে ভালদৰেই দিলে, শেষৰ পৰীক্ষাটো দি আহি লচমিয়ে মাকক সাৱটি ধৰিলে— মা, আজিৰ পৰা আৰু পঢ়িব নালাগে।

— বাৰু হব। এতিয়া কাপোৰ খোলা, ভাত পানী খাই জিৰণি লোৱা। আবেলি আমি ফুলৰ কাম কৰিম।

দুয়ো ভাত খালে। দুপৰীয়া লচমিয়ে মাকৰ বুকুত নিধাল দি পৰি টোপনি গ'ল। অৰুপাই শুই থকা লচমিৰ কপালৰ চুলি বোৰত হাত বুলাই মৰম কৰি কৰি এসময়ত তায়ো টোপনি গ'ল। আবেলি শুই উঠি দুয়োজনীয়ে ফুলনিলৈ গ'ল আৰু মালী

কাকাৰ লগত ফুলৰ কাম কৰিবলৈ লাগিল। হঠাতে অৰূপাৰ মুখটো আচম্ৰাই কৰিলে আৰু মাটিত ঢলি পৰিল। কাষতে কাম কৰি থকা মালীকাকা দৌৰি আহি অৰূপাৰ মুখটো কোলাত তুলি লৈ কাম কৰা ল'ৰাটোক চিঞৰি মাতিলে। মালিকাকাৰ চিঞৰ শুনি ভিতৰত থকা অনিল আৰু কাম কৰা ল'ৰা মনেশ্বৰ দৌৰি আহিল।

অনিলে অৰূপাক ভিতৰলৈ দাঙি লৈ গ'ল আৰু মুখত পানী দিলে। লচমিয়ে মাকৰ অৱস্থা দেখি উচুপি উচুপি কান্দিলে।

অলপ পৰৰ পাছতে অৰূপাৰ হুচ আহিল আৰু ওচৰতে উচুপি থকা লচমিক সাৱটি ধৰিলে। অনিলে অৰূপাৰ মুখত হাত বুলাই দি ক'লে— তোমাৰ কষ্ট হৈছে। অলপ দিন জিৰণি লব লাগিব। অৰূপাই বহলকৈ চকুহাল মেলি অনিললৈ চালে।

ডাক্তৰ আহিল। তেওঁ অৰূপাক পৰীক্ষা কৰি বাহিৰলৈ ওলাই আহি ক'লে— চহৰীয়া হয়তো ভাল খবৰেই হব। কালিলৈ ৰাতিপুৱাই Urine টো পৰীক্ষা কৰিবলৈ দিব। বাকী সকলো ঠিকেই আছে। ডাক্তৰে অনিলক মাতি নি ক'লে— বুজিছে চহৰীয়া কেতিয়াবা সন্তান নোহোৱাকৈ এনেয়ে থাকে। আমি দেখিছো ১০/১২ বছৰৰ পিছতো সন্তান হয়। আপোনাৰ কিমান বছৰ হ'ল।

— বিয়া হোৱা ১০ বছৰ হ'ল।

— অ' এইটো কোনো ডাঙৰ কথাই নহয়। আপুনি চিন্তা নকৰিব।

অনিলৰ বুকু আনন্দত কঁপি উঠিল। তেনেহলে অৰূপা মাক হব?

অনিলে ভিতৰলৈ দৌৰ মাৰিলে আৰু অৰূপাক সাৱটি ধৰিলে আৰু গালে মুখে মৰম কৰি ক'লে— তুমি মা হবা, মা।

অৰূপা আচৰিত হ'ল আৰু অলপ পিছতে উঠি বহি অনিলৰ বুকুত দুয়োখন হাতেৰে ভুকুৱাবলৈ ধৰিলে— লচমিয়ে ওচৰতে বৈ

মাকৰ কাণ্ড দেখি চিঞৰি কান্দিবলৈ ধৰিলে।

অনিলে লচমিক সাৱটি ধৰি বাহিৰলৈ লৈ গ'ল আৰু গালে মুখে চুমা খাই ক'লে— মা ভাল হ'ব নহয়। তুমি কিয় কান্দিছা, ব'লা তুমি স্কুল যাব লাগিব। অনিলে অৰূপাক একো দিগদাৰ নিদিলে আৰু লচমিক স্কুলৰ কাপোৰ পিন্ধাই দি ড্ৰাইভাৰৰ লগত স্কুললৈ পঠাই দিলে।

অৰূপা তেতিয়া বিছনাতে পৰি আছিল। অনিলে ওচৰতে আহি বহিলহি আৰু মৰমেৰে ক'লে— তুমি কিয় এনে কৰিছা, পগলা হ'লা নেকি ?

— নাই, অনিল মোক সন্তান নালাগে। আজি দহ বছৰে নহ'ল যেতিয়া এতিয়া আৰু কিয় ? লচমিয়েই মোৰ সকলো অনিল।

— তুমি মিছাতে অধৈৰ্য্য হৈছা। লচমি আমাৰ লচমি হৈয়ে থাকিব।

— নাই, নাই !

অৰূপাই কান্দিবলৈ ধৰিলে। অনিলে অৰূপাক সাৱটি ধৰি পিঠিত হাত বুলাই দি ক'লে— তুমি অধৈৰ্য্য নহ'বা কালিলৈ Urine টো পৰীক্ষা কৰিবলৈ দিম Positive নহবও পাৰে।

অৰূপা স্থিৰ হ'ল। তাই বিছনাৰ পৰা উঠিল আৰু মুখহাত ধুই কালিৰ দিনটোলৈ অপেক্ষা কৰিলে।

তাই বাহিৰলৈ উদাস দৃষ্টিৰে আকাশলৈ চালে। তাই দেখিবলৈ পালে আকাশৰ বাস্তৱ ৰূপ, যি নেকি নিতৌ আনক সুখ দিবলৈ প্ৰসাৰিত হব লাগিছে। নীলা আকাশৰ মাজে মাজে মেঘবোৰে ঢৌ খেলি খেলি আকাশৰ বুকুতে মিলি যাবলৈ চেষ্টা কৰিছে কিন্তু ই যেন এটা বিফল চেষ্টা। সেয়ে যেন মেঘৰ বেদনা, আকাশৰ লগত মিলি যাব নোৱাৰাৰ। তাই হুমুনিয়াহ কাঢ়িলে। দিনৰ প্ৰখৰ প্ৰহৰৰ সপোনবোৰ যেন সময়ৰ লগে লগে সলনি হৈ

পৰিছে।

আজি তাইৰ কি হৈছে নিজেই কব নোৱাৰে। প্ৰতিটো প্ৰহৰে যেন আজি তাইৰ পৰা কিবা এটা বিছাৰিছে।

হঠাতে তাইৰ হাঁহি উঠি গ'ল। তাইৰ দিব পৰা বাক কি বস্তু আছে?

অনিলে আহি তাইৰ পিঠিত চপৰিয়াই দি ক'লে— কি চিন্তা কৰি আছা?

– তাই বহলকৈ চকু দুটা মেলি তালৈ চাই বিষাদেৰে হাঁহিলে।

– ওঁ কোৱা কি চিন্তা কৰিছা?

– প্ৰতিটো প্ৰহৰক মোৰ বাক দিবলৈ কি আছে।

– বাঃ বহুত আছে এই ৰং, এই সুৰভি, এই যৌৱন আৰু তাতে হব নতুনৰ আগমন। জীৱন ভৰাই তোলা অৰূপা, জীৱন ভৰাই তোলা। তুমি সম্পূৰ্ণ হোৱা আৰু আনকো সম্পূৰ্ণ কৰা। তেতিয়াই তুমি হ'বা প্ৰকৃত নাৰী।

তাই তললৈ মুৰ কৰিলে। পকা বাৰান্দাখনতে তাইৰ চকু পানী টপ্ টপ্কৈ সৰি পৰিল।

সেইদিনা অনিল অফিচলৈ নগ'ল। এটা দিনৰ কাৰণে সিহঁত দুটাই চাহ গছজোপাৰ কথা পাহৰি পেলালে। পাহৰি পেলালে ফুলমতিৰ কথা। সিহঁত দুটাই আনন্দ আৰু বেদনাৰ মাজেদি দিনটো অতিবাহিত কৰিলে।

● ● ●

অনিলে গাড়ীখন ৰখাই হাৱাথুৰি খাই দৌৰি আহিল। অৰু, Urine ত Positive পাইছে, সেইটো কথা কৈ কৈ অনিলে

অৰূপাৰ সাৰুটি ধৰিলে।

তাৰ পিছত বিছনাত শুৱাই দি ক'লে— এতিয়া তোমাৰ Journey বন্ধ।

– হোঁ! অৰূপা আচৰিত হৈ অনিললৈ চালে।

— মই ঠিকেই কৈছো অৰূপা, Journey কৰা ভাল নহয়।

অৰূপা হতবাক হ'ল। মুখখন মোলান পৰিল। অনিল তুমি এইবোৰ কি কৈছা Journey বন্ধ হব নোৱাৰে। মইতো কালিলৈকে তেজপুৰলৈ যোৱাৰ কথা।

— বাক হব। এতিয়া তুমি হাঁহা, হাঁহি দিয়া না! অৰূপাই নাহাঁহিলে। তাই কান্দিলেহে।

— ধেৎ পাগলী! আজি ইমান দিনৰ মূৰত ভগৱানে আমাক সন্তান দিব খুজিছে তুমি আকৌ কান্দিছা! ৯ টা মাহহে, তাৰ পিছততো তুমি আকৌ ফ্ৰি হবা।

অৰূপাই একো নামাতিলে। তাই কান্দিয়েই থাকিল।

— তোমাৰ খং উঠিছে? মোৰ ওপৰত বেয়া পাইছা?

— উঁহো তোমাৰ ওপৰত খং উঠা নাই। বেয়াও পোৱা নাই।

— তেনেহলে?

— মোৰ নিজৰ ওপৰত খং উঠিছে।

— কি কৰিবা একোটা সন্তান ঈশ্বৰৰ দান। তাকে পাবলৈ কত জনে আজীৱন সাধনা কৰিব লাগিছে।

— কিন্তু লচমিৰ যদি কিবা অপকাৰ হয়? তাইলৈ যদি তোমাৰ মৰম কমি যায়?

– কিয়? তোমাৰ মোৰ ওপৰত বিশ্বাস নাই নেকি? লচমি জানো মোৰ ছোৱালী নহয়? এটি সন্তান তুলি তালি ডাঙৰ দীঘল কৰি শিক্ষা-দীক্ষা দি উপযুক্ত কৰি গঢ়ি তোলাটোৱেইতো পিতৃ মাতৃৰ কৰ্তব্য। অকল জন্ম দিলেই পিতৃ মাতৃৰ কৰ্তব্য শেষ হব

নোৱাৰে। আমি তাইক মৰম নিদিয়াকৈ থাকিম ? ইমান স্বাৰ্থপৰ হম নে ? নাই অক নাই, ই হবই নোৱাৰে। অৰূপাই অনিলৰ হাতখন দৃঢ়ভাবে নিজৰ হাতৰ মাজত লৈ কান্দি উঠিল।

—ধৈৰ্য্য ধৰা অৰূপা। এইয়া তোমাৰ পৰীক্ষা। সকলো কাম ধৈৰ্য্য আৰু সততাৰে কৰিব লাগে। তাত আনন্দ আছে, তৃপ্তি আছে। আজিয়েই মই ঘৰলৈ যাম আৰু মাক খবৰটো দিমগৈ। মায়ে যে কিমান ভাল পাব।

— ওঁ লচমিক আৰু বেছিকৈ দেখিব নাৱাৰা হব!

— কিজানি বেছিকৈ ভাল পাবলৈ ধৰে কি ঠিক! মানুহৰ মনৰ গতি সলনি হবলৈ বেছি পৰ নালাগে। এতিয়া কিন্তু তুমি আনন্দ মনে থাকিব লাগিব। খোৱা-বোৱা নিয়মীয়াকৈ কৰিব লাগিব বুজিছা। অৰূপাই অনিললৈ চাই হাঁহিলে।

আবেলি অনিলে মাকক খবৰটো দিবলৈ ঘৰলৈ গ'ল।

সেইখিনি সময়ত অৰূপাই লচমিৰ লগত গীত গালে। হাঁহিলে। খেলিলে। লহপহকৈ বাঢ়ি অহা লচমিলৈ চাই অৰূপাই ভাবিলে লচমিৰ পুৰঠ দেহাটো সঁচাকৈয়ে এসময়ত আকৰ্ষণীয় হব! অৰূপাই লচমিক বুকুত সুমুৱাই লৈ মৰম কৰিলে, চুমা খালে। তাৰ পিছত তাইক সজাই পৰাই দিলে আৰু নিজেও সুন্দৰকৈ পিন্ধি উৰি বাগানৰ মাজে মাজে ফুৰিবলৈ গ'ল।

বাংলাৰ পৰা ওলাই আহি তাইৰ বৰ ভাল লাগিল। মনটো মুকলি লাগিল আৰু আনন্দ অনুভৱ কৰিলে। লাহে লাহে খোজ কাঢ়ি যাওতে অৰূপাই বাগানৰ মাজত কোনোবা নাৰীৰ কণ্ঠৰ পৰা ভাহি অহা গীত শুনিবলৈ পালে।

মনে উঠে মনস্তাপ
দিব নেকি জলে ঝাঁপ
ঝাঁপ দিলে ডুবিয়ে মৰিব,
কেমনে নদীয়া পাৰ হব।

যে নদী পাৰ কৰে
তাক দিব গলাৰ হাৰ,
আধা প্ৰাণ তাহাকে সপিব, কেমনে নদীয়া পাৰ হব।

৪২

লাহে লাহে সূৰ্য পশ্চিম আকাশত ডুব গৈছিল। অস্তমিত সূৰ্যৰ স্বৰ্ণ ৰেখা আহি ধৰণিৰ বুকুত পৰি সোণোৱালী বৰন সানিছিল। অৰূপাই নিজৰ শৰীৰটো এবাৰ চালে— তাইৰতো দুবাহুত শক্তি আছে তেনেহলে তাই কিয় ক্লান্ত হব? তাই মনে মনে প্ৰতিজ্ঞাবদ্ধ হ'ল, তাই যি দুখন হাতেৰে আনক প্ৰেম বিলাবলৈ আগবাঢ়ি গৈছে, সি যেন আৰু প্ৰসাৰিত হওক! নতুনক আকোৱালী লবলৈ নতুন শক্তি আহৰণ কৰক! প্ৰতি দিনৰ প্ৰতি মুহূৰ্ত্তবোৰ যেন সুখ আৰু আনন্দৰে ভৰি উঠক এয়ে তাইৰ মনৰ বাঞ্চা।

তাই বাৰান্দাত বৈ দূৰলৈ চাই ভাবিছিল কি সুন্দৰ আকাশ, কি সুন্দৰ বতাহ, কি সুন্দৰ প্ৰকৃতিৰ মনোলোভা ৰূপ।

তাই বৈ থকা সময়তে অনিলৰ গাড়ী আহি বাংলাৰ সন্মুখত ৰ'লহি। লচমি অনিলৰ কাষলৈ দৌৰ মাৰিলে।

অনিলে তাইৰ হাতত মিঠাইৰ টোপোলাটো দি গহীন হৈ ভিতৰ সোমাল।

অৰূপা অনিলৰ কাষতে বৈ সুধিলে।

— কি হ'ল বৰ গহীন হৈ আছিছা দেখোন ? মাইঁতৰ ভাল নে ?
— ওঁ। অনিলে লাহেকৈ উত্তৰ দিলে।
— স্বপ্না কলেজলৈ গৈছেনে ?
— গৈছে।
— মায়ে আকৌ কিবা ক'লে নেকি ?
— সেই একেবোৰ কথাই।
— কিয় নতুন খবৰ শুনি আনন্দ কৰা নাই ?
— কৰিছে।
— তেনেহলে আকৌ ?
— আমি আগতে যে অজাতিৰ ছোৱালী তুলি ল'লো সেই কাৰণে ভাইটোৰ নামত সকলো সম্পত্তি লিখি দিলে।

অনিলে কথাকিটা কৈ কৈ কামিজটো, তাৰ পিছত গেঞ্জিটো খুলি পেলালে।

— অ' সেইটো কথা, তাতে কি হ'ল। সেই কথাটো দেখোন আগতেই জানা, তেনেহলে চিন্তা কৰিবলৈ কিটো আছে। কিনো ডাঙৰ কথাটো, নালাগে দিয়া সম্পত্তি। আমি তাত বেয়া পোৱা উচিত নহব। আমিতো কোনো গৰ্হিত কাম কৰিবলৈ যোৱা নাই।

কথা কৈ কৈ অৰূপা পাকঘৰলৈ গ'ল আৰু একাপ চাহ আনি অনিলক খাবলৈ দিলেহি।

অনিলে চকিখনতে আৰাম কৰি বহি চাহ কাপ খাই ক'লে— জানা অৰু, মা যে ইমান নিষ্ঠুৰ হব মই ভাবিবই পৰা নাছিলো।

— মা, নিষ্ঠুৰ হ'লেও আমি আমাৰ কৰ্ত্তব্য কৰিব লাগিব। নালাগে দিয়া লোকৰ সম্পত্তি। এতিয়া বাদ দিয়া সেইবোৰ। মই যে কালিলৈ তেজপুৰ যাম বুলি ভাবিছো গম পাইছা নে নাই ?
— তুমি তেজপুৰ যাবা ? পাৰিবা জানো ?

– পাৰিম। মোৰ গা ঠিকেই আছে।
– হয় নেকি ? ঠিক আছে, অনিলে হাতৰ মুঠিটো টানি ধৰি ওপৰলৈ দাঙি ক'লে— মনত বল গোটোৱা, বল। বুজিছা অক মনৰ বলেই হ'ল দেহৰ বল। মনৰ বল হিমালয় সদৃশ।

অৰুপাই অনিললৈ সজল নয়নেৰে চালে আৰু এটা বিষাদৰ হাঁহি মাৰিলে।

● ● ●

তেজপুৰলৈ যাবলৈ অৰুপাইত সাজু হ'ল যদিও তাৰ আগতে কলৈ যাব বীনাবাইদেউ, হাস্না আৰু অৰুপাই ঠিক কৰিলে। বাতিপুৱা অৰুপাৰ ড্ৰইংৰুমত তিনিজনী বহি ললে। অসমৰ মেপখন আগত ৰাখি হাস্নাই পেঞ্চিলডাল কামুৰি চাই গ'ল— আদাবাৰী, তুলিপ, অম্বিকা, বাসগাওঁ, বৰগৰা, বেটীবাৰী, ভোলাগুৰি, বৰবিল, হেলেম, চন্দন, চাৰিদুৱাৰ, ঢেকিয়াজুলি নোৰবাৰী, ওৰাং, পাভৈ, প্ৰতাপগড়, ফুলবাৰী, অমৰাৱতী।

তাই পেঞ্চিলডাল দাঁতেৰে কামুৰি খন্তেক ৰ'ল তাৰ পিছত ক'লে— বীনাবাইদেউ আমি বৰ্ত্তমান তেজপুৰৰ ওচৰৰে মাধুৰী চাহ বাগানলৈকে যাও। তাৰ পিছত আনবিলাক চাব লাগিব।
– হব দিয়া হাস্না একেদিনাই অসমৰ প্ৰায় ৮০০ খন বাগান চাব পাৰিবানে ? আমি এখনৰ কল্যাণৰ দ্বাৰাই সকলোৰে কল্যাণ হোৱাৰ ব্যৱস্থা কৰিব লাগিব আৰু এটা কথা নহয় সকলো শ্ৰমিকৰ সমস্যা প্ৰায় একেই। এতিয়া ঠিক কৰা কেতিয়া যাবা। বীনা

বাইদেউয়ে ক'লে।

— কালিলৈকে বলক। দেওবাৰ আছে : ৰাতিপুৱাতে যাম বুলি ভাবিছো নহয়নে বীনাবাইদেউ।

— অঁ হব। আমি ভৈৰৱ মন্দিৰতো সোমাই যাম।

— মই ভবা কথাটো আপুনি কৈয়েই দিলে।

— অঁ তুমিও ভাবিছিলা নেকি ?

— অৰূপাই তললৈ মূৰ কৰিলে।

— কিন্তু শান্তাইঁতক যে খবৰ দিয়া নহ'ল ?

— নালাগে বীনাবাইদেউ। পিছত তেখেতসকলক কামৰ দায়িত্ব দিলেই হ'ব।

পিছদিনা ৰাতিপুৱাই সিহঁত তেজপুৰলৈ ৰাওনা হ'ল। তেজপুৰৰ ভৈৰৱ মন্দিৰ দৰ্শন কৰি মাধুৰী চাহ বাগিচা পালেগৈ। তেওঁলোকে পোনে পোনে মেনেজাৰৰ ঘৰলৈ বুলি গাড়ী চলাই দিলে। মেনেজাৰৰ নাম পাচু গোপাল মুখাৰ্জী বুলি অনিলে কৈছিল। পাচু গোপাল ডেকা ল'ৰা, অবিবাহিত।

তেওঁলোকৰ গাড়ী ৰখোৱাৰ লগে লগে ক্ষীণ মানুহ এজন ওলাই আহিল। পিন্ধনত বগা লংপেণ্ট, বগা চাৰ্ট, ডিঙিত টাই, হাতত চিগাৰেট, চকুত চশমা, গাৰ অবয়বটোলৈ চাই বয়সটো ধৰিব নোৱাৰি।

মুখাৰ্জী আগবাঢ়ি আহিল আৰু তেওঁলোকক ভিতৰলৈ নি বহিবলৈ দিলেগৈ।

— বাৰু কওকচোন আপোনালোক অহাৰ কাৰণ কি ?

বীনাবাইদেউৰ মুখলৈ সকলোৱে চালে। অৰ্থাৎ বাইদেউয়ে যেন কথাটো আৰম্ভ কৰে। বীনাবাইদেউয়ে গহীন হৈ আৰম্ভ কৰিলে— আমি নগাঁৱৰ পঞ্চৱতী চাহ বাগিচাৰ পৰা আহিছো, অৰূপালৈ দেখুৱাই দি ক'লে এখেত হ'ল আমাৰ সংগঠনৰ সম্পাদিকা।

এখেত পঙ্কৃবতী চাহ বাগিচাৰ মেনেজাৰ অনিল চহৰীয়াৰ পত্নী। মুখাৰ্জীয়ে নমস্কাৰ জনালে— বাৰু এতিয়া কওক।

— বাগানৰ সমস্যাবিলাক যাতে সোনকালে সমাধা হয় সেই বাবে আমি এখন শিশু কল্যাণ আঁচনি তৈয়াৰ কৰিছো। ইতিমধ্যে বহুতো চাহ বাগানলৈ আমি গৈছো, শ্ৰমিকসকলৰ অভাৱ অভিযোগৰ বুজ লৈছো আৰু প্ৰতিখন চাহ বাগিচাতে শিশু কল্যাণ আঁচনিৰ দ্বাৰা সিহঁতৰ অভাৱ অভিযোগবিলাক সমাধান কৰিবলৈ চেষ্টা কৰিছো, আপোনাৰ বাগানতো তেনে এটা সস্থা খুলিবলৈ বুলি আহিছো।

— মই আপোনালোকক অনুমতি দিব নোৱাৰিম বুজিছে, মালিকৰ অনুমতি লাগিব।

— কিয় মালিকৰ অনুমতি লাগে? আপুনি জানো মেনেজাৰ নহয়?

— মেনেজাৰ হ'লেই সকলো কাম কৰিবলৈ দিম নে? বাৰু আপোনালোক বহক। মুখাৰ্জী ভিতৰলৈ সোমাই গ'ল।

সেইখিনি সময়ৰ ভিতৰতে অৰূপাই কোঠালিটো নিৰীক্ষণ কৰিলে। আহল বহল ড্ৰইংৰুম। বেতৰ চকি টেবুল। কাষত এটা ৱাৰ্ডড্ৰব। সেই ৱাৰ্ডড্ৰবৰ ওপৰত ৰঙীন টি, ভি, টিভিটোৰ সোঁ হাতে এটা Tape recorder.

এনেতে ল'ৰা এটাই চাহ বিস্কুট দি থৈ গ'লহি। মুখাৰ্জী সোমাই আহিল আৰু সকলোলৈকে চাই ক'লে— খাওক।

চাহ এধোক খাই বীনাবাইদেউয়ে সুধিলে, আপোনাৰ ঘৰটো ইমান ধুনীয়াকৈ ৰাখিছে, কোনে চাফা কৰে?

— দিনটোত ৬টা মান ল'ৰাই কাম কৰে। মুখাৰ্জীয়ে হাঁহিলে।

— বাগানৰ ল'ৰা নহয় জানো?

— হয়, সিহঁতে নকৰি আৰু কোনে কৰিব?

— কিন্তু সেইটো নিয়ম নহয়, বীনাবাইদেউয়ে তেখেতলৈ চালে।
— নিয়ম বুলি কি কথা আছে আগৰে পৰা চলি আহিছে, সিহঁতক ওপৰলৈ তুলি দিলে ভাল কাম পাব বুলি আশা কৰিব পাৰিব জানো ?
— কিয় নোৱাৰি, বীনাই এইবাৰ হাঁহি মাৰি কথাষাৰ ক'লে।
— নোৱাৰি, মানে সিহঁতে সুবিধা লব।
— নহয় আপুনি ভুল ভাবিছে, এতিয়ালৈকে যিবিলাক বাগানত আমি কাম কৰি আহিছো তাত শ্ৰমিকসকলে দুগুণ উৎসাহেৰে কাম কৰিছে। বুজিছে মুখাৰ্জী, মানুহৰ ক্ষোভ আৰু বেদনা মানুহে নুবুজিলে কোনে বুজিব। তাতে আপুনি হ'ল ডেকাল'ৰা। আপোনাৰ মনৰ গতি উৰ্দ্ধমুখী হব লাগে।

মুখাৰ্জী এইবাৰ গহীন হ'ল। বীনাবাইদেউয়ে আকৌ ক'লে— বাৰু আমাক সভা এখন পাতিবলৈ দিবনে ?
— নাই ক্ষমা কৰিব। মই বাগানৰ বাহিৰা মানুহক বাগানৰ ভিতৰত সভা পাতিবলৈ অনুমতি দিব নোৱাৰো। আপোনালোকে যদি মালিকৰ পৰা অনুমতি আনিব পাৰে তেনেহলে হব পাৰে।

এইবাৰ অন্ধকাৰ খং উঠিল— বাৰু বাইদেউ ইয়াত নহ'ব আমি আন এখন বাগানলৈকে যাও।

হাসনাই ক'লে— বাৰু আমি কমলাবাৰী চাহ বাগিচালৈ যাও। ইয়াৰ পৰা পাঁচ কিলোমিটাৰমানহে দূৰ হব।

সিহঁত গৈ কমলাবাৰী পাওতে দুপৰীয়া ১ টা মান বাজিছিল। ভোকে পিয়াহে সিহঁত জৰ্জৰিত হৈছিল। সেইহে সিহঁতে বাটতে হোটেলত ভালকৈ খাই ল'লে। মালিকৰ বাংলাৰ দুৱাৰমুখত গাড়ী ৰখাই অটাই কেইগৰাকীয়ে ঈশ্বৰৰ নাম ল'লে। হায় ভগৱান আমাৰ আশা যেন পূৰ্ণ হয়। বাহিৰৰ দাৰোৱানৰ পৰা গম ল'লে মালিকৰ নাম হৰিনাৰায়ণ চৌধুৰী। সিহঁতে খটুখটিত ভৰি দিয়াৰ লগে লগে মালিক চৌধুৰী ওলাই আহিল আৰু ড্ৰইংৰুমত ভদ্ৰ

মহিলাসকলক বহিবলৈ দি অহাৰ কাৰণ সুধিলে। হাস্নাই অৰূপাক চিনাকি কৰি দিলে।

মালিক হৰিনাৰায়ণ চৌধুৰী গহীন হৈ ক'লে— তাৰ মানে আপোনালোক বাগানৰে মহিলা।

— হয়। বিভিন্ন বাগানৰ পৰা আমি মহিলা সংগঠনটো গঢ়ি তুলিছো।

— তাৰ মানে এইবাৰ মহিলা? বৰ ভাল কথা।

— আমি বাৰু সভা এখন পাতিব পাৰো নেকি?

— সভা কেনেকৈ পাতিব আজি আৰু সময়ো নাই।

— আমি লাইনৰ ফালে যাব পাৰোনে?

হাস্নাৰ কথাত মালিকে ক'লে— হয় যাব পাৰিব। অকমান বহক। চাহ খাওক ইমান দূৰৰ পৰা আহিছে। লগে লগে ল'ৰা এটাই চাহ মিঠাই আনি দিলেহি। তেওঁলোকে চাহ খাই থাকোতে হৰিনাৰায়ণ চৌধুৰীয়ে ল'ৰা এটা মাতি ক'লে— এখেত সকলক লাইনৰ ফালে লৈ যা।

তেওঁলোকে চাহ খাই উঠি ল'ৰাটোৰ লগত লাইনৰ ফালে খোজ ল'লে।

হাস্নাই ল'ৰাটোক লাহেকৈ সুধিলে তোমাৰ নাম কি?

— মোৰ নাম জয়ন্ত গোৱালা।

— তোমাৰ মা বাবা।

— আছে। সকলোৱে বাগানতে কাম কৰে।

— তুমি হ'বলা নকৰা?

— নাই, মই চাহাবৰ লগতে থাকো।

— অ' বাৰু চাহাবৰ চাগাবনী নাই নেকি?

— আছে।

— বাহিৰলৈ নোলায় নেকি

— ওলায়, চাহাবনী বৰ ভাল। আপোনালোকক লগ পালে বৰ ভাল পালেহেতেন।

— হয় নেকি ? বাৰু আমি তেনেহলে লগ ধৰিবই লাগিব

সিহঁত গৈ লাইন পালেগৈ। সিহঁতক দেখি ল'ৰা-ছোৱালী, মহিলা, ডেকা-গাভৰু সকলো ওচৰ চাপি আহিল। অৰূপাইহঁতে মালিকসকলৰ পৰা সিহঁতে পাই অহা অসুবিধাবোৰৰ বুজ ল'লে। ল'ৰাবিলাকেও ক'লে-- যে সিহঁতৰো এটা সন্থা আছে কিন্তু সিহঁতৰ সন্থাই ঠিকমতে কাম কৰিব পৰা ন'ই। সিহঁতে আকৌ ক'লে— চাওক দিদি, অসমৰ বাগিচাসমূহত স্থায়ী শ্ৰমিকতকৈ অস্থায়ী শ্ৰমিকৰ সংখ্যা সৰহ। চাহ বাগিচাৰ ভৱিষ্যৎ নিধিৰ আইনমতে অস্থায়ী চাহ শ্ৰমিকৰ পৰাও ভৱিষ্যৎ নিধিৰ টকা কৰ্তন কৰিব লাগে কিন্তু দুখৰ কথা যে এজন অস্থায়ী চাহ শ্ৰমিকৰ বছৰেকত ৪ বাৰ নাম সলনি কৰে বুলি বহুত বাগানত অভিযোগ উঠিছে। শ্ৰমিকৰ প্ৰতি এতিয়াও ন্যায় বিচাৰ হোৱা নাই। বাগানৰ সংখ্যা বাঢ়িছে, উৎপাদন বাঢ়িছে আৰু নিবনুৱাৰ সংখ্যাও বাঢ়িছে। কিন্তু বাগানৰ সংখ্যা অনুপাতে স্থায়ী শ্ৰমিকৰ সংখ্যা সিমান বঢ়া নাই। দ্ৰুত গতিত বাঢ়ি অহা অস্থায়ী শ্ৰমিকৰ সমস্যালৈ লক্ষ্য কৰি বুজিব পাৰি যে, শ্ৰমিকসকলৰ অৱস্থা আজি বেয়াৰ ফাললৈহে ঢাল লৈছে। আমি মুখ খুলি কথা কব নোৱাৰো। আপোনালোকে আমাৰ মঙ্গল কৰিবলৈ আহিলেও বাবুলোকে সেইটো ভাল নাপাব।

অৰূপাই সকলোলৈকে চাই অনুৰোধ কৰিলে— চাওক আমি আপোনালোকৰ সকলো সমস্যা বুজি পাইছো। আমাৰ মহিলা সকলে শিশু আৰু মাতৃৰ কল্যাণৰ কাৰণে যি আঁচনি হাতত লৈছো সেই আঁচনি ইয়াতো কাৰ্যকৰি কৰিব খুজিছো।

— হয় হয়, কাৰ্যকৰি কৰিব লাগে। সকলো মহিলাই চিঞৰিলে নহ'লে কাম বন্ধ কৰিম।

— নাই নাই, সেইটো নকৰিব। কাম বন্ধ কৰিলে সমস্যাৰ সমাধান নহয়। আমি আলোচনাৰ মাধ্যমেৰে আমাৰ সমস্যা সমাধান কৰিব লাগিব। আপোনালোকে এগৰাকী মহিলা আমাক দিয়ক আমি তেওঁক দায়িত্ব দি যাম।

কথাষাৰ শুনি সকলোৱে জয়া গোৱালাক হেচুকি অৰূপাৰ কাষলৈ পঠালে।

অৰূপাইঁতে জয়াক সকলো কথা বুজাই দায়িত্ব দি ক'লে— চাবা জয়া, যাতে কোনেও কাম বন্ধ নকৰে। তেনে কৰিলে ভাবিব আমি উচটাই দি থৈ গৈছো। তেনে কৰিলে সন্থাৰ অপকাৰ হব। হয়তো ভাঙিও যাব পাৰে।

— নাই বাইদেউ, মই থাকোতে তেনে কাম হবলৈ নিদিও।

বৰ ভাল কথা। দাঙ্গা হাঙ্গামা কৰি একো লাভ নহয়। আমি সদায় শান্তি বিছাৰো। তেনেহলে আমি এতিয়া যাও। আকৌ লগ পাবলৈ আহিম।

সিহঁতে আকৌ মালিকৰ ঘৰৰ ফালে খোজ ল'লে। জয়া গোৱালাই সিহঁত যোৱাৰ ফালে একেথৰে চাই থাকিল।

— x —

৪৩

সিহঁতে পুনৰ মালিকৰ বাংলাৰ সন্মুখত ৰ'লগৈ। এইবাৰ এগৰাকী ভদ্ৰ মহিলা ওলাই আহিল আৰু অৰূপাহঁতক নমস্কাৰ জনাই ক'লে— বেয়া নাপাব আপোনালোক অহাৰ খবৰ পাইও মই ওলাই আহিব নোৱাৰিলো। আহক ভিতৰলৈ। বহুত দেৰি হ'ল, হলেও মই ভাতৰ যোগাৰ কৰিছো, ভাত আপোনালোকে খাবই লাগিব। একেবাৰে কথাখিনি কৈ তেওঁৰ ৰ'ল, তাৰ পিছত আকৌ ক'লে— মোৰ নাম ৰাখী, মানে ৰাখী বিশ্বাস। বুজিছে মই আৰু তেখেতৰ উপাধিটো লোৱা নাই। বিয়া হলেই নিজৰ উপাধি সলাই পেলাব লাগে ইনো কেনেধৰণৰ কথা, তাৰ মানে কি জানে নিজৰ অস্তিত্ব পুৰুষসকলৰ ওচৰত বিক্ৰি কৰি দিয়া নহয় জানো?

অৰূপাই বুজিলে ৰাখী বিশ্বাসৰ মনত নিশ্চয় ক্ষোভ আছে, বেদনা আছে।

—আপুনি বহক। অৰূপাই ৰাখীলৈ চাই ক'লে।

—নাই নাই, বহিলে আৰু দেৰি হ'ব, আহক মুখহাত ধুই অলপ খাই লওক।

অৰূপাহঁত ৰাখীৰ পাছে পাছে গৈ মুখহাত ধুলে আৰু খোৱাৰ টেবুলত বহিল। দুটা ল'ৰাই সকলো খোৱাবস্তু আনি টেবুলত থলেহি। প্লেটবোৰ আগে আগে দিয়া আছে সন্মুখত ভাত, বুটৰ দাইল, মাছ ভাজি, বেঙেনা ভাজি, মাছৰ আঞ্জা, ইত্যাদি সজোৱা আছে। লগতে ৰাখীও বহিল, আৰু সকলোৱে নিজে নিজে লৈ খাবলৈ ধৰিলে। ৰাখীয়ে বীনা বাইদেউলৈ চাই

সুধিলে— আপুনি দিগদাৰ পাইছে নেকি ?

—বেলেগে দিম নে !

বীনাই হাঁহি মাৰি ক'লে— আচলতে এনেকৈ খাবলৈ ভাল নালাগে। কিবা যেন পেট নভৰে। হাস্‌নাইতে হাঁহি দিলে— বীনা বাইদেউ যে কি ?

—অ, সঁচা কথাকে কৈছো। পিছে মোক আকৌ বাঢ়ি সজাই দিব নালাগে দেই।

তেওঁলোকে ভালকৈ খালে। আচলতে সিহঁতৰ বৰ ভোক লাগিছিল। খাই থাকোতেই ৰাখীয়ে ক'লে — এওঁৰ লগত কথা পাতি নিশ্চয় ভাল নাপালে। তেখেত কিছু ক্ষেত্ৰত বৰ অলপ অহে। মই বুজাত আজি কালিতো আগৰ দিন নাই। চাওকচোন অসমীয়া জাতিটো একেবাৰে শেষ হ'ল হ'ল, আজি অসম বধ্যভূমিত পৰিণত হৈছে। অসমীয়া মানুহৰ কণ্ঠৰুদ্ধ কৰা হৈছে। আইন নাই, বিচাৰ নাই, এইয়ানো গণতন্ত্ৰ নে ?

হাস্‌নাইত অবাক হ'ল। ইমান নিৰ্জু, সৰল এগৰাকী মানুহৰ অন্তৰত ইমান ক্ষোভ থাকিব পাৰেনে ? বুজিছে মোৰ ঘৰ আছিল শিলচৰত। তেখেতে তাৰে চাহ বাগান এখনত কাম কৰিছিল। দেউতা আছিল মেচিনৰ মেকানিক, সেই সূত্ৰে তেখেতৰ লগত চিনাকি। তাৰ পিছত প্ৰেম, তাৰ পিছত বিয়া। প্ৰেটত ভাত কিটা সানি সানি ৰাখীয়ে কৈ গ'ল প্ৰথমতে জীৱনটো ৰঙেৰে বোলাই তুলিছিলো। কত আশা, কত সপোন। শিলচৰতে আমাৰ প্ৰথম সন্তান অঙ্কুৰৰ জন্ম হ'ল। এবছৰ দুবছৰ কৰি পাছ বছৰত ভৰি দিলেহি কিন্তু সি আৰু খোজ কাঢ়িব নোৱাৰিলে।

ৰাখী বিশ্বাসৰ চকুৰ পানী টোপে টোপে ভাতৰ কাঁহিখনত পৰিবলৈ ধৰিলে।

হাস্‌না তৎক্ষণাত উঠি আহি ৰাখীক বাহুত ধৰি ক'লে—

নাকান্দিব। এইবোৰ সকলো ভগৱানৰ ইচ্ছা।

ৰাখীয়ে উচুপি উচুপি ক'লে— জানে মোৰ অন্তৰৰ কথা কাকো কব নোৱাৰো। আজি আপোনালোকক পাই হৃদয় খুলি দিছো। কি জানেনে? আপোনালোক হ'ল সংগ্রামী মহিলা। তেওঁ চকুপানী মচি আকৌ ক'লে— মোৰ কাৰণেহে বোলে ল'ৰাটোৰ এনে দশা হ'ল। মইনো বাৰু কি কৰিলো। শিলচৰ বাগানত থাকোতে শ্রমিকৰ ওপৰত তেওঁ যি অত্যাচাৰ কৰিছিল তাৰে ফল বুলি ক'লে মোক কি কৰে জানে? তেওঁ আৰু ক'ব নোৱাৰিলে হুকহুকাই কান্দিলে। তাই সুধিলে— ল'ৰাটোৰ কোনো চিকিৎসা কৰা নাইনে?

—কৰিছিল কিন্তু ভাল নহ'ল। এতিয়া তেওঁ ল'ৰাটোক বাহিৰলৈকে ওলাবলৈ নিদিয়ে।

—সেইটো হ'ব নোৱাৰে আজি কালি পৃথিৱীত কি নোৱাৰা কাম আছে। আমি ইয়াতেই যদি তেনে এখন Institution খোলো তেখেতে বাৰু সহায় কৰিবনে?

—আশা কম। কিন্তু সুধি চাব পাৰে। তেখেত আহিব এতিয়া।

অৰূপাহঁতৰ ল'ৰাটোক চাবৰ মন আছিল যদিও ইচ্ছা নকৰিলে। কাৰণ মাকে বেয়াও পাব পাৰে।

তেওঁলোকে ভাত খাই উঠি আকৌ ড্রইং ৰুমত বহিলগৈ। ইতিপূৰ্ব্বে বেলি পৰি আহিছিল। অৰূপাই ঘড়ীটোলৈ চাই ক'লে— যাব লাগিছিল। ৪টা বাজিবৰ হ'ল।

—ৰব ৰব, নগাঁওলৈ এঘণ্টাৰ বাট। অকমান ৰৰচোন, এও আহিবই এতিয়া।

অলপ পৰৰ পিছতে তেখেত আহিল আৰু গপ্ গপাই ভিতৰলৈ সোমাই গ'ল। অকমান সময়ৰ পিছতে তেওঁ ড্রইং ৰুমলৈ সোমাই আহিল— আপোনালোকে খালেনে?

—হয় আমাক তেখেতে বহুত খুৱালে।

—এৰা, আপোনালোকে নাখাই যোৱা হলে মোৰ ওপৰতহে জাবিলেহেঁতেন !

অকপাইঁতে মুখত চাঁদৰৰ আঁচল লৈ হাঁহিলে। চকিখনত গা হেলন দি বহি হৰিনাৰায়ণ চৌধুৰীয়ে অকপাইঁতলৈ চালে— মোৰ অলপ দেৰি হ'ল। আমাৰ চাহপাতৰ বেচা কিনালৈ অলপ আলোচনা কৰিব লগা হ'ল বুজিছে। ৰাচিয়াৰ ৰাজনৈতিক বিপৰ্য্যয়ৰ কাৰণে আমিও যোৱা চাৰিটা বছৰে দুৰ্য্যোগৰ সন্মুখিন হ'ব লগা হ'ল।

—কিয় বাৰু? হাস্‌নাই সুধিলে।

—আজি বহুত বছৰ ধৰি ভাৰতবৰ্ষই চাহৰ বজাৰখনৰ কাৰণে ৰাচিয়াৰ ওপৰত নিৰ্ভৰ কৰি চলিছিল। অৰ্থাৎ ভাৰতবৰ্ষৰ ৭০০ নিযুত কেজিৰ পৰা ৭৩০ নিযুত কেজিলৈকে কেতিয়াবা তাতোকৈ বেছি উৎপাদন কৰে আৰু ৰাচিয়াই কিনে ১১০ৰ পৰা ১২০ নিযুত কেজি। কিন্তু অৰ্থনৈতিক সংকটৰ সন্মুখিন হৈ ৰাচিয়াই সিমান চাহ কিনিব নোৱাৰা হ'ল। অৰ্থাৎ ১৯৯০ আৰু ১৯৯২ চনত যিমানখিনি চাহ কিনিব লাগিছিল সিমান চাহ কিনিব নোৱাৰিলে। ইফালে ভাৰতবৰ্ষই আন দেশত চাহৰ বজাৰৰ কাৰণে চেষ্টা নকৰাৰ কাৰণে ইংলেণ্ড, আমেৰিকা আৰু ইৰাণৰ চাহৰ বজাৰ শ্ৰীলঙ্কা আৰু কেনিয়াই ললে। ইংলেণ্ড, আমেৰিকা আৰু ইৰাণত কিন্তু ভাৰতৰ চাহ বিখ্যাত আছিল।

—তেনেহলে ভাৰতবৰ্ষত চাহ উদ্যোগে যদি চাহ ৰপ্তানিৰ বাবে বিকল্প বজাৰ গঢ়ি তুলিব নোৱাৰে তেনেহলে দেখোন চাহৰ বজাৰে ডাঙৰ বিপৰ্য্যয়ৰ সন্মুখিন হোৱাটো নিশ্চিত, নহয় জানো?

—হয়-হয়, একেবাৰে সঁচা কথা কৈছে। হাস্‌নাৰ কথাত চৌধুৰীয়ে ভাল পালে আৰু উৎসাহেৰে ক'লে— সেয়ে ভাৰতীয় চাহ আন্তৰ্জাতিক প্ৰতিযোগিতামূলক বজাৰত বিক্ৰি কৰিবলৈ সক্ষম হব লাগিব।

অৰ্থশাই মাত লগালে— বৰ্ত্তমান পৃথিৱীৰ বেছিভাগ দেশতে ইনষ্টেণ্ট টি আৰু টি বেগৰ চাহিদা বাঢ়িছে। কিন্তু জানিব পৰা মতে এনে চাহ প্ৰস্তুত কৰিবলৈ শ্ৰীলঙ্কা আৰু কেনিয়াৰ চাহ বিশেষ উপযোগী। তাৰোপৰি কেনিয়া আৰু শ্ৰীলঙ্কাৰ চাহ তুলনামূলক ভাবে সস্তা।

— আপুনি ঠিক কৈছে, ভাৰতবৰ্ষত ইনষ্টেণ্ট টি আৰু টি বেগৰ চাহ উৎপাদন কৰিব লাগিব আৰু এটা কথা ৰপ্তানি বৃদ্ধি কৰিবলৈ উৎপাদনৰ খৰছ হ্ৰাস কৰিব লাগিব।

বীনা বাইদেউয়ে আচৰিত হৈ সুধিলে— আপুনি আচৰিত কথা ক'লে, ৰপ্তানি বৃদ্ধি কৰিবলৈ উৎপাদনৰ খৰছ হ্ৰাস কৰিব লাগিব মানে শ্ৰমিকসকলক শোষণ কৰি? আমি জানো যে উৎপাদন বঢ়াব লাগিলে উৎপাদনৰ খৰছ বঢ়াব লাগিব, নতুন পদ্ধতি গ্ৰহণ কৰিব লাগিব তেহে সৰহ উৎপাদন হ'ব আৰু সৰহ উৎপাদন হ'লে ৰপ্তানি বৃদ্ধি হ'ব।

হৰিনাৰায়ণ চৌধুৰীয়ে কোমল সুৰত উত্তৰ দিলে— আচলতে সেইটো নহয়। যদি আমি নীলাম বজাৰত বৰ্ত্তমান হোৱা চাহৰ মূল্য হ্ৰাস ৰোধ কৰিব নোৱাৰো তেনেহলে অসময়ৰ সৰু সৰু চাহ বাগিচাসমূহ অৰ্থনৈতিক সঙ্কটৰ সন্মুখিন হব পাৰে। যোৱা কেইটা বছৰত আমাৰ উৎপাদনৰ খৰছ যথেষ্ট হৈছে।

এনেতে কল্যাণ আহি কোঠালীটোত সোমালহি। চৌধুৰীয়ে হাঁহি মাৰি ক'লে— অঁ কল্যাণ আহ, এওলোকৰ লগত চিনাকি হ, এখেতসকল হ'ল নগাঁৱৰ শিশু কল্যাণ আঁচনিৰ সদস্যা তাৰোপৰি বাগানৰে মেনেজাৰ, ডাক্তৰ, বৰবাবুৰ পৰিবাৰ।

— হয়? কল্যাণ আচৰিত হ'ল আৰু চকুৱে মুখে এক নতুন জ্যোতি উদ্‌ভাসিত হৈ উঠিল। কল্যাণে বিনয়েৰে নমস্কাৰ জনালে।

চৌধুৰীয়ে হাঁহি মাৰি ক'লে— ই মোৰ ভাই কল্যাণ চৌধুৰী।

বি, এ, টো পাছ কৰি আৰু কাম কাজ নকৰিলে মানে ব্যৱসায়, চাকৰী একো নকৰিলে। সংগ্ৰাম কৰিলে, সংগ্ৰাম।

—সংগ্ৰাম? হাস্‌নাই আচৰিত হৈ সুধিলে?

—অ' সংগ্ৰাম, মানে আপোনালোকৰ নিচিনা মানুহৰ সৈতে সংগ্ৰাম।

হাস্‌নাইতে নাইঁাহি নোৱাৰিলে। চৌধুৰীয়ে কল্যাণলৈ চালে— তই অলপ বহ, তেখেতসকলৰ লগত কথা পাতো।

—কি কথা?

—কেনেকৈ আমি উৎপাদন বঢ়াব পাৰো, ৰপ্তানি বঢ়াব পাৰো।

—মইতো আগতেই তোমাক কৈছো দাদা পুৰণা পদ্ধতিৰে আৰু নচলিব। বাচিয়াৰ চাহৰ বজাৰ সংকুচিত হোৱাৰ আন এটা কথা হ'ল পুৰণা পদ্ধতিৰে তৈয়াৰ কৰা অৰ্থডক্স চাহ। পৃথিৱীৰ আন আন দেশত অৰ্থডক্স চাহৰ চাহিদা বাঢ়িছে গতিকে নতুন নতুন মেচিনেৰীৰে অৰ্থডক্স আৰু চি, টি, চি চাহ প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিব লাগিব। কিয়নো এক কেজি অৰ্থডক্স চাহৰ পৰা আমি পাও ৩৫০ ৫০০ কাপ চাহ আৰু এক কেজি ইনষ্টেণ্ট টিৰে আমি পাব পাৰো ২০০০ পৰা ৩০০০ কাপ চাহ। ভাৰতবৰ্ষৰ বৰ্ত্তমান দক্ষিণাত্যৰ দুটা ৰাসায়নিক প্ৰতিষ্ঠানে এনেধৰণৰ চাহ প্ৰস্তুত কৰিছে আৰু সমুদায় চাহ আমেৰিকা আৰু ইংলণ্ডলৈ ৰপ্তানি কৰিছে। অৱশ্যে ভাৰতবৰ্ষৰ খনুৱা বজাৰত এই চাহ এতিয়াও মুকলিভাবে এৰি দিয়া নাই।

—আমি বাৰু এই ধৰণৰ নতুন পদ্ধতিৰে চাহ তৈয়াৰ কৰিব নোৱাৰো নেকি? অৰূপাই সুধিলে।

—পাৰিব। বৰ্ত্তমান টোকলাই গৱেষণা কেন্দ্ৰই চাহ উৎপাদনৰ পদ্ধতি আৱিস্কাৰ কৰিছে। মুঠতে যিকোনো প্ৰকাৰে উৎপাদন বৃদ্ধি কৰিবই লাগিব।

বীনাবাইদেউয়ে হাঁহি মাৰি ক'লে— সেইহে আমি এই

আঁচনি যুগুতাইছো কাৰণ সিহঁতৰ সমস্যাবোৰ গুৰুত্ব সহকাৰে মন দিয়া আৰু সমস্যাবোৰ সমাধান কৰিব পাৰিলে নিশ্চয় শ্ৰমিকসকল উৎসাহিত হব আৰু উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত অধিক মনোযোগ দিব।

কল্যাণে কথাবোৰ শুনি ভাল পালে আৰু সুধিলে আমাৰ বাগানতো খুলিলে নেকি? নাই যদি খোলক মই আপোনা-লোকক সহায় কৰিম।

—আমি ভাবিছো যদি আপোনালোকৰ বাগানৰ মাটিতে এখন প্ৰতিবন্ধ শিশুৰ প্ৰতিষ্ঠান খোলা হয় তেনেহলে বহুতো অসহায় শিশুয়ে হাঁহিব পাৰিব, খোজ কাঢ়িব পাৰিব, কথা কব পাৰিব।

কল্যাণ বহাৰ পৰা ঠিয় হৈ গহীনভাবে ক'লে- বেচ কথা, ধুনীয়া Project.

এনেতে চৌধুৰী সোমাই আহি হাঁহি মাৰি সুধিলে— কি ধুনীয়া Project অ'?

— দাদা, ধুনীয়া Project, এখেতসকলে আমাৰ বাগানৰ মাটিতে এখন প্ৰতিবন্ধ শিশুৰ হস্পিতাল খুলিব খুজিছে। আমাৰ লুইতৰ কাষত যে প্ৰায় ১০ বিঘাৰ প্লটটো আছে তাতে ধুনীয়াকৈ হব।

— বহ, তই একেবাৰেই সিদ্ধান্ত ললবিচোন। মই এই বাগান কিনি লওতে কিমান খৰছ হৈছিল তোৰ ছাগৈ হিচাব নাই?

— হিচাব নহলেও আপুনিতো আৰু বাগান কিনিলে। এতিয়াতো আপুনি ৮ খন বাগানৰ মালিক।

— বহ তই বেছি কথা কৈছ কল্যাণ।

এনেতে বতাহৰ দৰে সোমাই আহিল ৰাখী বিশ্বাস— কল্যাণে একো বেছি কোৱা নাই, আপুনি সেই প্ৰতিষ্ঠান খুলিব পাৰে। আপুনি মত নিদিয়ে কিয়? আপুনি পাৰিব, আপুনি মত দিয়ক। কথা কৈ কৈ ৰাখীয়ে কান্দি পেলালে আৰু ভিতৰলৈ দৌৰ মাৰিলে।

কল্যাণে চকুহাল কমালেৰে মচিলে। অন্দ্ৰপাইঁতে দেখিলে

কল্যাণৰ চকুহাল ৰঙা পৰি উঠিছে। সি আবেগেৰে ক'লে— আপোনালোকে হয়তো নাজানে আমাৰ বৌৰ কিমান দুখ। দাদাই এই প্ৰতিষ্ঠানটো খুলিবলৈ দিলে নিশ্চয় বৌৰ মুখত হাঁহি ওলাব।

অৰূপাইঁতে জানিছিল যদিও এ:কো নামাতিলে। হৰিনাৰায়ণ চৌধুৰীয়ে চিগাৰেট এটা জ্বলাই লৈ ক'লে— বাৰু আপোনালোকৰ মই ভাবি চিন্তি চিঠিৰে জনাম।

—কল্যাণে ৰুকায়েকলৈ চাই ক'লে— দাদা আৰু ভাবিবৰ দৰকাৰ নাই এই সপ্তাহটোৰ পিছৰ দেওবাৰটোৱেই ভাল। চিঠি আৰু কিয় দিব লাগিছে। একেবাৰে পিছৰ দেওবাৰে মানে ২২ তাৰিখে সকলোকে মাতি দিয়ক। আজি ৯ তাৰিখ আমি মাজত আৰু ১১/১২ দিনতো পামেই।

—হব তেনেহলে। সেই ২২ তাৰিখেই আপোনালোক আহিব।

— ভাল বাৰু, অশেষ ধন্যবাদ। কল্যাণ, ৰাখী সকলোৰে পৰা তেওঁলোকে বিদায় লৈ গাড়ীত উঠিল। ইতিপূৰ্বে আন্ধাৰ নামি আহিছিল। গাড়ীৰ পিছৰ চিটত বহি অৰূপাই গুণ-গুণালে—

বৎসৰ বৎসৰ চলে গেল
দিবসেৰ শেষ সূৰ্য
শেষ প্ৰশ্ন উচ্ছাৰিল,
পশ্চিম সাগৰ তীৰে
নস্তব্ধ সন্ধ্যায়
কে তুমি ?

— ৪ —

সময় খৰ গতিৰে পাৰ হ'ল। চাৰিটা মাহ কোন ফালে গ'ল অৰূপাই গমকে নাপালে। লচমিয়ে Ist division পাইছে Science, Math, আৰু Social studies ত Letter পাইছে।

বাগানত আনন্দৰ সীমা নাইকীয়া হ'ল। সকলোৱে চাহ মিঠাই খালে, অনিলে আকৌ বাগানত ভোজ ভাত দিলে।

সকলোৱে আলোচনা কৰি লচমিক কটনত Admission দিয়াটো ঠিক কৰিলে। অনিলে দুদিনমানৰ ভিতৰতে গুৱাহাটীলৈ গৈ form আনিলে আৰু fill up কৰি জমা দিলেগৈ। ২০ দিন মানৰ পাছতে Interview হব। 72% পাইছে যেতিয়া লচমিয়ে Hostel ৰ সৈতে যে College ত Seat পাব অনিল নিশ্চিত হ'ল।

অনিলে ইচ্ছা কৰিয়েই নিজৰ ঘৰত খবৰ নিদিলে। ঘৰৰ পৰাও কোনেও খবৰ লবলৈ নাহিল। অৰূপাৰ কিন্তু হিয়া ভৰা আনন্দত ঠাই নাইকীয়া হ'ল।

সেইদিনাৰ সন্ধিয়াৰ সোণোৱালী ৰং, দুই পৰা দীৰ্ঘনদীৰ স্বৰ্ণ ৰেখা অস্তমিত সূৰ্যৰ আবেগ বিহ্বল সানা ৰং সানি যেন দিনটো ধালি পৰিল।

অৰূপাৰ হাতৰ মুঠিয়েদি দিনবোৰ কোন পাকত সৰকি গ'ল তাই গমকে নাপালে। তাই মাত্ৰ অনুভৱ কৰিলে সময়ৰ গতিৰ লগে লগে যেন বাঢ়ি আহিছে তাইৰ পেটত স্থিতি লোৱা নৱজাত শিশুটি। হীৰাৰ দৰে উজ্বল এটা সপ্নই অৰূপাৰ যেন চাৰিওফালে ঘূৰি ফুৰে, অৰূপাই অনুভৱ কৰে মাটিৰ এক মিঠা

লগা সোৱাদ। শস্য, ফুল আৰু সুৰভিৰ মাদকতা।

বাতিপুৱা লক্ষ্মণে কুন্দলতাৰ মালা এডাল অৰূপাৰ হাতত দি ক'লে— লওক দিদি, আপোনালৈ গাঠি দি পঠাইছে।

— কোনে অ' লক্ষ্মণ?

লক্ষ্মণে লাজতে তলমূৰ কৰিলে।

— মই বুজিছো দিয়া চুনিয়াই দিছে নহয়! তাকেনো নোকোৱা কিয়? তোমালোকৰ যে মোলৈ কিমান মৰম।

— কিয় নহব দিদি? আপুনি যে আমাৰ মাই বাপ আছে।

— ধেৎ তোমালোকে তেনেকৈ নকৰা। মই তোমালোকৰ দিদি, সকলোৰে দিদি।

— দিদি কথা এটা শুনিছেনে?

— কি লক্ষ্মণ?

— আপোনালোকৰ সন্থাটো ভাঙিবলৈ বহুতো বেয়া মানুহ সোমাইছে। আমি কিজানি ধৰ্ণা দিও সেই বুলি ভয়ো খাইছে। কিন্তু আপোলোকেতো দিদি আমাক সেইবোৰ শিকোৱা নাই। যদি কোনোবাই আমাক সন্থাৰ বিপক্ষে কৰলৈ আহে, আমি সুখেৰে নেযো, আপুনি ভয় নকৰিব।

— নাই নাই, মই ভয় নকৰো লক্ষ্মণ। তোমালোক আছা যেতিয়া আমাৰ ভয় কিহৰ। সত্যৰ সদায় জয়। বাৰু তোমালোকে সাৱধানে থাকিবা। এতিয়া কোৱাচোন চুনিয়া ভাল আছেনে?

— নাই দিদি ভাল নহয়।

— কিয়?

— নাজানো দিদি।

— বাৰু মই সন্ধ্যা যাম দেই। লক্ষ্মণ গ'লগৈ।

সন্ধিয়া অৰূপা লক্ষ্মণৰ তালৈ গ'ল। তাই চুনিয়াক দেখি আচৰিত হ'ল। কাৰণ চুনিয়া ক্ষিণাইছে, সেতা পৰিছে একেবাৰে

অৱস্থাই নাই। চুনিয়া তোমাৰ কি হৈছে ?
— নাজানো।
— ডাক্তৰক দেখুৱাইছানে নাই ?
— নাই, লাজ লাগে।
— কিয় লাজ লাগে। আমাৰ ডাক্তৰ আহমেদ কিমান ভাল তাতে হাস্‌না দিদিতো আছেই। তুমি হাস্‌নাক ক'লেই হ'লহেঁতেন।

চুনিয়াই কাপোৰেৰে মুখখন ঢাকি দিলে। বাৰু মই এতিয়াই ডাক্তৰক মাতি আনিম।

অৰূপাই নিজে হাস্‌নাৰ তালৈ গ'ল আৰু ডাক্তৰ আছে নে নাই সুধিলে।

হাস্‌নাই অৰূপাক দেখি উলাহতে কব নোৱাৰা হ'ল— কিয় লাগে ডাক্তৰক বাইদেউ।
— চুনিয়াৰ দেখোন অৱস্থাই নাই। বৰ ক্ষিণাইছে।
— বৰ দেই তেওঁ গা ধুই আছে। এই মাত্ৰ আহিছেহে।

অৰূপা বহিল। হাস্‌নাই অৰূপালৈ চাই মিচিকিয়াই হাঁহিলে।
— হাঁহিলা যে ?
— বাইদেউ আপুনি লুকুৱালেও আমি কিন্তু সকলো গম পাইছো।
— কি গম পালা ? অৰূপাই কিন্তু নাহাঁহিলে।

এনেতে ডাক্তৰ সোমাই আহিল। অৰূপাই ডাক্তৰক চুনিয়াক চাবলৈ এবাৰ অনুৰোধ কৰিলে। ডাক্তৰে ক'লে— মই এতিয়া ওলাই যামেই, চাই আহিম বাৰু ?

ডাক্তৰ পিন্ধি উৰি ওলাই গ'ল। হাস্‌নাই সেই সময়তে চাহ একাপ কৰি আনি অৰূপাৰ হাতত দিলেহি। হাতত চাহ কাপ লৈ কোনো প্ৰস্তাৱনাৰ অৱতাৰণা নকৰাকৈ ক'লে— তোমা-লোকে যিটো কথা জানিছা কথাটো সঁচা। মই মা হ'বলৈ ওলাইছো।
— ওঁ মোক ডাক্তৰে প্ৰথম দিনাই কৈছে। মই আপোনাক

সোধাহে নাছিলো। বীনাবাইদেউহঁতেও জানে। আমাৰ বৰ ভাল লাগিছে বাইদেউ।

— মোৰ কিন্তু ভাল লগা নাই হাস্না।

কথাষাৰ কৈ অৰূপাই চাহকাপত চুমুক দিলে।

— কিয় ভাল লগা নাই বাইদেউ?

— লচমিৰ কি হ'ব?

— কি হ'ব? তাই ইমান ভালকৈ পাচ কৰিছে তাতে চিন্তা কৰিব লগা কি আছে। চাৰচোন তাই ডাক্তৰ হ'বই আৰু দুটা বছৰহে, তৎক্ষণাতে পাৰ হ'ব।

— বাইদেউ আজিৰ পৰা এইবোৰ চিন্তা বাদ দিয়ক। লচমিয়ো এটা লগ হ'ব বাৰু এতিয়া কওক আমাক Party কেতিয়া দিব? মিঠাই নাখাও দেই।

— তেনেহলে কি খাবা?

— মাংস পোলাও। হাস্নাই হাঁহি দিলে। অৰূপাইও উলাহতে ৰুব নোৱাৰা হ'ল।

— বাৰু ৰবাচোন। দেওবাৰে আমি যাব লাগিব নহয় মনত আছেনে নাই?

— আছে আছে। ভাল কল্যাণক ভগৱানে পঠিয়াইছে নহয়নে বাইদেউ।

— আৰু চাওকচোন আহি পাই দুদিনেই নহ'ল খবৰ পঠালেই। ভাল যেনিবা দেওবাৰটো ঠিক কৰিলে নহ'লে মই যাবই নোৱাৰিলো হেতেন। এৰা দিয়া আচৰিত যোগসূত্ৰ। পিছে Project এটা আমি ইয়াতেই বনাই নিব লাগিব।

— অঁ ময়ো ভাবিছো। ডাক্তৰৰ লগত আলোচনা কৰিব লাগিব নহয়নে বাইদেউ।

— অঁ সেইটো দায়িত্ব তোমাক দিছো আৰু এটা কথা অলপ পঢ়া

শুনা কৰি ওলাবা। কল্যাণে কৈছে কিবা বোলে আলোচনা কৰিব। আমি নাজানিলে বৰ লাজৰ কথা হ'ব।

— মৰ্য়ো ভাবিছো। অ' আমাৰ ডাক্তৰ আহিলেই। আহমেদ আহি ঘৰ সোমালহি। সোমাই আহিয়েই অৰূপালৈ চাই ক'লে— চিন্তা কৰিব লগা নাই, চুনিয়া Pregnant হৈছে। চকিখনত বহি বেগটো টেবুলতে থৈ ডাক্তৰ আহমেদে ক'লে – কিন্তু চুনিয়াৰ গাত তেজ নাই, সেই কাৰণে পুষ্টিকৰ খাদ্যৰ প্ৰয়োজন।

অৰূপা:ৰ যিদৰে আনন্দ লাগিল, তেনেদৰে বেজাৰো লাগিল। পুষ্টিকৰ খাদ্যৰ অভাৱত আজি এনে অৱস্থা তাতে তাইৰ বাগানতে। তাইৰ নিজৰ ওপৰতে ধিক্কাৰ জন্মিল। অৰূপাক চিন্তিত দেখি ডাক্তৰে ক'লে— মই বাক ঔষধ আৰু Blood Tonic এটা পঠাই দিম। ডাক্তৰ উঠি ভিতৰলৈ গ'ল অৰূপাইও হাস্নাৰ পৰা বিদায় লৈ ঘৰ পালেহি।

নিশা শোৱাপাটীত পৰি অৰূপাই অনিলক ক'লে– বৰ ভাল খবৰ এটা আছে।

— কি খবৰ ?

— লক্ষ্মণো পিতৃ হবলৈ ওলাইছে।

— হয় ?

— ওঁ।

— আজি চুনিয়াৰ অসুখ বুলি শুনিলো আৰু খবৰ লবলৈ গৈ অৱস্থাটো দেখি আহি কনফাৰ্ম হ'লো।

— বৰ ভাল কৰিলা। সিহঁতৰ কিমান দিন হ'ল বিয়া হোৱা ?

— প্ৰায় তিনি বছৰেই হ'লহি। পিছে তোমাৰ যে আহোতে ইমান দেৰি হ'ল অনিল ?

— কি কৰিবা, সকলোকে Party দিব লাগে মাজনীৰ কাৰণে। তাই যে ইমান ভাল result কৰিব মই নিজেই ভাবিব পৰা

নাছিলো। স্কুলৰ Teacher সকলে বৰ ভাল পাইছে। Cotton কলেজত পঢ়োৱাৰ বিষয়ে আজি আলোচনা কৰিলো তেওঁলোকে ভাল পাইছে।

কথা কৈ কৈ অনিলে অৰূপাৰ ফালে বাগৰ সলালে এটা চিন্তা মৰিছে, এতিয়া তোমাৰ চিন্তা। অনিলে অৰূপাক সাৱটি ধৰি গুণগুণালে—

আজ তুমি ঘুমাও
আমি জাগিয়া ৰব তুৱাৰে,
জ্বালিয়া ৰাখি আলো
তুমিতো ভাল বেচেছ আজি
একাকী শুধু আমাৰে।

অৰূপাই হাঁহি দিলে। কিছু সময়ৰ পাছত যেন সিহঁতৰ ঘৰটো নিজম পৰিল। শুই পৰিল গছ লতিকাৰ বুকুত ফুলৰ কোমল পাহী। শুই পৰিল গছৰ ডালত দিনৰ ক্লান্ত পখী।

— x —

লচমিৰ পৰীক্ষাৰ খবৰ ওলোৱাৰ পিছৰে পৰা অৰূপাৰ সময়ে নোহোৱা হ'ল। মানুহে অনবৰত ঘৰখন ভৰি থাকে। তাৰ মাজতেই দেওবাৰটো আহি পালেহিয়েই। অৰূপাই বস্তি আৰু শান্তাবাইদেউলৈকে ফোন কৰি ভাল খবৰটো জনালে আৰু দেওবাৰে সিহঁতে যেন যেনেতেনে তেজপুৰৰ কমলাবাৰী চাহ বাগানলৈ যায় তাকো ক'লে। ফোনত বস্তি আৰু শান্তাই যাম বুলি কথা দিলে। বস্তিৰ লগতে একেখন গাড়ীতে শান্তা আহিব, পাৰিলে আৰু কাবোবাক লৈ যাব বুলি সিহঁতে অৰূপাক জনালে।

দেওবাৰ। অৰূপা, হাসনা, সৰস্বতী, বীনাবাইদেউ একেলগে ওলাল আৰু বাতিপুৱা ৭ মান বজাতে কমলাবাৰী চাহ বাগানলৈ যাত্ৰা কৰিলে। সিহঁত গৈ পাওতে ১০ টা মান বাজিছিল। সিহঁতে হৰিনাৰায়ণ চৌধুৰীৰ বাংলাৰ কাষত গাড়ী ৰখালে গৈ। লগে লগে কল্যাণ ওলাই আহিল— অ' আপোনালোক আহিলে? মোৰ আকৌ চিন্তাই লাগিছিল। আহক বাইদেউ বুলি কল্যাণে সকলোকে আগবঢ়াই নি ড্ৰইং ৰুমত বহুৱালে। লগে লগে কল্যাণৰ বৌয়েকো আহিল আৰু নমস্কাৰ দিলে।

কল্যাণে ক'লে— বুজিছে, এইকেইটা দিন আমাৰ বৌৰ একেবাৰে নাযায় হে নাযায়। এতিয়াহে মই বৌৰ মুখত হাঁহি দেখিছো। আজি ১২ বছৰে বৌৰ মুখত হাঁহি নাছিল। আপোনা-লোকৰ প্ৰজেক্টবোৰৰ বিষয়ে মই দাদাৰ লগত আৰু বন্ধু এজনৰ লগতো আলোচনা কৰিছো। বন্ধুজন অহাৰে কথা নিশ্চয় আহিব।

আৰু তুজনমান তেজপুৰৰে উদ্যোগী ডেকা ল'ৰাক মই মাতিছো। দাদাই অৱশ্যে আলোচনাটো ইমান বহল কৰিবলৈ দিয়া নাছিল। মই ভাবিছো ইমান ডাঙৰ প্ৰজেক্ট এটা অকলে আপোনালোকে কৰিব নোৱাৰিব। আপোনালোকেই কৰিব, আমি বাক ষেকত থাকিম। কথাষাৰ কৈ কল্যাণে হাঃ হাঃ কৰি হাঁহিলে।

এনেতে তুৱাৰ মুখত সুঠাম আৰু সুগঢ়ি ডেকা এজন আহি ভুমুকি মাৰিলেহি। কল্যাণ এক্ষেজাপে উঠি গৈ আগবঢ়াই আনি ক'লে— এখেত মোৰ বন্ধু দেই বিশ্বজিৎ বৰা। টি ব'ৰ্ডত কাম কৰে। বিশ্বজিতে নমস্কাৰ দি বহিল।

— তই চন্দনক নানিলি নেকি? কল্যাণে সুধিলে।

— সি আহিছে অলপ পিছতেই পাবহি। তেজপুৰত বোলে অলপ কাম আছে।

— হব দে। কল্যাণে অৰুপাইঁতলৈ চাই ক'লে— চন্দন মানে চন্দন বৰা মোৰ বন্ধু। যোৰহাটৰ এখন বাগানত কাম কৰে। তাৰ কিন্তু Factory ৰ বিশেষ জ্ঞান আছে। তাক মতাৰ কাৰণ এয়ে যে সেইফালৰ পৰা আমি সহায় সহযোগিতা পাব পাৰো।

এনেতে ৰাধীয়ে চাহ আৰু মিঠাই আনি সকলোকে খাবলৈ দিলেহি। চাহ খাই থাকোতে কল্যাণে ক'লে - দাদা নাই বিশেষ কাম এটাত ওলাই গৈছে। দাদা আছে মানে আমি কথাকে পাতো নহয় জানো?

— অঁ নিশ্চয়। অৰূপাই মাত লগালে।

কল্যাণে চাহৰ কাপটো টেবুলত থৈ গহীন হৈ সুধিলে— শুনিছো আপোনালোকে বহুত ভাল কাম কৰিছে পিছে আমাৰ উঠি অহা ডেকাসকলৰ বিষয়ে কি চিন্তা কৰিছে?

বীনাবাইদেউয়ে বগৰ কৰি মাত লগালে আপোনাক তুমিয়েই বুলিম নে আপুনিয়েই বুলিম, নাম কাঢ়িয়েই মাতিম নে,

চাৰ বুলিম এৰো উন্নাদিহ পোৱা নাই তথাপিও কৈছো আমি পিছে মাতৃ আৰু শিশুৰ কথাহে চিন্তা কৰিছো দেই। কল্যাণহঁতে খুউব হাঁহিলে। হাঁহি হাঁহি ক'লে— হ'ব, হ'ব আপোনালোকে আমাক নাম কাঢ়িয়ে মাতিব আৰু তুমি বুলিব, হ'লতো আৰু লগতে আমাৰ বিলাকৰ কথাও চিন্তা কৰক। দেশৰ অৱস্থা কিন্তু বৰ বেয়া দেই।

অৰূপা পোন হৈ বহিল আৰু কল্যাণলৈ চাই ক'লে— আমি নভবাকৈ থকা নাই, উঠি অহা ডেকা ল'ৰাসকলক আমি চাহ খেতি কৰিবলৈ উৎসাহিত কৰিছো। কিন্তু তেওঁলোকক পৈণত হৈ গঢ়ি তুলিবলৈ চৰকাৰৰ দায়িত্ব নাই জানো? তাৰোপৰি ডাঙৰ চাহ খেতিয়কসকলে সৰু খেতিয়কসকলক অসুবিধাও দিব পাৰে।

— কেনে ধৰণৰ? প্ৰশ্নটো কৰি কল্যাণে উত্তৰটো শুনিবলৈ আগ্ৰহেৰে বাট চালে।

—যেনে ধৰা ডাঙৰ চাহ খেতিয়ক, মালিক, কোম্পানীয়ে নানান কাৰণ দৰ্শাই কেচাপাতৰ দাম কমাবও পাৰে।

কল্যাণে আকৌ প্ৰশ্ন কৰিলে— তেনেহলে তাৰ উপায়?

—তাৰ উপায় হ'ল চৰকাৰে ইয়াক চৰকাৰী উদ্যোগ বুলি মানি লব লাগিব আৰু অসমীয়া ল'ৰাক কাৰিকৰী দিশত প্ৰশিক্ষণ দিব লাগিব, আৰু আমি দেখিবলৈ পাইছো চাহ উদ্যোগৰ পৰা যি ধন বাহি হয় সেই সমস্ত ধন অসমৰ বাহিৰলৈ যাব লাগিছে এই লাভৰ বিৰাট পৰিমাণৰ ধন যদি অসমত থাকে তেনেহলে অসমৰ সকলো দৰিদ্ৰ শ্ৰেণীৰ উপকাৰ নহ'লহেঁতেননে? আজি বিদেশী বহিৰাগত শ্ৰেণীৰ পুঁজিপতিসকলে অসমৰ কলা সোণৰ পৰা অসমৰ ঐশ্বৰিক সম্পদ চাহপাতলৈকে কোটি কোটি টকা লুটি নিব লাগিছে। আমাৰ কথা হ'ল এই শোষণ আমি বন্ধ কৰিব লাগিব। আমাৰ

দৰিদ্ৰতা বন্ধ কৰিব লাগে। নিবনুৱাক কাম দিব লাগে। নতুন চাহ উদ্যোগ গঢ়ি তুলিব লাগে। কল্যাণে হাঁহি মাৰি ক'লে— বৰ ভাল লাগিল আপোনালোকৰ কথাত। আমিও তাকেই বিচাৰো বুজিছে, নিশ্চয় আমাৰ চৰকাৰে নিজৰ দেশ আৰু জাতিৰ কাৰণে এই উদ্যোগ সম্প্ৰসাৰিত কৰিব পাৰে। কাৰণ এই উদ্যোগৰ উৎপাদিত সামগ্ৰীৰ মূল্য অতি উচ্চ। অৰূপাই আকৌ ক'লে— আৰু এটা বিশেষ কথা হ'ল কিছুমান দামী কোম্পানীয়ে অসমৰ প্ৰতিষ্ঠিত দাবী অনুসৰি ৮০ শতাংশ স্থানীয় শ্ৰমিক কল্যাণ বিষয়া নিয়োগ কৰা, বাহিৰৰ পৰা সহকাৰী মেনেজাৰ হিচাপে অনা ব্যক্তিক কল্যাণ বিষয়া কৰি দেখুৱাই ৩০০০ টকা দৰমহা, বাংলা, চাকৰ আদি দি আহিছে আৰু অসমৰ আৰ্থ সামাজিক দিশটো বিপৰ্য্যয়ৰ মুখলৈ ঠেলি দিছে।

চাহ বাগিচাৰ মালিক কোম্পানীবোৰে এমুঠি শ্ৰমিকক লৈ যি হেতালি খেলিছে তাক আমি সহ্য কৰো কেনেকৈ? ইমানবোৰ জানি বুজিও যদি অসমীয়া মানুহে মাত নামাতে তেনেহলে ক'ব লাগিব— ধিক! অসমীয়া মানুহ নহয়? অসম শ্মশান নোহে কোনে কয়॥

—বাহ্ বাইদেউ, বাহ্ কল্যাণে হাত তালি বজালে। আপোনা-লোকক লৈ আজি আমি গৌৰব কৰিব পাৰো।

বিশ্বজিতে সকলো কথা মন দি শুনিছিল। হাস্‌নাই বিশ্বজিতলৈ চাই সুধিলে— আপোনালোকৰ টি ব'ৰ্ডে চাহপাত উৎপাদনৰ বৃদ্ধিৰ ক্ষেত্ৰত কিবা নতুন ব্যৱস্থা লৈছে নেকি?

—হয়। আপোনালোকে নিশ্চয় জানে যে ১৯৯৩ চনত আমাৰ দেশে চাহ উৎপাদনৰ ক্ষেত্ৰত অভিলেখ স্থাপন কৰিছে। এই বছৰতে আমাৰ দেশৰ সৰ্ব্বমুঠ উৎপাদন আছিল ৪৫০ নিযুত কেজিৰো অধিক।

—আমাৰ অসমত কিমান উৎপাদন হৈছিল ?

—কিমান জানে ? বিশ্বজিতে হাঁহি মাৰি ক'লে— অকল অসমতে ৩৮৭ নিযুত কেজি, যি নেকি ৰাষ্ট্ৰীয় উৎপাদনৰ ৫৩ শতাংশ ।

অৰূপাই চিন্তা কৰি সুধিলে— সকলোবোৰ চাহ বিক্ৰি হ'লনে ?

—নাই ? চাহৰ বজাৰ মন্দা হোৱাৰ কাৰণে ৩৬ নিযুত কেজি ৰৈ গ'ল ?

—এইটো জানো অতিশয় উদ্বেগৰ বিষয় নহয় ?

—কিয় নহয় ? ই চাহৰ ব্যৱসায়ৰ ক্ষেত্ৰত ডাঙৰ বিপদ ।

—তেনেহলে এই বিপদৰ পৰা ৰক্ষা পৰিবলৈ কি কৰিব লাগিব ?

—আমি ৰপ্তানি বঢ়াব লাগিব । লগতে ঘৰুৱা চাহিদাও বঢ়াব লাগিব ।

—ঘৰুৱা চাহিদা ? হাসনাই আচৰিত হ'ল ।

—অঁ ঘৰুৱা চাহিদা মানে, আমাৰ দেশত প্ৰতি বছৰে ৫৫০ নিযুত কেজি চাহ ব্যৱহাৰ হয় আৰু প্ৰতি বছৰে বাঢ়িও থাকে ।

—কিমানকৈ বাঢ়ে বাৰু ?

—ধৰক ২·৭ নিযুত কেজিকৈ, কিন্তু আচৰিত কথা কি জানে ? বৰ্ত্তমানে সেই চাহিদাও কমি গৈছে ।

—চাহিদা বঢ়াবলৈ কি কৰিব লাগিব ? হাসনাই সুধিলে ।

—চাওক বাইদেউ, আমাৰ দেশত ৯০ কোটি মানুহ আছে তাৰ মাজত যদি ১ শতাংশও চাহিদা বঢ়াব পৰা যায় তেনেহলে ৯০ নিযুত কেজি চাহৰ চাহিদা বাঢ়িব । গতিকে চাহ খাবলৈ জনসাধাৰণক উৎসাহিত কৰিব লাগিব ।

—কিন্তু চাহ উচ্চ মানৰ হ'ব লাগিব ।

বীনাবাইদেউয়ে কথাষাৰ কৈ হাঁহিলে ।

নিশ্চয় আমি উচ্চমানৰ চাহ উৎপাদনৰ ক্ষেত্ৰত বৰ্ত্তমান অগ্ৰাধিকাৰ

দিছো, আৰু চাহপাত ৰপ্তানিৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে।
—অলপ বুজাই কবনে কিহৰ গুৰুত্ব দিয়া হৈছে ?

বিশ্বজিতে হাঁহি মাৰি ক'লে— সদ্যহতে প্ৰচাৰ অভিযান। এই প্ৰচাৰ অভিযান চলাব আমাৰ টি ব'ৰ্ডে আৰু বিশিষ্ট আমদানি কৰ্তাসকলে। তাৰোপৰি প্ৰতি বছৰে ভাৰতলৈ এক নিযুত বিদেশী ভ্ৰমণকাৰী আহে। তেওঁলোকক মূল্যযুক্ত চাহপাতৰ পেকেট দিব পাৰি। দেশৰ আন্তৰ্জাতিক বিমান বন্দৰবোৰত ভাৰতীয় শ্ৰেষ্ঠৰ চাহপাত আকৰ্ষণীয় পেকেট কৰি ৰাখিব পাৰি। ভাৰতীয় আন্তৰ্জাতিক বিমান সেৱাই যাত্ৰীৰ বাবে উপহাৰ হিচাবে চাহপাত বিক্ৰীৰ ব্যৱস্থা কৰিব পাৰে আৰু যিসকলে সুন্দৰভাবে প্ৰচাৰ অভিযান চলায় তেখেতসকলক পুৰস্কাৰ দিব পাৰে।

— আৰু এটা কথা, বিশ্বৰ বজাৰত ভাৰতৰ চাহপাত উচ্চমানৰ হোৱা স্বত্বেও কিয় সংকটৰ সন্মুখিন হব লগাত পৰিছে।

— কাৰণটো হ'ল ৰপ্তানিৰ গুৰুত্ব নিদিয়া। বৰ্ত্তমানে বাণিজ্য মন্ত্ৰালয়ে টি ব'ৰ্ডৰ লগত আলচ কৰি শ্ৰীলঙ্কা আৰু কেনিয়াই সৃষ্টি কৰা প্ৰতিযোগিতাৰ মুখামুখি হোৱাৰ চেষ্টা চলাইছে। এই সংকট সু-পৰিকল্পিত বিক্ৰী নীতি আৰু স্থানীয় বজাৰত ৰপ্তানিৰ অগ্ৰাধিকাৰৰ ভবিষ্যত আতৰিব বুলি আশা কৰা হৈছে। চাহপাত ৰপ্তানিৰ ক্ষেত্ৰত দীৰ্ঘকালীন ব্যৱস্থাসমূহ কাৰ্যকৰী কৰিব লাগিব। তাৰ বাবে আমাৰ টি ব'ৰ্ডে আঁচনি যুগুত কৰিছে; আঁচনি মতে ২০০০ চনত উৎপাদন পৰ্য্যায় হবগৈ ১০০০ নিযুত কিলোগ্ৰাম আৰু ৰপ্তানিৰ পৰিমাণ হবগৈ ২৯০ নিযুত কিলোগ্ৰাম। যদিও ভাৰতবৰ্ষ বিশ্বৰ ২৮ খন দেশৰ ভিতৰতে বৃহৎ চাহ উৎপাদনকাৰী দেশ তথাপিও যোৱা বছৰ কেইটাত ২০০ নিযুত কিলোগ্ৰামহে ৰপ্তানি কৰিব পৰা গৈছে। বিশ্বৰ বজাৰত ভাৰতৰ অংশ ক্ৰমে ১৯৫১ চনত ৪৫ শতাংশৰ পৰা ১৯৯০ চনত ১৮ শতাংশলৈ কমি গৈছে। সেইহে পেকেট,

টি বেগ, ইনষ্টেণ্ট টি ইত্যাদিৰ জৰিয়তে ৰপ্তানি বঢ়াবলৈ চেষ্টা চলোৱা হৈছে ।

— এতিয়া বোলে কিবা গুড়ি চাহ ওলাব হয়নে ? বীনাবাইদেউয়ে মাজতে সুধিলে ।

— হয় বাইদেউ । চাহপাতটো উতলা পানীত নিসিজোৱাকৈ কফিৰ দৰে উতলা পানীত দি খাব পৰাকৈ নতুন কাৰিকৰী পদ্ধতিৰে প্ৰস্তুত কৰি উলিওৱা হৈছে । এই চাহ প্ৰস্তুত কৰিবলৈ উৎকৃষ্ট চাহেই যে ব্যৱহাৰ হব এনে নহয়, পেলনীয়া চাহপাত, নিকৃষ্ট কেচাপাতো এই চাহ প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰিব পাৰিব । এই চাহৰ বৰণ মুগা, কলা বৰণৰ হব আৰু এই গুড়ি চাহ গৰম বা ঠাণ্ডা কৰিও খাব পাৰিব, যেনেকৈ আমি Bournvita আদি খাও ।

এনেতে এজন ল'ৰা আহি দুৱাৰমুখৰ পৰাই মাতিলে — কল্যাণ !

— অ' আহিলি চন্দন, বৰ দেৰি কৰিলি ! মই যে কৈছিলো এইসকল বাইদেউ । তেখেতসকলে বৰ ভাল প্লেন লৈছে ।

চন্দন বহিল আৰু ক'লে — বৰ ভাল লাগিল আপোনালোকৰ কথা শুনি । আমাৰ বাগানৰ ফালেও যাব ।

— আপোনাৰ বাগান ?

— খোৱাং চাহ বাগিচা ।

— আমি যান তেনেহলে ।

— নিশ্চয় । মই যিমান পাৰো সহায় কৰি দিম । তাৰ পিছত চন্দনে আকৌ ক'লে — বুজিছ কল্যাণ, কিবা এটা কামত দেৰি হৈ গ'ল । পিছে দাদা আছেনে নাই ?

— নাই, বিশেষ কাম এটাত ওলাই গৈছে । মই পিছে প্ৰজেক্ট টো ঠিকেই কৰি থৈছো । যিসকল বাগানৰ পঙ্গু শিশু আছে তেখেতসকলৰ কাৰণেতো হ'বই বাকীসকলৰ কাৰণেও একেটা অনুষ্ঠানেই

সহায় আগবঢ়াব পাৰিব নহয় জানো চন্দন ?
— কিয় নহয়। এনে বহুত অনুষ্ঠান বিদেশত আছে যি নেকি খবৰ পালেই সহায় কৰিবহি। এনেতে হৰিনাৰায়ণ চৌধুৰী হৰমুৰকৈ সোমাই আহিল— ইস্ ইস্ বৰ দেৰি হৈ গ'ল বুজিছেনে। আপোনা-লোকে বেয়া নাপাব। অ' চন্দন আৰু বিশ্বজিৎ তোমালোকো আহিলা বৰ ভাল কৰিলা। কল্যাণ বৌয়েৰকো ওলাবলৈ দে। গাড়ী ঠিক আছেনে ? কল্যাণে বৌয়েকৰ ওচৰলৈ দৌৰ মাৰিলে, বৌয়েকক ওলাই আহিবলৈ কৈ গাড়ী উলিয়ালে। এনেতে কল্যাণৰ বন্ধু ৪ জনো গাড়ী এখনত আহি ওলালহি। কল্যাণে খং কৰি ক'লে— ইমান দেৰি কৰিব লাগেনে ? সময়ৰ মূল্য নুবুজিলে আৰু কি কৰিবি। সিহঁতে একো নামাতিলে।

সকলো যাবলৈ সাজু হ'ল। অৰূপাইঁতৰ গাড়ীত কল্যাণৰ বৌয়েক বহি ললে। ইতিমধ্যে শান্তা, বন্তি আৰু দময়ন্তীও গাড়ী লৈ সোমাইছিলহি। ৪ খন গাড়ীত সকলো উঠি নিৰ্দ্দিষ্ট ঠাইত উপস্থিত হ'লগৈ। আটাইবোৰ নামিল। হৰিনাৰায়ণে আগে আগে গৈ অঙুলিয়াই দেখুৱালে— ব্ৰহ্মপুত্ৰৰ পাৰত থকা প্ৰায় ১০ বিঘা মাটিৰ এটা প্লট। আগতে চাহ খেতি হৈছিল। বৰ্ত্তমান তাত চাহ খেতি নাই। এনেয়ে পৰি আছে। মাজে মাজে ছাঁ দিয়া গছবোৰ আছে। ঠাইখিনি বৰ নিৰিবিলি। চহৰৰ পৰা প্ৰায় ১৫ কিলোমিটাৰ দূৰ। হৰিনাৰায়ণ চৌধুৰীয়ে অৰূপাইঁতলৈ চাই সুধিলে - এইখিনি ঠাই কেনে হব ?

অৰূপাইঁতৰ যেন কণ্ঠৰুদ্ধ হৈ পৰিছিল। একো মাতিব নোৱাৰি মাত্ৰ চৌধুৰীলৈ চাই আছিল। বিশ্বজিতে মাত লগাই কৈছিল— দাদা ঠাই ডোখৰ বঢ়িয়া। ওচৰতে লুইতৰ উত্তাল তৰঙ্গ। মুকলি বতাহ। পিছে আৰ্কিটেক্টৰ এটা Plan বনাব লাগিব।
— অ' মই আকিবলৈ দিছো। Building টোত ৪ টা ভাগ হব।

Hospital হব লগতে Hostel ও থাকিব। কেনে হব ?

— খুউব ভাল হব দাদা।

— আৰু এটা কথা, এটা নাম দিব লাগিব নহয় ?

— হয়।

— নামটো কি হ'ব জান ? সকলোৱে চৌধুৰীলৈ চালে।

— নামটো হ'ব "জেউতি"। মোৰ মাৰ নাম আছিল "জেউতি"। যি গৰাকী মাতৃয়ে মোক জন্ম দিয়েই ইহলীলা ত্যাগ কৰিছিল। কিন্তু তেওঁৰ আত্মাৰ জেউতিত মই ডাঙৰ হ'লো। চৌধুৰীয়ে হাঁহি মাৰি ক'লে— ব'লা এতিয়া যাও। কল্যাণ, বৌয়েৰক মাতচোন ?

ৰাখী তেখেতৰ ওচৰতে ব'লগৈ। তুমি বহুত দিন কৈ আছিলা নহয়। এতিয়া সুখী হৈছা ? মই কিন্তু এখেতসকলৰ কাৰণেহে দিলো। ভাবিলো মহিলাই যদি ইমান ডাঙৰ কথা এটা ভাবিব পাৰে মই পুৰুষ হৈ কিয় নোৱাৰো !

চৌধুৰীয়ে আকৌ হাঁহিলে। সকলো গাড়ীত উঠিল। অৰুপাইঁতৰ লগত ৰাখী বিশ্বাস বহিল আৰু পিছৰ চিটত গা হেলেন দি উচুপি উঠিল।

— x —

৪৬

সিহঁত আহি হৰিনাৰায়ণ চৌধুৰীৰ বাংলাৰ সন্মুখত ৰ'লহি। ৰাখীয়ে সকলোকে ভিতৰলৈ মাতি ড্ৰইংৰুমত বহিবলৈ দি ক'লে— সকলোৱে কিন্তু ভাত খাইহে যাব পাৰিব দেই।

সকলো বহিল। ৰাখী আৰু কল্যাণ ভিতৰলৈ সোমাই গ'ল।

অকমান সময়ৰ পিছতে কল্যাণ আকৌ আহিল আৰু পিছত অহা ল'ৰাকেইজনক চিনাকি কৰি দিলে— আদিত্য, গৌৰী, কবিন্দ্ৰ, কৌশিক, নৃপেন, নীলমণি। অৰূপাইঁতে মন কৰিলে ল'ৰাকেইজনৰ গম্ভীৰ মুখ। বেদনাৰে ভাৰাক্ৰান্ত সিহঁতৰ চকুত যেন অৰূপাহঁতে দেখা পালে নতুনৰ প্ৰতিশ্ৰুতি। কিন্তু সেই প্ৰতিশ্ৰুতি পালন কৰিবলৈ সিহঁতক যেন এক প্ৰবল গণশক্তিৰ প্ৰয়োজন।

অৰূপা থৰ হৈ থকা দেখি আদিত্যই সহজ সৰল হাঁহিটো মাৰি ক'লে— আপোনালোকৰ প্ৰচেষ্টাক আদৰণি জনাইছো। কিন্তু এই খন দেশত বহুত কিবা কৰিবলৈ মন কৰিলেও কৰিব নোৱাৰি কাৰণ চাৰিওফালৰ পৰা এক দৈত্যকায় শাসনে আমাৰ কণ্ঠৰুদ্ধ কৰি পেলাইছে। তাৰ কাৰণে যদি মাত মাতো তেনেহলে আমি হব লাগিব পোতাশালত বন্দী। তথাপিও আমি এই সংকটৰ মুখামুখি হবই লাগিব। কবিয়ে জানো কৈ যোৱা নাই?

সমুখ সমৰ ভয় নকৰিবি
মুক্তি যুজৰ হুচিয়াৰ— হুচিয়াৰ॥

হঠাতে পৰিৱেশটো গহীন হৈ পৰিল আৰু সকলো মনে

মনে ৰ'ল। আদিত্যই আকৌ ক'লে— চাহ শিল্পই আমাক কি দিছে সেই কথা আপোনালোকক শুনাই নকলেও হ'ব। জানিব পৰা মতে চাহ শিল্পৰ ওপৰত কেন্দ্ৰীয় চৰকাৰ আৰু অসম চৰকাৰে যি কৰ ৰেহাই দিলে সেই টকাৰ পৰিমাণ বহু কোটি টকা হ'লেও সেই ৰেহাই পোৱা টকাৰে অসমৰ জনসাধাৰণ বা শ্ৰমিকসকলৰ একো লাভ নহ'ল। আজি চাহ শ্ৰমিকসকলৰ সামাজিক নিৰাপত্তাৰ অভাৱ। শ্ৰমিকসকলৰ ওপৰত আইনগত সুৰক্ষা প্ৰদান কৰিব লাগে তাৰোপৰি অসমৰ ৰাজহৰ ক্ষেত্ৰত অসমৰ চাহ বাগিচাবোৰৰ যি ভূমিকা থাকিব লাগিছিল সেই ভূমিকাৰ পৰা আজি চাহ বাগিচা বোৰ বঞ্চিত আৰু এটা বিশেষ কথা যে অসমৰ পঞ্জিয়ন কাৰ্যালয় দিল্লী, কলিকতাত স্থাপন কৰি অসমক আৰু অধিক পৰিমাণে শোষণ কৰা হৈছে।

উদ্যোগপতিসকলে বাগিচাসমূহৰ প্ৰধান কাৰ্য্যালয় কলিকতা দিল্লীত পাতিলে অধিক সুবিধা হয় বুলি যুক্তি দৰ্শালেও অসমৰ বাবে অধিক ক্ষতিকৰ সেই কথা সকলোৱে জানে। আমি অনুসন্ধান কৰি গম পাইছো যে অসমে প্ৰতি বছৰে পঃ বঙ্গ চৰকাৰক ডাক খৰছৰ বাবেই বহু লাখ টকা ৰাজহ দিব লাগে। যদি পাঁচ লাখ টকা হয় তেতিয়া ডাক তাৰ বিভাগৰ নিয়ম অনুসৰি সেই ৰাজ্যই লাভ কৰে ১০ শতাংশ টকা। সেইদৰেই টাটা ফিনেল, মেকলিন মেগৰ উইলিয়াম মেগৰ আদি গ্ৰুপে ১ কোটিৰো অধিক টকা ডাক খৰছৰ বাবদ দি আহিছে। তাৰোপৰি অসমৰ চাহৰ ওপৰত লগোৱা বিক্ৰী কৰৰ বাবদ বছৰি ৬০০ কোটি টকা হেৰুৱাব লগাত পৰিছে। আৰু কি জানে? বীমা কোম্পানীবোৰে বীমাৰ নামত দিয়া কোটি কোটি টকা কলিকতাই লাভ কৰি আহিছে। আমি জানিব পাৰিছো যে কৃষি বীমাৰ নামত প্ৰায় বছৰি ২৫ কোটি মান টকা অসমে হেৰুৱাব লগা হৈছে। গতিকে এটা জীৱন বীমাৰ মুখ্য

কাৰ্যালয় আৰু দৰকাৰী কাৰ্যালয় গুৱাহাটীত স্থাপন কৰিব লাগে। কিন্তু এনেবোৰ অফিচ গুৱাহাটীলৈ ইচ্ছা কৰিয়েই নানে ফলত অসমে আৰ্থিক নাটনিত ভুগিব লগা হৈছে।

কথাখিনি কৈ আদিত্য বাহিৰলৈ ওলাই গ'ল। এইবাৰ চৌধুৰীয়ে ক'লে– শ্ৰমিকসকলক বাগিচাসমূহে আজিও নিম্নতম মজুৰি ১৭ টকা দিয়ে, কিন্তু চৰকাৰী নিয়মমতে ৪০টকা হব লাগিছিল। এই ক্ষেত্ৰত বেচন খৰি আদি দিয়া দেখুৱাই শ্ৰমিক-সকলক শোষণ কৰি আছিছে। কাৰণ সকলোবোৰ ধৰি এজন শ্ৰমিকৰ ২৩ টকাৰ ওপৰ নহয়। এনে নিৰ্য্যাতনৰ ফলত যে চাহ শ্ৰমিকসকলক অসমৰ মূল স্থুঁতিৰ পৰা আতৰাই নিয়াৰ এক গভীৰ ষড়যন্ত্ৰ লুকাই আছে তাক তুনাই নকলেও হব। ইয়াৰ ফলত কি হৈছে? ক্ষুদ্ধ হৈ উঠিছে চাহ শ্ৰমিকসকল। এনেতে হৰিনাৰায়ণ চৌধুৰী সোমাই আহিল— ৰবা, ৰবা গৌৰী তোমালোকে অকল আমাকে দায় নিদিবা, আমি যিখিনি পাৰিছো কৰিছো বা কৰিম তাৰো হিচাব লোৱাচোন।

—কওক দাদা। গৌৰীয়ে শান্তভাৱে চৌধুৰীলৈ চালে।

—তোমালোকে নিশ্চয় জানা যে অসমত কেইবাটাও মালিক সন্থা আছে।

—হয়।

—কি, কি জানানে?

—হয় জানো। গৌৰীয়ে কৈ গ'ল— ইণ্ডিয়ান টি এছোচিয়েশ্বন, অসম শাখা (A.B.I.T.A) অসম টি প্লেণ্টাৰ্ছ এছোচিয়েছন (A.T.P) আৰু টি এছোচিয়েশ্বন অব ইণ্ডিয়া (T.A.I)

– বেছ মই আনন্দ পাইছো। আজি কালি আমাৰ ডেকা ল'ৰা-বোৰ বহুত সচেতন হ'ল। আগতে মানুহে একো মাত নিদিছিল গতিকে অসমৰ ওপৰত শোষণ চলিছিল। চাহাবৰ কথা বাদেই

আমাৰ মানুহেই জানো আমাক শোষণ কৰা নাছিল ? এতিয়া আমাৰ মানুহ সচেতন হৈছে। চাহ শিল্পৰ আয় ইনকামৰ বিষয়ে জানিবলৈ চেষ্টা কৰিছে গতিকে নিশ্চয় ভৱিষ্যতে ভাল হ'ব। আৰু এটা সঁচা যে— অসমৰ কিছুসংখ্যক স্বাধীনচেতীয়া যুৱকে যে আজি অসমীয়াৰ এই সচেতনতা আনি দিলে তাক মই মানিব হলেও ক'ব লাগিব। নহলে অসমীয়া মানুহে চকুৰে ধোৱা দেখি থাকিল হেতেন।

—এতিয়া আমি আহো অসমৰ উন্নতিৰ ক্ষেত্ৰত মালিকসস্থাই কি কৰিছে। প্ৰথমে এ, বি, আই, টি, এৰ নাম আমি ল'ব লাগিব কাৰণ তেওঁলোকে ৰাইজৰ কল্যাণৰ নামত কিছু টকা খৰছ কৰিছে। কিন্তু এ, টি, পি, ৰ কিছু বৰঙণি থাকিলেও, টি, এ, আইৰ এই ক্ষেত্ৰত একো বৰঙণি নাই। মই কিন্তু মালিকসস্থাত নাই দেই মোৰ বাগান কোম্পানীকো বিক্ৰি কৰা নাই। কথাতে কয় বোলে— সাঁতোৰ সাঁতোৰ নিজ বাহুবলেৰে সাঁতুৰিব নোৱাৰিলে যা ৰসাতলে।

কথা কৈ কৈ চৌধুৰীয়ে চিগাৰেট এটা জ্বলাই লগে আৰু হাঁহি মাৰি ক'লে— মেগৰ গ্ৰুপে কিন্তু কিছু কাম কৰিছে—যেনে সাহিত্যিক বটা, স্কুলঘৰ, খেলাৰ উন্নতিৰ ব্যৱস্থা, হাস্পাতাল ইত্যাদি বনাইছে। ময়ো কিন্তু একো নিদিয়াকৈ থকা নাই। মন্দিৰ, মছজিদৰ কাৰণে বৰঙণি, নাম কীৰ্ত্তন, খেলা, ধুলা আদিত যথেষ্ট বৰঙণি দি আহিছো। পিছে কি হ'ব আমাৰ বদনামেই বদনাম। চৌধুৰীয়ে হাঁহিলে। হাসনাই তপৰাই মাত লগালে— আপুনি এই অনুষ্ঠানটো খুলিলে জীৱনত আৰু একো নকৰিলেও হ'ব।

—হয় নেকি ? চৌধুৰীয়ে হোঁ হোঁৱাই হাঁহি দিলে। এনেতে ৰাখী সোমাই আহিল। আপুনি দেখোন বৰকৈ হাঁহিছে।

—এৰা আজি তোমাৰ লগৰীয়াসকলে মোক হঁহুৱাইছে।

—থওক, থওক এতিয়া বলক ভাত হ'ল। আলোনালোক উঠকচোন

ভাত খাবৰ হ'ল।

সকলো উঠিল আৰু ভাতৰ পাতত বহিলগৈ সকলোৱে আনন্দ মনে ভাত খালে। ৰাখীয়ে হাঁহি হাঁহি ভাত তৰকাৰী বিলালে। কল্যাণে বৌয়েকৰ মুখলৈ চাই থাকি ভাবিলে তাৰ বৌয়েকজনী যেন আজি ১০ বছৰ পিছুৱাই গ'ল।

হৰিনাৰায়ণ চৌধুৰীয়েও একেলগে ভাত বিলালে আৰু সকলোৰে ওচৰে ওচৰে গৈ সোধ-পোচ কৰিলে— তাৰ পিছত মাজতে ঠিয় হৈ ক'লে – আপোনালোকে চিন্তা নকৰিব মই এই মাহৰ ভিতৰতে আধাৰশিলা স্থাপন কৰিবলৈ চেষ্টা কৰিম।

সকলোৱে তেখেতলৈ চালে। তেখেতে আকৌ ক'লে – যন্ত্রপাতিবোৰ বিদেশৰ পৰা আনিব লাগিব তাৰ ব্যৱস্থা হৈ যাব। বাৰু আপোনালোকে খাওক।

চৌধুৰী ওলাই গ'ল। ৰাখীয়ে মানুহটো ওলাই যোৱালৈ চাই ভাবিলে এইহেন মানুহটো ইমান দিন ক'ত লুকাই আছিল। হঠাতে ৰাখীৰ বুকুখন বিষায় গ'ল। তাইৰ নিচিনাকৈ তেখেতেও তেনেহলে ইমান দিন দুখকে ভুগি আছিল? হায় মই ইমান দিন কিয় তেওঁৰ অন্তৰৰ বেদনা বুজিবলৈ চেষ্টা নকৰিলো।

তাই সকলোকে সুধি পুচি ওপৰলৈ গ'ল আৰু ল'ৰাটোৰ কাষত বৈ থকা চৌধুৰীৰ ছবি দুখনত সাৱটি ধৰিলে।

● ● ●

ভাত খাই সকলো আহি ড্রইং ৰুমত বহিলহি। কল্যাণ হতে অৰূপাইঁতৰ পৰা বিদায় লৈ গ'লগৈ।

বস্তিয়ে অৰূপালৈ চাই ক'লে— আমাৰ আজি বহুত দেৰি হ'ল, গাড়ীখনৰ জানো আজি কি হ'ল দলং পাৰ হৈয়ে ষ্টাৰ্ট নোহোৱা হ'ল। কোনোমতে তেজপুৰলৈ আহি ভাল কৰিহে আহিব পাৰিলো! তাতে বহুত দেৰি হ'ল। আপোনালোকৰ ছাগৈ খঙে উঠিছিল।

—নাই নাই কিয় খং উঠিব ; ঠিক সময়তে তোমালোক পাইছাহি।

সকলো অকমান সময় নিমাতে থাকিল। অৰূপাই চন্দনলৈ ব' লাগি চাই থাকিল ; ল'ৰাজন বৰ অমায়িক আৰু ভদ্ৰ। কথা-বোৰ সৰল আৰু মিঠা। চন্দনে অৰূপালৈ চাই হাঁহি মাৰি সুধিলে— বাইদেউ আপুনি কিবা সুধিবনেকি ?

—এৰা তাকেই ভাবিছো! আপোনালোককতো সহজে লগ পোৱা টান।

—কিয় লগ নাপাব ? নিশ্চয় পাব। বাৰু কওকচোন কি সুধিব খুজিছে ?

—আমি অলপ মেচিনৰ কথা অৰ্থাৎ চাহপাত তৈয়াৰ কৰাৰ বিষয়ে জানিব খুজিছো।

—হয় নেকি ? চন্দনে হাঁহি মাৰি কথাষাৰ ক'লে।

—হয়, আমি আপোনাৰ পৰা শুনিব খুজিছো।

চন্দনে কোনো পাতনি অৱতাৰণা নকৰাকৈ আৰম্ভ কৰিলে প্ৰথমে চিঙি অনা পাতবোৰ লেৰেলাব লাগে। সেই কাম কৰিবলৈ পাত বোৰ নষ্ট নোহোৱাকৈ ভিতৰুৱা ঠাইত সাৱধানে থব লাগে। যাতে পাতবোৰ লেৰেলে। পাতবোৰ লেৰেলি পৰিবলৈ সাধাৰণতে ১৬ ৰ পৰা ২৪ ঘণ্টা সময় লাগে। সাধাৰণতে এই সময়চোৱাৰ ভিতৰতে পাতবোৰৰ ভিতৰত থকা ঠৰহা গুণটো লেৰেলি নাইকীয়া হৈ যায় আৰু পাতবোৰ লেতুসেতু হৈ পৰে আৰু এই সময় ছোৱাৰ ভিতৰতে পাতত থকা প্ৰটিনৰ কোষবিলাক ভাঙিবলৈ আৰম্ভ কৰে

লগতে পাতত থকা কাৰ্বহাইড্ৰেট কিছু পৰিমাণে সৰল হ'বলৈ ধৰে। সেইকাৰণে এই পাতবোৰ সযতনে ৰাখিব লাগে যাতে কোনো ৰকমৰ হেচা নাপায়।

—আপোনালোকৰ বাগানতো এনেকৈয়ে কৰে ? হাস্‌নাই সুধিলে।

—আমি অলপ বেলেগ ধৰণেৰে পাত লেৰেলিবলৈ দিও।

—কেনেকৈ ? কথাবাৰ সুধি হাস্‌নাই আগ্ৰহেৰে উত্তৰলৈ বাট চালে।

—আমি ওপৰৰ চাংবোৰত দুৱাৰ বন্ধ কৰি পাতবোৰ থৈ তলৰ ফালৰ পৰা বিজুলি বতাহ দিও। প্ৰয়োজন সাপেক্ষে অতি সাৱধানে পাতবোৰ বতাহ লগাৰ সময়ত তল ওপৰ কৰি দিব লাগে। অৱশ্যে আজি কালি বহুত আধুনিক পদ্ধতি ওলাইছে।

কথাষাৰ কৈ চন্দনে হাস্‌নালৈ চালে।

—তাৰ পিছত ? হাস্‌নাই আকৌ সুধিলে।

—তাৰ পিছত মেচিনত পাত খুন্দিব লাগিব।

—তাৰো কিবা নিয়ম আছে নেকি ?

—মৰহা পাতবোৰ মেচিনত ভৰাই দিব লাগে। তেতিয়া পাতবোৰ ভাঙি চিঙি গুৰি হৈ যায়। যেতিয়া পাত গুৰি হয় তেতিয়া পাতৰ কোষবিলাকত থকা পলিফিনল (Polyphenol) নামৰ এবিধ দ্ৰব্য আৰু পাতত থকা (Enzyme) ৰ মাজত সংযোগ ঘটি এবিধ ৰস ওলায় সেই ৰস পানীত সহজে মিশ্ৰণ হয় আৰু খুন্দি চেপি পেলোৱা পাতৰ চাৰিওফালে বিয়পি পৰে। তেতিয়া বেলেগ বেলেগ মেচিনত দি চাহপাত বনোৱা হয়।

—সকলো মেচিনৰ কাম একে ধৰণৰ নে ?

—প্ৰায়বিলাক মেচিনৰে কামৰ পদ্ধতি একেধৰণৰেই। কিন্তু C.T.C চাহপাত পাবলৈ C.T.C মেচিনত চাহপাতবোৰ পাক দিব লাগে।

—প্ৰথমতে পাতবোৰটো সেউজীয়া হয় তাৰ পিছত কেনেকৈ বেলেগ

ৰং হয়।

—মই আগতেই কৈ আহিছো যে পাত মেচিনত ঘুৰাই চেপি পেলোৱাৰ পিছত পাতৰ কোষৰ পৰা ওলোৱা পলিফিনল অক্সাইড (Polyphenol oxide) আৰু পাতত থকা এনজাইম (Enzyme) আৰু পাতৰ পৰা ওলোৱা পলিফিনলৰ লগত লগ লাগি অৰ্থকুইনন (Orthoquinone) নামৰ এবিধ দ্ৰব্য প্ৰস্তুত হয় যাৰ দ্বাৰা চাহৰ ৰং কলা হয়। কিন্তু আমি সদায় পাক দিয়াৰ সময়ত চাব লাগিব যাতে পাক দিয়াৰ প্ৰণালী কোনোমতেই ভুল নহয়। কাৰণ পাক দিয়াৰ ওপৰতে চাহৰ গুণা-গুণ নিৰ্ভৰ কৰে। আচল কথা হল Fermentation.

— মানে ?

—মানে কলিং মেচিনৰ পৰা গুৰি হৈ ওলোৱাৰ পাচত ফাৰমেণ্টেচন হবৰ কাৰণে পাতৰ সেউজীয়া গুৰিবোৰ পাতলকৈ মেলি দিব লাগে। বন্ধ কোঠালিত পাতলকৈ মাটিৰ ওপৰত মেলি দিয়া চাহৰ ফাৰমেণ্টেচন সঠিক ভাবে হয়। স্বাভাৱিক পদ্ধতিৰে ফাৰমেণ্টেচন কৰা পাতৰ ৰং ভাল হয়। আজি কালি ফাৰমেণ্টচনৰ কাৰণে মেচিন ওলাইছে তাত অতি কম সময়ৰ ভিতৰতে ফাৰমেণ্টেচন হয়। ফাৰমেণ্টেচন কৰোতে যিমানেই কম সময় লাগিব সিমানেই চাহৰ ৰং আৰু গোন্ধ ভাল হব।

—আপোনালোকে বোধহয় নাজানে যে শুকান তৈয়াৰী হৈ উঠা এই চাহপাতত কি কি পদাৰ্থ থাকে যাৰ দ্বাৰা গৰম পানীত চাহ পাত মিহলাই দিলেই এক জুতিলগা সোৱাদ পানীয় তৈয়াৰ হৈ পৰে। এই পানীয় সেৱন কৰিলে মানুহৰ কৰ্ম্মশক্তি বাঢ়ে, এলাহ আঁতৰি যায়, সৰ্ব্বশৰীৰত এক উত্তেজনাৰ সৃষ্টি হয়।

—আমি ইমান দিনে চাহপাতত কি কি দ্ৰব্য থাকে নাজানো।

—তেনেহলে শুনক, এই চাহপাতত ২% পৰা ৫% লৈকে থিআইন

(Theine) ১৩% ৰ পৰা ১৮% লৈকে টৌনিন Tonnine আৰু বাষ্পীয় তেল জাতীয় পদাৰ্থ থাকে।

অৰূপাইঁতে চন্দনৰ কথাবোৰ শুনি আনন্দ পালে।

ৰাখী আৰু চৌধুৰীয়েও ভাত খাই সিহঁতৰ ওচৰলৈ আহিল। সময়বোৰ যাবলৈ ধৰিলে। অৰূপাই ঘড়ীটোলৈ চাই ক'লে— সময় বহুত হ'ল আমি এতিয়া বিদায়হে মাগিলো।

—হয় হয় বিদায়। মই যথা সময়ত খবৰ দিম।

সকলো ওলাই আহিল। কল্যাণ, ৰাখী, চৌধুৰী ক অৰূপা-হতে নমস্কাৰ জনাই গাড়ীত উঠিল। বশিষ্ঠহঁতেও বিদায় ললে। অৰূপাই বশিষ্ঠলৈ চাই ক'লে— আধাৰশিলা স্থাপনৰ দিনা কিন্তু দেখি হ'লে নহব ?

বশিষ্ঠয়ে হাঁহি মাৰি ক'লে— নিশ্চয় নহয়। দুয়োখন গাড়ী বৃহৎ গাউলীৰ পৰা ওলাই আহিল। অৰূপাইঁতে দেখিলে বাৰান্দাত ৰৈ ৰাখীহঁতে হাত জোকাৰী আছে। নিমিষতে ৰাখীহঁত অৰূপা-হঁতৰ চকুৰ আঁতৰ হ'ল। দূৰলৈ দৃষ্টি ৰাখি অৰূপাই ভাবিলে—

এটা নতুন দিন আহিবলৈ তেনেহলে বেছি পৰ নাই।

—x—

অৰূপাইঁত আনন্দ মনেৰে আহি নগাঁও পালেহি। ঘৰলৈ আহি অৰূপাই অনিলক সকলো কথা ক'লে। কথাবোৰ শুনি অনিলে ক'লে— একেবাৰে যাদুৰ নিচিনা দেখোন কাম কৰি আহিলা। যদি সঁচাকৈয়ে চৌধুৰীয়ে সেই অনুষ্ঠানটো খোলে তেনেহলে বহুতো পঙ্গু শিশুৰ উপকাৰ হ'ব।

অৰূপাৰ বৰ ভাগৰ লাগিছিল। তাই আৰু বেছি কথা নাপাতিলে। ভাত পানী খাই বিছনাত পৰিলগৈ।

ৰাতিপুৱাই মাদলৰ শব্দত তাই সাৰ পালে। আজি কৰম পূজা। ভাদ মাহৰ শুক্লা একাদশী তিথিত চাহ জনজাতিৰ লোক সকলে কৰম পূজা পালন কৰে। সেই কেইদিন ডেকা গাভৰু সকলোৰে মন প্ৰাণ নাচি উঠে। সমূহীয়াভাৱে কৰা কৰম পূজাত জাতি বৰ্ণ নিৰ্বিশেষে সকলোৱে যোগদান কৰি আনন্দ স্ফূৰ্তি কৰে।

অৰূপাইও লচমিক লগত লৈ দিনৰ ১০ টা মান বজাত কৰম পূজাৰ থলিলৈ পূজা চাবলৈ গ'ল। তাই যোৱা দেখি সৰস্বতীহঁত আগবাঢ়ি আহিল। পূজাৰ মণ্ডপত বহিবলৈ দি সৰস্বতীহঁতে তামোল পান দিলেহি। তামোলখন মুখত ভৰাই অৰূপাই সৰস্বতীক সুধিলে— কৰম পূজা তোমালোকৰ ডাঙৰ উৎসৱ নহয়নে?

— হয় দিদি। এই পূজাত "ঝাঁৱা ধৰা" হ'ল প্ৰধান অঙ্গ। পূজাৰ তিনিদিনৰ আগতে বাগানৰ সকলো মহিলাই নদীত গা ধুৱে আৰু ধুপ ধুনা জ্বলাই আৰতি কৰে আৰু কুলাত নিয়া পাচিত বালি ভৰায়। ঘৰলৈ পাচিবোৰ আনি প্ৰত্যেকে তাত ধান,

বাজবা, বুট-মগু, মাটিমাহ, সৰিয়হ আদি সিচি থৈ দিয়ে। তিনি দিন বা পাঁচদিনৰ পাছত শুটিবোৰৰ গজালি ওলায়। এই বালি ভৰাই অনা পাচিটোক "ঝঁাৰা ধৰা" বোলে। সেই কেইদিন কোনোৱে হাই উৰুমি নকৰে বা চাহ আদি গৰম বস্তু কৰমতী সকলে ফুৰাই নাখায়। ফুৰাই খালে বোলে গজালিবোৰ লেৰেলি যাব বুলি ভয় কৰে। যি ঘৰত ঝঁাৰা ধৰা বখা হয় সেই ঘৰত দিনে গধুলীয়ে ধূপ, চাকি জ্বলাই আৰু ঝুমাই গীতো গাই বাইজে আনন্দ কৰে। ইয়াকে ঝঁাৰা জাগৰণ বুলি কয়।

— পিছে তুমি ঝঁাৰা ধৰা কৰিলানে নাই ?

— নাই, মই দেখোন আপোনালোকৰ লগত তেজপুৰলৈ গ'লো। মোৰ মায়ে কৰিছে। অৰুপাই সুধিলে— এই পূজাত গছৰ ডাল লাগে নহয়নে ?

— হয় দিদি, সেইয়া কৰম গছৰ ডাল পুতি থৈছে নহয়।

অৰুপাই দেখিলে কৰমতীসকলে চোতালতে কৰম বেদী স্থাপন কৰিছে আৰু চাকি বন্তি জ্বলাই পূজা কৰি আছে।

সৰস্বতীয়ে অৰুপালৈ চাই ক'লে— দিদি সন্ধিয়াহে আমি নদীৰ পৰা অনা ঝঁাৰাখিনি বেদীত অৰ্পণ কৰিম আৰু পূজা আৰতি কৰি সেৱা সৎকাৰ কৰিম।

— ইয়াৰ এটা কাহিনী আছে নহয় সৰস্বতী ?

— হয় আছে। সেই কাহিনী কহনী বুঢ়াইহে কব দিদি।

— কেতিয়া ?

— কহিনী বুঢ়া আহি পাবহি এতিয়া। অৰুপাৰো কাহিনী শুনিবলৈ বৰ মন গ'ল। মোহনহঁতে লচমিক নি মৰম কৰি বাস্তাচা আৰু কল খাবলৈ দিলে। সিহঁত আহি অৰুপাৰ ওচৰতে ব'লহি। অৰুপাই মোহনলৈ চাই সুধিলে— আচলতে কৰম গছৰ ডালহে পুতিব লাগে নহয় জানো ?

— হয় দিদি। কিন্তু নাপালে কদম গছৰ ডালেৰেই কাম চলি যায়। কিছুমানে আকৌ বাহগছ, বৰগছ, জৰীগছ, কুঁহিয়াৰ গছ পুতিও পূজা কৰে। কিছুমানে আকৌ বাহ ফালি ফুল যেন কৰি কৰম পূজা পাতে তাক 'ফুল কৰম' আৰু ডালৰে যিসকলে কৰম পাতে তাক 'ডাল কৰম' বোলে।

সেই সময়তে কৰমতীসকল আহি ফল ফুলেৰে ধুপ জ্বলাই আৰতি কৰিলেহি। আৰতি শেষ হওতেই কহনী বুঢ়া আহিল। সকলোৱে তেওঁক আথেবেথে বহুৱাই শুশ্ৰূষা কৰিলে। এতিয়া কহনী বুঢ়াই কৰম পূজাৰ কাহিনী আৰম্ভ কৰিলে— সকলোৱে চাৰিওকাষে বহিল। পুৰণি কালত অযোধ্যাত কৰমা আৰু ধৰমা বুলি দুজন ককাই ভাই আছিল। সিহঁতৰ সাতজনী ভনী আছিল। কৰমা আছিল অবিবাহিত। সিহঁতৰ অৱস্থা বৰ ভাল আছিল। এদিন কৰমাই ভায়েকৰ ওপৰত সকলো অৰ্পণ কৰি বেপাৰ কৰিবলৈ বিদেশলৈ যাত্ৰা আৰম্ভ কৰিলে। ইফালে কোনো দিনে ঘৰ চলাহ নোপোৱা ধৰমাই ঘৰ চলাব লগীয়া হোৱাত চকুৰে ধোৱাকোঁৱা দেখিলে। এনেতে ভগৱানে ধৰমাৰ ওপৰত সদয় হৈ কৰম পূজা কৰিবলৈ পৰামৰ্শ দিলে। কাৰণ কৰম পূজা কৰিলে সুকলমে ঘৰ চলাব পাৰিব আৰু ধন ঐশ্বৰ্য্যৰে নদন বদন হ'ব। বামুনৰ কথা শুনি ধৰমাই কৰম দেৱতাৰ আয়োজন কৰিলে। এনেতে ককায়েক কৰমেও বেপাৰ বাণিজ্য কৰি নাও ভৰাই বস্তু বাহানি আনি নদীৰ ঘাট পালেহি আৰু ঘৰলৈ খবৰ পঠালে যে, বস্তু বাহানি নিবলৈ মানুহ পঠাব লাগে।

কিন্তু পূজাৰ কামত ভায়েকহঁতে এনেকৈ ব্যস্ত আছিল যে নদীৰ ঘাটলৈ মানুহ পথাব নোৱাৰিলে আৰু নিজেও যাব নোৱাৰিলে। ককায়েকে বহুত পৰ ঘাটতে বৈ থাকি ঘৰলৈ খোজ কাঢ়ি আহি দেখে যে ভায়েকৰ সৈতে সকলো কৰম পূজাত ব্যস্ত

তেওঁ অহালৈ কাৰো খবৰেই নাই। কৰমা খণ্ডতে অগ্নিশৰ্মা হ'ল। কৰমাই পূজাৰ বেদী গোৰ মাৰি পেলাই সকলোকে গালি পাৰি অত্যাচাৰ কৰিলে। তেতিয়াৰে পৰা কৰমাৰ অৱস্থা বেয়াৰ ফালে ঢাল খালে আৰু এনে অৱস্থা হ'ল যে খুদিও ভাত নোপোৱা হ'ল, পানী এটোপাও খাবলৈ নোপোৱা হ'ল। কৰমাৰ দুৰ্দশা কুলাই পাচিয়ে নধৰা হ'ল। এনেতে পূজাৰী আহি কলেহি যে তেওঁ যদি কৰম দেৱতাক সন্তুষ্ট কৰিব পাৰে তেনেহলে সকলো ঠিক হৈ যাব। কিন্তু কৰমৰ ডাল আনিবলৈ সাত সাগৰ তেৰনদীৰ সিপাৰলৈ যাব লাগিব।

সেই কথামতেই কৰমা সাত নদীৰ সিপাৰত থকা কৰমা গছৰ ডাল আনিবলৈ যাত্ৰা কৰিলে কিন্তু যাত্ৰা অৱস্থাতো তেওঁ কাৰো পৰা সহায় নাপালে। সৰু সৰু নদীবোৰ পাৰ হ'ল যদিও ডাঙৰ নদী পাৰ হ'ব নোৱাৰি নদীৰ পাৰৰ বালিত পৰি থকা ঘৰিয়াল এটাক নদীখন পাৰ হ'বলৈ খাটনি ধৰিলে। ঘৰিয়ালে নদীখন পাৰ কৰি দিব যদিহে ঘৰিয়ালৰ পেটৰ অসহ্য বিষটো কৰম দেৱতাক সুধি আহি ভাল কৰি দিম বুলি প্ৰতিশ্ৰুতি দিয়ে।

কৰমাই প্ৰতিশ্ৰুতি দিলে আৰু ঘৰিয়ালে তাক নদীখন পাৰ কৰি বালিতে পেট পেলাই পৰি থাকিল। কৰমা গৈ নিৰ্দিষ্ট ঠাই পালেগৈ যদিও যি দুটা বুঢ়া-বুঢ়ীয়ে কৰম গছৰ বিষয়ে জানে সেই হাল বুঢ়া-বুঢ়ী মৰি থকা দেখি কৰমাই কান্দিবলৈ ধৰিলে। কৰমাৰ একাগ্ৰ ভক্তি দেখি কৰম দেৱতা আৰু কৰম ৰাণীয়ে বুঢ়া-বুঢ়াৰ বেশ ধৰি কৰমাক কৰমগছৰ সন্ধান দিলে আৰু আশীৰ্বাদ দি বিদায় দিলে। কৰমা উভতি আহি ঘৰিয়ালক ক'লেহি যে – তুমি যে অত মানুহ খাই পেটত অনেক গহণা, টকা পইচা সুমুৱাই ৰাখিছা সেয়ে তোমাৰ পেটৰ বিষৰ কাৰণ, এতিয়া বমি কৰি সকলো উলিয়াই দিলে তোমাৰ পেটৰ বিষ ভাল হ'ব। সেইমতে ঘৰিয়ালে পেটৰ

পৰা বমি কৰি সকলো উলিয়াই দিলে আৰু বিষ ভাল পালে।

কৰমাই এইদৰে ধন সোণবোৰ বাটে বাটে বুটলি আনি ঘৰ পালেহি আৰু ভক্তিভাৱে কৰমদেৱতাৰ পূজা কৰিলে তেতিয়াৰ পৰা কৰমাৰ অৱস্থা ভাললৈ আহিল। কাহিনী কোৱা শেষ হ'ল আৰু সকলোৱে কহনী বুঢ়াক যথাযোগ্য মাননী দি বিদায় দিলে।

পচমিয়ে সাধু শুনি বৰ ভাল পালে। অৰূপাইঁত যাবলৈ ওলাল। মোহন, লক্ষ্মণ, সৰস্বতীহঁতে সিহঁতক বিদায় দিলে।

কৰমপূজাৰ থলিত নৃত্যগীত আৰম্ভ হ'ল। অৰূপাই পদুলীতে কন্তেক বৈ শুনিলে—

অখড়া বন্দনা কৰি
সৰস্বতী মাই গ' হৰি,
বসন্ত বন্দনা বেজনাৰী
মদনে ঝুমাইৰ লাগল ভাবি।
আইস গ' মা সৰস্বতী
কণ্ঠে দেও বৰ গ'
বাঁশী স্বৰে হামৰা
খেলিব ঝুমাইৰ গ'
বাঁশী স্বৰে॥

— x —

৪৮

অনিল আৰু অৰূপাই লচমিক লৈ গুৱাহাটীলৈ যাওনা হ'ল। কালিলৈ তাইৰ Interview আছে। সিহঁতে নিশাটো Hotel Mayur ত থাকি পিছদিনা ১০ বজাৰ লগে লগে কটন কলেজলৈ গ'ল। কলেজৰ প্ৰাঙ্গণত লোকে লোকাৰণ্য। সিহঁত হললৈ সোমাই গ'ল। কোনোমতে Seat ২টা পাই বহি ল'লে। ওচৰতে লচমিও বহিল। Interview আৰম্ভ হ'ল। লচমিৰ নাম মাতিলে, লচমি চহৰীয়া। অৰূপাৰ গাটো থক্ থক্ কৈ কপি উঠিল, বুকুখন থপ্ থপ্ কৰিবলৈ ধৰিলে। তাই ওপৰলৈ উঠি গ'ল আৰু সকলোকে নমস্কাৰ কৰিলে। তাই Science Subject লৈ নাম ভৰ্ত্তি কৰিলে। লগে লগে হোষ্টেলত চিটো পালে। সেইদিনা সন্ধিয়া সিহঁত পুনৰ বাগানলৈ ঘুৰি আহিল, কাৰণ ১০ দিন মানৰ পিছতহে লচমিৰ Class হ'ব।

আহিয়েই সিহঁতে চিঠি এখন পালে। চিঠিখন আহিছে ভেজপুৰৰ চাহ বাগিচাৰ পৰা। "জেউতি" ৰ আধাৰশিলা স্থাপন কৰা হ'ব বুধবাৰে। তাৰে নিমন্ত্ৰণ সকলোলৈকে। চিঠিখন পঢ়ি অৰূপাই জপিয়াই উঠিল তেনেহলে মাজতে মাত্ৰ এটা দিনহে। তাই আনন্দতে অনিলক সাৱটি ধৰি ক'লে– আমি কিন্তু আটাইকেইটা যাম দেই। তুমি কিন্তু ডাক্তৰ আহমেদকো কবা। কিমান ভাল লাগিব নহয়নে?

--বাৰু হ'ব। এতিয়া খোৱা বোৱাৰ ব্যৱস্থা কৰা। মাজনীৰ চাগৈ ভোক লাগিছে। লচমিয়ে মনে মনে আছিল। তাই কলেজৰ

হোষ্টেললৈ গুচি যাব, সেই কথা ভাবি তাইৰ আনন্দ লাগিছিল যদিও মাকক এৰি যোৱাৰ বেদনাই তাইক মৰ্ম্মাহত কৰি তুলিছিল। তাই মনে মনে কান্দিছিল। নতুন পৰিবেশত তাই কেনেকৈ থাকিব তাকে চিন্তা কৰিছিল। তাইৰ মনৰ কথা অনিলে বুজি পাইছিল, আৰু তাইক সকলো সময়তে উৎসাহিত কৰিছিল।

ভাত পানী খাই নিশা অনিলে তাইক কাষতে লৈ বুজাইছিল মাজনী পঢ়া-শুনা কৰি জ্ঞান আহৰণ কৰা। সত্যত থাকিবা। নিজৰ ওপৰত বিশ্বাস ৰাখি সকলো কাম নিষ্ঠাৰে কৰি যাবা তেহে তোমাক ভগৱানে সহায় কৰিব। লচমিয়ে বাপেকৰ কথা শুনি শুনি বাপেকৰ বাহুতে মূৰ থৈ এসময়ত টোপনি গৈছিল।

নিশাৰ সময়বোৰ আঁতৰি পৰিছিল। প্ৰভাতি পখীৰ কলৰৱে পদ্মৱতী চাহবাগিচা আনন্দমুখৰ কৰি তুলিছিল।

কালিলৈ বুধবাৰ। অৰূপাৰ মনটো খোকি বাথো লাগিল। তেওঁ বীনাবাইদেউ, হাসনা আৰু সৰস্বতীলৈ ভাল খবৰটো পথাই কালিলৈ যাবৰ কাৰণে সাজু হবলৈ দিলে। তাৰোপৰি বন্তি, শান্তা-লৈকো খবৰ পথালে। এইবাৰ অৰূপাই মোহন, লক্ষ্মণ আৰু মধুমতীকো লৈ যাব। সিহঁতেও দেখিব লাগে, জানিব লাগে।

কথাবোৰ ভাবি ভাবি অৰূপাৰ মনটো বৰ ভাল লাগিল। গোটেই দিনটো লচমিৰ লগত হোষ্টেললৈ নিবলগীয়া যাবতীয় বস্তুবোৰ ঠিক কৰি বাকচত ভৰালে। কিমান যে বস্তু লাগে। এটা কম হলেওটো নচলিব তাতনো তাই কাক খুজিবগৈ। তাৰো-পৰি খোৱাবস্তু ভৰাবলৈ আছেই। কেক্ ছুটামান কৰিব আৰু মিমখিয়া বিস্কুট, কাটা নিমকি অলপ কৰি পথাব লাগিব।

গোটেই দিনটো কামত ব্যস্ত হৈ থাকোতেই সন্ধ্যা নামি আহিল। এনে সময়তে বীনাবাইদেউ আহি মাত দিলেহি। অৰূপা! আছানে?

- অ' বাইদেউ, আছো, আছো। আহক, বৰ ভাল লাগিল দেই আপুনি যে আহিছে। মই লচমিৰ বস্তুবোৰ ঠিক কৰোতেই দিনটো গ'ল বুজিছে। বহক বীনাবাইদেউ। খবৰটো পাইছেই নহয়— ইমান ভাল লাগিছে নহয়নে ?

— এৰা দিয়া মৰো আচৰিত। আচলতে কি জানা অৰূপা ভাল কামত ঈশ্বৰে সহায় কৰিবই। পিছে কালিলৈ কিমান সময়ত ওলাবা।

— ৰাতিপুৱা ৭ টা মান বজাত গলেহে হ'ব। হাস্নাক ডাক্তৰকো লগত লবলৈ কৈছো। আপোনাৰ ভিনদেউ পিছে যাবনে নাযায় ?

— নাযায়। মোকেই কৈছে বোলে তুমি যি কৰা কৰা মোক এইবোৰত নাটানিবা। ডাক্তৰ বোলে যাব, হাস্নাই কৈছে।

— এইবাৰ বাইদেউ, মোহনহঁতকো লৈ যাব বুলি ভাবিছো বেয়া হ'ব নেকি ?

— বেয়া নহয়, কিন্তু চৌধুৰীয়ে বা কি ভাবে। হাজাৰ হলেও

— হ'লে কি হ'ল আমি মালিক আৰু শ্ৰমিকৰ মাজ বেৰখন আতৰাবলৈ চেষ্টা কৰা নাই জানো ?

— কৰিছো কিন্তু তাতে কিছুমান কথা আছে, যি বিলাক কৰিলে মালিক পক্ষই সন্মানত আঘাত হানে বুলি ভাবে। সকলো মানুহ সমান বুলি ভাবিলে একো নাই কিন্তু যদি আমি Status ৰ কথালৈ আহো তেনেহলে কথাটো বেলেগ হৈ পৰে। যিটো পৰিবেশৰ কাৰণে আজি শ্ৰমিকসকল অৱহেলিত হৈয়ে আছে। বোকাৰ পৰা সোণ বুটলি আনিবলৈ সময় লাগিব। বাৰু চিন্তা কৰিব লগা নাই ব'লাচোন কি হয় দেখা যাওক।

অৰূপাই বীনাবাইদেউৰ কথাখিনি মন দি শুনিলে। বীনা-বাইদেউৱে আকৌ ক'লে— লচমিয়ে কটনত চিত্ত পোৱা বুলি গম পাইছো, আহিবহে পৰা নাই। বৰ ভাল পাইছো যেই তোমালোকৰ

সঁচাকৈয়ে ধৰ্ম্ম হৈছে। তোমাৰো গাটো বেয়া যেতিয়া অলপ সাৱধানে চলিবা। ইমান দিনৰ মূৰত যে ঈশ্বৰে চকু মেলি চাইছে।

অৰূপা ঠিয় হ'ল—নাযাব বাইদেউ চাহ খাই যাওক।

বীনাবাইদেউক তাইৰ নিজৰ মাক যেন লাগিল। মাক থকা হ'লে আজি এই বাতৰি শুনি কিমান ভাল পালেহেতেন। বীনাবাইদেউয়ে সুধিলে— পিছে ঘৰত দাদাহঁতে গম পাইছেনে নাই।
—পাইছে। ডাঙৰ দাদা আহিছিল। লচমিৰ খবৰ লবলৈ আহি বহুত কিবা কিবি দি গৈছে। তায়ো মামা বুলি মৰমতে মৰে।
—এনেতে মনেশ্বৰে চাহ আনিলে।

ত্ৰয়োজনীয়ে আনন্দ মনে চাহ খালে। চাহ খাই উঠি বীনাবাইদেউ অৰূপাৰ পৰা বিদায় লৈ ক'লে— তেনেহলে কালিলৈ ৰাতিপুৱা সাত বজাত!
—হয়! অৰূপাই পদুলীমুখলৈকে গৈ বীনাবাইদেউক আগবঢ়াই দিলেগৈ।

● ● ●

তেজপুৰ কমলাবাৰী চাহবাগিছা। অৰূপাহঁত গৈ অনুষ্ঠানটোৰ আধাৰশিলা স্থাপন কৰা ঠাই পালেগৈ। হৰিণাৰায়ণ চৌধুৰী আগতেই গৈছিল। কল্যাণ, ৰঞ্জন আদিত্যহঁতে ৰাতিপুৱাৰ পৰা তাত কামত লাগি আছিল। অৰূপাহঁত ঠাইখন পাই আচৰিত। প্ৰায় ১০০ জনমান মানুহে কাম কৰি আছে। অকল যে শ্ৰমিকসকলেই এনে নহয় ওচৰৰ গাঁৱৰ ৰাইজ, ল'ৰা

ডেকা বুঢ়া সকলো আহি কামত লাগি গৈছে। ল'ৰাবিলাকে ৰঙা দিছে। বহা চকি, বেঞ্চ আদি ট্ৰাকত আহিছে, সেইবোৰ নমাই সজাই দিছে। মোহন, লক্ষ্মণহঁতে গাড়ীৰ পৰা নামিয়েই কামত লাগি গ'ল। অৰূপাহঁতে দেখি বৰ আনন্দ পালে! সময় হৈ আহিল— জেউতিৰ আধাৰশিলা স্থাপন কৰিবলৈ হৰিনাৰয়ণ চৌধুৰীয়ে নিমন্ত্ৰণ কৰিছে অসমৰ বিখ্যাত চাহ খেতিয়ক, ব্যৱসায়ী হৰেশ্বৰ বৰুৱাক। অলপ পাছতে তেখেত যোৰহাটৰ পৰা আহি পাব। গাৱঁৰ ৰাইজে খোল, তাল লৈ অপেক্ষা কৰিছে। গাৱঁৰ ছোৱালীয়ে বিহু নাচিবলৈ মুগাৰ ৰিহা-মেখেলা পিন্ধি আহিছে, চাহ জনজাতিৰ গাভৰুৱে ৰঙা পাৰিৰ শাৰী পিন্ধি ঝুমুৰ নাচিবলৈ অপেক্ষা কৰি আছে।

ৰভাতল মানুহেৰে ভৰি পৰিছে। আজি যেন বহুত দিন অৱহেলিত হৈ থকা বৰাপানী অঞ্চলটো সাৰপাই উঠিছে। ৰাইজে আশা কৰিছে ইমান দিন পোহৰৰ মুখ নেদেখা ৰাইজে ইলেক্‌ট্ৰিক লাইট পাব, ৰাস্তাঘাট ভাল হব। অসুখ বিসুখ হ'লে তৎক্ষণাত ডাক্তৰ পাব।

হঠাতে ৰভাতলিত গুণ-গুণনি উঠিল— বৰুৱাদেৱ আহিল। ৰাইজে খোল-তাল বজাই আগবঢ়াই আনিলে গাৱঁৰ ছোৱালীয়ে বিহু আৰু ঝুমুৰ নাচিলে, বৰুৱাদেৱক হৰিণাৰায়ণ চৌধুৰীয়ে অস্থায়ীভাবে সজোৱা ওখ মণ্ডপলৈ আদৰি আনিলে আৰু আচুটিয়াকৈ ৰখা আসনত বহুৱালে।

হৰিনাৰায়ণ চৌধুৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰি অনুষ্ঠানটি সম্পৰ্কে বহলভাবে ব্যাখ্য দাঙি ধৰিলে। তেওঁ ক'লে—মই ভবাই নাছিলো ৰাইজে মোক এনেকৈ সহায় কৰিব। মই আজিলৈকে ৰাইজৰ কাৰণে একোৱেই কৰা নাছিলো। যদি কৰিলোহেতেন তেনেহলে হয়তো আৰু বহুত কামেই কৰিব পাৰিলোহেতেন। আজি মোৰ ভুল ভাঙিছে—আজি মই উপলব্ধি কৰিছো ৰাইজৰ সহায় সহযোগীতা হ'লে সকলো কাম

সিদ্ধ হয়। আজি মই যিটো অনুষ্ঠানৰ আধাৰশিলা স্থাপন কৰাব খুজিছো সেইটো একমাত্র শিশু কল্যাণ আঁচনিৰ মহিলা সকলৰ পৰাহে সম্ভৱ হ'ল।

হৰিনাৰায়ণ চৌধুৰীয়ে অৰূপাহঁতক ৰাইজৰ আগত চিনাকি কৰি দিলে— আৰু সকলোৱে হাত তালি বজালে।

চৌধুৰীয়ে হৰেশ্বৰ বৰুৱাদেৱক আদৰ সাদৰ কৰি আধাৰ শিলা স্থাপন কৰা ঠাইলৈ লৈ গ'ল আৰু তাতে "জেউতি" ৰ আধাৰশিলা বৰুৱাদেৱে স্থাপন কৰিলে। সকলোৱে উৰুলি দিলে, ফুল চতিয়ালে, শংখ ঘণ্টা বজালে।

আধাৰশিলা স্থাপন কৰি বৰুৱাদেৱে ৰাইজক সম্বোধি ক'লে— নৰমৰ ৰাইজসকল আজি চৌধুৰীয়ে যিটো অনুষ্ঠান গঢ়ি তুলিবলৈ মনস্থ কৰিছে সি অকল শিশুৰে নহয় সকলো ৰাইজৰে উপকাৰ সাধিব বুলি মই আশা ৰাখিছো।

আধাৰশিলা স্থাপনৰ অনুষ্ঠান শেষ হোৱাৰ পিছত সকলোকে চাহ আৰু মিঠাই পৰিবেশন কৰা হ'ল। আজি বহু বছৰৰ পিছত চাহৰ উদ্যোগৰ লগত যেন ৰাইজে এক নিবিড় সম্বন্ধ স্থাপন কৰিবলৈ সুবিধা পালে।

সকলো ঘৰা ঘৰি যোৱাৰ পাছত বৰুৱাদেৱক লৈ অৰূপাহঁত আহি চৌধুৰীৰ বাংলা পালেহি। বাগানত শ্রমিকসকলক বেলেগে ভোজ দিছে, মোহন আৰু লক্ষ্মণ তালৈকে গ'ল। আজি বাগানত আনন্দৰ দিন। লক্ষ্মণ আৰু মোহনেও সেই আনন্দত যোগ দিলে।

ৰাখীহঁতৰ ঘৰত নিমন্ত্রিত অতিথিসকলৰ ভাতৰ ব্যৱস্থা কৰা হৈছে। দুপৰীয়া ভাত খোৱাৰ সময় পাৰ হৈছিল, গতিকে লৰালৰিকৈ সকলো গৈ ভাতৰ টেবুলত বহিল গৈ। কল্যাণে আগপিছ কৰি বিলোৱাত সহায় কৰি দিলে। ৰাখীয়ে অকলে পৰিবেশন কৰা দেখি অৰূপাইঁতেও সহায় কৰি দিলে। বৰুৱাদেৱৰ বয়স হৈছে

বৰ্তমানে তেওঁ এজন অৱসৰপ্ৰাপ্ত চাহ ব্যৱসায়ী, মালিক আৰু চাহ খেতিয়কো। তেখেতে মনে মনে ভাত খালে। চৌধুৰীয়ে তেওঁৰ অনবৰতে খবৰ ৰাখিলে।

খোৱাৰ শেষত সকলো আহি আহল বহল ড্ৰইং ৰুমত বহিলহি। বৰুৱাদেৱে মুখত ডাঙৰ চিগাৰেট এটা জ্বলাই হুপিবলৈ ধৰিলে। তেওঁ যেন বহুত কিবা কিবি চিন্তা কৰি আছে এনে লাগিল।

কল্যাণে সাহসেৰে সুধিলে— বৰুৱাদেৱ, অসমৰ বেছি ভাগ চাহ খেতিয়কে পূৰ্ব্বপুৰুষসকলে ঘটি থৈ যোৱা চাহ বাগিচা কেই-বাখনো চলাব নোৱাৰি বিক্ৰি কৰিছে ইয়াৰ বাৰু কাৰণ কি বুলি ভাবে ?

বৰুৱাদেৱে ক'লে মালিক হলেই যে ব্যৱসায় চলাব পাৰিব এনে নহয়। ইয়াৰ কাৰণে প্ৰশিক্ষণৰ দৰকাৰ। ফাৰ্ড কোম্পানী, বিৰলা আদি ডাঙৰ কোম্পানী বিলাকত অৱশ্যে মালিক আৰু ব্যৱসায়ীৰ পাৰ্থক্য নাই কিন্তু সকলো ক্ষেত্ৰতে ই সম্ভৱ নহয়।

তেওঁ চিগাৰেটটো হুপি হুপি ধোৱাবোৰ ওপৰলৈ এৰি দি ক'লে— বুজিছে আমাৰ ইয়াত যিটো কাম কৰিবলৈ এসপ্তাহ বা পোন্ধৰ দিন লাগে দিল্লীত সেই কামটো কৰিবলৈ এদিনো সময় নালাগে। আমাৰ ইয়াত সময়ৰ ব্যৱহাৰ মানুহে খুউব কম বুজে। তাৰোপৰি আমাৰ উদ্যোগী ল'ৰাসকলে উদ্যোগবিভাগৰ পিছে পিছে গৈ মাহৰ পিছত মাহ অফিচত পৰ দিব লাগে কিন্তু আন ঠাইলৈ চোৱাচোন উৰিষ্যা, বিহাৰ আদি ৰাজ্যৰ উদ্যোগবিভাগে উদ্যোগীলোকসকলৰহে পিছ লয় তেওঁলোকক উৎসাহীত কৰে, মাটি দিয়ে, ঋণ দিয়ে। অৰূপাই সুধিলে— বৰুৱাদেৱ বেয়া নাপায় যদি কথা এটা সুধিব খুজিছো।

—অ অ সুধিব পাৰে !

—বৰ্ত্তমান ABITA অৰ্থাৎ ভাৰতীয় চাহ সন্থাৰ অসম শাখাই বাৰু কি ভূমিকা লৈছে ?

—আপোনালোকে নিশ্চয় জানে যে ১৯৯০ চনৰ আগৰ কালছোৱাত অসমৰ চাহ উদ্যোগে বহুতো বিপৰ্য্যয়ৰ সম্মুখিন হ'ব লগাত পৰিছিল। সেই ক্ষেত্ৰত ABITA ই কষ্টৰে উদ্যোগটোৰ স্থিতি বাহাল ৰাখিলে। ১৯৯১ চনত চাহ কৰ্ম্মচাৰী সন্থাৰ লগত এখন চুক্তি কৰি কৰ্ম্মচাৰীসকলৰ দৰমহাৰ নিৰিখ সংশোধিত কৰে। তাৰোপৰি ১৯৯৩ চনত শ্ৰমিক সন্থা, আৰু নিয়োগকাৰী সংঘৰ মাজত হোৱা বুজা বুজি অনুসৰি শ্ৰমিকসকলৰ দৈনিক বানচ ১৯৯২ চনৰ নবেম্বৰ মাহৰ পৰা প্ৰজোযা হোৱাকৈ ৬ টকাকৈ বৃদ্ধি কৰে আৰু কেচা পাত চিঙা নিৰিখ প্ৰতি কেজিত ১৮ পইচাৰ ঠাই ২৭ পইচা বঢ়োৱা হয়, আৰু এটা উল্লেখনীয় দিশ হ'ল ABITA য়ে কৰা কল্যাণমূলক আঁচনিসমূহ।

—কল্যাণমূলক আঁচনিৰ ভিতৰত বাৰু কি কি উল্লেখনীয় ?

—আপোনালোকৰ নগাঁৱতে দেখোন কলিয়াবৰৰ কৃষি প্ৰকল্প আৰু যোৰহাটৰ কুকুৰাচোৱা গাৱঁত কৃষি প্ৰকল্পৰ কথা ক'ব পাৰি। এই ক্ষেত্ৰত অৱশ্যে হিন্দুস্থান সাৰ নিগমৰ সক্ৰিয় সহযোগীতা উল্লেখীয়। তাৰোপৰি বিশেষভাৱে উল্লেখনীয় বিষয় যে চাহ শিল্পই বৈজ্ঞানিক প্ৰগতিৰ লৈতে আগবাঢ়ি গৈ সংহত মনিটৰিং ব্যৱস্থা, চাহ উৎপাদনৰ বিভিন্ন কৌশল, প্ৰক্ৰিয়া, আৰ্দ্ৰতা নিৰ্ণয়, চাহপাতৰ মান নিৰ্ণয় আদি তথ্য সংগ্ৰহ কৰিব পাৰিছে। যাৰ ফলত উৎপাদনৰ ক্ষেত্ৰত সহায় হৈছে। বৰুৱাদেৱে চকিখনত পোনহৈ অৰূপাইঁতলৈ চাই গহীনাই সুধিলে— আৰু কিবা ?

—ক্ষুদ্ৰ চাহ বাগিচাৰ বিষয়ে কবনে ? হাস্‌নাই সুধিলে।

—বাৰু কৃষিভিত্তিক উদ্যোগ হিচাবে চাহ শিল্পৰ বয়স কিমান বাৰু ? বৰুৱাই কথাষাৰ সুধি হাস্‌নালৈ চালে।

—১৫০ বছৰ। হাসনাই তপৰাই মাত দিলে।

—তেনেহলে ১১০ বছৰত যিমান ক্ষুদ্ৰ চাহ বাগিচা হ'ব লাগিছিল তেনে হোৱা নাই। ১৯৭৮ চনতহে প্ৰথমে ক্ষুদ্ৰ চাহ বাগিচা আৰম্ভ হয়। সেয়ে বাঢ়ি গৈ বৰ্ত্তমান ৮খন জিলাত ২০০ বো অধিক ক্ষুদ্ৰ চাহ বাগিচা গঢ়ি উঠিছে। এই চাহ বাগিচাত মোটা-মোটি হিচাবমতে প্ৰায় ১ লাখ শ্ৰমিক কৰ্ম্মচাৰী কৰ্ম্মসংস্থান পাইছে আৰু ৫০ হেজাৰ ৮শ বিঘা মাটি সামৰি লৈছে।

—প্ৰতি বিঘাত বাৰু কিমান কেচা চাহপাত উৎপন্ন হয়। আদিত্যই সুধিলে।

—ধৰাচোন প্ৰায় ২ হেজাৰ কেজি

এইবাৰ বৰুৱাই হাঁহি মাৰি ক'লে— আপোনালোকৰ প্ৰশ্নৰ উত্তৰ দি বৰ ভাল লাগিছে : ভাবিছো চাহৰ বিষয়ে পঢ়া, গৱেষণা কৰিবলৈ কলেজ এখন খুলিলে কেনে হয়?

সকলোৱে হাত চাপৰি বজাই ক'লে— বৰ ভাল হ'ব, বৰ ভাল হ'ব।

এনেতে চৌধুৰী সোমাই আহি ক'লে— প্ৰস্তাৱটো বৰ সুন্দৰ, কলেজ এখন খুলিলে, যথেষ্ট কিতাপ পত্ৰ ওলাব আৰু আমাৰ উঠি অহা চামে এটা বিশেষ উদ্যোগৰ বিষয়ে জ্ঞান আহৰণ কৰিব পাৰিব। আদিত্যই বৰুৱালৈ গহীনভাৱে চাই ক'লে— আমি জানিব পাৰিছো চাহ উদ্যোগে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত বাঙ্গালোৰত ইণ্ডিয়ান ইনষ্টিটিউট অৱ প্লেনটেচন মেনেজমেণ্ট নামৰ এটা প্ৰতিষ্ঠান খোলাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেইটোৱেই যদি অসমত খুলিলেহেতেন? আমি জানো বৰুৱাদেৱ তেনে অনুষ্ঠান অসমত নোখোলে। তাৰ কাৰণে আমি আন্দোলন কৰিব লাগিব। বৰুৱাই গহীনহৈ ক'লে— তোমালোকে চেষ্টা কৰা, চৰকাৰক তেনে অনুষ্ঠান খুলিবলৈ হেচা দিয়া। বৰুৱাদেৱে মিঠা হাঁহি মাৰি মৰম

লগাকৈ ক'লে ।

—মই বাক কোন ? মোক যে তোমালোকে ধৰিছা। আপুনি অসমৰ বিশিষ্ট ব্যক্তি। আপোনাৰ কথাৰ মূল্য বহুত বেছি সেই-কাৰণেহে কৈছো আপোনালোকৰ নিচিনা মানুহে যদি পৰামৰ্শ আগবঢ়ায়, চৰকাৰে নুশুনি নোৱাৰে। কিন্তু কি হ'ব— অসমৰ বাইজৰ আজি দুৰ্ভাগ্য।

অসমৰ সিংহপুৰুষসকল আজি নিমাত। কিন্তু কিয় ? আদিত্য চিঞৰি উঠিল। নিজৰ স্বাৰ্থৰ কাৰণে আজি এচাম সুবিধা-বাদী অসমীয়াই নিজৰ কণ্ঠক সোপা দি ৰাখিছে।

গৌৰীয়ে আদিত্যলৈ চাই ক'লে— ৰহ, আদিত্য এইবোৰ কথা এতিয়া থ, এইখনটো মুকলি মিটিং নহয়। আদিত্যই গৌৰীৰ কথাখিনি শুনি বাহিৰলৈ ওলাই গ'ল। গৌৰীয়ে হাঁহি মাৰি পৰিবেশটো পাতলাবৰ কাৰণে সুধিলে বৰুৱাদেৱক— চাহপাত ৰপ্তানিৰ ক্ষেত্ৰত টি, ব'ৰ্ডে কেনে প্ৰচেষ্টা হাতত লৈছে, কিবা সুবিধা চৰকাৰৰ পৰা পাইছেনে ?

—চৰকাৰে উদ্যোগটোৰ ক্ষেত্ৰত পেকেট টি আৰু ইনষ্টেণ্ট টিৰ আবকাৰী কৰ ৰেহাই দিছে।

ইয়াৰ ফলত স্থানীয়ভাৱে কৰা পেকেট আৰু ইনষ্টেণ্ট টিৰ উৎপাদন বঢ়াব পৰা যাব বুলি আশা কৰিব পাৰি। তাৰোপৰি বিভিন্ন দেশৰ লগত যেনে মেক্সিকো, পেৰিচ, হামবাৰ্গ আদি দেশৰ ক্ৰেতা বিক্ৰেতাৰ লগত ভাৰতৰ প্ৰতিনিধিয়ে আলোচনা বিলোচনা কৰাৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ ফলত আমাৰ দেশৰ ৰপ্তানিৰ ক্ষেত্ৰখন বহল হ'ব বুলি ধাৰণা কৰা হৈছে।

বৰুৱাই আকৌ নুমাই যোৱা চিগাৰেটটো জ্বলাই ললে আৰু দীঘলকৈ হোপা এটা মাৰিলে। তাৰ পিছত বৰুৱাই সকলোলৈকে চাই হাঁহি মাৰি প্ৰশ্ন কৰিলে অসমৰ আৰু এটা অভিলেখৰ কথা

আপোনালোকে জানেনে ? ইতিমধ্যে আদিত্য সোমাই আহিছিল আৰু পিদ্ধি থকা জোতাজোৰৰ ওপৰত ভৰ দি ঠিয় হৈ তপৰাই উত্তৰ দিছিল— শিৱসাগৰৰ সোণাৰী চাহ বাগিচাই গুৱাহাটী নিলাম বজাৰত অৰ্থডক্স চাহ প্ৰতি কিলোগ্ৰামত ৩১০ টকাত বিক্ৰী কৰি অভিলেখ সৃষ্টি কৰিছে। জানিব পৰামতে চাহ নিলাম কেন্দ্ৰত অৰ্থডক্স ব্ৰোকেন্‌চ চাহৰ এইটোৱেই এতিয়ালৈকে সৰ্বোচ্চ মূল্যৰ চাহ।

—এইখন বাগিচাৰ আৰু কি কি প্ৰকাৰৰ চাহ আছে এইবাৰ বকৰাই প্ৰশ্ন কৰিলে।

—STG, BOP, এই চাহ কেজিত ২০০ টকাতৈ বিক্ৰী হয়। কোম্পানীয়ে এই চাহ জাপানলৈ ৰপ্তানি কৰিব বুলি জানিব পাৰিছো। ১৯৯৩ চনতে এই বাগিচাই বোলে অৰ্থডাক্স চাহ প্ৰতি কেজিত ৫০০ টকালৈ বিক্ৰি কৰিছে।

—Good, my young boy. ভাল লাগিল, তোমালোকে বহুত খবৰ ৰাখিছা। অসমৰ ডেকা গাভৰু যদি সচেতন হয় তেনেহলে উদ্যোগটোৱে নিশ্চয় নতুন দিশ উন্মোচন কৰিব। আৰু এটা কথা আমি মন কৰা উচিত যে অকল উৎপাদন হলেই নহব, ৰপ্তানি আৰু ঘৰুৱা চাহিদা বাঢ়ি যাব লাগিব নহলে চাহপাতটো ৰৈ যাব আৰু চাহ উদ্যোগে ভৱিষ্যতে অভাৱনীয় সংকটৰ সন্মুখিন হ'ব। এই ক্ষেত্ৰত ঘৰুৱা চাহিদা বঢ়াব লাগিছে। আমাৰ দেশত প্ৰতি বছৰে ঘৰুৱা ভাৱে চাহ ব্যৱহাৰ হৈছিল গড়ে ৫৫০ নিযুত কেজি, কিন্তু সেই চাহিদা বৰ্ত্তমান কমিছে। বৰ্ত্তমান দেশৰ ৯০ কোটি জনসাধাৰণৰ মাজত চাহৰ জন-প্ৰিয়তা বঢ়াই ১ শতাংশো যদি চাহিদা বঢ়াব পাৰে তেনেহলে ৯০ নিযুত কেজি চাহৰ চাহিদা বাঢ়ি যাব।

—কিন্তু আৰু এটা কথাও আছে ?

—কি কথা ? বকরাই আদিত্যলৈ চালে ।
—উচ্চমানৰ চাহ উৎপাদন আৰু সন্তাদামত ঘৰুৱা ব্যৱহাৰত যোগান ধৰা ।

বকরাই হাঁহিলে আৰু আদিত্যলৈ আঙুলি টোৱাই ক'লে—ঠিক, my young boy. উচ্চমানৰ চাহ। বকৰাই আকৌ হাঁহিলে ।

আদিত্যই উৎসাহ পাই আকৌ ক'লে— আমি বৰ্ত্তমানে নিকৃষ্ট মানৰ চাহ ৬০'০০ টকা দি কিনি খাইছো । নহয়নে বাৰু ?

বকরাই এইবাৰ একো নামাতিলে আৰু গম্ভীৰ হৈ ক'লে— সঁচাকৈয়ে য'ত বস্তু উৎপাদন হয় তাতে মানুহে খাবলৈ নাপায় । অসমত তেল উৎপাদন হয়, সেই অসমতে কেৰাচিন তেল এটুপিৰ কাৰণে মানুহে লাইন ধৰে, পেট্ৰলৰ মূল্য অধিক ভৰি গাড়ী আদি চলাব লাগে, গছ-বনেৰে অসম ভৰি আছে তথাপিও আজি অসমত কাঠৰ দাম সোণতকৈও চৰা হৈ পৰিছে ? ইয়াৰ নিশ্চয় এটা কাৰণ আছে নহয়নে ?
—সেই কাৰণ হ'ল শোষণ আৰু নিষ্পেষণ । বকৰাদেৱ এই সত্য কথা মই আজি নকৈ নোৱাৰিলো । বকৰাই গহীনাই ক'লে— লগতে অসমীয়া জাতিৰ এলাহ আৰু অহমিকতা । কথা কৈ কৈ বকৰা ঠিয় হ'ল । আৰু আগবাঢ়ি আহি আদিত্যক হেণ্ডচেক্ কৰি ক'লে— my young boy অসমৰ কল্যাণৰ কাৰণে প্ৰস্তুতি চলোৱা, মই তোমালোকৰ লগত আছো । আমাৰ এতিয়া বহুত শক্তি হেৰাল, আৰু নেহেকৰাবা ।

আদিত্যই বকৰাৰ হাতৰ মুঠিত হাতখন ৰাখি হাঁহিলে । বকৰাই উৎসাহ দি ক'লে— yes, my young boy দুৱাৰত টুকটুকাই দিয়া তেহে ভগৱানে দুৱাৰ খুলি দিব ।

— x —

৪৯

সিহঁতে আনন্দমনেৰে নিশা আহি পঞ্চৱতী চাহ বাগিচা পালেহি। পুৱতি নিশা চাৰিওফালে মাদলৰ ধ্বনিয়ে পঞ্চৱতী মুখৰিত কৰি তুলিছিল। অৰূপাই মনতে ভাবিলে যোৱাকালিৰ আবেলি সময়খিনিয়ে যেন তাইৰ জীৱনৰ অতিকৈ মধুৰতম সময় আছিল। যিখিনি সময়ত হৰিনাৰায়ণ চৌধুৰীয়ে প্ৰতিবন্ধ শিশুৰ কাৰণে উপযোগী অনুষ্ঠান এটা খুলিবৰ বাবে মত দিছিল। অৰূপাই দূৰ দিগন্তলৈ চালে। পুৱাৰ হেঙুলী কিৰণে আকাশ ৰাঙলি কৰি তুলিছে আজি আৰু তাইৰ কালি নিশাৰ ভাগৰ আৰু অৱসাদ নাই। তাই ভাবিলে মানুহৰ শৈশৱকালতো অতি সুন্দৰ বুলি বহুলোকে ভাবে আচলতে সুন্দৰ নে? যদি হয় তেনেহলে যোগবশিষ্ঠ ৰামায়ণে কিয় কৈছে "প্ৰকৃতপক্ষে শৈশৱ দশা মৃত্যুতকৈও কষ্টকৰ। সকলোৰে অৱজ্ঞতাৰ বস্তু আৰু চাঞ্চল্যময়"

এই কথা ৰাখীৰ খোজ কাঢ়িব নোৱাৰা ল'ৰাটোলৈ চালেই সত্যতা উপলব্ধি কৰিব পাৰি। তাই হুমুনিয়াহ কাঢ়িলে— মানুহৰ জীৱনলৈ কৰুণতম ট্ৰেজেদি কেতিয়া আহে কোনেও কব নোৱাৰে। আচৰিত কথা এইটোৱেই যে মানুহে সদায় সুখ আৰু আনন্দহে বিচাৰে কিন্তু সেই সুখ আৰু আনন্দৰ মাজেদিয়েই যে কোন সময়ত মানুহৰ জীৱনলৈ দুখ আহে সেই কথা মানুহে গমকে নাপায়। সুখ সুখ বুলি আচলতে মানুহে মৰিচিকা খেদি ফুৰোতেই মানুহৰ সুন্দৰ যৌৱনৰ ওপৰ পৰ্ব্বতো খহি পৰে।

তাই বাৰান্দাখনত বৈ থাকোতেই মোহনে আহি মাত

দিলেহি - দিদি ?
— অ মোহন ।
— আহা মোহন বহাহি ।
— নাই দিদি । আজি চহৰাই পৰৱ, তাৰে আপোনাক নিমন্ত্রণ কৰিবলৈ আহিলো ।
— বাৰু হ'ব ।
— ভাল দিদি, নমস্কাৰ ।

মোহন গ'লগৈ । অৰূপাই তাতেই বৈ থাকিল ।

আজি চহৰাই পৰৱ । দুৰ্গাপূজাৰ পাছতে সাধাৰণতে এই পূজা পালন কৰা হয়, কাতি মাহৰ অমাৱস্যাৰ দিনা এই উৎসৱ সাধাৰণতে অনুষ্ঠিত হলেও ধকৰা হিচাবে অমাৱস্যাৰ পাছত ন-জোন ওলোৱাৰ দিনাহে এই উৎসৱ পাতে । অনিলহঁতৰ বাগানত অৱশ্যে সমূহীয়াভাবে অমাৱস্যাৰ দিনাই পাতিছে । সকলোৱে চান্দা বৰঙণি তুলি দুৰ্গাপূজা হোৱা ঠাইতে এই উৎসৱ পাতিছে । এই পূজাক চাহ জনজাতি লোকসকলে গৰয়াপূজা বা কালীপূজা বুলিও কয় । নিয়ম অনুসৰি চুনিয়াই নিজৰ খেতিৰ সজুলিবোৰ ধুই পখালি তেল সেন্দুৰ দিলে । যিবিলাকৰ নিজৰ মাটি আছে সেইসকলৰ নিজৰ নাঙল জুৱলীবোৰ ধুই পখালি তেল সেন্দুৰ পিন্ধায় আৰু আৰতি কৰে । অৰূপাই সোনকালেই গৈ পূজাৰ খবৰ লৈ ঘৰতে জিৰণি ললেহি । এই পূজাভাগ যাৰ যাৰ ঘৰত গৰু আছে সেই সকলে গৰুক গা-ধুৱাই নতুন বাঁহ আনি খুৱাই আৰু গৰুৰ শ্ৰীবৃদ্ধিৰ কাৰণে বনদেৱতাৰ নামত গোহালিত পূজা কৰে । অমাৱস্যাৰ নিশা ঢোল, ধুমচা, আদি বজাই ঘৰে ঘৰে গীত গায় আৰু গো-জাগৰণ কৰে । এই গাতক কিছুমানে জাহলী গীত, কপিলা মঙ্গলগীত আৰু কিছুমানে সাধনা গীত বুলিও কয় ।

মহিলাসকলে পুৱৈশাক পিহি পিঠা গুৰিৰ লগত মিহলাই

পছুলীমুখৰ পৰা গোহালীঘৰ বা ভৰালৰ মুখলৈকে আল্পনা আঁকে। গৰু থকা গৃহস্থৰ ঘৰত এই আল্পনাৰ ওপৰেদি গৰু খোজ কাঢ়ি অহা যোৱা কৰাৰ নিয়ম। দুৱাৰত পিঠাগুৰিৰে হাতৰছাপ আৰু সেন্দুৰৰ ফোঁটেৰে মাঙ্গলিক চিন আঁকি দিব লাগে।

গৰুক গৃহস্থই গা-ধুৱাই মূৰত মিঠাতেল ঘঁহি সেন্দুৰৰ ফোট দিব লাগে আৰু শিঙত ধানৰ শলা পিন্ধোৱা নিয়ম।

তাৰোপৰি মাটিৰ মলাত অঙঠা দি ধূপ-ধুনা সৰিয়হ আদি পুৰি গৰু ওলাই যোৱা ৰাস্তা মূৰত "নিংচাই" পেলাই গৰুৰ বেমাৰ আজাৰ নহবলৈ কামনা কৰে। সন্ধিয়া মহিলাসকলে নতুন কুলাত ধান, দুবৰিবন, সেন্দুৰ আৰু ন-বন্তি পানীলৈ পছুলী মুখত গৰু অহাৰ সময়ত আৰতি কৰে।

নিশা হোৱাৰ লগে লগে ঢোল আৰু ধুমচা লৈ গৃহস্থৰ ঘৰত লক্ষ্মণ, মোহনকে ধৰি বুঢ়ামেঠাসকলে সহৰাই গীত গালে—

অহিৰে—

খোজ খোজতে আইলি
পুছ পুছতে আইলি
ফালনাকা ঘৰ কাও দুৰ,
ফালনাকা আঙ্গনামে
তুলসাকো পিণ্ডাহো
ওপৰত উড়ে হাসা বাজাবে।
(গৃহস্থৰ চোতালত আৰম্ভণি গীত)

অহিৰে-

ক'ন শিংগে লেবে ৰবদা তেল সিন্দুৰ গ'
ক'ন শিংগে লেবে দুব ধানবে
দুন শিংগে লেবে ৰবদা তেল সিন্দুৰ গ'
কপালত লেবে দুব ধানবে।

সিহঁতে গীত গাই গাই অনিলহঁতৰ বাংলাৰ মূৰত ৰ'লগৈ আৰু সকলোৱে ঢাক ঢোল বজাই খুউব্ নাচ গান কৰিলে—

নাই হামি মাংগে আলি
না হামি খোজে আলি
হামি আলি লচমিকা সেৱামে

অৰ্থিৰে—

নাহি যদি আটত, নাহি যদি জুটত
সুক মুখে কৰহ বিদায় ৰে,
আমি যাব দশৰ দুৱাৰবে।

আমি বুজিবলৈ বা ভিক্ষা কৰিবলৈ অহা নাই গো জাগৰণ কৰিবলৈ হে আহিছো ; তোমাৰ যদি দিবলৈ একো নাই মাতষাৰ দি বিদায় দিয়া আমি আৰু আনৰ ঘৰলৈ যাব লাগে।

অনিল, অৰূপা আৰু লচমি ওলাই আহিল। সিহঁত ওলাই অহা দেখি সিহঁতে ঢাক, ঢোল বজাই বজাই ঘুৰি ঘুৰি নাচিলে।

অনিল আৰু অৰূপাই শৰাইত তামোল পান টকা দি সন্মান কৰাৰ পিছত সিহঁতে বিদায় ললে— আৰু গীত গাই গাই নাচি নাচি গ'লগৈ। পুৱতি নিশা লক্ষ্মণ ঘৰলৈ আহিল। তেতিয়া চুনিয়া শুই আছিল। তাই দুৰ্ব্বল। হাত ভৰিত যেন শক্তি নাইকীয়া হৈছে।

লক্ষ্মণে তাইৰ ওচৰতে বহিল আৰু তাইলৈ চাই খঙেৰে ক'লে— অই উঠ, কিয় শুই আছ !

চুনিয়াই খকামকাকৈ সাৰ পাই দেখে লক্ষ্মণে খাই আহিছে গতিকে ৰাতি দিনৰ খবৰ ৰাখিবলৈ তাৰ শক্তি নাই।

— মই ৰাতি মুশুই তোৰ দৰে নাচি ফুৰিব লাগে নেকি ?

লক্ষ্মণে খঙৰ কোবত এক চৰ মাৰি ক'লে— বৰ বেছি কথা কবলৈ লৈছ।

— অ মই বেছি কথা কও, সদায় খাই আছিবি। দিদিয়ে তোক ইমান বুজাইছে তথাপিও তইঁতৰ লাজ নাই।

— মই খামেই। তইঁত কোন মোক বাধা দিবলৈ ? চালা বেইমান সাহ পাই গৈছ ?

— ওঁ দিদিয়ে তোক ভাই বনাইছে, তই কৰিছ এইয়া।

— ভাই ? কাৰ ভাই ? না আমাৰ ভাই আছে, না আমাৰ বহিন আছে।

— এতিয়া সকলো পাহৰিলি। মদেই তইঁতক শেষ কৰিব।

লক্ষ্মণে মদৰ নিচাত চুনিয়াক বিচনাৰ পৰা নমালে আৰু টানি টানি ইটো কোঠালিলৈ লৈ গ'ল — দে ভাত দে। লক্ষ্মণে চিঞৰিলে। খুউব চিঞৰি চিঞৰি গালি দিলে।

লক্ষ্মণৰ চিঞৰ শুনি চুনিয়াৰ অসহ্য লাগিল আৰু কান্দি কান্দি ভাতৰ কাহি উলিয়াই দি মাটিতে শুই পৰিল।

সি ভাতসোপা গোগ্ৰাসে গিলিবলৈ ধৰিলে। চুনিয়াই আৰু কিমান সহ্য কৰিব। বৰ্ত্তমান চাহপাতৰ ভৰপক সময়, এই সময়চোৱাতে কেইটামান পইচা উপাৰ্জন কৰিবলৈ সুবিধা আছিল কিন্তু পাত ২০ কেজিৰ বেছি তুলিব পাৰিব লাগিব। কিন্তু তাই যে ভাগৰি পৰিছে তাৰ ওপৰত লক্ষ্মণে মদ খাই কৰা মত্তলামি। তাই ভাবিছিল লক্ষ্মণ ভাল হব, মদ পানী এৰিব ভদ্ৰলোকৰ লগত সং হৈছে যেতিয়া ভাল নহৈ উপায় নাই। এইটো বস্তুৱে যেন সিহঁতৰ জাতিটোক গিলি পেলাইছে, সিহঁতৰ ভূত ভবিষ্যত আন্ধাৰ কৰি পেলাইছে।

কিছুসময় তাই তলকা মাৰি থাকি আকৌ উঠি বহিল। সৰ্ব্বশৰীৰ যেন তাইৰ বিষ। তাই চুচৰি আকৌ বিছনালৈ গ'ল। তাই ভাবিলে কিহৰ পাপৰ ফলত তাই মানুহ জনম ধৰিছিল ? তাই কব নোৱাৰিলেও কিবা পাপৰ যে ফল সেইটো তাই নিশ্চিন্ত।

নহ'লেনো এনে গতি হয়নে ? ইমান মানুহে বুজালেও লক্ষ্মণহঁতে মদ নেৰিলে। লক্ষ্মণৰ উপাৰ্জন ভাল হ'লেও কি হব মদ পানী খাই সকলো উৰাই দিছে, তাইৰ পইচা কেইটাও মদ খাবলৈ লৈ যায়।

তাই আকৌ বিছনাৰ পৰা উঠি আহিল গাটো যেন ইচাত বিচাত কৰিছে। টোপনি নাহে তাই ওপৰলৈ চালে ওপৰত তৰাৰ খেলা। আজি তাইৰ তৰা আৰু জোন চাবলৈ অৱসৰেই বা ক'ত ? এচাতি শীতল বতাহে তাইৰ গাটো চুই গ'ল. শৰীৰ শীতল পৰিল তাই আচলখন বুকুত হেচা মাৰি ধৰি বাহৰ চাংখনতে আকৌ দীঘল দিলেহি।

তাই দেখা পালে পাকঘৰতে ভাতৰ কাহিৰ কাষত লক্ষ্মণ বেহুচ হৈ পৰি আছে। তাই তালৈ চালে আৰু বাহৰ চাংখনত শুই বুকুৰ পৰা চাদৰখন তললৈ নমাই দিলে। তাইৰ দেহা মন অৱসাদে ঢাকি ধৰিছে। পেটৰ শিশুটি তিল তিলকৈ বাঢ়ি অহাৰ লগে লগে যেন বুকুখন গাধীৰেৰে টনটনাই উঠিছে। তাইৰ লাজ লাগি গ'ল। বুকুখন দুয়োটা হাতে হেচি ধৰি তাই যেন অপূৰ্ব্ব শান্তি অনুভৱ কৰিলে। লাহে লাহে তাই টোপনি গ'ল।

নিশা গভীৰ হৈ আহিল। ভাতৰ কাহিৰ কাষত পৰি থকা লক্ষ্মণে সাৰ পালে, সি একেচাবে উঠি বহিল। সি যে মদ খাই বেহুচ হৈ চুনিয়াক মাৰিছিল সেই কথা সি পাহৰি গ'ল।

সি লৰালৰিকৈ উঠি চুনিয়াৰ চাংখনৰ ওচৰলৈ গৈ দেখিলে চুনিয়াই হাত দুখন বুকুত সাৱটি পৰি আছে। সি লাহে লাহে ওচৰ চাপিল আৰু কৰুণ দৃষ্টিৰে চালে। এইজনীয়েই তাৰ মৰমৰ চুনিয়া যিজনীক সি নিজৰ আপোন কৰি আনিছিল। কেনে মৰম লগা আছিল চুনিয়াজনী। কিন্তু সেই স্বাস্থ্য আজি আৰু নাই। তাইৰ দেহাৰ অৱস্থা দেখি তাৰ বৰ দুখ লাগিল। মদ পানী খাই

তাইৰ ওপৰত কৰা অত্যাচাৰ সুঁৱৰি তাৰ নিজৰ ওপৰতে ধিক্কাৰ আহিল আৰু শপত খালে আজিৰ পৰা সি কোনো দিনেই মদ পানী নাখায়। সি লাহে লাহে হাতখন নি চুনিয়াৰ গাত ধৰি মাতিলে চুনিয়া— চুনিয়া।

— আহ্ মোক নামাতিবি। এসোপা খাই আহি মাৰিছিলি নহয়?

— মাফ কৰিবি চুনিয়া। তোৰ শপত খাইছো আৰু নাখাও।

— নাখাব। মই দিদিক কৈ দিম— মাৰিছিলি যে তাকো কম।

— নকৰি চুনিয়া। তোৰ ভবিত ধৰিছো আৰু নাখাও।

— নাখাও নাখাও বুলি সদায় শপত খায় আৰু সদায় পাহৰ।

— আজি একদম সঁচা কৈছো।

— বাৰু আজি দৰমহা পাইছিলি নহয় কি কৰিলি।

— সব শেষ হৈ গ'ল। তোৰ শাৰী চোলা একো কিনা নহ'ল। সি নিজৰ গালতে নিজে চৰ এটা মাৰি ক'লে— চালা বেইমান! সি কান্দিলে। চুনিয়াৰ তালৈ ব্যথা উপজিল।

— বাৰু বাৰু হব। মোক শাৰী, ব্লাউজ নালাগে তই ভাল হ'লেই হ'ল। তইতো বাপ হবি সেইটো চিন্তা কৰ। মঙ্গলাইঁতৰ দৰে তই দাৰু পি থাকিলে ন'হব নহয়?

— হয়! হয় চুনিয়া, মই আৰু একদম নাখাও তই মোক মাফ কৰি দে। লক্ষ্মণে কথা কৈ কৈ চুনিয়াৰ কাষতে শুই পৰিল আৰু চুনিয়াক সাৱটি ধৰিলে।

— চাও এৰি দে। মই এইবোৰ ভাল নাপাও।

— কিয় ভাল নাপাব?

— তই যে মদ খাই মোক মাৰিছ। মোৰ কাৰণে তোৰ বাচ্চা-টোৰ কাৰণে চিন্তা কৰিছনে কেতিয়াবা।

— চুনিয়া আজিৰ পৰা মই চিন্তা কৰিম, খুউব চিন্তা কৰিম, মদ পানী আৰু নাখাও, পইচা সাচিম। তোক ভাল বস্ত্র আনি দিম।

— চুনিয়াৰ ভাবে মৰম লাগিল আৰু লক্ষ্মণৰ বুকুৰ মাজত সোমাই সুধিলে— সঁচানে ?

— ওঁ একদম সঁচা।

লক্ষ্মণে কথাষাৰ কৈ চুনিয়াক সাৱটি ধৰিলে। দূৰত প্ৰভাতি পখীৰ গীত শুনা গ'ল। চুনিয়াই লক্ষ্মণৰ কাণৰ ওচৰত ফুচফুচাই ক'লে— ৰাতিপুৱাল।

৫০

অনিলে লচমিক হোষ্টেলত থৈ আহিলগৈ। গা বেয়া কাৰণে অৰূপা যাব নোৱাৰিলে। ছোৱালীজনী পঠিয়াই লৈ তাই বহুত কান্দিলে। ঘৰটো যেন একেবাৰে উদং হৈ গ'ল। লচমিয়েও মাকৰ ডিঙিত ধৰি বহুত কান্দিলে। আজিকালি অৰূপাই বেচি কাম কৰিব নোৱাৰে যদিও অনিলৰ ওচৰতে থাকি তাই বহুত কথা শিকিছে।

সেইদিনাও আবেলি তাই অনিলৰ ওচৰতে বহি সুধিলে— অনিল আমাৰ চাহ বাগিচাত উৎপন্ন হোৱা চাহপাতবোৰ নিলাম বজাৰত বিক্ৰী হয় বুলি মই জানো কিন্তু এই নিলাম বজাৰ ক'ত ক'ত আছে ?

— Tea action center অৰ্থাৎ ভাৰত চৰকাৰৰ দ্বাৰা অনুমোদিত চাহৰ নিলাম বজাৰত অসমৰ উৎপন্ন হোৱা চাহ বিক্ৰী কৰা হয়। সেই নিলাম বজাৰ আগতে ভাৰতবৰ্ষৰ দুই ঠাইতহে আছিল।

সেইয়া হ'ল কলিকতা আৰু শিলিগুৰি । ১৯৭০ চনত অসম চাহৰ প্ৰবল হেঁচাৰ ফলত অসমতো নিলাম বজাৰ প্ৰতিষ্ঠিত কৰা হয় । অৱশ্যে কলিকতাৰ নিলাম বজাৰে পৃথিৱীৰ ভিতৰতে অভিলেখ স্থাপন কৰিবলৈ সক্ষম হৈছে ।

—হবটো । কাৰণ কলিকতাত যাতায়তৰ সুবিধা আছে International aerodrome আছে তাৰোপৰি যোগাযোগৰ কাৰণে সু-ব্যৱস্থা আছে নহয় জানো ?

—হলেও বহু অসুবিধাৰ সন্মুখিনহৈও গুৱাহাটীত নিলাম বজাৰ ছি, টি, ছি চাহ বিক্ৰিৰ ক্ষেত্ৰত পৃথিৱীৰ আন নিলাম বজাৰতকৈও সৰ্ব্ববৃহৎ বুলি পৰিগণিত হৈছে ।

গুৱাহাটীত নিলাম বজাৰ থকা স্বত্বেও কলিকতা বজাৰলৈ চাহ বিক্ৰিৰ কাৰণে পঠোৱা হয় । মাৰ্চ মাহৰ পৰা অক্টোবৰ মাহৰ ভিতৰত যি পাত তোলা হয় আৰু চাহপাত তৈয়াৰ কৰা হয় সেই চাহপাতবোৰ বাকচত ভৰোৱা হয় ।

—সেই বাকচবোৰ জানো নিলাম বজাৰলৈ পোনে পোনে নিব পাৰি ?

—নোৱাৰি । প্ৰথমে চাহপাতৰ বাকচবোৰ বিভিন্ন গুদামবোৰত জমা কৰিব লাগে । এই গুদামবোৰৰ আকৌ নিৰ্দ্দিষ্ট জোখমাপ আছে ।

—কেনেকুৱা ?

—যেনে ধৰা এটা গুদামৰ কালি হ'ব লাগিব ১০হাজাৰ বৰ্গফুট । গুৱাহাটীত এনে গুদাম ৩০টাতকৈ অধিক আছে । ৰাজ্য চৰকাৰৰ নিজাৰবীয়াকৈ চাহৰ গুদাম থাকিলেও বহুত গুদাম ব্যক্তিগত মালিকৰো আছে ।

—গুদামৰ পৰা কোনে বিক্ৰি কৰে ?

—কলিকতা, শিলিগুৰি, গুৱাহাটী সম্পূৰ্ণ ব্যক্তিগত কেইটামান প্ৰতিষ্ঠান আছে তাকে Tea Brokers (টি ব্ৰকাৰ) বুলি কোৱা হয় ।

এই ব্ৰকাৰবোৰত চাহৰ বিষয়ে জনা অভিজ্ঞ মানুহৰ প্ৰয়োজন, কাৰণ চাহৰ গুণাগুণ পৰীক্ষা কৰিহে মূল্য ধাৰ্য্য কৰিব পাৰিব। ব্ৰকাৰবিলাকে এই চাহ নিলাম বজাৰত বিক্ৰি কৰিব পাৰিলে কমিচন পায়। অৱশ্যে এই কমিচনৰ কাৰণে লাখ লাখ টকাৰ লেনদেন হয়।

—ব্ৰকাৰবিলাকে কেনেকৈ গম পায় চাহপাত গুদামত আছে বুলি?

—চাহপাত গুদাম পোৱাৰ লগে লগে গুদাম কৰ্তৃপক্ষই ব্ৰকাৰলৈ সবিশেষ জনাই চিঠি প্ৰেৰণ কৰে। চাহপাত অহাৰ খবৰ পোৱাৰ লগে লগে চাহবাকচৰ সম্পূৰ্ণ দায়িত্ব ব্ৰকাৰৰ হাতলৈ যায়। চাহ বাকচবিলাকৰ লগত বাগিচাবিলাকৰ পৰা অহা কাগজ পাতি গ্ৰহণ কৰি ব্ৰকাৰে এখন কেটেলগ তৈয়াৰ কৰে।

এই নমুনাবোৰ ব্ৰকাৰৰ কাৰ্যালয়ত পৰীক্ষা কৰা হয়। কাৰণ চাহৰ গুণাগুণ চাইহে মূল্য নিৰূপণ কৰা হয়। যিবিলাক প্ৰতিষ্ঠানে চাহ কিনিব সেই প্ৰতিষ্ঠানবোৰে নিলাম বজাৰৰ পৰা অনুজ্ঞাপত্ৰ পাব লাগিব আৰু চাহ নিলাম হোৱা চাৰিসপ্তাহৰ আগতে চাহ কিনোতাসকলে যাতে নমুনাবোৰ ভাল কৰি পৰীক্ষা কৰিবলৈ সুবিধা পায় তাৰ বাবে ব্ৰকাৰৰ ফালৰ পৰা বিনামূলীয়া চাহপাতৰ নমুনা যোগান ধৰিব লাগিব। নমুনাৰ লগতে টি কেটেলগ অনুমোদিত প্ৰতিষ্ঠানবোৰক দিব লাগিব।

—প্ৰতিষ্ঠান মানে?

—প্ৰতিষ্ঠান মানে ব্ৰুকবণ্ড, লিপটন, টাটা, ডানকেন, মেহি, গকেল ইত্যাদিবিলাকেই বিশেষ উল্লেখযোগ্য।

—গুৱাহাটীৰ চাহ নিলাম বজাৰত চাহ বিক্ৰি কৰাৰ কিবা নিয়ম আছে নেকি?

—আছে। যেনেকৈ গুৱাহাটীত মঙ্গল আৰু বুধবাৰে, কলিকতাত সোম

আৰু মঙ্গলবাৰে, শিলিগুৰিত বুধ আৰু বৃহস্পতিবাৰে চাহ নিলাম কৰা হয়।

—বিক্ৰিৰো নিয়ম আছে— যেনে প্ৰথমে ছি, টি, ছি (C.T.C leaf) তাৰ পাছত ছি টি চি ডাষ্ট (C.T.C dust), তাৰ পিছত অৰ্থডক্স (Orthodox) চাহ বিক্ৰি কৰা হয়।

এই বিক্ৰিৰ নিয়ম সকলোৱে মানি চলিব লাগিব। বাকচ-বোৰ একোটা লট হিচাবে বিক্ৰি কৰে অৰ্থাৎ— এক মিনিটত কেইটা বাকচ বিক্ৰি হয় তাৰো নিয়ম বান্ধি দিয়া হয়। এই নিয়ম সকলোৱে মানি চলিব লাগে।

অনিলে চিগাৰেট এটা জ্বলাই লৈ ক'লে— বৰ্ত্তমান চাহৰ বজাৰত সংকটে দেখা দিছে। ইয়াৰ প্ৰধান কাৰণ হ'ল ভাৰতৰ বাহিৰাৰ বাহিৰে বিকল্প বজাৰ নথকাৰ কাৰণে। চাহৰ যদি মূল্য হ্ৰাস হয়, তেনেহলে চাহ উৎপাদনকাৰীসকলৰ আগত ডাঙৰ সমস্যাৰ সৃষ্টি হব। আনহাতে উৎসৱবিলাকত যেনে ধৰা পূজাৰ আগে আগে শ্ৰমিকসকলক বনাচ আদি দিবৰ কাৰণে যথেষ্ট ধনৰ প্ৰয়োজন হয়।

তাৰোপৰি উৎপাদনকাৰীসকলে শ্ৰমিকসকলৰ দৰমহা দিয়াৰ উপৰিও অত্যাৱশ্যকীয় খৰছসমূহ নকৰাকৈ থাকিব নোৱাৰে।

কথা শুনি শুনি অৰূপা বিচনাখনলৈ উঠি গ'ল আৰু শুই পৰিল। তাইৰ গাটো ভাৰি হৈ আহিছে। তিলতিলকৈ শিশুটো বাঢ়ি আহিছে। আজি কালি তাই পেটৰ ভিতৰত শিশুটোৱে লৰচৰ কৰা গম পায়। তাই পেটটো হাতেৰে ধৰি অনুভৱ কৰিবলৈ চেষ্টা কৰে এটা মানুহৰ পোৱালীৰ শ্বাস-প্ৰশ্বাস। লাহে লাহে তাইৰ চকুহুটা জাপ খাই গ'ল।

অনিল ওচৰলৈ আহি তাইৰ গাত ধৰি ক'লে— অৰু তুমি যথেষ্ট দুৰ্ব্বল হৈছা। এতিয়া সাৱধানে থাকিবা। জিৰণী লবা, ভালকৈ খোৱা বোৱা কৰিবা। নহলে বিপদ হব পাৰে।

—অনিল, তাই চকুদুটা মেলি ক'লে— মোক আয়ে বোলে নিবলৈ আহিব ? মই কিন্তু নাযাওঁ। নালাগে অক সময় হলে মই নার্চিং হোমলৈকে লৈ যাম।

অৰূপাই একো নামাতিলে। অৰূপা টোপনি গ'ল। অনিলে তাইক আৰু দিগদাৰ নিদিলে। সি লচমিক লগত লৈ ফুৰিবলৈ ওলাই গ'ল।

৫১

অৰূপাৰ প্ৰসৱৰ সময় ওচৰ চাপি আহিল। অৰূপাই বিছু-দিনৰ কাৰণে হাস্নাহঁতৰ হাতত দায়িত্ব দি ঘৰতে জিৰণী ললে। অৱশ্যে শিশু কল্যাণ সন্থাৰ সদস্যাসকলে অৰূপাৰ সদায় খবৰ লৈ থাকিল আৰু ঠিকমতে কাম কৰি গ'ল। লাহতি চাহবাগিছাৰ নৈশ স্কুলখন খোলাৰ কাৰণে বৰ ভাল হৈছে বুলি বস্তিৰ পৰা হাস্না-হঁতে খবৰ পালে আৰু দিনক দিনে মহিলাৰ সংখ্যা বাঢ়িছে বুলিও জানিব পাৰি হাস্নাইঁতে বৰ আনন্দ পালে। সেইদৰেই আন আন চাহ বাগিচাবোৰতো কাম পুৰাদমে চলি থাকিল।

কিন্তু বহুত চেষ্টা কৰিও সিহঁতে মদ একেবাৰে পৰা নাই। দিনত যিবোৰ ডেকা ল'ৰাই সিহঁতৰ লগত সহযোগীতা কৰে ৰাতি হ'লে সিহঁতেই মদৰ নিচাত বেহুচ হৈ থাকে। যদি এনে ঘাটি উঠাবলৈ যোৱা হয় সিহঁতেই আকৌ প্ৰতিবাদৰ প্ৰাচীৰ হৈ থিয় দিয়ে।

এই মদ ব্যৱহাৰৰ অন্তৰালত এচাম স্বাৰ্থম্বেষী মানুহ যে

জড়িত আছে তাক বুজিব'ল' হাস্নাইঁতব বেছি সময় মালাপিণ।
কিছু খাবু মহৰীয়ে বেছিকাম পোৱাৰ আশাত মদৰ লোভ দেখুৱাই
বনুৱাসকলৰ অর্থ-নৈতিক আৰু সামাজিক দিশটো ধ্বংসৰ গৰাহলৈ
ঠেলি দিয়ে।

আজি চাহজনজাতি মাতৃসকল আৰু শিশুসকলৰ অৱস্থা
দেখিলে দুখ লাগে। এনে বৈজ্ঞানিক যুগত এটা কর্ম্মঠ-জাতি দুর্দ্দশা
গ্রস্থ হৈ থকাটো সভ্যজগতবে দুর্নম। অৰূপাইঁতে এটা আঁচনি
যুগুতালে যে সিহঁতে ঘৰে ঘৰে যাব আৰু লাইনত সোমাব।
সকলোকে ঘৰে ঘৰে গৈ বুজাব।

সেই মতেই ৪/৫ গৰাকী মহিলা লগহৈ বিভিন্ন বাগানত
কাম আৰম্ভ কৰিলে—এয়াহৰ ভিতৰতে সিহঁতে সমীক্ষা কৰি দেখিলে
সিহঁতৰ দুৰ্দ্দশাগ্রস্থ হৈ থকাৰ কাৰণ একমাত্র মদ। মদে পৰিবেশ নষ্ট
কৰিছে। দিনত বিজন ভাল, ৰাতি সেইজনেই মদৰ নিচাত নিজৰ
ভিতৰতে কাজিয়া কৰে। হাজিৰাত পোৱা পইচা মদৰ জগতে
উৰুৱাই দিয়ে।

সমাজ এখন গঢ়িবলৈ প্রতিজন ব্যক্তি সচেতন হ'ব লাগিব।
যিহেতু সমাজেই হ'ল একোজন ব্যক্তিৰ জীৱন ধাৰাৰ গতিশীল
প্রক্রিয়া। জীৱনৰ কর্ম্মময় একো একোটা মুহূর্ত্তত সমাজৰ
প্রতিচ্ছবি প্রকট হৈ উঠে। সেইহে এখন সমাজ গঢ়ি তুলিবলৈ
এক সুন্দৰ পৰিবেশৰ প্রয়োজন। এক সুস্থ পৰিবেশতহে এগৰাকী
মাতৃয়ে এটি সুস্থ সবল শিশু জন্ম দিব পাৰে আৰু এনে পৰিবেশ
মানুহেই সৃষ্টি কৰিব লাগিব— যিহেতু আজিৰ শিশু কালিলৈ
দেশৰ নাগৰিক হ'ব।

মানুহে জীয়াই থাকিবলৈ অন্ন, বস্ত্র, বাসস্থানৰ যি প্রয়োজন
সেই প্রয়োজনীয় বস্তুখিনিৰেই আজি বহুতৰে অভাৱ। আজি চাহ-
জনজাতিসকলৰ অর্থসামাজিক দিশৰ পৰা আৰম্ভ কৰি বিভিন্ন

পৰিবেশ আৰু পৰিস্থিতিত তেওঁলোকৰ জীৱন নিৰ্বাহ দুৰ্ব্বল হৈ পৰিছে। আজি যি পৰিবেশত মহিলাসকলে জীৱন নিৰ্বাহ কৰিছে সেই প্ৰভাৱ শিশুটিৰ গাটো নপৰাকৈ থকা নাই। আজি যিবিলাক ঘৰত মহিলাসকলে শিশুটিক লৈ বসবাস কৰে সেই ঘৰৰ অৱস্থা সকলোৰে সমান নহয়। বেছিভাগ মহিলাই অৰ্থাৎ শতকৰা ৭৫ ভাগ মহিলাই অস্বাস্থ্যকৰ পৰিবেশত বাস কৰে। এনেকাৰণৰ ফলত অধিক মাতৃ আজি শ্বাসজনিত ৰোগত ভুগিব লাগিছে। অতি আচৰিত কথা যে চাহ ব্যৱসায় কৰি অধিক সংখ্যক লোকে লাখপতি হৈছে কিন্তু সেই চাহগছৰ তলিত কাম কৰা মানুহখিনিয়ে আজি শ্বাসৰুদ্ধ কোঠালিত আবদ্ধ হৈ থাকিব লগা হৈছে। অন্ধকাৰে আগুৰি থকা ঠেক সৰু কোঠালীৰ যেন কোনো দিন উন্নতি নহয়। বিশুদ্ধ বায়ুৰ অভাৱ যি মাতৃ আৰু শিশুৰ কাৰণে উপযুক্ত নহয়। তাৰোপৰি পুষ্টিকৰ খাদ্যৰ অভাৱে শৰীৰ আৰু মন দুৰ্ব্বল কৰি তোলাটো স্বাভাৱিক। এনেধৰণৰ অনুন্নত জীৱন নিৰ্ব্বাহ কৰি বিভিন্ন সমস্যাৰ সন্মুখিন হৈ এগৰাকী মাতৃয়ে এটি শিশুৰ শিক্ষা-দীক্ষা দিয়াৰ কথা ভাবিবই বা কেনেকৈ।

পইচাৰ অভাৱত কোনাৰ শিশুটি বোকোচাত বান্ধিলৈ পাত তুলিবলৈ যাব লগা হয় বা শিশু শ্ৰমিক হবলৈ নিজৰ সৰু ছোৱালীজনী বা ল'ৰাটোক বাগানত কাম কৰিবলৈ পঠাব লগা হয়। সন্তান জন্ম দিয়াৰ ক্ষেত্ৰতো এগৰাকী মহিলাই যথেষ্ট কষ্ট কৰিব লগা হয়। সন্তান জন্ম দিয়াৰ আগত আৰু সন্তান জন্ম দিয়াৰ পিছত এগৰাকী মহিলাৰ যিখিনি শুশ্ৰূষা, ঔষধ পাতি আদিৰ প্ৰয়োজন হয় সেইখিনি নাপায়। ৰাতিপুৱা শুৱাপাৰ্চি এদিয়েই দিনৰ দিনটো পৰিশ্ৰম কৰি কোনো মাতৃয়ে এটি সুন্দৰ শিশু আশা কৰিব নোৱাৰে।

এইসকল মাতৃৰ যত্ন লোৱাৰ দায়িত্ব আজি আধুনিক সমাজৰ

নহয় জানো ? মাতৃসকলৰ কাৰণে অৰূপাইঁতে যথেষ্ট কষ্ট কৰিছে যদিও পুৰুষসকলৰ অত্যাচাৰৰ পৰা মাতৃসকলক বচাব পৰা নাই। কিনাৰ মানুহটো ৰাতি হৈ পৰে অমানুহ। তথাপিও অৰূপাইঁতৰ জনকল্যাণ সন্থাটোৱে ভাগৰি পৰা নাই, আগবাঢ়ি গৈ আছে। বিভিন্ন বাগানত নাচ গানৰ স্কুল খুলিছে, সৰু সৰু ল'ৰা-ছোৱালীবিলাকক নৃত্য গীত শিকাবলৈ ব্যৱস্থা কৰি দিয়া হৈছে যিহেতু কৃষ্টি-সংস্কৃতিয়ে সমাজৰ লাইখুটা।

হাস্নাইঁতে যথেষ্ট কষ্ট কৰিছে যিহেতু অৰূপা নথকা অৱস্থাত সিহঁতৰ দায়িত্ব বেছি। তাৰোপৰি মদৰ ঘাটি উঠাবলৈ চেষ্টা কৰাৰ কাৰণে বহুতো চাহ শ্ৰমিকে মনে মনে বিদ্ৰোহী হৈছে আৰু সিহঁতক উচতাই দিয়া মানুহো আছে।

ইমান দিন কণ্ঠৰুদ্ধ কৰি ৰখা মন্টিলাই মুখ খুলি কথা কোৱাটো বহুতেই সহ্য কৰিব পৰা নাই। বাগিচাবিলাকৰ মাজত সেইবোৰৰ বিপক্ষে যে গুণগুণনি উঠা নাই এনে নহয়।

তথাপিও হাস্নাইঁত সতর্ক হ'ল যাতে সন্থাটো কোনেও ভাঙিব নোৱাৰে।

কথাবোৰ ভাবি থাকোতে হাস্নাৰ স্বামী ডাঃ আহমেদ আহি তাইৰ ওচৰতে ঠিয় হৈ ক'লে— বৰ চিন্তিত দেখিছো কিয় ? অৰূপা বাইদেউৰ দায়িত্ব পৰাৰ কাৰণে হ'বলা ?

— সেইটো হয়। জানানে, কিছুমানে আমাৰ সন্থাটো ভাঙিবলৈ উঠিপৰি লাগিছে।

— সেতো লাগিবই। তোমালোকে শ্ৰমিকসকলৰ কাৰণে নানা-ৰকমৰ Demand দিছা। ইটো লাগে সিটো লাগে কৰি চিঞৰিছা। মালিক, কোম্পানীৰ ক্ষতি নহয় নেকি ? সেইকাৰণে মহৰীবাবুক তলে তলে কিছুমানে লগাই দিছে, কিন্তু এইবিলাকতে ভয় খালে নহব। তোমালোক আগুৱাই যাব লাগিব। নিজৰ প্ৰাপ্য বিচৰাটো

সকলোৰে জনমত আৰু এটা কথা তোমালোকে ধানৰ মাজৰ পতান বিচাৰি উলিয়াই ভাল মানুহৰ সহযোগীতা বিচৰা।

কথা কৈ কৈ ডাক্তৰ ভিতৰলৈ গ'ল। হাস্নাই ডাক্তৰৰ কথা শুনি দকৈ চিন্তা কৰিলে— সঁচাকৈয়ে বিপদৰ সন্মুখিন হ'লেও আগবাঢ়ি যাব লাগিব।

হাস্না ভিতৰলৈ উঠি যাবলৈ ধৰোতেই লক্ষ্মণ আৰু মোহন দৌৰি অহা দেখা পালে— বাইদেউ বাইদেউ আজি আমি খবৰ পাইছো অমৰাৱতী চাহবাগিচাত বোলে ধৰ্ম্মঘট কৰিব।

— কোনে ক'লে লক্ষ্মণ ?

— হয় বাইদেউ, তাত বাবু মহৰীবোৰ জ্বলি গৈছে আৰু ধৰ্ম্মঘট কৰিবলৈ উচতাইছে। ধৰ্ম্মঘট কৰিলে আপোনালোকে কৰাইছে বুলি ভাবিব আৰু আমাৰ সন্থাৰ বদনাম হব। গতিকে সেই ধৰ্ম্মঘট বন্ধ কৰিব লাগে বাইদেউ। আমি আমাৰ বাগানৰ পৰা বহুত লোক যাম বুজাবলৈ।

— অঁ ভাল কথা। তাতে আমাৰ মেনেজাৰবাবু নাই, কি হব লক্ষ্মণ ?

— ভয় নাই বাইদেউ। আমি আছিছো, আপোনালোকো আহক।

লক্ষ্মণ আৰু মোহন গ'লগৈ। হাস্নাই যি ভয় কৰিছিল তাকে হোৱা দেখি অবাক হ'ল আৰু দৌৰি গৈ ডাক্তৰক কথা-খিনি ক'লেগৈ— ডাক্তৰে সাহস দি ক'লে— কিহৰ ভয়, বলা যাওঁ যাম।

সিইতে গাড়ী উলিয়ালে আৰু হাস্নাই তিনিগৰাকী মহিলা লগত লৈ অমৰাৱতী চাহবাগিচা পালেগৈ। বাগানখন পক্ষৰতীৰ পৰা বেচি দুৰ নহয়। তাত গোনে গোনে হাস্নাই সন্থাৰ সম্পাদিকাক লগ ধৰিলে আৰু ডাক্তৰে মেনেজাৰ ৰায়চৌধুৰীক লগ ধৰিলে। ৰায়চৌধুৰীয়ে ডাক্তৰক দেখি নাহাঁহিলে ৰবক ক'লে— ডাক্তৰ আপুনি

ডাক্তৰীহে কৰিব লাগে, মিছাতে এইবোৰ সন্থাৰ লগত লাগি কিয় সময় অপচয় কৰিছে। ডাক্তৰৰ খুউব খং উঠিছিল [illegible] হাঁহিমাৰি ক'লে— শিশু, মাতৃৰ কল্যাণ কৰাটো ডাক্তৰৰো কৰ্তব্য।

ৰায়চৌধুৰী খন্তেকলৈ মনি গ'ল আৰু ডাক্তৰক বহিবলৈ দি চিগাৰেট এটা হুপি হুপি ক'লে— এতিয়া চাওক, শ্ৰমিক মহিলাবিলাকে বোলে ধৰ্ম্মঘট কৰিব, তেতিয়া ক্ষতি হব কাৰ? চহৰীয়া নিজে মেনেজাৰ। তেখেতৰ পৰিয়াৰ এইবোৰত লাগিছে কিয়? বৰ বেয়া, বৰ বেয়া।

-- নহয় ৰায়চৌধুৰী, আপুনি ভুল বুজিছে, তেওঁলোকৰ সন্থাই এই-বোৰ ধৰ্ম্মঘট কৰিবলৈ কেতিয়াও দিয়া নাই।

— আপুনি কেনেকৈ জানিলে?

— মই জানো। তেওঁলোকৰ উদ্দেশ্য ধৰ্ম্মঘট বা হৰতাল নহয়। ডাক্তৰে খঙেৰে ক'লে। ৰায়চৌধুৰীয়ে একো নামাতি চিগাৰেটটোত হুটামান হোপা মাৰি ক'লে— তেনেহলে কোনে উচতাইছে?

— কোনে উচতাব। কোনোবা দুষ্কৃতিকাৰীয়ে।

চৌধুৰীয়ে খেকখেকাই হাঁহিমাৰি ক'লে— কিবা বেয়া কাম কৰিলেই দুষ্কৃতিকাৰীৰ কথা কয় নহয়নে?

— আৰু কি?

— ডাক্তৰ, মই এতিয়াও কৈছো এইবোৰ ভাল হোৱা নাই।

ডাক্তৰৰ বৰ খং উঠিল আৰু বাংলাৰ পৰা ওলাই আহি সন্থাৰ সম্পাদিকাৰ ঘৰলৈ গ'ল।

সম্পাদিকা জবা গোৱালাই ক'লে— আমি ধৰ্ম্মঘট কৰিব খোজা নাই কিন্তু কিছুমানে আমাৰ পাতে পয়না লৈ কিবাকিবি দাবী লৈ ধৰ্ম্মঘট কৰিবলৈ উচতাইছে, তাতে বহুত মহিলাই উচতনি পাইছে। আমি মানা কৰিছো যিহেতু আমাৰ সেইয়া উদ্দেশ্য নহয়। কিছুমান কথাত বোলে মালিক, মেনেজাৰে লাজ পাইছে।

পতিকে তেওঁলোকেই মানুহ হুমুৱাই দিছে।

হাসনাই জবালৈ চাই ক'লে— বলা আমি সদস্যাবোৰৰ ওচৰলৈ যাও ?

— ওঁহো নাযাও। মই গ'লে একদম হাজিৰা কাটি দিব।

— তুমি ভয় কৰিছা ?

জবাই একো নামাতিলে। ডাক্তৰে চিন্তা কৰি হাসনাক দূৰলৈ মাতি আনি বুজালে— তোমালোকে তাইক জোৰ নকৰিবা। তাইৰ অপকাৰ হব। এই কাম লক্ষ্মণইঁতৰ হতুৱাইহে কৰাব লাগিব। এতিয়া ব'লা।

সিহঁতে গাড়ীত উঠিল আৰু লক্ষ্মণইঁতক লগ পাবলৈ নিজৰ বাগানলৈ ঘূৰি আহিল।

—x—

ডাক্তৰ আৰু হাস্‌না আহি মোহনহঁতক সকলো কথা ক'লে। মোহন, লক্ষ্মণ, মঙ্গলা, ৰামবিলাস, হৰিমোহন, লালবাহাদুৰ আদি ১০জন মান লগ লাগি অমৰাৱতী চাহবাগিচাৰে আৰেলিপৰত বাবলৈ ওলাল। কিছুদূৰ বাটত পৈ সিহঁতে বাগিচাৰ খোজ ললে। মিথা ১০টা বজাত সিহঁতে দেখিলে মদৰ ঘাটি বাবকৈ জমিছে। মহবীহঁত আহি মদ খুৱাই শ্ৰমিকবিলাকক বেহুচ কৰাই লৈ কৈছে— ঐ ভাইহঁত খাই ল, নহলে আৰু খাবলৈ নাপাবি, তহঁতৰ মাইকীবিলাকে মদটো বন্ধ কৰি দিছে নহয়, আৰু ক'ত খাবলৈ পাবি?

মহবীৰ ইতিকিং কথা কথাত যেন শ্ৰমিকবিলাকৰ গা জ্বলি গৈছে— আৰে কোনে বন্ধ কৰিব পাৰে আমাক— আমি খামেই আমাৰ মেহনতীৰে আমি খাইছো লোকৰ টকাৰে আমি খাইছোনেকি?

—সেইকাৰণে তহঁতে কিবা এটা কৰ। নৈশ স্কুল বন্ধ কৰি দে। এতিয়া মাইকী'বোৰে পঢ়ি কি হব? তহঁতৰ ওপৰত কথা কবলৈ শিকিব। বাবুৰ বদনাম, মেনেজাৰৰ বদনাম, মালিকৰ বদনাম কৰিব তাৰপিছত তহঁত কলৈ যাবি?

ৰঘুৰামে মদৰ বটলটো লৈ মহবী গোৱালাৰ ওচৰলৈ আহি খলং-পলংকৈ ক'লেহি— আৰে ভাঙিবলৈ দেচোন, একদিনতে মই ভাঙি দিম।

মহবীয়ে গেৱালাৰে চাই বেক-ৰেকাই হাঁহি মাৰি ক'লে— ভাঙি দে, তাৰবাৰে তহঁতে বকচিচ পাবি, বকচিচ।

বকটিচৰ কথা শুনি গোৱালাই দাঁতকেইটা উলিয়াই হাঁহি দিলে।

মোহনে চাহগছৰ আঁৰৰ পৰা কাণ্ডবোৰ চাই গম পালে যে এই মহৰীয়েই সিহঁতৰ কাল। গতিকে তাক চিধা কৰিব লাগে। সি মাৰিবলৈ উদ্ধত হওতেই মঙ্গলাই থাপ মাৰি ধৰি ফুচফুচাই ক'লে কি কৰ মোহন, বদনাম হৈ যাব। তই হাত উঠালেই মাৰপিট লাগিব আৰু গোটেই বাগানতে হাহাঁকাৰ লাগিব আৰু মালিকে সুবিধা পাই সন্থা ভাঙি দিবলৈ হুকুম জাৰি কৰিব। তাতে আমি হলো আন বাগানৰ মানুহ। সদায় সন্ধিৰ বাঁহ বুজিহে কাটিব লাগে। এতিয়া ব'ল ৰাতিটো বাগানৰ বাহিৰত ধাবাত (হোটেল) থাকি ৰাতিপুৱাই আহি মহৰীক লগ ধৰিব লাগিব।

মোহনে কথাখিনি বুজিলে আৰু ৰাতিটো বাহিৰৰ আলিৰ কাষৰ ধাবাত থাকি ৰাতিপুৱাই মহৰীৰ ঘৰ ওলালগৈ। গোটেই কিটা মহৰীৰ ঘৰলৈ যোৱা দেখি লাইনৰ বাকী মানুহখিনি আহি গোট খালেহি।

—মোহনে মহৰীক সুধিলে সন্থা ভাঙিবলৈ কিমান টকা খাইছ?

—নাই খোৱা। আমাক কিয় লাগিছে সন্থা, আমিটো এইবোৰ চব সুবিধা পাইছো।

—অঁ চব সুবিধা পাইছ? আজি কেইদিনমানৰ আগতে তই জানো আমাৰ মিচিকা প্ৰজিক নাছিলি?

—আছিলো, পিছে কি হ'ল?

—এতিয়া নৰ বাবুটোহে দালালি কৰিবলৈ আহিছে। চা মহৰী বাবু, আমাৰ মজদুৰখিনিয়ে যি সন্থা খুলিছে সেইটো সন্থা চাহ-বাগানৰ অপকাৰৰ কাৰণে খোলা নাই। ধৰ্ম্মঘট কৰিবলৈকো খোলা নাই। আমাৰ শিক্ষবিলাকৰ উন্নতিৰ কাৰণেহে খুলিছে। মা, বহিন বিলাকৰ উন্নতিৰ কাৰণে খুলিছে। তইতৰ মিচিনী দালালবোৰৰ

কাৰণেই আমাৰ জাতিটোৰে কতো মাত মাতিব নোৱাৰে। মাত মাতিলেই, উন্নতি কৰিবলৈ ওলালেই টকা এসোপা খুৱাই মুখ বন্ধ কৰি দিয়ে আৰু ভাবে তইঁতে মদ পানী খাই ফূৰ্তি কৰিবি আৰু জাতিটো জহনামে নিয়াবি। নহয়নে বাইজ?

বুঢ়াসকলে মাত মাতিলে— হয়, হয়। মোহনে আকৌ ক'লে— চাওক আমি যদি ধৰ্ম্মঘট কৰো কি লাভ হব আৰু মহিলা-সকলৰ সহায় এইটো উদ্দেশ্য নহয়। তেওঁলোকে মালিক, যেনেকৈ শ্ৰমিকসকলৰ মিলা-মিছা আৰু সহযোগীতাৰে সকলো অভাব পূৰণ কৰিব খুজিছে আৰু অভাব পূৰণ হৈছেও। তেওঁলোকৰ চেষ্টাত আমাৰ মহিলাসকলে অন্ততঃ নামটো লিখিব পাৰিছে। শিক্ষিতসকলে কাম কৰিবলৈ উৎসাহ পাইছে, শিশুসকলে ডাক্তৰী চিকিৎসা পাইছে, তাত আপোনালোকে বেয়া পাইছে কিয়?

— নাই পোৱা। বুঢ়াসকলে মাত দিলে।

— কিন্তু বেয়া পাইছে এচাম স্বাৰ্থন্বেষী মানুহে, গতিকে সেই চাম মানুহ যেনে আমাৰ মহৰীবাবুৰ দৰে মানুহৰ কথাত ভোল গৈ নিজৰ সৰ্ব্বনাশ মাতি নানিব।

—নাই নাই আমি মহৰীৰ কথাত নাযাওঁ এই বুলি [illegible] বৈ থকা মহিলা শ্ৰমিকসকলে চিঞৰি উঠিল— তাক মাৰ, মাৰ।

মোহনইতে হাত দাঙি ক'লে—নাই মাৰিব নালাগে আজিয়েই প্ৰতিজ্ঞা কৰক, এনে জাতিদ্ৰোহী কাম নকৰো বুলি।

মহৰীয়ে আঠুলৈ ক'লে— আজিৰ পৰা মই এনে কাম নকৰো।

—পইচা কিমান লৈছ?

—নাই লোৱা। ধৰ্ম্মঘট কৰাৰ পাৰিলেহে দিলেহেতেন।

—কোনে?

—মহৰীয়ে একো নামাতি তললৈ মুৰ কৰিলে।

—চাওক বাইজ, এনে মানুহে ভৱিষ্যতে আপোনালোকৰ কি উপকাৰ

কৰিব। মালিক কোম্পানীৰ ভালৰি লগাবলৈ এনে চুক্তি কাৰীও বাগানত থাকে আৰু আমাৰ মানুহেও কেইটামান পইচাৰ লোভত আগ পাচ নাভাবি জাতীয় ঐক্য ধ্বংস কৰিবলৈ আগবাঢ়ে। গতিকে আপোনালোকে মালিকক কওক। নিশ্চয় মালিকে বুজিব। সদায় মনত ৰাখিব আমি ঠিক থাকিলে কোনেও আমাক অপকাৰ কৰিব নোৱাৰে। শুনক বাইজ, আমাৰ কাম আন্দোলন নহয়, ধৰ্মঘটো নহয়। আমাৰ কাম মৰুৰ দৰে মাটিত পেলাই অসমৰ মাটিত ভাল ফচল উৎপাদন কৰা। যদি আমি শৃঙ্খলিতভাৱে থাকো তেনেহলে আমালৈ নিশ্চয় এদিন ভাল দিন আহিব। কিন্তু আমি মুখ বন্ধ নকৰো, কামৰ মাজেদিয়েই আমি আমাৰ ন্যায্য প্ৰাপ্য দাবী কৰিম। মোহনে মহিলাসকলক উদ্দেশ্য কৰি ক'লে— মাতৃসকল, আপোনালোকৰ সন্তানটো জীয়াই ৰাখিবলৈ বহুত কষ্ট স্বীকাৰ কৰিব লাগিব। অধৈৰ্য্য নহ'ব।

আমি অঞ্জলী বাৰ্ষীক ধন্যবাদ জনাইছো তেওঁ খবৰ নিদিয়া হলে আজি কি হ'লহেতেন! আজি গৌৰৱ অনুভৱ কৰিছো যে আমাৰ মাজত ভাল কৰ্মী, সৎ চিন্তা কৰা মহিলা আছে। বাগানৰ শৃঙ্খলা বজাই ৰখাটো আমাৰ কৰ্তব্য। সেই কৰ্তব্য আমি পালন কৰা উচিত। আমি যাও আমাৰ কামৰ সময় হ'ল।

সকলোৱে মোহনহঁতক বিদায় দিলে। মোহনহঁত আহি ডাক্তৰক সবিশেষ জনালেহি। হাস্‌নাই খবৰ শুনি দীঘলকৈ
এটা হুমুনিয়াহ কাঢ়িলে। মাত্ৰ পঢ়া হোটেলটো লৈ সিহঁতলৈ চাই কুঞ্জলাৰ হাঁহি এটা মাৰিলে। হাস্‌নাই মোহনলৈ চাই ক'লে—চাবা মোহন যাতে কোনো কাৰণতে অৰুপা বাইদেউৰে এই কথা গম নাপায়।
— হয় দিদি। মোহনে হাস্‌নাৰ পৰা বিদায় লৈ বাগান পালেগৈ। সি গৈ দেখে বাটতে মধুমতি ৰৈ আছে।
— মধু কি হ'ল? ৰৈ আছ যে?

— তোৰ কাৰণে।

— মোৰ কাৰণে কিয় ? মোহনে আচৰিত হৈ সুধিলে।

— কালি বোলে অমৰাৱতীত কিবা হাঙ্গামা হৈছে আৰু তাক দমন কৰিবলৈ ৰাতি তই গৈছ ?

মোহনে জোৰকৈ হাঁহি মাৰি তাইলৈ চালে—কোনে ক'লে তোক ? ধেৎ পাগলী মিছা কথা, একো হোৱা নাই। তইতো জানই তিলকে তাল কৰা মানুহৰ অভ্যাস। উৰা বাতৰিত বিশ্বাস নকৰিবি। বাৰু কণোন তোৰ কিয় চিন্তা লাগিছিল ?

মধুৱে একো নামাতি চাদৰৰ আঁচলটো ধৰি পিন্ধিকি বিজাৰি থাকিল।

— বুজিছো যে তই মোৰ কাৰণে চিন্তা কৰ, কিন্তু কিয় মধু ?

— ধেৎ এইটো, এই সৰু কথাটোও তই বুজি নাপাবনে ? মৰমবোৰৰ একদম অন্তৰ নাই।

তাই বাগানলৈ দৌৰ মাৰিলে। মোহনে তাইলৈ চাই হাঁহি মাৰি ভাবিলে— তাই ভেনেহলে তাক সঁচাকৈয়ে ভাল পায়।

—x—

৫৩

অনিলে ডাক্তৰৰ পৰামৰ্শমতে নিৰ্দ্দিষ্ট তাৰিখৰ ১০ দিনৰ আগতেই নগাঁও নাৰ্চিংহোমত অৰূপাক ভৰ্ত্তি কৰালে। ৪/৫ দিন ডাক্তৰৰ তত্বাৱধানত থকাৰ পাছত অৰূপাই এটি কন্যা সন্তান প্ৰসৱ কৰিলে। খবৰটো আনন্দে মাকৰ ওচৰলৈ আৰু বাগানলৈ লগে লগে পঠালে। খবৰ পাই মাকহঁত আহিল। বাগানৰ হাসনা-হঁতো খবৰ পোৱাৰ লগে লগে আনন্দৰ সীমা নোহোৱা হ'ল। সেইদিনাই ডাক্তৰ, হাস্‌না, সৰস্বতীহঁতে কেচুৱা চাবলৈ নগাঁও নাৰ্চিংহোম পালেগৈ। সিহঁতক দেখি অৰূপাই লাজতে মুখ লুকুৱালে।

বীনাবাইদেউৱে অনিলক চাই ক'লে— এতিয়া মিঠাই ক'ত?

অনিলে নম্ৰভাৱে ক'লে— নিশ্চয় মিঠাই খাব লাগিব। অৰূপাই হাস্‌নাৰ হাতত ধৰি সুধিলে— সভাৰ খবৰ ভালনে? তুমি চাবা যাতে সভাটো নাভাগে।

বীনাবাইদেউৱে হাঁহি হাঁহি ক'লে— তুমি চিন্তা নকৰিবা আমি সকলো ঠিক ৰাখিছো। সভা ভালদৰে চলি আছে। অৰূপাই লাজ কৰি মিচিকিয়াই হাঁহিলে।

—বাৰু চিন্তা নাই আমি আছো তুমি সুঁকতে সোনকালে বাগানলৈ আহা। পিছে লতমিলৈ খবৰ দিয়া হ'লনে নাই?

—দিলো। অনিলে ক'লে।

—তাই হাগৈ আহিবই নহয়নে?

— ক'ত নহাকৈ থাকিব ?

বীনা বাইদেউৰ কথাৰ উত্তৰ দি অনিলে মনজোনৈকে চাই ক'লে— বহকচোন, চাহ আনিবলৈ মনেশ্বৰক পঠাইছো ।

— মিঠাই আছিব যেতিয়া বহিবই লাগিব নহয় জানো ? পিছে মাইত আছিল নে নাই ? বীনা বাইদেউয়ে সুধিলে ।

— বাতিপুৱাই আহি গ'লছি ।

অৰূপাই কথাবাৰ কৈ উঠিবলৈ চেষ্টা কৰিলে । এনেতে নাৰ্চ এগৰাকী সোমাই আহি ক'লে— আপুনি নুঠিব, শুই থাকক । কেনেবাকৈ Bleeding হ'ব পাৰে । তাই আকৌ গাকটোত মূৰটো দি শুই পৰিল ।

দুঘণ্টামান থাকিল আৰু চাহ-মিঠাই খাই হাস্নাহঁত গাখাবলৈ উভতি আহিল । বাটতে হাস্নাই ডা. আহমেদক সুধিলে— আপুনি যে ডাক্তৰ কাকতিৰ লগত আলোচনা কৰিছিল সকলো ঠিকেই আছেনে ?

— অঁ সকলো ঠিকেই আছে । তেওঁলোকে চিজাৰিণ হব বুলি ভাগিছিল কিন্তু ভগৱানৰ কৃপাত Normal delivery হ'ল ।

বীনা বাইদেউয়ে খিৰিকিৰে মুখখন বাহিৰলৈ উলিয়াই দিলে । এচাতি কোমল বতাহ যেন গাড়ীখনৰ ভিতৰলৈ সোমাই আহিল । বুজিছা হাস্না, এইবোৰ সকলো ভগৱানৰ ইচ্ছা ।

— হয় দিয়ক বাইদেউ ।

সিহঁত গৈ বাগান পালেগৈ । অৰূপাৰ কন্যা সন্তান হোৱাৰ খবৰ পাই বাগানটো আনন্দই মধবা হ'ল । লন্দণ, মোহনহঁতে খুউব লাওপানী খালে । লন্দণে বলং পলংকৈ আহি ঘৰ সোমালহি । চুনিয়াই তাক দেখি চিঞৰি সুধিলে— তই কোনোৰ নাখাও বুলি শপত খাইছিলি ।

— সিদিন হোৱালী হৈছে নাখাৰ নেকি ? নিজা নাখালে কিহৰ

স্ফুৰ্তি ? আজি বেছি খোৱা নাই দে।

সন্ধিয়া লাগি ভাঙিছিল। চুনিয়াহঁতৰ ঘৰৰ পদূলিমুখত গধুলি গোপাল ফুলবোৰ ৰমক জমক হৈ ফুলি উঠিছিল। সেই ফুলৰ পৰা এটা সুন্দৰ সুৰভি ভাঁহি আহিছিল। একমাণি সৰু বাৰান্দাখনতে লক্ষ্মণ বহিছিল, ওচৰতে বহিছিল চুনিয়া। চুনিয়াবো দিন চমু চাপি আহিছে

— চুনিয়া তোৰ গা ভালে আছেতো ? লক্ষ্মণে তাইৰ গাটোত ধৰি সুধিলে।

— ওঁ আছে। তাই চাদৰৰ আঁচলটো দাঁতেৰে কামুৰি লাজ কৰিলে।

লক্ষ্মণে তাইৰ হাতত খামোচ মাৰি ধৰি ক'লে— তই আৰু কাম কৰিব নালাগে। যি হয় মহে ক'ৰাম।

— তই ক'লেই হবনে, বাবুয়ে তোক ছুটি দিলেহে ?

— কিয় নিদিব ? দিবই লাগিব। মোৰ মাইকীৰ বেমাৰ আছে সিহঁতে ছুটি নিদিলে হবনে ? ক'ত গ'ল মহৰা তাক মই বিচাৰি যাও।

চুনিয়াই তাৰ হাতখনত খামমাৰি ধৰি ক'লে — নালাগে জগৰা কৰিব। মই কাম কৰিব পাৰিম নহয়।

চুনিয়াই জানিছিল মাল খাই আছে, আকৌ কাজিয়া জগৰা কৰিব, মাৰপিট লাগিব, ডাঙৰ কথা হ'ব।

সেইহে তাই বুজালে আৰু ওচৰতে বহুৱাই ৰাখিলে। চুনিয়াই লক্ষ্মণক ক'লে- দিদিৰ ছোৱালীটো ছাগে খুউব সুন্দৰ হৈছে নহয় নে ?

— হ'বতো সুন্দৰ। তোৰ তি-সুন্দৰ হ'ব।

— ধেৎ নকবি, লাগায়

লক্ষ্মণে হাঁহিলে। তাই আকৌ ক'লে— আয়াৰ টুটু পাৰৰ পাইলছিয়েই।

— ঔ টুচ্চ পৰ্যন্ত খুউব স্ফূৰ্ত্তি কৰিব লাগিব :

ইটো সিটো কথা কৈ কৈ চুনিয়াই ডাক বাধি থাকিল। তাই জানিছিল যে ডাক এৰি দিলেই সি গৈ মদৰ ঘাটি পাবগৈ। তাই ক'লে— বল ভিতৰলৈ যাও, মোৰ গাটো আজি বৰ বেয়া লাগিছে।

চুনিয়াই লক্ষ্মণক মাতি নি ছুৱাৰখন মাৰি দিলে। সি মাটিতে দীঘল দি পৰি ক'লে— ঐ চুনিয়া এইকালে আহ এতিয়া কচোন আমাৰ ল'ৰা হবনে নহয় ?

— হব, হব চুনিয়াই ভয়তে ক'লে— জানোছা মদৰ জালত সি কি কৰে।

— হোঃ লেৰকা হব ! ভাল নাম ৰাখিব লাগিব দেই। চুনিয়া কাষতে বহি থাকিল আৰু লক্ষ্মণ লাহে লাহে মদৰ নিচাত লাল কাল হৈ পৰিল।

চুনিয়া উঠিল আৰু ভিতৰলৈ গৈ চাকিটো জলাই ল'লে। তাই শাৰীখনেৰে গাটো ঢাকিবলৈ চেষ্টা কৰি দেখিলে শাৰীখন একেবাৰে ফাটি গৈছে। চাকিৰ ধিমিক ধামাক পোহৰত তাই শাৰীখন চিলাবলৈ ধৰিলে। চিলাই থাকোতে তাই ভাবিলে অৰপাৰ কথা। দিদিয়ে ছাগৈ অকমাণি কেচুৱাটো লৈ নিচিন্তমনে টোপনি গৈছে আৰু লচমি ! তাইতো এজনী ভনী পালে। হঠাতে তাইৰ ভয় লাগি প'ল— যদি লচমিক সিহঁতে দেখিব নোৱাৰা হয় তেনেহলে ?

— নাই, নাই সেইটো হব নোৱাৰে। সিহঁতৰ দিদি বৰ ভাল আছে। হায়, মানুহৰ কি বিশ্বাস আছে! কোনে জানে লচমিৰ ভাগ্যত কি আছে ? এতিয়াতো তাই সক হৈ থকা নাই। তাই বোলে ডাঙৰী হব। তাই নিজে নিজে হাঁহিলে। হাজাৰ হলেও সিহঁত জাতিৰ ছোৱালী; এজনী ডাঙৰণী হব। কিমান ভাল কথা

হব ! শাৰীখন চিলাই উঠি সুতাডাল দাঁতেৰে কামুৰি ছিঙি দি ডাঙৰ চকটো জুইত তুলি দিলে। আজি তাইৰ বৰ ভোক লাগিছে আৰু বহুত কিবা কিবি খাবলৈ মন গৈছে। বিশেষকৈ ডাঙৰ মাছৰ তৰকাৰী এখন খাবলৈ তাইৰ বৰ মন গৈছে। গাত লেঠা হ'লে বোলে যি মন যায় তাকে খাব লাগে। কেইদিনমান আগতে তাইৰ মাটি খাবলৈ মন গৈছিল সেই কাৰণে চৌকাটো ভাঙি ভাঙি মাটিবোৰ খাইছিল। কামলৈ যাওঁতেও মাটিৰ টুকুৰাবোৰ লৈ গৈছিল। তাই হুমুনিয়াহ এটা কাঢ়িলে আৰু ভাবিলে তাইনো বাৰু ভাল বস্তু খাবলৈ ক'ত পাব ! লক্ষ্মণে যি পায় সকলো মদ পানী খাই শেষ কৰি দিয়ে তাই ভাত কেইটা নমাই আলুৰ ভাজিখন বনাই দিলে। ভাত আৰু ভাজি হলত তাই লক্ষ্মণক জগাই দি ক'লে— উঠ ভাত হ'ল।

সি একেচাবে উঠি বহিল আৰু ভাতৰ কাঁহিখন লৈ খাবলৈ লাগি গ'ল। তাৰো বৰ ভোক লাগিছিল। সেই ৰাতিপুৱাতে খোৱা ভাতকেইটাৰেনো আৰু কিমান সময় টিকিব। ভাত খাই উঠি লক্ষ্মণে চুনিয়াক ক'লে— ঐ চুনিয়া, দিনৰ ভালৈ যাও ব'ল, বাচ্চাটো চাই আহোঁগৈ।

— ধেৎ মোৰ লাজ লাগে। তয়ে যা।

— যাবটো পাবি, কিন্তু কি নিম বাচ্চাটোলৈ ?

— আমি দুখীয়া মানুহ কিনো নিম ?

— তেনেকৈ নকবি চুনিয়া, মৰমৰ লগত ধনী দুখীয়া নাই। মৰম সকলোৰে কাৰণে একেই। কিন্তু চোলা এটা কিনি নিব লাগিব।

— ওঁ চোলাটো ভাল দোকানত কিনিব লাগিব। আমাৰ বজাৰত কিনিলে নহব। পিছে টকা পাবি ক'ত ?

— ক'ত পাম ? হাজিৰা পাম নহয় তাৰে কিনিম।

— সেইয়া পাবলৈ দেৰি আছে। দেৰিকৈ গ'লে বি

— তেনেহলে উপায় ?

— বাক হ'ব দেচোন কালিলৈ কিবা এটা কৰিব লাগিব।

আমাৰ টুচুলৈ আৰু কিমান দিন আছে ?

— পাহৰিয়েই দেখোন। আজি সোমবাৰ, অহা মঙ্গলবাৰে পহিলা মাঘ।

আচলতে পহিলা মাঘতে টুচুপূজা কৰা হয়। টুচু শব্দটো মনত পৰাৰ লগে লগে চুনিয়াৰ গাটো বিমবিমাই গ'ল। তাইৰ মনত পৰিল টুচু গীতৰ কলি—

বামেৰ মা কৌশল্যাৰ বাণী
বুক বান্ধেছে পাষাণে
ৰামকে বনে বিদায় দিয়ে
ঘৰে আছে কেমনে ?

নিশা আৰু লক্ষ্মণ ওলাই নগ'ল। সোনকালেই সিহঁতে খাই বৈ পাৰি পাবলৈগে। চুনিয়া বিচনাত পৰাৰ লগে লগে সাত সাগৰৰ ভাগৰে হেচা মাৰি ধৰিলেহি। এনেয়ে পেটত ৮ মহীয়া সন্তান তাৰোপৰি দিনৰ দিনটো কাম, তাই আৰু নোৱাৰা হৈছে। তাতে তাই নতুন। ভালকৈ শুবও নোৱাৰে পেটটো কিবা খুচা বিন্ধা কৰে। ডাক্তৰণীক দেখুৱাওতে কৈছে বোলে কেচুৱাটোৱে লৰচৰ কৰে। তাই ওপৰলৈ মুখ কৰিলে আৰু ঘন ঘনকৈ উশাহ ললে। পেটৰ সন্তানটো যেন বুকুৰ কটিলৈকে উঠি আহিছে তাইৰ এনে লাগিল— হঠাতে তাইৰ বাম বাম লাগিল, তাই যেন বমি কৰিবই লাগিব। বৰ নোৱাৰি তাই উঠি গ'ল আৰু বমি কৰিলেগৈ। যিখিনি ভাত খাইছিল ওলাই গ'ল, মুখখন তাইৰ বিজলুৱা আৰু জ্বলা জ্বলা লাগিল। তাই জলকীয়া খাব নালাগিছিল কিন্তু কি হ'ব জ্বলা নাখালে ভাতেই পেটলৈ নাযায়

তাই বমি কৰা দেখি লক্ষ্মণ উঠি গৈ তাইক ধৰিলেগৈ

লক্ষ্মণে তাইক ধৰি আনি বিচনাত শুৱাই দিলে। চুনিয়াই ঘন ঘনকৈ উশাহ লোৱা দেখি তাৰ বৰ ভয় লাগিল।
— মই ডাক্তৰৰ তালৈ যাও চুনিয়া। তাই তাৰ হাতত ধৰি ক'লে— তই যাব নালাগে। ডাক্তৰ এতিয়া ক'ত পাবি। ভয় নকৰিবি সকলো ঠিক হৈ যাব।
— ব্যাক হব মই কালিলৈ হাস্না বাইদেউক কমগৈ।

চুনিয়াই সহ্য কৰিবলৈ চেষ্টা কৰিলে। লক্ষ্মণে তাৰ খহটা হাতখনেৰে তাইৰ পেটটো মোহাৰি দিলে। তাৰ হাতৰ পৰশ পাই তাই লাহে লাহে সুস্থ হৈ আহিল আৰু বহুত পৰৰ পিছত তাই টোপনি গ'ল।

৩৬ ● ●

ৰাতিপুৱা সাৰ পাই তাই ভাবিলে আজি তাই লক্ষ্মণক পঠাব লাগিব দিদিৰ বাচ্চা চাবলৈ। তাই লাহে লাহে পাকঘৰলৈ গৈ ভাত ৰন্ধা চালিখনৰ খুটাটোত আউজি ৰ'লগৈ। সেই বাঁহৰ খুটাটোতে তাই কেইটামান পইচা গোটাইছে। তাই লক্ষ্মণক জগাই দি খুটাটোলৈ আঙুলিয়াই দেখুৱালে। সি চকু মোহাৰি তাইলৈ ভেবা লাগি চাই প্ৰশ্ন কৰিলে— কি?
— খুটাটো।
- কি খুটাটো?

কাট, মই তাতে কেইটামান পইচা গোটাই থৈছো। তাকে লৈ তই দিদিৰ কেচুৱা চাবলৈ যা।

লক্ষ্মণে আনন্দতে ৰব নোৱাৰা হ'ল আৰু তৎক্ষণাত খুটা-টোৰ ফুটাটোৰেদি দাখনৰ আগটো সুমুৱাই দি এবখলা একৰাই পেলালে। লগে লগে পইচাবোৰ সিচৰিত হৈ পৰিল। চুনিয়াই মাটিত লেপেটা খাই বহিল আৰু আধুলি, সিকি, দহ পইচাবোৰ বেলেগে বেলেগে গোটালে। সিহঁতে হিচাব কৰি পালে মুঠ ৩০'০০ টকা।

চুনিয়াই ৰঙা কমালখনত পইচাখিনি টোপোলা বান্ধি বিচনা খনৰ ওপৰত থৈ ক'লে— সোনকাল কৰ। গাটো ভালকৈ ধুই ল আৰু কালি মই ধুই থোৱা চুৰিয়া-চোলা পিন্ধি ল।

লক্ষ্মণে আধা ঘণ্টা পিছত গা ধোৱা আৰু ধুই উঠি সূৰ্যক প্ৰণাম কৰি গামোছাখনেৰে মূৰটো মচি মাচ ভিতৰলৈ আহিল। সি ধুই থোৱা চুৰিয়া পিন্ধিলে আঠুলৈকে চুৰিয়াখন টানি দিলে, তাৰ পিছত ধুই থোৱা কামিজটো পিন্ধিলে, মূৰত পাগুৰিটো মাৰি বেৰত আঁৰি থোৱা সৰু আইনাখন চালে আৰু দুয়োখন হাতেৰে পাগুৰিটো অলপ পোনাই দিলে। চুনিয়াই পুৰণা জোতা-যোৰ উলিয়াই মচি কুচি চাফা কৰি পিন্ধিবলৈ আগবঢ়াই দি ক'লে— জোতাযোৰ অকমাণ এৰাইছে, আমাৰ সন্মানতে চিলাই লবি। এতিয়া আহ ভাতকেইটামান খাইলহি।

বাতিৰ ভাতকেইটা পানী দি লক্ষ্মণক খাবলৈ দি ওচৰতে বহি ক'লে— সোনকালে যা, সোনকালে আহিবি। লক্ষ্মণে কাঁহীৰ কাষতে থকা নিমখ আৰু জলকণত জলকীয়াটো লগাই কামোৰটো মাৰি ক'লে— ওঁ সোনকালে আহিম সি ভাত খোৱা চুনিয়াই চাই থাকিল।

তাৰ আঙুলিৰ ফাকেদি জেলেকাৰ হালধীয়া পানীবোৰ কাঁহীখনত টোপে টোপে সৰি পৰিল। তাই চাই থাকি ক'লে— কিয় এনেকৈ দেখোন? নাখাব কিয়?

- আজি কেখোন ভোকেই নাই অ'।

— কিয় আনন্দতে নহয় নে ? চুনিয়াই হাঁহিলে।

লগ্নে চুনিয়ালৈ চাই ক'লে— এইকেইটা তয়ে খাবি নহলে পেটৰ পোৱালীটোৰে কষ্ট পাব।

সি বাহিৰলৈ গৈ হাত ধুলে। আজি তাৰ বৰ আনন্দ। সি আজি দিদিৰ বাচ্চা চাবলৈ যাব। আগতে এদিন সি চাহাবৰ লগত ভেওঁলোকৰ ঘৰলৈ গৈছিল। সেইকাৰণে সি ঘৰটো উলিয়াব পাৰিব। কিন্তু ডাক্তৰখানাখন বা ক'ত ?

সেইসময়তে চুনিয়াই তাক সুধিলেহি— তই চিনি পাবি নে নাই ?

— ঘৰতো চিনি পাম কিন্তু ডাক্তৰখানাখন বা ক'ত ?

— আগতে ঘৰলৈ যাবি। ধৰলৈ আহিবও পাৰে।

— ওঁ তই ঠিকেই কৈছ ? আগতে ঘৰলৈকে যাম।

সি জোতাযোৰ পিন্ধি ললে আৰু ঘৰৰ ভিতৰতে খোজকাঢ়ি চালে। বহুত দিন জোতা পিন্ধা নাই, ভৰিখন ধৰিছে। সি সোঁভৰিৰ জোতাপাত খুলিলে আৰু ভিতৰখনত ফু মাৰি দি আকৌ পিন্ধিলে। চুনিয়াই তাৰ হাতত ৰঙা কমালৰ টোপোলাটো দি ক'লে— হেঁা, চোলাটো ভাল চাই কিনিবি। পেন আৰু চোলা একেলগেও পাবি। মুঠতে ভাল কিনিবি। বা এতিয়া দেৰি হৈছেই।

লগ্নে টোপোলাটো লৈ চুৰিয়াৰ খোচনিত সুমুৱাই ললে আৰু ধৰকৈ খোজ দিলে। তাই পিছফালৰ পৰা চিঞৰি ক'লে— বজাৰত আকৌ ঘুমুমাৰি।

● ● ●

আজি শনিবাৰ। সিহঁতৰ বজাৰৰ দিন। সি বজাৰখন

পাবহৈ ধাব লাগিব। বজাবত সি ধুনুবাই বাস্তাৰ কাষতে থকা মুচিব হতুবাই কিন্তু জোতাপাত চিলাবই লাগিব।

সি খবকৈ খোজ দিলে আৰু বজাবৰ ওচৰ পাই মুচি এটাৰ তাত জোতাপাত চিলাই ললে। সি অলপদূৰ গৈছেহে এনেতে কোনোবাই মতা যেন শুনিলে—সেইটো মঙ্গল নে, ইমান সাজি কাচি ক'লৈ যাব?

সি ফিৰি চাই দেখিলে মঙ্গলা।

—কলৈ যাব ইমান সাজি কাচি? মঙ্গলা ওচৰ চাপি আহিল।

—চাহাবৰ তালৈ যাও। আমাৰ দিদিৰ এটা বাচ্চা হৈছে নহয় খবৰ লবলৈ যাও।

—খেৎতেৰিকা। মঙ্গলা হাঁহি হাঁহি বাগৰি পৰিল। তই-তই খবৰ লবলৈ যাব চাহাবৰ কেচুৱাৰ?

—তাতে কি হ'ল? তই কিয় হাঁহিছ?

—হাঁহিছো মানে উদং হাতে চাহাবৰ বাচ্চা চাবলৈ লাজ নালাগে তোৰ?

—এই মঙ্গলা মুখ চম্ভালি কথা কবি বুজিলি। মই উদং হাতে আহা বুলি ভাবিছ নেকি?

—আৰু কি? উদংহাতে মাহি কি মধুকলাইটো আনিছ?

—এই মঙ্গলা মই সুদা হাতে অহা নাই বুজিলি এইয়া চা—সি থুচনিৰ পৰা খণ্ডা কমালত বন্ধা পইচাৰ টোপোলাটো মঙ্গলাৰ মুখৰ আগত দাঙি ধৰিলে।

মঙ্গলাই মুখখন মেলি টোপোলাতো চাই থাকিল।

—কি চাইছ নগদ ৩০ টকা আছে বুজিলি।

—আহ্ বৰ ভাল তই।

—ওঁ মোৰ চুনিয়াই গোটাইছে।

—ওঁ তোৰ চুনিয়াটো একদম লক্ষ্মী আছে।

—আছে অলপ বহি লওঁ। আজি কিন্তু বৰ ভাল হাবিয়া বনাইছে। একদম এক নম্বৰ। অলপ খাই বাৰি আহ গাটো ভাল লাগিব।

—এই মঙ্গলা আজি মই নাখাওঁ। চাহাবে বেয়া পাব।

—আৰে চাহাবে ক'ত গম পাব মই তোক ১২০ নম্বৰ জৰ্দ্দাপান খুৱাই দিম নহয় ? তোৰ পইচা থৈ দে মই খুৱাম তোক।

—হয় নেকি ? বাৰু বল মোৰ পইচা কিন্তু খৰচ নকৰো।

—আৰে পইচা গুলি মাৰ। তই খৰচ নকৰ মই কৰিম ব'ল। এক নম্বৰ হাবিয়া !

মঙ্গলা আগে আগে লক্ষ্মণ পাছে পাছে খোজ ললে। হাবিয়াৰ ওচৰত জমি আছে হাবিয়া পাই একদম উৰাই দিছে। মঙ্গলাই এগিলাচ আনি তাৰ হাতত তুলি দি ক'লে— হেঁ খা !

লক্ষ্মণে ধক্ ধক্ কৈ পি দি ক'লে— মই যাওঁদে মঙ্গলা। তই খা। মোৰ দেৰি হব।

—আৰ এক গিলাচ খাই যা।

—নাই নাখাওঁ। চুনিয়াই মানা কৰিছে।

মঙ্গলাই খেকখকাই হাঁহি ক'লে— ঐ শুনিছনে ইয়াক বোলে চুনিয়াই মানা কৰিছে সিয়ো তিৰোতাৰ বইচ হ'ল।

—ঐ লক্ষ্মণ শুনবে তিৰোতাৰ বইচ হলি তই ?

—তাৰ খং উঠিল। কি কলি ? মই তিৰোতাৰ বইচ হ'লো। মই কেতিয়াও তিৰোতাৰ বইচ নহওঁ বুজিলি। আন মই হাবিয়া খাম।

মঙ্গলাই এগিলাচ, দুগিলাচ তিনি গিলাচ আনি তাক খুৱাই দি ক'লে— আৰে বেটা যা-যা পইচা নাই আৰু খাব ? লাজ নালাগে।

—মঙ্গলা ! কোনে ক'লে মোৰ পইচা নাই বুলি।

—সেইয়া পইচা জানো তোৰ ? মাইকীৰহে পইচা।

—এইয়া মোৰ পইচা বুজিলি। বাহাদুৰি নকৰিবি। সি ততক্ষণাত

ককালৰ গাঠিটো খুলি বঙা কৰালৰ টোপোলাটো উলিয়ালে আৰু মঙলাৰ কালে দলিয়াই দিলে। মঙলাই টোপোলাটো খাপ মাৰি ধৰি ল'লে আৰু হাবিয়া বাটিত বহি খাবলৈ ধৰিলে। লক্ষ্মণেও খাই খাই ৰাস্তাত ধলি পৰিল।

সন্ধিয়ালৈ চুনিয়াই উচপিচ কৰি কটালে। সন্ধিয়া পাৰ হ'ল। আন্ধাৰ নামি আহিল। চুনিয়াই বাৰান্দাতে বহি লক্ষ্মণলৈ বাট চালে। তাই বহি থকাৰ কিছু সময়ৰ পাছতে সি আন্ধাৰে মুধাৰে ধলং পলংকৈ ঘৰ সোমালহি। ভৰিত জোতা নাই, কামিজত বোকাই বোকা, চুৰিয়াও মুলকি আধা চুহৰি আহিছে।

চুনিয়াৰ তাক দেখি চুলিৰ আগে জঁউ গ'ল। কামিজত ধৰি জোকাৰি জোকাৰি দি ক'লে – কি হ'ল তোৰ? ক কি হ'ল? তই দিদিৰ ভালৈ গলি নে নাই?

—নাই যোৱা। চব মাল খাই শেষ।

সি বাৰান্দাখনতে থুপুচ কৰি বহি পৰিল। চুনিয়াই নিজৰ চুলিখিনিকে আজুৰি আজুৰি চিঞৰি লগা কৰি হোৰাও বায়ে কান্দিলে।

তাইৰ কান্দোনত উত্তৰ দিওতা যেন আজি আৰু কোনো নাই।

— x —

টুচুপূজা। চাহজনজাতিৰ অন্যতম প্ৰধান উৎসৱ হ'ল টুচু পূজা। এই উৎসৱ হ'ল মহিলাসকলৰ উৎসৱ। টুচু পৰব দুইৰকমে পালন কৰে। একৰম হ'ল ঘৰত আৰু আনবিধ হ'ল নদীৰ পাৰত। পুহ মাহ পৰিলেই কোনো এঘৰত মহিলাসকল গোট খাই আৰু এগৰাকী মহিলাক টুচুৰ মা হিচাবে পাতি লয়। টুচুৰ মায়ে টুচুৰ জাগৰণটো পৰিচালনা কৰে। এই উৎসৱটো লৈ এটা বুৰঞ্জীমূলক কাহিনী আছে। এসময়ত ৰজা আলাউদ্দিনে আম্বলা ৰাজ্যৰ ৰজাৰ মুখত বীৰবলৰ কন্যা ৰুক্মিণীৰ ৰূপৰ কথা জানিব পাৰি বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। কিন্তু বীৰবলে বিয়াৰ প্ৰস্তাৱক একেবাৰে নাকচ নকৰি তীৰ্থ ভ্ৰমণ কৰাটো তেওঁলোকৰ জাতিগত নিয়ম বুলি খবৰ পঠালে আৰু ইয়াকো জনালে যে তীৰ্থ ভ্ৰমণ কৰি আহিহে তেওঁৰ কন্যা ৰুক্মিণীক বিয়া দিব। ৰজাইও সন্মতি জনালে। কিন্তু বহুত দিনলৈকে বীৰবল কন্যাসহ নহা দেখি আলাউদ্দিনে এই অভিসন্ধি বুলি ভাবিলে আৰু বীৰবলক বিচাৰি চাৰিও দিশে মানুহ পঠালে। এই খবৰ পাই বীৰবল ছোটনাগপুৰলৈ পলাই যায় আৰু তাৰ আদিবাসী চাওতালবিলাকৰ লগতে আত্মগোপন কৰে। আত্মগোপন কৰি থকা কালত ৰুক্মিণীয়ে টুচু নাম লয়। কিন্তু দুৰ্ভাগ্যবশতঃ চাওতালী চৰ্দাৰজনৰো মৃত্যু হোৱাত টুচুমণিয়ে ভৰত সিংহৰ ভূমিজ ৰাজ্য শিখৰভূমিত গৈ আশ্ৰয় লয় আৰু ভৰত সিংহৰ কন্যা সুকমণিৰ লগত সখি পাতি সীতাৰাম নামৰ লোক এজনৰ লগত বিয়া হয় আৰু সুখেৰে থাকে কিছুদিন সুখেৰে থকাৰ পিছত এদিন

হঠাতে সীতাৰামৰ মৃত্যু হয়। সেইদিনা আছিল পুহ মাহৰ মকৰ সংক্ৰান্তি। সেইদিনা ওচৰ চুবুৰিয়াই ওৰে নিশা কান্দি মৃতকৰ কাষত বহি থাকে। সেয়ে আজিও চাহজনজাতিসকলে ওৰে নিশা টুচুমনিৰ কথা মনত পেলাই টুচু জাগৰণ কৰে। কাৰণ সেই সময়ত সতী হোৱা নিয়ম অনুসৰি স্বামীৰ চিতাতে উঠি টুচুমনি জাহ যায়। এতিয়াও টুচুৰ স্মৰণার্থে বাইজে চৌড়ল সাজি নদীত উটুৱাই দিয়ে।

পৰৱৰ্তী বাগানতো পুহ মাহৰ সংক্ৰান্তি আহি উপস্থিত হ'লহি। সেইকাৰণেই মহিলাসকল গোটখাই টুচু উৎসৱ পতাৰ দিহা কৰিলে। এগৰাকী মহিলা টুচুৰ মা হব লাগিব। সকলোৱে মিলি অহল্যা কুৰ্মীকে টুচুৰ মা পাতিলে।

মকৰ সংক্ৰান্তিৰ দিনা টুচুৰ মা ৰূপী অহল্যাই টুচু উৎসৱটো পৰিচালনা কৰিলে। অহল্যা কুৰ্মীৰ ঘৰতে টুচুৰ প্ৰতিমূৰ্তি সাজি মহিলাসকলে গীত গাই গাই ফলমূল আৰু আখৈ দি টুচু জাগৰণ কৰিলে।

চল টুচু চল খেলতে যাব
ৰাণী গঞ্জেৰ বটতলা,
খেলতে খেলতে দেখে আসব
কয়লা খাদেৰ জলতলা ॥
হলুদ বনেৰ টুচু তুমি
হলুদ কেন মাখনা
শাশুৰী ননদেৰ ঘৰে
হলুদ মাখা সাজে না ॥

ডেকা লʼৰাবিলাকে বাদ্যযন্ত্ৰ বজাচে। গোটেই নিশা জাগৰে থাকি পূজা অৰ্চনা কৰি গীত গাই, বাদ্যযন্ত্ৰ বজাই টুচুৰ মূৰ্তিটো টুচুৰ মাৱে মূৰত তুলি ঘৰে ঘৰে বিদায় মাগি ফুৰিলে। পাছদিনা টুচুৰ মূৰ্তি দেখি গৃহস্থনী ওলাই আহি টুচুৰ চৰণ

ধুৱালে আৰু পিঠাপনা খাবলৈ দিলে। টুচুৰ মূৰ্ত্তি এইদৰে কুৰাই কুৰাই সকলোৱে নদীৰ ঘাটলৈ লৈ গ'ল আৰু ঘাটত টুচুৰ মূৰ্ত্তি বিসৰ্জ্জন দিলে। সেই নদীৰ ঘাটকে টুচু ঘাট বুলি কয় আৰু সেই ঘাটতে নামি সকলোৱে গা ধুৱে। যদি কোনোবাই গা নুধুয়ে তেন্তিয়াহলে পৰজন্মত গাহৰী হব বুলি জনজাতিসকলে বিশ্বাস কৰে।

টুচুৰ উৎসৱত সকলোৱে মিঠা আলু খায়। চুনিয়া আৰু লক্ষ্মণেও সেই দিনা মিঠা আলু খালে।

চুনিয়াৰ গা বেচি ভাবি হৈ আছিছে তথাপিও তাই নদীৰ ঘাটলৈ গৈ গা ধুই আহিলেগৈ। তাই ঘৰলৈ আহি দেখিলে লক্ষ্মণ নাই। সি ছাগৈ কোনোবা মদৰ ঘাটিত বহিলগৈ।

চুনিয়া বিচনাত পৰিল। তাইৰ ককালটো বৰ বিষাবলৈ ধৰিলে। ইমান দূৰ খোজ কাঢ়ি তাই নদীৰ ঘাটলৈ যাব নালাগিছিল। তাইৰ অধপালৈ মনত পৰিল। প্ৰায় চাৰিমাহ জিদি বাগানত নাই আৰু বাগানত নথকা কেইমাহতে লক্ষ্মণ একেবাৰে সলনি হৈ গ'ল।

তাইৰ পেটটো লাহে লাহে বেচিকৈ বিষাবলৈ ধৰিলে। তাই নদীৰ ঘাটলৈ যাব নালাগিছিল কিয়নো সেইদিনা হাসনা আৰু ডাক্তৰ আহি তাইক চাই জিৰণী লবলৈ কৈ গৈছিল। কিন্তু তাই নামানিলে। লাহে লাহে তাইৰ বিষটো বেছি হৈ আহিল আৰু গাটো কপিবলৈ ধৰিলে। তাইৰ যেন উশাহ নিশাহ বন্ধ হৈ যাব। তাই লাহে লাহে চাংখনৰ পৰা নামিল আৰু চুচৰি গৈ বাৰাণ্ডাৰ পৰা মাতিলে বুলুমাইগ' অ' বুলুমাই! তাইৰ কেকনী কেঁতনী ভৰা মাতটো শুনি বুলুমাই দুৱাৰ মেলি চাই দেখে চুনিয়া পৰি আছে। তাই চিঞৰ বাখৰ কৰি মানুহ মাতিলে।

সাবিত্ৰীবালা, মনোমতী আহি তাইক মাটিতে বহা পাবি

শুৱাই দিলে। সাবিত্ৰীবালা অনাপুৰা বয়সীয়াল মানুহ। তাই জানিলে চুনিয়াৰ সময় হৈছে। তাই মিঠাতেল অকমান লগে আৰু চুনিয়াৰ শৰীৰখন খুলি তললৈ নমাই লৈ লাহে লাহে পেটটো মালিচ কৰিবলৈ ধৰিলে। বুলুমাইক ক'লে– গৰম পানী বনাই দে আৰু বঙা চাহ অকমান কৰি দে তৎক্ষণাত! বুলুমাইহঁতে জুই জ্বলালে আৰু বঙা চাহ অলপ কৰি আনি চুনিয়াক খাবলৈ দিলে। সাবিত্ৰীয়ে ক'লে— ওঁ বল-দে-বল দে হ'ব-হ'ব।

কিন্তু চুনিয়াই বল দিব ক'ৰ পৰা। তাইৰ গাত শক্তি নাই, তেজ নাই। অৱশেষত চুনিয়া বেহুচ হৈ পৰিল।

সকলোৱে তাইৰ মুখত তেল পানী দিলে। সাবিত্ৰীয়ে দৌৰী গৈ চৰ্দাৰক মাতি পঠালে। চুনিয়াক হস্পিতালত নিব লাগিব, এম্বুলেন্স আনিব লাগিব। এইখন বাগানত ক'ত এম্বুলেন্স আছে? আন বাগানৰ পৰা আনিব লাগিব। কিন্তু মণিৰাম চৰ্দাৰৰ খবৰেই নাই। সি বোলে কাম চাব লাগে, সময় নাই।

তাই চৰ্দাৰক বঙা চকু দেখুৱাই ক'লে– কিয় সময় নাই? চুনিয়া মৰিবলৈ ওলাইছে আৰু তহঁতৰ সময় নাই? মাইকীবোৰ লৈ তহঁতে মজা লুট' আৰু মৰিবৰ বেলিকা সময় নাই। বেগেতে যা, আমাক এম্বুলেন্স লাগে আৰু হাস্‌না বাইদেউক খবৰ দে।

তাইৰ খঙৰ কোবত সকলোৱে দৌৰা-দৌৰি কৰিলে। হাস্‌নাক খবৰ দিলে। সাবিত্ৰীয়ে দেখিলে চুনিয়াৰ ভৰিয়েদি পানী বাগৰি আহিছে, পানী ভাঙিলেই। উস্ সাবিত্ৰীয়ে আকৌ এবাৰ চেষ্টা কৰিলে কিন্তু নাই, চুনিয়াৰ ততেই নাই।

অৱশেষত এম্বুলেন্স আহিল আৰু লগে লগে চুনিয়াক নগাঁও হস্পিতাললৈ লৈ অহা হ'ল। বহুত চেষ্টাৰ পিছত চুনিয়াই এজনী মৃত ছোৱালী প্ৰসৱ কৰিলে।

এবছৰমান পিছত চাহপাত তোলা ট্ৰাকত মোহন, লক্ষ্মণহঁত

আহি পালেহি। সি হস্পিতালৰ বাৰান্দাত ঠিয় হৈ অবাক হ'ল। জুনিয়াই এটি মৃত সন্তান প্ৰসৱ কৰিছে। সি একো বুজিব নোৱাৰিলে। ডাক্তৰ ওলাই আহি ক'লে — উপায় নাছিল। হস্পিতালৰ লোকে জানিব লাগিছিল।

তাৰ ভৰিৰ তলৰ পৃথিৱীখন যেন আতৰি গ'ল আৰু সি যেন এটা প্ৰকাণ্ড গাতৰ ভিতৰলৈ সোমাই গ'ল।

তাৰ যেতিয়া জ্ঞান আহিল সি দেখিলে হস্পিতালৰ বাৰান্দাত সি পৰি আছে।

— ব'ল লক্ষ্মণ।

— ক'লৈ মোহন ?

— ওঁ লক্ষ্মণ আমাৰ বাগানৰ শ্মশানলৈ কেচুৱাটো লৈ যাব লাগিব।

সি খলং পলং কৰি ঠিয় হ'ল আৰু কাপোৰেৰে মেৰিয়াই থোৱা কেচুৱাটো বুকুত সাৱটি ধৰিলে।

— × · ·

অৰূপাক হস্পিতালৰ পৰা নিবলৈ শাহুয়েক আহিছিল যদিও অৰূপা যাবলৈ মন নকৰিলে। এসপ্তাহ হস্পিতালত থকাৰ পাছত ককায়েক আৰু বৌয়েক আহি অৰূপাক নিজৰ ঘৰ বিশ্বনাথ চাৰিআলিলৈ লৈ গ'লহি। তাতে অৰূপা চাৰিমাহ থাকিল আৰু মাঘৰ বিহুৰ পাছত বাগানলৈ ঘূৰি আহিল। ছোৱালীটিৰো প্ৰায় চাৰিমাহ হ'লহি। ককায়েকে ছোৱালীজনী চাবলৈ মায়া নামৰ মানুহ এজনীও লগত পঠাই দিলে। অৰূপা সুস্থ সবল আৰু হাঁহি স্বভাৱেৰে আহি ঘৰত সোমালহি। অনিলে তাই নথকা সময়খিনিত ঘটি যোৱা কথাবোৰ নকলে। কাৰণেই হয়তো অৰূপাৰ মন ভাঙি পৰিব।

এদিন দুদিন কৰি কেইবাদিনো যোৱাৰ পাছতো যেতিয়া লক্ষ্মণ নাহিল অৰূপাৰ সন্দেহ হ'ল আৰু অনিলক সুধিলে। মই অহা আজি এসপ্তাহেই হ'বৰ হ'লহি কিন্তু লক্ষ্মণৰ দেখোন দেখা সাক্ষাতেই নাই, কি হ'ল ?

— একো হোৱা নাই! আহিব হবলা

— নহয়, নহয় অনিল মযে আজি সিহঁতৰ খবৰ এটা লবলৈ যাম বুলি ভাবিছো। যাবনে?

— বাৰু যাবা। মই অফিচৰ পৰা আহি লও।

সময় আগবাঢ়িল। আবেলি অৰূপাই কেচুৱাটো মায়াৰ হাতত দি লক্ষ্মণহঁতৰ ঘৰলৈ ওলাল।

অৰূপাই মনেখৰক লগত ললে আৰু সুৰসুৰিয়া আলিয়েদি

গৈ চুনিয়াহঁতৰ ঘৰৰ দুৱাৰ মুখ পাই ভাবিলে ইমান অস্বাভাৱিক পৰিবেশ কিয় ? মনেশ্বৰ ওচৰে ওচৰে গৈছিল যদিও কোনো কথা কৰলৈ তাৰ সাহস হোৱা নাছিল।

অৰূপা গৈ দেখিলেগৈ লক্ষ্মণ জুপুকা মাৰি বাৰান্দাতে বহি আছে। আগৰ সেই পৰিস্কাৰ সুন্দৰ চেহেৰাৰ লক্ষ্মণ দেখোন সেইটো নহয়। এইটো মদ ভাং খোৱা আন এটা লক্ষ্মণহে যেন ? তাই দেখা পাই চক খাই উঠিল।

ওচৰ পাই দেখিলে লক্ষ্মণে দুটা আঠুৰ মাজত মূৰটো গুজি আছে, গাত চোলা নাই, চুলিত তেল নাই, অৰূপাই লক্ষ্মণ বুলি মাত দিয়াৰ লগে লগে লক্ষ্মণে চক খাই উঠি দেখিলে সন্মুখত সিহঁতৰ দেবী স্বৰূপা অৰূপা দিদি। সি ঠাচকৈ অৰূপাৰ ভৰিত ধৰি হুকহুকাই কান্দিবলৈ ধৰিলে— অৰূপা অস্থিৰ হ'ল লক্ষ্মণে কান্দি কান্দি ক'লে— মোৰ সকলো শেষ হৈ গ'ল। মোক মাৰি পেলাওক।

অৰূপাই একো বুজিব নোৱাৰি সুধিলে – চুনিয়া ক'ত লক্ষ্মণ ?

– তাইৰ সকলো মই শেষ কৰি দিলো দিদি, মোক ক্ষমা কৰক।

অৰূপাই লক্ষ্মণক তাতে এৰি ভিতৰলৈ সোমাই গৈ দেখে চুনিয়াই উচুপি আছে অৰূপাক দেখি চুনিয়াই আকৌ হুকহুকাই কান্দিলে। দিদি মোৰ বাচ্চা, মোৰ বাচ্চা।

— ক চুনিয়া তোৰ বাচ্চা ক'ত ? কি হ'ল তোৰ বাচ্চাৰ।

— মই - মই মৰা বাচ্চা এটাহে জন্ম দিলো।

তাইৰ মুখৰ পৰা সকলো কথা বিৰবিৰ শুনাৰ পাছত অৰূপা একেঠাইতে নিঠৰ হৈ থাকিল। চকুৰ আগতে যেন ইমান দিনৰ সোণালী সোধটো জৰজৰকৈ খহি পৰিল অৰূপাৰ, এনে ভাব হ'ল। সকলো যে মদেই শেষ কৰিলে অৰূপাৰ আৰু বুজিবলৈ বাকী

নাথাকিল।

তাই চুনিয়াক শান্তনা দি ক'লে— তই চিন্তা নকৰিবি চুনিয়া, মই আছিছো যেতিয়া সকলো ঠিক হৈ যাব। অৰুপা ভিতৰৰ পৰা ওলাই আহি লক্ষ্মণক খঙেৰে ক'লে— তই আজিৰ পৰা মোৰ ভাই নহয়।

তাই লক্ষ্মণইঁতৰ ঘৰৰ পৰা আহি দেখে বীনাবাইদেউ আৰু হাস্‌না বহি আছে। অৰুপাই সিহঁতক দেখি খং আৰু অভিমানেৰে ক'লে— বাগানত ইমানবোৰ ঘটনা ঘটিল আপোনালোকে মোক কিয় কোৱা নাই। চুনিয়াই মৃত সন্তান প্ৰসৱ কৰিলে তাকো আপোনালোকে মোক লুকুৱালে।

অনিলে সেই মুহূৰ্ত্তে ভিতৰৰ পৰা ওলাই আহি তাইৰ হাত খনত ধৰি চকিখনত বহুৱাই দি ক'লে - নাই কোৱা এই কাৰণেহে যে তোমাৰ সেই অৱস্থাত সেইবোৰ কথাই মনত আঘাত দিব।

-- ভয় বাইদেউ, আপোনাৰ অপকাৰ হয় বুলিয়েই খবৰ নিদিলো। আমিয়েই যি পাৰো কৰিলো।

- কি আৰু কৰিবা ? অৰুপাই বেজাৰ কৰিলে।

— ডাক্তৰক দেখুৱাই ঔষধ পাতি দিছো বাইদেউ। হাস্‌নাই অৰুপালৈ চাই আকৌ ক'লে— আমাৰ ডাক্তৰে চাই আছে। কিন্তু এবাৰ Gyne ডাক্তৰক দেখুৱাব লাগিব বুলি কৈছে।

— এৰা তাইৰ অৱস্থা বৰ শোচনীয় হৈ পৰিছে। বীনাবাইদেউৱে কথাষাৰ কৈ অৰুপালৈ চালে।

— কালিলৈকে তাইক লৈ যাব পাৰি, নহয়নে বাইদেউ ?

-- তুমি জানো পাৰিবা অৰুপা ?

— কিয় নোৱাৰিম।

— তেনেহলে কালিলৈকে যাম। মহো যাম।

— হ'ব বীনাবাইদেউ আপুনি যাব যেতিয়া কিহৰ চিন্তা অৰুপাই

মনত আনন্দ পালে ।

আকৌ যে কৰ্ম্মক্ষেত্ৰত নামিব পাৰিব তাকে ভাবি ভগৱানক ধন্যবাদ জনালে। বীনাবাইউয়ে অৰূপাক জনালে, এতিয়ালৈকে ২৯ খন চাহবাগিচাত শিশু আৰু মাতৃ তথা শ্ৰমিকসকলৰ কাৰণে কাম কৰা হৈছে। যিবিলাক বাগানত স্কুল খুলি দিয়া হৈছে তাত ল'ৰা-ছোৱালীৰ সংখ্যা বাঢ়িছে আৰু নৈশ স্কুলবিলাকত আচৰিত ধৰণেৰে মহিলাই শিক্ষা গ্ৰহণ কৰিবলৈ অহা দেখা গৈছে। আমাৰ উদ্যোগপতিয়ে ভাৱে যে শিক্ষা গ্ৰহণ কৰিলে আৰ্থিক অৱস্থাৰ অৱনতি ঘটিব পাৰে কিন্তু উন্নয়নশীল দেশসমূহৰ অৱস্থালৈ চাই প্ৰমাণ কৰিব পাৰি যে, শিক্ষিত শিশু এটাই অশিক্ষিত শিশু এটাতকৈ বেছি কাম কৰিব পাৰে, উপাৰ্জনো বেছি কৰিব পাৰে।
— আপুনি ঠিক কৈছে বাইদেউ সেইকাৰণেই আজি আমাৰ দেশ আৰ্থিক দিশত পিছ পৰা: ভাৰতবৰ্ষত আধা ভাগ শিশুৱেই স্কুললৈ নাযায়। ভাৰতবৰ্ষত যিবোৰ উদ্যোগ আছে সেই সকলো উদ্যোগতে শিশুসকলক শ্ৰমিক হিচাবে খটুৱাই উদ্যোগপতিয়ে কম মজুৰি দি শোষণ কৰি আছে। আমি শিশু শ্ৰমৰ বিৰুদ্ধে ৰাইজক সচেতন কৰা দৰকাৰ বাইদেউ। কাৰণ কম বয়সতে কামত খটুৱাই এটা শিশুক নিশকটীয়া কৰা হয়। যি কাম, তাৰ উচিত মূল্য, পুষ্টিকৰ খাদ্য শিশুসকলে নাপায়! ভাৰতৰ বহুতো উদ্যোগত এনে কমবয়সীয়া শিশুৰ ওপৰত শাৰীৰিক অত্যাচাৰ চলোৱা হয় তাৰ বাহিৰেও অতি আচৰিত কথা যে কোনো কোনো শিশু যৌন বিকৃতিৰ চিকাৰ হয়। ফলত এনে শাৰীৰিকভাৱে অত্যাচাৰৰ বলি হোৱা শিশুবোৰ অনেক অসুখত ভুগিব লগা হয়।
— বাইদেউ, ৰাষ্ট্ৰসংঘৰ আন্তৰ্জাতিক শিশু ন্যাস অৰ্থাৎ UNICEF য়ে এই ক্ষেত্ৰত বহুতো সহায় আগবঢ়াইছে। আৰু বাহিৰেও জাৰ্মান চৰকাৰৰ আৰ্থিক সাহায্য লৈ আন এখন আঁচনি তৈয়াৰ কৰিব

বুলি জানিব পাৰিছো।

এনেতে আনিলে আহি ক'লে— এঁ International programme for elimination of child Labour (আন্তৰ্জাতিক শিশু শ্ৰম নিৰ্মূলকৰণ আঁচনি। যদি এই আঁচনি ফলৱতী কৰিব পাৰি তেনেহলে বহুতো শিশুৰ স্বাস্থ্যৰ উন্নতি হ'ব বুলি আশা কৰিব পাৰি।

বীনাবাইদেয়ে ক'লে— যিমানেই আঁচনি নহওক লাগে সমাজ সচেতন নহ'লে এই আঁচনিয়ে একো কৰিব নোৱাৰে।

- ঠিক, বীনাবাইদেউ আপুনি ঠিকেই কৈছে। সকলো মানুহ সচেতন হ'ব লাগিব।

হাস্‌নাই অকণমানি চালে— বাইদেউ য'ত য'ত সঙ্গীত বিদ্যালয় খোলা হৈছিল তাতো বনগীত, বৰগীত, ঝুমুৰ নৃত্য আদি শিকোৱা হৈছে।

— বৰ ভাল পাইছো হাস্‌না মই নথকাত যে তোমালোকে ইমান কাম কৰিলা তাৰ বাবে ধন্যবাদ।

— এটা বৰ ডাঙৰ কথা কিন্তু আপুনি নথকা অৱস্থাতে হবলৈ ধৰিছিল।

— কি কথা হাস্‌না ?

— অমৰাৱতী চাহবাগিচাত ধৰ্ম্মঘট হ'বলৈ ধৰিছিল।

— পিছে ?

— পিছে আৰু কি হ'ব। লক্ষণ আৰু মোহনইতে ঠাণ্ডা কৰিলে।

— হয় ?

— ওঁ, অঞ্জলীয়ে খবৰ নিদিয়া হ'লে ধৰ্ম্মঘট হ'লেইহেঁতেন। আমাৰ যে কিমান ভয় লাগিছিল বীনাবাইদেউয়ে কথাবাৰ কৈ অকণমানি চালে।

— বীনাবাইদেউ আপোনালোকে মোক এইবোৰ একো নজনালে।

— কিয় জনাব লাগে। তেতিয়া যে তুমি প্ৰস্তুতি ঘৰত। তোমাৰ আমাৰ ওপৰত বিশ্বাস নাই নেকি?

— ইস্ কিয় তেনেকৈ কয় বাইদেউ। আপোনালোকেই মোৰ সকলো।

— বাক হ'ব দিয়া। আমি এতিয়া যাও।

সিহঁত গ'লগৈ। অৰূপাই অনিলক বিছাৰি ভিতৰলৈ সোমাই গ'ল।

৫৬

পিছদিনা বাতিপুৱা হাস্নাই গাড়ীখন লৈ ওলালহি। হাস্না অহা দেখি অৰূপায়ো পিন্ধি উৰি ওলাল। তাইৰ গালৈ যেন নতুন শক্তি আহিল। অৰূপাৰো এনে ভাব হ'ল। কৰ্ম্ম ক্ষেত্ৰত নামি পৰিবলৈ তাই সকলো জড়তা আতৰাই থলে।

সিহঁত ছুয়োজনী চুনিয়াৰ ঘৰলৈ গ'ল, আৰু চুনিয়াক গাড়ীত তুলি নগাঁও অভিমুখে ৰাওনা হ'ল।

ডাঃ দিপ্তী কাকতিয়ে চুনিয়াক ভালকৈ পৰীক্ষা কৰি ক'লে— চিন্তাৰ কোনো কাৰণ নাই। সকলো ঠিক আছে, মাত্ৰ শক্তি কম, তেজহীনতাৰ কাৰণে দুৰ্ব্বলতাটো বাঢ়িছে। ঠিকমতে খোৱা বোৱা কৰিলে ভালহৈ আহিব। ডাঃ কাকতিয়ে আকৌ ক'লে— মনত আঘাত পাইছে, মনত বাথিব মানসিক সংঘাটে বিপৰ্য্যয় আনে। আপোনালোকে সেই দুখ মনৰ পৰা আঁতৰাই দিবলৈ

চেষ্টা কৰিব। অৰুণাইঁতৰ দিপ্তী কাকতিক বৰ ভাল লাগিল। মিঠা কথা, নম্ৰ ব্যৱহাৰে সিহঁতক মোহিত কৰিলে, আৰু আচৰিত কথা যে চুনিয়াক চাই দিয়া বাবত একো ফিঁজই নললে। নিজৰ অফিচত বহুৱাই আদৰ অভ্যৰ্থনাৰে কৰিলে। অৰুণাই মনতে ভাল লাগি মুখি পেলালে – ডাঃ মিচেচ কাকতি আমি আপোনাৰ ব্যৱহাৰত অতি সন্তুষ্ট হৈছো, আৰু এটা অনুৰোধ কৰিব খুজিছো।

—অনুৰোধ ? দিপ্তী কাকতিয়ে আচৰিত হ'ল।

—চাওক আমি বাগানত থাকো। আপুনিটো জানেই আমি তাত বৰ অকলশৰীয়া। সেইহে আমি তাত এটা সন্থা খুলিছো – শিশু আৰু মাতৃসকলৰ কাৰণে। আপুনি যদি অকমান আমাক সহায় কৰে।

—কি কৰিব লাগিব বাৰু !

—আপুনি এদিন গৈ যদি আমাৰ বাগানৰ মাতৃসকলৰ অৰ্থাৎ গৰ্ভৱতীসকলক অলপ পৰীক্ষা কৰি সহায় কৰি দিয়ে।

—নিশ্চয় দিব লাগে। ময়োটো নাৰী, গতিকে মই বুজো। কিন্তু এই হস্পিতাল, নাৰ্চিংহোম এইবিলাকত ব্যস্ত থাকি আৰু কিবা যে Social work আছে পাহৰিয়েই গৈছো। বাৰু আপোনালোকে কওকচোন— মই কেতিয়া যাব লাগিব।

—আপুনি কওক আমি লৈ যামহি আৰু থৈ যামহি।

ডাক্তৰ মিচেচ কাকতিয়ে অকমান পৰ ভাবি ক'লে— অহা দেওবাৰে। হ'বনে ?

—হ'ব। কিন্তু আমি বাতিপুৱা ১০ মান বজাত আহিম।

—নাই নাই ! সেইদিনা মিষ্টাৰৰ লগত একেলগে খাব লাগিব। কাৰণ ডাক্তৰ যেতিয়া আমি একেলগে খাবলৈকে নাপাও, ল'ৰা-ছোৱালী দুটাও আছে নহয়। আবেলি ২ মান বজাত আহিলে ভাল ?

—ঠিক আছে সেইমতেই আমি আহিম।

তেওঁলোকে ডাক্তৰৰ পৰা বিদায় ললে, আৰু বাগানলৈ ঘূৰি

আছিল্‌। তাই চুনিয়াক কলে—তই কিছুদিন মোৰ লগতে থাক। অলপ ভাল হৈ ল, তাৰ পিছত যি হয় হ'ব বাক।
—নাই নাই দিদি মই ঘৰলৈ যাম। সি বেয়া পাব। কপালত যি আছিল হ'ল।

অৰূপাই খং দেখুৱাই ক'লে—চুনিয়া মনে মনে থাক।

হাস্‌নাই হাঁহি মাৰি অৰূপালৈ চালে—বাইদেউ নহব বুজিছে। আপোনাৰ Theory এই ক্ষেত্ৰত নাখাটিব। লক্ষ্মণৰ ওচৰলৈ তাই যাবই। নহয়নে চুনিয়া?
—সেইয়া অৰূপা বাইদেউ চাওক। চুনিয়াই একো নামাতে।
—মইতো তাইক সদায় নাৰাখো কিন্তু লক্ষ্মণ নিজে আহি নিব লাগিব।

কথাপাতি থাকোতেই সঁচাকৈয়ে লক্ষ্মণ দৌৰি দৌৰি আহি ওলালহি আৰু ছুৱাৰখনৰ ওচৰত কুচি মুচি ঠিয়হৈ হাত জোৰ কৰি ক'লে—দিদি মোক ক্ষমা কৰি দে, ডাক্তৰণী বাইদেউ মোক ক্ষমা কৰি দে। মই আৰু মদ নাখাও।

অৰূপাইতে বুজিছিল—লাভ নাই। ইহঁতে হাজাৰ শপত খালেও মদ খাবই।
—মোক চুনিয়াক দি দে দিদি। লক্ষ্মণে কান্দোনৰ সুৰত ক'লে।
হাসনাই খঙেৰে সুধিলে—চুনিয়াক নি মাৰিবিনে? মদ খাবিনে?
—নাই নাই মই একদম নামাৰো, মদ নাখাও। তাই নহলে মই কি ৰকম জীয়াৰে—মই মৰি যাম! মই এইবাৰ একদম সঁচা কৈছো। এইবাৰ অৰূপাই চুনিয়ালৈ চাই সুধিলে—যাবিনে নাই?

চুনিয়াই শাৰীৰ ৰঙা পাৰিটো মুখেৰে কামুৰি মিচিকিয়াই হাঁহিলে।

হাসনাই অৰূপালৈ চাই ক'লে—চাওক আপোনাৰ সন্মুখত ভাৰতীয় নাৰীৰ ত্যাগৰ প্ৰতিমূৰ্ত্তি।

অৰূপাই কিছুসময় মনে মনে থাকি ক'লে– যা। সিহঁত দুটা একেলগে শুছি গ'ল।

সিহঁত দুটা যোৱালৈ চাই থাকি অৰূপা আৰু হাস্‌নাই হাঁহিলে মাত্ৰ ॥

৫৭

চুনিয়া ঘৰলৈ আহি বাৰন্দাতে বহিলহি। লক্ষ্মণো কাষতে বহি তাইলৈ চাই কলে— চুনিয়া তই নহা হ'লে মই মৰি গলোহেতেন।
—কিয় তই দেখোন মোক দেখিবই নোৱাৰ।
—তেনেকৈ নকবি চুনিয়া, তয়ে মোৰ জীৱন। তই যদি দিদিৰ ঘৰত থাকি গলিহেতেন মই বাগান এৰি গুছি গ'লোহেতেন।
—বাৰু হব দে, মই নাযাও।
—ওঁ তই নাযাবিদেই। সি ভিতৰলৈ সোমাই গ'ল আৰু অলপ পৰৰ পাছতে ওলাই আহি ক'লে— তই থাক মই বজাৰৰ পৰা আহো। লক্ষ্মণ গ'লগৈ। চুনিয়াই বহি থাকোতেই সন্ধ্যা নামি আহিল। পদূলীমুখত ফুলি থকা চম্পা ফুলৰ গোন্ধটো আহি তাইৰ নাকত লাগিলহি। তাই সোঁহাতেৰে নাকটো মোহাৰি দিলে আৰু এটা হুমুনিয়াহ কাঢ়ি কুচি মুচি বহি থাকিল। হঠাতে তাইৰ মনটো আকৌ বেয়া হৈ গ'ল। তাই ভাবিবলৈ ধৰিলে তাইৰ যদি সন্তানটো জীয়াই থাকিলহেতেন তেনেহলে সিহঁতৰ ঘৰত জন্ম ৰীতি-নীতি পালন কৰা হ'লহেতেঁন। কিন্তু একোৱে কৰা নহ'ল। শিশুৰ

জন্ম হোৱাৰ দিনাৰ পৰা শিশু আৰু মাকক ধায়ে প্ৰতিপালন কৰিব লাগিছিল কিন্তু তাইটো সন্তানটোক দেখাই নাপালে। ভালে থকা হ'লে ছদিনৰ দিনা সিহঁতে জন্ম পূজা পাতিব লাগিলহেতেঁন ৯ দিনৰ দিনা ছটী পাতিলেহেঁতেন কিন্তু সিহঁতৰ ঘৰত সেই মাঙ্গলিক কামটো নহ'ল। ৯ দিনৰ দিনা ছটী পাতি ওচৰ চুবুৰিয়াৰ চুলি চুটিকৈ কাটিলেহেতেঁন, মহিলাসকলে নখ কাটি নিয়ম পালন কৰিলেহেঁতেঁন। কিন্তু সেই নখ কটা কাৰ্য্যও কৰা নহ'ল। তাইৰ বাতচ্ছাৰ চুলি খুৰোৱা নহ'ল। ভাবি থাকোতে তাই দেখা পালে নবজাত শিশুটিক যেন তাই কোলাত লৈছে— তাইৰ দুচকুয়েদি পানী বাগৰি আছিল। তাই চকুপানীখিনি মচি পেলাবলৈ কোনো চেষ্টা নকৰিলে। আন্ধাৰ হৈ আছিল। চুনিয়া কিন্তু একে ঠাইতে বহি থাকিল।

লক্ষ্মণ আহি তাই তেনেকৈ বহি থকা দেখি ওচৰতে বহি মাতিলে— চুনিয়া ঐ চুনিয়া?

চুনিয়াই চকুমেলি তাক চালে আৰু তাৰ কোলাত বাগৰি পৰি কান্দিবলৈ ধৰিলে।

লক্ষ্মণে চুনিয়াক সাবটি ধৰি সিয়ো কান্দি উঠিল। দুয়ো কিছুসময় কান্দি কান্দি এসময়ত থৰ হৈ পৰিল। আন্ধাৰে সেই সময়ত ধৰণী ধাকি ধৰিছিল। চাহ গছৰ মাজে মাজে জোনাকী পৰুৱাবিলাকে টিপ টিপাই নাচিছিল। বহু দূৰ-দূৰণীত শিয়ালে হোৱা দিছিল। চুনিয়াই লক্ষ্মণক জোৰে সাৱটি ধৰিছিল আৰু এটা সময়ত হাতখন ঢিলাহৈ মাটিত ধলি পৰিছিল।

চুনিয়া আকৌ বেহুচ হৈছিল লক্ষ্মণে তাইক ভিতৰলৈ নি চকু মুখে পানী দি সুস্থিৰ কৰি কৈছিল— চুনিয়া তই যদি এই বকম মনটো মাৰি থাক মই কি কৰিম ক চুনিয়া?

চুনিয়াই একো মাতো নাছিল মাত্ৰ কান্দিছিল।

দিনবোৰ পাৰ হৈছিল। চুনিয়াই হাঁহিবলৈ পাহৰিছিল। খাবলৈ পাহৰিছিল। উপায় নাপায় লক্ষ্মণে আকৌ অৰূপাৰ তালৈ গৈছিল— দিদি কিবা এটা উপায় কৰক। তাই নাহাঁহে দিদি, সদায় কান্দি থাকে। আপুনি তাঁইক আপোনাৰ তাতে ৰাখক। তাই ভাল হওক।

অৰূপাই তাক বুজাই বঢ়াই পঠাই দি চিন্তা কৰিলে কি কৰা যায়? ডাক্তৰেও তাইৰ মনৰ দুখটো আঁতৰাবলৈ কৈছে— কিন্তু কেনেকৈ? তাই ভাবি ভাবি একো ঠিক কৰিব নোৱাৰি অনিলক সুধি গাড়ীখন লৈ ডাঃ দিপ্তী কাকতিক লগ ধৰিলেগৈ। সকলো কথা কোৱাৰ পাছত দিপ্তী কাকতিয়ে বহুত পৰ ভাবি ক'লে আপুনি এটা Sacrifice কৰিব লাগিব।

—Sacrifice কি ?

—আপোনাৰ কেচুৱাটো যদি তাইৰ কোলাত তুলি দিব পাৰে তেনেহলে তাইৰ মনৰ দুখটো হয়তো পাতলিব পাৰে।

—হয় ?

—ওঁ। ডাক্তৰ কাকতিয়ে তলমূৰ কৰিলে।

—No Problem ডাঃ কাকতি মই সেইটো কৰিব পাৰিম। তেনেহলে মই আহিলো। আপুনি যাব কিন্তু অহা দেওবাৰলৈ। দিপ্তী আচৰিত হল আৰু এগৰাকী কল্যাণময়ী মাতৃৰ ছবিয়ে হঠাতে তেওঁৰ চকুৰ আগত যেন প্ৰতিবিম্বিত হ'ল।

অৰূপা বাগানলৈ আহিয়ে চুনিয়াৰ তালৈ গ'ল আৰু তাইক লৈ আহি মূঢ়া এটাত বহুৱাই নিজৰ কেচুৱাটো কোলাত দি ক'লে— ল তোৰ কেচুৱা।

—মোৰ কেচুৱা ?

—ওঁ তোৰ কেচুৱা। আজিৰ পৰা এইজনী ছোৱালী তোৰ! তই লবি, খেলিবি, খোৱাবি হবনে!

চুনিয়াই হাঁহিলে তাৰ পিছত কান্দিলে আৰু কেচু-ৱাটো সাৰটি মৰম কৰিবলৈ ধৰিলে অৰূপাই অসপদুৰৰ পৰা বেহ-ৰূপ চাই ভাবিলে এয়ে মাতৃ স্নেহ। এই স্নেহৰ কোনো জাত বিচাৰ নাই।

গোটেই দিনটোৰেই চুনিয়া অৰূপাৰ তাত থাকিল। তাই হাঁহিলে, কথা ক'লে, কেচুৱাটো লৈ ঝুলনাত ঝুলালে।

আবেলি লক্ষ্মণ আহি দেখে চুনিয়াই দিদিৰ কেচুৱাটো লৈ আছে। তাই আগবাঢ়ি আহি ক'লে— চা - চা দিদিৰ কেচুৱা, কিমান ধুনীয়া। কিমান মৰম লগা।

লক্ষ্মণে কেচুৱাটোলৈ চাই ক'লে— ওঁ চুনিয়া, এইটোও আমাৰে কেচুৱা। তই সদায় আহিবি, লবি, মৰম কৰিবি, গীত গাবি।

— সঁচা ?

— ওঁ, তই সদায় আহিবি। সি অৰূপাৰ চিঞৰি মাতিলে— দিদি চুনিয়া সদায় আহিবদেই। আমাৰ মাজনীক লব, গীত গাব।

— চুনিয়া তই থাক, মই যাও। লক্ষ্মণে চুনিয়ালৈ চাই ক'লে।

— নাই-নাই বহ ময়ো যাম।

তাই অৰূপাৰ কোলাত কেচুৱাটো তুলি দি ক'লে— মই কালিলৈ আহিম।

— অঁ আহিবি চুনিয়া, সদায় আহিবি।

সিহঁত গ'লগৈ। নিশা চুনিয়াই হাঁহি-মাতি কথা পাতিলে আৰু ভাত-পানী খাই চাওখনত উঠিল।

লক্ষ্মণে তাইক সাৱটি ধৰি চুমা এটা খাই ক'লে— আমাৰ আকৌ বাচ্চা হ'ব, নহয় নে ? ঠিক দিদিৰ মতন।

— ধেৎ. চুনিয়াই খিলখিলাই হাঁহিলে।

৫৮

চুনিয়া অৰূপাহঁতৰ ঘৰলৈ আহি থকা হ'ল। অৰূপাৰ ছোৱালী স্নিগ্ধা এতিয়া ১০ মাহত ভৰি দিলেহি। চাই থাকোতেই তাই খোজ কাঢ়িব পৰা হ'ল, মা-দেউতা মাতিব পৰা হ'ল। চুনিয়াই স্নিগ্ধাক কোলাত লৈ গীত গাই দোলনাত দোলায়। নাম তাইৰ স্নিগ্ধা হলেও সকলোৱে তাইক মাইনা বুলিহে মাতে। আজিকালি আৰু চুনিয়াৰ আগৰ চেহেৰা নাই। এজনী নতুন চুনিয়াৰ জন্ম হ'ল। লক্ষ্মণেও আগৰদৰে মদৰ ঘাটিলৈ নাযায়। দুয়োটাই বাগানৰ কাম নিয়াৰিকৈ কৰি শৃঙ্খলিত জীৱন-যাপন কৰিবলৈ লৈছে।

চুনিয়াই পালে নতুন প্ৰাণ, অৰূপায়ো অকমানী কেচুৱাটোৰ পালে নিৰ্ভৰযোগ্য আশ্ৰয়। দিয়া আৰু লোৱা, পোৱা আৰু হেৰুৱাৰ সংমিশ্ৰণত যেন গঢ়ি উঠিল এক মহান আত্মীয়তা। অৰূপায়ো তাকে বিচাৰিছিল। এনে আত্মীয়তাই ভয় আৰু সংশয়ৰ বৃহৎ প্ৰাচীৰখন আতৰাই পেলাইছিল। তাই মাতৃসকলৰ কাৰণে দেহে-কেহে খাটিলে। কাৰণ চুনিয়াৰ ঘটনাই তাইৰ মনত বহুত আঘাত দিলে। যি দেশত মাতৃসকলৰ কল্যাণৰ কাৰণে কোনো ব্যৱস্থা হাতত লোৱা নহয় সেই দেশৰ কোনো উন্নতি হ'ব নোৱাৰে। সেইহে তাই আন্ধাৰত বন্দী কৰি ৰখা মানুহবোৰক উদ্ধাৰ কৰিব খোজে। তাই আধামৰা হৈ থকা মানুহবিলাকৰ কাৰণে কান্দিব খোজে। গভীৰ বিষাদেৰে পৰিপূৰ্ণ হৈ থকা হৃদয়ৰ করুণ কিনকিনি তাই শুনিছে, সেইহে তাই সেই কিনকিনি অন্ত কৰিবলৈ অহোৰাত্ৰি চেষ্টা কৰিব ধৰিছে।

কথামতেই দেওঁবাৰৰ দিনা ডাক্তৰ দিপ্তী কাকতি পক্ৰৱতী চাহ বাগিচালৈ আহি সকলো গৰ্ভৱতী মহিলাক পৰীক্ষা কৰি ঔষধ আদিৰ নাম লিখি দিলে আৰু লগত অনা কিছুমান ঔষধ বিলাই দিলে।

ডাঃ কাকতি অৰূপাইঁতৰ ঘৰতে বহিলহি। মাইনাক মৰম কৰিলে আৰু চুনিয়ালৈ চাই হাঁহি মাৰি ক'লে— চুনিয়া, কি খবৰ তোমাৰ, লক্ষ্মণ ভালে আছেনে ?

— আছে। তাই লাজ কৰি ভিতৰলৈ দৌৰ মাৰিলে।

— ইহঁতে মেটাৰনিটি লিভ্ নাপায় নেকি ?

— পায়, কিন্তু অন্যান্য ছুটি নাই। কেচুৱা হোৱা ডেৰ মাহৰ পিছতে পিঠিত কেচুৱা বান্ধি বাগানৰ কাম কৰিবলৈ ওলাই যাব লাগে।

ডাঃ কাকতিয়ে গহীন হৈ ক'লে— নাই-নাই, ই বৰ অন্যায়। চাওক আন চাকৰিয়ালবোৰে Maternity leave ৰ উপৰিও Medical leave পায় তাকো with pay। গতিকে চুনিয়াইঁতেও পাব লাগিব।

— হয়, আমি চেষ্টা কৰি আছো।

— পিছে আপোনাৰ ডাঙৰ ছোৱালী ?

— কটন কলেজৰ হোষ্টেলত আছে। তুমাহমান আছে হাইয়াৰ চেকেণ্ডৰী পৰীক্ষালৈ। তাইক ডাক্তৰ বনাম বুলি ভাবিছো।

— বৰ ভাল কথা হ'ব। আপোনালোকে পিছে বৰ পুণ্য অৰ্জন কৰিছে দেই।

অৰূপাই হাঁহি মাৰি ক'লে— কিনো পুণ্য কৰিছো।

— সেইটো আপুনি নুবুজিব। ডাঃ কাকতিয়ে হাঁহিলে আৰু অৰূপাইঁতৰ পৰা বিদায় লৈ ক'লে-- মই এতিয়া যাও, আকৌ আহিম। আজি যে ইমান ভাল লাগিল তাক ভাষাৰে প্ৰকাশ কৰিব নোৱাৰি।

কাজলে ডাঃ দিপ্তী কাকতিক ঘৰৰ সন্মুখত নমাই দিলেগৈ।

পদূলীমুখত গাড়ীৰ পৰা নামি ডাঃ কাকতিয়ে ভাবিলে- ক'তো আজি দেখোন তাইৰ ভাগৰ লগা নাই, মনলৈ জড়তা অহা নাই। সঁচাকৈয়ে লোকৰ কাৰণে কাম কৰি আনন্দ আছে, শান্তি আছে। দিপ্তীয়ে খট্‌খটিত ভৰি দিলে আৰু আপোনা-আপুনি মুখৰ পৰা ওলাই আহিল কলেজীয়া দিনতেই পঢ়া এটি কবিতাৰ কলি—

মোৰ বুকুত কি জ্বলে
মোৰ দুখ মোৰ আনন্দ
কিহে বাৰু ব্যাপক কৰি তোলে ॥

● ● ●

লচমিয়ে হাইস্কুলৰ চেকেণ্ডাৰী পৰীক্ষাত তিনিটা বিষয়ত লেটাৰ লৈ সুখ্যাতিৰে পাছ কৰিলে আৰু গুৱাহাটী মেডিকেল কলেজত নাম ভৰ্ত্তি কৰিলে। ইফালে অৰূপাৰ সৰু ছোৱালী স্নিগ্ধা ডাঙৰ হৈ আহিল। লচমিয়ে মাজে মাজে আহি তাইক মৰম কৰে, চুমা খাই লগত লৈ শুৱাই লয়। ভন্টিজনীলৈ তাইৰ কিমান মৰম। আইতাকেও স্নিগ্ধাক্‌হে মৰম কৰে, মাতি পঠায়, লচমিক কিন্তু কোনোদিন নামতে মৰমৰ কথা নুবুলে। সেইহে অৰূপাই নগাঁৱৰ ঘৰখন প্ৰায় এৰিয়েই দিলে।

কালিলৈ অৰূপাহঁত তিনচুকিয়ালৈ যাব। তাত হাস্‌নাৰ দূৰ সম্বন্ধীয়া এজন ককায়েক থাকে। অৰূপাৰ তিনচুকিয়াৰ বাগানবোৰ চাবলৈ বৰ মন, গতিকেই হাস্‌নাই ককায়েকলৈ চিঠি লিখিলে যে, তিনিগৰাকীমান মহিলা বাগান চাবলৈ যাব, তাত থকা খোৱাৰ ব্যৱস্থা কৰিব লাগে। ককায়েক ৰফিকুলৰ পৰা উত্তৰ

পাই সিহঁত তিনচুকিয়ালৈ যাবলৈ ওলাইছে। অৰূপাই স্নিগ্ধাক বাপেকৰ লগতে থৈ গ'ল। তাই আজিকালি একো আমনি নকৰে মনেশ্বৰ আৰু মায়া আছে যেতিয়া একো চিন্তা নাই। তাৰোপৰি লক্ষ্মণ, চুনিয়া আছেই।

ৰাতিপুৱাই সিহঁতে যাত্রা আৰম্ভ কৰি আবেলি ৪টা বজাত তিনচুকিয়া পালেগৈ। ডিব্রুগড়ৰ পৰা ম্রিহঁতে বস্তিকো লৈ গ'ল। হাস্নাৰ ককায়েক ঘৰতে আছিল। ৰফিকুল আহ্মেদৰ ডাঙৰ ঘৰ। ওপৰ তালা ভাড়া দিছে। তলৰ তালাত তেওঁৰ পৰিয়াল অর্থাৎ ল'ৰা দুটা আৰু পৰিবাৰ চেলিমা থাকে।

হাস্নাহঁত গৈ পোৱাৰ লগে লগে বৌয়েক চেলিমা হাঁহি হাঁহি ওলাই আহিল আৰু অৰূপাহঁতক নমস্কাৰ জনাই ভিতৰলৈ লৈ গ'ল। আহল বহল ড্রইংৰুম। বেৰত এখন ৰথৰ ছবি। ৰথখন কুৰুক্ষেত্র যুদ্ধৰ ৰথ। শ্রীকৃষ্ণই ৰথত বহি ঘোৰাৰ লেকাম ধৰি অর্জুনক গীতা শুনাইছে। আনখন বেৰত মক্কা মদিনাৰ ছবি। ভিতৰলৈ সোমাই যোৱা দুৱাৰখনৰ ওপৰত মেৰীৰ এখন অইল পেইনটিং।

অৰূপা আৰু বস্তিয়ে ছবিবোৰ চাই থৰ লাগিল। সিহঁতে ঘৰখনক মন্দিৰেই বুলিব, নে গীর্জাই বুলিব নে, মছজিদেই বুলিব? এনে সমন্বয়ে অসমীয়া জাতিক কেতিয়াবা ঠগিব পাৰিবনে? বস্তিয়ে গৌৰৱেৰে চেলিমালৈ চালে। চেলিমাই সকলোকে বহিবলৈ ক'লে— আমি আজি নিজকে ভাগ্যবান বুলি ভাবিছো।

— তেনেকৈ নকবছোন। অৰূপাই হাঁহিলে।

— নহয়নো কি? মানুহ জন্মতে ললো একো কাম কৰিব নোৱাৰিলো। আপোনালোকে যে ইমান ডাঙৰ কাম কৰিব পাৰিছে, আপোনালোক কিন্তু ধন্যদেই।

কথা কৈ চেলিমা ভিতৰলৈ গ'ল আৰু অকমান সময়ৰ

ভিতৰতে চাহ আৰু কেক আনি খাবলৈ দিলেহি।

ৰফিকুল আহি ড্ৰইং ৰুমত বহিলহি। আপোনালোক আহিব বুলি হাসনাই Phone কৰিছিল। এনেয়েটো তাই খবৰেই নলয়। এতিয়া যে মনত পৰিছে।

—এনেকৈ নকবাচোন দাদা, তুমিওটো খবৰ লব পাৰা।

—বাৰু হব দে মোৰেই দোষ, এতিয়া ওহঁতৰ প্ৰগেম কি ক'?

—দাদা আমাৰ অৰূপা বাইদেউহঁতে ময়ূৰী চাহবাগিচাখন চাবলৈ আহিছে। শুনিছো বহুত ধুনীয়া বোলে?

—একেবাৰে ময়ূৰীয়ে পেখম ধৰাৰ নিচিনাকৈ ধুনীয়া। মই বাৰু সকলো ঠিক কৰি দিম। মোৰ এজন বন্ধুৱে তাতে কাম কৰিছিল, পিছে কিবা কথাত মালিক মেনেজাৰৰ লগত লাগি কাম এৰি দি গুচি আহিল। আমাৰ অসমীয়া মানুহবোৰে লোকৰ তলতীয়া হৈ থাকিব নোৱাৰে। এইটো অসমীয়া জাতিৰ গুণেই বুলিমনে দোষেই বুলিম কব নোৱাৰো।

—কিয় আমি বাগানলৈ যাব নোৱাৰিম জানো?

—পাৰিব। কিন্তু তাৰ বাবু হওক বা পৰিচালকেই হওক তেওঁলোকে আপোনালোকক একো সহায় কৰিব নোৱাৰিব।

—সেইয়া অভিজ্ঞতা আমাৰ আছে কিয়নো বহুত চাহবাগিচাত এতিয়াও আমি সহ্য খুলিবলৈ সমৰ্থ হব পৰা নাই। বাৰু কোৱাচোন কিয় সহায় কৰিব নোৱাৰে।

—ভয়?

—ইমান ভয়নে?

—কি কৰিবি আগতে যেনিবা আছিল বগাচাহাব, হাতত লৈ ফুৰিছিল চাবুক, উঠি ফুৰিছিল ঘোঁৰাত, এতিয়া যেনিবা কলা চাহাব উঠি ফুৰে জিপচী ভানত, হাতত থাকে কল মাৰি। বাৰু আপোনালোক বহক, জিৰণী লওক। আজিটো নহবই কালিলৈ বাতিপুৱাতে আমি

বাগান চাবলৈ যাম। মই অলপ ওলাই যাও। কাম আছে।

ৰফিকুল ওলাই গ'ল। চেলিমাই হাঁহি মাৰি নি মুখহাত ধুবলৈ দিলে আৰু জিৰণি লবলৈ কোঠালী দেখুৱাই দিলে।

ৰাতিপুৱা সকলো সোনকালে উঠিল আৰু চাহ খায়েই চাহবাগান চাবলৈ যাত্ৰা আৰম্ভ কৰিলে। গাড়ী ৰফিকুলে চলাইছিল। ষ্টেৰিঙত বহি ৰফিকুলে কৈ গ'ল— বিশ্বৰ ভিতৰতে বোলে সৰ্ব্বাধিক আৰু উচ্চমানৰ চাহ অসমতে হয়। অসমৰ ভিতৰত আকৌ ডিব্ৰুগড় জিলাৰ জলবায়ু, মাটি চাহৰ কাৰণে বোলে উপযোগী। আগতে ৰৰহাপজানখন ডিব্ৰুগড় জিলাৰে অন্তৰ্গত আছিল। যদিও এতিয়া তিনিচুকীয়া মহকুমা, জিলা কৰা হ'ল। এই তিনিচুকীয়া জিলাতেই ডুমডুমা থানাৰ অন্তৰ্গত ৰৰহাপজানৰ শুকানগুৰি চাহবাগিচা। তাৰ কাষতেই ময়ূৰী চাহবাগিচা।

— শুনিছো শুকানগুৰি চাহবাগিচাখন বোলে বহুত ডাঙৰ চাহ বাগিচা।

— ওঁ লংছোৱাল আৰু শিলিখা চাহবাগিচা শুকানগুৰি চাহবাগিচাৰ সৈতে লগ লগোৱা হৈছে।

● ● ●

গাড়ী গৈ মাকুম পালেগৈ। ৰফিকুলে অলপাৰ ফালে চাই সুধিলে আপোনালোকে বাৰু বাহিৰে বাহিৰে চাহবাগিচাখন চাই লবনে মোৰ বন্ধুৰ ঘৰত সোমাব; প্ৰাঞ্জলৰ ঘৰ কিন্তু আগতেই পাব।

—তেনেহলে তেখেতৰ ঘৰত সোমাই, তেখেতকো লৈ যোৱা ভাল

হব। অৰূপাই ক'লে।

তেনেহলে বলক। আকৌ গাড়ী চলিল। এইবাৰ ৰফিকুলে ষ্টেৰিঙত বহি তিনি কিলোমিটাৰ যোৱাৰ পাছত গাড়ী ৰখাই ক'লে— হাস্‌না মৌটো প্ৰাঞ্জলৰ ঘৰ।

সিহঁত নামিল আৰু ৰাস্তাৰ বাওহাতে প্ৰাঞ্জল গোঁহাইৰ ঘৰলৈ সোমাই গ'ল। বহুত দিনৰ মূৰত ৰফিকুলক দেখি প্ৰাঞ্জল আচৰিত হ'ল আৰু সাবটি ধৰিলে— আৰে বহুত দিনৰ মূৰত আহিলি যে, কি কথা?

অৰূপাইঁতক দেখুৱাই দি ৰফিকুলে ৰগৰ কৰিলে— আন্দোলন কৰিবলৈ তোক লগ লাগে নহয়— সেই কাৰণে আনি দিছো। এইসকল হ'ল শিশু কল্যাণ সন্থাৰ সদস্য। ইতিপূৰ্ব্বে চাহবাগিচা-বিলাকত বহুত কাম কৰিছে। এতিয়া তই কিছু সহায় কৰি দিব লাগে।

—মই? সহায়? —আৰে কি কথা কৈছ। মই কি সহায় কৰিব পাৰো?

—হয়, হয় আমি আপোনাৰ লগত চিনাকি হবলৈ আহিছো।

প্ৰাঞ্জলে লাজ কৰিলে আৰু হাতখন মোহাৰী মোহাৰী ক'লে— আমি একো কৰিব পৰা নাই বুজিলে, সেইকাৰণে নিজেই চাহখেতি কৰি বিপ্লৱ কৰিছো। বাৰু বহকচোন।

সিহঁত সকলোটি বহিল। এনেতে এগৰাকী বোৱাৰী ওলাই আহিল। ৰফিকুলে নমস্কাৰ দি ক'লে— বৌ এখেতসকল একেবাৰে নগাঁৱৰ পৰা আহিছে আপোনালোকৰ অঞ্চলৰ বাগিচা চাবলৈ।

—অঁ হয় নেকি? তেনেহলে আমাৰ ভাগ্যৰ কথা। আপোনালোক বহক মই চাহ কৰো।

ৰফিকুলে হাঁহি মাৰি ক'লে— আমাৰ বৌয়ে চাহ কৰে মানে তই আমাক তোৰ 'বিপ্লৱ' দেখুৱাবলৈ ব'ল।

প্ৰাঞ্জলে ভেঁওলোকক পিছফালে লৈ গ'ল। সিহঁতে দেখি অবাক, সঁচাকৈয়ে ১০ বিঘা মান মাটিত প্ৰাঞ্জলে চাহ খেতি কৰিছে। চাহগছৰ পুলিবোৰ ডাঙৰ হৈ উঠিছে।

সিহঁতে পুলিবোৰৰ কাষে কাষে খোজ কাঢ়ি যাবলৈ ধৰিলে এনেতে ৰফিকুলে সুধিলে— মাটিখিনি তোৰেইনে ?

—অঁ মোৰেই। মানে পিতৃৰ সম্পত্তি। ইমান দিন ইয়াত ধান খেতি হৈছিল। মই ভাবিলো ধান যেতিয়া ভাল নহয় চাহখেতি কৰি চাওঁচোন বাৰু ? দেখিছো চাহখেতি ভাল হব যেন পাইছো।

—আপোনাৰ কিয় মন গ'ল চাহখেতি কৰিবলৈ ?

—মন গ'ল মানে স্বাৱলম্বী। নিজৰ ভৱিত নিজে ঠিয় দিয়া। বুজিছে বাইদেউ প্ৰতাৰণাৰো এটা সীমা আছে। গতিকে দেখি দেখি সহ্য কৰিব নোৱাৰি গুছি আহিলো।

—কোন বাগিচাত চাকৰি কৰিছিল।

—ময়ূৰী চাহ বাগিচাত।

—অঁ আমি সেই বাগিচাকে চাবলৈ আহিছো।

—চাব পাৰিব কিন্তু—

—কিন্তু মানে ?

—কিন্তু একো কৰিব নোৱাৰিব। মানে মেল মিটিং। কোম্পানীয়ে নিদিয়ে, একদম কাৰা শাসন।

—অ' হয়নেকি ?

—হয়, কেনেবাকৈ কোম্পানীৰ স্বাৰ্থত আঘাট হানিব পাৰে বুলি ভয় কৰে।

—আপোনালোকে গুকানগুৰি চাহ বাগিচা চালেনে নাই ?

—নাই।

—কি কি চালে ?

—চোৱাই নাই আহিছোহে।

—বলক এতিয়া চাহখাই তেনেহলে ওলাব লাগিব।

সিহঁতে চাহখেতি চাই ভিতৰলৈ আহিল। চেনেহী বৌয়ে তেওঁলোকক চিৰা আৰু গাখীৰ খাবলৈ দিলেহি।

—গাখীৰ ঘৰৰে বুজিলি? আৰু মালভোগ কলো ঘৰৰে।

—তেনেহলে আমি পুৰা ভিটামিন খাইছো। ৰফিকুলৰ কথাত সকলোৱে হাঁহিলে।

চাহ জলপান খাই উঠাৰ পাছত সকলো প্ৰাঞ্জলৰ জীপত উঠিল। অৰূপাইঁতৰ এম্বেছাদৰখন প্ৰাঞ্জলৰ ঘৰত সুমুৱাই থৈ সিহঁত ময়ূৰী চাহ বাগিচা চাবলৈ ৰাওনা হ'ল।

—প্ৰাঞ্জলে গহীন হৈ সুধিলে ইমানবোৰ চাহ বাগিচা থাকোতে আপোনালোকে ময়ূৰী চাহ বাগিচা চাবলৈ আহিছে— কিহে আকৰ্ষণ কৰিলে নামে নে কামে।

ৰফিকুলে ৰগৰ কৰিলে, নিশ্চয় নামে বুজিলি— নাচ ময়ূৰী নাচ পেখম ধৰি ধৰি নাচ।

গাড়ীৰ ষ্টেৰিং ঘুৰাই ৰফিকুলে হাঁহিলে।

—তই ঠিকেই কৈছ, ময়ূৰী চাহবাগিচাৰ সেউজীয়া চাহগছে পেখম ধৰি অৱশ্যে নাচে যেতিয়া শাওনৰ ৰতৰত বৰষুণ পৰে।

কথাখিনি কৈ প্ৰাঞ্জলে হুমুনিয়াহ কাঢ়িলে— অলপ দূৰ যোৱাৰ পাছত প্ৰাঞ্জলে হাত উলিয়াই আঙুলিয়াই দেখুৱালে— সৌৱা যে দেখিছে সেইয়াই গুৱানগুৰি চাহবাগিচা। ইয়াতে আৰম্ভ হৈ একেবাৰে গড়ৰ ওচৰত শেষ হৈছে।

—গড় মানে?

—মটক ৰজা সৰ্ব্বানন্দ সিংহৰ ৰাজ হাউলীৰ গড়। এতিয়া আৰু গড় নাই আছে ধ্বংসস্তুপ। বাগিচাৰ কাষে কাষে যে গৈছে এই আলিটো— এইটোৱেই ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাই পথ, আৰু এই মিটাৰ গজ ৰেলৰ লাইনটো একেবাৰে ডাঙৰীলৈকে গৈছে।

এসময়ত এই ৰেল পথেৰেই উদ্যানৰ সকলো চাহপাত ৰেলত তুলি অসনৰ বাহিৰলৈ লৈ গৈছিল। এইদৰেই কিমান যে সোণপাত অসমৰ পৰা সুহি নিছিল তাৰ খবৰ কোনে ৰাখিছিল। সেয়ে আছিল অসম চৰকাৰৰ ব্যৰ্থতা। সেই ব্যৰ্থতাৰে ভৰা এখন অনুজ্জ্বল আকাশৰ তলত অসমৰ মানুহখিনিয়ে বহি বহি হয়তো ভাবিছিল ধৰণীনো ইমান আন্ধাৰ নে?

—বাঃ তই দেখোন একেবাৰে কবি হৈ গলি প্ৰাঞ্জল।

—নহয় ৰফি, এইবোৰ অন্তৰৰ সাচতীয়া বেদনা কেতিয়াবা লগৰ-লগৰীয়া পালে বেদনাবোৰেই কবিতাৰে ওলাই আহে।

সিহঁতৰ গাড়ী গৈ এঠাইত ৰলগৈ। ৰ'দ উঠি আহিছিল। সোৱা ময়ূৰী চাহবাগিচা পালেহি। আপোনালোক থাওক। আমি ইয়াতে থাকো। বন্তি, অৰূপা, হাসনা নামি গ'ল। সিহঁত গৈ ময়ূৰী চাহ-বাগিচাৰ প্ৰকাণ্ড লোহাৰ গেটৰ ভিতৰেদি সোমাই গ'ল। নিৰ্ম্মল পৰিবেশ। ছা-দিয়া গছত পখীৰ কলৰব।

এনেতে ল'ৰা এজন দৌৰি আহি সুধিলে— কাক বিচাৰিছে?

—মেনেজাৰ আছে নে?

—নাই, কলিকতালৈ গৈছে।

—আন অফিচাৰক লগ কৰিব পাৰোনে?

—আহক বহকহি। মই মাতি দিছো।

ল'ৰাজনে অৰূপাহঁতক অফিচ কমতে বহিবলৈ দিলে আৰু এজন অফিচাৰক লগত লৈ অৰূপাহঁতৰ কাষ পালেহি। অৰূপাহঁতে তেখেতলৈ চালে, মানুহজনে কাক লগ পাবলৈ আহিছে সুধিলে— আৰু মেনেজাৰযে নাই তাকো ক'লে।

—বাগান চাব পাৰিমনে?

—পাৰিব।

—শ্ৰমিকসকলক লগ পাব পাৰিমনে?

—বৰ্ত্তমান কামৰ সময় গতিকে অসুবিধা হ'ব।

অৰূপাইহঁতে আৰু একো নকলে। মানুহজনৰ পৰা বিদায় লৈ ওলাই আহিল। তেওঁলোকে আহি দেখে গেটৰ মুখতে এজন বৃদ্ধ শ্ৰমিক বৈ আছে।

অৰূপা আগবাঢ়ি গ'ল আৰু সুধিলে— কাকা আপোনালোকে এই বাগানত সকলো সুবিধা কি মতে পাইছেনে ?

বৃদ্ধই চাৰিওফালে এবাৰ চালে, তাৰ পিছত ক'লে—

—ক'ত আৰু পইছোঁ। বুঢ়া হ'লো আগৰ যি এতিয়াও সেয়েই ৰকম আগতকৈ সা সুবিধাবোৰ পোৱা কমহে হৈছে। নিবনুৱা সমস্যা বাঢ়িছে।

—কিয় কোম্পানীয়ে সুবিধা দিয়া নাই ?

—বৃদ্ধই কট কঠৈৰে ক'লে— মাইজী কলঘৰবোৰে অহোৰাত্ৰী চিঞৰি চিঞৰি কেচা পাত পিহি পিহি শ্ৰমিকৰ ৰঙাতেজ গোট মৰাই শুকান চাহ পাত তৈয়াৰ কৰিছে কিন্তু এইসকল শ্ৰমিকৰ দুখ কোনে বুজিব। বৃদ্ধ থিয় হ'ল আৰু গাত পাই গাই গ'লগৈ।

গোলাম খাটিতে নব
বিচাৰ কৰি হৰি হৰ
অন্ত কালে পন্থ ভূমি গেল
কাহে বিধি নৰ জনম দেল ॥

অৰূপাই বৃদ্ধই গোৱা গীত কাকি শুনি শুনি হুমুনিয়াহ কাঢ়িলে। গীতৰ প্ৰতিটো শব্দই যেন সিহঁতৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ দি গ'ল।

সিহঁত পুনৰ জীপত উঠিল। শুকানগুৰি চাহ বাগিচাৰ পিনে প্ৰাঞ্জলে গাড়ী চলাই দিলে— দাদা কোৱানা শুকানগুৰি চাহ বাগিচাৰ কথা।

—১৯৭৬ চনলৈকে ব্ৰাউন্ নামৰ এজন ইংৰাজ সাহাবে এই বাগান

পৰিচালনা কৰিছিল। ১৯৮০ চনৰ আৰম্ভণীতে লণ্ডনত কাম কৰা ভাৰতীয় ব্যৱসায়ী এজনে এই কোম্পানীটো কিনি নতুন নামটো দিয়ে অসম ফ্ৰণ্টিয়াৰ টি লিমিটেড। এই কোম্পানীৰ ১৩ খনতকৈও অধিক চাহবাগিচা আছে আৰু কলঘৰ আছে ৮ টা। তাকো ডাঙৰ।

এই চাহ-বাগিচাৰ মাটি কালি হ'ল— ১৩১০/৮০ হেক্টৰ, এতিয়া কিছু বেছি হবও পাৰে। এই মাটি কালিৰ ভিতৰতে বহুত এলেকা-জুৰি ধান খেতি আছে। তাৰোপৰি চৰণীয়া পথাৰ, বজাৰৰ কৰ্ম্মচাৰী আৰু শ্ৰমিক থকা ঠায়ো আছে এইখন বাগিচাতে শ্ৰমিকৰ লাইন ২১ টা আছে।

—এই বাগিচাত হাস্পাতাল আছেনে নাই?

—আছে দুখন। কিন্তু লংছোৱালতহে মূল চিকিৎসালয়খন আছে। থাকিলে কি হ'ব, শ্ৰমিকে যিমান সুবিধা পাব লাগিছিল সিমান পোৱা নাই, প্ৰাথমিক বিদ্যালয় এখনো আছে। গুকানগুৰি চাহবাগিচাত ৪৮ টাকৈ ওজন ঘৰ আছে আৰু পাত তোলাৰ সময়ত বাগানৰ চুকে-কোণে অস্থায়ী ওজন ঘৰ পতা হয়।

—পাত তোলাৰ সময়ত ছাগৈ কিমান ভাল লাগে?

—ওঁ বঢ়িয়া লাগে। মূৰত খাং বান্ধি বাগানৰ মাজত যেতিয়া শ্ৰমিক মহিলাসকলে চাহপাত তোলে সঁচাকৈয়ে চাই থাকিবৰ মন যায়। কথা কৈ কৈ প্ৰাঞ্জলে গুণ গুণালে— পাতা তোলা যেমন তেমন কোদাল মাৰা টানগ' অ' মহৰী বাবু হাজিৰা কাটিলগ।

—বাঃ প্ৰাঞ্জল অতীত ৰোমন্থন কৰিছ নেকি? ৰফিকুলে হাঁহিলে।

—এৰা ভাই। কেতিয়াবা অতীতৰ কথাবোৰ বুটলি আনি চাবলৈ মন যায়। অতীত যদি মধুৰেই নহয় তেনেহলে অতীত কিহৰ?

সকলোৱে হাঁহিলে। প্ৰাঞ্জলে আকৌ গুণ-গুণাই গাড়ী খন গতিৰে চলাই দিলে।

—x—

শুকানগুৰি বাগিচাখন চাই সিহঁতে উভতি গৈ প্ৰাঞ্জলৰ ঘৰত সোমালগৈ।

প্ৰাঞ্জল ভিতৰলৈ লৰালৰিকৈ সোমাই গৈ মাতিলে— চেনেহী অ' চেনেহী।

হাঁহি হাঁহি চেনেহী ওলাই আহিল আৰু সকলোলৈকে চাই হাঁহি মাৰি সুধিলে— বাগান চালেনে ?

—ওঁ চালো এতিয়া আমি বিদায় লবলৈহে আহিলো।

অৰূপাৰ কথাত চেনেহীয়ে জকজকাই উঠিল— ইস্ এনে কথা হব পাৰেনে ? মই ভাতৰ দিহা কৰিছো। দুপৰীয়াখন ভাত নাখায় কলৈ যাবলৈ ওলাইছে ?

প্ৰাঞ্জলে লগতে উত্তৰ দিলে— হয়, হয় ভাত খাব লাগিব ভাতে দুপৰীয়াৰ অতিথি বোলে সাক্ষাৎ দামোদৰ। গৰীবৰ ঘৰত যি আছে খাবি আৰু, প্ৰাঞ্জলে হাঁহি মাৰি খকিকুললৈ চালে— ঐ তই যদি গৰীব হব আমি কি হ'ম ? বাৰু যি আছে তাকেই খাম দে।

সকলো ড্ৰইং ৰুমতে বহিল। প্ৰাঞ্জলো বহিলহি।

—বুজিছে অৰূপা বাইদেউ, আমাৰ অসমৰ মানুহখিনিয়ে অসমৰ চাহৰ বজাৰখনৰ বিষয়ে সচেতন নহয়।

—আজি কালি বহুত জনা হৈছে।

অৰূপালৈ চাই প্ৰাঞ্জলে ক'লে— জানে অৰূপা বাইদেউ এই চাহশিল্পত দহ লাখতো অধিক মানুহ জড়িত আছে যদিও তাৰে পাচ

লাখৰো অধিক মহিলা।

অৰূপাই ক'লে— মুঠতে পৰোক্ষ আৰু প্ৰত্যক্ষভাবে ২০ লাখৰো অধিক মানুহ চাহ শিল্পত জড়িত হৈ আছে নহয় জানো?

হাস্‌নাই প্ৰাঞ্জললৈ চালে— বাৰু আপুনি কওকচোন ভাৰতৰ প্ৰত্যেক অঞ্চলৰ চাহৰ উৎপাদন একেনে?

—নহয়, কাৰণ বেলেগ বেলেগ ঠাইৰ জলবায়ু বেলেগ বেলেগ মাটিৰ গুণো বেলেগ। তাৰোপৰি কামৰ পদ্ধতি, চাহৰ সঁচ, মাটিৰ উচ্চতা চাই চাহৰ উৎপাদন বিভিন্ন ধৰণৰ হয়, যেনে ধৰক তামিল-নাডুৰ বাগিচাৰ সংখ্যা সৰহ যদিও চাহপাতৰ উৎপাদন কম, ইফালে পশ্চিমবঙ্গত বাগিচাৰ সংখ্যা কম যদিও চাহৰ উৎপাদন তামিল-নাডুতকৈ বহুত বেছি। তাৰোপৰি মাটি আৰু জলবায়ু অনুপাতে চাহৰ গোন্ধ সুকীয়া হয়। দাৰ্জিলিঙৰ চাহৰ গোন্ধ পৃথিৱী বিখ্যাত।

উত্তৰ পূব ভাৰতৰ যেনে অসম, পশ্চিমবঙ্গ ত্ৰিপুৰাত বছৰৰ আঠ মাহ চাহ উৎপাদন হয়। বাকী বিলাকত ১২ মাহেই চাহ উৎপাদন হয়।

হাস্‌নাই আকৌ সুধিলে— দাদা, চাহপাতবোৰ ভৰোৱা পাত্ৰ অৰ্থাৎ Container বোৰ অসমত জানো বনায়।

—ওঁ বনাইছো। সিও বহুত চেষ্টাৰ মুৰতহে হৈছে।

—মানে? সিহঁতে প্ৰাঞ্জললৈ চালে।

—মানে আমাৰ অসমখন সাগৰৰ পৰা বহু দূৰত সেইকাৰণে আমাৰ আমদানি ৰপ্তানি আদি বাণিজ্যৰ কাৰণে সদ্যহতে কলিকতা অথবা হালদিয়া বন্দৰৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰিব লাগে। আমাৰ গুৱাহাটী নীলাম বজাৰ পাবলৈকো আন্দোলন কৰিব লাগিছিল, অৱশেষে বহু বিৰোধীতাৰ পিছতহে আমাৰ গুৱাহাটীত নীলাম বজাৰ স্থাপন হ'ল, আৰু সেই সময়ৰ পৰাই আমাৰ অসমত এটা ড্ৰাইপট স্থাপন কৰিব লাগে বুলি দাবী জনোৱা হ'ল। শেষত উপায় নাপায়

কেন্দ্রই ১৯৮০ চনত আঠজনীয়া দল এটাক সকলো দিশ চালি জাবি চাবলৈ অসমলৈ পঠালে। প্ৰতিনিধি দলটোৱে প্ৰতিবেদন দাখিল কৰিলে যে, বন্দৰ স্থাপন কৰিবলৈ প্ৰথমেই এটা পাত্ৰাগাৰ লাগিব। ই হ'ল বন্দৰ এটাৰ নিৰ্মাণৰ প্ৰাথমিক প্ৰয়োজনীয়তা। সেই মৰ্মে এটা পাত্ৰাগাৰ (ইংলেণ্ড কনটেইনাৰ) নিৰ্মাণ কৰিবলৈ ভাৰত এক ৰেলৱে কনষ্ট্ৰাকছন, অৰগেনাইজেছন নামৰ সংস্থাটোক প্ৰদান কৰা হ'ল। প্ৰায় ২ কোটি টকা মূল্যৰ এই পাত্ৰাগাৰটো এবছৰৰ ভিতৰতে ৰেলৱে কনষ্ট্ৰাকছন সস্থাটোৱে নিৰ্ম্মাণ কৰি উলিয়াই। ১৯৮২ চনৰ নবেম্বৰ মাহত প্ৰথম ১০টা চাহৰ পাত্ৰ লৈ ৰেলগাড়ী হালদিয়া অভিমুখে যাওনা হয়।

—মাত্ৰ ১০টা কিয় ? হাস্নাই প্ৰশ্ন কৰিলে।

—অতি কম বুলি ভাবিছে নহয় ? আচলতে কম নহয়। এতিয়া শুনক, প্ৰথমে চাহপাতবোৰ বাকচত ভৰাই গাড়ীৰে পাত্ৰাগাৰলৈ অনা হয়। কেতিয়াবা মোনাতো আনে। এই বাকচ বা মোনা-বোৰ আকৌ দুই প্ৰকাৰৰ। এটা হ'ল ৪০ কেজি ধৰিব পৰা আৰু আনটো হ'ল ২০ কেজি ধৰিব পৰা।

তাৰ পিছত বাকচবোৰ একেলগে পেকেট কৰা হয়। প্ৰথমে এখন কাঠৰ দীঘল পীৰাত একেধৰণৰ বাকচ বা মোনাবোৰ সজাই থয়। ইয়াত আকৌ ওজন আছে যেনে ধৰক— ৪০কেজি ওজনৰ বাকচ হলে ২৫টা বাকচ আৰু ২০ কেজি ওজনৰ হলে ২০টা বাকচ একেলগে লোৱা হয়। পীৰাখনত ওজন হিচাপে ২৫টা বা ২০টা বাকচ সজাই লৈ তাৰ পিছত প্লাষ্টিক ৰছিৰে বান্ধি পেলোৱা হয় যাতে বাকচবোৰে লৰচৰ কৰিব নোৱাৰে। একেধৰণৰে ৰছিৰে বা হালপতাৰে বান্ধি পেলোৱা ১০টা পেকেট একেটা কনটেইনাৰত ভৰাই পেলোৱা হয়।

—মানে কি ? হাস্নাই প্ৰশ্নলৈ চালে।

—অ' তাৰ মানে আপোনালোকে বুজা নাই নহয় ? ধৰক এটা বাকচত ৫০কেজি চাহপাত ধৰে তেনেধৰণৰ বাকচ অৰ্থাৎ ৫০কেজি ধৰা বাকচ একেলগে ২০টা পীৰাখনত সজাই লৈ পেকেট কৰিব তাৰ পিচত সেই পেকেটটো Container ত ভৰাব। এনেকুৱা পেকেট একোটা Container ত ২০০ পৰা ২৫০ টালৈ ভৰাব পাৰি এতিয়া বুজিছেনে ?

—বুজিছো।

—তাৰ মানে ভাবি চাওকচোন এটা পাত্ৰাগাৰ (Container) ত কিমান চাহপাত থাকিব ?

হাসনাই অলপ ভাবি ক'লে ৫০কেজিকৈ হলেও ২০ বাকচৰ পেকেটত ১০০০ কেজি চাহ থাকিব আৰু তেনেধৰণৰ ২০০টা পেকেট যদি Container ত ভৰাই তেনেহলে প্ৰায় ২লাখ কেজি চাহপাত হব। ওঁ আপুনি ঠিকেই কৈছে। তাৰোপৰি এই পাত্ৰবোৰ দুই ৰকমৰ আছে এবিধ ৪০ফুট দীঘল আৰু আনবিধ ২০ ফুট দীঘল। এই পাত্ৰবোৰৰ মুখবন্ধ কৰি ছীল মোহৰ মাৰি দিয়া হয়। এই পাত্ৰবোৰ মুখ বন্ধ কৰাৰ পাছত ক্ৰেনৰ দ্বাৰা তুলি নি এবিধ আঠচকীয়া মালবাহী ৰেলৰ ডবাত বোজাই দিয়া হয়। বোজাই কৰোতে পাত্ৰবোৰ মুখা-মুখি কৰি দিয়া হয় যাতে কোনেও বাটত খুলিব নোৱাৰে। এনেকুৱা ৰেলগাড়ীৰ ডবাত এবাৰতে ৮লাখ কেজি চাহপাত কঢ়িয়াব পাৰে।

—তাৰ পিছত ? হাসনাই আগ্ৰহেৰে উত্তৰলৈ বাট চালে।

—তাৰ পিছত আৰু কি হব ? এবাৰ আমিনগাৱঁত ৰেলত বোজাই দিব পাৰিলে একেকোবে চাহপাত গৈ জাহাজ পাবগৈ। এনেদৰেই আমিনগাৱঁৰ পৰা পাত্ৰৰ পৰিবহণ দিনে দিনে বাঢ়ি গৈছে আৰু এই পাত্ৰাগাৰৰ পৰাই চাহপাতৰ বিক্ৰিময়ত কোটি কোটি টকা বিদেশলৈ গৈ আছে। জানিব পৰা মতে এই টকাৰ সামান্য

অংশ এটাও অসম চৰকাৰে নাপায়। কাৰণ এই পাত্ৰাগাৰৰ ধাই ঘাই মালিকসকল হ'ল আন্তৰাষ্ট্ৰীয়ঃ আৰু আগশাৰীৰ ৰপ্তানীকাৰী কোম্পানীবোৰ। এই যে কোটি কোটি টকা বিদেশলৈ গৈ আছে তাৰ হিচাপ অসমৰ মানুহে পাব নোৱাৰে কাৰণ এই পাত্ৰাগাৰৰ লগত ৰাজ্য চৰকাৰৰ কোনো অনুষ্ঠান প্ৰতিষ্ঠানৰ সম্বন্ধ নাই গতিকে, সেই টকাৰ লাভাংশও অসমে পাবলৈ উপায় নাই।

—কিন্তু ট্ৰাষ্টৰ্পট ঘোষিত হ'ল নে নাই?

—আচল কথা তাতেই, যদি পাত্ৰাগাৰটো ফ্ৰীপৰ্ট বুলি ঘোষিত হ'লহেঁতেন তেনেহলে বাণিজ্যিক দিশত বহুত লাভ হ'লহেঁতেন? পিছে কি হব? ৰাজ্য চৰকাৰে এইটো কথাকে সুবুৰাৰ ভাও ধৰি আছিছে।

—আৰু কেন্দ্ৰই অসমক ভুৱা দি শোষণ কৰিব লাগিছে নহয় জানো?

—আৰু কি? আনজনে ক্ষোভেৰে ক'লে। অসমক চুহি চুহি তলি উদং কৰিলে।

সেইখিনি সময়তে চেনেহী সোমাই আহিল, আৰু সকলোকে নমস্কাৰ জনাই ক'লে— আহক ভাত দিছো। সকলোৱে সমানে মজিয়াত বহি ভাত খাবলৈ ধৰিলে। খাই থাকোতেই প্ৰাঞ্জলে সুধিলে— পিছে তেজপুৰৰ পিনে গৈছে নে নাই?

—গৈছো। ইয়াৰ পৰা গৈয়েই আমি আকৌ ভোলাগুৰি চাহ বাগিচালৈ যাম বুলি ভাবিছো।

—অঁ বৰ ভাল কথা। ভোলাগুৰি বোলোতেই মনত পৰিল ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদলৈ— মনত পৰে—

অ' অসমীয়া ডেকাদল
আজি তোৰ তেজাল বদন
মলিন কিয় হ'ল অ'
মলিন কিয় হ'ল?

—এতিয়া ভাত খা প্ৰাঞ্জল, অতীতৰ সেই সোণালী দিন আৰু নাই।
—দুখ লাগে ৰফিকুল আমি যে মানুহবোৰ ইমান অমানুহ হলো কেনেকৈ?

চেনেহীয়ে প্ৰাঞ্জললৈ চাই খং কৰি ক'লে— ৰবচোন শান্তিৰে ভাত কেইটা খাবলৈ দিয়ক! প্ৰাঞ্জল হাঁহি মাৰি সকলোলৈকে চালে— এৰা, আপোনালোকে ভাত খাওক! মই কথা পাতি থকা দেখি আমাৰ চেনেহীৰ বৰ খং উঠিছে।

উঠিবটো ভাত খাওঁতে কথা পাতিব নাপায়। কথাষাৰ কৈ চেনেহীয়ে হাঁহিলে আৰু সকলোৰে বাতিত মাছৰ আঞ্জা দি গ'ল।

৬৩

সিহঁতে তিনিচুকীয়াৰ পৰা ডিব্ৰুগড়লৈ গ'ল আৰু ঘৰত বস্তিক নমাই থৈ নগাঁও অভিমুখে ৰাওনা হ'ল। নিশা আহি সিহঁতে ঘৰ পালেহি। নিশা আহিয়েই তাই লচমিৰ পৰা অহা চিঠিখন পঢ়িলে, চিঠিত লিখিছে তাইৰ পৰীক্ষা (চেকেণ্ড চেমিষ্টাৰ) ওচৰ চাপি আহিছে, ঘৰলৈ যাবলৈ সময় নহব গতিকে সিহঁতক তাই এবাৰ চাবলৈ বৰ মন গৈছে। শেষত লিখিছে মা, পাপা তোমালোক এবাৰ আহানা। আহিলে বহুত খোৱা বস্তু লৈ আহিবা, কিন্তু জানাই নহয় ইয়াত মোৰ বান্ধবী ঢেৰ।

চিঠিখন পঢ়ি অৰূপাই হাঁহি হাঁহি অনিৰুদ্ধলৈ চাই সুধিলে— পিছে জীয়েৰাই মাতিছে নহয়, কেতিয়া যাবা?

—এতিয়াই যাবা নেকি ? অনিলে দুষ্টামিৰ সুৰত ক'লে।
—ধেৎ এতিয়া আহি পাইছোহে।
—তেনেহলে দুদিনমান জিৰণী লোৱা। তোমাৰ কিন্তু স্বাস্থ্য বৰ বেয়া হৈ গৈছে দেই।
—নাই নাই স্বাস্থ্য বেয়া হ'লেও মই যামেই।
—যাবাগৈ, তোমাক যাবলৈ কোনে মানা কৰিছে, দুদিন Rest লোৱা।

অৰূপাই একো নামাতিলে। সঁচাকৈয়ে তাইৰ ভাগৰ লাগিছিল। তিনিচুকীয়াৰ কথা তাই আৰু সেইদিনা একো তুলিয়ালে সোনকালে ভাত খাই মাইনাক বুকুত লৈ অৰূপা টোপনি গ'ল।

ৰাতিপুৱাল। পৃথিৱী পোহৰ হ'ল। অৰূপাই কিন্তু সাৰ নাপালে। অনিল ওচৰলৈ গৈ দেখিলে মাক জীয়েক দুয়োটাই শুই আছে। অনিল ওচৰতে বহিল আৰু অৰূপাৰ ক্লান্ত মুখখনলৈ ৰ' লাগি চাই থাকিল।

অৰূপাই চকুমেলি ওচৰতে অনিলক বহি থকা দেখি হাঁহি মাৰি উঠি বহিল।
—কি চাই আছা ?
—তোমাক।
—ইস্ তাই লাজ কৰিলে।
—ওঁ তোমাক, তোমাৰ ওঠত দেখিছিলো মই সাতোপাহ ৰঙীন গোলাপ।

অৰূপা ঠিয় হ'ল আৰু পিন্ধি থকা নাইট গাউনটো ঠিক কৰি অনিললৈ চালে— পোৱা তোমাৰ কবিতা। এতিয়া যোৱা। অনিলক ঠেলি বাহিৰলৈ উলিয়াই দি অৰূপাই বেড কভৰ খনৰ্ষা-খন জপাই দিলে।

চাহৰ মেজত বহি অৰূপাই তিনিচুকীয়াৰ সকলো কথা ক'লে।

অনিলে অৰূপাৰ সকলো কথা শুনিলে তাৰ পিছত সুধিলে— এতিয়া কোৱা মাজনীৰ তালৈ কেতিয়া যাবা।

—কালিলৈ যাও।

—হব তেনেহলে। এতিয়া মই অফিচৰ পৰা আহো।

—দুপৰীয়া ভাত খাবলৈ সোনকালে আহিবা কিন্তু

দুপৰীয়া অনিল সোনকালেই আহিল। দুয়োটাই ভাত খালে। অনিল আকৌ অফিচলৈ গ'ল, অৰূপাই লচমিৰ কাৰণে মনেশ্বৰৰ লগত লগ-লাগি কেক, বিস্কুত, পিঠা বনোৱাত লাগিল। তাইৰ যে কিমান ভাল লাগিছে, ছোৱালীক লগ পাবলৈ যাব। দুটা বছৰ কোনোমতে পাৰ হবহে, আৰু চাৰিটা বছৰৰ পাছতহে তাই ডাক্তৰ হৈ ওলাই আহিব। তাই মনতে ভাবিলে ইমানবোৰ দিন তাই গণি গণি পাৰ কৰিব লাগিব। তাই এটা হুমুনিয়াহ কাঢ়িলে আৰু ভিতৰলৈ সোমাই গ'ল। ইতিপূৰ্বে অভে'নত দিয়া কেকটো ফুলি উঠিছিল।

কাটা নিমকিখিনি মনেশ্বৰে মচমচিয়া কৰি ভাজি আছিল। গমৰ লাড়ুখিনি কৰিবলৈ তাই আটা, চেনী, ঘিউ, বাদাম খিচমিচ, গম ইত্যাদি ঠিক কৰি লওতেই অনিল আহিল।

—সোনকালে আহিলা যে?

—আজি বেছি কাম নাই গুচি আহিলো। তোমাৰ হলনে?

—নাই অলপ বাকী আছে।

—সোনকাল কৰা। আবেলি ফুৰিবলৈ যাম।

—হয় নেকি? অৰূপাই সোনকাল কৰিলে।

অনিলে কাপোৰ কানি খুলি মাইনাৰ লগত খেলি খেলি টোপনি গ'ল। মাইনাকো মায়াই শুৱাই দিলে।

সকলো কাম শেষ কৰি অৰূপা আহি দেখে অনিল লাল-কাল টোপানত।

— এই মুঠানেকি ? আকৌ বোলে ফুৰিবলৈ নিয়া ?

অৰূপাৰ আঙুলিৰ পৰশত অনিল একেচাবে উঠিল— অ' তুমি, কাম হ'লনে ?

— ওঁ হ'লতো। ব'লা ফুৰিবলৈ যাওঁ।

— বলা বলা মাইনাকো লোৱা।

অনিলে গাড়ী চলালে। অৰূপা কাষতে বহিল। পিছৰ চিটত মায়াই মাইনাক কোলাত লৈ বহিল। সিহঁতে গাড়ীৰে বহুত দূৰ পালেগৈ। গাড়ীৰে গৈ থাকোতে হঠাতে ইমান দিনৰ মূৰত অৰূপাৰ ফুলমতিলৈ আকৌ মনত পৰিল। মনত পৰিল চন্দ্ৰিকালৈ।

— কিয় মনে মনে আছিছা অৰু ?

— মনত পৰিছে ?

— কলৈ ?

— ফুলমতি আৰু চন্দ্ৰিকালৈ।

— বহুত দিনৰ মূৰত ?

— ওঁ, মনত পৰেই কিন্তু তোমাৰ সময়নো ক'ত কথা কবলৈ।

— ইস্ ভাল কৈছা। সময় মোৰ নাই, নে তোমাৰ ?

— বাৰু হব এতিয়া কোৱাচোন, চাহাবে ফুলমতিক বিচাৰি পালেনে ? চন্দ্ৰিকাই পালেনে তাইৰ বাপেকক ?

অনিলে ষ্টেৰিং ঘুৰাই লাহে লাহে কুঠৰী বাগৰীৰ ফালে আগবাঢ়িল। কুঠৰীত নতুনকৈ সজা Rest house টো অনিলে ভাল পায়। কাজিৰঙা চাবলৈ অহা ভ্ৰমণকাৰীৰ কাৰণে এই Rest house টো বনোৱা হৈছে। চাৰিওফালৰ নিৰিবিলি পৰিবেশ, নীলা পাহাৰ, চৰাইৰ কলৰৱ সঁচাকৈয়ে ভাল লাগে।

অনিলে Rest house ৰ প্ৰকাণ্ড গেটেদি গাড়ী সোমোৱাই দিলে।

গাড়ীৰ পৰা নামি অৰূপাৰ ভাল লাগি গ'ল। মায়াৰ

লগত মাইনাক দি সিহঁত দুটা গৈ ওপৰ তলাৰ বাৰান্দাৰ চকি দুখনত বহিলগৈ। অনিলে চিগাৰেট এটা জ্বলাই লৈ অৰূপালৈ চালে— কেনেকুৱা লাগিছে। অৰূপাই লাহেকৈ ক'লে— ভাল।

—কেনেকুৱা ভাল ? অনিলে চিগাৰেটটো দীঘলকৈ হোপা এটা মাৰি ধোঁৱাবোৰ উৰুৱাই দিলে।

— হোঁ ! অৰূপাই অনিললৈ চালে।

— কেনেকুৱা ভাল লগা মই কওঁ শুনা—

মৌ-মাখিজাক গুণগুণ কৈ
উৰি আছে মোৰ বুকুলৈ
মই কাণ পাতি শুনো
সিহঁতৰ পাখীৰ পাতল শব্দ
শিৰাই শিৰাই
অনুভৱ কৰো হিম ভৰা বসন্ত ॥

অৰূপাই তাইৰ মূৰটো অনিলৰ কান্ধত থৈ চকু দুটা মুদি দিলে।

অনিল কিছুসময় অন্য মনস্ক হ'ল। সি বাওঁ হাতখনেৰে অৰূপাৰ চুলিখিনি মোহাৰি দিলে। এনে সুন্দৰ পৰিবেশত ফুলমতিৰ কথা কৰলৈ সঁচাকৈয়ে ভাল লাগিব। সি মৰমেৰে মাতিলে অৰু, তুমি ফুলমতিৰ কথা শুনিব খুজিছিলা নহয় ?

● ● ●

অৱশেষত চিংকুৰি চাহবাগিচালৈ চাহাৱে নিজে মেনেজাৰ হৈ বদলি হৈ গ'ল। বাগানৰ শ্ৰমিকসকলৰ মাজত গুণগুণনি

উঠিল এটা নতুন চাহাব আহিছে। চাহাবে কথা নকয়, নাহাঁহে মাত্র গহৰ কাষে কাষে ঘুৰি ফুৰে। কথাবোৰ শুনি ফুলমতিয়ে চমকি উঠে। কোন চাহাব! সেই চাহাব নহয়টো? মাজে মাজে ফুলমতিৰ অন্তৰ আত্মা কপি উঠে, যদি হয় তেনেহ'লে তাই কি কৰিব! তাইৰ সতীত্ব হৰণ কৰাৰ কাৰণে তাই বাৰু প্ৰতিশোধ নলবনে? তাৰ কাৰণে তাইৰ জীৱনৰ যি দুৰ্গতি হ'ল, যি নিৰ্য্যাতন ভোগ কৰিলে তাৰ কাৰণে তাই তাক কি শাস্তি দিব। ভাবিলেই তাইৰ বুকুখন ধৰফৰায়। তথাপিও তাই ভাবিয়েই থাকে। সময়ে সময়ে চন্দ্ৰিকাক সাৱটি ধৰি ভৱিষ্যতৰ কথা মুখলৈ চায় সেই নাক, সেই মুখ সেই গাৰ ৰং। তাই চন্দ্ৰিকাৰ গাত চাহাবৰ প্ৰতিচ্ছবি দেখিবলৈ পায়। তাই প্ৰতিশোধ লবই, তাই ইমান দুৰ্ব্বল হলে হব জানো? তাই মন দৃঢ় কৰিলে আৰু সময়লৈ অপেক্ষা কৰিলে।

— তাৰ পিছত? অৰূপা পোন হৈ বহিল আৰু অনিলৰ হাতখন খামুচি ধৰিলে। কিছু সময় মনে মনে থাকি অনিলে আৰম্ভ কৰিলে— সেইদিনা আছিল পাত তোলা বতৰ। ফুলমতিৰ কাষে কাষে পাত তুলি আছিল চন্দ্ৰিকাই।

চাহাবে আতৰৰ পৰা ফুলমতিলৈ থৰ হৈ চাই আছিল। ১০ টা বছৰত এজনী মানুহ ইমান সলনি হব পাৰেনে? ভৰপূৰ যৌৱন ইমান জৰাজীৰ্ণ হব পাৰেনে আৰু সৌৱা তাইৰ ওচৰত কোন? সেইয়া বাৰু তাৰেই সন্তান নেকি? যদি হয় তেনেহলে তাৰ ছোৱালী ইমান ডাঙৰ হ'লনে? ইমান ধুনীয়া হৈছে। সি আৰু থাকিব নোৱাৰিলে। লাহে লাহে পিচফালৰ পৰা সি ওচৰ চাপি গৈ মাত দিলে— ফুলমতি। ফুলমতিয়ে চকুৰ আগতে চাহাবক দেখি চিঞৰ মাৰি দিলে— চন্দ্ৰিকা! তাই দৌৰি আহি মাকক সাৱটি ধৰিলে। ফুলমতি মাটিত ধলি পৰিল। চাহাবে ফুলমতিক

কোলাত তুলি ললে। তাই বহলকৈ চকু দুটা মেলি চাহাবলৈ চালে— মই ফুলমতি মই মই ? তই মোক ক্ষমা কৰ ফুলমতি।

ইতিপূৰ্ব্বে বাগানৰ শ্ৰমিকসকল আহি ঠাইখিনি বেৰি ধৰিলে। ফুলমতিয়ে সেহাই সেহাই চন্দ্ৰিকাক মাতি কৈছিল— এইয়া তোৰ বাবা। তাই চন্দ্ৰিকাক চাহাবৰ বুকুত হেচি ধৰিছিল আৰু লাহে লাহে কৈছিল চাহাব তোৰ ছোৱালী। তাই চকু মুদিছিল আৰু জ্ঞান হেৰুৱাইছিল।

চাহাবৰ নিৰ্দ্দেশমতে ফুলমতিক চাহাবৰ বাংলালৈ নিয়া হ'ল। ডাক্তৰ আহিল, নাৰ্চ আহিল, ৰাতিলৈ ফুলমতিয়ে চকু মেলিলে। ফুলমতিৰ অন্তৰত ইমান দিনৰ যি ক্ষোভ আছিল প্ৰতিশোধৰ যি ভাৱণা আছিল সি যেন তৎক্ষণাতে নাইকীয়া হ'ল। তাই চাহাবৰ হাতত ধৰি ক'লে— চাহাব তই গুচি যাগৈ নহলে তোৰ বিপদ হ'ব। ইহতে তোক মাৰি পেলাব। সঁচাকৈয়ে চাহাবে বাগানৰ মাজত হুলস্থুল শুনিবলৈ পালে আৰু তৎক্ষণাত ঠিৰাং কৰিলে সি এই বাগানৰ পৰা গুচি যাব। সি ফুলমতিক সাৱটি ধৰিলে আৰু কান্দি উঠিল my love. ফুলমতিয়ে ক'লে— ইয়াত অকণো নিৰাপদ নহয় চাহাব, তই গুচি যা। চাহাবে তৎক্ষণাত নিজৰ গাড়ী ললে আৰু ফুলমতি আৰু চন্দ্ৰিকাক লৈ পঞ্চৱটী চাহবাগিচালৈ গুচি গ'ল।

অৰূপা আচৰিত হৈ অনিললৈ চালে— কি কৈছা আমাৰ বাগিচালৈ ?

— ওঁ আমাৰ বাগিচালৈ।

— তেনেহলে মই ঠিকেই দেখিছিলো।

— হবও পাৰে।

অৰূপা কঁপিছিল। তাই ঠিয় হৈ কৈছিল ব'লা ঘৰলৈ যাও।

— x —

৬১

তেতিয়া আছিল আহিন মাহ। কুকুৰাযুঁজৰ সময়। যোৱা বছৰ এনেকুৱা এটা দিনতে কুকুৰাযুঁজ হৈছিল। কালিলৈ পঞ্চৱতী বাগানতো কুকুৰাযুঁজ হ'ব। চুনিয়াৰ আজি কালি মন গা ভাল। অল্পপাৰ ছোৱালীজনীয়ে তাইৰ মনৰ সকলো দুখ বেদনা যেন নিঃশেষ কৰি পেলালে। তাইলৈ যে চুনিয়াৰ কিমান মৰম। কালিলৈ তাইকো কুকুৰাযুঁজ দেখুৱাবলৈ লৈ য'ব লাগিব। চাবলৈ দিয়ে বা নিদিয়ে, কিয় নিদিব? মাইনাক দেখুৱাবই লাগিব। এইবাৰ বোলে বৰ ডাঙৰকৈ কুকুৰাযুঁজ হ'ব। আন আন বাগানৰ পৰাও বোলে কুকুৰা আহিব। কিন্তু সিহঁতৰ বাগান যে ডাঙৰ বাগান। চম্পাৱতী বুলিলে বুলিবৰ নাই গতিকে সিহঁত জিকিবই লাগিব। চুনিয়াই চোতালত ধান বাচি থাকোতেই লক্ষ্মণ আহি পালেহি।

—আঁৰে বহুত দেৰি কৰিলিচোন?

চুনিয়াই লক্ষ্মণলৈ মূৰ তুলি চালে।

—মই মোহনৰ লগত কুকুৰা ঠিক কৰিবলৈ গৈছিলো।

—হ'ল নে নাই?

—হ'ল অলপ পিছতে মুৰ্গীটো ইয়ালৈ লৈ আহিব।

—কিয়?

—কিয় আৰু নাজান? তাক ঠিক কৰিব লাগিব যাতে যুদ্ধত জিকিব পাৰে।

—কেনেকৈ জানিম আগতে জানো তহঁতে কেতিয়াবা কুকুৰা যুঁজাইছিলি?

—এইবাৰ দেখিবি দে।

—দেখিলে কি হ'ব, জিকিব লাগিব।

—অঁটো জিকিব লাগিব, সেই কাৰণে তাক অচিন গেন্ধাফুল খুৱাব লাগিব।

—গেন্ধাফুল ?

—ওঁ গেন্ধাফুল খুৱালেহে তাৰ খং বেছি হ'ব।

—হয় নেকি ? চুনিয়াই হাঁহিলে।

অলপ সময়ৰ পিছতে মোহনে এটা ঝিঙুৰা (পখৰা) মুৰ্গী লৈ আহি পালেহি।

চুনিয়াই হাঁহি মাৰি সুধিলে— আৰে ঝিঙুৰা মুৰ্গী আনিলিযে ?

—অঁ ঝিঙুৰা মুৰ্গী বেছি শক্তিশালী বুজিছ ?

—অঁ অঁ বুজিছো দে। এতিয়া বহ।

মোহনে মুৰ্গীটো কোলাৰ পৰা নমাই বাৰান্দাৰ খুটাটোতে বান্ধি দিলে। চুনিয়াই ডলাখনৰ পৰা চাউল এমুঠি নি মুৰ্গীটোৰ আগত সিচি দিলে। মুৰ্গীটোৱে তাৰ সৰু ঠোটখনেৰে চাউল এটা এটাকৈ তুলি তুলি খাবলৈ ধৰিলে। লচমিয়ে তালৈ চাই ক'লে— জিকিব লাগিবদেই বাবা।

—মোহনে লক্ষ্মণলৈ চাই ক'লে— বল এতিয়া শিয়ালৰ শুকান ছাল বিছাৰি যাও।

—কতনো পাবি ?

—হৰিচৰণ কাকাৰ ঘৰত আছে বুলি শুনিছো।

—পালেনো তই কি কৰিবি ? তই জানো জান কি কৰিব লাগে ?

—অঁ জানোটো ! এৰাতি চামৰাখন পানীত তিয়াই থৈ দিব লাগে পিছদিনা সেই পানীখিনি মুৰ্গীটোৰ গাত ছতিয়াই দিব লাগে।

চুনিয়াই চাউল বাচিবলৈ এবি কথা শুনাত লাগিল। তেতিয়া কি হ'ব।

—তেতিয়া মুৰ্গীটোৰ গাটো শিয়াল শিয়াল গোন্ধাব আৰু তাৰ লগত যুঁজ দিবলৈ অন্য মুৰ্গীটো ভয়তে পলাই যাব।

চুনিয়াই শাবীৰ আগটো মুখত দি থুক থুকাই হাঁহি দিলে। মোহনে ক'লে— মুঠতে যিকোনো উপায়েৰে আমাৰ মুৰ্গীটো জিকিবই লাগিব।

সিহঁতে শিয়ালৰ ছাল বিচাৰি যাবলৈ ওলাল। মোহনে চুনিয়ালৈ চাই ক'লে— ই ডাক দিয়ে নেকি চাবি?

—অ' আই এতিয়াই আৰু' কিয় ডাক দিব?

—সেইকাৰণেইটো কৈছো যেতিয়াই তেতিয়াই ডাক দিয়া মুৰ্গী যুঁজৰ কাৰণে উপযোগী নহয়। সময়মতে যি ডাক দিয়ে সেইটো মুৰ্গীহে আচল বাহৰ। (যুঁজ দিবলৈ অনা মুৰ্গী) সেইকাৰণে তই নজৰ দি থাকিবি, আৰু ফজিৰে চাবি কোনফালে চাই মুৰ্গীটোৱে ডাক দিয়ে। কাৰণ কি জান? পূব ফালে মুখ কৰি যি মুৰ্গীয়ে ডাক দিয়ে, সেই মুৰ্গীৰ লক্ষণ ভাল।

সিহঁত শিয়ালৰ ছাল বিচাৰি ওলাই গ'ল আৰু বহুত বাতি লক্ষ্মণে শিয়ালৰ ছাল এখন লৈ ঘৰ পালেহি।

চুনিয়াই জেংখৰি কেইদালমান দি জুই জ্বলাই বহি আছিল। লক্ষ্মণৰ মুখত চুলাইৰ গোন্ধ।

—আকৌ খালি হবলা?

—ধেৎ ঠাণ্ডা দিন অলপ নাখালে ভাল নালাগে অ' আজি অলপ ফূৰ্ত্তি কৰিম বুলি ভাবিছো বুজিলি। লক্ষ্মণে খেক-খেকাই হাঁহিলে আৰু গাৰ চাদৰখন দাংদালত থৈ তাই ওচৰতে বহি ক'লে— আহিন মাহৰ ঝিম-ঝিম ঠাণ্ডাটো একদম মজা লাগে দে।

চুনিয়াই তালৈ চাই ৰ'ল জুইৰ ধিৰিক থামাক পোহৰত

চুনিয়াৰ মুখলৈ চাই লক্ষ্মণে ক'লে। ভয় কৰিছ নেকি? একো নকৰো দে— হো এইখন নে বাক দৈৰ উদং চকটো যে বাহিৰত আছে তাতে তিয়াই থৈ দেগৈ।

চুনিয়াই মুখেৰে একো নামাতি ছালখন নি মাটিৰ চকটোত তিয়াই থলেগৈ। লক্ষ্মণে খৰি কেইদাল চপাই গোটাই দি বহিল। চুনিয়াই চকটো দুৱাৰখনৰ কাষতে থৈ হাতখন ধুই ক'লে— ইস্ বৰ গোন্ধাইছে।

লক্ষ্মণে হাঁহিলে ওঁ গোন্ধ পালেই ভাল আমাৰ কুকুৰাটো জিকিব শুনিছ, মুৰ্গী লৰাই গাৰঁৰ পৰাও বোলে বহুত আনিব।

—অঁ হয়নেকি? সেইখন গাওঁটো মুৰ্গী যুঁজৰ কাৰণেই বিখ্যাত হ'ল। সিহঁতে ছাগৈ একেবাৰে পাকৈত কৈ আহিব।

—থ থ চুনিয়া। চাবিছোন আমাৰ মুৰ্গীটোৱেই জিকিব।

—বাক হব দে এতিয়া ভাত খাই ল। তাই ভাতৰ চৰুৰ পৰা কাঁহি দুখনত ভাত উলিয়াই আনি জুইৰ ওচৰতে দি ক'লে— এতিয়া খা। লক্ষ্মণে কাহিখন ওচৰ চপাই লৈ ভাতখিনি খাবলৈ লাগিল। চুনিয়াই লিৰিকি বিদাৰি থাকি ক'লে— মই কুকুৰাযুঁজ চাম বুলি ভাবিছিলো। লচমি আৰু সৰস্বতীক লৈ যাম।

—ক'ত নিবি। মাইকী মানুহে কৰবাত মুৰ্গী যুঁজ চাইনেকি?

—কিনো হ'ব? তাই তললৈ মুৰ কৰি ক'লে।

—নাই নাই তই যাব নোৱাৰ।

মাইকী মানুহে কুকুৰা যুঁজ চাব নাপায়। সেই কাৰণে অখৰা (যুঁজ হোৱা ঠাই) বহুত দূৰত পাতিছে।

লক্ষ্মণে মুখ ধুই আকৌ জুইত হাত সেকিলে। চুনিয়াই কাহি বাতি কেইখন সামৰি থৈ জুইৰ কাষত বহিলহি। অলপ সময়ৰ পাছত তাইৰ গাটো গৰম হ'ল।

—এতিয়া বহি থাকিবিনে বল। লক্ষ্মণ শুবলৈ উঠি গ'ল। অলপ

পৰৰ পিছত চুনিয়াই কুকুৰাটো সিহঁতৰ পচালত মুমুৰাই দি চুনিয়া বিছনাত উঠিলহি।

বিছনাত উঠি লক্ষ্মণে চুনিয়াৰ ফালে বাগৰ সলালে —ঐ চুনিয়া।

লক্ষ্মণে চুনিয়াৰ হাত এখন টিপামাৰি ধৰিলে— তোক বাচ্ছা নালাগে নেকি ?

চুনিয়াই মুখখন গাকটোত হেচি ধৰিলে— তাইৰ গাটো কপি উঠিল আৰু লক্ষ্মণৰ বুকুৰ মাজত সোমাই পৰিল। ৰাতি গহীন হৈ আহিল। লাহে লাহে ক্লান্ত পৰিশ্ৰান্ত এহাল স্বামী স্ত্ৰী সেউজীয়া পাতৰ নীলা আকাশৰ তলত যেন শান্তিত নিমগ্ন হ'ল। সময় অতিবাহিত হ'ল। নিশা শেষ হৈ আহিল।

চুনিয়া একেচাৰে উঠিল। কুকুৰাই ডাক দিবৰ সময় হ'ল— কুকুৰাটো চাব লাগিব। তাই উঠি যাওতেই কুকুৰাটোৱে পূব ফালে মুখ কৰি ডাক দিবলৈ ধৰিলে— তাই মুখত শাৰীৰ আগটো দি হেচা মাৰি ধৰি বিছনাৰ ওচৰলৈ দৌৰ মাৰি লক্ষ্মণক হেচুকি দিলে— এই উঠ উঠ কুকুৰাটোৱে পূবফালে মুখ কৰি ডাক দিছে।

—আহ্ হয়নেকি ? বৰ ভাল কথা। আজি মই কি সপোন দেখিছো জান ?

—কি সপোন ?

—আহ্ মোৰ ওচৰলৈ তেহে কম।

—যাহ্ মই নাযাও।

—নাহ্ ? কিন্তু নাহিবি।

লক্ষ্মণে জাপ মাৰি বিছনাৰ পৰা নামি চুনিয়াৰ ককালত ধৰি ওপৰলৈ তুলি আনিলে— চুনিয়াই হাঁহি হাঁহি চাংখনত বাগৰি পৰিল। বহুত দিনৰ পাছত যেন চুনিয়াই হাঁহিলে। সময় পাৰ

হ'ল। তাই হাঁহিব জোৱাৰত যেন গছবন ফুলপাতৰ কপনি উঠিল। এসময়ত কপনি মাৰ গ'ল! পানীখিনি পাৰত লাগি নিস্তব্ধ হ'ল।

—ওঁ এতিয়া ক কি সপোন দেখিছিলি?

—দেখিছিলো তোৰ লগত বোলে বহুত ধেমালি কৰিছো আৰু তই বৰ হাঁহিছ।

—তেনেহলে তহঁত জিকিবিয়েই। এতিয়া উঠ মোহন ভাই আহিবৰ হ'লেই।

সঁচাকৈয়ে ৰাতিপুৱাই মোহন আহিয়েই চুনিয়াক সুধিলেহি পিছে ডাক দিওতে দেখিছিলি নে? নে টোপনিত লালকাল দি পৰি আছিলি?

—চুনিয়াই হাঁহি মাৰি ক'লে— টোপনিত লালকাল দি থকা নাই দে— চাইছিলো।

—পিছে কি দেখিলি? মোহনে উৎকণ্ঠিত হৈ সুধিলে—

—পুৱ ফালে মুখ কৰি ডাক দিছিল।

মোহনে হাঁহিলে। তই বৰ ভাল ভনী দেই। সেইকাৰণে মুৰ্গীটো তোক গতালো ভাগকৈ চাবি আৰু খাবলৈ দিবি। দেওবাৰে যুঁজৰ দিন হলেই। মাজতে এটা দিনহে আছে।

এটা দিন কেনেকৈ পাৰ হ'ল সিহঁতে গমকে নাপালে। আজি দেওবাৰ।

কুকুৰা যুঁজৰ দিন। ৰাতিপুৱাই মুখ নোধোৱাকৈ মোহন আহিল আৰু কাষলতিৰ তলত কুকুৰাটো সুমুৱাই লৈ গামোছাখন বাহুত পেলাই কোনেও নেদেখাকৈ 'আখড়া' লৈ ৰাওনা হ'ল। লক্ষ্মণেও মুখ নুধুলে, বিছনা পাটিও চাপা নকৰিলে। গড়ালো চাপা নকৰিলে। যুঁজৰ দিনা সেইবোৰ কৰিব নাপায় বোলে।

সিহঁত গ'লগৈ। চুনিয়াই গা-পা ধুই যুঁজৰ কুকুৰাটোৰ

যাতে কোনো অপায়-অমঙ্গল নহয় তাৰ বাবে যুদ্ধৰ দেৱতা বাঙ্গাহাৰী বিচাচাৰী নামত মাননী আগবঢ়ালে।

মোহন আৰু লক্ষ্মণ গৈ 'আখড়া' যুদ্ধৰ ঠাই পালেগৈ। কুকুৰা বহুত মানুহে আনিছে আৰু কুকুৰাৰ ঠেঙত কাইট বান্ধি মাননী লৈছে : মোহনৰ মুৰ্গীটোৰ ঠেঙত কাইট বান্ধি বাজোতাজনে মাননী লগে। কোনো মুৰ্গীৰ ঠেঙত কেতিয়াবা ছুৰীও বান্ধি দিয়ে। মোহনে পিছে ছুৰী বান্ধিবলৈ নিদিলে। কাইট বন্ধাৰ পাছত মুৰ্গীৰ ঠেঙত বান্ধি ৰখা ৰচিডাল খুলি এজনে বাওঁ ভৰিৰে গছকি থকাৰ নিয়ম। সেইকাৰণে লক্ষ্মণে মুৰ্গীৰ ঠেঙত বন্ধা ৰছিডাল নিজৰ ভৰিৰ তলতলৈ মনে মনে ৰহি থাকিল।

প্ৰথমে কেইবাটাও মুৰ্গীৰ যুঁজ হ'ল। প্ৰথম যুঁজত জিকা মুৰ্গী কেইটাই মোহনৰ মুৰ্গীৰ লগত যুঁজিবলৈ আহিয়েই ভয়ত পেপুৱা লাগি পলাল। শিয়ালৰ গোন্ধ পালে। সিহঁতৰ মালিকে খুউব চেষ্টা কৰিও মুৰ্গী কেইটাক যুঁজাব নোৱাৰিলে। তাৰ পাছত আহিল এটা ডাঙৰ বগা মুৰ্গী সি সেমেকা পৰি থাকিল। গেন্ধাফুল ৰাই খং উঠি থকা মোহনৰ মুৰ্গীৰ ৫২ৰত বগা মুৰ্গীয়ে সেও মানিলে। এনেয়েও ভয় বোলে বগা মুৰ্গীৰ সেইহে যুঁজৰ কাৰণে উপযোগী নহয়।

তাৰ পিছত আহিল এটা ৰিঙৰা। সেইটো পখৰা ৰঙৰ মুৰ্গী। মোহনৰ একদম ভয় লাগি গ'ল। দুয়োটাই সমানে সমানে যুঁজিলে কিন্তু মোহনৰ মুৰ্গীৰ খং বেছি দেখা গ'ল। লক্ষ্মণে ৰচি-ডাল টানি ধৰি থাকিল। মানুহে হৈ দিলে চিঞৰিলে। নাচি নাচি মোহনৰ মুৰ্গীয়ে বুৰ দিলে। মানুহবিলাকৰ হাউচ লাগিল, হাঁহিলে কিৰিলি পাৰিলে। অৱশেষত মোহনৰ মুৰ্গী জিকিল।

মানুহবোৰ ঘৰাঘৰি গ'ল। যুঁজৰ খলি চেঁচা পৰিল। মোহন আৰু লক্ষ্মণে পাছৰ জিত্ কাৰক লৈ ঘৰমুৱা হ'ল।

এইবাৰ ভোলাগুৰি চাহ বাগিচালৈ অৰূপাহঁতে যাত্ৰা কৰিলে। সেই চাহ বাগিচালৈ যাওঁতেই সিহঁতে কমলাবাৰী চাহ বাগিচাৰ "জেউতি" চাই যাব। সিহঁতৰ লগত মোহন, মধুমতি, দময়ন্তী, সীমান্ত, কুৰ্ম্মী, দিপেন, মিজ্জা, জয়ন্ত এই সকলোকো লগত ললে। ইতিপূৰ্ব্বে চাহ বাগানবোৰত সকলো ফালৰ পৰাই সচেতনতাই গা কৰি উঠিছে। ডেকাল'ৰাবোৰ একগোটহৈ মহিলাসকলৰ কামত আত্ম নিয়োগ কৰিছে। সিহঁতে বুজিছে যে নাৰী হৈছে একোখন সমাজৰ চালিকা শক্তি। নাৰীৰ সহযোগীতাৰ অবিহনে পৃথিবীৰ কোনো সমস্যাই সামাধান হব নোৱাৰে। সীমান্ত, কুৰ্ম্মীৰ নিচিনা ডেকা ল'ৰাই উদাত্ত কণ্ঠেৰে ভাষণ দিব পৰা হৈছে, জনতাক জগাই তুলিব পাৰিছে। শান্তি আৰু ঐক্যৰে সিহঁতৰ সকলো নায্য দাবি পুৰণ কৰিবলৈ চেষ্টা চলাইছে।

সিহঁতৰ গাড়ী ব্ৰহ্মপুত্ৰৰ দলং পাৰহৈ কমলাবাৰীৰ ফালে যাত্ৰা কৰিলে। "জেউতি"ৰ সন্মুখত সিহঁতৰ মিনি বাচখন ৰখাই সকলো নামি গ'ল। "জেউতি"ৰ কাম পুৰাদমে চলিছে। তলৰ কাম প্ৰায় শেষ হৈছে। সিহঁতক দেখি কল্যাণ দৌৰি আহিল। অৰূপাই ভালৈ চাই হাঁহিলে— আজি আমি বহুত মানুহ আহিছো কল্যাণ।

—আহক, বহক।

—আমি ভোলাগুৰিলৈ যাবলৈ আহিছো। ভাবিলো জেউতি চাই যাও।

—খুউব ভাল কৰিলে। আহি সোমাব বাইদেউ।

—নাই কল্যাণ, বহুত দেৰি হব। তাতে গাড়ী ভাৰা কৰি আনিছো। বাক কোৱাচোন কেতিয়ানো মুকলি কৰিব পৰা হ'ব ?

—অহা মাহত হ'ব বুলি ভাবিছো। ইতিমধ্যে আমেৰিকাৰ পৰা যন্ত্ৰপাতিবোৰ আহি পাইছে বুলি কাগজ পাইছো।

—কিমান যে ভাল লাগিছে কল্যাণ! ভাষাৰে প্ৰকাশ কৰিব নোৱাৰো। তোমাৰ দাদা বৌ ভাল আছেনে ?

—ওঁ আছে। বৌ সদায় আবেলি আহে। বলক বাইদেউ বৌয়ে কিমান যে ভাল পাব।

—আজি আৰু নাযাওঁ। Opening কেতিয়া হব চিঠি দেখিবা।

—নিশ্চয়।

সিহঁত আকৌ গাড়ীত উঠিল। গাড়ীত উঠি অৰূপাই মোহনহঁতক লক্ষ্য কৰি ক'লে— মোহন আজি আমি যিখন চাহ বাগিচালৈ আহিছো সেইখন এখন প্ৰসিদ্ধ চাহবাগিছা। শোণিত পুৰ জিলাৰ গহপুৰৰ ওচৰতে এই ভোলাগুৰি চাহবাগিচা। ১৯৩৫ চনতে এই চাহবাগিচাত জ্যোতিপ্ৰসাদ নামৰ এজন সংস্কৃতিবান মহান শিল্পীয়ে অসমীয়া বোলছবি জয়মতীৰ জন্ম দিছিল। জয়মতী কৰাৰ সময়ত এই বাগানকে ধৰি এই অঞ্চলৰ বোলে দুখী-সুখী সকলোৱে হাত উজান দিছিল।

—বাইদেউ তেনে এখন চাহবাগিচা চাবলৈ পোৱাটো আমাৰ ভাগ্যৰ কথা নহয়নে ?

—ভাগ্যনে দুৰ্ভাগ্য সেইটো দেখিলেহে কব পাৰিম।

সিহঁতৰ গাড়ী গৈ গহপুৰ পালেগৈ আৰু তাতে চাহৰ দোকান এখনত সোমাই চাহ খাই ললে। চাহ খাই থাকোতে অৰূপাই ল'ৰা এটাক সুধিলে— আমি ভোলাগুৰি চাহবাগিচালৈ যাবলৈ আহিছো, সহায় কৰি দিব পাৰিবনে ?

লৰাটোৱে অলপ দূৰত চাং এখনত বহি থকা প্ৰায় ৮০ বছৰীয়া বুঢ়া এজনলৈ দেখুৱাই দিলে। অৰূপাই লৰাটোলৈ চাই সুধিলে— তেওঁ পাৰিবানেকি ?

—হয় আজি কালি তেখেতেই সকলোকে ভোলাগুৰি দেখুৱাবলৈ নিয়ে আৰু সমস্ত বৃত্তান্ত কয়। তেখেতে সকলো জানে ?

সিহঁতে কথা পাতি থাকোতে বুঢ়াজন আহি মাতিলেহি— কি অ' বাবুল ? কি হ'ল।

—এ আপোনাৰ মানুহ আহিছে ভোলাগুৰি চাব।

সেলেঙী লগাই খোৱা তামোলৰ পিক্‌খিনি ৰাস্তাৰ দাঁতিত পেলাই হাঁহি হাঁহি ক'লে— অ' আপোনালোক আহিছে— ক'ৰ পৰা নো ?

—আমি নগাঁৱৰ পৰা আহিছো। আপুনি যদি অলপ সহায় কৰে।

—কিয় নকৰিম ? মই সহায় কৰিয়েই আছো, কিন্তু মোৰ কথা কোনেও নুশুনে ?

—কি কথানো নুশুনে ? অৰূপা ওচৰ চাপি আহিল।

—কিনো কম ? সাংস্কৃতিক আন্দোলন কৰিবলৈ মই কৈ আছো কিন্তু কোনেও নকৰে বুজিলে— কোনেও নকৰে, মই জানো সেই বিপ্লৱ কৰিবলৈ আপোনালোকৰ তেজ নাই। আজিও ভোলাগুৰিত জয়মতীয়ে বিনাই আছে আপোনালোকে শুনিছেনে ? নাই শুনা, মই জানো নহয় আপোনালোকে নুশুনে বুলি। সকলোৱে মোক পাগল বোলে মই কিন্তু পাগল নহয়। সকলো হেৰুৱাই মই আজি নিঃস্ব। জ্যোতি গ'ল, লগতে সকলো গ'ল। আজি আৰু জ্যোতিৰ কথা কোনে মনত ৰাখিছে। বাৰু বলক মোৰ লগত আহক। গাড়ীতে উঠক।

বুঢ়াজন গাড়ীত উঠিল আৰু অৰূপাহঁতো উঠিল। বাগি-চালৈ সোমাই যাওতে বুঢ়াজনে কৈ গ'ল— ১৯১৮ চনতে এই

বাগিচা আৰম্ভ কৰে। দিনেশ্বৰ আগৰৱালা আৰু গোলাপ আগৰৱালাই। সৌৱা যে দেখিছে ভোলাগুৰি পাহ তাৰ নাম অনুসৰিয়েই এই বাগিচাৰ নাম হ'ল ভোলাগুৰি। মোৰ আয়ে বোলে এই থানতে মানস কৰি মোক পাইছিল গতিকে আয়ে মোৰ নাম দিছিল ভোলা। কথা শুনি মোহনে খুউব হাঁহিলে। সকলো নামিল আৰু থানত সেৱা কৰি খোজকাঢ়ি বাগনৰ ভিতৰ সোমাল।

বাগিচাত সোমাই মোহনে ক'লে— ভোলাকাই কোৱা তাৰ পিছত?

—অঁ তাৰ পিছত ১৯২৩ চনতহে চাহবাগিচাখন পূৰ্ণ পৰ্যায় হয় বুলি কব পাৰি। গোলাপ আগৰৱালা তাৰ পিছত বীৰেণ আগৰৱালা তাৰ পিছতহে জ্যোতিপ্ৰসাদ আগৰৱালাই এই বাগিচাৰ মালিক আৰু স্বত্বাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰে। পিছে কি হ'ব তেখেত আছিল শিল্পী আৰু তাতে সংগ্ৰামী। স্বাধীনতা সংগ্ৰামৰ ছয়দুৱাৰ অঞ্চলৰ গোপন বৈঠকৰ থলি আছিল বাগিচাৰ মালিকৰ বাসভৱন।

জ্যোতিয়ে ভাবিছিল অসমৰ সাংস্কৃতিক দিশ উন্মোচন কৰিবলৈ হ'লে বিপ্লৱ কৰিব লাগিব— সেইহে ১৯৩৫ চনত এই বাগিচাৰ পৰাই জ্যোতিপ্ৰসাদে সাংস্কৃতিক সংগ্ৰামৰ কাৰ্য্যসূচী হিচাবে প্ৰথম অসমীয়া বোল ছবি জয়মতী কৰাৰ পৰিকল্পনা কৰে। জয়মতী কৰিবলৈ জ্যোতিয়ে ইয়াতেই জ্যোতি চিত্ৰবন ষ্টুডিঅ' নিৰ্মাণ কৰিছিল আৰু ওচৰৰ সকলো ব্যক্তিয়ে সহায় কৰিছিল।

অৰূপাই সুধিলে— আপুনি বাৰু জ্যোতি ককাইদেউৰ লগতে আছিলে নেকি?

ভোলাককায়ে খুউব হাঁহিলে তাৰ পিছত ক'লে ভাল প্ৰশ্ন কৰিলে আইদেউ— হওতে মই জ্যোতিৰ লগতে আছিলো। আমি দুয়ো বন্ধু আছিলো মই নহলে যেন জ্যোতিৰ নহয়েই।

ভোলা তামোল আন, ভোলা চাহ আন, ভোলা মোৰ লগত বহ, পিছে কি হব শেষৰ যাত্ৰাত কিন্তু তেওঁ মোক লগ নধৰিলে। কথা কৈ কৈ ভোলাককায়ে গামোছাৰে চকু পানী মচিলে। কিন্তু কি হব আইদেউ জয়মতী কৰিবলৈ গৈ জ্যোতিয়ে যি অৰ্থ সংকটৰ সন্মুখীন হ'ল তাক আৰু জ্যোতিয়ে আতৰাব নোৱাৰিলে। ভোলাগুৰি চাহ বাগিচাৰ পুঁজি শেষ কৰি শ্ৰমিক কৰ্মচাৰীসকলক দৰমহা দিব নোৱাৰা হ'ল— পিছত ইন্দ্ৰমালতী বোলছবি কৰিছিল যদিও আৰ্থিক ক্ষতি ইমানেই হৈছিল যে পিছত জ্যোতিয়ে দায়িত্ব তাৰ এৰি দিবলৈ বাধ্য হৈছিল।

অৰূপাহঁতে আগবাঢ়ি গৈছিল— বাগানৰ চাৰিওফালে যেন এক বিঙা বিঙা সুৰ বাজিছিল। ভোলাগুৰি চাহবাগিচা বৰ্ত্তমান অসম চাহনিগমৰ অধীনত হলেও আজিও শ্ৰমিকসকলৰ দুৰ্গতিৰ শেষ নাই।

আজি আৰু সেই আনন্দ নাই, আছে বিষাদ। অৰূপাহঁতে নিজে দেখিছিল বৰ্ত্তমান শ্ৰমিক কৰ্মচাৰীৰ অৱস্থা দুখলগা। ঘুৰি পকি চাই অৰূপাহঁত হতাশ হ'ল। বিদ্যালয় নাই, চিকিৎসালয় নাই, দোকান পোহাৰ নাই, ভাল ৰাস্তাবাট নাই। আছে বাৰিষাত বোকা হোৱা এটা ৰাস্তা আৰু চুলাই মদৰ দোকান আৰু আছে মদখাই শাৰীৰিক আৰু মানসিকভাবে অকামিলা হৈ পৰা শ্ৰমিকসকল।

সিহঁতে চাহ বাগানৰ পৰা ওলাই আহিল আৰু গছ এজোপাৰ তলত বৈ ভোলাককাইক সুধিলে তোমাৰ ঘৰত কোন কোন আছে?

— সকলো আছিল সকলো গ'ল। মইহে মৰিব নাজানিলো।

—থাকে ক'ত?

—ক'ত থাকো! সেই নিৰ্ম্মল আকাশৰ তলত। নিশা সদায়

আকাশৰ পৰা জ্যোতি নামি আহি কয় - এই ভোলা! কি কৰিছ, তই মানুহ জগাব পৰা নাই, জগা মানুহ, জগা, সাংস্কৃতিক আন্দোলন কৰিবলৈ ক!

সেইহে মই আকাশৰ তলতেই জ্যোতিক পাবলৈ বৈ থাকো। কিবা পালে খাও নাপালেও আপত্তি নাই।

অৰূপাই ক'লে— ককাই আমি আপোনাক কিবা এটা মাননি দিব খুজিছো।

— কি কথা আই মোক মাননি দিবা। তোমালোকৰ পৰা মাননি লৈ মই জ্যোতিৰ আদৰ্শক বিক্ৰি কৰিম! হায়! হায় আইদেউ তোমালোকে ভাবিছা মই দুখীয়া, কিন্তু জানা আই মোৰ যি সম্পত্তি আছে তোমালোকৰ নাই। সেইয়া হ'ল জ্যোতিৰ আদৰ্শ। ভোলা ককায়ে দুয়োহাত জোৰ কৰি ক'লে- আইহঁত ভাবিছো নতুন দিন আহিছে। তোমালোকে যে আহি ভোলাগুৰিৰ এই নিপীড়িত লোকক সহায় কৰিবলৈ আগবাঢ়ি আহিছা তাকে ভাবি মই আচৰিত হৈছো। আজি অত দিনে এই দৰিদ্ৰলোকৰ সহায়ৰ কাৰণে কোনো আগবাঢ়ি অহা নাই। তোমালোকে এই ভোলা-গুৰিক কেন্দ্ৰ কৰি সাংস্কৃতিক আন্দোলন গঢ়ি তোলা, নহলে বিজ-তৰীয়া সংস্কৃতিয়ে অসমখন খাই পেলাব এতিয়া।

অৰূপাকে ধৰি আটায়ে ভোলাককাইৰ ভৰিত ধৰি সেৱা কৰিলে আৰু বিদায় ললে। ভোলাককায়ে চকু পানী টুকি নমস্কাৰ কৰি বিদায় দিলে। গাড়ীত চকু পানী মচি অৰূপাই ভাবিলে ইমান মহান শিল্পীও আজি অসমত আছে।

মোহনে চকু পানী মচি চিঞৰি উঠিল— আমাৰ বৰ্ত্তমান কাৰ্য্যসূচী হব সাংস্কৃতিক বিপ্লৱ!

—x—

৬৩

অৰূপাহঁত আহি বাগান পালেহি বাগান পাওতে অন্ধকাৰ নিশা হৈছিল। সময়বোৰ পাৰ হৈছিল। ভোলাগুৰি চাহবাগিচাৰ পৰা অহা দিন ধৰি এটা নতুন কথাই অৰূপাক আমনি দিছিল সেইটো হৈছে ভোলাককায়ে কোৱা কথাষাৰ "আইদেউ সাংস্কৃতিক আন্দোলন গঢ়ি তুলিব লাগিব আকৌ জ্যোতিৰ জ্যোতিৰে অসম পোহৰ কৰিব লাগিব।" হঠাতে জন্মভূমিৰ প্ৰেমৰ উন্মেষেৰে যেন তাইৰ সত্বাটো কপাই তুলিলে। তাইৰ মূৰটো আচন্ন্াই কৰিলে আৰু লাহেকৈ বাৰান্দাৰ পৰা উঠি গৈ বিছনাত বাগৰ দিলেগৈ।

অৰূপা অলপ দিনৰ পৰা দুৰ্ব্বল হৈ পৰিছে। সোনকালে ভাগৰ লাগে বুকু ধপ ধপাই। তাই বিছনাত পৰি থাকোতেই টোপনি গ'ল। অলপ পৰৰ পাছত চকু মেলি দেখে অনিল তাইৰ ওচৰতে বহি আছে। স্নিগ্ধা আজি কালি ডাঙৰ হৈছে, স্কুল যায়। ভায়ো মাকৰ কাষতে বহিলহি।

—কি হ'ল ভাগৰ লাগিছে নহয়। তোমাৰ কিন্তু জিৰণিৰ প্ৰয়োজন অৰূপা।

—ৰবাচোন জিৰণি একেবাৰে ল'ম। মই আন এটা কথাহে ভাবিছো।

—কি কথা?

—সাংস্কৃতিক আন্দোলন।

—তুমি দেখোন আন্দোলন কৰিয়েই আছা, বাগানে বাগানে সংগীত স্কুল খুলিছা, নৃত্য, গীত, বৰগীত, বনগীত শিকাইছা সেয়ে

সাংস্কৃতিক আন্দোলন, আৰু কি লাগে।

—অনিল, আমি নতুন যুৱশক্তিক আগবঢ়াই দি আমি ক'ব পাৰিব লাগিব, হে মোৰ পুত্ৰসকল জীৱনৰ অৰ্থ বিচাৰি লৈ যাত্ৰা আৰম্ভ কৰা য'ত লুকাই আছে আমাৰ দেশৰ প্ৰতিটো পুৰাৰ ঐশ্বৰ্য্য আৰু সেই ঐশ্বৰ্য্যৰ ভিতৰত লুকাই আছে অনৈক্যৰ মাজত ঐক্য, বিৰোধৰ মাজত সংহতি।

অৰূপাইত ভোলাগুৰি চাহ বাগিচাৰ কথা চিন্তা কৰি থাকোতেই ৰাখী বিশ্বাস আৰু হৰিনাৰায়ণ চৌধুৰীৰ পৰা এখন চিঠি পালে। চিঠিখনত 'জেউতি'ৰ কনষ্ট্ৰাকচন্ সম্পূৰ্ণ হোৱা বুলি লিখিছে আৰু সকলো যন্ত্ৰপাতি আহি পোৱাহি বুলি জনাইছে। লগতে অহা মাহৰ ২ তাৰিখে জেউতিৰ দুৱাৰ মুকলি কৰা হ'ব বুলি সকলোকে নিমন্ত্ৰণ কৰিছে।

চিঠি পাই অৰূপাৰ আনন্দৰ সীমা নোহোৱা হ'ল। অনিলে চাই সুধিলে— পিছে তুমি যাবানে নোযোৱা?

—কিয় নাযাম? যাব লাগিব।

—মাজনীক দেখোন মাতিছে?

—বুজিছা অৰু, তাইক বাৰে বাৰে আমনি কৰিবলৈ ইচ্ছা নাই। তথাপি মাতা, অৱশ্যে তায়ো ভাল পাব।

অৰূপাই কথাষাৰ কৈ মাইনাৰ ওচৰলৈ গ'ল। তাইক স্কুললৈ উলিয়াই দি ভাবিলে— চাই থাকোতেই মাইনা ইমান ডাঙৰ হ'ল। এতিয়াও অৰূপাৰ ভাবিলে আচৰিত লাগে মাইনায়ো স্কুল যাব পৰা হ'ল। তাই বাপেকৰ নিচিনা হৈছে। কথা বতৰা চাল চলন সাইলাখ বাপেক। বাপেক গঢ়ী ছোৱালী বোলে লক্ষ্মী। মাইনাৰ ডিঙিৰ টাইডালৰ গাঠিটো দি অৰূপাই হাঁহিলে।

—হাঁহিলা কিয়? অনিলে ওচৰলৈ আহি সুধিলে।

—এইযে একেবাৰে তোমাৰ নিচিনা হৈছে সেইকাৰণে?

— সেইটোও এটা কাৰণনে ?

—ওঁ বাপেক গঢ়ী ছোৱালী বোলে লক্ষ্মী ।

—আমাৰ কিন্তু বৰ জীয়াৰিহে লক্ষ্মী দেই । তাই মোৰ সৰ্বস্ব । অনিলে কথাবাৰ কৈ অৰূপালৈ চালে ।

— বাহ্ এইজনী কাৰ ?

—এইজনী তোমাৰ । নহয়নে মাইনা ?

অনিলে মাইনাক একেকোবে কোলাত তুলি লৈ চুমা এটা খাই দিলে ।

—সেইয়া মই কষ্ট কৰি ইষ্ট্ৰি কৰি ইউনিফ্ৰমজোৰ পিন্ধালো তুমি ইষ্ট্ৰি ভাঙি দিলা ।

—আহ্ নাই দিয়া, একো হোৱা নাই, ঠিক আছে ।

অনিলে তাইক নমাই দিলে, অৰূপাই তাইক ভাত খুৱাই গাড়ীত বহুৱাই দিলেগৈ । অনিলে তাইক থবলৈ বুলি গাড়ী চলাই দিলে । মাইনাক স্কুলত থৈ অনিল অফিচলৈ আহিল আৰু লচমিলৈ ফোন কৰি "জেউতি"ৰ কথা জনালে । লচমিয়ে ফোনতে জেউতি চাবলৈ আহিব বুলি জনালে ।

অৰূপাৰ আনন্দতে ঠায় নোহোৱা হ'ল । দিনবোৰ যেন নাযায় হে নাযায় । জেউতিৰ দুৱাৰ মুকলি কৰাৰ এটা দিনৰ আগতে অৰ্থাৎ ১ তাৰিখেই লচমি আহি পঞ্চৱতী পালেহি । আহিয়েই মাকক সাৱটি ধৰিলেহি ।

অনিলে তাইৰ কপালত চুমা এটা খাই ক'লে— পৰাক্ষা ভাল হ'ল নে ?

— ভালেই হৈছে পাপা । বৰ কষ্ট কৰিব লগা হৈছে ।

— ওঁ কষ্ট কৰিলেহে ৰত্ন পাবা মাজনী ।

তাই হাঁহি মাৰি মাকৰ ডিঙিটোত ধৰি ক'লে— মইতো কষ্ট কৰিয়েই আছো, নহয় জানো মা ?

— ওঁ মাজনী তুমিতো কষ্ট কৰিছাই আৰু কৰিব লাগিব।
— এতিয়া কোৱা তোমালোকৰ "জেউতি" কেতিয়া চাবলৈ যাবা ?
— কালিলৈ ৰাতিপুৱাতে।

● ● ●

সিহঁতে ৰাতিপুৱা সোনকালেই জেউতি চাবলৈ ৰাওনা হ'ল। সিহঁতে গৈ পোৱাৰ আগতেই জেউতিৰ প্ৰাঙ্গণ মানুহেৰে ভৰি পৰিছিল। অৰূপাহঁতক দেখি কল্যাণহঁত আগবাঢ়ি আহিল আৰু আগবাঢ়ি আহিল ৰাখী আৰু হৰিনাৰায়ণ চৌধুৰী।

ৰাখীয়ে তেওঁলোকক নমস্কাৰ জনালে। চৌধুৰীয়ে লচমিক আশীৰ্ব্বাদ দিলে আৰু "জেউতি"ৰ ভিতৰৰ ব্যৱস্থা দেখুৱাবলৈ ওপৰলৈ লৈ গ'ল। লচমিয়ে খুউব আনন্দ পালে, ইতিমধ্যে শাৰীৰিকভাৱে অক্ষম, মানসিকভাৱে অক্ষম শিশু ১০টি মানৰ নাম ভৰ্ত্তি কৰিলেই। তাৰ পিছত চৌধুৰীয়ে লচমিক লৈ গৈ হুইল চেয়াৰত বহি থকা ল'ৰাটোক দেখুৱাই ক'লে— এয়াই মোৰ পুত্ৰ অৰবিন্দ। লচমি অবাক হ'ল, তাই জনাই নাছিল যে তেওঁলোকৰ এনে এটা ল'ৰা আছে বুলি। তাই ক্ষন্তেক ঠিয় হৈ থাকি অৰবিন্দৰ মূৰত হাত বুলাই দিলে।

তাই তাতে বৈ থাকিল, চৌধুৰী নামি আহিল। যথা সময়ত "জেউতি"ৰ ফিটা কাটিলে তেজপুৰৰে বিখ্যাত ডাক্তৰ হৰিপ্ৰিয়া ভৰালীয়ে। তেওঁ ভাষণত ক'লে— এই অনুষ্ঠানটো প্ৰতিষ্ঠা কৰি চৌধুৰী ডাঙৰীয়াই মহান কাম কৰিলে। এই অনুষ্ঠানে

গোটেই অসমৰ শিশুৰে মঙ্গল সাধন কৰিব। ৰাইজে হাত জোকা-ৰিলে নৈ বৈ যায় বুলি এষাৰি কথা আছে, আহক আমিও এই অনুষ্ঠানটিৰ প্ৰতি হাত উজান দিওঁ। তেখেতে কোৱাৰ লগে লগে ৰাইজে জোনে যি পাৰে দান পাত্ৰত দান বৰগুণি দিবলৈ ধৰিলে আৰু অতি সুখৰ বিষয় যে তাত উপস্থিত থকা ডাঙৰ ডাঙৰ চাহ কোম্পানীৰ প্ৰতিনিধিসকলেও সহায় কৰিব বুলি প্ৰতিশ্ৰুতি দিলে। সকলো সুকলমে সমাধা হৈ গ'ল। অৰূপাহঁতৰ অন্তৰত এনে আনন্দ লাগিছিল যে তাক প্ৰকাশ কৰিব নোৱাৰি সিহঁতে কান্দি পেলাইছিল।

সিহঁত ঘৰলৈ উভতিছিল। তেতিয়া সাঁজ লাগি ভাগিছিল। নিলীম গগণত তৰাবোৰে ইটোৰ লগত সিটো মিলি জ্যোৎস্নাভৰা ৰাতি গভীৰতম প্ৰশান্তিৰে দীপাৱলী পাতিছিল। প্ৰহৰবোৰ যেন অতি ক্লান্ত হৈ পাৰ হৈ গৈছিল। সিহঁতে নিশা আহি ঘৰ পাই-ছিলহি। ৰাতিপুৱা সোনকালে উঠিয়েই লচমি হোষ্টেললৈ গুছি গৈছিল।

সময়বোৰ খৰ গতিৰে পাৰ হৈছিল। অৰূপা যেন বৰ দুৰ্ব্বল হৈ পৰিছে। ৰাতি তাইৰ টোপনি নাহে! টোপনিতে তাই ফুলমতিক দেখিবলৈ পায়। ফুলমতিৰ অতৃপ্ত আত্মাই যেন তাইক টোপনিৰ পৰা জগাই দিয়ে। তেতিয়া তাই উঠি বহে আৰু স্নিগ্ধাক বুকুত সাৱটি লয়। তাই ভাবে মানুহৰ জীৱন এনেকুৱাই কিন্তু জীয়াই থকাৰ পৰিপূৰ্ণ উল্লাস আৰু প্ৰেমৰ মাদকতা বিছাৰি পাবলৈ এতিয়াও যেন তাইৰ দুঃসাহসিক অভিযানৰ প্ৰয়োজন আছে।

সেইদিনাও তাইৰ টোপনি অহা নাছিল। চকু দুটা মেলি ওপৰৰ চিলিঙিলৈ চাই থাকোতেই বাহিৰত গাড়ীৰ শব্দ শুনি উচপ খাই উঠিল আৰু অনিলক জগাই দিলে, উঠা উঠা অনিল কোনোবা আহিছে। লৰালৰিকৈ অনিল উঠি গৈ দেখে যে ঘৰৰ গাড়ীখন

লৈ ৰূপসিঙ আহিছে। অনিলে লৰালৰিকৈ গাড়ীখনৰ ওচৰলৈ গ'ল। ৰূপসিঙ নামি আহি ক'লে— বৰ বোপা আইতাৰ অৱস্থা বেয়া তোমালোকক মাতি পাঠাইছে আৰু লচমি আইদেউকো খবৰ দিবলৈ দিছে। অনিলে ৰূপসিঙক বহিবলৈ দি সুধিলে— আচলতে কি হৈছে কোৱাচোন ৰূপসিঙ। ৰূপসিঙে বহি লৈ আৰম্ভ কৰিলে— কিনো কম ববোপা। তোমালোকে জোৱাঁলীজনী তুলি লোৱাৰ পিছৰে পৰা জানো আইতাৰ কি হ'ল, সকলো সম্পত্তি সৰুবাপুৰ নামত লিখি দিলে। কিন্তু কি হব! নোৱাৰিলে, সৰুবাপুৱে তিনি চাৰিবাৰকৈ দিয়ো হাইয়াৰচেকেণ্ডৰী পৰীক্ষাটোকে পাছ কৰিব নোৱাৰিলে। ঘৰত নাথাকে, নপঢ়ে, ক'ত আৰু পাছ কৰিব! তাতে টকা পালে মদ, ভাঙ জুৱাত লাগিল আৰু তুলি উদং কৰিলে। এতিয়া আইতাৰ ঔষধৰ খৰচ লোগাবলৈকে পইচা নাই। ইপিনে স্বপ্নাই অকলে অকলে কি কৰিব? তাই ইংলিচ স্কুল এখনত সোমাইছে। যি কেইটা পইচা পাই তাইকে লাগে। আজি ১০/১২ দিন সৰুবাপু ঘৰতে নাই। এইবোৰ চিন্তা কৰিয়েই কালি আইতা মাটিত বেহুচ হৈ পৰিল, মই আৰু স্বপ্নাই ধৰি বিছনাত শুৱাই দি ডাক্তৰ আনিলো। স্বপ্না আইদেউৱে সেই কাৰণে তোমাক খবৰ দিবলৈ পঠাই দিছে আৰু আইতাই অনবৰতে লচমি আইদেউক বিচাৰি চিঞৰি আছে।

কথাবোৰ শুনি লৈ অনিল আৰু অৰূপা গিয়াকলৈ ঘৰলৈ যাওনা হ'ল। যাওঁতেই লচমিলৈ খবৰ পঠালে।

পিচদিনা লচমি আহি আইতাকক সাৱটি ধৰিলে— কি হ'ল আইতা তোমাৰ?

— তোলৈ বাট চাই আছো মাজনী, মই আৰু জীয়াই নাথাকো আইজনী তোক মই বহুত কষ্ট দিলো। বহুত অৱহেলা কৰিলো মোক ক্ষমা কৰি দে আইজনী।

— আইতা তুমি এইবোৰ কি কথা কৈছা মই থাকোতে তুমি মৰিবা ? সেইটো হব নোৱাৰে মই তোমাক মৰিবলৈ নিদিও। তুমি জীয়াই থাকিব লাগিব। লচমিয়ে আইতাকক মৰম কৰিলে, দুয়ো গালত চুমা খালে।

লচমিয়ে বুজিলে আইতাৰ আচলতে একো অসুখ হোৱা নাই। মাত্র দুচিন্তাত এনে হৈছে। লচমিয়ে আইতাকক শুশ্রূষা কৰিলে, ঔষধ দিলে, নিজ হাতেৰে পথ্য খুৱালে, বাৰান্দাত ধৰি ধৰি ফুৰালে। আইতা ভাল হৈ উঠিল। এদিন আইতাকে লচমিক বুকুত সাৱটি ধৰি ক'লে— আইজনী তইঁত দুয়োজনীক দিবলৈ মোৰ আৰু একো নাই মই সকলো শেষ কৰি দিলো। মোৰ ভুলৰ প্ৰায়চিত্তৰ কাৰণে মই আৰু বহুত যন্ত্রণা ভোগ কৰিব লাগিব।

লচমিয়ে আইতাকৰ মূৰটো বুকুত সাৱটি ধৰি কৈ উঠিল —আইতা মোক একো নালাগে, লাগে মাত্র তোমাৰ মৰম। যি মৰমৰ পৰা মই ইমান দিন বঞ্চিত হৈ আছিলো।

আইতাকে লচমিক বুকুত সাৱটি ধৰিলে আৰু গালে মুখে চুমাৰে উপচাই দিলে।

অনিলে দেখিলে মাকৰ চকুয়েদি দুধাৰি চকু পানী বৈ আছিছে। এই চকু পানীত যেন উজলি উঠিছে এক নতুনৰ প্ৰতিশ্রুতি।

আইতাকৰ লগত এসপ্তাহ থাকি লচমি কলেজলৈ গ'লগৈ। অৰুপাইঁত বাগানলৈ উভতি আহিল।

বাগানলৈ আহি অনিলে অ'ত ত'ত বহি থাকিবলৈ ল'লে। কথা বতৰা কমকৈ কবলৈ ল'লে। সদায় কিবা এটা চিন্তা কৰি থকা দেখি অৰুপাই এদিন সুধিলে—কি হ'ল অনিল আজি কালি কিবা এটা চিন্তা কৰি থকা কিয় ? নিশ্চয় তোমাৰ কিবা এটা হৈছে। কোৱানা কি চিন্তা কৰিছা ? অনিলে হমু-

নিয়াহ এটা কাটি অৰূপালৈ চালে - জানা অক, মায়ে সকলো শেষ কৰি দিলে।

— কি শেষ কৰিলে মায়ে ? অৰূপা আচৰিত হ'ল। ৰাস্তাৰ কাষত আমাৰ যি চাৰি বিঘা মাটি আছিল, তাতে এখন নাৰ্চিং হোম খুলিম বুলি আশা কৰি আছিলো। কিন্তু মায়ে শেষ কৰি দিলে।

— তাতে কি হ'ল ? নালাগে আমাক সেই সম্পত্তি। মইতো চহৰত নাৰ্চিংহোম খুলিব খোজা নাই। মই নাৰ্চিং হোম বনাম বাগানত য ত বনালে দুখীয়া মানুহখিনিৰ উপকাৰ হব।

— বাগানত তুমি ক'ৰ মাটি পাবা ? লচমি পাছ কৰি অহাৰ লগে লগে যাতে নাৰ্চিং হোমত কাম আৰম্ভ কৰিব পাৰে মই তাৰেই প্ৰস্তুতি কৰিছিলো।

— তুমি হতাশ নহবা অনিল। মই আকৌ বস্তিৰ ওচৰলৈ যাম সদানন্দ বৰুৱাক গোটেই কথাখিনি খুলি ক'লে নিশ্চয় কিবা এটা উপায় দিব।

— কি উপায় দিব ? তেওঁ তোমাক নাৰ্চিংহোম খুলিবলৈ মাটি দিব ? আকাশত চাং পতা কথা নাভাবিবা অৰূপা।

—মোক দিব নালাগে, দুখীয়া, দৰিদ্ৰৰ কাৰণেহে দিব লাগে ?

— তোমাৰ যুক্তিয়ে সদানন্দ বৰুৱাৰ হৃদয় স্পৰ্শ নকৰে অক।

—তথাপিও মই এবাৰ গৈ অনুৰোধ কৰিব খোজো আৰু মোৰ লগত তুমিও যাব লাগিব।

— মই কিয় ? মই নাযাও। মোক যদি বাগানৰ কিবা কামত মাতি পঠায় তেতিয়াহলেহে যাম।

— চোৱা অনিল আজি কিমান দিন হ'ল, তোমাৰ ওপৰতে এই বাগান এৰি দিলে ? এদিনো চ'বলৈকো নাহে, তোমাক আম বাগানলৈ ইচ্ছা কৰা হ'লে Transfer কৰিব পাৰিলেহেঁতেন তাকো।

কৰা নাই। তাৰ মানে কি ? তাৰ মানে তেখেতে তোমাক ভাল পায় বিশ্বাস কৰে। গতিকে যদি তেখেতৰ ওচৰলৈ যোৱা কিয় বেয়া পাব ?

অনিলে একো নামাতিলে। অৰূপাৰ অনুৰোধ কৰাৰ কেইদিনমান পিছতে অনিহঁতে সদানন্দ বৰুৱাৰ ঘৰলৈ গ'ল। সিহঁত গৈ ১০টা মান বজাতে পালেগৈ। বৰুৱা বাৰান্দাতে বৈ আছিল। অনিলক দেখি বৰুৱাই আগবাঢ়ি আহিল— কি খবৰ চহৰীয়া আজি কি মন গ'ল। সকলো ঠিক ঠাক চলি আছেতো ?

— হয় সকলো ঠিকঠাক চলি আছে।

— নতুন বাগানৰ কাম কিমান আগবাঢ়িছে ?

— পুলিবোৰ ৰোৱা হ'ল।

— আপুনিও আৰু ভাল, ভিতৰলৈ আনি বহিবলৈ দিয়া নাই, একেবাৰে বাটতে কথা পাতিছে। বন্তিৰ কথাৰ উত্তৰ দি বৰুৱাই ক'লে— ৰবাহে চহৰীয়াই বেয়া নাপায় নহয়। বাগানৰ খবৰহে লৈছো। বাৰু আহক আহক বহকহি। আজি দলে বলে অহা নাই দেখোন।

অৰূপাই হাঁহি মাথি বৰুৱালৈ চালে— আজি Family visit.

— বৰ ভাল কথা। তেনেহলে আজি খানা মজবুত হব লাগিব। হেৰা হেৰা বৰুৱাই বন্তিক চিঞৰিলে।

—কি হ'ল ? আজি দেখোন বৰকৈ চিঞৰি মাতিছে !

—আনন্দতে বুজিলা ? বাগানৰ মালিক বুলি কিমাননো মনে মনে কথা পাতিবা। আজি একেবাৰে গাৰঁৰ মাতটো ওলাই গ'ল। বৰুৱাই হাঃ হাঃ কৈ হাঁহি দিলে তাৰ পাছত আকৌ সুধিলে— মাছ-তাছ আছেনে নাই, নাই যদি তাক পথাই দিয়া, মাছো আনক মাংসও আনক।

—বাৰু হ'ব দিয়ক। নিজৰ মানুহ বি আছে তাকে খাব।

—হয় হয় কিয় নহয়। অৰুপাই চাহিলে :

ড্ৰইং ৰুমত সকলো বহিল। বৰুৱাই এফালৰ পৰা বাগানৰ খবৰবোৰ ল'লে, তাৰ পাছত উৎসাহেৰে অৰুপালৈ চাই—বুজিছে মই বৰ ভাল পাইছো আমাৰ বাগানৰ নাম হৈছে। আগতকৈ চাহপাতৰ উৎপাদন বাঢ়িছে। শিক্ষা-দীক্ষা হৈছে। ল'ৰা-ছোৱালী-বিলাকে বোলে গান-বাজনাও শিকিছে? শুনি ভাল পাইছো। মানসিক উৎকৰ্ষ সাধন কৰিব পাৰিলে সকলো কাম কৰিবলৈ ল'ৰা-ছোৱালীয়ে প্ৰেৰণা পায়। আমাৰ যে মন নাথায় এনে নহয়, কিন্তু সহযোগী অনুষ্ঠানৰ যোগেদি কাম কৰিবলৈ ভাল। এতিয়া আপোনালোকৰ অনুষ্ঠানৰ যোগেদি বহুত বাগানত কাম হৈছে। মানুহে অকলে আমাক বদনাম দিয়ে আইকচোন আমাক ভাল প্ৰশ্ন দিয়ক। আৰু নিদিয়া বা নকৰাৰ কোনো প্ৰশ্নই থাকিব নোৱাৰে। সকলো মালিক একে নহয় বুজিলে। বৰুৱাৰ কথাখিনি শুনি অৰুপাই অনিললৈ আৰু অনিলেও অৰুপালৈ চালে।

তেওঁলোকৰ কথা পাতি থাকোতেই বস্তিয়ে চাহ খাবলৈ মাতিলে।

বৰুৱাই ক'লে— আজি আমাৰো তেনে কোনো প্ৰগ্ৰেম নাছিল। গতিকে আপোনালোক আহিল বৰ ভাল লাগিল।

— x —

৬৪

দুপৰীয়া ভাত খাই পুনৰ ড্ৰইং ৰুমত সকলো বহিলহি। বৰুৱাই আৰম্ভ কৰিলে— পিছে আৰু কৰবাত প্ৰগ্ৰেম আছে নেকি ?
—নাই ইয়ালৈকে আহিছো। অৰূপাই কথাষাৰ কৈ তললৈ মুখ কৰিলে।
—কিবা কথা আছে ?

এই প্ৰশ্নৰ উত্তৰ দিবলৈ গৈ অনিলে লচমিক তুলি লোৱাৰ পৰা আৰম্ভ কৰি বৰ্ত্তমান মাকৰ অসুখলৈকে সকলো ক'লে— আৰু লগতে সকলো সম্পত্তি ভায়েকৰ নামত লিখি দিয়াৰ কথাও কবলৈ নাপাহৰিলে।

প্ৰায় এঘণ্টা সময় গোটেই কথাখিনি মন দি সদানন্দ বৰুৱা আৰু বস্তি বৰুৱাই শুনি আচৰিত হ'ল। বৰুৱাই গহীন হৈ অনিললৈ চালে— চহৰীয়া আপোনালোকে যে ইমান মহান কাম এটা কৰিছে মই ভালদৰে জনাই নাছিলো। যিটো কামৰ কাৰণে আপোনালোকে পৈতৃক সম্পত্তিৰ পৰা বঞ্চিত হ'ব লগা হৈছে, সেইটো কাম কম মহান নহয় ? এজনী চাহজনজাতিৰ ছোৱালী ডাক্তৰী হৈ ওলাই আহিব সেইটো অতি গৌৰৱৰ কথা, তাতে মোৰেই বাগানৰ পৰা। কিন্তু দুখৰ বিষয় মই তাই পঢ়ি থকাকালত একো সহায় কৰিবলৈ সুবিধা নাপালো। এতিয়া কওক মই কি সহায় কৰিব লাগে।

অৰূপাই সজল নয়নেৰে বৰুৱালৈ চালে।
—কওক। কি ক'ব খুজিছে।

—আমি এখন সৰু নাৰ্চিংহোম বনাবলৈ ইচ্ছা কৰিছো, আপুনিতো জানেই আমাৰ মাটি সম্পত্তি নাই। গতিকে আপুনি যদি দয়া কৰি অকমাণ মাটি দিয়ে।

—মাটি ? সদানন্দ বৰুৱা উচপ খাই উঠিল।

—হয় মাটি। নাৰ্চিংহোম বনাবলৈ মাটি। অৰূপাই অধিক কঠিন হৈ ক'লে।

বৰুৱা একেচাৰে চকিখনৰ পৰা উঠি ঠিয় হ'ল আৰু ড্ৰইং ৰুমৰ ভিতৰতে পাইছাৰি কৰি কৰি সুধিলে— আপোনালোকে বাৰু বাগানৰ ভিতৰত দেখিছে নেকি তেনে উপযুক্ত মাটি ?

—হয়। অৰূপাই ঠিয় হৈ উত্তৰ দিলে।

—ক'ত ? কোনখিনি মাটি ? সদানন্দ বৰুৱাৰ চকুত যেন গোটেই পঞ্চবটী বাগানখন ভাহি উঠিল।

—সেইযে ৰাস্তাৰ কাষতে জঙ্ঘলহৈ পৰি আছে, সৰু টিলা এটাও আছে। প্ৰায় ২ বিঘা মান হ'ব।

—ওঁ, I see, সেইখিনি মাটি ? ইচ্ছা কৰিয়েই সেইখিনি মাটি মই কোনো কামত লগোৱা নাছিলো।

অৰূপা, বস্তি, অনিল সকলো মনে মনে থাকি বৰুৱাৰ কথা লৈ অপেক্ষা কৰিলে— বৰুৱাই চিগাৰেট এটা জ্বলাই লৈ ক'লে— বুজিছে চহৰীয়া সেই মাটিখিনিৰ এটা কাহিনী আছে।

—কাহিনী ? অৰূপা চক খাই উঠিল।

অনিলে লাহেকৈ অৰূপালৈ চাই একো নকবলৈ চকুৰে ইচাৰা দিলে।

—ওঁ কাহিনী। মই অৱশ্যে মোৰ অফিচত পৰা এখন ডায়েৰীৰ পৰাহে পঢ়িছিলো।

—ক'ত কওঁকচোন, কি পঢ়িছিল ? মোক দেখোন ইমান দিন কোৱাই নাই ?

বস্তিৰ কথাত বৰুৱাই হাঁহি মাৰি ক'লে— শুনিলে ভয় কৰিবা সেই কাৰণেই কোৱা নাছিলোঁ। কিন্তু আজি কম।

—ওঁ কওকচোন বস্তিয়ে কাহিনী শুনিবলৈ ব্যগ্ৰ হৈ ৰ'ল।

—বহুত দিনৰ আগতে অৰ্থাৎ চাহাব থাকোতেই স্বাধীনতাৰ পিছতে বৰাক নদীৰ কাষত থকা চিংকুৰি বুলি এখন বাগিচাৰ পৰা এজন চাহাবে ফুলমতি বুলি এজনী শ্ৰমিক আৰু চন্দ্ৰিকা বুলি এজনী সৰু ছোৱালী লৈ সেই বাগানৰ বাংলালৈ আহে। অৰ্থাৎ এতিয়া যি খিনি ঠাই জংঘলেৰে আবৰি আছে তাতে চাহাব মেনেজাৰৰ বাংলা আছিল। ডায়েৰীত লিখামতে ফুলমতিৰ লগত চাহাবৰ অবৈধ সম্পৰ্কৰ ফলত ছোৱালীজনীৰ জন্ম হৈছিল। পিছত চাহাবে অনুশোচনা কৰি সিহঁতক বিছাৰি চিংকুৰি বাগানত পায় যদিও শ্ৰমিকসকলৰ ভয়ত পলৰৱতী লৈ পলায় আহে। দুদিনমান থকাৰ পিছত বোলে ফুলমতিক মানুহে বাংলাত নেদেখা হ'ল—আৰু এদিন সুবিধা বুজি চন্দ্ৰিকাক লৈ চাহাব বাগানৰ পৰা নিজ দেশলৈ গুচি গ'ল। পিছত মানুহে বাংলাৰ ভিতৰত কান্দোন শুনে। পায়েলৰ শব্দ শুনে মানুহ এজনী ঘুৰিফুৰা দেখে।

—তাৰ মানে ফুলমতিক চাহাবে বাংলাত মাৰি পেলালে? অনিলে বহলকৈ চকু দুটা মেলি বৰুৱালৈ চালে।

—কোনে জানে! হয়তো হবও পাৰে। কাৰণ চাহাববিলাকে অবৈধ সম্পৰ্ক থাকিলেও বাগানৰ ছোৱালী নিজ দেশলৈ নিজৰ পত্নী কৰি কেতিয়াও নিনিয়ে। কিছুমানে ইয়াতে বিয়া কৰি দেশলৈ ঘুৰি নোযোৱা দৃষ্টান্তও নোহোৱা নহয়। আমচৈৰ চাহবাগানত এতিয়াও চাহাব চাহাবনীৰ যুগল সমাধি দেখিবলৈ পোৱা যায়। ভাবিলে আচৰিত লাগে সেই দিনত সাত সাগৰ তেৰ নদীৰ সিপাৰৰ পৰা বগা চাহাব আহি কম কষ্টৰে চাহ খেতি কৰিছিল নে? বৰুৱাই হুমুনিয়াহ কাঢ়িলে।

—তাৰ পিছত বস্তিয়ে অশ্বিৰ হৈ সুধিলে ?

—অঁ তাৰ পিছত ? বৰুৱা অলপ দূৰ আগবাঢ়ি গ'ল আৰো পিছলৈ ঘুৰি আহিল— বেদনাসিক্ত মাতেৰে তেওঁ আৰম্ভ কৰিলে এইবোৰ বাতৰি শুনাৰ পিছত অৰ্থাত মানুহৰ মুখে মুখে প্ৰচাৰ হোৱাত কোনো মেনেজাৰ বোলে তাত নথকা হ'ল। ফলত ঠাই ডোখৰ পৰিত্যক্ত হৈ পৰিল। এইবোৰ কথা মই শুনাৰ পাছত ময়ো তাত খেতি কৰিবলৈ এৰি দিলো।

—তেনেহলে এইটো কথা বহুত দিন আগৰ ?

বস্তিৰ কথাৰ উত্তৰ দি বৰুৱাই হ'াহি মাৰি ক'লে— দিন নহয় বহু বছৰ আগৰ বস্তি। চাহাৰ থকাৰ দিনৰে। আৰু এদিন সুবিধা বুজি চন্দ্ৰিকাক লৈ চাহাব সেই বাগানৰ পৰা নিজ দেশলৈ গুচি যায়।

—ঠিক কৈছা বস্তি ময়ো তাকে ভাবিছো। বহুতে কয় চাহাবে বোলে ফুলমতিক মাৰি বাংলাটোৰ ভিতৰতে কবৰ দি থৈ গৈছে : অলপ সময় সকলো নিমাতে থকাৰ পিছত নিস্তব্ধতা ভঙ্গ কৰি বস্তিয়ে ক'লে— তেনেহলে মাটি টুকুৰা নাৰ্চিংহোম বনাবলৈকে দি দিয়ক ? তেতিয়া হয়তো ফুলমতিৰ আত্মাই শান্তি পাব। বৰুৱাই চিগাৰেটটোত দীঘলকৈ হোপা এটা মাৰি চিন্তিত হৈ ক'লে— ঠিক আছে। সেইখিনি মাটিতে নাচিংহোম বনাব পাৰিব। কিন্তু টকা পইচা এপাৰেটাচ, অনেক খৰছ আছে।

—আপুনি তাৰ কাৰণে চিন্তা নকৰিব।

—অৱশ্যে হয়, ডাক্তৰৰ যোগেদি আমি বহুত বাহিৰৰ সম্বাব পৰা সহায় পাব পাৰো। তেনেহলে আপোনালোকে ঠাই ডোখৰ চাকা কৰাৰ ব্যৱস্থা কৰক।

—হয়, অনিলে ধীৰ ভাবে ক'লে।

—চহৰীয়া আপোনালোকে একো চিন্তা নকৰিব। মোক আপোনা-

লোকে নিজৰ ককাই বুলি ভাবক। মোৰো কোনো নাই। সেই বাগানৰ পৰা মই আপোনালোকক কলৈকো নিনিও। মোৰ অবিহনে বাগান চাবলৈ আৰু কোনো নাই। আপুনিয়েই মোৰ সকলো বাগান চাব লাগিব। আজিৰ পৰা মই নিচিন্ত হলো। চাওক মোৰ দুটাকৈ ভাই দুৰাৰোগ্যত ভূগি অকালতে মৰিল। মা দেউতাক সকতে হেৰুৱালো। সৰু কালটো লোকৰ সহায়তে পঢ়ি পঢ়ি নিজৰ কষ্ট আৰু একাগ্ৰতাৰ বলত এইখিনি পালোহি। এই খিনি উৎসাহ পোৱা একমাত্ৰ প্ৰেৰণা হ'ল মোৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, মোৰ গুৰু, মোৰ পিতৃ-মাতৃ সকলো— গোপাল ৰাজবংশী। যিজন গুৰুৱে মোক ব্যৱসায়ৰ পথ দেখুৱাই দিছিল সেইজন পৰম আৰাধ্য গুৰুকো মই পাচ বছৰৰ আগতে হেৰুৱালো। এতিয়া মোৰনো আৰু কোন আছে। একমাত্ৰ এওঁ মোৰ সুখে দুখে লগৰী। বন্তিয়ে কান্দি দিলে। টপ্ টপ্‌কৈ চকুপানীবোৰ তেওঁৰ কোলাত আহি পৰিলহি। অৰূপা দৌৰি আহি বন্তিক সাৱটি ধৰিলে— বাইদেউ কিয় কান্দিছে। সদানন্দ বৰুৱাই চকিখনৰ পৰাই ক'লে— বাইদেউ নহয় আজিৰ পৰা বৌ।

তেওঁ চকিৰ পৰা উঠি আহিল আৰু অনিলক সাৱটি ধৰি ক'লে— My Brother don't worry. সকলো ঠিক হৈ যাব। অহা সপ্তাহত মই যাম। সেইদিনাই কাম আৰম্ভ কৰিমগৈ। অহা সোমবাৰে। সেইদিনা বাগানৰ শ্ৰমিকসকলৰ ছুটি। সকলোৱে মাটি টুকুৰাৰ চাফাই কামত লাগিব পাৰিব বুজিলা অনিল! আজিৰ পৰা তুমি মোৰ ভাই॥

৬৫

এটা সপ্তাহ কোনফালে গ'ল অৰূপাইঁতে গমকে নাপালে। গোটেই বাগান আনন্দত আত্মহাৰা। অৱশেষত দিনটো আহিল। বাহিৰপুৰা সদানন্দ বৰুৱা আৰু বস্তি আহি পঞ্চৱৰ্ত্তী পালেহি। প্ৰথমে বৰুৱাই বাগান চালে— বৰ সুখী হ'ল তেওঁ। বাগানৰ ৰং যেন বদলি হৈ গৈছে। সকলো ল'ৰা-ছোৱালীৰ মুখত হাঁহি। সেইদিনা লচমিও আহিছে। লচমি আহি মাকক দেখি আচৰিত হ'ল। অৰূপা যথেষ্ট ক্ষীণাইছে। হার্ট দুৰ্ব্বল। তাই মাকক বাৰে বাৰে কষ্ট কৰিবলৈ মানা কৰা স্বত্বেও অৰূপাই বাগানৰ কামত দেহে কেহে খাটিছে। "নাৰ্চিংহোম" খন হলেহে যেন অৰূপাৰ শান্তি হ'ব।

সদানন্দ বৰুৱা আৰু বস্তি অৰূপাইঁতৰ ঘৰলৈ আহিল। অৰূপাই লচমিক ৰবমা আৰু বৰদেউতা বুলি চিনাকি কৰি দিলে। তাই ভৰি চুই সেৱা কৰিলে।

সকলোৱে আনন্দ মনেৰে চাহ জলপান খালে তাৰ পাছত সকলোৱে ঠাই চাফা কৰা চাবলৈ গ'ল। ইতিপূৰ্ব্বে সকলো শ্ৰমিকে ডা, কুঠাৰ লৈ আধা-আধি চাফা কৰিলেই। সদানন্দ বৰুৱাই দেখিলে বাংলাটোৰ মাত্ৰ ধ্বংসস্তূপহে আছে। ঘৰটো ভাঙিবলৈ বৰুৱাই সকলো শ্ৰমিকক লগাই দিলে। তেওঁ মনতে ভাবিলে কিবা ওলাই যদি ওলাবক। যদি ডায়েৰীৰ কথাবোৰ সঁচা হয় তেনেহলে নিশ্চয় কিবা ওলাব। শ্ৰমিকবিলাকে কোৰ, কোডাল, দা, লোহাৰ খন্দ লৈ ইটাবোৰ ভাঙি গ'ল। অলপ সময়ৰ ভিতৰতে বেৰবোৰ খহোৱা হ'ল। মজিয়াখন ভাঙিবলৈ ধৰিলে। ইটাবোৰ এখোৱাই

দ'ম কৰিলে— এনেতে শ্ৰমিক এজনে চিঞৰি দিলে— বাবু কিবা আছে ?

বকৰা দৌৰি গ'ল । সঁচাকৈয়ে মাটিৰ তলত এটা কবৰ আছে আৰু কাষতে মাৰ্ব্বল পাথৰ এটাত কিবা লিখা আছে। বকৰাই কবৰটো ভাঙিবলৈ নিৰ্দেশ দিলে । ভাঙোতে দেখা পালে কবৰৰ ভিতৰত এটা নৰকঙ্কাল। কঙ্কালটো শুই থকা অৱস্থাত আছে। হয়তো কফিনত ভৰাই কবৰ দিয়া হৈছিল। সময় পাৰ হোৱাৰ লগে লগে কাঠৰ কফিনটো পচি গ'ল আৰু পৰি ৰ'ল ফুলমতিৰ কঙ্কালটো। বকৰাই কঙ্কালটো চাই আদেশ দিলে— "সাৱধানে কঙ্কালটো তহঁতে আঁতৰাই আন।" কিন্তু সিহঁতে কঙ্কালটো ধৰোতেই হাড়বোৰ সব সৰকৈ সৰি পৰিল। সদানন্দ বকৰাই শ্ৰমিকসকলক ঠাই ভোখৰ চাফা কৰিবলৈ উত্তেজিত হৈ আদেশ দিলে। ঠাই ডোখৰ চাফা কৰিলে হয়, কিন্তু মাৰ্ব্বল পাথৰ টুকুৰা ভাঙিব নোৱাৰিলে। তাত কিবা লিখা আছে বুলি গুণ গুণনি উঠিল। বকৰা আৰু অনিল আগবাঢ়ি গ'ল আৰু মাৰ্ব্বল পাথৰত লিখা কথাখিনি পঢ়িবলৈ চেষ্টা কৰিলে— তাত লিখা আছিল— Good bye my wife Phulmati good bye for ever.

অনিলে চাই বকৰাই সুধিলে— তেনেহ'লে ফুলমতিক চাহাবে পত্নী বুলি স্বীকৃতি দিলে ?

—কিন্তু বকৰা দাদা ফুলমতিৰ আত্মাই তৃপ্তি নাপালে কিয় ?

—হয়তো জীয়াই থাকোতে তাই গম পাই নপ'ল যে চাহাবে তাইক স্বীকাৰ কৰিলে।

—তেনেহলে চাহাবে হত্যা কৰিলে ফুলমতিক ?

—হয়তো হয়, আৰু মৃত্যুৰ পিছত চাহাবে ফুলমতিক স্বীকৃতি দি সমাধিস্থ কৰি গ'ল।

বকল্বাই চিগাৰেট এটা অলাই লৈ বহুত দূৰলৈ খোজ কাঢ়ি গ'ল। তেওঁ দূৰৰ নীলিম আকাশলৈ চাই ভাবিলে, হয়তো চেহাৰৰ দীৰ্ঘস্থায়ী অসহ্য যন্ত্ৰণাৰ পৰা পৰিত্ৰাণ পাবলৈ আন একো উপায় নাছিল। মানুহে জীৱনৰ নিষ্ঠুৰতাৰ পৰা ৰক্ষা পাবলৈ বহু ধৰণৰ আত্ম প্ৰতাৰণাৰ উপায় লব লগা হয়। চাহাবেও হয়তো সেয়ে কৰিলে। নিজকে প্ৰতাৰণা কৰি ক্ষমাহীন সংগ্ৰামত আত্ম নিয়োগ কৰিবলৈ তেওঁৰ সাহস নাছিল। কোনে জানে ফুলমতিক কবৰ দি নিজম নিশা হয়তো চাহাবে যন্ত্ৰণাত কাতৰহৈ আৰ্ত্তনাদ কৰি উঠিছিল ?

বকল্বাই বহু সময়ৰ পিছত চিগাৰেট হুপি হুপি অনিলৰ কাষলৈ উভতি আহি কৈছিল -- বজ্ৰিছা অনিল মানুহ যে এই পৃথিৱীত সম্পূৰ্ণ অকলশৰীয়া সেইটো কথা কোনেও চিন্তা নকৰে, এনেকুৱা এটা সময় মানুহলৈ আহে যিটো সময়ত প্ৰকৃতিৰ ঐশ্বৰিক শক্তিয়েও মানুহক সহায় কৰিবলৈ ব্যৰ্থ হয় আনকি ভগৱানেও সেই দুৰ্যোগৰ মুহূৰ্ত্তত কাকো চকুপানী মচি দিবলৈ আগবাঢ়ি নাহে।

তেওঁ যেন সেই মুহূৰ্ত্তত অস্থিৰ হৈ পৰিছিল আৰু এপিটাফ লিখা মাৰ্ব্বলটোৰ ফালে আগবাঢ়ি গৈ অনিললৈ চাই পাইছিল,—

Thou wert the morning,
Among the living
Ere thy fair light
Had fled
Now having died.

অনিলে দেখিছিল বকৰা বেদনাকাতৰ হৈ পৰিছে আৰু অধিক Sentimental হৈছে। বকৰাই, শ্ৰমিকসকলক আদেশ দিলে নব-কঙ্কালটো যাতে শ্ৰমিকসকলৰ পদ্ধতিৰে সৎকাৰ কৰে। সেইমতেই

সেইখিনি ঠাইতেই ফুলমতিৰ নবকঙ্কাল সংকাৰ কৰা হ'ল। তৎক্ষণাতে যেন ফুলমতিয়ে উজ্বল অগ্নিৰ শিখা হৈ মাটিৰ পৃথিৱী ত্যাগ কৰি সুদূৰ আকাশলৈ উৰা মাৰিলে। অনিলে একেথৰে চিতাৰ পৰা উৰি যোৱা জুইৰ শিখাবোৰ চাই ভাবিলে আজিহে যেন মেঘনা, যমুনা থেম্‌চে কঢ়িয়াই অনা এগৰাকী মাতৃয়ে জীৱন জোৰা যন্ত্ৰণাৰ পৰা মুক্তি পালে।

—কি ভাবিছা অনিল ?

অনিলে সচকিত হৈ বৰুৱালৈ চালে বৰুৱাই হুমুনিয়াহ কাঢ়ি ক'লে— দুখ নকৰিবা অনিল, আত্মা অমৰ, তাৰ বিশাল শাশ্বত শক্তিয়ে এই মাত্ৰ যেন আয়ত্ত কৰি পেলালে ফুলমতিৰ ক্লান্ত ইতিহাস। বৰুৱাই কথা কৈ কৈ অৰূপাইঁতৰ ওচৰলৈ আগবাঢ়ি গ'ল আৰু কাতৰ কণ্ঠৰে ক'লে— আপোনালোকৰ চেষ্টাতে আজি এগৰাকী নাৰীৰ মুক্তি হ'ল। সেইহে মই ভাবিছো নাৰ্চিংহোমখনৰ নাম "ফুলমতি নাৰ্চিংহোম" হওঁক। এগৰাকী নিৰ্য্যাতিতা নাৰীক আমি সকলোৱে সন্মান কৰো। নহয় জানো ? শুনা অনিল, তুমি এইখিনি ঠাইতে এটা স্তম্ভ সাজিবা আৰু তাতে ফুলমতিৰ নাম খোদিত কৰিবা।

বৰুৱাৰ কথাশুনি অৰূপাৰ দুয়োধাৰে চকুপানী বৈ গ'ল। আনন্দৰ অতিশৰ্য্যাত অৰূপাই কাষতে বৈ থকা লচমিক সাৱটি ধৰিলে আৰু সদানন্দ বৰুৱাৰ কাষতে থমি পৰিল। অনিলে অৰূপাক সাৱটি ধৰি, অৰু… অৰু… বুলি চিঞৰিলে কিন্তু অৰূপাৰ আৰু মাত নোলাল। লচমিক সাৱটি ধৰা অৰূপাৰ শীতল হাতখন লাহে লাহে এৰাই পৰিল— লচমিয়ে মাকক বুকুত জোৰেৰে সাৱটি ধৰি চিঞৰি উঠিল মা… মা…।